

নগাঁও ছোৱালী কলেজ আলোচনী

# চৰৈৱেতি

২০২২-২০২৩ বৰ্ষ

তত্ত্বাৱধায়ক

ড° বিপুল মালাকাৰ

ৰশ্মি ডেকা

সম্পাদিকা

নিমিষা বৰা

# কলেজ সংগীত

আমি এই কলঙৰ পাৰতে
পোহৰৰ কাৰেং সজাওঁ
ফুলৰ হাঁহিৰে আমি
জ্যোতিৰ শিখাৰে ৰচা
আশাভৰা কাহিনী শুনাওঁ।।

আমাৰ সপোনে চুমে বিশাল আকাশ
ইয়াত জীৱনে পালে অসীম আবাস
সুৰৰ সেনানী সাজি
জীৱনৰ হবিৰে আমি
সাহসৰ অগনি জ্বলাওঁ।

আমি মহাপুৰুষৰ আশিসেৰে মণ্ডিত
এই পৱিত্ৰ ভূমিতে
ৰচি যাওঁ জীৱনৰ যুগমীয়া ইতিহাস
ধৰণীৰ প্ৰতিকণা ধূলিতে।
নবীন প্ৰভাতে আহি
পোহৰাব ধৰাখনি
আমি তাৰে আৱাহনী গাওঁ।।

ৰচনা ঃ অধ্যাপক ইদ্ৰিছ আলি
সুৰ ঃ অধ্যাপক ইদ্ৰিছ আলি
ড° জ্যোতি নাথ চক্ৰৱতী



# নগাঁও ছোৱালী কলেজ আলোচনী

# চৈৰেৱেতি

২০২২-২০২৩ বৰ্ষ

তত্ত্বাৱধায়ক

**ড° বিপুল মালাকাৰ**

**ৰশ্মি ডেকা**

সম্পাদিকা

**নিমিষা বৰা**

# *Charaiweti*

The Annual Magazine of Nowgong Girls' College, Edited by Nimisha Bora, Guided by Dr. Bipul Malakar, Rashmi Deka and published by Dr. Kulen Chandra Das, Principal, Nowgong Girls' College, Nagaon, Assam.

নগাঁও ছোৱালী কলেজ আলোচনী

২০২২-২৩ বৰ্ষ

## সম্পাদনা সমিতি ঃ

| | |
|---|---|
| সভাপতি | ঃ ড° কুলেন চন্দ্ৰ দাস, অধ্যক্ষ, E-mail : kulen1das@gmail.com |
| উপদেষ্টা | ঃ ড° মীৰা বৰুৱা, E-mail : mirabaruah457@gmail.com |
| | মৰমী গায়ন, E-mail : moromig.49@gmail.com |
| তত্ত্বাৱধায়ক | ঃ ড° বিপুল মালাকাৰ, E-mail : abhinabbipul@gmail.com |
| | ৰশ্মি ডেকা, E-mail : rashmideka.ngc@gmail.com |
| সম্পাদিকা | ঃ নিমিষা বৰা, E-mail : nimixhabora349@gmail.com |
| শিক্ষক সদস্য | ঃ ড° বিশ্বজিৎ দাস, E-mail : drbiswajitdas555@gmail.com |
| | দীপক শৰ্মা, E-mail : deepak1973@gmail.com |
| | ড° সঞ্চিতা বৰা, E-mail : sanchita.bora1@gmail.com |
| | ড° মনোজ কুমাৰ চুতীয়া, E-mail : manojchutia@gmail.com |
| ছাত্ৰী সদস্য | ঃ পৰিস্মিতা বৰা, E-mail : porishmitasharma2@gmail.com |
| | দীপা বৰা, E-mail : dehaborah984@gmail.com |
| প্ৰকাশক | ঃ অধ্যক্ষ, E-mail : ngcprincipal2@gmail.com |
| | নগাঁও ছোৱালী কলেজ |
| প্ৰচ্ছদ শিল্পকৰ্ম | ঃ আলমিতা কাশ্যপ (পাহি) |
| শিল্পসজ্জা | ঃ হেমন্ত কুমাৰ বৰা, অনামিকা বৰা |
| অক্ষৰ বিন্যাস | ঃ উত্তম কুমাৰ নাথ, বিভাৰাণী বৰা, সত্যব্ৰত কাকতি |
| মুদ্ৰণ | ঃ বিৰিখ, লাওখোৱা পথ, নগাঁও |



ঘোষণা ঃ আলোচনীত প্ৰকাশিত লেখনিসমূহ মৌলিক বুলিয়ে প্ৰকাশ কৰা হৈছে। এই ক্ষেত্ৰত কিবা বিসংগতি থাকিলে তাৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।




# উছৰ্গা



এক অবৰ্ণনীয় লোমহৰ্ষক ৰেল দুৰ্ঘটনাত অকালতে মৃত্যুক
আঁকোৱালি লোৱা প্ৰজ্ঞাৰ সাধক,
সংস্কৃত বিভাগৰ সহযোগী অধ্যাপিকা
ড° সঞ্জিতা সিংহৰ সোঁৱৰণত এই বৰ্ষৰ 'চৰৈৱেতি'
উছৰ্গা কৰা হ'ল

**Rupak Sarmah**
Member
Assam Lagislative Assembly
86, Nagaon Sadar LAC

**Residence:**
**Guwahati : Old MLA Hostel**
**Assam Sachibalaya,**
**Qte. No. E-3, Dispur, Ghy.-6**
**E-mail : rupaksarmah1@gmail.com**
**Nagaon: P.S. Road, Amolapatty,**
**Nagaon-782003**
**Mobile No.: 99540 50021**



# শুভেচ্ছাবাণী

মধ্য অসমৰ একমাত্ৰ কন্যা মহাবিদ্যালয় 'নগাঁও ছোৱালী মহাবিদ্যালয়'। ১৯৬২ চনৰ ১২ ছেপ্তেম্বৰত শিক্ষাবিদ মহেশচন্দ্ৰ দেৱগোস্বামীদেৱৰ প্ৰচেষ্টাত জন্ম লাভ কৰা এই মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠাকালৰে পৰা নাৰী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অনুপ্ৰেৰণা যোগাই আহিছে। মহাবিদ্যালয়খনিৰ বাৰ্ষিক আলোচনী 'চৰৈবেতি' প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ। আলোচনীখনিত মহাবিদ্যালয়খনিৰ গৌৰৱময় ইতিহাসৰ লগতে সাম্প্ৰতিক সময়ৰ পৰিৱেশ আৰু জাতীয় জীৱনৰ গৌৰৱময় ৰূপটো প্ৰতিফলিত হওক। আলোচনীত প্ৰকাশ পাবলগীয়া লিখনিসমূহে বৰ্তমান সমাজৰ প্ৰতিজন পঢ়ুৱৈক এক সুন্দৰ চিন্তাধাৰাৰ সমল যোগোৱাৰ উপৰি ৰহিজৰ মনোগ্ৰাহী হৈ প্ৰকাশ পাব বুলি আশা ৰাখিছোঁ ।

নগাঁও ছোৱালী কলেজ আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৈ প্ৰকাশ হওক, তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ আৰু আলোচনীখন প্ৰকাশৰ লগত জড়িত সকলোটিলৈকে মোৰ আন্তৰিক অভিনন্দন যাচিলোঁ।

(ৰূপক শৰ্মা)
বিধায়ক
৮৬ নং নগাঁও সদৰ বিধান সভা সমষ্টি

# মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ একাষাৰ



অতি গৌৰব আৰু আনন্দৰ কথা যে নগাঁও জিলাৰ ইতিহাস গৰকা নগাঁও ছোৱালী মহাবিদ্যালয়ে বাৰ্ষিক মুখপাত্ৰ মহাবিদ্যালয় আলোচনীখন প্ৰকাশৰ দিহা কৰিছে। আশা ৰাখিছোঁ– আলোচনীখন পাণ্ডিত্যপূৰ্ণ ৰচনাৰে সমৃদ্ধ হৈ অটিকধুনীয়াকৈ প্ৰকাশ পাব আৰু ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰিব। নগাঁও ছোৱালী মহাবিদ্যালয়ে জন্মলগ্নৰে পৰাই সুদীৰ্ঘ ৬২ টা বছৰে নিষ্ঠাৰে, যোগাত্মক দৃষ্টিভংগী আৰু অতিশয় দায়বদ্ধতাৰে ছাত্ৰীসকলৰ উৎকৰ্ষ সাধনৰ অৰ্থে এক সুস্থ-সবল শৈক্ষিক পৰিৱেশ গঢ় দিয়াত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে।

মই সম্পাদনা সমিতিৰ সদস্যসকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আলোচনীখনিয়ে সকলো শ্ৰেণীৰ পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠানখনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ। শেষত আলোচনীখনিৰ প্ৰকাশৰ সফলতা আন্তৰিকতাৰে কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° তোযেশ্বৰ নাথ)
সভাপতি
পৰিচালনা সমিতি
নগাঁও ছোৱালী কলেজ




# অধ্যক্ষৰ একাষাৰ

১৯৬২ চনত স্থাপন হোৱা গৰিমামণ্ডিত নগাঁও ছোৱালী কলেজে ৬১ বছৰ অতিক্ৰমি ৬২ বছৰত ভৰি দিছে। এই গৌৰৱোজ্জ্বল ৬২ বছৰীয়া পৰিক্ৰমাত আমাৰ কলেজে সদায়েই গুণগত শিক্ষা প্ৰদানত গুৰুত্ব প্ৰদান কৰি আহিছে। এক গুণগত শিক্ষা প্ৰদানৰ বাবে প্ৰয়োজনীয় সকলো উপাদান আমাৰ কলেজত বিদ্যমান। এই সমূহ উপাদানেৰে আমি এক সুস্থ শৈক্ষিক পৰিকাঠামো তৈয়াৰ কৰাৰ চেষ্টা কৰিছোঁ। আমি পাঠ্যক্ৰমৰ শিক্ষা প্ৰদানৰ লগতে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা কথাটো হৈছে ছাত্ৰীসকলৰ মাজত এক অনুসন্ধিৎসু মানসিকতা তৈয়াৰ কৰা। এই অনুসন্ধিৎসু মন থাকিলেহে নতুনৰ উৎপাদন তথা উদ্ভাৱন সম্ভৱ হয়গৈ।

অনুসন্ধিৎসু মনৰ কথা কওঁতেই মোৰ মনলৈ আহিছে মাধ্যাকৰ্ষণ শক্তিৰ আৱিষ্কাৰক পৃথিৱী বিখ্যাত বিজ্ঞানী ছাৰ আইজাক নিউটনৰ কথা। নিউটন আছিল সাংঘাতিক অনুসন্ধিৎসু এক ব্যক্তি। নিউটনৰ ঠাইত আমাৰ নিচিনা যিকোনো সাধাৰণ বুদ্ধিমত্তাৰ ব্যক্তি এজন হোৱা হ'লে আপেলটো ওপৰৰ পৰা সৰি পৰোঁতে তেওঁ সেইটো কিয় ওপৰলৈ নগৈ তললৈ সৰি পৰিল বুলি ভাবি সময় অপচয় নকৰিলেহেঁতেন।

পিছে এই নিউটন, আইনষ্টাইন প্ৰভৃতি বিজ্ঞানীসকল, যাক আমি পঢ়া-শুনা কৰা লোকসকলে সকলোৱেই চিনি পাওঁ, তেওঁলোকে তেওঁলোকৰ মগজুৰ মুঠ সক্ষমতাৰ কিমানখিনি ব্যৱহাৰ কৰিছিল বাৰু? মজাৰ কথাটো হৈছে যে, তেওঁলোকে তেওঁলোকৰ মগজুৰ মুঠ সক্ষমতাৰ মাত্ৰ ১২-১৩ শতাংশহে ব্যৱহাৰ কৰিছিল। তেতিয়া হ'লে প্ৰশ্ন উঠে আমি কিমান কৰিছোঁ?

পিছে আইনষ্টাইনৰ কথা কওঁতেই এটা আমোদজনক কথা মনলৈ আহিছে। এবাৰ জাৰ্মানীৰ পৰা এক বিমানযাত্ৰাত আইনষ্টাইনৰ কাষত বহা ডেকা সহযাত্ৰীজনৰ লগত কথা পাতিবলৈ প্ৰবল ইচ্ছা হ'ল। সহযাত্ৰীগৰাকীয়ে আইনষ্টাইনক উপেক্ষা কৰি এখন কিতাপত মগ্ন হৈ আছিল। আইনষ্টাইনে তেওঁৰ লগত আলাপ আৰম্ভ কৰি এক খেল খেলাৰ প্ৰস্তাৱ আগবঢ়ালে। সহযাত্ৰীগৰাকী বিৰক্ত হৈছিল যদিও বয়সৰ প্ৰতি সন্মান জনাই সন্মতি প্ৰকাশ কৰিলে। আইনষ্টাইনে খেলৰ চৰ্ত ৰাখিলে যে আইনষ্টাইনে তেওঁৰ সহযাত্ৰীজনক প্ৰশ্ন কৰিব আৰু তেওঁ যদি উত্তৰ দিব নোৱাৰে ৫০ ইউৰো দিব লাগিব। আৰু সহযাত্ৰীগৰাকীৰ প্ৰশ্নৰ উত্তৰ আইনষ্টাইনে যদি দিব নোৱাৰে তেতিয়া আইনষ্টাইনে, যিহেতু তেওঁ এগৰাকী বিখ্যাত বিজ্ঞানী, ৫০০ ইউৰো দিব লাগিব। সহযাত্ৰীগৰাকী মান্তি হ'ল। আইনষ্টাইনে প্ৰথম প্ৰশ্নটো সহযাত্ৰীগৰাকীকে সোধাৰ প্ৰস্তাৱ আগবঢ়োৱাত সহযাত্ৰীগৰাকীয়ে সুধিলে, 'এনেকুৱা এগৰাকী পৰ্বতাৰোহীৰ নাম কওক যিয়ে ৰাতিপুৱা দুভৰিৰে পাহাৰ বগাবলৈ গৈ সন্ধিয়া চাৰি ভৰিৰে নামি আহে'।

প্ৰশ্নটো সুধি সহযাত্ৰীজন পুনৰ তেওঁ পঢ়ি থকা কিতাপখনত মগ্ন হৈ পৰিল। আইনষ্টাইনে মনত পেলাবলৈ চেষ্টা কৰিলে যদিও তেনেকুৱা একো কথাই মনত নপৰিল। বহুত চেষ্টা কৰিও তেওঁ মনত পেলাব নোৱাৰিলে। কিন্তু ইমান ডাঙৰ বিজ্ঞানী হৈয়ো সহযাত্ৰীজনৰ সন্মুখত এই কথাটো নাজানো বুলি ক'বলৈ তেওঁ ভীষণ লাজ পালে। কিন্তু উপায়তো নাই। গতিকে তেওঁ জেপৰ পৰা ৫০০ ইউৰো উলিয়াই সহযাত্ৰীজনৰ হাতত দি ক'লে মই নাজানো।

সহযাত্ৰীজনে ৫০০ ইউৰো জেপত সুমুৱাই থৈ পুনৰ পঢ়াত মগ্ন হ'ল। লাজে-খঙে অপমানিত বোধ কৰা আইনষ্টাইন কিছু পৰ মনে মনে থকাৰ পিছত সহযাত্ৰীজনক সুধিলে, 'মই নোৱাৰিলোঁ। এতিয়া উত্তৰটো তুমিয়েই কোৱা'।

সহযাত্ৰীজনে কিতাপৰ পৰা মুৰ তুলি আইনষ্টাইনৰ ফালে কেৰাহিকৈ চাই জেপৰ পৰা ৫০ ইউৰো উলিয়াই আইনষ্টাইনৰ হাতত গুঁজি দি ক'লে, 'ময়ো নাজানো'।

এইটো এটা গাজাখুৰি গল্প হ'ব পাৰে বুলি মই অনুমান কৰিছোঁ যদিও ইয়াৰ পৰাও কিন্তু ইয়াৰ পৰাও শিক্ষা লোৱাৰ আমাৰ অৱকাশ আছে।

আমি ছাত্ৰীসকলক আমাৰ কলেজত পাঠ্যক্ৰমৰ পাঠদানৰ উপৰি অনুসন্ধিৎসু আৰু এই ধৰণৰ বুদ্ধিমত্তা আহৰণৰ বাবে এটা পৰিৱেশ দিবলৈ চেষ্টা কৰি আহিছোঁ। নগাঁও ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী 'চৰৈৱেতি' এনেকুৱা এক মাধ্যম, যাৰ জৰিয়তে আমাৰ ছাত্ৰী তথা শিক্ষকসকলেও নিৰন্তৰ এক বৌদ্ধিক কচৰতত ব্ৰতী হ'ব পাৰে। নতুন চিন্তা-চৰ্চাৰে সমাজখনলৈ এক ইতিবাচক বৰঙণি আগবঢ়াব পাৰে। সৰ্বোপৰি এই বৌদ্ধিক কৰ্ষণৰ জৰিয়তে নিজৰ সৰ্বাঙ্গীন বিকাশৰ প্ৰতি মনোনিৱেশ কৰিব পাৰে।

এটা অতি গুৰুত্বপূৰ্ণ কথা এইখিনিতে উল্লেখ কৰিবই লাগিব। আমাৰ কলেজৰ আলোচনীখনৰ নাম পূৰ্বৰ 'নগাঁও ছোৱালী কলেজ আলোচনী'ৰ পৰা এইবছৰৰ পৰা 'চৰৈৱেতি' ৰখা হৈছে। নতুন নামকৰণৰ এই প্ৰস্তাৱত সন্মতি প্ৰদান কৰাৰ বাবে মই কলেজৰ সকলো সহকৰ্মী তথা পৰিচালনা সমিতিৰ সন্মানীয় সদস্যসকলৰ শলাগ লৈছোঁ।

অতি কম সময়ৰ ভিতৰতে 'চৰৈৱেতি' প্ৰকাশ কৰি উলিওৱাৰ বাবে আলোচনী সমিতিখনলৈ সাধুবাদ।

জয়তু নগাঁও ছোৱালী কলেজ। জয়তু 'চৰৈৱেতি'।

ধন্যবাদেৰে।

(ড° কুলেন চন্দ্ৰ দাস)
অধ্যক্ষ
নগাঁও ছোৱালী কলেজ







# উপাধ্যক্ষৰ একাষাৰ

নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে অহৰহ প্ৰচেষ্টা কৰি অহা বিভিন্ন প্ৰতিষ্ঠানবিলাকৰ ভিতৰত এখন অন্যতম প্ৰতিষ্ঠান হ'ল মধ্য অসমত অৱস্থিত নগাঁও ছোৱালী কলেজ। কেইজনমান বিদ্বৎলোকৰ আশাশুধীয়া প্ৰচেষ্টাৰ বলত ১৯৬২ চনৰ ১২ ছেপ্তেম্বৰত এই নগাঁও ছোৱালী কলেজ প্ৰাণ পাই উঠিছিল। সেই সময়ৰ পৰাই কলেজে নাৰী শিক্ষাক এক উচ্চস্তৰলৈ নিবৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। সেই দৃষ্টিকোণৰ পৰা আমি আমাৰ চাকৰিৰ কাৰ্যকালত দেখিছোঁ এই কলেজে যথেষ্ট সফলতা অৰ্জন কৰিছে। বিভিন্ন বিষয়ত বহু ছাত্ৰীয়ে সফলতা অৰ্জন কৰি জীৱনত এক প্ৰতিষ্ঠিত পথত নিজকে আগুৱাই নিবলৈ সক্ষম হৈছে।

এখন শিক্ষানুষ্ঠানৰ বৌদ্ধিক জ্ঞান বিকাশৰ একমাত্ৰ মাধ্যম হ'ল কলেজৰ আলোচনীখন। ছাত্ৰীসকলৰ সুপ্ত জ্ঞানক বিকশিত কৰাত সহায় কৰে প্ৰাচীৰ পত্ৰিকাসমূহে। আমি দেখিছোঁ উঠি অহা প্ৰজন্মৰ মাজত আজিৰ দিনবিলাকত বৈদ্যুতিক মাধ্যমৰ প্ৰভাৱহে বেছি। সেয়েহে মনৰ ভাব আদান-প্ৰদান কৰাৰ মাধ্যম যিহেতু ম'বাইলত সীমিত হৈছে সেয়েহে তেওঁলোকৰ প্ৰকাশভংগীৰ মাধ্যমও সীমিত হৈ পৰিছে। লেখাৰ অভাৱত বাক্যৰ গাঁথনি একেবাৰে নিম্ন হৈ পৰিছে। সৃজনশীল প্ৰতিভা বিকাশৰ এনে সংকটৰ সময়ত একমাত্ৰ সম্বল হয় আমাৰ কলেজ আলোচনী। এই ক্ষেত্ৰত আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও প্ৰাচীৰ পত্ৰিকাসমূহত ছাত্ৰীসকলক তেওঁলোকৰ প্ৰতিভাসমূহ বিকশিত কৰিবৰ বাবে যথেষ্ট উদগনি দি আহিছে। কিয়নো আমাৰ লক্ষ্য হ'ল তেওঁলোকৰ অন্তৰ্নিহিত জ্ঞানেৰে তেওঁলোকক আলোকিত কৰাৰ। প্ৰতিগৰাকী ছাত্ৰীয়ে যাতে নিজকে শৈক্ষিক দিশত আগুৱাই নি প্ৰতিষ্ঠিত হৈ সুনাগৰিক হিচাপে জীৱন যাপন কৰিব পাৰে তাক সুদৃঢ় কৰাই হ'ল শিক্ষাব্ৰতী শিক্ষাগুৰুসকলৰ উদ্দেশ্য।

পৰিৱৰ্তনশীল পৃথিৱীখনত নিজৰ লগতে এখন জ্ঞানভিত্তিক সমাজ গঢ়াত সহায় কৰে কেৱল জ্ঞানে। জ্ঞান অবিহনে সুস্থ পৰিৱেশে নিৰ্মিত এখন সমাজ পোৱাটো অত্যন্ত কঠিন। সেই জ্ঞানৰ পোহৰ দিয়ে শিক্ষাৰ আদিপাঠ গ্ৰহণ কৰা সমাজত গঢ়ি উঠা বিভিন্ন শিক্ষানুষ্ঠানসমূহেই হ'ল নব-প্ৰজন্মৰ প্ৰতিভা বিকাশৰ এক মাধ্যম।

আমাৰ ছাত্ৰীসকলৰো সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰাৰ মাধ্যম স্বৰূপ আলোচনীখন সৰ্বাংগ সুন্দৰ হোৱাটো কামনা কৰিলোঁ। আজিও আৰু প্ৰতিভাসম্পন্ন আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ তত্ত্বাৱধানত ছাত্ৰীসকলে তেওঁলোকৰ বৌদ্ধিক বিকাশত তৎপৰ হৈ অহোপুৰুষাৰ্থ চেষ্টাৰে আলোচনীখনক পূৰ্ণাঙ্গ ৰূপত গঢ়ি তোলক— তাৰ বাবে আমাৰ ফালৰ পৰাও অশেষ শুভেচ্ছা আৰু আশিস থাকিল।

'জয়তু নগাঁও ছোৱালী কলেজ'।

ড° মীৰা বৰুৱা

(ড° মীৰা বৰুৱা)
উপাধ্যক্ষ
নগাঁও ছোৱালী কলেজ

# তত্ত্বাৱধায়কদ্বয়ৰ একাষাৰ

মনৰ ভাব আৰু চিন্তাক সুসংহত শব্দ আৰু মাৰ্জিত ভাষাৰে প্ৰকাশ কৰাই হ'ল সাহিত্য। সাহিত্য সমাজ-জীৱনৰ মানচিত্ৰ তথা সভ্যতাৰ মাপকাঠি। ঠিক তেনেদৰে মহাবিদ্যালয়ৰ আলোচনী এখনো সেই মহাবিদ্যালয়ৰ বৌদ্ধিক আৰু সাংস্কৃতিক মানচিত্ৰ; য'ত ৰং ছটিয়াই নতুন প্ৰজন্মৰ চিন্তাধাৰাই। এনে চিন্তাধাৰা আৰু অধ্যয়নে তেওঁলোকৰ মাজত লুকাই থকা সৃষ্টিশীল প্ৰতিভাৰ বিকাশত যথেষ্ট প্ৰভাৱ পেলায়।

সময়ৰ লগে লগে শিক্ষানীতিৰ দ্ৰুত পৰিৱৰ্তন ঘটিছে। পুৰণা শিক্ষনীতিৰ পৰিৱৰ্তে নতুন শিক্ষানীতিৰ প্ৰৱৰ্তন হৈছে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ গভীৰ অধ্যয়নৰ লগতে অন্যান্য গ্ৰন্থ, জীৱনী, ইতিহাস ইত্যাদি পঢ়াটো প্ৰয়োজনীয় হৈ পৰিছে।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন ওলোৱাটোৱে এক সুখৰ খবৰ। মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ মুখ দেখাৰ বাবেই পৰ্যাপ্ত লিখনি যথা সময়ত হাতত নপৰেহি। এই ক্ষেত্ৰত আলোচনী সম্পাদিকাতকৈ তত্ত্বাৱধায়কহে অধিক তৎপৰ হ'বলগীয়া হয়। নগাঁও ছোৱালী কলেজ আলোচনীৰ পূৰ্বৰ নাম 'নগাঁও ছোৱালী কলেজ আলোচনী'খনৰ পৰিৱৰ্তে যোৱা ২৪ জানুৱাৰী, ২০২৪ তাৰিখে অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ সাধাৰণ সভাত 'চৰৈবেতি' নামটো সৰ্বসম্মতিক্ৰমে গৃহীত হয়।

নগাঁও ছোৱালী কলেজৰ আলোচনী 'চৰৈবেতি'খনৰ তত্ত্বাৱধায়করূপে দায়িত্ব দি ছাত্ৰীসকলক সাহিত্য চৰ্চা কৰিবলৈ উৎসাহিত কৰাৰ ক্ষেত্ৰত সুবিধা দিয়াৰ বাবে সম্মানীয় অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাস মহোদয়ক কৃতজ্ঞতা জনালোঁ। আলোচনীখন প্ৰকাশৰ পথত বিভিন্ন ধৰণেৰে সহায়-সহযোগিতা আগবঢ়োৱা ড° মীৰা বৰুৱা, মৰমী গায়ন, ৰঞ্জনা বৰা, দীপক শৰ্মা, ড° বিশ্বজিৎ দাস, ড° সঞ্চিতা বৰা, ড° জোনালী মুদৈ, ড° উদয় ভান ভগত, ড° মৃদুলা কাশ্যপ, ড° নীতা বসুমতাৰী, ছাত্ৰী একতা সভাৰ পৰিস্মিতা বৰা, দীপা বৰা, আস্থা বৰা, নিমিষা বৰা, হিমাদ্ৰী বৰা, বিৰিখৰ স্বত্বাধিকাৰী হেমন্ত কুমাৰ বৰা আৰু তেওঁৰ সহযোগীসকললৈ আমাৰ কৃতজ্ঞতা জনালোঁ। এই সুযোগতে প্ৰসিদ্ধ গল্পকাৰ অপূৰ্ব শৰ্মা ছাৰ, অতিথি অধ্যাপক গুণ শইকীয়া ছাৰ, ড° মৃণাল কলিতাদেৱলৈ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনালোঁ।

আলোচনীখনৰ ইতিবাচক দিশসমূহ নগাঁও ছোৱালী কলেজৰ সম্পদ। আলোচনীখন প্ৰকাশ কৰোঁতে অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিলোঁ।

।। জয়তু নগাঁও ছোৱালী কলেজ।।





(ড° বিপুল মালাকাৰ)

(ৰশ্মি ডেকা)

# সম্পাদকীয়



বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষিক লোকৰ মিলনভূমি 'সূৰ্য উঠা দেশ' অসম। অসমৰ ৰাজ্যভাষা অসমীয়া। সৃষ্টিৰ আছে এক আনন্দ। মানুহৰ মাজতেই নিহিত হৈ আছে সুন্দৰ সৃষ্টিৰ কৌশল। সাহিত্যকৰ্ম তেনে এক সৃষ্টি, যি পঢ়ুৱৈক অনাবিল আনন্দ দিয়াৰ লগতে সমাজক দিব পাৰে এক আদৰ্শৰ বাণী। এনে সাহিত্যৰ সৃষ্টিৰ আঁৰত সোমাই থাকে একো একোজন কলা সাধকৰ আজীৱন লব্ধ অভিজ্ঞতা।

সাহিত্য বা জ্ঞানৰ বাৰেবৰণীয়া বিশাল পথাৰখনত বিচৰণ কৰিবলৈ যি শক্তি, সাহস আৰু প্ৰেৰণাৰ প্ৰয়োজন হয় সেয়া মহাবিদ্যালয় আলোচনীয়ে বহুলভাবে ছাত্ৰ-ছাত্ৰীক যোগান ধৰে। এক কথাত ক'বলৈ হ'লেই লেখন দক্ষতা গঢ়াৰ এক সম্ভাবনাময় মঞ্চ। সাহিত্য আৰু শিক্ষা একোটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। শিক্ষাই যেনেকৈ জ্ঞান দিয়ে তেনেকৈ সাহিত্যই জ্ঞানৰ পৰিধি বৃদ্ধি কৰে। ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰিবৰ বাবে এখন মঞ্চৰ প্ৰয়োজন, সেয়া প্ৰাচীৰ-পত্ৰিকাই হওক বা আলোচনীয়েই হওক। ছাত্ৰ-ছাত্ৰীৰ লেখন দক্ষতা বিকশিত কৰাৰ প্ৰথমটো স্তৰ হৈছে মহাবিদ্যালয়ৰ আলোচনীখন। ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান-বিজ্ঞানৰ দিশত চৰ্চা কৰিবলৈ মহাবিদ্যালয়ৰ আলোচনী, প্ৰাচীৰ পত্ৰিকাসমূহত লিখা-মেলাৰ সুবিধা থাকে। আমাৰ মহাবিদ্যালয়ৰ সকলো বিভাগৰে একোখনকৈ প্ৰাচীৰ পত্ৰিকা আছে, য'ত ছাত্ৰ-ছাত্ৰীৰ নিজৰ লিখন প্ৰতিভা প্ৰকাশৰ সুবিধা পৰ্যাপ্ত।

মহাবিদ্যালয়ৰ আলোচনীখন এবছৰৰ বৰ্ণাঢ্য কৰ্মৰাজিৰে সু-সংবদ্ধ ৰূপত আখৰৰ ফুলেৰে গাঁঠি উলিওৱা সাহিত্যৰ মালাধাৰিৰ বাস্তৱ ৰূপ। ইংৰাজীত এষাৰ কথা আছে— 'No knowledge without college'। জ্ঞানৰ জ্যোতিৰে এদল তৰুণীয়ে বৰ্ণাঢ্য কৰ্মৰাজিক একত্ৰিত কৰি নতুন প্ৰজন্ম অৰ্থাৎ পিছৰ প্ৰজন্মলৈ যতনাই দি যোৱা সাহিত্যৰ জ্যোতিৰ কিৰণখিনিয়েই হৈছে এই মহাবিদ্যালয় পৰ্যায়ৰ আলোচনীখন। যাৰ জৰিয়তে সমাজ এখন ছাত্ৰ-ছাত্ৰীৰ নৈতিক আৰু বৌদ্ধিক বিকাশো সম্ভৱ হৈ পৰে। ভাষা, সাহিত্য, কলা-বিজ্ঞান, খেল-ধেমালি সম্পৰ্কীয় তথ্যপাতিৰে সমৃদ্ধ সুন্দৰ ৰূপেৰে প্ৰতিবছৰে এখন আলোচনীৰ জন্ম হয়, যিখনে ছাত্ৰ-ছাত্ৰীৰ, শিক্ষক-কৰ্মচাৰীবৃন্দৰ সৃষ্টিশীলতাক গতিশীলতাৰ আবিৰে সুশোভিত কৰে।

নগাঁও ছোৱালী কলেজ আলোচনী 'চৰৈবেতি' মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনী, যাৰ নামেই বহন কৰিছে সৃষ্টিৰ এক সুগভীৰ অৰ্থ। ১৯৬২ চনৰ ১২ ছেপ্তেম্বৰত প্ৰতিষ্ঠা লাভ কৰা মধ্য অসমৰ প্ৰাণকেন্দ্ৰস্বৰূপ নাৰী শিক্ষাৰ বাবে এক আছুতীয়াকৈ উচ্চ শিক্ষাৰ অনুষ্ঠান নগাঁও ছোৱালী কলেজৰ সাহিত্যৰ সাগৰখন সুবিশাল আৰু গভীৰ। সেয়ে মই সম্পাদিকাৰ দায়িত্ব লৈ আৰু তত্ত্বাৱধায়কদ্বয়ৰ পৰামৰ্শমৰ্মে আলোচনীখন প্ৰকাশৰ সংকল্প লৈছিলোঁ। সম্পাদিকা হিচাপে শপত গ্ৰহণ কৰাৰ পিছত এই আলোচনীখন প্ৰকাশৰ বাবে কি কৰিব লাগিব তাৰ একো উমানেই পোৱা নাছিলোঁ। আলোচনীখনৰ প্ৰকাশৰ বাবে সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাস ছাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখনৰ তত্ত্বাৱধায়কদ্বয় ক্ৰমে অসমীয়া বিভাগৰ অধ্যাপক ড° বিপুল মালাকাৰ ছাৰ আৰু সংস্কৃত বিভাগৰ অধ্যাপিকা ৰশ্মি ডেকা বাইদেউৰ দিহা, সু-পৰামৰ্শ লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। এই সুযোগতে তেখেতসকললৈ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ছেগতেআলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত সহায় কৰা প্ৰতিজন নমস্য ব্যক্তিৰ শলাগ ল'লোঁ। নগাঁও ছোৱালী কলেজ আলোচনীৰ মৰ্যাদা অটুট ৰাখে। সন্মানীয়সকলৰ তত্ত্বগধুৰ লিখনিসমূহে আলোচনীখনৰ মান নিশ্চয় উৰ্দ্ধগামী কৰিছে। আমি সকলোৰে ২০২২-২৩ বৰ্ষৰ আলোচনী 'চৰৈবেতি'খন সহৃদয়তাৰে আদৰি লওঁ আহক।

"জয়তু নগাঁও ছোৱালী কলেজ।"

নিমিষা বৰা

আলোচনী সম্পাদীকা





"Teach her that the
idea of 'gender roles' is
absolute nonsense.
Don't ever tell her that
she should or should not
do something because
she is a girl.
'Because you are a girl' is
never reason for anything.
Ever."

-Chimamanda Ngozi Adichie
Nigerian Writer

# সূচীপত্ৰ

## সাক্ষাৎকাৰ


প্ৰসিদ্ধ গল্পকাৰ, সাহিত্য অকাডেমি বঁটাপ্ৰাপক অপূৰ্ব শৰ্মা ▸ অনুলেখন ঃ **জুৰিস্মিতা বৰা** ৭

I have written Bakul for someone: An Interview with the writer of Bakul Phular Dare Dr. Mrinal Kalita ▸ Translated from Assamese : **Prachurjya Borah** ১৫


## প্ৰবন্ধ


অসমত সংস্কৃত চৰ্চা ▸ **গুণ শইকীয়া** ১৯

থ্ৰী ঃ আৰ আৰু পৰিৱেশীয় সমস্যা ▸ **ড° কুলেন চন্দ্ৰ দাস** ২৫

স্মৃতিৰ জলভাৱে নগাঁও ছোৱালী কলেজ ▸ **ড° মীৰা বৰুৱা** ২৯

অসমৰ ভক্তি ধৰ্মৰ প্ৰচাৰ মাধ্যম হিচাপে সত্ৰ আৰু নামঘৰ ▸ **মৰমী গায়ন** ৩৩

কলিয়াবৰৰ ক'লীবুঢ়ী নাচ ▸ **ৰঞ্জনা বৰা** ৩৬

সুকুমাৰ কলা আৰু নাগাৰা নাম ▸ **ড° বিপুল মালাকাৰ** ৩৮

শিশুৰ সন্মুখত প্ৰত্যাহ্বান ঃ অভিভাৱকৰ চিন্তা ▸ **ড° নমিতা কলিতা** ৪১

আমি কিয় শুনিব লাগে? ▸ **ড° শিখা ভাগৱতী** ৪২

সংস্কৃত-সুভাষিতস্য সুধাৰসপানম্ ▸ **তপন ৰাজবংশী** ৪৫

প্ৰাচীন ভাৰতীয় নীতিশাস্ত্ৰকাৰসকল ▸ **ভাগ্যশ্ৰী ভাগৱতী** ৪৭

শ্ৰীমদ্ভগৱদগীতাত উপলব্ধ দাৰ্শনিক তত্ত্বৰ অধ্যয়ন ▸ **দেৱাশ্ৰী শইকীয়া** ৪৯

ঋগ্বেদিক গীত আৰু বৈদিক দেৱতাৰ লক্ষণ ▸ **অঞ্জলি চৌহান** ৫১

পৌৰাণিক সাহিত্য ▸ **ডিম্পী শৰ্মা** ৫৪

ভূপেন হাজৰিকাৰ গীতত সমাজচেতনা ▸
- **লিজা কলিতা** ৫৮
- **ৰুস্মানা শ্বামচি** ৬১
- **শ্যামলিমা বৰ্মন** ৬৫

গোলকীয় উষ্ণতা আৰু উত্তৰ-পূব ভাৰত ▸
- **ৰীমা বিশ্বাস** ৬৮
- **ৰিয়া ৰয়** ৭০
- **হিমাদ্ৰী ৰৰা** ৭৩







বৈদ্যুতিন বাণিজ্য (ই-কমাৰ্চ) ▸ **দীপামণি কলিতা** ৭৪
অসমীয়া অনলাইন অভিধান ▸ **পৰিণীতা শইকীয়া** ৭৫
ডিজিটেল মাধ্যম আৰু অসমীয়া ভাষা ▸ **সাগৰিকা পাল** ৭৬
অসমীয়া ৱিকিপিডিয়া ▸ **গীতা ৰাজখোৱা** ৭৭
ই-বুক আৰু ইয়াৰ ব্যৱহাৰৰ সুবিধা ▸ **নন্দিনী শৰ্মা** ৭৮
সামাজিক মাধ্যম ▸ **ছালমা হেপ্তুল্লাহ আহমেদ** ৭৯
যন্ত্ৰ অনুবাদ ▸ **মাৰিয়ম নেছা** ৮০
দেশতকৈ মোমাই ডাঙৰ নহয় ▸ **গীতিমণি গোহাঁই** ৮১
ভয় জয় কৰক ▸ **ৰঞ্জী দেৱী** ৮৪
ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ ▸ **প্ৰণালী ৰাজখোৱা** ৮৫
নতুন শিক্ষানীতি ২০২০ আৰু আমাৰ উচ্চশিক্ষা ▸ **ৰাজশ্ৰী শইকীয়া** ৮৬
উদ্ভিদকেন্দ্ৰিক নৈতিক মতবাদ ▸ **লক্ষ্যশ্ৰী শইকীয়া** ৮৭
ভূমি নীতিবিদ্যা ▸ **ৰাজশ্ৰী শইকীয়া** ৮৭

A View on The Consumer Behaviour on Online Shopping ▸ **Leena Bora Hazari** ৮৮
Environmental Ethics and its different facets ▸ **Dr. Sanchita Bora** ৯১
Status of Smallholder Farmers in India ▸ **Binod Goswami** ৯৫
Study of History in the Twenty- First Century: Perspective and Prospect ▸ **Kalyan Bora** ৯৯
Environmental Awareness in Kalidasa's Drama : A Study ▸ **Rashmi Deka** ১০১
Empowering Women : Hijab and Child Marriage ▸ **Dr. Mridula Kashyap** ১০৫
Shakespearean Emotions ▸ **Recho Benjamin Teron** ১০৭
Superstition in Assam: Causes and Remedies ▸ **Dr. Nilotpal Kalita** ১১০
General overview of Costus igneusa Medicinal wonder of Assam ▸ **Dr. Zinamoni Sandilya** ১১৩
OTA Gwalior Diary ▸ **Dr. Neeta Basumatary** ১১৬
Why Do We Study Philosophy? ▸ **Dr. Manashi Bora** ১১৮
Preservation of Reading Materials in Digital Form: Some Issues and Challenges ▸ **Dr. Kishore Kumar Sarmah** ১২৪
Romanticism in Bhupen Hazarika's Songs ▸ **Ananya Dutta** ১৩০
Bhupen Hazarika : A Cultural Icon ▸ **Santoshi Devi** ১৩২
Education : The Success Story ▸ **Trishna Kour** ১৩৪
Foundational stage as per NEP 2020 ▸ **Bidisha Bhagawati** ১৩৪
Arithmatic in Lilavati ▸ **Sagarika Borah** ১৩৫
Computer ▸ **Sangita Roy** ১৩৫
Agriculture ▸ **Himadri Borah** ১৩৬
Political Thought in Sanskrit Literature ▸ **Debasri Saikia** ১৩৬
Education as an Investment ▸ **Arpita Dev** ১৩৭

हिन्दी कविता में किन्नर–समाज के प्रति संवेदना
▸ **ड॰ उदय भान भगत** ১৩৮
अरुणाचली समाज में स्त्री ('जंगली फूल' के विशेष संदर्भ में)
▸ **ड॰ बेबी विश्वकर्मा** ১৪২
प्रसाद के 'स्कंदगुप्त' नाटक के नायक की बदलती परिकल्पना
▸ **प्रार्थना गोगोई** ১৪৬




भूपेन हाजरिका के गीतों में देशप्रेम ▸
▪ **पूजा शर्मा** १४८
▪ **दर्शना सैकिया** १५१

ড° ভূপেন হাজরিকায়া: সঙ্গীতে প্রকৃতি ▸ **ডিম্পী শৰ্মা** ১৫৩

## গল্প

সাত্বিকী ▸ **ড° মিতালী গোস্বামী** ১৫৭
অব্যক্ত ▸ **পাখি বৰা** ১৫৮
উপলব্ধি ▸ **গীতা ৰাজখোৱা** ১৬০
অনুভৱ ▸ **ৰ'জী দেৱী**১৬২
সঁজাৰ চৰাই ▸ **জুৰিস্মিতা বৰা** ১৬৪
সন্ধ্যা ▸ **ৰীমা বিশ্বাস** ১৬৭
জীৱনৰ প্ৰেৰণা ▸ **ডিম্পী শৰ্মা** ১৬৮
কষ্টৰ ফল মিঠা **হিমাদ্ৰী বৰা** ১৬৯
এখন খিৰিকী ▸ **ৰিয়া ৰয়** ১৭০
বিয়লিৰ বেদনা ▸ **ৰিকুমণি ভট্টাচাৰ্য** ১৭১
হত্যাকাৰী ▸ **কমলিকা বৰা** ১৭৩
উৎকণ্ঠাৰ সিপাৰে ▸ **কাৰেৰী বৰা** ১৭৫
পিতৃত্ব আৰু কৃতিত্ব ▸ **লিজা কলিতা** ১৭৬
কৰোনাৰ পৰিস্থিতি ▸ **ছাদিকুন নেহাৰ** ১৭৮
নীলা খামৰ চিঠি ▸ **গীতিমণি গোহাঁই** ১৭৯

## কবিতা

মা তোৰ ছোৱালী ডাঙৰ হৈছে ▸ **দীপা বৰা** ১৮২
শ্বহীদ ▸ **শুভাঙ্গী কাশ্যপ** ১৮২
আই ▸ **নিকিতা মজিন্দাৰ** ১৮৩
প্ৰতিধ্বনি ▸ **ফাৰমিনা আফৰিন ইছলাম** ১৮৩
অৰ্থ জীৱনৰ ▸ **মুনমী বৰা** ১৮৪
আই ▸ **কৰবী দেৱী** ১৮৪

A Condolence Visit
Parched Service
**Dr. Neetu Kumari Gupta** ১৮৫

**ফাগুনৰ কবিতা** ▸
**গীতিমণি গোহাঁই** ১৮৬
**হিমাদ্ৰী বৰা** ১৮৬
**লক্ষ্যশ্ৰী শইকীয়া** ১৮৬
**নেহা বৰা** ১৮৭
**সুকন্যা বৰা** ১৮৭
**লিজা কলিতা** ১৮৭
**কৰবী দেৱী** ১৮৮
**গীতা ৰাজখোৱা** ১৮৮
**নেহা দাস** ১৮৮
**ডিম্পী শৰ্মা** ১৮৮
**জেঁউতি ডেকা** ১৮৯
**সংগীতা ৰয়** ১৮৯
**টিনা মেধি** ১৮৯
**Hunmili Beypi** ১৯০
**Serdihun Beypi** ১৯০
**Purnima Beypi** ১৯০

**অনূদিত কবিতা**
আমার দেশ (**মূল ঃ অসমিয়া) কবি** ▸ **হীরেন ভট্টাচার্য**
**অনুবাদিকা ঃ ড° জয়ন্তী সাহা** ১৯১
মা (**মূল ঃ বাংলা) কবি** ▸ **শুভ দাশগুপ্ত**
**অনুবাদক ঃ ৰঞ্জয় সাহা** ১৯২

**অণুগল্প**
কণাৰ লাখুটি ▸ **ড° বিশ্বজিৎ দাস** ১৯৪
জোনে কোৱা জোনাকৰ সাধু ▸ **লিজা কলিতা** ১৯৫
প্ৰতিশ্ৰুতি ▸ **দীপা বৰা** ১৯৫
বংশধৰ ▸ **হিমাদ্ৰী বৰা** ১৯৫
দেউতাৰ মজবুত কান্ধখন ▸ **ৰিয়া পাল** ১৯৫
সপোন ▸ **ভাগ্যলক্ষ্মী বৰা** ১৯৫
উপহাৰ ▸ **জিম্পী বৰা** ১৯৬
যৌতুক ▸ **নিশিতা কাশ্যপ** ১৯৬

**লিমাৰিক**
**গীতিমণি গোহাঁই** ১৯৭
**লিজা কলিতা** ১৯৭
**ডিম্পী শৰ্মা** ১৯৮
**ভাগ্যলক্ষ্মী বৰা** ১৯৮
**ৰ'জী দেৱী** ১৯৮

কৌতুক

**কৰবী ভূঞা** ১৯৯
**গীতিমণি গোহাঁই** ১৯৯
**হিমাদ্ৰী বৰা** ২০০
**ৰিয়া পাল** ২০০
**ভাগ্যলক্ষ্মী বৰা** ২০০

ৰম্য ৰচনা

লটি-ঘটি ▸ **হিমাদ্ৰী বৰা** ২০১
লাজ পালে ▸ **ৰঞ্জী দেৱী** ২০১
পিপাসু বনভোজ দল ▸ **গীতিমণি গোহাঁই** ২০২

নাটক

ৰিজাল্ট ▸ **গীতিমণি গোহাঁই,** ২০৩

নীলা খামৰ চিঠি

**লিজা কলিতা** ২০৬
**জিম্পী বৰা** ২০৭
**হিমাদ্ৰী বৰা** ২০৮
**জ্যোতিকা দেৱী,** ২০৯
**নিশিতা কাশ্যপ,** ২০৯
**সংগীতা বৰা,** ২১০
**ভাগ্যলক্ষ্মী বৰা** ২১০

ছাত্ৰী একতা সভাৰ বিষয়ববীয়াৰ প্ৰতিবেদন ২১০-২৩০





# সাক্ষাৎকাৰ

প্ৰবন্ধ

# সা|ক্ষা|ৎ|কা|ৰ



# প্ৰসিদ্ধ গল্পকাৰ, সাহিত্য অকাডেমি বঁটাপ্ৰাপক অপূৰ্ব শৰ্মা

**অনুলেখন ঃ জুৰিস্মিতা বৰা**

নগাঁও ছোৱালী কলেজত ১৯৬৭ চনৰ পৰা ২০০২ চনলৈকে অপূৰ্ব শৰ্মা ছাৰে জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়ছোৱা দিলে। নগাঁৱৰ মহিলাসকলক শিক্ষিত কৰাত এটা খুউব গুৰুত্বপূৰ্ণ ভূমিকা ল'লে। তেখেতে অসমীয়া চুটিগল্পৰ মাজেৰে অসমীয়া জাতিলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেখেত এগৰাকী চলচ্চিত্ৰ সমালোচক। চলচ্চিত্ৰ সমালোচনাৰ জৰিয়তে তেখেতে ভাৰত চৰকাৰৰ স্বৰ্ণকমল বঁটা লাভ কৰিছিল আৰু ২০১৫ চনত তেখেতে অসম উপত্যকা সাহিত্য বঁটাও লাভ কৰিছিল।

মই (বিশ্বজিৎ দাস) আৰু মোৰ সহকৰ্মী ড° সঞ্চিতা বৰাই ছাৰৰ গল্প আৰু চলচ্চিত্ৰ সম্পৰ্কে আমি তেখেতৰ পৰা কিছু কথা জানিব বিচাৰিম আৰু সেই উপলক্ষে আমি ইয়াত উপস্থিত হৈছোঁ।

■ **ড° বিশ্বজিৎ দাস ঃ** ছাৰ, মই আপোনাক প্ৰথমতে সুধিব বিচাৰিম প্ৰায় সকলো লেখককে সোধা এটি সাধাৰণ প্ৰশ্ন যে আপুনি কিয় লিখে বা লিখাৰ কাৰণে কিবা এটা তাড়না অনুভৱ কৰে নেকি?

■■ **অপূৰ্ব শৰ্মা ঃ** লিখোঁ কিয়? এই প্ৰশ্নটোৰ উত্তৰ দিয়া কঠিন। আমাৰ পূৰ্বসুৰী অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ গল্পকাৰ সৌৰভ কুমাৰ চলিহাক সুধিছিল যে আপুনি কিয় লিখে? তেওঁ ক'লে ছপা কৰিবলৈ। এতিয়া ইমান সহজে উত্তৰ দিয়াটো মোৰ বাবে কঠিন। মোৰ ধাৰণা হয় যে এটা সৃষ্টিৰ প্ৰক্ৰিয়াই এইটো, মানুহৰ শাৰীৰিক বিকাশৰ লগতো হয়তো সম্পৰ্ক থাকিব পাৰে। আমি যিবোৰ কওঁ যে 'Libido' সৃষ্টিশীলতা, সৃষ্টি প্ৰক্ৰিয়া ইত্যাদি এইবিলাকৰ কিছু ফিজিঅ'লজিকেল অনুপ্ৰেৰণা থাকিব পাৰে কিন্তু মই লিখোঁ কিয় এইটো ক'ব খুজিলে, মই ক'ব খোজোঁ যে ভাষাৰ প্ৰেমত পৰি মই লিখিবলৈ মন কৰোঁ। মই ক'ৰবাত এইটো লিখিছোঁ যে সৰুতে যেতিয়া পঢ়িলোঁ কৰ, খৰ, বৰ, ঘৰ, পলম, কৰত, শকত, ভকত এনেকুৱা শব্দবোৰে হৃদয়ত এটা নতুনত্বৰ সৃষ্টি কৰিলে। তাৰ পাছত আনন্দ চন্দ্ৰ আগৰৱালাৰ অসমীয়া আদিপাঠ 'খ' শ্ৰেণীত পঢ়িলো মাণিকী মাধুৰী, আটোম-টোকাৰি, যাউতি-যুগীয়া, বাচকবনীয়া, নিৰহ-নিপানি, আলৈ-আথানি, উগুল-থুগুল, অকলশৰীয়া— পৃথিৱীৰ ক'তো এনেকুৱা সুন্দৰ ভাষা,

সুন্দৰ শব্দ নাই বুলি মই ভাবোঁ। যেতিয়া 'ক', 'খ' শ্ৰেণীত এনেকৈ ভাষাৰ প্ৰতি এটা প্ৰেম অনুভৱ হ'ল, ভাষাৰ অনুৰক্ত হ'লোঁ। ওচৰতে এখন কিতাপৰ দোকান আছিল। গতিকে ১ম শ্ৰেণী, ২য় শ্ৰেণী, ৩য় শ্ৰেণী যিমানবোৰ অসমীয়া কিতাপ আছিল সকলোবোৰ পঢ়ি পেলালোঁ। এনেকৈয়ে সাহিত্যৰ প্ৰতি এটা আগ্ৰহ হ'ল। তাৰ পাছত 'সাপ্তাহিক অসমীয়া' সেইখন কাকত ঘৰলৈ আহিছিল — চন্দ্ৰকুমাৰ আগৰৱালাই প্ৰতিষ্ঠা কৰা। তাত মোমাইদেউৰ চ'ৰা যোগেন বৰকাকতিয়ে লিখিছিল। এইবোৰ পঢ়ি লাহে লাহে ভাষাটোৰ প্ৰতি এটা প্ৰেম হ'ল, ভাষাটোৰ প্ৰতি এটা আন্তৰিক টান হ'ল আৰু যেতিয়া এইবোৰ পঢ়িবলৈ ল'লোঁ যে আন এটা ভূমিকাৰ কথা মোৰ মাতৃদেৱীৰ কথা ক'ব লাগিব যে বিছনাত শুই শুই মোক তেওঁ ৰামায়ণ, কাশীদাসী মহাভাৰত এইবোৰ পঢ়ি মোক গল্পবোৰ শুনাইছিল। আচৰিত কথা যে দেৱসাহিত্য কুটিৰৰ পৰা তেতিয়া ইংৰাজী ন'ভেল অনুবাদ হৈছিল 'এ টেল অফ টু চিটিজ' (A Tale of Two Cities)। ভাগ্যক্ৰমে মোৰ মাতৃদেৱীয়ে তেওঁ ডিব্ৰুগড়ত অলপ দিন থাকিবলগীয়া হৈছিল কাৰণে বাঙালীপাৰাত আছিল আৰু বাংলা ভাষা অধ্যয়ন কৰিছিল। তেওঁ সেইখন কিতাপ পঢ়ি মোক তাৰ অৰ্থ বুজায়। মই এতিয়াও ভাবি আচৰিত হওঁ যে পঞ্চম শ্ৰেণীত তেওঁ মোক 'এ টেল অফ টু চিটিজ' বাংলা কিতাপৰ পৰা পঢ়ি শুনাইছে। এইধৰণে কাহিনীৰ প্ৰতি, ভাষাৰ প্ৰতি আকৃষ্ট হ'লোঁ। (প্ৰথমে ভাষা/তাৰ পাছত কাহিনীৰ প্ৰতি আকৃষ্ট হ'লোঁ) আৰু তাৰ পাছত কটনিয়ান, ৰামধেনু পঢ়িবলৈ ল'লোঁ গতিকে লেখাৰ প্ৰতি যে এনেকৈয়ে দেখোন গল্প লিখিব পাৰি। এনেকৈ স্কুলৰ আলোচনীত লিখিলোঁ তাৰপাছত অসমবাণী ওলাল। তাত 'মোমাইদেউৰ চ'ৰা' তাতো লিখিলোঁ। নেপোলিয়নে আত্মহত্যা কৰিবলৈ গৈছিল সেইটোকে গল্প বনাই লিখিলোঁ। সেইধৰণে বোধহয় লেখাৰ তাড়না হৃদয়ত সৃষ্টি হ'ল।

■ **ড° বিশ্বজিৎ দাস ঃ** কটন কলেজত থাকোঁতে আপুনি বিশেষকৈ কবিতাহে লিখিছিল কিন্তু হঠাতে গল্পলৈ আহি গ'ল, মানে অকল গল্পকে কিয় বাছি ল'লে। অৱশ্যে নাটক লিখাৰ কথা আমি পাইছোঁ। আপুনি প্ৰথম এৰচাৰ্ড নাটক এখন লিখিছিল আৰু সেইখন অভিনয়ো কৰিছিল। বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে।

■■ **অপূৰ্ব শৰ্মা ঃ** মই জন্ম হোৱা গাঁওখনত, এটা মাত্ৰ ৰাস্তা উত্তৰ লখিমপুৰৰ পৰা তেজপুৰলৈকে যায়। শিলগুটি আছে পকাও নহয়। মোৰ গাঁও হেলেম। বাংলাত যিটো কয় অ'জ পাৰাগা। তেনেকুৱা গাঁৱৰ পৰা গুৱাহাটী মহানগৰৰ কটন কলেজত পঢ়িবলৈ স্বাভাৱিকতে কিছু নীচাত্মিকাবোধ আছিল— সকলো চোকা চোকা ল'ৰা। অসমৰ বিভিন্ন ঠাইৰ পৰা আহিছে গুৱাহাটীলৈ। মই গৈছোঁ এখন গাঁৱৰ পৰা তিনিখন পগলা নদী পাৰ হৈ গৈছোঁ— বুৰৈ, ভৰলী, ব্ৰহ্মপুত্ৰ। গতিকে নীচাত্মিকাবোধ নিশ্চয় আছিল আৰু তেতিয়া ভাবিলোঁ যে মই নিজকে প্ৰমাণ কৰিব লাগিব। এওঁলোকৰ আগত মোৰ যে কিবা আছে দেখুৱাব লাগিব আৰু অৱশ্যে আছিল তেওঁলোকৰ নথকা বস্তুও মোৰ আছিল, কাৰণ আমাৰ গাঁৱৰ ঘৰলৈ আকৌ এখন ষ্টেটমেন কাগজ ডাক এডিচন যোগে আহিছিল। কলিকতাৰ ষ্টেটমেন কাগজখন দুদিন-তিনিদিন (২/৩)দিনৰ মূৰত আমাৰ ঘৰ পায়হি। মই সেইখন পঢ়িলোঁ। গতিকে ইংলেণ্ডৰ লগত মোৰ এটা আচৰিত ধৰণে ইংলিছ ফুটবল লীগ্ (English Football League) মোৰ ফলক হ'ল। ইংলিছ ফুটবল লীগ্ এই ক্ৰিকেট খেলা এচ.কে. গুৰুনাথন বুলি এজন মানুহৰ সম্পাদনাত মাদ্ৰাছৰ পৰা এখন 'Sport and Pastime' বুলি এখন মেগাজিন আছিল। সেইখনো আহিল আমাৰ ঘৰলৈ গতিকে ক্ৰিকেট সম্পৰ্কে জনা হ'লোঁ। যেনে — ৮ম শ্ৰেণীত থাকোঁতেই ইংলেণ্ডৰ Manchester United মোৰ প্ৰিয় ক্লাব। অথচ মই গুৱাহাটী ক্লাবৰ কথাই নাজানো। মই ভাবোঁ যে মোৰ ভিতৰত এইবোৰ আছে। গতিকে মই এইবোৰ প্ৰমাণ কৰিম। গতিকে মই প্ৰমাণনো কেনেকৈ কৰিম যেতিয়া Annual Competition আহিল ইয়াতে যোগ দিব লাগিব। অসমীয়া, বাংলা, ইংৰাজী তিনিওবিধ কবিতাতে যোগ দিলোঁ। তিনিওটাতেই মই ২য় পুৰস্কাৰ পাইছিলোঁ। কিন্তু, যিহেতু মোৰ গল্প লিখাৰ ধাৰণাটো আছিল সেইকাৰণে মই ৩য় বৰ্ষত গল্প প্ৰতিযোগিতাত যোগ দিলোঁ। বিশিষ্ট লিখক যোগেশ দাস আছিল পৰীক্ষক। তেওঁ মোক দিলে ২য় পুৰস্কাৰ। হেমেন গগৈক ১ম পুৰস্কাৰ দিলে। যোগেশ দাসে সম্পাদকজনক কৈছে— এই ল'ৰাজনক ১ম পুৰস্কাৰ দিব লাগিছিল কিন্তু গল্পটোৰ শিৰোনামতেই ইমান অসভ্য শিৰোনাম দিলে। মই দিলোঁ যে 'বেশ্যালয়ত এৰাতি'। গল্পটোত বেশ্যাৰ কোনো কথাই নাই। যোগেশ দাস এইটোতে ক্ষুণ্ণ হৈ মোক ২য় পুৰস্কাৰ দিলে। যি হওক পাছৰ বছৰ মই ১ম পুৰস্কাৰ পালোঁ। সেইটো 'প্ৰভাত পখীৰ গান'। সেয়ে মই নিজক প্ৰমাণ কৰিবলৈ কবিতা, গল্প এইবোৰ লিখিবলৈ ল'লোঁ

আৰু গল্পৰ প্ৰতি মোৰ আকৰ্ষণ আগৰ পৰা আছিল। মোৰ লগৰ যিসকলে কবিতা লিখিছিল তেওঁলোক বহুতো আগবাঢ়ি গ'ল— হৰেকৃষ্ণ ডেকা, দেবেন্দ্ৰপ্ৰতিম গোস্বামী। মই লিখিছিলোঁ কবিতা। 'ৰামধেনু'তো মোৰ দুটামান কবিতা ওলাইছিল। কিন্তু মই গল্পৰ ফালেহে গ'লোঁ আৰু।

■ **ড° বিশ্বজিৎ দাস ঃ** ছাৰৰ পিতৃ তিলক শৰ্মা, হয়তো সেই সময়ত হেলমত থকা অতি কম সংখ্যক শিক্ষিত মানুহৰ ভিতৰত এজন আছিল আৰু ছাৰৰ ককায়েক অৰুণ শৰ্মায়ো সাহিত্য অকাডেমি বঁটা পাইছে আৰু ছাৰৰ দ্বিতীয়জন ককায়েক অমূল্য শৰ্মা। মোৰ কাৰণে এটা গৌৰৱৰ কথা যে মই হয়তো ছাৰৰ ঘৰৰ ওচৰত থকা ব্যক্তি ইয়াত থকা সকলো লোকৰ ভিতৰত। মোৰ ঘৰো হেলেমত। ছাৰৰ ঘৰ আৰু মোৰ ঘৰৰ মাজৰ দূৰত্ব প্ৰায় ৫ কিলোমিটাৰ আৰু আমি সৰুতে মইনা পাৰিজাত কৰিছিলোঁ আৰু মোৰ লগত বিশেষকৈ ছাৰৰ ভতিজাৰ লগত এটা সম্পৰ্ক আছিল গতিকে মই ছাৰৰ ঘৰলৈ গৈছিলোঁ আৰু তাত যিজন ছাৰৰ ককায়েক আছিল, তেখেতে পঢ়া-শুনাত বিশেষকৈ অতিপাত চোকা আছিল আৰু যথেষ্ট পঢ়া-শুনা কৰিছিল। সেই সময়ত তেখেতৰ কথা সকলো মানুহেই কয় যে ইমান পঢ়া-শুনা কৰা ব্যক্তি — ছাৰৰ ঘৰত সেই পৰিৱেশটো আছিল। কাৰণ সেই সময়তেই তিনিওজন ককাই-ভাই তিনিওজনেই পঢ়া-শুনাত তীক্ষ্ণতৰ আছিল আৰু ভাৰতত বা অসমত এনেকুৱা পৰিয়াল হয়তো খুউব কমেই ওলাব, য'ত একেখন ঘৰৰ দুজন ব্যক্তিয়ে সাহিত্য অকাডেমি বঁটা পাইছিল। ছাৰৰ ঘৰৰ যিটো বিদ্যায়তনিক পৰিৱেশ বা সেই ধৰণৰ চিন্তা-চৰ্চা কৰাৰ এটা পৰিৱেশ হয়তো ছাৰে পাইছিল। ছাৰ, সেই পৰিৱেশটোৱে আপোনাক কেনেদৰে প্ৰভাৱিত কৰিছিল?

■■ **অপূৰ্ব শৰ্মা ঃ** সেই পৰিৱেশটোৱে যথেষ্ট মোক সহায় কৰিছে এই কাৰণেই— সেই পৰিৱেশৰ পৰাই গম পালোঁ যে বাহিৰত এখন সাহিত্যৰ জগত আছে। আমাতকৈ বহুত বেছি আগবঢ়া এখন সাহিত্যৰ জগত আছে। যেনে— 'ভাৰতী' বাংলা মেগাজিনখন আমাৰ ঘৰলৈ আহিছিল। 'শনিবাৰৰ চিঠি' বাংলা মেগাজিনখনো আমাৰ ঘৰলৈ আহিছিল। সেইবোৰ হয়তো বহুত অসমীয়া মানুহৰ ঘৰত নাছিল আৰু সেইবোৰ পঢ়ি যথেষ্ট সমৃদ্ধ হৈছিলোঁ আৰু সাহিত্যৰ এটা পৰিৱেশ এইবোৰে সৃষ্টি কৰিছিল।

■ **ড° সঞ্চিতা বৰা ঃ** ছাৰ, প্ৰথমে আপোনালৈ সেৱা জনাইছোঁ। সভাত উপস্থিত সকলোকে শ্ৰদ্ধা জনাইছোঁ। ক্ষমা-প্ৰাৰ্থনা বিচাৰিছোঁ— মই এটা সৰু ব্যক্তিগত স্মৃতি ৰোমন্থনেৰে কথাখিনি ছাৰৰ লগত পাতিবলৈ আগবাঢ়িম। ১৯৯৯ চনৰ জুলাই মাহ। প্ৰথমবাৰ মই ছাৰৰ মুখামুখি হৈছোঁ— তাৰ আগলৈকে প্ৰকাশ বা এনেকৈ যিখিনি আলোচনীত ছাৰৰ গল্প পাইছোঁ, তেতিয়ালৈকে মই গল্পটো ভাল লাগিলে পঢ়িছোঁ কিন্তু কোন অপূৰ্ব শৰ্মা, কি মই একো নাজানো। প্ৰথম আহি ছাৰক দেখা সেই ছবিখন আজিও মোৰ মনত আছে আৰু সেই সাক্ষাৎকাৰটোত ছাৰে মোক এটা প্ৰশ্ন সুধিছিল যিটোৰ যথাযথ উত্তৰ মই দিব পৰা নাছিলোঁ— ঠিক চালে-বেৰে কোবোৱা যিটো উত্তৰ মই ঠিক তেনেদৰে দিছিলোঁ বুলি মোৰ অনুভৱ আছিল আৰু সেই কিতাপখন আছিল 'Sophie's World'। তেতিয়ালৈকে মই কিতাপখন পঢ়া নাছিলোঁ। পাছৰ পৰ্যায়ত যেতিয়া মই কিতাপখন পঢ়িলোঁ বা পিছত যেতিয়া মই মোৰ ছোৱালীক পঢ়িবলৈ দিছিলোঁ আৰু এতিয়াও যদি কোনোবাই সেই কিতাপখনৰ নামটো উচ্চাৰণ কৰে বা লেখে মই ছাৰৰ মুখখনহে প্ৰথমে মনত পেলাওঁ। আৰু মই কৃতজ্ঞ যে আজি মোৰ এই পৰিচয়ৰ বাবে ছাৰৰ ওচৰত সদায় কৃতজ্ঞ হৈ থাকিম আৰু মোৰ আজি মনত কি মিশ্ৰিত অনুভূতি আহিছে, মই ঠিক ভাষাৰে বুজাই ক'ব নোৱাৰোঁ। যিজন মানুহে মোক সাক্ষাৎকাৰ লৈ মোক এটা চিনাকি দিলে, এখন কলেজৰ মই এটা অংগ হ'লোঁ আৰু সেই ছাৰৰ সন্মুখত বহি মই আজি প্ৰশ্ন কৰিবলৈ মৰসাহ কৰিছোঁ আৰু মোৰ আজি এনেকুৱা লাগিছে যেন পাহাৰৰ নামনিৰ গাঁত এটাত মই নিগনি আৰু মোৰ সন্মুখত এখন ডাঙৰ পাহাৰ। মোৰ নিজকে তেনেকুৱা অনুভৱ হৈছে। তথাপিও আনন্দ অনুভৱ কৰিছোঁ যে ছাৰৰ মই কিছু কথা জানিবলৈ মোৰ কৌতুহল যিখিনিত আছে, মই ছাৰক সুধিম আৰু তাৰ যোগেদি আমি সভাত উপস্থিত সকলো উপকৃত হ'ম। এতিয়া মোৰ সহকৰ্মী বিশ্বজিৎ দাসে গল্প সম্পৰ্কে যিটো কথা ছাৰক সুধিলে আৰু ছাৰে ইমান ধুনীয়াকৈ বৰ্ণনা কৰিছে শুনি থাকিম, শুনি থাকিম লাগি গৈছে।

মই সেই কথাৰ প্ৰশ্নৰ আঁত ধৰি ছাৰ মই এটা কথা জানিব বিচাৰিম। যেতিয়া আপুনি গল্প এটা লিখিব আৰম্ভ কৰে, গল্পটো খুউব কম সময়তে লিখি দিয়ে, নে লিখি এৰি থৈ দিয়ে নে বহুদিন আপুনি ধৰক মনৰ ভিতৰত আপুনি গল্পটো ধাৰণ কৰি লৈ ফুৰে আৰু যেতিয়া উপযুক্ত সময়-সুবিধা হয়, তাক সম্পূৰ্ণ ৰূপ দিয়ে। এক কথাত ক'বলৈ গ'লে গল্প এটা লিখোঁতে যিটো তাড়না আপুনি অনুভৱ কৰে বা গল্পটো আমি পোৱালৈকে বা আপুনি সন্তুষ্ট হোৱাকে গল্পটো হ'ল। আপুনি কিমান সময় লয়?

■ ■ **অপূৰ্ব শৰ্মা ঃ** তুমি এটা ভাল কথা মনত পেলাই দিলা। এওঁ যেতিয়া ইন্টাৰভিও দিবলৈ আহিছিল— তেতিয়া মই বোলে এওঁ চোকা ছোৱালী। গতিকে এওঁক প্ৰশ্ন অলপ টান কৰিব লাগিব। মই সুধিলোঁ যে, দৰ্শনৰ ৪০০শ বছৰীয়া ইতিহাসৰ ওপৰত এখন উপন্যাস লিখা হৈছিল। তুমি নামটো ক'ব পাৰিবা নে? তেওঁ ক'লে এইটো কথা মই জানো দৰ্শনৰ ইতিহাসৰ ওপৰত এখন উপন্যাস লিখা হৈছিল কিন্তু মই নামটো পাহৰিছোঁ। সেইখনৰ নাম 'Sophie's World' কিন্তু সেইটো প্ৰশ্নৰ বাহিৰে তেওঁ বাকী প্ৰশ্নৰ উত্তৰ দিছিল।

সাহিত্যৰ লগত জড়িত ইয়াত সকলোৱে জানে যে গল্প লিখা মোৰ বহুত দেৰি হয়। বছৰত ২/৩টা গল্প ওলায়, কেতিয়াবা অৱশ্যে বিশেষ বিশেষ পৰিৱেশত কেতিয়াবা সোনকালেও লিখা হয়। কিন্তু সকলো গল্পই একে সময়তে বা একে বহাতে লিখা নহয় বা কিছুমান গল্প বহুত দিন ভিতৰত থাকে। এবাৰ আৰম্ভ কৰিলে অৱশ্যে শেষ কৰা যায়, পেলাই থৈ দিয়া নাযায়। কিন্তু সময় লাগে হয়তো ২/৩ মাহ লাগে আৰু কিছুমান গল্প ভিতৰত থাকে। মই এটা উদাহৰণ দিওঁ— মই এবাৰ গৰমবন্ধত ঘৰলৈ গ'লোঁ— মই তেতিয়া কলেজত কাম কৰোঁ। বতৰ ডাৱৰীয়া দুপৰীয়া। হঠাৎ দুপৰীয়া খবৰ পালোঁ যে মোৰ বন্ধু এজনৰ ভায়েক খেতিয়ক ল'ৰা, সি তাৰ খুৰাকক ২২ ঘাপ মাৰি পেলাইছে। মই দুপৰীয়া ভাত খাব নোৱাৰিলোঁ। মোৰ বন্ধুৰ ভায়েক, সৰু ল'ৰা। মাটিৰ কাজিয়া লাগি হাল বাই থকা সময়ত খুৰাকক ২২ ঘাপ মাৰিছে। এই কাহিনীটো মই পিছত লিখিছোঁ 'অসামাজিক' বুলি এটা গল্প। এইটো দীৰ্ঘদিন ধৰি মোৰ ভিতৰত আছিল, মই দেখিলোঁ যে এটা সৰু ল'ৰাই কি কাৰণে খুৰাকক এনেকৈ শোষণ আৰু দাৰিদ্ৰ সমাজৰ যিবোৰ অন্যায় সেই অন্যায়ে এনে জঘন্য প্ৰতিহিংসাৰ ৰূপ ল'ব পাৰে। বহুত পাছত মই এইটো অনুভৱ কৰিলোঁ আৰু সেইটোৱেই নহয়, সেই ল'ৰাটোৱে যে হত্যাকাৰী হ'ল, এইটো এটা পদ্ধতি। প্ৰণালীবদ্ধভাৱে সমাজে তাক হত্যাকাৰী বনাইছে কিন্তু তাৰ বন্ধুজনে তাৰ লগত যিজন আছিল সেই বন্ধুজন দাৰোগা হ'ল। আৰু সেই দাৰোগাই পাছত যেতিয়া জেলত তাৰ মুখামুখি হৈছে, বন্ধুজন দাৰোগা আৰু সি হত্যাকাৰী। কিন্তু গল্প লিখি গৈ থাকোঁতে মই দেখিলোঁ এই দুয়োটাটো এটা পদ্ধতিৰে সামগ্ৰী। একে সমাজে দুয়োটাকে তৈয়াৰ কৰিছে। এটা দাৰিদ্ৰ, বঞ্চনা, অপমান, অপযশ এইবিলাকৰ ফলত সি হত্যাকাৰী হৈছে আনটো দাৰোগা হ'বৰ কাৰণে এজনী ছোৱালীক সি প্ৰত্যাখ্যান কৰিছে। দাৰোগা হোৱাৰ পাছত সি জহা চাউল খাবলৈ লৈছে। কাৰণ তাৰ বচে, তাৰ ওপৰলৈ জহা চাউল যোগাৰ দিবলৈ কৈছে। ওপৰলৈ যদি জহা চাউল যোগান দিছে তেন্তে সিয়ো জহা চাউলৰ যোগান খাইছে। এইধৰণে এই ভাল অৱস্থাৰ ল'ৰাটো ক্ৰমে ক্ৰমে একেটা পদ্ধতিৰে দুটা মানৰ আত্মাৰ অৱক্ষয় অৱনতি দুই ধৰণে তললৈ গুচি গৈছে। এনেকুৱা গল্প বহুদিন মনত থাকে— শৈশৱৰ স্মৃতিৰ কাহিনীৰেও বাৰমহীয়া আম নামেও গল্প লিখিছিলোঁ।

■ **ড° সঞ্চিতা বৰা ঃ** হোমেন বৰগোহাঞিৰ সম্পাদনাত প্ৰকাশিত অসমীয়া সাহিত্যৰ বুৰঞ্জীত আপোনাৰ পৰিচয় দিবলৈ মাত্ৰ এটা বাক্য আছে আৰু আপোনাৰ গল্পৰ আলোচনা, সমালোচনা, গৱেষণা মোৰ দৃষ্টিৰে হয়তো বিজ্ঞজনে জানিব— যিমান আমি পাব লাগিছিল সিমান পোৱা নাই। এতিয়া আপুনি তাৰ কাৰণ নিজে কি বুলি ভাবে?

■ ■ **অপূৰ্ব শৰ্মা ঃ** এই কাৰণটো মই ক'ব নোৱাৰিম। কিন্তু মই অসুখী নহয়। মোৰ বিষয়ে হয়তো, এটা শাৰীয়েই লিখিবলগীয়া আছিল, সেই কাৰণে তেখেতে তেনেকৈ লিখিলে বা বহুত দীঘলীয়া লিখিলেই যে সেইজনৰ গল্প খুউব ভাল হ'ব তেনে কথা নাই। মই এটা ব্যক্তিগত উদাহৰণেই দিব লগা হৈ গৈছে— মই যেতিয়া মোৰ প্ৰথম গ্ৰন্থখন ওলাল, 'বন্ধুৰ পথত কেইজনমান ডেকা মানুহ'। ড° গোবিন্দ প্ৰসাদ শৰ্মাই চন্দ্ৰপ্ৰসাদ শইকীয়াৰ প্ৰথমভাগৰ 'প্ৰকাশ'ত এটা তাৰ সমালোচনা লিখিলে। গোবিন্দপ্ৰসাদ শৰ্মা তেতিয়া ডক্টৰেট হোৱা নাছিল আৰু আজি তেওঁ পণ্ডিত বুলি স্বীকৃত। তেতিয়া তেওঁ পণ্ডিত ব্যক্তিত্ব আহৰণ কৰা নাছিল আৰু আৰ্য বিদ্যাপীঠ কলেজৰ প্ৰৱক্তা আছিল আৰু মই আসাম ট্ৰিবিউনৰ ষ্টাফ ৰিপ'ৰ্টাৰ আছিলোঁ। তেখেতে যিটো সমালোচনা লিখিলে কিতাপখনৰ গল্পবোৰ বেয়া হৈছে বুলিয়েই লিখিলে। কিন্তু মই হতাশ নহ'লোঁ এই কাৰণেই যে শৰ্মা আৰু মই সমসাময়িক। তেখেতেও গল্প লিখে, ময়ো গল্প লিখোঁ। গতিকে, তেখেতে মোৰ গল্পবোৰ বেছি প্ৰশংসা কৰিব, সেইটো মই আশা নকৰাই ভাল। কিন্তু ইয়াৰ এবছৰমানৰ পাছত 'নাগৰিক'ত এটা সমালোচনা ওলাল। মই কিতাপখন ওলোৱাৰ পাছতো কোনো ডাঙৰ লেখকলৈ পঠিওৱা নাছিলোঁ। অথচ মই ইয়াতেই ডাঙৰ লেখকৰ লগত সোমাই থাকোঁ। মোৰ দাদা নাট্যকাৰ অৰুণ শৰ্মা এদিন উজনি অসমলৈ যাওঁতে মোৰ তাত সোমাল। তেতিয়া ক'লে, 'তোৰ কিতাপখন কাৰোবাক দিছ নে নাই?' মই ক'লোঁ, 'পুথিভঁৰালত দিছোঁ ৫কপি।' তাৰ পাছত 'নহয়

অ' ডাঙৰ লেখকক দিছ নে নাই।' মই ক'লোঁ, 'নাই দিয়া, কাকো চিনিয়ে নাপাওঁ।' তেওঁ ধিক্কাৰ দিলে মোক, 'এইটো কি কথা। ২খন কিতাপ দেচোন মোক, মই এখন মুনীন বৰকটকীক দিম আৰু আনখন হোমেন বৰগোহাঞিক দিম।' মই দিলোঁ আৰু তাতে লিখি— হোমেন বৰগোহাঞিলৈ দিয়াখনত মই লিখিলোঁ 'আমাৰ কৈশোৰৰ নায়ক হোমেন বৰগোহাঞিদেৱ'। তেখেতেতো বেয়াই পাব যে মই কৈশোৰৰ হে নায়ক, এতিয়া ডেকা হ'ল মই তাৰ নায়ক নহয়। কিন্তু মুনীন বৰকটকীয়ে এক সপ্তাহৰ ভিতৰত এটা পূৰা Inland letter এটা ভৰ্তি কৰি তেওঁ মোৰ কিতাপখনৰ সমালোচনা এটা লিখিছিল। কিন্তু বৰগোহাঞিয়ে একো নিলিখিলে। প্ৰায় এক বছৰমানৰ পাছত 'নাগৰিক'ত এটা সমালোচনা ওলাইছিল। সমালোচনা লিখিছিল প্ৰভাত বৰাই। মইতো চিনি নাপাওঁ কোন প্ৰভাত বৰা। মই প্ৰথমে ভাবিলোঁ বৰগোহাঞিয়ে এই ছদ্মনাম লৈ লিখিছে। কিন্তু ২য়বাৰ পঢ়ি চালোঁ এইটো বৰগোহাঞি ককাইদেউৰ ভাষা নহয়। এইটো নিশ্চয় অন্য কোনোবা। তাৰ বহুদিন পাছত গম পালোঁ— প্ৰভাত বৰা বুলি মানুহ এজন আছে। তেখেত আমাৰ কলেজত আহি যোগদান কৰিলে। কিন্তু সেই সমালোচনাটো পঢ়ি মই গম পালোঁ যে মই এজন লেখক হ'বলৈ গৈ আছোঁ। প্ৰথম গম পালোঁ মোৰ গল্পত যিবোৰ কথা নজনাকৈ সোমাইছিল, সেইবোৰ তেখেতে মোক দেখুৱাই দিছিল। তেখেতে দেখুৱাইছে যে— মই লিখিছিলোঁ, মাতৃৰ লগততো সম্পৰ্ক জন্মৰ দিনাই শেষ হৈছে, নাৰীডাল যেতিয়া কাটি দিছে, মই তেতিয়া গম পালোঁ যে মোৰ গল্পত এনেকুৱা আলোচনাও হ'ব পাৰে যেতিয়া কিতাপখন একেবাৰেই পেলাই দিবলগীয়া নহয়। যেনে— সত্যেন শৰ্মা ছাৰে মোৰ গল্প কিতাপখনৰ শিৰোনামটো ভুল ধৰিছিল। গীতাৰ পৰা উদ্ধৃত আছিল কিন্তু মই ছাৰক দেখুৱালোঁ পিছত যে সেই গীতাৰ সেইটো অধ্যায়তে পাছৰ অধ্যায় এটাত মই লিখা বাক্যষাৰ আছে। প্ৰত্যেক সমালোচকৰ নিজৰ নিজৰ কথা।

■ **ড° সঞ্চিতা বৰা ঃ** আপোনাৰ গল্প সদায় একক। বিশেষকৈ মই যিখিনি পঢ়িছোঁ। মই সেইটো অনুভৱ কৰোঁ যে কাৰো লগত নিমিলে। যিমানেই তুলনা নকৰক কিয় বা যাৰেই প্ৰভাৱ পৰিছে বুলি নকওক, মই নিজেই অনুভৱ কৰোঁ আপোনাৰ গল্প একক আৰু এনেকুৱা হয় নেকি যে আপোনাৰ গল্পত যিটো দৰ্শন বা বাৰ্তা আপুনি দিব খুজিছে সেই দৰ্শন বা বাৰ্তা অনুধাৱন কৰিবলৈ পাঠকে অলপ নিজাকৈ প্ৰস্তুতি কৰি ল'ব লাগিব। তেতিয়াহে যেন গল্পটোৰ আচল ৰস পাব বা এনেকুৱাও হ'ব পাৰে নেকি যে এক প্ৰকাৰৰ মানসিক উৎকৰ্ষতা তেওঁলোকৰ থাকিলেহে যেন গল্পটো বুজি পাব। তেনেকুৱা পৰিস্থিতি হয় নেকি?

■■ **অপূৰ্ব শৰ্মা ঃ** পাঠকক মই তেনেকৈ বিচাৰ কৰা উচিত নহ'ব। মই ভাবোঁ যে পাঠকে যেতিয়া কোনো এটা গল্প পঢ়িবলৈ লয়, পাঠক লেখকৰ সমপক্ষ হৈ যায় বা হৈ পৰে। যদি তেওঁ গল্পটো বুজি নাপাই বা গল্পটো অনুধাৱন কৰিব নোৱাৰে, তেতিয়া সেইটো তেওঁৰ ব্যৰ্থতা। কিন্তু যদি এটা গল্প পঢ়ি পাঠক উৎফুল্লিত হয় অথবা পাঠকে যদি আনন্দ লাভ কৰে বুজিব লাগিব যে লেখকৰ সমধিক পৰিমাণে তেওঁ উৎকৃষ্টতা অৰ্জন কৰিছে।

■ **ড° বিশ্বজিৎ দাস ঃ** আপুনি প্ৰথম গল্প লিখিবলৈ আৰম্ভ কৰোঁতে সমালোচকসকলে তেতিয়া আপোনাক কৈছিল সৌৰভ কুমাৰ চলিহাৰ উত্তৰাধিকাৰী বুলি। প্ৰথমে আপুনি নিজেই লিখিছে যে সৌৰভ কুমাৰ চলিহাক আপুনি অনুকৰণ কৰিছিল আৰু প্ৰথমে সেই কাৰণে আপোনাক সমালোচনাও কৰিছিল। কিন্তু সেই প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ আপুনি কেনেধৰণে চেষ্টা কৰিলে?

■■ **অপূৰ্ব শৰ্মা ঃ** মই প্ৰথম গল্পটো লিখোঁতে বহুতে ক'লে যে এইটো সৌৰভ কুমাৰ চলিহাৰ সম্পূৰ্ণ অনুসৰণ কৰি লিখা গল্প। মই ভাবিলোঁ যে— হয়, গল্পটোৰ গঠন প্ৰণালী একেই। তেখেতৰ গল্পটো যিদৰে নিৰ্মিত কৰিছে ঠিক একেধৰণেই মোৰ গল্পটো নিৰ্মিত হৈছে। মোৰ গল্পৰ নিৰ্মাণ একেধৰণৰ কিন্তু তেখেতৰ সময় মোৰ সময় বেলেগ। তেখেতৰ গল্পটোৰ সময় স্বাধীনতাৰ পাছতেই অস্থিৰতা, অনিশ্চয়তা আদিক লৈ লিখিছিল। কিন্তু মোৰ গল্পৰ সময় বেলেগ। তেখেততকৈ ১০ বছৰ পাছত। এইটো আমাৰ যুগৰ গল্প। মই অনুভৱ কৰোঁ যে মোৰ গল্পৰ ভাষা মই বেলেগতকৈ বেলেগ বুলি ভাবোঁ। কিন্তু যেতিয়া মোক ক'লে যে এইটো সৌৰভ কুমাৰ চলিহাৰ অনুসৰণত লিখা গল্প। মোৰ একপ্ৰকাৰৰ জেদেই লাগিল। তাৰ পাছত মই ৪টামান গল্প একেধৰণত তেওঁৰ অনুসৰণতেই লিখিলোঁ। তাৰ পাছত দেখিলোঁ যে এনেকৈ হ'লে মোৰ কোনো গল্প লিখক স্বীকৃতি নাথাকিব। সদায় সৌৰভ কুমাৰ চলিহাৰ নম্বৰ ২ বুলিয়েই জনাজাত হ'ব। তাৰ পাছত লাহে লাহে মই নিজৰ এটা গল্পৰ চৰিত্ৰ নিৰ্মাণ কৰিবলৈ ল'লোঁ। মই ভাবোঁ মোৰ তাৰ পাছৰ গল্পবোৰ সম্পূৰ্ণ মোৰ নিজস্ব গল্প।

■ **ড° বিশ্বজিৎ দাস ঃ** এই বিষয়ে আৰু এটা জড়িত কথা

সুধিব বিচাৰিছোঁ। আপুনি যদি গল্প লিখে প্ৰথমে গল্পৰ জুমুঠিটো নিৰ্মাণ কৰি লয় আৰু তাৰ নেৰেটিভটো কি ধৰণে ঠিক কৰে?

- **অপূৰ্ব শৰ্মা ঃ** গল্পৰ সম্পূৰ্ণ নেৰেটিভটো একেলগে নাহে যেনে— মই এটা বিষয়বস্তু ভাবোঁ বা বিষয়বস্তু এটা মোৰ মনত লাহে লাহে গঢ় লৈ উঠে বা ইয়াৰ ওপৰত এটা গল্প লিখিব পৰা যায়। বিষয়বস্তু এটা মোৰ মনলৈ আহে আৰু সেইটোৰ ক্ৰমে ক্ৰমে মই নিৰ্মাণ কৰোঁ।
- **ড° বিশ্বজিৎ দাস ঃ** মনৰ ভিতৰতে ছাৰ নিৰ্মাণ কৰি থাকে নে লিখোঁতে ভাবি ভাবি লিখে?
- **অপূৰ্ব শৰ্মা ঃ** মই গল্পটো সম্পূৰ্ণভাৱে নিৰ্মাণ কৰি লওঁ। মই লিখি যাওঁ গল্পটো গুলাই গৈ থাকে। যেনে— মহিম বৰা ছাৰে যিটো কৈছে যে গল্প লিখাৰ সময়ত কিবা লম্ভে। গতিকে গল্পটো যেতিয়া লিখা হয়, তেতিয়া লিখি গৈ থকা হয়। বিষয়বস্তুটোৰ সম্পৰ্কে মোৰ পৰিষ্কাৰ দৃষ্টিভংগী থাকে। ৰচনা বা নিৰ্মাণ ইয়াৰ ক্ৰমে ক্ৰমে আগবাঢ়ে।
- **ড° বিশ্বজিৎ দাস ঃ** মানুহৰ কি কথাই আপোনাক আটাইতকৈ বেছি আকৰ্ষণ কৰে?
- **অপূৰ্ব শৰ্মা ঃ** লেখকৰ অন্তৰত সৃষ্টিৰ সময়ত সমাজখন থাকে। তেওঁৰ দৃষ্টিভংগীত বা তেওঁৰ চিন্তামণ্ডলত সমাজখন থাকে আৰু সমাজৰ বিভিন্ন ব্যক্তি বা সমাজৰ যিবোৰ চৰিত্ৰ লৈ মই গল্প লিখিছোঁ সেই চৰিত্ৰটোৰ লগত জড়িত সমাজখন মোৰ গল্পত আহে। কেৱল চৰিত্ৰটোতেই মই মোৰ দৃষ্টি নিবদ্ধ কৰি নাৰাখোঁ। তেওঁৰ চৰিত্ৰটো যেতিয়া মই নিৰ্মাণ কৰিম তেওঁৰ লগত জড়িত সমাজখনৰ ছবিও মোৰ গল্পৰ মাজত প্ৰস্ফুটিত হয়। সেই কাৰণে যদি মই মোৰ সৃষ্টিৰ বাবে এজন কোনো নায়ক বা পুৰুষ বা মহিলাক ঠিক কৰিছোঁ তেওঁৰ লগত জড়িত সমাজখনো মোৰ গল্পৰ অংগ। প্ৰধানতঃ মই মোৰ গল্পৰ সামাজিক দৃষ্টিভংগীটোৰ পৰা আঁতৰাই ৰাখিব নোৱাৰোঁ।
- **ড° বিশ্বজিৎ দাস ঃ** ধন্যবাদ ছাৰ, মই গল্পৰ পৰা আঁতৰত আহি আপুনি যিহেতুকে চলচ্চিত্ৰ সমালোচকো। মই ছাৰৰ পৰা কেইটামান কথা জানিব বিচাৰিম। ছাৰ, আপুনি সৰুতেই জয়মতী চিনেমাখন চাইছিল? আপোনাৰ সেই সময়ত জয়মতীখন চোৱাৰ অভিজ্ঞতা কেনেকুৱা?
- **অপূৰ্ব শৰ্মা ঃ** এখন প্ৰাথমিক বিদ্যালয়ত চিনেমা দেখুৱাব। কোনোবা চকীত, বেঞ্চত, মাটিত বহিছে। জয়মতী চলচ্চিত্ৰখনত জোনাকী পৰুৱাৰ দৃশ্য এটা আছিল, ৰাতিৰ দৃশ্য। ৰজাৰ প্ৰহৰীয়ে গদাধৰ সিংহৰ ঘৰত গৈ কাণ জুপি চোৱা দৃশ্য, যুদ্ধ লাগিছে। এইবোৰ তেতিয়াই চোৱা ছবিবোৰ মনত ৰৈ গ'ল। সেইবাবে মই জ্যোতিপ্ৰসাদৰ জয়মতীৰ বিষয়ে যিবোৰ লিখিছোঁ ক'তো পঢ়ি লিখা নাই। মোৰ স্মৃতিৰ পৰাই লিখিছোঁ।
- **ড° বিশ্বজিৎ দাস ঃ** ছাৰ, সমালোচনাৰ প্ৰতি আপুনি কেনেকৈ আকৃষ্ট হ'ল?
- **অপূৰ্ব শৰ্মা ঃ** কোনো দিন ভবা নাছিলোঁ যে মই চলচ্চিত্ৰ সম্পৰ্কে আগ্ৰহী হ'ম। মই মেট্ৰিকৰ টেষ্ট দি উঠা সময়ত, আমাৰ গাঁৱত এটা মাৰোৱাৰী গুদাম আছিল, তাতেই মালিকজনৰ ভায়েকে চিনেমা দেখুওৱা কৰিলে। তাত কেইখনমান ভাল চিনেমাও চালোঁ। তাৰ পাছত কলেজতো এখন বিখ্যাত দামী চিনেমা চালোঁ। মই এনেদৰেই লাহে লাহে চিনেমাৰ প্ৰতি আগ্ৰহী হ'লোঁ।
- **ড° সঞ্চিতা বৰা ঃ** আপোনাৰ গল্পসমূহত আপুনি বাৰু আপোনাৰ ভিতৰৰ আনজন মানুহক বিচাৰি ফুৰে নেকি? যিহেতু 'শূন্য হ'ল' গল্পটো পঢ়োতে মোৰ এনেকুৱা লাগিছিল একেজন ব্যক্তিকে আপুনি দুটা চৰিত্ৰ কৰি গল্পটো আগবঢ়াই নিছে।
- **অপূৰ্ব শৰ্মা ঃ** মই এজন কাহিনীকাৰ, কাহিনী লিখোঁ। পাঠকে যি ধৰণে বুজে, প্ৰত্যেকৰে হয়তো পাঠকৰ বেলেগ বেলেগ পাঠ হ'ব পাৰে। কাহিনীটোত দুয়োজন বন্ধুৰ মাজত এক গভীৰ সম্পৰ্ক আছিল। গতিকে দুয়োজনে হয়তো এজনৰ দুখ আনজনৰ প্ৰতিফল দুখৰ প্ৰতিফলনো হ'ব পাৰে। সেইটো সম্ভৱ হ'ব পাৰে কিন্তু কাহিনীটোত দুটা বেলেগ বেলেগ চৰিত্ৰ দুজন বন্ধুৰেই গতিকে পাঠকে যি ধৰণে তাক বুজিব খোজে সেইটোকে বুজা উচিত।
- **ড° সঞ্চিতা বৰা ঃ** আপুনি গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱন দুয়োটাই প্ৰত্যক্ষ কৰিছে। দুয়োটাকে ওচৰৰ পৰা দেখিছে। কেতিয়াবা এনেকুৱা হৈছে যে গ্ৰাম্য জীৱনৰ এটা প্লট নগৰীয়া পৰিৱেশত আছে কাৰণে আপুনি লৈ ফুৰিছে কিন্তু কেতিয়াও তেনেকৈ লিখা নহ'ল। তেনেকুৱা পৰিস্থিতি আপোনাৰ আহিছে নেকি?
- **অপূৰ্ব শৰ্মা ঃ** তেনেকুৱা পৰিস্থিতি অহা নাই। মোৰ গল্পবোৰ আৰম্ভণিতে নগৰজীৱনৰে গল্প। মই যেতিয়া গুৱাহাটীলৈ গ'লোঁ বা যিবোৰ স্বপ্ন আগতে দেখিছিলোঁ বা ভাৱত এখন কল্পনা কৰিছিলোঁ, সেইবোৰ নহয়। প্ৰায়বোৰ নগৰজীৱনৰ কাহিনীৰেই মই আৰম্ভণিতে লিখিছিলোঁ। পাছত যেতিয়া অসম আন্দোলন হ'ল তেতিয়া এনেকুৱা অনুভৱ হ'ল নগৰজীৱনক লৈ লিখিবলৈ মোৰ আৰু একো নাই,

তেতিয়া মই গাঁৱলৈ উভতি গ'লোঁ। তাত গৈ দেখিলোঁ তাত বহুতো কাহিনী আছে।

■ **ড° বিশ্বজিৎ দাস ঃ** ভৱিষ্যৎ প্ৰজন্মই আপোনাক কেনেধৰণেৰে মনত ৰখাটো আপুনি বিচাৰে?

■ ■ **অপূৰ্ব শৰ্মা ঃ** মই কল্পনা কৰোঁ যে আৰু দহ বছৰ পাছত মোৰ গল্প কোনোবা গাঁৱৰ লাইব্ৰেৰীত বেটুপাত বিচ্ছিন্ন হৈ পৰি থাকিব। হয়তো কোনেও নপঢ়িব। কিন্তু যিহেতু কিবা অলপ লিখিছিলোঁ সেয়া আন্তৰিকতাৰেই লিখিছিলোঁ। তাৰ আগতে মই এই কথা কোৱাৰ প্ৰয়োজনবোধ কৰোঁ আজিও মই নাভাবোঁ যে সাংঘাতিক কিবা ডাঙৰ কাম এটা কৰিলোঁ বা কিবা এটা ডাঙৰ সৃষ্টি কৰিলোঁ। যেতিয়া মই বঁটা পাওঁ তেতিয়া ভাবোঁ মই এইবোৰৰ উপযুক্ত নে, মই ইয়াৰ উপযোগী হৈ সঁচাকৈয়ে কাম কৰিলোঁনে? এতিয়াও কপি উঠো মোৰ সৃষ্টি কিমান মূল্যবান আৰু এই সৃষ্টিয়ে ভৱিষ্যতে সমাজক কিমান অৰিহণা যোগাব এইবোৰ শংকা মনত থাকে। গতিকে ভৱিষ্যৎ পুৰুষে বা ভৱিষ্যৎ প্ৰজন্মই মোৰ গল্প, মোৰ লেখাৰ কি মূল্য দিয়ে মই তেওঁলোকৰ বাবেই এৰিছোঁ। যদি তেওঁলোকৰ বাবে কিবা কৰিব পাৰিছোঁ তেতিয়া মৃত্যুৰ সময়তো ভাবিম জীৱনটো ধন্য হ'ল আৰু যদি নহয় তেতিয়া আন সাধাৰণ মানুহৰ দৰে জীৱনটো পাৰ হৈ যাব।

■ **ড° বিশ্বজিৎ দাস ঃ** ধন্যবাদ ছাৰ। এতিয়া দৰ্শক-শ্ৰোতালৈ প্ৰশ্নৰ শিতানটি আগবঢ়াই দিলোঁ।

■ **ড° নমিতা কলিতা ঃ** আপোনাৰ লিখনিত আপুনি যে এখন কলেজৰ শিক্ষক আছিল সেইটো প্ৰভাৱ পৰিছিল নেকি?

■ ■ **অপূৰ্ব শৰ্মা ঃ** অধ্যাপক হিচাপে প্ৰভাৱ পৰা বোধহয় নাই। কাৰণ মই লেখাৰ সময়ত মই নিজকে অধ্যাপক সত্তাটো সম্পৰ্কে মনোযোগ দি নিলিখোঁ। লেখাৰ সময়ত মই এজন সাধাৰণ লেখক হিচাপে বিবেচনা কৰো আৰু লেখক হিচাপেই লিখোঁ। সেইটো কলেজ শিক্ষকজনৰ লগত কোনো সম্পৰ্ক নাই।

■ **স্বৰূপা বৈদ্য ঃ** আপুনি যিহেতু সাহিত্য, অৰ্থনীতি, পৰ্যবেক্ষক বুলি ভাবে সেয়ে সৰু কথা এটা আপোনাক সুধিব বিচাৰিছোঁ— বৰ্তমান সময়ত আমাৰ সাহিত্য সংস্কৃতিৰ দিশটো কোনদিশে ধাবমান হৈছে, ইয়েই সমাজখনত কেনেধৰণৰ প্ৰভাৱ পেলাব, এখন সুস্থ সমাজ গঢ়িবলৈ হ'লে কেনেদৰে আমি আগবাঢ়ি যাব লাগিব?

■ ■ **অপূৰ্ব শৰ্মা ঃ** সাহিত্যৰ দায়িত্ব হ'ব সমাজক দিক্‌দৰ্শক কৰা। এইটো কোৱা যায় যে সাহিত্য নিৰালম্ব বুলি ভবা আমি উচিত নহয়। সাহিত্য সমাজৰে অংগ। গতিকে সমাজক সঠিক দিশ নিৰ্ণয় দিয়া বা সমাজক সজাগ কৰা মই সাহিত্যৰ দায়িত্ব বুলি ভাবোঁ। গতিকে সমাজৰ ভৱিষ্যৎ নিৰ্মাণত সাহিত্য এটা অংগ হোৱা উচিত বুলি মই ভাবোঁ।

■ **প্ৰদীপ শইকীয়া ঃ** যিহেতু আপুনি কবিতা লিখিছিল কবিতাৰ জগতখনত আপুনি আছিল আৰু এক কথা আপুনি প্ৰকাশ কৰিছে যে এটা বা দুটা গল্প আপুনি বছৰটোত লিখে কিন্তু আমি পাঠক হিচাপে অনুভৱ কৰিছোঁ— সুন্দৰ গল্পটোৰ সৃষ্টিৰ আঁৰত আপুনি ১২মাহ গৰ্ভত লৈ থাকে আনন্দ, বিষাদ, বেদনা, যন্ত্ৰণা সকলো আপুনি বহন কৰি থাকে। মই এটা কথা ভাবিছোঁ— এই খন্তেকীয়া বিষবিলাক আপুনি কবিতা আকাৰে সৰুকৈ লিখে তেতিয়া হয়তো অসমীয়া কাব্য-সাহিত্যই এটা নতুন বস্তু আপোনাৰ পৰা পাব বুলি ভাবোঁ আৰু আমিও এটা নতুন সোৱাদ পাম এই খন্তেকীয়া বিষবিলাকৰ। গল্পটো অন্ততঃ প্ৰকাশ নোহোৱালৈকে। আপুনি কি ভাবে?

■ ■ **অপূৰ্ব শৰ্মা ঃ** এসময়ত মই দুটামান কবিতা লিখিছিলোঁ হয়, ৰামধেনুত 'হেমলেট' বুলি মোৰ কবিতা এটা ওলাইছিল। কিন্তু আচৰিত কথা মোক হৰেকৃষ্ণ ডেকাই কবিতাটো ভাল হৈছে বুলি ক'লে। মই ভবাই নাছিলোঁ এইটো কবিতা ওলাব বুলি। কিন্তু আজিৰ কবিতা সম্পূৰ্ণ বেলেগ হৈ গৈছে। আজিৰ কবিতাৰ লগত কবিতাৰ ভাষা সলনি হৈ গৈছে। কবিতাৰ চিত্ৰকল্প, প্ৰতীকধৰ্মী, প্ৰকাশভংগী, লেখাৰ শৈলী আদি সকলো সলনি হৈছে। আজি এতিয়া আৰু মই সেই ধৰণৰ চেষ্টা কৰিব নুখুজিম আৰু কৰিলেও হয়তো মই তোমালোকৰ দৰে সফল নহ'ম।

■ **দীপা বৰা ঃ** ছাৰ, আপুনি কৰ্মজীৱন আৰু সাহিত্য জীৱন দুয়োটা একেলগে চলাই নিবলৈ কিবা অসুবিধা পাইছিল নেকি?

■ ■ **অপূৰ্ব শৰ্মা ঃ** মই খুউব সক্ৰিয় সাহিত্যিক নাছিলোঁ। বছৰত দুটা বা তিনিটা গল্প ওলায়। গতিকে মোৰ কৰ্মজীৱনত সাহিত্যচৰ্চাৰ জীৱনে বাধা দিয়া নাছিল। কিন্তু কিছুমান অসুবিধা হয় যেতিয়া খুউব বেছি অন্তৰ্মুখী হৈ পৰে লেখক তেতিয়া এনে ক্ষেত্ৰত অসুবিধা হয় কাৰণ পৰিয়ালবৰ্গও থাকে।

■ **দীপা বৰা ঃ** আপুনি লিখা গল্প, কবিতাসমূহৰ ভিতৰত আপোনাৰ প্ৰিয় অথবা আপুনি যিখন লিখি সন্তুষ্ট হৈছে সেইখনৰ সন্দৰ্ভত কিছু কথা জনালে ভাল লাগিল হয়।

■ ■ **অপূৰ্ব শৰ্মা ঃ** তেনেকৈ এটা গল্প বা কবিতা ক'বলৈ অলপ অসুবিধা হয়। কোনোবাই বেলেগ বেলেগ ভাল পায়

কোনোবাই 'বাঘে টাপুৰ ৰাতি' গল্পটো ভাল পায়। আকৌ মোৰ কেইটামান প্ৰেমৰ গল্প আছে। প্ৰেমৰ গল্প কেইটাৰ ভিতৰত 'বাৰমহীয়া আম' গল্পটো ভাল। অন্য গল্পৰ ভিতৰত 'বাঘে টাপুৰ ৰাতি' ভাল। 'অসামাজিক' বুলি এটি গল্প মই ভাল পাওঁ।

■ **প্ৰাচুৰ্য বৰা ঃ** আপুনি সুদীৰ্ঘকাল গল্প চৰ্চা কৰি আহিছে। কেতিয়াবা আপোনাৰ লেখনি বন্ধ হৈছে নে বা তাৰ পৰা আপুনি কেনেকৈ ওলাই আহিছে।

■ ■ **অপূৰ্ব শৰ্মা ঃ** এইটো খুবেই হয়। মই যেতিয়া গুৱাহাটীৰ পৰা ইয়ালৈ আহিলোঁ ৪ বছৰমান গল্প লিখা নাছিলোঁ। মই এটা চাকৰি— আসাম ট্ৰিবিউনৰ ষ্টাফ ৰিপ'ৰ্টাৰ, এইটো এৰি আহি মোৰ অলপ বেয়া লাগিছিল। কাৰণ তাত মই এনেকুৱা মানুহ কিছুমান পাইছিলোঁ, বৰ ভাল মানুহ আছিল সকলো ফালৰ পৰা। ১৯৬৭ চনৰ পৰা ১৯৭০ চনলৈকে মই লিখা-মেলা কৰা নাছিলোঁ। ১৯৭০ চনত ভবেন বৰুৱাই মোক গুৱাহাটীত লগ পাই লিখিবলৈ ক'লে।

■ **প্ৰাচুৰ্য বৰা ঃ** ছাৰ আৰু সৰু কথা এটা সুধিব মন আছিল। আমি যেতিয়া সাহিত্যিকসকলক লগ পাওঁ তেতিয়া জানিব মন যায় তেওঁলোকৰ প্ৰিয় গ্ৰন্থ বা প্ৰিয় সাহিত্যিক তেতিয়া খুউব অসুবিধা হয় যে এজনেই প্ৰিয় সাহিত্যিক, এখনেই প্ৰিয় গ্ৰন্থ বুলি ক'বলৈ। এতিয়া আপোনাক যদি এখনেই ক'ব দিয়া হয় আপুনি কি ক'ব?

■ ■ **অপূৰ্ব শৰ্মা ঃ** অসমীয়া সাহিত্যৰ 'এহাত ডাবা'খনৰ কথা ক'ব পাৰি আৰু যদি লাটিন আমেৰিকানৰ 'মাৰ্কেজ'ৰ কথা ক'ব পাৰি। এশ বছৰৰ নিৰ্জনতা।

■ **ড° নিৰ্মালি বৰা ঃ** হোমেন বৰগোহাঞিঃ ছাৰে প্ৰতি সাক্ষাৎকাৰৰ শেষত যে সোধে আপুনি যদি নিৰ্জন দ্বীপত অকলে বাস কৰিব লগা হয় তেতিয়া আপুনি লগত কি লৈ যাব? গ্ৰন্থ/সংগীত/লেখক কোনজনৰ কথা সেই সময়ত ভাল পাব/ছবি কি চাই ভাল পাব— আপোনাক আপুনি নিজেই কি ধৰণে ব্যাখ্যা কৰিব?

■ ■ **অপূৰ্ব শৰ্মা ঃ** নিৰ্জন দ্বীপততো নিজকে ব্যাখ্যা কৰিবলৈ একো নাথাকিব। তেনেকৈ ক'বলৈ অসুবিধা। তথাপিও মই মাৰ্কেজ পঢ়ি ভাল পাওঁ। মাৰ্কেজেই নিম। গীত— মই গজল ভালপাওঁ গতিকে আখতাদিবাই আৰু পাকিস্তানৰ মেডয়াচিনকেই নিম।

■ **বুবুল শৰ্মা ঃ** ছাৰ, আপুনি কিছুদিনৰ আগতে এটা কথা লিখিছিল যে সৌৰভ চলিহাৰ যিখন চহৰ, সেইখন ধৰ্ষিতা হৈছিল বুলি। আপোনাক সেই চহৰখনে আকৰ্ষণ কৰিছিল, আমি পঢ়িছিলোঁ যে গুৱাহাটীৰ চাৰিওফালে এখন পাহাৰ আছিল। মন কৰিছোঁ এটা কথা আপোনালোকে আপোনালোকৰ সময়ত যিবোৰ গল্প সৃষ্টি কৰিছিল তাত খুউব সৰল-সমাজ এখন আছিল, সেই সৰল সমাজখন যিহেতু জলবায়ু পৰিবৰ্তন হৈছে বা যিটো পৰিৱেশৰ পৰিবৰ্তন হৈছে, সেইটোৱে গোটেই সমাজখনৰ চিন্তাধাৰা সলনি কৰি পেলাইছে। ফলত আজিকালি পৰোক্ষভাৱে যিবোৰ পাঠক আগৰ যি সৰল মনৰ জীৱনশৈলী বিচাৰিছিল যে আগতে মানুহৰ মাজত থকা যিটো দয়া, অনুভৱ এই পৰিৱেশৰ জলবায়ু পৰিবৰ্তনৰ লগে লগে সেই মানুহৰ ভিতৰত থকা যিবিলাক ভাল গুণ সেইবিলাক লাহে লাহে হেৰাই গৈছে। পৰৱৰ্তী সময়ত আপোনাৰ পৰা পৰিৱেশ সম্পৰ্কীয় গল্প আশা কৰিলোঁ।

■ ■ **অপূৰ্ব শৰ্মা ঃ** সাম্প্ৰতিক সময়ত পৰিৱেশৰ ভয়াবহতাই মানৱ জীৱনলৈ দুৰ্বিষহ যাতনা নমাই আনিছে। এইক্ষেত্ৰত অকল সাহিত্যিকসকলেই নহয়, সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তি সজাগ আৰু সচেতন হ'ব লাগিব। পৰৱৰ্তী সময়ত মই তেনে গল্প লিখিবলৈ প্ৰয়াস কৰিম।

■ **ড° বিপুল মালাকাৰ ঃ** সাধাৰণতে কৰ্মজীৱনৰ দুই-এটি চৰিত্ৰই সাহিত্যিকৰ লেখাত আত্মপ্ৰকাশ কৰা আমি দেখিবলৈ পাওঁ। ঠিক তেনেকুৱা এটা প্ৰশ্ন মই সুধিব ওলাইছোঁ— আমাৰ কোনো সহকৰ্মী আপোনাৰ গল্পৰ চৰিত্ৰত আত্মপ্ৰকাশ কৰিছে নেকি?

■ ■ **অপূৰ্ব শৰ্মা ঃ** আছে। মোৰ 'ৰিক্সাবালা' গল্পত মই এটা চৰিত্ৰ আনিছোঁ। আমাৰ কলেজতে চাকৰি কৰা এজন অধ্যাপকৰ ককায়েক, তেওঁ আলফাৰ সদস্য আছিল। তেওঁ মোৰ এটা প্ৰধান গল্পৰ চৰিত্ৰ। 'সন্ত্ৰাসৰ সময়' গল্পত মই বৰ্তমানৰ অধ্যক্ষ দাসৰ ককায়েকৰ চৰিত্ৰটো অংকন কৰিছিলোঁ। এনেকৈ পৰিৱেশ পৰিস্থিতিৰ পৰা কিছু চৰিত্ৰ আহিছে কিন্তু খুউব তেনেকৈ স্পষ্টকৈ অহা নাই। চাৰিওফালে লগ পাই থকা কিছু কিছু মানুহৰ গুণেই হয়তো কোনো কোনো চৰিত্ৰৰ এটা এটা দিশ উদ্ভাসিত কৰিছোঁ। সম্পূৰ্ণ সেই চৰিত্ৰটোকে আঁকিছোঁ বুলি মই ক'ব নোৱাৰোঁ।

■ **ড° বিশ্বজিৎ দাস ঃ** বহুমূলীয়া সময় দিয়াৰ আপোনাক মহাবিদ্যালয় পৰিয়ালৰ পৰা ধন্যবাদ জ্ঞাপন কৰি সুস্বাস্থ্য কামনা কৰিলোঁ।

■ **অপূৰ্ব শৰ্মা ঃ** ময়ো সকলোকে ধন্যবাদ জ্ঞাপন কৰিলোঁ

*(এইমাহৰ অতিথি অনুষ্ঠানৰ বাণীবদ্ধ ৰূপৰ পৰা লিখিত)*

*অনুলেখক ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*

INTERVIEW




# I have written Bakul for someone: An Interview with the writer of *Bakul Phular Dare* Dr. Mrinal Kalita

Translated from Assamese : **Prachurjya Borah**

[Panchakanan: A Literary Forum, a conglomeration of the five literature departments - Assamese, English, Hindi, Bengali and Sanskrit - of Nowgong Girls' College, has invited contemporary Assamese short story writer, novelist, author of children's literature and winner of Sahitya Akademi's Bal Sahitya Puraskar, Dr. Mrinal Kalita under the banner of "Meet the Author" programme. Kalita, in an unapologetic manner, has talked about his early life, his introduction to the world of literature and writing, the writing process, his experience with students as a Math teacher, and his famous novel Bakul Phular Dare. He sat with Prachurjya Borah and Prarthana Hazarika, Assistant Professor of English and Assamese of Nowgong Girls' College for an informal interview where he spilt the bean of facing criticism, association with drama, the word "popularity" and Bakul Phular Dare - the novel and the movie. The following interview is a translation from Assamese. Readers of this translation can also look at the original interview on YouTube at this link: https://www.youtube.com/watch?v=hxFkMu-JMm0&t=6615s ]

- **Prachurjya Borah (PB):** At the very outset, I would like to know from Sir that you have excelled in your writing in short stories, novels and essays. But we haven't heard anything about your poetry. Do you write poetry? Your opinion.
- - **Mrinal Kalita (MK):** The fact that I don't write poetry is not true. I think I have written at least 30 numbers of poems which are published in the mainstream Assamese journals - Goriyashi, Prakash, and Satsori. But I have realised that mypoems are like stories. When I read the poems of Hirendra Nath Chakraborty, I find that his poems are becoming stories. This case is also evident in the latest poems of Harekrishna Deka. I have found that my poems are constructing stories. I have realised that I'm not eligible for poetry. I have thought, probably, that poetry is not my forte. Sometimes, I write poems that I upload on Facebook but don't send them to the journals. I'm not optimistic about my craft of writing poetry.
- **PB:** Have you published any collection of poetry?
- - **MK:** No. I do have poems but don't intend to make it a collection.
- **Prarthana Hazarika (PH):** Hello Sir! Bakul Phular Dare was awarded Bal Sahitya Puraskar by Sahitya Akademi in 2021. Recently, the novel has also reached its 37th publication which we are all proud of. When we look at your Children's Literature, we find that you have closely observed the minds, behaviour and problems of the children. So, what is your take on the current generation of children and also the Children's Literature?
- - **MK:** This is a very sensitive and important topic - the subject of Children's Literature. Our senior writers have always complained that Assamese books do not sell. However, I believe that we, the writers, are only to be blamed. When a child doesn't get a proper Assamese text of his zone during childhood, we cannot expect that child to read serious books when he reaches adulthood. I cannot expect an adult to understand my short stories if he has not been exposed to children-centric books in his childhood. For that, I believe I am also to be blamed as a writer. If I don't write Children's Literature for a child to read then I have no right to ask a person why he hasn't read my short stories or novels.

  We need to understand the pulse of the current generation and produce Children's Literature according to their taste. I am not saying that we do not need Panchatantra, Hitopadesha, Burhi Aair Xadhu, etc. We must need them but along with that we also need "Osin Mumaideor Buddhipta", the tales of Bhabendra Nath Saikia and Nabakanta Baruah which are all intelligent. I think there is a big vacuum of Children's Literature in Assamese Literature. Therefore, when I discuss Children's Literature I do it consciously. I take it myself that I have to do something for the children which only a few of our senior writers have written.
- **PH:** When we look at the character of Anubhab in Bakul Phular Dare, we feel that it reflects the life and philosophy of novelist Mrinal Kalita. How do you respond to this as a novelist?
- - **MK:** It is complicated to answer your question. The author, knowingly or unknowingly, connects with every character. In some cases, it's more than usual. The chapter which was earlier read, was, actually a scene from my home. I have numerous collections of books. I am sharing this anecdote with the students. The only property I have acquired in my life is that I have bought thousands of books worth 10 Lakhs. But that doesn't mean that I am a voracious reader. There is a sentence in that chapter which reads "Kitap Kinatu Kunu Birottor Kotha Nhoi." I am a well-paid college teacher, and I do have money to buy books. Whether I read them or not, that's my concern. So, that sentence was my reflection as a reader that it is not a big deal to buy books. Anyone can buy books if he has money. What matters most is whether you have read them or not.

  The consolation of Nirmal and the things that Anubhob said are real. I have already said that I have written Bakul for someone. Through them, I want to tell my own story.
- **PB:** A few moments ago, you said you are afraid that people might only remember you as a writer of Bakul Phular Dare. Regarding this, I want to know that do you think the popularity of Bakul Phular Dare will overshadow your other writings.
- - **MK:** Nowadays, when they introduce me, they call upon my name with the tag "popular writer" which is annoying for me. I have a negative perspective on the word "popular". Whether this is a blessing or curse, I have never in my wildest dream wanted to

be a popular writer. My idol is Saurabh Kumar Chaliha who was reluctant to publish his name. But look at my fate. Every time I get introduced, I am introduced as - a "popular writer", "the famous writer of Bakul Phular Dare that witnessed 37th Publication". Even I am not happy with these introductions. I reckon that I still haven't got the calibre or achievement, for which my identity as the writer of Bakul Phular Dare has become bigger than my identity as a short story writer. I understand that I haven't created something more remarkable than Bakul or I think my other writings are not enough to overtake the significance of Bakul. For which, my image is limited to the popularity of Bakul. Therefore, along with self-introspection, I criticise myself whether am I not capable enough to seize the popularity of Bakul.

▪ **PH:** Bakul Phular Dare has been made into a film. The trailer is available on YouTube. And Arunabh Hazarika who acted as Ashim has won the best actor in the Child Artist category in the recently held Prag Cine Awards which is wonderful. What would you like to tell us about the movie?

▪▪ **MK:** A few filmmakers have contacted me regarding the movie. It was Rima Bora, who contacted me first. She has produced her movies on crowd-funding and she wanted to make it through crowd-funding. But it was not finalised. Subsequently, many filmmakers have approached me. Then, during the 2020 Durga Puja, I got a call from renowned filmmaker Sanjib Hazarika. I was a fan of him. I watched his Halladhar at a cinema hall. Although I was overwhelmed, I didn't show it over the phone. After all, I'm a writer. Then he told me that he wanted to make this film and asked me if anyone had purchased the right to the movie. Now he has directed the movie and Pride East Entertainment is producing it. All faces are new. Unknown actors. That's his creative choice. He has written the script, though I have given inputs in some scenes. But the whole structure is his vision. I have told him that if somebody asks about the film it will be yours, and if about the book it will be mine.

▪ **PB:** I would like to know from you that at many times you have been influenced by Saurabh Kumar Chaliha. Assamese Literary critic, Prabhat Borah in an article on Chaliha has said that since Chaliha was not a student from the Literature department his approach to literature was different. Arindam Sir has also pointed out the same fact that as a student of Mathematics, Mrinal Kalita's writing or approach is different. As a student of Mathematics, how different is your approach ?

▪▪ **MK:** Because I am a student of Mathematics, one thing I know - [which I don't know whether it has happened for the good or bad] - is that I do not know what is a short story. Therefore, I do not know how to write a short story. And about literary theory, I am absolutely ignorant. I know that we need literary theory, but when I write a short story, I don't need any. It is in the reader's hands to judge whether Mrinal Kalita's background as a math student impacted positively or negatively on his works. It is better to leave this question to the readers and critics.

▪ **PH:** As a teacher of Mathematics, you have written math-specific articles. You have done the research and you have already mentioned that mathematics is inserted in your novel. When we read your novel and other math-related books, we find that you have explained the problems lucidly. Upon reading them, we see that students can easily overcome the fear of doing mathematics. Now, as you are sitting in front of our students, what would you like to suggest?

▪▪ **MK :** As a teacher of Mathematics, I reckon that mathematics is not more difficult than the way it is perceived by the students. When I try to solve a problem in class, I tell students that there is no need for them to make the puzzle more puzzling. It's not that tough. You are already making it difficult by thinking that mathematics is perplexing. There is a preconceived notion that "to become a sum, it has to be difficult. Nothing simpler can be mathematics". For example, we all know that the age of the son is always lesser than the father. But if the same thing is given as a mathematical equation, many will come to the weird conclusion that the father's age is lesser than the son's age. Students think that this can be possible in mathematics. However, mathematics doesn't work like that. A famous mathematician once said that mathematics is the generalisation of things, we see in front of us. Actually, mathematics is the generalisation of common sense. When

we realise that we can taste mathematics differently.

■ **PH:** Sir, we have often seen you involved with Theatre. You love to associate with drama workshops and you have been associated with theatre-centric groups and institutions. So, how do you see the future of Assamese Theatre and also how are you associated with Theatre? Is there any future project on Assamese Theatre?

■ ■ **MK:** My story of being associated with Assamese Theatre is that once I wrote plays. I was awarded the best playwright in the college week of Cotton College. After that, there was a long gap. For many years I was away from Drama. Our group had broken up and there was a reason for it. In Bakul, there is a scene that talks about a boy who loves to be jubilant and thinks of committing suicide. It can be assumed that there is a big vacuum inside him. This has happened to us. The leader of our drama group committed suicide, thus leading to the final curtain of our team and my association with drama.

Now, I live in my village. I have left Guwahati. My village is not far from my workplace. I have talked about my society in Bakul which people have praised me for. But what am I doing, in reality, for my society? We write about society's ills on Facebook, but what is our contribution towards our society? Now living in the village, I have started to think about my society. I have again started to associate with drama workshops. The seriousness of subject treatment and dialogue in a play is lacking here. However, this is different in the case of Arun Sharma and Bhabendra Nath Saikia's plays. Even, the plays written specifically for Mobile Theatre are also different. I think, there is a lacuna in the field of drama in Assam.

■ **PB:** Sir, Bakul has now reached its 37thpublication. First of all, congratulations on that. Today, if we look at the publication scene of Assamese books, we find that Bakul is ahead of its contemporaries in rapid publications. From popular literature's perspective, we can call Bakul a bestseller. My question to you is, what is your feeling as a writer of a Best Seller? If I ask you, is there any formula to write a best seller? How would you like to respond?

■ ■ **MK:** I have already mentioned that the word "popular" doesn't suit me at all. Since I have a negative view of the word, I thought that like me others have also considered the same. Now, people can scrutinize me with the same lens, as I am called a popular writer. I am not happy with the terming in the sense that people might think otherwise. On the other hand, I take it positively that despite people's criticism of Assamese readers and the new generation, Bakul has reached its 37th Publication. This gives me happiness. I believe there is still hope and everything is not finished yet. And there is no formula for a best-seller. If there is any, I would have written Bakul specifically for this. I have never written Bakul to become a best-seller. Even, my early readers predicted that it would not see many publications as it is an education-centric book where Mathematics is inserted.

■ **PB:** My last question to you, Sir! We know that you are currently working on a novel. We heard that it is going to be a campus novel. What would you like to tell us about your current project?

■ ■ **MK:** Yes, I'm writing a novel. It is based on the various aspects of a college. As a college teacher, how are we fulfilling the hopes of society in terms of educating the students? Are we successful in delivering that? If not, why? What is the real scenario of the academic environment inside the college premises? My novel is about all these questions. I have completed 20 chapters and I need at least 14 more to complete it.

PB: Thank you, Sir.

PH: Thank you for the conversation.

*Translator : Asst. Professor Department of English*



# অসমত সংস্কৃত চৰ্চা

**গুণ শইকীয়া**

আদৰণীয় ৰসিক শ্ৰোতা বিদ্বৎমণ্ডলী আৰু স্নেহাস্পদ ছাত্ৰীসমাজ। আমন্ত্ৰণী পত্ৰৰ যোগেদিয়েই আপোনালোক নিশ্চয় ইতিমধ্যে অৱগত হৈছে যে আমাক এক অকল্পনীয় দুৰ্ঘটনাত অকালতে মৃত্যুক আঁকোৱালি লোৱা নগাঁও ছোৱালী কলেজৰ সংস্কৃত বিভাগৰ বিদুষী অধ্যাপিকা ড° সঞ্জিতা সিংহৰ স্মৃতি ৰক্ষাকল্পে আয়োজন কৰা প্ৰথম স্মাৰক বক্তৃতাটি প্ৰদান কৰাৰ কাৰণে আমন্ত্ৰণ কৰিছে। আমাৰ উপযুক্ততাৰ কথাটো বিবেচনালৈ ননাকৈয়ে একমাত্ৰ অধ্যাপিকা গৰাকীৰ লগত থকা আমাৰ ঘনিষ্ঠতা আৰু আন্তৰিক সম্পৰ্কৰ কথাটোতে গুৰুত্ব দি বোধহয় আমাক এই গুৰুভাৰ অৰ্পণ কৰিছে। আমাক এই গুৰুভাৰ বহন কৰিবলৈ দি মান্যতা দিয়াৰ কাৰণে অধ্যক্ষ তথা সংস্কৃত বিভাগ প্ৰমুখ্যে সমগ্ৰ কলেজ পৰিয়াললৈ মোৰ ভক্তিভৰা কৃতজ্ঞতা যাচিলোঁ। ড° সঞ্জিতা সিংহৰ কি অনুকৰণীয় অনন্য গুণৰ বৈভৱ আছিল, তাক এই কলেজৰ সকলোৱে জানে আৰু বুজে; সেয়েহে আমনি জন্মাব পৰা চৰ্বিত চৰন এৰাই চলিছোঁ।

মূল বক্তৃতাৰ মাজলৈ সোমোৱাৰ আগতে মই এতিয়া কেইটামান কথা শ্ৰোতাবৃন্দৰ জ্ঞাতাৰ্থে জনাব খুজিছোঁ। অসমত সংস্কৃত চৰ্চা সন্দৰ্ভত মই যিখিনি কথা দাঙি ধৰিম সেইখিনি দৰাচলতে মই সম্পূৰ্ণ নিজাকৈ কৰা অনুসন্ধিৎসামূলক গৱেষণাৰ ফল নহয়। নিজে কষ্ট কৰি দেশী-বিদেশী অনেক সমলৰ পৰা তথ্য নিষ্কাষণ কৰি পোৱা সংস্কৃত চৰ্চামূলক প্ৰত্যয়যোগ্য কথাখিনি ড° বিশ্ব নাৰায়ণ শাস্ত্ৰী, ড° মালিনী গোস্বামী প্ৰভৃতি জ্ঞানান্বেষী বিদ্বানসকলে গ্ৰন্থৰূপত প্ৰকাশ কৰিছে। তাকে মুখ্যতঃ আধাৰ কৰি আমাৰ আজিৰ বক্তৃতাটো প্ৰস্তুত কৰা হৈছে। সেই দৃষ্টিত আমাৰ বক্তৃতাটো বৰ এটা অভিনৱধৰ্মী নহয়। অৱশ্যে, নামমাত্ৰ হ'লেও, মোৰ নিজৰ কিছু অনুসন্ধানৰো অৰিহণা আছে। সেইখিনি প্ৰধানতঃ অত্যাধুনিক কালছোৱাৰ। আন এটা কাম মোৰ দ্বাৰা কৰা হৈছে। সেইটো হৈছে— যিবোৰ গ্ৰন্থ মই আধাৰ হিচাপে লৈছো, তাত তথ্যবোৰ বিক্ষিপ্তৰূপত দাঙি ধৰা হৈছে। নিৰ্দিষ্ট এটা সুগম তন্ত্ৰ (system)ত নাই। মই পাৰ্যমানে সুগম অৱবোধনৰ স্বাৰ্থত সেই তথ্যবোৰ একোটাকৈ শিৰোনাম দি শ্ৰেণীভুক্ত কৰি দেখুৱাব খুজিছোঁ। আৰু এটা কথা স্পষ্ট কৰি থোৱা উচিত হ'ব যে গ্ৰন্থবোৰত সন্নিবিষ্ট তথ্যবোৰৰ অধিকাংশ বিশেষকৈ প্ৰাক্ শঙ্কৰ যুগ তথা শঙ্কৰদেৱ যুগৰ বিশুদ্ধ ঐতিহাসিক প্ৰকৃতিৰ নহয়, যিহেতু সেইবোৰ আনুমানিক সিদ্ধান্তহে। তাৰ কাৰণ হ'ল, ভাৰতবৰ্ষত প্ৰাচীন কালত ইতিহাস লিখাৰ কোনো প্ৰয়াসেই নাছিল, তাৰ বাবে অকল যে সংস্কৃত অধ্যয়নৰ ক্ষেত্ৰখনেই ক্ষতিগ্ৰস্ত হৈছে তেনে নহয়, সামগ্ৰিকভাৱে ভাৰতৰ সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যৰ অধ্যয়ন আৰু অন্বেষণো বহু পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে।

এতিয়া বক্তৃতাটোৰ মূল প্ৰসঙ্গলৈ আহোঁ। সুধীবৃন্দ, আপোনালোকে জানেই যে অসমৰ ইতিহাসক সামগ্ৰিকভাৱে তিনিটা প্ৰধান যুগত ভাগ কৰা হৈছে— প্ৰাচীন, মধ্য আৰু

আধুনিক। প্ৰাচীন কালৰ পৰিসৰটো ইতিহাসে ঢুকি নোপোৱা কালৰ পৰা খ্ৰীঃ ১২ শ শতিকালৈ, মধ্যৰ ১৩শৰ পৰা ১৮ শতিকালৈ আৰু আধুনিকৰ ১৯শৰ পৰা সাম্প্ৰতিক কাললৈ ধৰা হয়। অৱশ্যে সংস্কৃত চৰ্চাৰ যুগ তিনিটা আলোচনাৰ সুবিধাৰ কাৰণে প্ৰাক্-শঙ্কৰ যুগ (বা উন্মেষ যুগ), শঙ্কৰ যুগ আৰু শঙ্কৰোত্তৰ যুগস্বৰূপে নামকৰণ কৰা হৈছে, লগতে শতিকাৰ সংখ্যাৰ দিশত কিছু পৰিৱৰ্তন কৰা হৈছে। সেই মৰ্মে প্ৰাক্শঙ্কৰ যুগটোৰ পৰিসৰ খ্ৰীঃ ১৪শ পৰ্যন্ত, শঙ্কৰ যুগটোৰ পৰিসৰ খ্ৰীঃ ১৫শৰ পৰা ১৮শ আৰু শঙ্কৰোত্তৰ যুগটোৰ পৰিসৰ সাম্প্ৰতিক কাল পৰ্যন্ত ধৰা হয়।

এই যুগকেইটাৰ কালিক বৈশিষ্ট্য স্বাভাৱিকতে সুকীয়া সুকীয়া আৰু তাৰ প্ৰভাৱ নিশ্চিতভাৱে প্ৰতিটো যুগৰ সংস্কৃত চৰ্চাৰ ক্ষেত্ৰখনতে প্ৰতিফলিত হৈছে। ইয়াৰে আঁত ধৰি উপৰ্য্যুক্ত যুগকেইটাৰ সংস্কৃত ৰচনাৱলীৰ যুগধৰ্মী সাধাৰণ বৈশিষ্ট্যবোৰ থোৰতে তলত উনুকিয়াব খুজিছোঁ।

ক) প্ৰাক্-শঙ্কৰ যুগটোৰ সংস্কৃত কৃতিবোৰ মুখ্যতঃ ধৰ্মীয় স্বৰূপৰ। কৃতিসমূহৰ যথানিৰ্দিষ্ট ৰচকসকল বা পৃষ্ঠপোষকসকল ধৰ্মোন্মুখ বা ধৰ্মাচাৰ্য হোৱাৰ হেতুকেই নিশ্চয় কৃতিসমূহৰ প্ৰকৃতি তেনে হৈছিল। চিকিৎসাশাস্ত্ৰ আদিৰ দৰে দুই-এখন ধৰ্মনিৰপেক্ষ গ্ৰন্থও অৱশ্যে ৰচিত হৈছিল। যিহেতু এই যুগটোত সংস্কৃত চৰ্চাৰ লক্ষণীয় প্ৰবাহ এটা আছিল, গতিকে অনুমান কৰিব পাৰি যে কাব্য-নাটকাদিৰ দৰে কিছু মনোৰঞ্জক সাহিত্যও ৰচিত হৈছিল। কালৰ কুটিল পৰিস্থিতিত সেইখিনি হয়তো বিলুপ্ত হ'ল। ধৰ্মীয় সাহিত্যখিনিৰ প্ৰায়খিনিয়েই অৱশ্যে সংৰক্ষণশীলতাৰ মাজত সযতনে ৰক্ষিত হোৱাৰ কাৰণেই হয়তো অদ্যপি বৰ্তি আছে।

এতিয়া প্ৰশ্ন হ'ল— কিৰাত, কছাৰী প্ৰভৃতি অনাৰ্য জনগোষ্ঠীসমূহৰ আবাসস্থল প্ৰাচীন প্ৰাগ্জ্যোতিষত আৰ্য ভাষা সংস্কৃত তথা আৰ্য সংস্কৃতি কেতিয়াৰ পৰা আৰু কাৰ সৌজন্যত প্ৰবহমান হ'ল? এই সম্পৰ্কে ইতিহাসৰ কোনো নিশ্চিত তথ্য নাই। তেনেস্থলত ধৰ্মীয়শাস্ত্ৰ কালিকা পুৰাণৰ কাহিনীকে আধাৰ কৰি মানি লোৱা হৈছে যে বিদেহৰ ৰজা নৰকেই পোনতে আৰ্য ভাষা আৰু সংস্কৃতিৰ ঢল এই প্ৰান্তলৈ বোৱাই আনিলে। কথিত আছে যে নৰকে প্ৰাগ্জ্যোতিষপুৰৰ অধিবাসী কিৰাতসকলৰ অধিপতি ঘটকাসুৰক বধ কৰি সিহঁতক সাগৰ পৰ্যন্ত অপসাৰণ কৰে আৰু প্ৰাগ্জ্যোতিষপুৰ নামটো ৰদ কৰি কামৰূপ নাম ৰাখি নিজৰ প্ৰভুত্ব স্থাপন কৰে। ইতিহাসৰ কোনো প্ৰামাণ্য দলিল নথকাৰ অজুহাততে 'নাই মোমাইতকৈ কণা মোমায়েই ভাল' এই ধাৰণাৰে তাকে পণ্ডিতসকলে মানি লৈছে এই পৰ্যন্ত। এইখিনিতে এটা কথা স্পষ্ট কৰি দিব বিচাৰিছোঁ যে প্ৰাচীন প্ৰাগজ্যোতিষপুৰলৈ আৰ্য ভাষা-সংস্কৃতি বোৱাই অনাৰ ক্ষেত্ৰত নৰকৰ অৱদান মানি লৈয়ো ক'ব লাগিব যে ইতিহাসৰ বিভিন্ন সময়ত কিবা অনুকূল বা প্ৰতিকূল পৰিস্থিতিত পৰি উত্তৰ ভাৰত আৰু মধ্য ভাৰতৰ পৰা এই মুলুকলৈ অহা ব্ৰাহ্মণ পণ্ডিতসকলৰ অৱিহণাও কিছুগুণে আছিল নিশ্চয়।

খ) শঙ্কৰদেৱ যুগৰ সংস্কৃত চৰ্চাত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মমতৰ সৰ্বগ্ৰাসী প্ৰভাৱৰে ফলশ্ৰুতি এইয়া। শঙ্কৰদেৱে সংস্কৃতৰ এজন ওজা পণ্ডিত হৈয়ো তৎকালীন সমাজৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি প্ৰান্তীয় ভাষাতে গ্ৰন্থাদি প্ৰণয়নত প্ৰধানকৈ গুৰুত্ব দিছিল। তথাপি তেৰাই নিজৰ সংস্কৃত পাণ্ডিত্য প্ৰমাণ কৰি নাটৰ শ্লোক, ভক্তি ৰত্নাকৰ আদি কিছু সংস্কৃত ৰচনা কৰি গৈছে। গুৰুৰ তেনে সমাজ দায়বদ্ধ সংকল্পৰ কথা জানি মাধৱদেৱ প্ৰমুখ্যে তাৰাৰ অনুগামী শিষ্য ভকতসকলেও সংস্কৃতত দক্ষ হৈয়ো প্ৰান্তীয় ভাষাতে সাহিত্য ৰচনাত মনোনিৱেশ কৰিলে। সেই সময়ত অসমৰ বিদ্যায়তনিক পৰিৱেশটোও সংস্কৃতত গ্ৰন্থ ৰচনাৰ বাবে খুবেই অনুকূল আছিল, যিহেতু সেই সময়ৰ প্ৰশাসকসকল— যেনে, বৰাহী ৰজা মহামাণিক্য, ৰজা দুৰ্লভ নাৰায়ণ, আহোম ৰজা ৰুদ্ৰসিংহ, কোচৰজা নৰনাৰায়ণ, চিলাৰায় আদি প্ৰশাসকসকল প্ৰত্যেকজনেই বিদ্যোৎসাহী আৰু সংস্কৃত অনুৰাগী আছিল। তথাপি, প্ৰতিভা থকা পণ্ডিতৰ জোখাৰে সংস্কৃত গ্ৰন্থ ৰচিত নহ'ল। যিবোৰ সংস্কৃত কৃতি ৰচিত হ'ল, সেইবোৰ প্ৰধানকৈ ভাষ্য, ব্যাকৰণ, ছন্দ আৰু স্মৃতি শাস্ত্ৰৰ অন্তৰ্বৰ্তী।

গ) শঙ্কৰোত্তৰ যুগত সংস্কৃত চৰ্চাৰ প্ৰবাহটো চকুত পৰাকৈ মন্থৰ হ'ল। ইয়াৰ গুৰিত থকা কাৰণ কিছু হ'ল— খ্ৰীষ্টাব্দ ১৯শ শতিকাৰ পৰা আৰম্ভ হোৱা আহোম-কোচ ৰজাসকলৰ বিলীয়মান প্ৰতিপত্তি, ৰজাসকলৰ মাজত হোৱা অৰিয়া-অৰি, ৰাজতন্ত্ৰৰ বিৰুদ্ধে গঢ়ি উঠা বিভিন্ন বিদ্ৰোহ, মুছলমানসকলৰ পুনঃপৌণিক আক্ৰমণ, মানৰ আক্ৰমণ, ব্ৰিটিছৰ আগমন আৰু সংস্কৃত বিৰোধী স্থিতি গ্ৰহণ ইত্যাদি। ইমানৰ পাছতো সংস্কৃত বিদ্বানসকলৰ ব্যক্তিগত উদ্যোগতে কিছু সংস্কৃত পুথি ৰচিত হ'ল। স্মৃতি শাস্ত্ৰাদি ৰচনাত প্ৰায় স্থবিৰতা আহিল। তাৰ সলনি আধুনিক সাহিত্যৰ অনুকৰণত উপন্যাস, নাটক আদি আঙ্গিক আৰু ভঙ্গীত কিছু সাহিত্য সৃষ্টি হৈছে। কিছু প্ৰশস্তি আৰু গীত ৰচনাও হৈছে।

উপৰ্যুক্ত কথাখিনিৰে প্ৰাক্-কথনৰ সামৰণি মাৰিলোঁ। এতিয়া তিনিটা যুগৰ ক্ৰমত শিতান অনুযায়ী ৰচিত সংস্কৃত কৃতিৰাজি ঠাইতে পাঠকে জানিব পৰাকৈ তলত উল্লেখ কৰাৰ প্ৰয়াস কৰিছোঁ।

**১) প্ৰাক্ শঙ্কৰ কালত ৰচিত কৃতিৰাজি ঃ**

এই যুগত ৰচিত কৃতিৰাজি প্ৰধানকৈ আগমশাস্ত্ৰ, পশু চিকিৎসা শাস্ত্ৰ, লিপি বা শাসন, স্মৃতি অথবা ধৰ্মশাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰ আৰু তন্ত্ৰ (বৌদ্ধ-জৈন) শাস্ত্ৰ আদি শিতানত ভাগ কৰি দেখুৱাব পাৰি।

■ **আগম শাস্ত্ৰ ঃ** দহটা অধ্যায় সম্বলিত 'কালিকা পুৰাণখন' এখন প্ৰখ্যাত আগম শাস্ত্ৰ। ৰজা ধৰ্মপালৰ পৃষ্ঠপোষকতাত আনুমানিক খ্ৰীঃ ৯ম-১০ম শতিকাৰ ভিতৰত ই ৰচিত বুলি ঠাৱৰ কৰা হৈছে। শাক্ত ধৰ্মীয় আচাৰ-অনুষ্ঠান তথা বিধি-বিধানবোৰেই প্ৰধানকৈ ইয়াৰ চৰ্চিত বিষয়বস্তু।

**স্বল্প মৎস্যপুৰাণ** নামান্তৰে স্থলপুৰাণ আন এখন উল্লেখযোগ্য আগম শাস্ত্ৰ। কালিকা পুৰাণৰ সমসাময়িক কালতে এইখন ৰচিত হোৱা বুলি অনুমান কৰা হৈছে। ৰচকৰ পৰিচিতি কালিকা পুৰাণৰ দৰে অজ্ঞাত।

**যোগিনীতন্ত্ৰ**ও এখন উল্লেখযোগ্য আগম শাস্ত্ৰ। অসমৰ পণ্ডিতৰ মাজত ইয়াৰ জনপ্ৰিয়তা কালিকাপুৰাণৰ সমানেই। ইয়াৰো প্ৰণেতা সম্পৰ্কত পৰম্পৰা বা ইতিহাস নিমাত।

খ্ৰীঃ ১৩শ শতিকাত ৰচিত বুলি ঠাৱৰ কৰা **ধৰ্মপুৰাণখনো** পণ্ডিতৰ মাজত বহু পৰিমাণে সমাদৃত। ইয়াৰো ৰচক সম্পৰ্কে পৰম্পৰা নিমাত।

■ **চিকিৎসা শাস্ত্ৰ ঃ** পালকাব্যাই (ঋষি সামগায়নৰ পুত্ৰ) ৰচনা কৰা **হস্ত্যায়ুৰ্বেদখন** হস্তী চিকিৎসা বিষয়ক এখন প্ৰামাণিক গ্ৰন্থ। খ্ৰীঃ ৫ম শতিকাত এইখন ৰচিত হোৱা বুলি অনুমান কৰা হৈছে। পালকাব্য আৰু ৰজা ৰোমপাদৰ কথোপকথনৰ আচিলাৰে গ্ৰন্থখনৰ বিষয়বস্তুখিনি আগবঢ়াই নিয়া হৈছে।

আন এখন পশু চিকিৎসা বিষয়ক নিৰ্ভৰযোগ্য গ্ৰন্থ হ'ল— **যুক্তিকল্পতৰু**। শাস্ত্ৰখন হাতী আৰু ঘোঁৰাৰ চাৰিত্ৰিক বৈশিষ্ট্য, শাৰীৰিক বিৱৰণ, বিভিন্ন ৰোগ আদিৰ সন্দৰ্ভত প্ৰস্তুত কৰা হৈছে। ভোজৰাজক শাস্ত্ৰখনৰ ৰচক বুলি চিহ্নিত কৰা হৈছে। তদনুসাৰে গ্ৰন্থখনৰ ৰচনাকাল খ্ৰীঃ ১৯শ শতিকা হ'ব লাগে বুলি পণ্ডিতসকলে মত পোষণ কৰিছে।

■ **স্মৃতিশাস্ত্ৰ বা ধৰ্মশাস্ত্ৰ ঃ** স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল ধৰ্মশাস্ত্ৰ প্ৰাক-শঙ্কৰ কালৰ অসমত বহুকেইখন ৰচিত হৈছে। এই ধৰ্মশাস্ত্ৰবোৰে ভাৰতীয় ধৰ্মশাস্ত্ৰৰ এটা স্বতন্ত্ৰ সম্প্ৰদায় প্ৰতিনিধিত্ব কৰে। গৱেষক পণ্ডিতসকলে অনুমান কৰে যে প্ৰাচীন অসমত বোধ হয় খ্ৰীঃ ১০ম শতিকামানৰ পৰাহে, ধৰ্মশাস্ত্ৰ লিখাৰ প্ৰৱাহ আৰম্ভ হয়। এই সময়ৰ উল্লেখযোগ্য স্মৃতিকাৰসকলৰ নাম তেওঁলোকৰ কৃতিৰ সৈতে উল্লেখ কৰিব বিচাৰিছোঁ। **স্মৃতি সমুচ্চয়, শ্ৰাদ্ধপ্ৰকাশ, স্মৃতি ৰত্নাকৰ, গঙ্গাজল** আৰু **মন্বৰ্থবিবৃত্তিয়েই** উল্লেখযোগ্য স্মৃতিগ্ৰন্থ। এই কৃতিসমূহৰ ৰচক বুলি যথাক্ৰমে সৎকবি বিশেশ্বৰ, নীলাম্বৰ আচাৰ্য, বেদাচাৰ্য, দামোদৰ মিশ্ৰ আৰু নাৰায়ণ সৰ্বজ্ঞ বুলি ঠাৱৰ কৰা হৈছে। ইয়াৰ উপৰি আন কেইবাজনো স্মৃতিকাৰৰ নাম উল্লেখত আছে, কিন্তু নিৰ্দিষ্ট কৃতিসমূহৰ সম্পৰ্কে কোনো তথ্য পোৱা নাযায়। একেদৰে, কিছুমান স্মৃতিৰ নাম উল্লেখত আছে, কিন্তু ৰচকৰ তথ্য নাই। মাত্ৰ উল্লেখত থকা স্মৃতিকাৰকসকল হ'ল— ধৰলেশ্বৰ, বিমলবোধ, শংখধৰ, যুগলোকাচাৰ্য ইত্যাদি আৰু স্মৃতিসমূহৰ কেইখনমান হ'ল— **মৎস্যসূক্ত, স্মৃতিমীমাংসা, গৃহ্যপাৰস্কৰ, তাৎপৰ্যনিবন্ধ** ইত্যাদি।

■ **জ্যোতিষশাস্ত্ৰ ঃ** প্ৰাগজ্যোতিষপুৰ বুলি থকা অসমৰ প্ৰাচীন নামটোৱেই প্ৰমাণ কৰে যে এই ভূখণ্ড জ্যোতিষ চৰ্চাত অত্যন্ত অগ্ৰণী আছিল। ইয়াত ৰচিত হোৱা বহুকেইখন জ্যোতিষশাস্ত্ৰ কালৰ গৰ্ভত হয়তো হেৰাই গৈছে। কেইখনমান মাথো উল্লেখ আৰু চৰ্চাত আছে। সেইবোৰ হ'ল— **কামৰূপনিবন্ধনীয়াখন্ডসাধ্য** (ৰচক অজ্ঞাত), নীলাম্বৰাচাৰ্যৰ **কালকৌমুদী**, লক্ষ্মীপতি শৰ্মাৰ **জ্যোতিৰ্মালা**, পীতাম্বৰ সিদ্ধান্ত বাগীশৰ **গ্ৰহণকৌমুদী** ইত্যাদি।

■ **ৰাজশাসন বা লিপি ঃ** আনুমানিক খ্ৰীঃ ৪ৰ্থ-৫ম শতিকাৰ পৰা খ্ৰীঃ ১৩শ শতিকালৈ ভৌম, পাল, বৰ্মন আদি বংশৰ সংস্কৃতানুৰাগী শাসকসকলে ধাৰাবাহিকভাৱে সংস্কৃত ভাষাত শৈল আৰু তাম্ৰ শাসন বা লিপিবোৰ প্ৰস্তুত কৰিছিল যিবোৰৰ প্ৰতিখনেই একো একোখন উত্তম স্তৰৰ সংস্কৃত ৰচনা। বৰ্তমানলৈকে এনেকুৱা শাসন বাইছখন উদ্ধাৰ বা আৱিষ্কৃত হৈছে। এইবোৰৰ ভিতৰৰ সুৰেন্দ্ৰ বৰ্মাৰ 'উমাচল শিলালেখ'খনেই প্ৰাচীনতম বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে। আৱিষ্কৃত আন কেইখনমান জনপ্ৰিয় শাসন হ'ল— 'ভূতিবৰ্মাৰ লিপি', 'ভাস্কৰ বৰ্মাৰ ডুবি' আৰু 'নিধানপুৰ লিপি', 'হৰ্জ্জৰবৰ্মনৰ লিপি', 'বলবৰ্মাৰ ফলি', 'ৰত্নপালৰ ফলি, 'ধৰ্মপালৰ ফলি', 'বনমালদেৱৰ লিপি'।

■ **তন্ত্ৰশাস্ত্ৰ ঃ** অসমত বহুকেইজন তন্ত্ৰসাধকে প্ৰধানকৈ শাক্ত আৰু বৌদ্ধপন্থীয়ে তন্ত্ৰশাস্ত্ৰ ৰচনা কৰে। অৱশ্যে, ৰচক সম্পৰ্কে বিশেষ পৰিচিতি দিব পৰা নাযায়। বাৰু যা নহওক, তন্ত্ৰসমূহৰ নামকে উল্লেখ কৰোঁ। **অকুলবীৰতন্ত্ৰ, কামৰত্নতন্ত্ৰ, কামাখ্যাগুহ্যসিদ্ধি, ব্যক্তভাৱনানুগততত্ত্বসিদ্ধি, বোধিচিত্তবিৱৰণ, যোগশতক** ইত্যাদি যিবোৰ দৰাচলতে বৌদ্ধতন্ত্ৰ। পুনশ্চ, **কামাখ্যাতন্ত্ৰ, উত্তৰতন্ত্ৰ, হেবজ্ৰতন্ত্ৰ, প্ৰজ্ঞোপায়বিনিশ্চয়সিদ্ধি** ইত্যাদিবোৰ শাক্ততন্ত্ৰ।

■ **ৰাজনীতি শাস্ত্ৰ ঃ** ৰাজনীতি শাস্ত্ৰ বুলি গণ্য কৰিব পৰা এখনেই মাত্ৰ পুথি পোৱা হৈছে। সেইখন হৈছে— **নীতিকুসুম**, যিখনৰ ৰচক ৰজা পুৰন্দৰ পাল বুলি নিৰ্ণীত হৈছে।

ওপৰত উল্লিখিত নিদৰ্শনবোৰে নিশ্চিতভাৱে প্ৰমাণ কৰে যে প্ৰাক্‌শঙ্কৰকালীন প্ৰাচীন অসমত সংস্কৃত চৰ্চাৰ সমৃদ্ধ পৰম্পৰা এটাই আছিল, যিটো তদানীন্তন ভাৰতৰ অন্যান্য প্ৰান্তৰ পৰম্পৰাতকৈ কোনো গুণে কম নাছিল। এয়া নিশ্চয়কৈ অসমৰ মানুহৰ বাবে স্বাভিমান প্ৰকাশ আৰু গৌৰৱ কৰাৰ স্থল। পিছে, পৰম খেদৰ কথা এইটোহে যে অসমৰ বিদ্বৎ সমাজে নিজৰ

উদাসীন্য আৰু অদায়বদ্ধতাৰ কাৰণে এই সমৃদ্ধ পৰম্পৰা আধুনিক কাললৈ বৰ্তাই ৰাখিব নোৱাৰিলে। অসমৰ কুলীন সভ্যতা-সংস্কৃতিক নিশ্চয় ইয়াৰ কুপ্ৰভাৱে কিবা নহয় কিবা প্ৰথাৰে ক্ষতি কৰিছে আৰু ভৱিষ্যতেও কৰিব।

শঙ্কৰদেৱ কালৰ অসমৰ সংস্কৃত চৰ্চাৰ মুখ্যতঃ গুৰি ধৰিছিল সংস্কৃতানুৰাগী শাসকসকলে (যাৰ নাম ইতিপূৰ্বে উল্লেখ কৰা হৈছে)। সেইসকলৰ উদ্যোগ আৰু পৃষ্ঠপোষকতাতে শঙ্কৰদেৱ, মাধৱদেৱ প্ৰমুখ্যে যুগন্ধৰ ভক্ত-বিদ্বানসকলে বিভিন্ন বিষয় আৰু শিতানত সংস্কৃতত কিছু গুৰুত্বপূৰ্ণ গ্ৰন্থ তথা গ্ৰন্থভিন্ন সংস্কৃত ৰচনা প্ৰণয়ন কৰে। সেইসমূহৰ জৰীপ এটা শ্ৰোতাই থাউকতে অনুসৰণ কৰিব পৰাকৈ দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ।

■ **ভক্তিশাস্ত্ৰ অথবা নিগমশাস্ত্ৰ ঃ ভক্তি ৰত্নাকৰ** নামৰ শাস্ত্ৰখন শ্ৰীমন্ত শঙ্কৰদেৱৰ হাতত ৰচিত হৈছে। ভাৰতৰ পুৰাতন ভক্তিসাহিত্যৰ আৰ্হিত ৩৮টা অধ্যায়ত ভক্তিৰ বিভিন্ন ৰূপ, বিষয় আৰু দিশ সম্পৰ্কে ইয়াত আলোচনা দাঙি ধৰা হৈছে। এই সময়ত ৰচিত এখন গুৰুত্বপূৰ্ণ সংস্কৃত কৃতি হ'ল— **ভক্তিবিবেক**, যিখন ১৫টা অধ্যায়ত বিভক্ত। ৰচক হ'ল ভট্টদেৱ। **ভক্তিৰসত ৰঙ্গিনী**ও এখন উল্লেখযোগ্য ভক্তিশাস্ত্ৰ যিখন হৰিদেৱৰ নিপুণ হাতৰ সৃষ্টি। ইয়াত ১৫টা স্তৱক আছে মাত্ৰ। প্ৰকৰণ গ্ৰন্থ **কল্পদ্ৰুম** আৰু **নীতিৰত্নৰ** ৰচক বুলি অনন্ত কন্দলীক নিৰ্ণয় কৰা হৈছে।

■ **নাটৰ শ্লোক ঃ** এই কালছোৱাত বিশুদ্ধ ৰূপৰ সংস্কৃত নাটক সৃষ্টি নহ'ল যদিও সংস্কৃতত শ্লোক কিছু ৰচিত হ'ল, যিবোৰৰ মাজেদি আচলতে নাটকবোৰৰ সম্পূৰ্ণ বিষয়বস্তু প্ৰকট কৰা হৈছে। এইক্ষেত্ৰত শঙ্কৰদেৱেই বাটকটীয়া। তাৰাকে অনুসৰণ কৰি মাধৱদেৱে ঝুমুৰাবোৰত, গোপাল আতাই জন্মযাত্ৰা আৰু গোপী উদ্ধৱ সংবাদত, ৰামচৰণ ঠাকুৰে নৃসিংহযাত্ৰা আৰু স্যমন্তহৰণ নাটত স্বৰচিত সংস্কৃত শ্লোক সংযোজন কৰি গৈছে। শঙ্কৰদেৱৰ পৈণত হাতত তোটক ছন্দত ৰচিত ৯টা শ্লোকৰ কৃষ্ণস্তুতিটোও সংস্কৃত চৰ্চাৰ অপূৰ্ব নিদৰ্শন। ধৰ্মদেৱ গোস্বামীয়েও লক্ষ্মীসিংহৰ উদ্‌গণিত এখন প্ৰতীকধৰ্মী সংস্কৃত নাট ৰচনা কৰিছিল বুলি এক প্ৰসিদ্ধি আছে।

■ **কাব্য ঃ** সংস্কৃতত ৰচনা কৰা কাব্যৰ সংখ্যা অতি কম। মাত্ৰ কৰ্ণপূৰ বিৰচিত **পাৰিজাত হৰণ** আৰু শ্ৰীনাথদ্বিজ বিৰচিত **বিশ্বসিংহচৰিত** এই দুখনহে সংস্কৃত কাব্য।

■ **টীকা ভাষ্য ঃ** এই যুগত তুলনামুলকভাৱে টীকা-ভাষ্যৰ সংখ্যা বহুত বেছি। সেইবোৰ হৈছে— নাৰায়ণ সভাকবিৰ **সাৰমঞ্জৰী** (কিৰাতাৰ্জুনীয়ম্ সন্দৰ্ভত), গদাধৰ সিংহৰ **তত্ত্বচন্দ্ৰিকা** (কিৰাতাৰ্জুনীয়ম্ সন্দৰ্ভত), ৰাজ্যধৰ মিশ্ৰৰ **শিশুপাল বধ বিবেচন**, ৰজা চিলাৰায়ৰ **সাৰৱতী** (গীতগোবিন্দ সন্দৰ্ভত), পীতা বিদ্যাবাগীশৰ **গূঢ়াৰ্থপ্ৰকাশিকা** (শাৰদাতিলক সম্পৰ্কত), চন্দ্ৰশেখৰ ভট্টাচাৰ্য আৰু জয়কৃষ্ণ শৰ্মাৰ যথাক্ৰমে **চন্দ্ৰশেখৰটীকা** আৰু **প্ৰভাপ্ৰকাশিকা** (দুয়োখনেই ৰত্নমালা ব্যাকৰণ সন্দৰ্ভত)। ৰত্নমালাৰ সন্দৰ্ভত **তাৎপৰ্যসন্দীপিকা** নামৰ আন এখন ভাষ্যও পোৱা গৈছে। কিন্তু ভাষ্যকাৰ অদ্যপি অনিৰ্ণীত।

■ **ব্যাকৰণ ঃ** এই যুগটোৰ কালাবধিত ব্যাকৰণ চৰ্চাৰ সমৃদ্ধ ধাৰা এটা যে প্ৰৱহমান আছিল তাৰ প্ৰমাণ সম্পূৰ্ণ নতুন ধাৰাত ৰচনা হোৱা **প্ৰয়োগৰত্নমালা** নামৰ ব্যাকৰণখনেই দিয়ে। এইখনৰ ৰচক হ'ল পুৰুযোত্তম বিদ্যাবাগীশ। তেওঁৰ হাতত আন তিনিখন ব্যাকৰণমূলক গ্ৰন্থও ৰচিত হৈছিল। সেইকেইখন হ'ল— **ষট্‌কাৰকপ্ৰয়োগ, ধাতুৰূপ প্ৰকৰণ** আৰু **লৌকিকপদমঞ্জৰী**।

■ **কোষশাস্ত্ৰ ঃ শব্দভেদ প্ৰকাশ, উষ্মভেদ প্ৰকাশ** আৰু **অংকুৰাৱলী**— এই তিনিখন সেই যুগৰ প্ৰসিদ্ধ কোষশাস্ত্ৰ। এই কেইখনৰো সংকলক হ'ল পুৰুযোত্তম বিদ্যাবাগীশেই।

■ **স্মৃতিশাস্ত্ৰ ঃ** এই যুগতো পূৰ্বৰ স্মৃতিশাস্ত্ৰ ৰচনাৰ পৰম্পৰাটো বাহাল আছিল। তেনেকুৱা দুখনমান হ'ল— পীতাম্বৰ বিদ্যাবাগীশৰ **কৌমুদী** (১৮টা খণ্ডত), বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ **শৰণ সংগ্ৰহ**, ৰিপুঞ্জয় ভট্টাচাৰ্যৰ **পূৰ্ণচন্দ্ৰ** ইত্যাদি। এইবোৰৰ উপৰি আৰু কিছু স্মৃতি ৰচনা হৈছিল বুলি উল্লেখ আছে যদিও সেইবোৰৰ শিৰোনাম আৰু নিৰ্দিষ্ট ৰচয়িতাৰ নাম-ধাম আদিৰ সম্পৰ্কত পণ্ডিতসকল এই পৰ্যন্ত নিশ্চিত হ'ব পৰা নাই।

■ **জ্যোতিষশাস্ত্ৰ ঃ** এই যুগটোত জ্যোতিষৰ চৰ্চাও যথেষ্ট পৰিমাণে যে হৈছিল তাৰ প্ৰমাণ বংশীবাদন দ্বিজই ৰচনা কৰা **জ্যোতিৰ্মুক্তাৱলী** আৰু কৃষ্ণদেৱ মিশ্ৰই প্ৰণয়ন কৰা **সংৱৎসৰগণনা** নামৰ গ্ৰন্থ দুখনেই দিয়ে।

■ **চিকিৎসাশাস্ত্ৰ ঃ** এই সময়ছোৱাত চিকিৎসা বিষয়ক চৰ্চাও প্ৰবলভাৱে চলিছিল যে সেইটো একাধিক চিকিৎসা বিষয়ক গ্ৰন্থই প্ৰমাণ কৰে। উল্লেখযোগ্য তেনে কেইখনমান গ্ৰন্থ হ'ল— অনঙ্গ কবিৰাজৰ **বৈদ্যকল্পতৰু**, বৈদ্যনাথৰ **সাৰাৎসাৰ**, জগন্নাথ কবিৰাজৰ **বৈদ্যসাৰোদ্ধাৰ**, দামোদৰৰ **চিকিৎসা সাহিত্য** ইত্যাদি।

ওপৰত উল্লেখ কৰা নিদৰ্শনবোৰে নিশ্চিতভাৱে এই কথাকে প্ৰমাণ কৰে যে শঙ্কৰদেৱৰ যুগতো সংস্কৃত চৰ্চাৰ প্ৰৱাহটো খুব প্ৰবল নহ'লেও সন্তোষজনকেই আছিল। এইক্ষেত্ৰত ৰচকসকলৰ নিজা অহোপুৰুষাৰ্থ আৰু আত্মোৎসৰ্গাৰ উপৰি ৰজা মহামাণিক্য, ৰুদ্ৰসিংহ প্ৰভৃতি আহোম ৰজাসকল আৰু কোচ ৰজাসকলৰ অকুণ্ঠিত উৎসাহ আৰু পৃষ্ঠপোষকতাই যোগাত্মকভাৱে কাম কৰিছিল।

শঙ্কৰোত্তৰ কালত সংস্কৃত চৰ্চাৰ প্ৰৱাহটো চকুত লগাকৈ মন্থৰ হৈ আহিল যদিও তাৰ মাজতে কিছু লেখত ল'বলগীয়া সংস্কৃত কৃতি সৃষ্টি হ'ল আৰু অদ্যপি সেই ধাৰা চলি আছে। তলত সেইবোৰ শিতান অনুযায়ী উল্লেখ কৰিব বিচাৰিছোঁ।

■ **শ্ৰব্যকাব্য** ঃ শ্ৰব্য কাব্য ৰচনাৰ প্ৰৱাহটো যে উৎসাহজনক আছিল তাৰ প্ৰমাণ তলত উল্লেখ কৰা কাব্যৰ সংখ্যাটোৱেই দিয়ে। কবি যষ্ঠিকা দাসৰ হাতত '**চিত্তামোদকাব্য**', ভৱদেৱ ভাগৱতীৰ হাতত '**সতী-জয়মতী**', '**শ্লোকমালা**' আৰু '**শ্যামপৰ্ণী**' (হাস্যৰসাত্মক), মনোৰঞ্জন শাস্ত্ৰীৰ হাতত '**পতাকাস্নায়**', '**প্ৰকামকামৰূপম্**' আৰু '**উত্তঙ্কভৈক্ষ**', বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ হাতত '**শ্ৰীকৃষ্ণলীলা**' (তোটক ছন্দত), জীৱেশ্বৰ গোস্বামীৰ হাতত '**মুমূৰ্ষুগাথা**', তুলসী নাৰায়ণ উপাধ্যায়ৰ হাতত '**গীতিমালিকা**' আৰু '**ভক্তিমন্দাকিনী**', বীৰেন সিংহৰ হাতত '**কংসবধ**' (৮টা সৰ্গত) আৰু শেহতীয়াকৈ ড° দীপক শৰ্মাৰ হাতত '**ভাস্কৰ বৰ্মা**' (অনুষ্টুভ ছন্দত) ৰচিত হৈছে।

■ **স্মৃতিশাস্ত্ৰ** ঃ এই যুগত ৰচিত স্মৃতিশাস্ত্ৰ দুখন হ'ল— শম্ভুৰাম মিশ্ৰৰ **ভাস্কৰ** আৰু গোপালচন্দ্ৰ ন্যায়ভূষণৰ **স্মৃতিসংগ্ৰহ**।

■ **দৃশ্যকাব্য** ঃ অঙ্কীয়া নাটৰ গঠন কৌশল আৰু মূল নাট্যশাস্ত্ৰৰ বিধানৰ সংমিশ্ৰণেৰে এই যুগত বিভিন্ন আঙ্গিকত বহুকেইখন ৰূপক ৰচিত হৈছে। সেইবোৰ হৈছে কবিচন্দ্ৰ দ্বিজৰ '**কামকুমাৰহৰণ**', দিন দ্বিজৰ '**শংখচূড় বধ**', গৌৰকান্ত দ্বিজৰ '**বিঘ্নেশজন্মোদয়**', বিদ্যাপঞ্চাননৰ '**শ্ৰীকৃষ্ণপ্ৰয়াণ**', জীৱেশ্বৰ গোস্বামীৰ '**হাস্যৰসত ৰঙ্গ**', ভৱদেৱ ভাগৱতীৰ '**নূতনং নাটকম্**' (হাস্য-ব্যঙ্গ), নাৰদ উপাধ্যায়ৰ '**পিহুপ্ৰাচ্যম্**' (সামাজিক নাট) আৰু ৰাজগোৱিন্দ সাৰ্বভৌমৰ '**বিলাত-ৰঞ্জনী**' আৰু '**দ্ৰৌপদীসন্তোষনাটকম্**'।

**অনূদিত গ্ৰন্থ** ঃ এই সময়ছোৱাত অসমীয়া সাহিত্যৰ জনপ্ৰিয় কৃতি কিছু সংস্কৃতলৈ অনুবাদ কৰাৰ ধাৰা এটা আৰম্ভ হ'ল। তেনেকুৱা অনূদিত কৃতিসমূহ হ'ল— '**জীবিতঃ মানবঃ**' (ত্ৰৈলোক্যনাথ গোস্বামীৰ '**যমৰ ঘৰত জীয়া মানুহ**' নামৰ উপন্যাসৰ অনুবাদ) অনুবাদক হ'ল ভগৱান গোস্বামী। কামিনীকুমাৰ অধিকাৰীয়ে মূল নাম একে ৰাখি অনুবাদ কৰিছে— '**গীতাঞ্জলি**' আৰু '**উৰ্বশী**'। ৰুণিমা শৰ্মাই '**বুঢ়ী আইৰ সাধু**'খন অনুবাদ কৰিছে। তেনেদৰে বিপিনচন্দ্ৰ গোস্বামীয়ে ৰঘুনাথ চৌধুৰীৰ '**নৱমল্লিকা**', মনোৰঞ্জন শাস্ত্ৰীয়ে ৰঘুনাথ চৌধুৰীৰে কেতেকীখন '**কেতকীকাব্যম্**' শিৰোনামত, গৌৰীদত্ত শৰ্মাই ড° ভৱেন্দ্ৰনাথ শইকীয়াৰ উপন্যাস '**অন্তৰীপ**', ড° মহেশ্বৰ হাজৰিকাই শঙ্কৰদেৱকৃত '**কীৰ্ত্তন**'খন আৰু ড° দীপক শৰ্মাই অতুলচন্দ্ৰ হাজৰিকাৰ '**নৰকাসুৰ**'খন সংস্কৃতলৈ অনুবাদ কৰিছে।

■ **ভাষ্য** ঃ পূৰ্বৰ বিদ্যায়তনিক পৰম্পৰা ধৰি ৰাখি এই কালৰ বহুকেইজন কৃতবিদ্য পণ্ডিতে ভাষ্যগ্ৰন্থ প্ৰণয়ন কৰে। তেনেকুৱা ভাষ্যকাৰ আৰু তেওঁলোকৰ যথানিৰ্দিষ্ট ভাষ্যগ্ৰন্থসমূহ উল্লেখ কৰি যাব বিচাৰিছোঁ। এই প্ৰসঙ্গত প্ৰথমতে নাম ল'ব লাগিব ক্ষণজন্মা পণ্ডিত আনন্দৰাম বৰুৱা। তেওঁৰ ভাষ্যখন হ'ল— জানকীৰাম ভাষ্য (**মহাবীৰচৰিতম্**), মনোৰঞ্জন শাস্ত্ৰীদেৱে '**জৈমিনিসূত্ৰ**'ৰ সন্দৰ্ভত '**সাবৰভাষ্য**' ৰচনা কৰে। তেনেদৰে মহেশ্বৰ ন্যায়লংকাৰে '**কাব্যপ্ৰকাশ**'ৰ সন্দৰ্ভত '**ভাৱাৰ্থচিন্তামণি**' আৰু স্মৃতিশাস্ত্ৰ সন্দৰ্ভত '**অষ্টাদশপ্ৰদীপ**', ৰাজগোবিন্দ সাৰ্বভৌমে '**ভট্টিকাব**'ৰ সন্দৰ্ভত '**ভট্টিকাব্যটীকা**', পুৰুষসূক্ত সন্দৰ্ভত '**পুৰুষসূক্তটীকা**' আৰু '**গায়ত্ৰী টীকা**', বাণীনাথ বিদ্যাসাগৰে '**কাতন্দ্ৰব্যাকৰণ**'ৰ সন্দৰ্ভত '**বিদ্যাসাগৰটীকা**' আৰু নবীন পণ্ডিত ড° দীপক কুমাৰ শৰ্মাই '**সতী জয়মতী**' সন্দৰ্ভত '**নৱীনাবৃত্তি**' আৰু '**সুবৃত্ততিলক**'ৰ সন্দৰ্ভত 'ভাৰতীবৃত্তি' ৰচনা কৰে।

■ **অলংকাৰশাস্ত্ৰ** ঃ ড° মুকুন্দমাধৱ শৰ্মাই প্ৰণয়ন কৰা '**ব্যঞ্জনাপ্ৰপঞ্চসমীক্ষা**'খনেই হ'ল এই পৰ্যন্ত একমাত্ৰ স্বতন্ত্ৰস্বৰূপৰ অলংকাৰ শাস্ত্ৰ।

■ **দৰ্শনশাস্ত্ৰ** ঃ এই কালছোৱাত কেইজনমান বিশিষ্ট দাৰ্শনিক পণ্ডিতৰ হাতত কেইবাখনো মূল্যবান ভাৰতীয় দৰ্শন সম্পৰ্কত শাস্ত্ৰ ৰচনা হৈছে। ৰঘুনাথ শিৰোমণিয়ে '**চিন্তামণিদীধিতি**', '**প্ৰামান্যবাদ**', '**নাৰ্থবাদ**', '**পদাৰ্থতত্ত্ব নিৰূপণ**' আদি কেইবাখনো দৰ্শন শাস্ত্ৰ ৰচনা কৰে। জীৱনকৃষ্ণদেৱে '**ন্যায়প্ৰকাশিকা**', '**তৰ্কামৃতবিবৃতি**' আৰু '**ভগৱতত্ত্বকৌমুদী**' ৰচনা কৰে। ড° কালীপ্ৰসাদ সিন্‌হাৰ দক্ষ হাতত '**ন্যায়দৰ্শনৱিমৰ্শ**', '**শাঙ্কৰবেদান্তেতত্ত্বমীমাংসা**' আৰু '**শাঙ্কৰবেদান্তে-জ্ঞানমীমাংসা**' ৰচিত হয়। সুখময় ভট্টাচাৰ্যই '**লোকায়তম্**' ৰচনা কৰে। জীৱেশ্বৰ গোস্বামীয়ে আকৰ্ষণীয়ভাৱে '**জীৱেশ্বৰ তত্ত্ব**' আৰু '**শ্ৰীমদ্দামোদৰীয়তত্ত্ব**' ৰচনা কৰে। দত্তদেৱ গোস্বামীয়েও '**শ্ৰীকৃষ্ণলীলামৃতম্**' নামৰ দৰ্শন শাস্ত্ৰ এখন ৰচনা কৰে।

■ **স্তোত্ৰ বা প্ৰশস্তি** ঃ এই কালৰ স্তোত্ৰ বা প্ৰশস্তিৰ ক্ষেত্ৰখন নিতান্তই চহকী। থোৰতে সেইবোৰ হৈছে— ড° মুকুন্দমাধৱ শৰ্মাৰ '**প্ৰশস্তি পদ্যমঞ্জৰী**', উমাকান্ত শৰ্মাৰ '**প্ৰশস্তিমঞ্জৰী**', ড° মহেশ্বৰ হাজৰিকাৰ '**শঙ্কৰদেৱচৰিতম্**', শিৱনাথ বেজবৰুৱাই পৃথকে পৃথকে ৰচনা কৰা সৰস্বতী, বিষ্ণু, শিৱ আৰু বসুমতী স্তোত্ৰ, ধীৰেশ্বৰ আচাৰ্যৰ '**গোপাললাস্যসূত্ৰম**', '**ৰামাষ্টকম্**', '**শিৱস্তুতি**', '**কামাষ্টকম্**' ইত্যাদি। আৰু বহুকেইজন সংস্কৃত বিদ্বানে সৰু-সুৰাকৈ আলোচনী, স্মৃতিগ্ৰন্থ, অভিনন্দন গ্ৰন্থ আদিত স্তোত্ৰ-প্ৰশস্তি ৰচনাৰ কাম অব্যাহত ৰাখিছে। নিশ্চিত তথ্য আমাৰ হাতত নথকাৰ কাৰণে সেইবোৰ উল্লেখলৈ আনিব পৰা নহ'ল।

■ **কোষ-গ্ৰন্থ বা অভিধান** ঃ এইক্ষেত্ৰত একমাত্ৰ আনন্দৰাম বৰুৱাই দুখন গ্ৰন্থ উপহাৰ দিছে, যিদুখনৰ নাম হৈছে— '**ইংলিছ-সংস্কৃত-ডিক্সনেৰী**' আৰু '**নানাৰ্থসংগ্ৰহঃ**'।

■ **তন্ত্ৰ** ঃ পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি এই কালছোৱাত দুখনমান তন্ত্ৰশাস্ত্ৰও ৰচনা হৈছে। সেয়া হৈছে চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ **তাৰোৰ্চনতন্ত্ৰম্**, **শতচণ্ডীয়াগপ্ৰয়োগতন্ত্ৰম্** আৰু **শাক্তদৰ্শনম্**।

■ **ব্যাকৰণ ঃ** আনন্দৰাম বৰুৱাই প্ৰথমে এই কামত হাত দি **ধাতুবৃত্তিসাৰ** আৰু **হায়াৰ সংস্কৃত গ্ৰামাৰ** প্ৰস্তুত কৰি উলিয়ায়। ভগৱান গোস্বামী প্ৰমুখ্যে আৰু দুজনমানে এই প্ৰয়াস কৰিছে।

■ **জ্যোতিষ ঃ** পূৰ্বৰ পৰম্পৰা অব্যাহত ৰাখি জীৱেশ্বৰ গোস্বামীয়ে **জ্যোতিষচিন্তামণি**খন প্ৰণয়ন কৰে। এই পৰ্যন্ত এইখনেই একমাত্ৰ জ্যোতিষ শাস্ত্ৰ।

■ **পাঠ্যসংকলন ঃ** নিশ্চিত তথ্যৰে ক'ব পৰা দুখনমান সংকলন হ'ল— ভবদেৱ ভাগৱতী **কথা-কুসুমম্**, খগেন্দ্ৰনাথ শাস্ত্ৰীৰ **আদিপাঠম্** আৰু **সংস্কৃত পাঠমালা** আৰু ড° অশোক কুমাৰ গোস্বামীৰ **লঘুলেখলতিকা**।

■ **ছন্দ ঃ** ধীৰেশ্বৰ আচাৰ্যৰ '**বৃত্তমঞ্জৰী**'খনেই একমাত্ৰ ছন্দপুথি।

■ **চিকিৎসাশাস্ত্ৰ ঃ** এই প্ৰকাৰৰ গ্ৰন্থ লিখাৰো প্ৰয়াস এই কালছোৱাত হৈছে। প্ৰমাণ— ৰূপেশ্বৰ বেজবৰুৱাৰ **দশকৰ্মদৰ্পণম্**।

■ **উপন্যাস আৰু গল্প ঃ** আধুনিক কালৰ পণ্ডিতে এই কামতো মনোনিৱেশ কৰিছে। তাৰ প্ৰতিফলন বিশ্বনাৰায়ণ শাস্ত্ৰীৰ **অবিনাশী**। নাম উল্লেখ কৰিব পৰা নগ'ল যদিও তেখেতৰ এখন গল্প সংকলনো প্ৰকাশ হৈছে বুলি জানিব পৰা গৈছে।

■ **গীত ঃ** আধুনিক এই কালছোৱাত বহুকেইজনে সংস্কৃতত গীত ৰচনা কৰি, নাইবা প্ৰথিতযশা অসমীয়া গীতিকাৰ বা কবিৰ গীত সংস্কৃতলৈ তৰ্জমা কৰি কীৰ্তি অৰ্জন কৰিছে। নাম উল্লেখ কৰিব পৰা তেনেকুৱা কীৰ্তিমান কেইজনমান হ'ল— কবিৰাজ চক্ৰৱৰ্তী, ড° মণি শৰ্মা, ৰঞ্জন বেজবৰুৱা, গুণ শইকীয়া ইত্যাদি। ৰঞ্জন বেজবৰুৱাই নিজৰ বহুগীত থুপাই **গীত-সংস্কৃতম্** পুথিখনি প্ৰকাশ কৰি উলিয়াইছে।

■ **আলোচনী ঃ প্ৰাচ্যভাৰতী** আৰু **অভিজ্ঞানম্** নামৰ দুখন আলোচনী ধাৰাবাহিকভাৱে বৰ্তমান অসমত প্ৰকাশ হৈ আছে। সম্পূৰ্ণ সংস্কৃত মাধ্যমৰ নহ'লেও ইয়াৰ সংস্কৃত চৰ্চা বিষয়ক লেখাবোৰে অসমীয়া, ইংৰাজী, হিন্দী বা ইংৰাজীত ৰচিত হৈ সংস্কৃত চৰ্চাত এক নতুন গতি আৰু মাত্ৰা দিছে।

■ **সংস্কৃতবিদ্যানুষ্ঠান ঃ** টোল— অসমত প্ৰাচীন কালৰে পৰা টোলীয় ব্যৱস্থাৰে শিক্ষাৰ্থীক সংস্কৃত শিক্ষা দিয়াৰ প্ৰথা সংস্কৃতানুৰাগী শাসকসকলৰ পৃষ্ঠপোষকতাত আৰম্ভ হৈছিল আৰু তাৰে নিদৰ্শন লৈ শঙ্কৰ-মাধৱ প্ৰমুখ্যে গুৰুসকলে আৰম্ভ কৰা সত্ৰবোৰত টোলৰ যোগেদি সংস্কৃত শিক্ষা দিয়াৰ প্ৰথাটো বাহাল ৰাখিছিল। তাৰে অনুকৰণত অসমৰ বিভিন্ন প্ৰান্তত ব্যক্তিগত বা ৰাজহুৱা উদ্যোগত টোল প্ৰতিষ্ঠা হৈছিল আৰু সেই আৰ্হিৰ অনুষ্ঠান আজিও বৰ্তি আছে, যদিও ইয়াৰ প্ৰভাৱ বৰ্তমান নানান কাৰণত বিলীয়মান। সেয়া যিয়েই নহওক কিয়, সেই টোলসমূহে এতিয়াও সংস্কৃত শিক্ষা প্ৰসাৰত এটা ভূমিকা লৈ আছে। টোলৰ ভূমিকাৰ কাৰণেই দৰঙৰ গমিৰি অঞ্চলৰ অধিকাংশ লোকে সংস্কৃত ভাষাত আজি কথোপকথন কৰিব পাৰে।

■ **বিশ্ববিদ্যালয় ঃ** অসমৰ নবদ্বীপ বুলি খ্যাত নলবাৰী জিলাত ইতিমধ্যে স্থাপন হোৱা কুমাৰভাস্কৰ বৰ্মা আৰু পুৰাতন বিশ্ববিদ্যালয়খনে সংস্কৃত মাধ্যমতে পাঠ্যক্ৰম পঢ়োৱাৰ পদ্ধতি অবলম্বন কৰি অসমত সংস্কৃত শিক্ষা প্ৰসাৰ কৰাত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ই এক আশাৰ বতৰা।

■ **সমিতি সংগঠন ঃ** অসমত সংস্কৃতৰ প্ৰসাৰ, প্ৰচাৰ আৰু জনপ্ৰিয়কৰণৰ স্বাৰ্থ আৰু উদ্দ্যেৰে কিছু সংস্থা, সংগঠন বা সমিতিয়ে কিছু প্ৰেৰণাদায়ক কাম কৰি আছে। তেনে কিছু উল্লেখযোগ্য অনুষ্ঠান হ'ল— কামৰূপ সঞ্জীৱনী সভা, লোকভাষা পৰিষদ, গ্লবেল সংস্কৃত ফ'ৰাম, অসম প্ৰান্ত আৰু নগাঁও জিলা সংস্কৃত ভাষা বিকাশ মঞ্চ।

সংস্কৃত কথিকা আৰু সংস্কৃত শিক্ষাৰ পাঠ ঃ গুৱাহাটী আকাশবাণীয়ে সংস্কৃত সাহিত্যৰ কিছু গুৰুত্বপূৰ্ণ বিষয়ত দক্ষ শিক্ষক-বিদ্বানৰ হতুৱাই কথিকা প্ৰচাৰ কৰি সংস্কৃতক জনপ্ৰিয় কৰাত যথেষ্ট অৰিহণা যোগাই আছে। তদুপৰি, আকাশবাণীয়ে সংস্কৃত শিক্ষাৰ পাঠ শিতানত সংস্কৃত শিক্ষা লোকৰ মাজতে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই অনুষ্ঠানটোৰ আৰম্ভণি কৰিছিল প্ৰখ্যাত প্ৰাচ্যবিদ ড° মুকুন্দ মাধৱ শৰ্মাই।

ওপৰত আমাৰ সাধ্যেৰে অসমৰ সংস্কৃত চৰ্চাৰ এটি থূলমূল আভাস মাত্ৰ দাঙি ধৰিলোঁ, তাকো লোকৰ পিঠাৰে বিহু কৰি। এইবোৰৰ ওপৰিঞ্চি আৰু যে উল্লেখযোগ্য তথ্য নাই, সেইটো নহয়। থাকিলেও, সেইবোৰ আমি বিভিন্ন কাৰণত দাঙি ধৰিব পৰা নাই। তাৰ বাবে আমি ব্যক্তিগতভাৱে ক্ষমাপ্ৰাৰ্থী। এইখিনি কথাৰেই মোৰ আজিৰ ভাষণৰ সামৰণি মাৰিব বিচাৰিছোঁ।

নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ প্ৰমুখ্যে বিদ্যায়তনিক সমাজখনক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ, অভাজনক এই দায়িত্ব দি কৃতাৰ্থ কৰাৰ কাৰণে। মাধৱদেৱে এক ঘোষাত (অধমে কেৱল দোষ... ইত্যাদি) প্ৰকৃতি আৰু গুণাৱলী অনুযায়ী মানুহক চিহ্নিত কৰি অধম, মধ্যম, উত্তম আৰু উত্তমোত্তম স্বৰূপে বিভাজিত কৰিছে। মই ভাবো নগাঁও ছোৱালী কলেজৰ কৰ্তৃপক্ষ আৰু বিদ্যায়তনিক সমাজখন তাৰো ওপৰ স্তৰত, যিহেতু তেখেতসৱে আমাৰ দোষতে গুণ আৱিষ্কাৰ কৰি আমাক কৃতাৰ্থ কৰিছে। নমস্কাৰ।

*(প্ৰয়াত ড° সঞ্জিতা সিংহ প্ৰথম স্মাৰক বক্তৃতাত পঠিত)*

*লেখক ঃ অতিথি অধ্যাপক, স্নাতকোত্তৰ শ্ৰেণী, অসমীয়া বিভাগ*




# থ্ৰী ঃ আৰ আৰু পৰিৱেশীয় সমস্যা

ড° কুলেন চন্দ্ৰ দাস

আশীৰ দশকৰ শেষভাগত আমি যেতিয়া গুৱাহাটীলৈ পঢ়িবলৈ গৈছিলোঁ, গুৱাহাটী মহানগৰৰ আয়তন বৰ বেছি নাছিল। ১৯৮১ চনত গুৱাহাটীৰ জনসংখ্যা আছিল ৩,৪৮,০০০ আৰু ১৯৯১ চনত ই প্ৰায় ৬ লাখলৈ বৃদ্ধি পায়। আজিৰ গুৱাহাটীখনৰ জনসংখ্যা ১১ লাখতকৈও অধিক। আমি পঢ়া সময়ত গুৱাহাটীৰ পাহাৰসমূহত মানুহৰ বসতি তেনেই পাতল আছিল। সীমিত জনসংখ্যাৰ এখন আটোমটোকাৰি নগৰ। ৰাজধানী নগৰ হিচাপে গুৱাহাটীৰ মেদ লাহে লাহে বৃদ্ধি পাবলৈ ধৰে। বিভিন্ন কৰ্মসংস্থাপন, উন্নত শিক্ষা, চিকিৎসা ইত্যাদিৰ সন্ধানত লাহে লাহে অসমৰ বিভিন্ন স্থানৰ পৰা গুৱাহাটীলৈ মানুহৰ সোঁত বৰলৈ ধৰে। বৰ্ধিত জনসংখ্যাই ঘাইকৈ বাসস্থানৰ সমস্যাৰ সৃষ্টি কৰাত গুৱাহাটীখন দাঁতিকাষৰীয়া অঞ্চলসমূহলৈ সম্প্ৰসাৰণ হ'বলৈ ধৰিলে। ফলস্বৰূপে গুৱাহাটীৰ মূল বাসিন্দা, আমাৰ লাজকুৰীয়া জনজাতীয় লোকসকল লাহে লাহে প্ৰান্তীয় অঞ্চলসমূহলৈ স্থানান্তৰিত হ'বলৈ ধৰে। ৰাজধানী নগৰখনে জনসংখ্যাৰ বোজা বব নোৱৰা হোৱাত লাহে লাহে সেউজীয়া পাহাৰবোৰে ইয়াৰ বোজা বহন কৰিবলগীয়া হয়। ফলশ্ৰুতিত সেউজীয়া পাহাৰসমূহৰ ৰং সলনি হ'ল। ৰঙৰ লগতে সলনি হ'ল ইয়াৰ চৰিত্ৰ। সেউজীয়াৰ মাজত সোমাই থকা জীৱ-জন্তু, পোক-পতঙ্গসমূহৰ বাসস্থান ধ্বংস হৈ পৰে। মানুহৰ অনধিকাৰ প্ৰৱেশৰ ফলস্বৰূপে সেই সৰু জীৱকুল সমূলঞ্চে বিলুপ্ত হোৱাৰ পথত। ঠায়ে ঠায়ে মাথোঁ নাহৰফুটুকী দুই-এটাই এতিয়াও বিদ্ৰোহ কৰি মানুহৰে সংঘাতত লিপ্ত হৈ ইয়াৰ উপস্থিতি সগৌৰৱে ঘোষণা কৰি আহিছে।

বৰ্ধিত জনসংখ্যাৰ জীৱন-জীৱিকাৰ নিশ্চিতকৰণৰ বাবে সকলোতে অবাধ গতিত বাণিজ্যৰ সম্প্ৰসাৰণ হ'ল। বজাৰৰ কলেৱৰ বাঢ়িল। জনসাধাৰণ আৰু বজাৰৰ সামগ্ৰী সৰবৰাহ সু-নিশ্চিত কৰিবলৈ নব্বৈৰ দশকৰ মাজভাগত খানাপাৰাৰ পৰা

জালুকবাৰীলৈ ৰাষ্ট্ৰীয় ঘাইপথ (বাইপাছ) নিৰ্মাণ হ'ল। পৰিবহণে আনি দিয়া বাণিজ্যৰ সুবিধা গ্ৰহণৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ দিশৰ সকলো ভূমিৰ ওপৰত দেশী বণিয়াৰ কোপ দৃষ্টি পৰিল। তাৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ 'গ্ৰীণ বেল্ট', 'ট্ৰাইবেল বেল্ট' ইত্যাদিৰ ভূমি সমূলঞ্চে বণিয়াৰ হাতলৈ হস্তান্তৰিত হ'ল। নিৰন্তৰ গতিত বৃদ্ধি পোৱা জনসংখ্যা আৰু বহিৰাগত বণিয়াৰ লোলুপ দৃষ্টিৰ পৰা মহানগৰৰ অত্যন্ত গুৰুত্বপূৰ্ণ জলাশয়সমূহো সাৰি নগ'ল। অপৰিকল্পিত আৰু অবৈজ্ঞানিক সম্প্ৰসাৰণৰ আঁৰত থকা চৰকাৰৰ ভুল নীতিৰ পৰিপ্ৰেক্ষিতত সকলো শ্ৰেণীৰ প্ৰাকৃতিক সম্পদৰ ওপৰত পৰা নিৰন্তৰ হেঁচাৰ ফলতেই আজি আমি গুৱাহাটীৰ কৃত্ৰিম বানপানীজনিত সমস্যা বা হাফলঙৰ নিচিনা অভূতপূৰ্ব প্ৰাকৃতিক দুৰ্যোগ প্ৰত্যক্ষ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। চৰকাৰৰ দীৰ্ঘম্যাদী তথা ফলপ্ৰসূ আঁচনি আৰু নেতাসকলৰ অৰ্থনৈতিক আৰু পাৰিৱেশিক দূৰদৃষ্টি অবিহনে এক প্ৰত্যাহ্বানমূলক গোলকীয় সমস্যাৰ এই স্থানীয় প্ৰভাৱ প্ৰতিহত বা সীমিত কৰি ৰখাটো এক দুৰূহ কাৰ্য হিচাপেই পৰিগণিত হোৱা দেখা গৈছে।

ক্ৰমবৰ্ধমান জনসংখ্যা আৰু এই জনসংখ্যাৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে সৃষ্টি হোৱা অৰ্থনৈতিক কাম-কাজৰ পৰিণতিতেই আজি গোটেই বিশ্বজুৰি পৰিৱেশীয় সংকটৰ সৃষ্টি হৈছে। উদাহৰণস্বৰূপে ১৭৯৮ চনতেই প্ৰখ্যাত অৰ্থনীতিবিদ ৰবাৰ্ট মালথাচে বিতংভাৱে বিশ্লেষণ কৰি যোৱা খাদ্য সংকটৰ বিষয়টোক সমালোচনা কৰি পৰৱৰ্তী সময়ৰ অৰ্থনীতিবিদসকলে মালথাচে জনসংখ্যাৰ তত্ত্ব আলোচনা কালত প্ৰযুক্তিৰ বিকাশৰ বিষয়টো আওকাণ কৰি যোৱা বুলি উল্লেখ কৰিছিল। ফলস্বৰূপে একবিংশ শতিকাৰ আজিৰ তাৰিখলৈ মালথাচৰ তত্ত্ব বাস্তৱত পৰিণত হোৱা নাই যদিও প্ৰযুক্তিৰ উন্নয়নে আমালৈ কি ভয়াবহ সময় কঢ়িয়াই আনিছে তাক ৰাছেল কাৰ্চনে ১৯৬২ চনতেই তেওঁৰ প্ৰকাশিত বিখ্যাত গ্ৰন্থ Silent Springত বিশ্লেষণ কৰি দেখুৱাইছে। বিজ্ঞান- প্ৰযুক্তিয়ে তেতিয়া হ'লে পৰিৱেশৰ অন্তৰ্নিহিত নীতিসমূহক প্ৰত্যাহ্বান জনাব পাৰে জানো?

এইখিনি আলোচনাৰ অন্তত আমাৰ মনত উদয় হোৱা গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল আমাক উন্নয়ন নালাগিব নেকি বা উন্নয়নৰ নামত জধে-মধে পৰিৱেশ ধ্বংস আমি মানি ল'ম নেকি? এই জটিল প্ৰশ্নৰ উত্তৰ বিচাৰিয়েই সৃষ্টি হৈছিল 'বহনক্ষম উন্নয়ন'ৰ ধাৰণাটো। ব্ৰাণ্ডটলেণ্ড আয়োগৰ ১৯৮৭ চনৰ 'Our common future' শীৰ্ষক প্ৰতিবেদনত ব্যৱহৃত এই 'বহনক্ষম উন্নয়ন' শব্দযুগল গোটেই বিশ্বজুৰি আজি বহুলভাৱে সমাদৃত হৈ পৰিছে। কিন্তু, তাৰ পিছতো আমাৰ নিচিনা দেশত, দেশৰ প্ৰান্তীয় ৰাজ্যসমূহত এই শব্দযুগলে কিবা পৰিৱৰ্তনৰ সূচনা কৰিব পাৰিছে নে? তাৎক্ষণিক উত্তৰটো হ'ব নাই পৰা। পৰা হ'লে আজি বছৰ বছৰ ধৰি বছৰটোৰ কেইবাটাও মাহ গুৱাহাটীবাসীয়ে এক কদৰ্য, পূতিগন্ধময় পৰিস্থিতিত বসবাস কৰি থাকিবলগীয়া নহ'লহেঁতেন। ওপৰোক্ত প্ৰশ্নটোৰ উত্তৰ ইতিবাচক হোৱা হ'লে হাফলঙৰ ধ্বংস যজ্ঞ আমি প্ৰত্যক্ষ কৰিবলগীয়া নহ'লহেঁতেন।

তেতিয়া হ'লে এই সমস্যাৰ সমাধান কি? পৃথিৱীৰ প্ৰায় সকলো দেশ আৰু প্ৰখ্যাত পৰিৱেশ বিজ্ঞানীসকলে ইয়াৰ উত্তৰ বিচাৰি নিৰন্তৰ গৱেষণাত প্ৰবৃত্ত হৈ আহিছে। ফলস্বৰূপে ২০০4 চনত গ্ৰুপ-৮ৰ (G-৮) দেশসমূহৰ এখন সভাত তিনিটা আৰ (৩-R অৰ্থাৎ Reduce, Reuse, Recycle)ৰ ধাৰণাটো গ্ৰহণ কৰা হৈছিল আৰু এই ধাৰণাতেই এই সমস্যাৰ আশু সমাধান লুকাই আছে বুলি কোৱা হৈছিল। তিনিটা R ৰ প্ৰথমটো হৈছে Reduce (Waste)। আমি মানৱ জাতিয়ে ইচ্ছা কৰিলে কিন্তু নিজেই সৃষ্টি কৰা আৱৰ্জনা হ্ৰাস কৰি দীৰ্ঘকালত প্ৰাকৃতিক ভাৰসমতা ৰক্ষাৰ জৰিয়তে ভালেমান সমস্যাৰ সমাধান কৰাত বা ইয়াৰ তীব্ৰতা হ্ৰাস কৰি ৰখাত অৰিহণা যোগাব পাৰোঁ।

এই তিনিটা Rৰ ভিত্তিতেই মহানগৰসমূহৰ দুটা প্ৰধান সমস্যা— কৃত্ৰিম বানপানী আৰু নগৰীয়া গোটা আৱৰ্জনাৰ সমস্যাৰ তীব্ৰতা হ্ৰাস কৰিব পৰা যায় বুলি আমি অন্তঃকৰণেৰে বিশ্বাস কৰোঁ। আমি সাধাৰণ নাগৰিক আৰু প্ৰশাসনে পালন কৰিব পৰা এইটো এটা অতি সহজ কাৰ্য। অৱশ্যে ইয়াৰ বাবে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত সজাগতা সৃষ্টি আৰু প্ৰাৰম্ভিক পৰ্যায়ত এই সজাগতা বাস্তৱতে কাৰ্যত পৰিণত হৈছে নে নাই তাৰ নিৰন্তৰ নিৰীক্ষণ এটা অত্যন্ত গুৰুত্বপূৰ্ণ দিশ।

প্ৰথমতেই আলোচনা কৰিব খুজিছোঁ গুৱাহাটী মহানগৰৰ বাৰিষাৰ বৰষুণৰ বাবে হোৱা কৃত্ৰিম বানপানীৰ সমস্যা সম্পৰ্কে। গুৱাহাটীৰ কৃত্ৰিম বানপানীৰ সমস্যাটো আৰু ইয়াৰ তীব্ৰতা অইন নগৰসমূহৰ ক্ষেত্ৰত দেখা পোৱা নাযায় বাবেই আমি গুৱাহাটীৰ সমস্যা সম্পৰ্কে ইয়াত কিছু আলোকপাত কৰিব বিচাৰিছোঁ। এই সমস্যাৰ সমাধান বা ইয়াৰ তীব্ৰতা হ্ৰাস কৰাৰ বাবে মহানগৰৰ নাগৰিক আৰু প্ৰশাসনে দুটা উপায় অৱলম্বন কৰিব পাৰে। প্ৰথমটো হ'ল— মহানগৰৰ প্ৰতিঘৰ বাসিন্দাই বাধ্যতামূলকভাৱে বৰষুণৰ পানী ধৰি ৰখা। আজি গুৱাহাটীৰ ১১ লাখ বাসিন্দাৰ প্ৰত্যেকেই যদি বৰষুণৰ পানী ধৰি ৰাখে আৰু যদি এঘণ্টাৰ এজাক ডাঙৰ বৰষুণত এঘৰ বাসিন্দাই গড়ে কমেও ৫০০ লিটাৰকৈ পানী ধৰি ৰাখিবলৈ সক্ষম হয় তেতিয়া হ'লে মুঠতে

৫৫ কোটি লিটাৰ পানী মহানগৰখনৰ মূলপথসমূহলৈ নহাকৈ থাকিব। ইয়াৰ লগতে পাহাৰৰ পৰা বৈ অহা বোঁৱতী পানীয়ে সৃষ্টি কৰা ভূমিস্খলনৰ সমস্যাও বহুলাংশে নির্মূল হ'ব। অর্থাৎ এই 'R' ৰ সূত্ৰ অনুযায়ী গুৱাহাটীৰ বাসিন্দাসকলে এঘণ্টাৰ এজাক দবাপিটা বৰষুণত বৰষুণৰ পানী ধৰি ৰখাৰ জৰিয়তে কমেও ৫৫ কোটি লিটাৰ পানী নগৰখনৰ সমতললৈ অহাৰ পৰা অতি সহজেই বাধা দিব পাৰে। অর্থাৎ ৫৫ কোটি লিটাৰ পর্যন্ত পানীৰ তীব্ৰতা হ্ৰাস কৰিব পৰা যায় সাধাৰণতে আমি সকলোৱে জনা বৰষুণৰ পানী ধৰি ৰখা ব্যৱস্থাটোৰ জৰিয়তে। ইয়াৰ ওপৰঞ্চি যি পানীয়ে বানপানীৰ সৃষ্টি কৰিছে সেই পানীও প্ৰশাসনে বানপানীপ্ৰৱণ ঠাইসমূহত ডাঙৰ কুৱা আকৃতিৰ গভীৰ নলীনাদ খননৰ জৰিয়তে ভূগৰ্ভলৈ বোৱাই নিয়াৰ ব্যৱস্থা কৰিব পাৰে। এই ব্যৱস্থাটোৰ জৰিয়তে নাগৰিকসকলে বৰষুণৰ পানী পুনৰ ব্যৱহাৰ (দ্বিতীয় R অৰ্থাৎ Reuse) কৰি পানীৰ চাহিদা হ্ৰাস কৰিব পাৰে আৰু ভূগৰ্ভৰ নিম্নগামী জলস্তৰৰ সমস্যা নিৰাময় কৰাৰ দিশত এখোজ আগুৱাই যাব পাৰে। অৱশ্যে এই ক্ষেত্ৰত প্ৰাৰম্ভতে প্ৰচুৰ সজাগতা শিবিৰৰ প্ৰয়োজন হ'ব। সজাগতা সভা অনুষ্ঠিত কৰাৰ পৰৱৰ্তী পৰ্যায়ত নগৰ একোখনৰ প্ৰতিটো বাৰ্ডতে একোখনকৈ সচেতন নাগৰিকৰ দ্বাৰা গঠিত 'নিৰীক্ষণ সমিতি'ৰ জৰিয়তে ৱাৰ্ড এটাৰ সকলো বাসিন্দাই এই ব্যৱস্থা পালন কৰিছে নে নাই তাক নিৰীক্ষণ কৰাব লাগিব। ব্যৱস্থা পালন নকৰা বাসিন্দাসকলৰ পৰা নিৰীক্ষণ সমিতিয়ে অতি উচ্চ হাৰৰ জৰিমনা সংগ্ৰহ কৰিব লাগিব। এই সকলো বিধি-ব্যৱস্থা পালনৰ ক্ষেত্ৰত প্ৰশাসন অতি কঠোৰ হ'ব লাগিব। সজাগতা শিবিৰৰ দায়িত্ব নগৰৰ উপযুক্ত কোনো পৰিৱেশপ্ৰেমী প্ৰকৃতি সংগঠনক দিব লাগিব।

তিনিটা R ৰ জৰিয়তে আমি নগৰৰ আৱৰ্জনাও যথেষ্ট পৰিমাণে হ্ৰাস কৰিব পাৰোঁ। এই ক্ষেত্ৰতো প্ৰাথমিক চৰ্তটো হৈছে সজাগতা সৃষ্টি। আৱৰ্জনা বিজ্ঞানসম্মতভাৱে পৃথকীকৰণৰ সজাগতা বৃদ্ধি কৰি সেইধৰণে পৌৰসভাই সংগ্ৰহ কৰিব পৰাতেই নগৰীয়া আৱৰ্জনা নিষ্কাষণৰ ফলপ্ৰসূ সমাধান লুকাই আছে বুলি আমি বিশ্বাস কৰোঁ। এই ক্ষেত্ৰত আগবঢ়াৰ প্ৰথম পদক্ষেপটোৱেই হ'ব পৌৰসভাৰ অধীনৰ প্ৰতিটো মহলাৰ নাগৰিকক আৱৰ্জনা পৃথকীকৰণৰ বিজ্ঞানসন্মত জ্ঞান প্ৰদান কৰা। তিনি ধৰণে এই আৱৰ্জনা পৃথকীকৰণ কৰিব লাগিব— শুকান, ভিজা আৰু বিপদযুক্ত; যাক ইংৰাজীত Hazardous বুলি কোৱা হয়।

পৌৰসভাৰ নাগৰিকৰ ঘৰত ভিজা আৱৰ্জনাই সকলোতকৈ অধিক পৰিমাণে সৃষ্টি হয়। এই আৱৰ্জনাখিনি পৃথকাই ৰাখি, ঘৰতে এটা গাঁত খান্দি নিষ্কাষণ কৰিব পৰা যায়। সৰু সৰু নগৰসমূহত অধিকাংশ বাসিন্দাই ভিজা আৱৰ্জনাসমূহ এইদৰে নিষ্কাষণ কৰিব পাৰে। যিসমূহ বাসিন্দাৰ এই নূন্যতম সুবিধাখিনি নাই তেওঁলোকে যাতে ভিজা আৱৰ্জনাসমূহ প্লাষ্টিকৰ মোনাত (Carry Bag) ভৰাই নিদিয়ে তাৰ সজাগতা সৃষ্টি কৰাটো অত্যন্ত জৰুৰী। পৌৰসভাসমূহেও নতুন ঘৰ নিৰ্মাণৰ অনুমতি প্ৰদান কৰাৰ সময়ত সকলো বাসিন্দাই যাতে নূন্যতম দুটা সুবিধাৰ— অৰ্থাৎ বৰষুণৰ পানী ধৰি ৰখা আৰু আৰু ঘৰতে ভিজা আৱৰ্জনাসমূহ নিষ্কাষণৰ সুবিধা সৃষ্টি কৰি লয় তাৰ নীতি নিৰ্ধাৰণ কৰি ইয়াৰ কঠোৰ প্ৰয়োগ নিশ্চিত কৰিব লাগিব। এই প্ৰক্ৰিয়াৰ জৰিয়তে নগৰীয়া গোটা আৱৰ্জনাৰ পৰিমাণ ৭০/৮০ শতাংশ হ্ৰাস পাই আহিব। বাকী থকা ২০/৩০ শতাংশ ভিজা আৱৰ্জনা সংগ্ৰহৰ ক্ষেত্ৰত পৌৰসভাৰ মহলাসমূহৰ জাৱৰ সংগ্ৰহত নিয়োজিত কৰ্মচাৰীসকলৰ মাজতো সজাগতা সৃষ্টিৰ লগতে তেনেকুৱা বাহনো যোগান ধৰিব লাগিব। এই ২০/৩০ শতাংশ জাৱৰ যি ঠাইত পেলোৱাৰ ব্যৱস্থা কৰা হ'ব তাত এই জাৱৰৰ পৰা জৈৱিক সাৰ প্ৰস্তুত কৰাৰ সম্পূৰ্ণ আন্তঃগাঁথনি তৈয়াৰ কৰি ল'ব লাগিব। এই জৈৱিক সাৰ বজাৰত বিক্ৰী কৰি পৌৰসভাই আয় উপাৰ্জন কৰাৰ লগতে জৈৱিক সাৰ প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়াত কৰ্মসংস্থাপনৰো সুবিধা সৃষ্টি হ'ব।

ওপৰোক্ত আলোচনাৰ পৰা এইটো বুজিবলৈ অসুবিধা নহয় যে অলপ মন কৰিলেই পৌৰসভাই সংগৃহীত আৱৰ্জনাৰ পৰিমাণ যথেষ্ট পৰিমাণে হ্ৰাস কৰিব পাৰে। দ্বিতীয়তে জৈৱিক সাৰ প্ৰস্তুতকৰণৰ জৰিয়তে Waste to Wealth ৰ ধাৰণাটো বাস্তৱায়িত কৰিব পৰা যায়।

ভিজা আৱৰ্জনাসমূহৰ উপৰি শুকান বা প্লাষ্টিকজাত আৱৰ্জনাসমূহ ঘৰে ঘৰে সংগ্ৰহ কৰি পৌৰসভাই জমা কৰিব। প্ৰয়োজনসাপেক্ষে Rag Pickers বা প্লাষ্টিকজাত সামগ্ৰী সংগ্ৰহ কৰা ল'ৰাবোৰকো গোটাই এক সজাগতা সভাৰ জৰিয়তে তেওঁলোকে সংগ্ৰহ কৰা প্লাষ্টিক আৰু প্লাষ্টিকজাত সামগ্ৰীসমূহ পৌৰসভাই কিনি লোৱাৰ ব্যৱস্থা কৰিব। পৰৱৰ্তী সময়ত এই প্লাষ্টিক ব্যৱহাৰ কৰি পৌৰসভাৰ অধীনৰ পথসমূহ তৈয়াৰ কৰিব পৰা যাব। স্মৰ্তব্য যে প্লাষ্টিক ব্যৱহাৰ কৰি তৈয়াৰ কৰা পথসমূহৰ স্থায়িত্ব বেছি হোৱাৰ পৰিপ্ৰেক্ষিতত মেৰামতিৰ প্ৰয়োজন হ্ৰাস পাই পৌৰসভাৰ যথেষ্ট ধন ৰাহি হ'ব বুলি আশা কৰিব পৰা যায়।

ব্যৱসায়িক অঞ্চলসমূহত সাধাৰণতে শুকান আৱৰ্জনাহে সৰহকৈ সৃষ্টি হয়। বজাৰ অঞ্চলত প্ৰতি দুই-তিনিটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে একোটাকৈ ডাঙৰ আকৃতিৰ শুকান জাৱৰ ৰখা 'বীন' দিয়াৰ বিপৰীতে দহখনমান প্ৰতিষ্ঠানৰ বাবে একোটাকৈ



ভিজা জাৰৰ বখা 'বীন' সংস্থাপন কৰিব লাগিব। 'বীন' ব্যৱহাৰ নকৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা মোটা অংকৰ জৰিমনা সংগ্ৰহ কৰিব লাগিব।

শাক-পাচলিৰ পাইকাৰী আৰু খুচুৰা বজাৰৰ পৰা ওলোৱা জাৰৰসমূহ দিনটোত দুবাৰকৈ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব লাগিব। এই বজাৰত শুকান আবৰ্জনা কমকৈ সৃষ্টি হ'ব। বজাৰৰ পৰা সংগৃহীত আৰু গৰুৱে খাব পৰা সেউজীয়া শাক-পাচলিৰ বাকলিবোৰ গো-শালাত গৰুৰ খাদ্য হিচাপে যোগান দি তাৰ পৰা গৰুৰ গোবৰ জৈৱিক সাৰ প্ৰস্তুত কৰা ঠাইলৈ সৰবৰাহ কৰিব লাগিব।

বিবাহ ভৱন ইত্যাদিৰ পৰা আৱৰ্জনা সংগ্ৰহৰ বাবে সুকীয়া মাচুল ধাৰ্য কৰিব লাগিব। শুকান আৰু ভিজা জাৰৰ পৃথকীকৰণ নকৰিলে পৌৰসভাই এই ভৱনসমূহক উচ্চ হাৰৰ জৰিমনা বিহিব লাগিব।

আপাত দৃষ্টিত সহজ যেন লাগিলেও কিন্তু বাস্তৱত এই কৌশল কাৰ্যকৰী কৰিবলৈ ইমান সহজ নহ'ব। ইয়াৰ বাবে ব্যাপক হাৰত পৌৰসভাৰ নাগৰিকৰ বাবে, বিশেষকৈ মহিলা তথা গৃহিণীসকলৰ বাবে বিভিন্ন স্তৰত সজাগতা সভাৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবে অৱশ্যেই বেচ কিছু সময়ৰ প্ৰয়োজন হ'ব।

গতিকে দেখা যায় যে জি-৮ দেশসমূহৰ আলোচনাত উত্তৰ হোৱা এই ৩-R ৰ ধাৰণাটোৱে নগৰীয়া গোটা আৱৰ্জনা নিষ্কাষণ আৰু কৃত্ৰিম বানপানীৰ এক ফলপ্ৰসূ সমাধান হ'ব। অৱশ্যে তাক কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰাৰ কৌশল ঠাইভেদে ভিন্ন হ'ব পাৰে। জনসংখ্যা বিস্ফোৰণৰ এই সন্ধিক্ষণত নগৰীয়া গোটা আৱৰ্জনাৰ পৰিমাণ বৰ্ধিত হাৰত বৃদ্ধি হৈ গৈ ইয়াক নিষ্কাষণ কৰাৰ প্ৰক্ৰিয়াটো এক ভয়ংকৰ প্ৰত্যাহ্বান হিচাপে দেখা দিছে। আমি মানৱ জাতিয়ে পাহৰি গ'লে নহ'ব যে অৰ্থনীতিবিদ কেনেথ ব'ল্ডিঙে কৈ যোৱাৰ দৰে আমি Cowboy Economy ত নহয় এখন Spaceship Economy ত হে বাস কৰি আছোঁ।

নগাঁৱৰ নিচিনা সৰু সৰু পৌৰসভাসমূহে ইয়াৰ অধীনৰ যিকোনো এটা মহলাক লৈ এই ৩-R ৰ ধাৰণাটোৰ প্ৰয়োগেৰে এক সম্পৰীক্ষা কৰি চাব পাৰে। আমি আশাবাদী এনে সম্পৰীক্ষা কৰি চাব বিচাৰিলে নগাঁৱৰ প্ৰকৃতিপ্ৰেমী সংগঠন আৰু সচেতন ব্যক্তিসকলে নিশ্চিতভাৱে পৌৰসভাক সহযোগিতা কৰিবলৈ আগবাঢ়ি আহিব।

*লেখক ঃ অধ্যক্ষ*




# স্মৃতিৰ জলঙাৰে নগাঁও ছোৱালী কলেজ

ড° মীৰা বৰুৱা

শুৱনি গছেৰে ভৰা গাঁওখনিক যেনেকৈ পাহৰা সম্ভৱ নহয় তেনেকৈয়ে মধুৰ স্মৃতিৰে ভৰা নগাঁও ছোৱালী কলেজখনিকো পাহৰা কেতিয়াও সম্ভৱ নহয়। জীৱনৰ মধুময় সময়খিনি পাৰ কৰা নগাঁও ছোৱালী কলেজৰ কথা ভাবি নষ্টলজিক হৈ পৰোঁ। যিমান দূৰ মনত আছে মই নগাঁও ছোৱালী কলেজত ভৰি থৈছিলোঁ ১৯৮৯ চনৰ এপ্ৰিলৰ ২৬ তাৰিখে। এম এ ফাইনেল পৰীক্ষাৰ ৰিজাল্ট দিছিল ১৯৮৮ চনৰ ডিচেম্বৰ মাহত। পঢ়া শেষ কৰাৰ পিছত চাকৰিৰ কাৰণে বিজ্ঞাপন বিচাৰি বাতৰি কাকতৰ পৃষ্ঠা পাত পাত কৰিছিলোঁ। আমাৰ দিনত একমাত্ৰ সম্বল আছিল 'The Assam Tribune' খন। বেলেগ কাকত আছিল যদিও অৰ্থৰ অভাৱত কেৱল সেইখন কাকতকেই সাৰথি কৰি গৈছিলোঁ। তদুপৰি মোৰ গাঁওখন অৰ্থাৎ জাঁজী মৰাণ গাঁওখন আছিল জাঁজী ফুলপানী ছিগা আৰু তামুলীছিগা নামৰ ঠাই দুখন সংযোগ পথত। আজিৰ দৰে সেই সময়ত যাতায়াতৰ ইমান সুবিধা নাছিল। ওচৰ চুবুৰীয়া যাৰ ঘৰত চাইকেল আছিল, তেওঁলোকেই কাকতখন জাঁজী হেমনাথ শৰ্মা কলেজখনৰ নিচেই কাষতে থকা কাকত সংগ্ৰহ কৰা দোকানখনৰ পৰা লৈ গৈছিল। সেয়েহে কাকতখন সাত/আঠদিনৰ মূৰতহে মোৰ হাতত পৰিছিল। তাৰিখটো সম্পূৰ্ণ মনত নাই মাৰ্চ নে এপ্ৰিল মাহত এটা বিজ্ঞাপন পালোঁ, নগাঁও ছোৱালী কলেজত সংস্কৃত বিষয়ৰ এটা Post ওলাইছে। কিন্তু এটা বছৰৰ বাবেহে। তথাপি সংস্কৃত দেখাৰ লগে লগে কোনো কথা চিন্তা নকৰি আৱেদন কৰিলোঁ। যথা সময়ত সাক্ষাৎকাৰলৈ

মতা Calling Letter খনো পালোঁ। ঘৰ দূৰত তদুপৰি MA পঢ়োঁতে গুৱাহাটীলৈ অহা-যোৱা কৰোঁতে নগাঁৱত ভাতসাঁজ খাবৰ বাবেও ভয়ে ভয়েহে বাছৰ পৰা নামিছিলোঁ। এনে স্থলত নগাঁও বুলি অচিনাকি ভয়ত প্ৰথম সংকোচ হৈছিল যদিও চাকৰিৰ তাগিদাত সকলো বাদ দি সাক্ষাৎকাৰলৈ আহিলোঁ। চাকৰিৰ প্ৰাৰ্থী বেছি নাছিল অস্থায়ী পদৰ বাবে। সেই সময়ত কলেজৰ অধ্যক্ষ আছিল প্ৰয়াত বিমল বৰা ছাৰ। আটাইকেইগৰাকীৰ ভিতৰত ছাৰে মোকেই বাছনি কৰিলে। সাক্ষাৎকাৰ দিবলৈ আহি প্ৰথমতে অফিচৰ মুখ্য সহায়ক শ্ৰীযুত তোযেশ্বৰ খাটনিয়াৰ দাৰ লগত চিনাকি হৈছিলোঁ। কি কৰিব লাগিব সকলোখিনি তেওঁ সুন্দৰভাৱে দেখুৱাই দিছিল। লগতে শ্ৰীযুত কুলেন শইকীয়াদেৱৰ লগতো পৰিচয় হ'ল। সাক্ষাৎকাৰ হোৱাৰ পাছতে ঘৰলৈ দেৰি হ'ব বুলি ল'ৰালৰিকৈ যাবলৈ ওলালোঁ, গৈ নগাঁও বাছ আস্থানৰ ওচৰৰ শিৱ মন্দিৰ থকা গছজোপাৰ ওচৰত থকা দলংখন পালোঁগৈ বৰ্তমান তাৰ ঠাইত এখন পকী দলং হ'ল। দলংখনত ভৰিটো থৈছোঁহে মাত্ৰ, পাছফালৰ পৰা সেই সময়ৰ অফিচ bearer প্ৰয়াত দেৱেন শইকীয়া মাত লগাইছে— 'বাইদেউ আপোনাক ছাৰে মাতিছে।' লগে লগে পুনৰ কলেজলৈ বুলি ঘূৰি আহিলোঁ। অধ্যক্ষ মহোদয়ৰ কোঠালৈ গ'লোঁ। ছাৰে হাঁহি এটা মাৰি ক'লে 'চাকৰি নকৰা' মই ক'লোঁ দিলে নিশ্চয় কৰিম ছাৰ। ছাৰে খুউব কম কথা কয়। ক'লে চাকৰিত Join কৰি যোৱা। মই আছিলোঁ অলপ অঁকৰা। ভয় লাগিল, কাৰণ মইতো ঘৰত কোৱা নাই আৰু মই ক'ত থাকিম আজি, তাকে ভাবি ভাবি বহুত সময় ৰৈ আছোঁ। ছাৰে যেতিয়া ক'লে কি হ'ল বৈ আছা যে, তেতিয়াহে মই সজাগ হ'লোঁ। তেতিয়া ক'লোঁ— ছাৰ মই লগত একো অনা নাই, কেনেকৈ থাকিম? কালিলৈকে class কৰিব নোৱাৰিম নহয়। ছাৰে

হোষ্টেলৰ বাসিন্দা হোৱাৰ বাবে মই Warden ৰ দায়িত্বও ল'ব লগা হৈছিল। কিয়নো মই যি গৰাকী বাইদেউ অৰ্থাৎ ড° সবিতা দেৱীৰ স্থানত চাকৰিয়ো পাইছিলোঁ তেওঁ হোষ্টেলৰ Warden আছিল। মই join কৰাৰ অলপ দিনৰ পিছতে তেওঁ পাণ্ডু কলেজত যোগদান কৰাত মোকেই Warden হিচাপে কলেজ কৰ্তৃপক্ষই দায়িত্বভাৰ অৰ্পণ কৰিছিল। সেয়েহে Warden হিচাপেও মোৰ অভিজ্ঞতা যথেষ্ট হৈছিল। বিশেষকৈ সেই সময়ত গৰমৰ বন্ধ হৈ যোৱাৰ পাছত বহুদিনলৈ ছাত্ৰীবিলাক হোষ্টেললৈ অহা নাছিল। কিন্তু মই কলেজ খোলাৰ লগে লগে যিহেতু আহিব লগা হৈছিল সেয়েহে অকলশৰে ভয়ে ভয়ে দিনবিলাক পাৰ কৰিব লগা অৱস্থা হৈছিল। তেনেধৰণৰ অভিজ্ঞতাই অৱশ্যে মোক খুউব কম বয়সতে দৃঢ় হ'বলৈ শিকাইছিল। চাকৰিৰ কাৰ্যকাল দহ এঘাৰ বছৰ মান যোৱাৰ পিছতহে আমি যে কিছুমান অৰ্হতা অৰ্জন কৰিব লাগিব সেই কথা গাত লাগিছিল।

দিনবিলাকত এপ্ৰিল মাহত পৰীক্ষা চলি আছিল। ফাইনেল পৰীক্ষা নহয়। কলেজৰ ঘৰুৱা পৰীক্ষা। যোগদান কৰাৰ পাছতেই শ্ৰেণীৰ পাঠদান কৰাৰ বিপৰীতে প্ৰথম পৰীক্ষাৰ duty হে কৰিবলৈ পাইছিলোঁ। একো নাজানো। বাঁহেৰে নিৰ্মিত এটা দীঘল কোঠা। সৰু সৰু মেজৰৰ কোঠাবিলাকৰ বেৰবিলাক গুচাই দি পৰীক্ষাৰ বাবে এটা Hall তৈয়াৰ কৰি লৈছিল। মাজে মাজে একোটাহঁত বাঁহৰ খুঁটা। মোৰ লগত পৰীক্ষাৰ duty ত আছিল বুৰঞ্জী বিভাগৰ জ্যেষ্ঠ ছাৰ মহেশ ভূঞা। ছাৰো তেনেই কম কথা কোৱা মানুহ। অৰ্থনীতি বিভাগৰ বীৰেন ডেকা ছাৰ বোধহয় পৰীক্ষা তদাৰকৰ দায়িত্বত আছিল। মোক দেখুৱাই ভূঞা ছাৰক ক'লে—'ভূঞা, এওঁ মীৰা বৰুৱা, জাঁজীত ঘৰ, নতুনকৈ Join কৰিছে। শিকাই-বুজাই ল'ব। ছাৰে হাঁহি এটা মাৰি ক'লে— হ'ব, মই শিকাই দিম। ছাৰ কেইজনৰ পৰিচয় অৱশ্যে মই পাছত সুধিহে জানিব পাৰিছোঁ। ভূঞা ছাৰক দেখি প্ৰথমে ভয় লাগিছিল, তাতে একো নাজানো। তথাপি ছাৰে যি কৰে, তাকে চাই চাই কৰি গৈছিলোঁ। পোন্ধৰ মিনিটমান পাৰ হৈছে মাত্ৰ তেনেকুৱাতে ড° অজন্তা বাইদেউ (পাছলৈ অধ্যক্ষ পদত অধিষ্ঠিত হৈছিল) সোমাই আহিল। বীৰেন ডেকা ছাৰে বাইদেউকো মোৰ পৰিচয় দি ক'লে—নতুন মানুহ শিকাই ল'বা। মোৰ ঘৰ জাঁজীত বুলি জানিব পাৰি বাইদেৱে নিজৰ পৰিচয় দাঙি ধৰি ক'লে—মোৰ ঘৰ যোৰহাটৰ মাছৰ হাটত। যোৰহাট বুলি জানিব পাৰি মোৰ মনটো ফৰকাল হৈ পৰাৰ লগতে ভয়ো পাতলিছিল। এনেদৰেই চাকৰি জীৱনৰ প্ৰথম পাতনি মেলিছিলোঁ। সাক্ষাৎকাৰৰ দিনাই অফিচত শ্ৰদ্ধাৰ ৰীতা বাইদেউ আৰু কল্পনা বাইদেউৰ সৈতে চিনাকি হৈছিলোঁ। তাৰ পাছৰ পৰাই তিনিওগৰাকী চাকৰি জীৱনৰ শেষলৈকে

ক'লে তুমি কালিলৈকে class কৰিব নালাগে; তিনিদিন ছুটী লৈ যোৱা। তেতিয়া ছাৰৰ কোঠাৰ পৰা আহি খাটনিয়াৰ দাই দিয়া পৰামৰ্শ অনুসৰি তিনিদিনৰ বাবে ছুটী লৈ ঘৰলৈ বুলি ৰাওনা হ'লোঁ। তিনিদিন ঘৰত থাকি সকলোবোৰ ঠিক-ঠাক কৰি আহি চাকৰিত যোগদান কৰিলোঁ এপ্ৰিলৰ ২৬ তাৰিখে। সেই

বান্ধৱীৰ দৰে থাকি সময়বিলাক পাৰ কৰিছিলোঁ। ৰীতা বাইদেউ প্ৰায় ঘৰৰ পৰা অহা-যোৱা কৰিছিল যদিও তেওঁলোক দুয়ো একেটা ভাৰাঘৰতে আছিল। মই হোষ্টেলত থকা কেইদিনমানৰ পাছতে জানিব পাৰিলোঁ নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ বিয়োগ হৈছে। সেই সময়ত

ছাৰৰ সম্পৰ্কে একো জনা নাছিলোঁ। পাছতহে তেওঁৰ মহান ব্যক্তিত্বৰ সম্পৰ্কে অৱগত হ'লোঁ। মই হোষ্টেলত থাকিলেও আমি তিনিওগৰাকী class শেষ হোৱাৰ পাছত প্ৰায়ে জ্যেষ্ঠ বাইদেউসকলৰ ঘৰলৈ গৈছিলোঁ। যিহেতু আমাৰ আবেলিৰ সময়খিনিত কোনো কৰিবলগীয়া কাম নাছিল, গতিকে আমি সময়বিলাক উপভোগ কৰিছিলোঁ। বাইদেউসকলৰ ঘৰলৈ গৈ আবেলিৰ চাহকাপ তাতেই খাইছিলোঁ আৰু যথেষ্ট স্ফূৰ্তি কৰিছিলোঁ। তদুপৰি মাজে-সময়ে চিনেমাও উপভোগ কৰিছিলোঁ। আমাৰ দিনবিলাকত চাকৰিৰ ব্যস্ততা অলপ কম আছিল। First class পাই চাকৰি পাইছোঁ, সেইটোৱেই যথেষ্ট বুলি ভাবিছিলোঁ। অৱশ্যে নিজৰ নিজৰ কৰ্তব্যত প্ৰত্যেকজন শিক্ষকেই তৎপৰ আছিল। সকলো জ্যেষ্ঠ ছাৰ-বাইদেৱে যথেষ্ট পঢ়া-শুনা কৰা ব্যক্তি আছিল। প্ৰত্যেকজনেই অভিজ্ঞতাৰে পূৰ্ণ এক জ্ঞানৰ আকৰ বুলি ক'লেও ভুল কৰা নহ'ব। কেইজনমান জ্যেষ্ঠ ছাৰ বাইদেৱে Ph. D. Degree ও অৰ্জন কৰিছিল। তেওঁলোক সঁচাকৈয়ে আমাৰ আদৰ্শ আছিল।



হোষ্টেলৰ বাসিন্দা হোৱাৰ বাবে মই Warden ৰ দায়িত্বও ল'ব লগা হৈছিল। কিয়নো মই যি গৰাকী বাইদেউ অৰ্থাৎ ড° সবিতা দেৱীৰ স্থানত চাকৰিটো পাইছিলোঁ তেওঁ হোষ্টেলৰ Warden আছিল। মই join কৰাৰ অলপ দিনৰ পিছতে তেওঁ পাণ্ডু কলেজত যোগদান কৰাত মোকেই Warden হিচাপে কলেজ কৰ্তৃপক্ষই দায়িত্বভাৰ অৰ্পণ কৰিছিল। সেয়েহে Warden হিচাপেও মোৰ অভিজ্ঞতা যথেষ্ট হৈছিল। বিশেষকৈ সেই সময়ত গৰমৰ বন্ধ হৈ যোৱাৰ পাছত বহুদিনলৈ ছাত্ৰীবিলাক হোষ্টেললৈ অহা নাছিল। কিন্তু মই কলেজ খোলাৰ লগে লগে যিহেতু আহিব লগা হৈছিল, সেয়েহে অকলশৰে ভয়ে ভয়ে দিনবিলাক পাৰ কৰিব লগা অৱস্থা হৈছিল। তেনেধৰণৰ অভিজ্ঞতাই অৱশ্যে মোক খুউব কম বয়সতে দৃঢ় হ'বলৈ শিকাইছিল। চাকৰিৰ কাৰ্যকাল দহ-এঘাৰ বছৰমান যোৱাৰ পিছতহে আমি যে কিছুমান অৰ্হতা অৰ্জন কৰিব লাগিব সেই কথা গাত লাগিছিল। চাকৰিত যোগদান কৰাৰ তিনিবছৰৰ পাছতে মোৰ বিয়া হৈছিল। সেয়েহে সংসাৰত ব্যস্ত হৈ পৰিছিলোঁ। মোৰ দৰে ৰীতা আৰু কল্পনা বাইদেৱো ব্যস্ত হোৱাত লগবোৰ কমি আহিছিল। তেনে সময়তে বিমল বৰা ছাৰৰ পাছৰ জন অধ্যক্ষ ড° অপূৰ্ব শৰ্মা ছাৰে NAAC ৰ বিষয়ে অৱগত কৰে। ভয় খাই মই লগে লগে Ph. D. ৰ বাবে আবেদন কৰি Admission লৈ ল'লোঁ। সৰুৰে পৰা যিহেতু Ph. D. কৰা অদম্য হেঁপাহ আছিল, তাৰ তাগিদাৰে ২০১৩ চনত Ph. D. Degree অৰ্জন কৰিবলৈ সমৰ্থ হ'লোঁ। কলেজৰ সোণালী জয়ন্তী উৎসৱত কৰা স্ফুৰ্তিৰ বিষয়ে নিলিখিলে আধৰুৱা হৈ ৰ'ব। কলেজে সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰিছিল ২০১২ চনত। মোৰ Ph. D. ৰ বাবে পঢ়া-শুনা কৰাৰ একেবাৰে শীৰ্ষ সময় আছিল ২০১১ চন। ২০১২ চনৰ মে'ত Thesis Submit কৰাৰ সময়। গতিকে তীব্ৰ গতিৰে পঢ়া-শুনা কৰি যথা সময়ত Thesis Submit কৰি সোণালী জয়ন্তীৰ বাবে পঢ়া-শুনা কৰা বন্ধনৰ পৰা নিজকে মুক্ত কৰি লৈছিলোঁ। সোণালী জয়ন্তীৰ আটাইতকৈ স্মৰণীয় মুহূৰ্ত আছিল আমাৰ দলীয় বিহুনাচটি। প্ৰায়বিলাক অধ্যাপিকাই বিহুনাচটিত অংশগ্ৰহণ কৰিছিলোঁ। বিহুনাচ জনা-নজনাটো আমাৰ বাবে নগণ্য হৈ পৰিছিল। আমি যথেষ্ট আনন্দ উপভোগ কৰিছিলোঁ। ইয়াৰ উপৰি আমি এটা কোৰাচত অংশগ্ৰহণ কৰিছিলোঁ। যিটোত প্ৰত্যেকগৰাকীয়ে একোটা জাতিক Represent কৰি Dress-Code পৰিধান কৰিছিলোঁ। মই আৰু ৰঞ্জনা বৰাই কাৰ্বি জাতিক প্ৰতিনিধিত্ব কৰিছিলোঁ। চুটি কাৰ্বি পোচাক পৰিধান কৰি সচাঁকৈয়ে অন্তৰত এক অনাবিল আনন্দ উপভোগ কৰাৰ লগতে গৌৰৱ অনুভৱ কৰিছিলোঁ। সঁচাকৈয়ে এনে মধুৰ স্মৃতিয়ে সদায়ে হৃদয়ক আপ্লুত কৰি ৰাখিব। কেৱল এনেবিলাক আনন্দময় স্মৃতিতেই যে জড়িত এনে নহয় কলেজৰ বিভিন্ন Academic কামতো জড়িত আছিলোঁ। Women Studies Cell ৰ কাৰ্যকৰী সভাপতি হিচাপে হোৱা স্মৃতিও এক পাহৰিব

নোৰৰা অধ্যায়। এনে ধৰণৰ কলেজৰ আভ্যন্তৰীণ কামৰ ভিতৰত অন্য এক হ'ল কলেজ শিক্ষক গোটৰ সভাপতি পদ অলংকৃত কৰা। সহকৰ্মীসকলে এনে এক সন্মানীয় পদ মোৰ বাবে আগবঢ়াই মোক অভিজ্ঞতাপুষ্ট কৰি তোলাৰ বাবে তেওঁলোকক অশেষ ধন্যবাদ। তদুপৰি কলেজৰ বিভিন্ন Semester পৰীক্ষাসমূহত AOC হিচাপে কৰ্মৰত হোৱাটোও জীৱনৰ এক মধুৰ স্মৃতিৰ লগে লগে এক বিৰল অভিজ্ঞতা। কেইবাবাৰো AOC হিচাপে পৰীক্ষাৰ কামসমূহ চলাইছিলোঁ আৰু আনন্দও কৰিছিলোঁ। কেতিয়াবা দায়িত্বশীল কাম কৰিও যে এক আনন্দ অনুভৱ কৰা যায়, সেই কথা Confidential AOC হৈ মৰ্মে মৰ্মে উপলব্ধি কৰিছিলোঁ। এবাৰ নহয় তিনি/চাৰিবাৰকৈ এনে এক গুৰুত্বপূৰ্ণ কাম কৰিবলৈ সুবিধা দিয়াৰ বাবে প্ৰাক্তন অধ্যক্ষ ড° বলীন কুমাৰ ভূঞা ছাৰকে প্ৰমুখ্য কৰি কলেজ কৰ্তৃপক্ষক আমাৰ তৰফৰ পৰা অশেষ ধন্যবাদ। কিয়নো জীৱনত সৰু-বৰ কামত নিজক নিয়োগ কৰি অভিজ্ঞতাসম্পন্ন কৰাটোৱেই হ'ল কাৰ্যকালৰ এক প্ৰধান উদ্দেশ্য। এনেদৰে কলেজ সপ্তাহ সমাৰোহৰ বিভিন্ন বিভাগীয় তত্বাৱধায়কৰূপে কাৰ্যনিৰ্বাহ কৰাৰ আনন্দও আমি কেইবাবাৰো উপভোগ কৰিছিলোঁ। কলেজত অনুষ্ঠিত এনে বিভিন্ন অনুষ্ঠানৰ ভিতৰত আমি অতিশয় উপভোগ কৰা অন্য এক অনুষ্ঠান হ'ল ACTA ৰ Annual Conferencc খন, যিখন ২০২১ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হৈছিল। অধিৱেশনখনিত আমাৰ অধ্যাপিকাসকলৰ তৰফৰ পৰা চাৰিটাকৈ 'সমবেত সংগীত' পৰিৱেশন কৰিছিলোঁ। প্ৰত্যেকটো গীততে সাজ-পোছাক বেলেগ বেলেগ পৰিধান কৰিছিলোঁ। ইটোৰ পিছত সিটোলৈ সাজু হ'বৰ বাবে কৰা খৰধৰত সঁচাকৈয়ে এক অনাবিল আনন্দ উপভোগ কৰিছিলোঁ। ইয়াৰ উপৰি প্ৰতিবছৰে চৰকাৰী স্কুলবিলাকত অনুষ্ঠিত হোৱা গুণোৎসৱত External Evaluator হিচাপে যোৱা অভিজ্ঞতাৰ আনন্দও কোনো গুণে কম নহয়। কলেজৰ কাৰ্যকালত এনেবোৰ মধুৰ স্মৃতি মনৰ মণিকোঠাত মচিব নোৱৰা স্মৃতি হৈ ৰ'ব।

কাৰ্যকাল প্ৰায় শেষ হৈ আহিল। বৰ্তমান উপাধ্যক্ষাৰ আসনত উপবিষ্ট। উপাধ্যক্ষা হিচাপে সকলো কনিষ্ঠ অধ্যাপক-অধ্যাপিকাৰ পৰা পোৱা সন্মান তথা মৰম-চেনেহ কেতিয়াও পাহৰা নাযায়। অফিচ ষ্টাফৰ প্ৰত্যেকেই মোৰ বাবে আদৰৰ। তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীয়েই হওক বা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়েই হওক সকলোৱে মোৰ প্ৰতি দেখুওৱা আদৰক মই সন্মান জনাওঁ। অধ্যক্ষ মহোদয়ে মোৰ প্ৰতি জনোৱা সন্মানকো আদৰিছোঁ। NAAC ৰ পৰিদৰ্শনত একেৰাহে দুবাৰকৈ 'A' grade পাবলৈ সক্ষম হোৱা এনে এখন মহান কলেজত চাকৰি কৰাটো মোৰ বাবে জীৱনৰ এক অবিস্মৰণীয় অধ্যায়। মোৰ অনুজ অধ্যাপক/অধ্যাপিকা সকলোৱে তেওঁলোকৰ অভিজ্ঞতাপুষ্ট জ্ঞানেৰে আলোকিত কৰি কলেজখনক সৰ্বাংগসুন্দৰভাৱে উজলাই তোলক। তাৰ বাবে কৰ্তব্যই হ'ল একমাত্ৰ সম্বল। ছাত্ৰীসকলেও তেওঁলোকৰ কৰিবলগীয়া কৰ্তব্য তথা দায়িত্ব আগবঢ়াই নিজৰ লগতে কলেজখনৰ গৌৰৱ যাতে অক্ষুণ্ণ ৰাখে, তাৰ বাবে সদায়ে আশা ৰাখিম। কিয়নো জীৱনত 'কৰ্মই হ'ল পৰম ধৰ্ম।' কৰ্ম অবিহনে জীৱন নিৰৰ্থক। এই প্ৰসংগত শ্ৰীমদ্ভগৱদগীতাৰ এটি মহৎ শ্লোক মনত পৰিছে—

"নিয়তং কুৰু কৰ্ম্ম ত্বং কৰ্ম্ম জ্যায়োহ্যকৰ্ম্মণঃ।
শৰীৰ যাত্ৰাপি চ তে ন প্ৰসধ্যেদকৰ্ম্মণঃ।।

'তুমি নিয়ত কৰ্মৰ অনুষ্ঠান কৰা, যিহেতু কৰ্ম নকৰাতকৈ কৰ্ম কৰা শ্ৰেষ্ঠ। কৰ্ম নকৰিলে তোমাৰ জীৱনযাত্ৰাত নিৰ্বাহ নহয়।

*লেখিকা ঃ উপাধ্যক্ষা*





# অসমৰ ভক্তি ধৰ্মৰ প্ৰচাৰ মাধ্যম হিচাপে সত্ৰ আৰু নামঘৰ

**মৰমী গায়ন**

মহানুভৱ মহাপুৰুষৰ আৱিৰ্ভাৱ হৈছে তেওঁলোকৰ সময় সভ্য মানৱৰ কল্যাণাৰ্থেহি উৎসৰ্গিত হৈছে। জন্মগ্ৰহণৰ সময় সুকীয়া যদিও তেওঁলোকৰ উদ্দেশ্য একে জীৱজগতৰ কল্যাণ সাধন। পঞ্চদশ শতিকাৰ মাজভাগত ভাৰতভূমিৰ পূৱপ্ৰান্তত মহানপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱ হ'ল, যাৰ কৃতিৰাজি তথা আদৰ্শই সকলো জাতি-ধৰ্ম-ভাষাক একত্ৰিত কৰি প্ৰত্যেকজন মানুহৰ হৃদয়ত বৰ-অসম গঢ়াৰ মানসিকতা গঢ় দিয়াৰ প্ৰয়াস কৰিছিল। জাতি বিচাৰ, শ্ৰেণী-বিদ্বেষ, গোষ্ঠীগত আৰু সাম্প্ৰদায়িক বিচ্ছিন্নতা আৰু ৰাজনৈতিক খাম-খেয়ালিৰ পৰা মুক্ত কৰি অসমীয়া সমাজখনক এখন আধুনিক মানৱতাবাদী সমাজ হিচাপে গঢ়ি তুলিবলৈ সকলো মানুহক সমান মৰ্যাদা প্ৰদান সফল হৈছিল। মহানপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যুগ যুগ ধৰি সমাজত চলি অহা বৈদিক কৰ্মকাণ্ডৰ বিৰুদ্ধে ভক্তিৰ সোঁত বোৱাইছিল। তেওঁ সকলো শাস্ত্ৰৰ সাৰমৰ্ম বিজ্ঞানসন্মত আৰু যুগসাপেক্ষ কৰি ভাগৱতৰ মূলতত্ত্ব অদ্বৈতবাদ 'একতেই বহুত, বহুতেই এক' এই দৰ্শনেৰে সাম্যমন্ত্ৰৰ আধাৰত সাৰ্বজনীন চিন্তাৰে একশৰণ তত্ত্ব কথাৰ মহত্ত্ব প্ৰতিপন্ন কৰি গৈছে। ভগৱান নাৰায়ণৰ পূৰ্ণাৱতাৰ শ্ৰীকৃষ্ণৰ 'জ্ঞান-ধৰ্ম'ৰ প্ৰাধান্যৰ হেতুকেই 'একশৰণ নাম ধৰ্ম' ৰূপে প্ৰতিষ্ঠিত হ'ল আৰু তেওঁ নৱবৈষ্ণৱ ধৰ্মৰ সাম্যবাদ, গণতান্ত্ৰিক চেতনা, সাৰ্বজনীন মত দৰ্শনৰ বাবে জগতগুৰু তথা মহাপুৰুষ হিচাপে তেওঁ প্ৰসিদ্ধ হ'ল। সমাজ, সাংস্কৃতিক আৰু আধ্যাত্মিক দৰ্শনৰ আধাৰত মনৰ মাজত ধাৰণ কৰি চিন্তা-চেতনাক সুসংহত কৰাটোৱেই ধৰ্মৰ উদ্দেশ্য। "শংকৰদেৱ সম্ভৱতঃ পৃথিৱীৰ একমাত্ৰ ধৰ্মগুৰু সমাজগুৰু যিয়ে এটি বিকল্প ধৰ্ম-ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ উপৰি জাতীয় সংস্কৃতি দান দি গৈছে।"

**শংকৰদেৱৰ ভক্তিধৰ্ম ঃ** শংকৰদেৱৰ ধৰ্মৰ দৰ্শন হ'ল একশৰণ আৰু সাধন পথ হ'ল নাম-কীৰ্তন। দেৱ, গুৰু, নাম, ভকত—এই চাৰিবিধেই শংকৰী ধৰ্মৰ মূল উপাদান। একদেৱত শৰণ লৈ এক গুৰু শংকৰদেৱৰ প্ৰতি শ্ৰদ্ধা জনাই নাম কীৰ্তন কৰি ভকত শিষ্য সকলোৰে কুশল কামনা কৰাটোৱেই অন্যতম উদ্দেশ্য। শংকৰী ধৰ্মত ভক্তিভাৱৰ দ্বাৰা এই সাধন পথৰ সন্ধান কৰা হয়। সেইবাবেই নাম-কীৰ্তনকেন্দ্ৰিক এই ধৰ্মক ভক্তিবাদী ধৰ্ম বুলি কোৱা হয়। শংকৰদেৱৰ ভক্তিধৰ্মত কোনো মূৰ্তি পূজা, যাগ-যজ্ঞ আদিৰ স্থান নাই। বলি-বিধান আৰু তপস্যাৰ স্থানো একশৰণ ধৰ্মত নাই। তাৰ বিপৰীতে ভগৱানক নিৰাকাৰ বুলি কল্পনা কৰি নৱবিধ ভক্তিৰ দ্বাৰা শংকৰদেৱৰ ধৰ্মত আধ্যাত্মিক অনুসন্ধান কৰা হয়। এই নৱবিধ ভক্তি হ'ল—শ্ৰৱণ, কীৰ্তন, অৰ্চন, বন্দন, স্মৰণ, দাস্য, সখিত্ব, আত্মনিবেদন আৰু পদসেৱন। শংকৰদেৱৰ ধৰ্ম-ব্যৱস্থাত নৱবিধ ভক্তিৰ নাম-কীৰ্তনে উচ্চ-নীচ, ভেদাভেদ সম্পূৰ্ণভাৱে নাইকিয়া

কৰাত অৰিহণা যোগায়। শংকৰদেৱে নৱবিধ ভক্তিৰ ভিতৰত আকৌ শ্ৰৱণ আৰু কীৰ্তনক আগস্থান দি গৈছে। সেইবাবেই শংকৰদেৱৰ অনুগামীসকলে শ্ৰৱণ সম্বলিত নাম-কীৰ্তনৰ মাজেৰে ধৰ্মীয় পৰম্পৰা পালন কৰে। শ্ৰৱণ কীৰ্তনত প্ৰাধান্য থকা নামধৰ্মৰ এনেকুৱা শক্তি যে ইয়াৰ ৰস ইমান অমৃতময় যে ভক্তৰ মুক্তিতো স্পৃহা নোহোৱা হয়। [মুক্তিত নিস্পৃহ যিটো, সেহি ভকতক নমো, ৰসময় মাগোহো ভকতি (নামঘোষা, পদ-১)]। এক পৰম আনন্দৰ সাগৰত ভক্তই অৱগাহন কৰি থাকে। এই বিশ্বাসৰ আনন্দ, ভগৱানৰ লগত পোনপটীয়া সম্বন্ধ স্থাপনৰ আনন্দ, বিশ্বাসৰ ৰাজহুৱা জয় ঘোষণাৰ আনন্দ, এনে অপাৰ্থিৱ সূক্ষ্মতম আনন্দ, মুক্তিৰ আনন্দ। আনন্দ পৰমানন্দ হোৱাৰ এই স্তৰেই ভগৱান প্ৰাপ্তি স্তৰ।

ভাৰতীয় বৈষ্ণৱ আন্দোলনৰ ঘাই হোতাসকলৰ ভিতৰত অসমৰ শংকৰদেৱেই পোনপ্ৰথমবাৰৰ বাবে উদাৰ দৃষ্টিভঙ্গীৰে আগবঢ়া মহান পুৰুষ। তেওঁ ভাগৱত পুৰাণ অসমীয়ালৈ অনুবাদ কৰি কৃষ্ণভক্তি প্ৰচাৰৰ দ্বাৰা সকলো স্তৰৰ লোকৰ মনত তেওঁ সৰ্বভাৰতীয় চেতনা জগাই তুলিছিল। শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মই জনসাধাৰণক এফালে দিছিল আধ্যাত্মিক চেতনা। ভক্তিধৰ্ম প্ৰচাৰৰ বাবে কেৱল উপদেশ প্ৰদানতে সন্তুষ্ট নাথাকি তেওঁ গীত-পদ, কাব্য, নাট আদি প্ৰণয়ন কৰিছিল। শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মত ধৰ্ম সাধনা আৰু কলা সাধনা দুয়োটাই আছিল চালিকা শক্তি। শংকৰদেৱৰ পূৰ্বতে অসমত বৈষ্ণৱ ধৰ্মৰ ক্ষীণ সুঁতি এটা প্ৰৱৰ্তিত হৈ আছিল যদিও সেই ধৰ্মই জনগণক স্পৰ্শ কৰিব পৰা নাছিল কিন্তু ভক্তিৰ সহায়ত তেওঁ সৰ্বজনৰ মন-প্ৰাণ-হৃদয় স্পৰ্শ কৰিব পাৰিছিল।

**ভক্তিধৰ্মৰ উদ্দেশ্য ঃ** শ্ৰীমন্ত শংকৰদেৱৰ সমসাময়িক অসমত নানা উপাসনা আৰু নানা আচাৰ পদ্ধতিৰ এটা বিশৃংখল পৰিবেশে বিৰাজ কৰিছিল। নৈতিক আদৰ্শ, আধ্যাত্মিক সাধনা আৰু নিত্য ধৰ্ম আচৰণ কৰাৰ সুযোগ আৰু সুবিধা নথকা সমাজত ব্যভিচাৰ আৰু কু-আদৰ্শই খোপনি পুতি লৈছিল। অসমৰ কিছুমান মন্দিৰ— শদিয়া তাম্ৰেশ্বৰী মন্দিৰ, কামৰূপৰ কামাখ্যা মন্দিৰ আৰু জয়ন্তাপুৰৰ জয়ন্তী দেৱীৰ তান্ত্ৰিক সাধনাৰ কেন্দ্ৰস্বৰূপ হৈছিল। নানা মত, ভিন ভিন দেৱ-দেৱীৰ উপাসনা আৰু ভিন ভিন আচাৰে জনসাধাৰণৰ মন সনাতন ধৰ্মৰ পৰা বিচ্ছিন্ন কৰি নিছিল। এনে সময়তে শংকৰদেৱে জনসাধাৰণৰ আগত প্ৰাচীন সনাতন ধৰ্মৰ আদৰ্শ নৰৰূপত দাঙি ধৰিবলৈ স্থিৰ কৰি 'কৃষ্ণস্তু ভগৱান স্বয়ম্' মতবাদ প্ৰতিষ্ঠা কৰে। সকলো দেৱতাতকৈ বিষ্ণু বা ভাগৱত শাস্ত্ৰজ্ঞ কৃষ্ণই শ্ৰেষ্ঠ আৰু তেওঁৰ নৱবিধা ভক্তি নিৱেদনেই জীৱৰ একান্ত শ্ৰেয়ম, ঘাইকৈ ইয়াকেই জনসাধাৰণক বুজাবৰ উদ্দেশ্যে মহাপুৰুষ জনাই তিনি ঠাইৰ পৰা তিনিটা তত্ত্ব আনি নিজৰ ধৰ্মমতৰ মূল স্থিৰ কৰিলে ঃ ভাগৱতৰ সৎসঙ্গ, গীতাৰ পৰা একশৰণ আৰু পদ্মপুৰাণৰ সহস্ৰ নামখণ্ডৰ পৰা নাম। গুৰুজনাই হৰিনামৰ মহিমা, হৰিনামত জাতি-বৰ্ণ-নিৰ্বিশেষে সকলোৰে সমঅধিকাৰ, গুৰুৰ আৱশ্যকতা, শ্ৰীকৃষ্ণ বা বিষ্ণুৰ শ্ৰেষ্ঠত্ব, দস্য, মোক্ষ, বাৎসল্য বিশেষকৈ দাস্যভক্তিৰ ওপৰত গুৰুত্ব দান, ভগবদ অনুগ্ৰহ, শৰণাগত আদি ভক্তিৰ সকলো দিশকে লৈ সেই বোৰক জনসাধাৰণৰ ভাষাত প্ৰকাশ কৰিলে। তাৰ উপৰি চৰম লক্ষ্য জীৱন মুক্ত অৱস্থা আৰু পৰমানন্দ লাভৰ পথৰ নিৰ্দেশ সোঁৱৰাই দি সমাজৰ সকলো শ্ৰেণীৰ লোককে নিজা সামৰ্থ্য অনুযায়ী ভক্তিৰ পথত আগবাঢ়ি শুদ্ধ পৱিত্ৰ জীৱন যাপনৰ দ্বাৰা সমাজ গঠনৰ ব্যৱস্থা শংকৰদেৱে কৰি থৈ গ'ল। শংকৰদেৱৰ ভক্তিধৰ্মৰ দৰ্শনৰ সাধন পথ হ'ল নাম-কীৰ্তন। নাম-কীৰ্তন কৰোঁতে কোনো ধৰণৰ জাত-কুল বিচাৰ বা উচ্চ-নীচ, ভেদাভেদ নাই। শংকৰদেৱৰ সোঁহাত স্বৰূপ মাধৱদেৱে এই কথা নামঘোষাত সুন্দৰকৈ প্ৰকাশ কৰিছে।

"পৰম নিৰ্ম্মল ধৰ্ম্ম হৰি নাম কীৰ্ত্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ।
এতেকেসে হৰিনাম সমস্ত ধৰ্ম্মৰ ৰাজা
এহি যাৰ বিচাৰ।"(পদ-১১৮)

"হৰিনাম কীৰ্ত্তনত নাহি দেসে কাল পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।।" (পদ২৮)

শংকৰদেৱে হৰিনাম কীৰ্তন কৰি মনৰ সিদ্ধি সাধন কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিছিল বাবে তেওঁৰ আধ্যাত্মিক চিন্তাই সাৰ্বজনীনতা লাভ কৰিছিল। সেয়েহে তেওঁৰ এনে আধ্যাত্মিক চিন্তাৰ অংশীদাৰ হৈ পৰিছিল গাৰোৰ গোবিন্দ, মিচিঙৰ পৰমানন্দ, কৈৱৰ্তৰ পূৰ্ণানন্দ, কছাৰীৰ ৰমাই, কোচৰ মুৰাৰি, ভূটীয়াৰ দামোদৰ আদি লোকসকল। এই লোকসকলক একশৰণ হৰিনাম ধৰ্মত শৰণ দিয়াৰ পিছত একেলগে একে বহাত থকাৰ ব্যৱস্থা কৰিছিল, আটায়ে একেলগে খোৱা-লোৱা কৰিছিল আৰু একেলগে ধৰ্ম সম্পৰ্কীয় আলোচনাও কৰিছিল। "পোন্ধৰ-যোল্ল শতিকাৰ ভাৰতৰ মানুহক এক গোট কৰি সমমৰ্যাদা প্ৰদান কৰাত শংকৰদেৱৰ আধ্যাত্মিক চিন্তাৰ বিকল্প নাছিল বাবে তেতিয়াৰ থান-সত্ৰ আৰু নামঘৰসমূহ হৈ পৰিছিল হৰিনাম কীৰ্তনৰ বিকল্প ক্ষেত্ৰ।" নামঘৰসমূহত আধ্যাত্মিক সাধনাৰ সমান্তৰালভাৱে চলিছিল ভাষা, সাহিত্য, সংস্কৃতিৰ চৰ্চা। গুৰুজনাই নামঘৰক এক সুকীয়া ৰূপত জাতীয় অনুষ্ঠান হিচাপে গঢ়ি লৈছিল। বৌদ্ধসংঘৰ আৰ্হিৰে সাংস্কৃতিক কেন্দ্ৰস্বৰূপ সত্ৰ, নামঘৰ স্থাপন কৰি নিত্য ক্ৰিয়াৰ বাবে চৈধ্য প্ৰসঙ্গ প্ৰৱৰ্তন কৰিলে। এই চৈধ্য প্ৰসঙ্গৰ গায়ন-বায়ন, সত্ৰীয়া ওজাপালি আৰু বৰগীতসমূহো অন্তৰ্ভুক্ত হ'ল।

সমাজত ভক্তিধৰ্ম প্ৰচাৰৰ বাবে গুৰুজনাই হাতত কলম তুলি

লৈছিল। অসমীয়া সংস্কৃতিলৈ তেওঁৰ অংকীয়া নাট হৈছে এক অনবদ্য অৱদান। লোকসংগ্ৰহ, লোকস্থিতি আৰু লোকৰঞ্জনৰ বাবে হৰিকথাৰ আধাৰত শংকৰদেৱে ভাওনাৰ প্ৰচলন কৰাত নামঘৰসমূহ হৈ পৰিছিল সকলো ধৰ্ম সম্প্ৰদায়ৰ বাবে সাংস্কৃতিক কেন্দ্ৰ।

নামঘৰত প্ৰৱেশ কৰা সাজপাৰ, খোৱা-লোৱা সকলোতে ফুটি উঠে পবিত্ৰতা আৰু সৰলতা। নামধৰ্মত ভকতৰ স্থান অতি উচ্চত। স্নান কৰি শৰীৰ পৰিস্কাৰ কৰি শুভ্ৰ কাপোৰ পিন্ধি গোসাঁইঘৰ বা ৰাজহুৱা নামঘৰত বা পবিত্ৰস্থানত সমূহীয়াভাৱেই হওক বা অকলেই হওক ইষ্টদেৱতাৰ নাম জপ কৰি, প্ৰসঙ্গ কৰি তেওঁৰ চৰণত আত্মসমৰ্পণ কৰা হয়। গুৰুজনাই অসমীয়া সমাজত কৃষ্ণ সংস্কৃতিৰ মাজেৰে ভক্তিভাবৰ গাঢ়তা গঢ়ি তুলিলে। নিৰ্গুণ, নিৰাকাৰ অব্যক্ত এক অভিব্যক্তি সকলোৰে মনত স্থায়ী হ'ল। যিহেতু তেওঁ অব্যক্ত, সেয়ে তেওঁৰ থাপনা নিৰাকাৰ থাপনা। সুন্দৰকৈ হেঙুল-হাইতালেৰে সজাই তোলা সাতখলপীয়া সিংহাসনখনি মণিকূটত আছুতীয়াকৈ ৰখা হয় প্ৰতিটো নামঘৰত। নাম কীৰ্তন আৰু ভাওনাৰ পিছত নামঘৰত গ্ৰহণ কৰা মাহ-প্ৰসাদ, ফল-মূল আৰু পায়স হৈছে সুষম আহাৰ আৰু শুধ বগা সাজযোৰ হ'ল সকলোৱে কম খৰচত পৰিধান কৰিব পৰা। শংকৰদেৱৰ অনুগামীসকলে বগা সাজ ব্যৱহাৰ কৰা বাবে সমাজৰ আন আন লোকসকলো আকৰ্ষিত হৈছিল। গুৰুজনাৰ ভাওনা সৃষ্টিৰ মূলতে ধৰ্মপ্ৰচাৰ। মহাপুৰুষজনাই তীৰ্থভ্ৰমণ কৰি অহাৰ পিছত সপ্ত বৈকুণ্ঠৰ পট আঁকি চিহ্নযাত্ৰা নাট প্ৰদৰ্শন কৰিছিল। এই নাট প্ৰদৰ্শন কৰাৰ আগত স্থানীয় তিৰোতাৰ হতুৱাই কাপোৰ বৈ তাত বিষ্ণুৰ মহিমাখচিত বিভিন্ন মাহাত্ম্য প্ৰকাশ হোৱাকৈ চিত্ৰ অংকন কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে নৱবৈষ্ণৱ ধৰ্মৰ লগত ভাওনা সৃষ্টি কৰি উক্ত ধৰ্ম জাগৰণৰ সূত্ৰপাত ঘটাইছিল। "ধৰ্ম প্ৰচাৰৰ বাবেই নাটক বা যাত্ৰা ৰচনা কৰিছিল যদিও মহাপুৰুষ দুজনাই সেই সৃষ্টিৰ মাজত সমাজ-ব্যৱস্থা তথা কলা-সংস্কৃতিৰ প্ৰতিও বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছিল। মুঠতে এটা সাংস্কৃতিক নৱজাগৰণ আনিবলৈ সক্ষম হৈছিল।"

নামঘৰ সাজি শংকৰদেৱে সেই নামঘৰৰ মজিয়াত নাট মঞ্চায়ন কৰিব পৰাকৈ সুবিধাজনকভাৱে সৃষ্টি কৰিছিল। নিৰ্মাণ পদ্ধিতত সমাজতান্ত্ৰিক দিশৰ পৰিস্ফুৰণ ঘটিছিল। নামঘৰৰ দ্বাৰা গুৰুজনাই অসমীয়া সমাজখন শৃংখলাবদ্ধ কৰিবলৈ গ্ৰহণ কৰিলে নামঘৰকেন্দ্ৰিক সমাজ ব্যৱস্থা য'ত গণতান্ত্ৰিক পদ্ধতিৰে সকলো লোকে ঈশ্বৰ সেৱাত নিমগ্ন হোৱাৰ লগতে নিজা মনোভাব ব্যক্ত কৰাৰ সুবিধা অধিকাৰ লাভ কৰে। তদুপৰি নামঘৰত সমৱেত ৰাইজে সাৰ্বজনীনভাৱে একোটা সিদ্ধান্ত লোৱাত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত শংকৰদেৱৰ গণতান্ত্ৰিক দৃষ্টিভংগীৰ পৰিস্ফুৰণ ঘটা দেখা যায়।

'সত্ৰ' অনুষ্ঠানটো আছিল তেওঁৰ আন্দোলনৰ বাহন। ই ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক কৰ্ম তৎপৰতাৰ বাবে স্থান আৰু পৰিৱেশৰ যোগান ধৰিছিল। এখন পূৰ্ণ পৰ্যায়ৰ সত্ৰত থাকে এটা নামঘৰ, এটা মণিকূট আৰু কিছুমান হাটী। নামঘৰটো হৈছে সমূহীয়া প্ৰাৰ্থনাগৃহ, মণিকূটটো হ'ল সত্ৰৰ এমূৰে থকা গৰ্ভগৃহ আৰু হাটীবোৰ ভকতসকলৰ বাবে সজা আৱাসগৃহ। সত্ৰানুষ্ঠানসমূহ অসমৰ বৈষ্ণৱ ধৰ্মপ্ৰচাৰৰ মূল প্ৰাণ শক্তি। শংকৰদেৱে সাধাৰণ মানুহৰ অস্তিত্বৰ স্বীকৃতিৰে বলি-বিধানবিৰোধী বৈষ্ণৱ মতবাদ প্ৰচাৰ কৰি বিষ্ণু বা কৃষ্ণতে আত্মনিবেদনৰ বাবে ধৰ্ম আৰু দৰ্শন প্ৰচাৰ কৰিছিল আৰু সত্ৰসমূহ আছিল এই ধৰ্ম দৰ্শনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰাণকেন্দ্ৰ। সত্ৰসমূহৰ ঘাই উদ্দেশ্য হ'ল মহাপুৰুষীয়া ধৰ্মৰ বাণী জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা, একতাৰ মন্ত্ৰেৰে সমাজক সংগঠিত কৰা, সামাজিক ৰীতি-নীতি আৰু ধৰ্মীয় আচাৰ-নীতিৰ শিক্ষা, সামাজিক সমস্যা তথা বিশৃংখলতাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা আৰু জাতীয় কৃষ্টি-সংস্কৃতি আৰু সংহতি ৰক্ষাৰ বাবে কাম কৰি যোৱা। শংকৰ-মাধৱৰ নৃত্যগীত, অংকীয়া নাট-ভাওনা আদি সাংস্কৃতিক উপাদানসমূহৰ সত্ৰসমূহে অসমত বৈষ্ণৱ ধৰ্ম সংস্কৃতি প্ৰচাৰৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়াই আহিছে। মুঠতে নানা বৰ্ণীয়া উমৈহতীয়া সংস্কৃতিৰ সংমিশ্ৰণত অসমত বসবাস কৰা জনগোষ্ঠী বিভিন্ন ধৰ্ম-বৰ্ণ, সম্প্ৰদায়, ভিন ভিন ভাষা-ভাষী লোকৰ মনত বিদ্বেষ-হিংসা, দ্বন্দ্ব-খৰিয়াল, কুসংস্কাৰ আৰু জাতিভেদৰ ঠেক গণ্ডীৰ পৰা উত্তৰণ কৰি মানৱীয় অধিকাৰ আৰু সামাজিক ঐক্য প্ৰতিষ্ঠা কৰি সত্ৰই এখন বহল তথা সংস্কৃতিপূৰ্ণ সমাজ গঠন কৰি সুস্থ-সবল জাতীয় সংস্কৃতি গঢ়ি তোলে।

**সামৰণি ঃ** শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত একশৰণ নামধৰ্মত হৰিনাম কীৰ্তনক প্ৰাধান্য দিয়া হৈছে। নাম কীৰ্তন কেৱল যে এক ধৰ্মীয় সাধন পদ্ধতি তেনে নহয়। ইয়াৰ এক সামাজিক আৰু শাৰীৰিক উপযোগিতাৰ লগতে বিজ্ঞানসন্মত ভিত্তিও আছে। নাম কীৰ্তনে পুৰুষ-মহিলা, শিশু, যুৱক-যুৱতী, বৃদ্ধ-বৃদ্ধা আদিক জাতি-বৰ্ণ আৰু ধৰ্ম বিভাজন পৰিহাৰ কৰি একেলগে বহাত আৰু একেলগে ধৰ্ম সাধন কৰাত অৰিহণা যোগায়। ধৰ্মচৰ্চা আৰু প্ৰচাৰৰ কেন্দ্ৰ হিচাপে নামঘৰ, কীৰ্তনঘৰ থান-সত্ৰ আদৰণীয়। ধৰ্মীয় অনুষ্ঠান হ'লেও এইসমূহৰ সাংস্কৃতিক মূল্যও কম নহয়। নাম কীৰ্তনৰ অন্যতম উদ্দেশ্যই যিহেতু সখিত্ব আৰু সাম্যভাব, সেয়ে সত্ৰ আৰু নামঘৰসমূহত কৰা নাম-কীৰ্তনেও মানুহৰ মাজত সমভাব বিস্তাৰ কৰাত যুগ যুগ ধৰি ভূমিকা পালন কৰি আহিছে। সেয়ে ক'ব পাৰি যে মহাপুৰুষজনাৰ আদৰ্শ শিৰোধাৰ্য কৰি অসমীয়া সমাজখনত সকলো সম্প্ৰদায়ৰ জাতিবৰ্ণৰ লোকে ভ্ৰাতৃত্ববোধেৰে জীয়াই থাকিব পাৰিলেহে মহাপুৰুষজনৰ মহৎ উদ্দেশ্য আৰু প্ৰচেষ্টা সফল হৈ থাকিব।

*লেখিকা ঃ সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*

# কলিয়াবৰৰ ক'লীবুঢ়ী নাচ

**ৰঞ্জনা বৰা**

লোক-সংস্কৃতিৰে ভৰপূৰ এখন বিচিত্ৰ ৰাজ্য আমাৰ অসম। এই সাৰুৱা অসমভূমি হৈছে বিভিন্ন জাতি-জনগোষ্ঠীৰ সমাহাৰ; য'ত প্ৰত্যেক জাতি-জনগোষ্ঠীসমূহৰ আছে অনন্য ৰীতি-নীতি, পৰম্পৰা, সংস্কৃতি। ইয়াৰে কিছু কিছু বিলুপ্ত হোৱাৰ পথৰ যদিও জীয়াই ৰখাৰ চেষ্টা কৰি অহা হৈছে। জনগোষ্ঠীয় সমাজখনত বিশেষকৈ ঠেঙাল কছাৰী, সোণোৱাল কছাৰী আৰু মৰাণসকলৰ সমাজত প্ৰচলিত এক বিশেষ অনুষ্ঠান হৈছে ক'লীবুঢ়ী নৃত্য। তেওঁলোকে সাধাৰণতে বিবাহৰ দৰে মাংগলিক অনুষ্ঠানত এই নৃত্য পৰিৱেশন কৰি ভৱিষ্যৎ বৈবাহিক জীৱনৰ সম্ভাব্য অপশক্তিসমূহক বাধা দিয়াৰ লগতে নাশ কৰাৰ উদ্দেশ্যে ক'লীবুঢ়ী নাচ অনুষ্ঠিত কৰে।



অসমৰ ইতিহাসত কলিয়াবৰে যিদৰে বিশিষ্ট স্থান দখল কৰি আহিছে, সংস্কৃতিৰ পথাৰখনতো ইয়াৰ স্বকীয় বৈশিষ্ট্য বিদ্যমান। প্ৰাক্ আহোম যুগৰ পৰাই কলিয়াবৰৰ সাংস্কৃতিক ইতিহাস আৰম্ভ হৈছিল। আহোম যুগত ই বিস্তৃতি লাভ কৰি বৰ্তমানলৈকে বিভিন্ন দিশত এই ধাৰা অটুট ৰাখি আহিছে। অৱশ্যে এইবোৰত আধুনিকতাৰ প্ৰভাৱ নাই পৰা বুলি ক'লে ভুল হ'ব। ধৰ্ম আৰু কৃষিৰ লগত সংস্কৃতি এৰাব নোৱৰা সম্পৰ্ক। এইখন কলিয়াবৰত বৈষ্ণৱ, শাক্ত, শৈৱ আৰু মহাপুৰুষীয়া নৱ-বৈষ্ণৱ ধৰ্মৰ বিভিন্ন সামাজিক ৰীতি-নীতি আৰু অনুষ্ঠানৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। তদুপৰি মঙ্গোলীয় জনজাতীয় সংস্কৃতিৰ প্ৰভাৱেও কলিয়াবৰক জীপাল কৰি ৰাখিছে। সাহিত্য, সংস্কৃতি আৰু ধৰ্মীয় সমন্বয়ৰ এই ভূমিক বিশিষ্ট ইতিহাসবিদ ড° ৰাজেন শইকীয়াদেৱে এক সুমথিৰা টেঙাৰ লগত তুলনা কৰিছে।

বাৰেৰহণীয়া উপাদান আৰু অনুষ্ঠানেৰে সমৃদ্ধ সাংস্কৃতিক জগতখনৰ আন এক উল্লেখনীয় লোক-অনুষ্ঠান হ'ল— কলিয়াবৰৰ সোণাৰি গাঁৱত পৰম্পৰাগতভাৱে চলি অহা ক'লীবুঢ়ী নাচ। উল্লেখযোগ্য যে এই অনুষ্ঠান মাঘ বিহুৰ লগত জড়িত। মাঘৰ বিহুৰ উপলক্ষে সোণাৰি গাঁৱত ডেকা-আদহীয়াসকলে ৰে'ল আলিৰ কাষৰ পথাৰত শাৰী শাৰীকৈ হাৰলি বা ভেলাঘৰ সাজে। মাঘৰ বিহুৰ হাৰলি ঘৰ পোৰাৰ দিনা আবেলি সোণাৰি গাঁৱৰ মহিলাসকলে এই নাচ নাচে। সাধাৰণতে অসমৰ বিভিন্ন অঞ্চলত মাঘ বিহুৰ উৰুকাৰ দিনা হাৰলি ঘৰ নিৰ্দিষ্ট নীতি-নিয়মেৰে জ্বলায়। কিন্তু সোণাৰি গওঁসকলে মাঘ বিহুৰ দ্বিতীয়/তৃতীয় দিৱসতহে এই কাৰ্য কৰে। বছৰৰ অন্য বিহুৰ লগত এই নাচৰ সম্পৰ্ক দেখা নাযায় যদিও নৃত্য আৰু গীতৰ ক্ষেত্ৰত কিছু সাদৃশ্য দেখা পোৱা যায়। ৰে'লৰ আলিৰ সিপাৰে পথাৰত সাত খেল (সোণাৰি গাঁৱত খেল সাতটা) সোণাৰিৰ হাজাৰৰ সভা বহে আৰু ইপাৰত গাঁৱৰ ফালে গহগুৰি বা হোকোৰাগুৰি নামে ঠাইত গোপিনীসকলে ক'লীবুঢ়ী নৃত্যত ভাগ লৈ ৰং-ধেমালি কৰে।

মাঘ বিহু উপলক্ষে সজা হাৰলি ঘৰবোৰ যেতিয়া ৰাইজে হৰিধ্বনি দি জুই লগাই পুৰি পোলোৱা সময়ত বতাহত নৰাৰ কুকুহাবোৰ যেনি-তেনি উৰুৱাই নি সিঁচৰতি কৰি পেলায়। ভক্তপ্ৰাণ ৰাইজে সেই ছাইৰ কুকুহাবোৰ শ্ৰদ্ধাসহকাৰে অঞ্জলি পাতি লয়। পবিত্ৰ ক'লা ছাই গাত, মুখত সানি লৈ মহিলাসকলে, বিশেষকৈ বয়সীয়া বুঢ়ী তিৰোতাই আগভাগ লয়। সেয়েহে এই

নৃত্যক ক'লীবুঢ়ী নৃত্য বুলি কয়। এই নৃত্যত পুৰুষৰ অংশগ্ৰহণ নিষিদ্ধ। কোনো পুৰুষেই এই নৃত্য চলি থাকিলে সেইফালে নাযায়। জানিব পৰা মতে আজিকালি ডেকাসকলো এই নৃত্য উপভোগ কৰিবলৈ যায়।

মাঘ বিহুৰ কৰ্মব্যস্ততাৰ পৰা আজৰি হৈ মহিলাসকলে আওহতীয়া ঠাইত লগ হৈ ৰং-আনন্দ কৰে। মহিলাসকলৰ প্ৰধানগৰাকীয়ে মুখত হাৰলি ঘৰৰ পোৰা ছাই সানি ক'লা কৰি মূৰত পাগুৰি মাৰি লয় আৰু ওজাপালিৰ আৰ্হিত গীত আৰম্ভ কৰে—

'ৰাম বোল ৰে মন
হৰি বোল ৰে মন।'— ইত্যাদি।

তেওঁৰ গীতৰ তালে তালে বাকী মহিলাসকলে ঘূৰি ঘূৰি নাচে। ক'লীবুঢ়ী নাচত ভাগ লোৱা নাচনীয়ে ভাওনাৰ ভাৱৰীয়াৰ দৰে খোজ-কাটল দি ভাও-ভংগী প্ৰকাশ কৰে। তেওঁলোকে ৰিহা-মেখেলা-চাদৰ পৰিধান কৰে। সাধাৰণতে ন-বোৱাৰী বা কম বয়সীয়া বোৱাৰীয়ে এই নৃত্যত ভাগ নলয়। বাদ্যযন্ত্ৰ হিচাপে তেওঁলোকে লয় কাঁহৰ বাদ্য আৰু হাত-চাপৰি। বাদ্যযন্ত্ৰ আৰু হাত-চাপৰিৰ তালে তালে পৰিৱেশন কৰা বিহুবোৰ এনেধৰণৰ—

"আটী দৈয়া পাটী দৈয়া
তামোল কটা কটাৰী
দয়ালনিৰ তুলাপাতৰ
নাহৰৰ তলত চকু চাম
তোমাৰ তালৈ গধুলি যাম।"

আকৌ অভিনয় আৰু ৰসাত্মক গীত-মাতেৰে হাস্যৰস সৃষ্টি কৰা দেখা যায়। যেনে—

"কঁকালটো হেকেৰা
মুখখন পকা থেকেৰা
চুলি যদিও মোৰ পকা
মোৰ লগত ভাঙি দিলে
আগৰ দিনৰ ল'ৰাহঁতে শ শ টকা।"

আকৌ—

"হয় ক'লীবুঢ়ী
ককাই নুবুলিবি মোক
কলিকনীয়া সামাজিক
গাত ফলিয়াব
জানো বিয়া কৰাম তোক।"

ক'লীবুঢ়ী নাচৰ সৈতে জেং বিহুৰ সাদৃশ্য দেখিবলৈ পোৱা যায়। জেং বিহু হৈছে মহিলাৰ দ্বাৰা পৰিৱেশন কৰা বিহু। ইয়াক গাভৰু বিহু বা গছৰ তলৰ বিহু বুলিও কোৱা হয়। এই বিহুত ক'লীবুঢ়ী নৃত্যৰ দৰে পুৰুষৰ প্ৰৱেশ নিষিদ্ধ আৰু ইয়াত ঢোল, পেঁপা, তাল, বাঁহী আদিৰ প্ৰয়োজন নাই। হাতত টকা আৰু হাত-চাপৰি বজাই মহিলাসকলে এই নৃত্য ঘূৰি ঘূৰি বৃত্তাকাৰে পৰিৱেশন কৰে। জনশ্ৰুতি মতে অতীজতে বিহু নাচিবলৈ মন গ'লে গাভৰু-বোৱাৰীসকলে হাবিৰ মাজলৈ গৈ আঁহত বা বৰগছৰ তলত তামোল-পাণ এযোৰ দি সেৱা কৰি লৈ হেঁপাহ পলুৱাই বিহু নাচিছিল আৰু পুৰুষসকল যাতে তেওঁলোকে নচা ঠাইলৈ যাব নোৱাৰে তাৰ বাবে বাটত জেং পুতি থৈছিল। হয়তো সেইবাবেই ইয়াক জেং বিহু বুলি কোৱা হয়। প্ৰবাদমতে বিহু নচা নাচনীৰ নৃত্যৰ ভৰত ভূমিৰ উৰ্বৰা শক্তি বৃদ্ধি পায়। আগৰ দিনত অভিভাৱকসকলে গাভৰু ছোৱালীক বিহু নাচিবলৈ মুকলিকৈ নিদিয়াত তেওঁলোকে মনে মনে হাবিৰ মাজত বিহু নাচিবলৈ গৈছিল।

আনহাতে উজনি অসমত প্ৰচলিত ক'লাবুঢ়ী নাচৰ সৈতেও কলিয়াবৰৰ ক'লীবুঢ়ী নাচৰ সাদৃশ্য দেখা যায়। অৱশ্যে উজনিৰ বিয়াৰ দিনা গাঁঠিয়ন খুন্দি কইনাক নোৱাবলৈ বেইৰ তলত বহুৱাই কইনাৰ মূৰৰ ওপৰত এখন চাদৰ তৰি দিয়া হয়। সেই চাদৰত ছাই, ধান, খোলাকটি আদি দি পিছত সেইবোৰ বুঢ়ী এগৰাকীয়ে কুলা এখনত লৈ ধেমেলীয়া গীত গাই নাচে। উজনিৰ এই নাচ মাঘৰ বিহুৰ লগত সম্পৰ্কিত নহয়। কিন্তু নাচনীগৰাকীয়ে মুখত ছাই সানি ক'লা কৰি লয়; ঠিক কলিয়াবৰৰ সোণাৰি গাঁৱৰ নাচনীৰ দৰে। উজনি অসমৰ ক'লাবুঢ়ীয়ে গোৱা গীত এনে ধৰণৰ—

"চৰাই-চিৰিকটি পশু পতঙ্গ
ক'লাবুঢ়ী নাচিছে জপং জপং
নাচ ক'লাবুঢ়ী নাচ
তয়ো ক'লী ময়ো ক'লী
একেখন বিলৰে মাছ।"

সংস্কৃতি পৰিৱৰ্তনশীল। সময়ৰ অগ্ৰগতিৰ লগে লগে সংস্কৃতিৰো ৰূপান্তৰ ঘটে। ক'লীবুঢ়ী নাচৰ মূল ঢৌ উজনিৰ পৰাই আহিছিল সম্ভৱ। কিয়নো কলিয়াবৰৰ আন অঞ্চলত এনে পৰম্পৰা দেখা নাযায়। সোণাৰি গাঁৱত পূৰ্বপুৰুষৰ দিনৰ পৰা চলি অহা এই নৃত্যানুষ্ঠানটিত অন্যান্য সংস্কৃতিৰ দৰে সময়ৰ আঁচোৰ পৰাটো অত্যন্ত স্বাভাৱিক। ক্ৰমে লুপ্ত হৈ যাবলৈ ধৰা এই নাচৰ অনুষ্ঠানে আদিম কৃষিজীৱী অসমীয়া সমাজৰ সৃষ্টিশীল মনক প্ৰতিফলিত কৰে।

(সহায় লৈ লিখা)

*লেখিকা ঃ সহযোগী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ*



# সুকুমাৰ কলা আৰু নাগাৰা নাম

## ড° বিপুল মালাকাৰ

কলা হ'ল মানুহৰ মন, অনুভূতি আৰু বুদ্ধিমত্তাক আলোড়িত কৰা কোনো এক সৃজন বা উৎপাদন প্ৰণালী। মানুহৰ দ্বাৰা সৃষ্ট বিভিন্ন কৰ্ম বা অভিজ্ঞতাৰ প্ৰকাশভংগী।

কলা আৰু শিল্পৰ মাজত সম্পৰ্ক ওতপ্ৰোত। শিল্প হ'ল নিপুণতাৰে নিৰ্মিত কৰ্ম। শিল্পই ব্যৱহাৰিক আৰু অৰ্থনৈতিক দাবী পূৰণ কৰে। কলাই নান্দনিক আনন্দ প্ৰদান কৰে। অৱশ্যে শিল্প আৰু কলা এসময়ত একাকাৰ হয় ।

**চৌষষ্ঠি কলা ঃ**

কলা মূলতঃ চৌষষ্ঠি বিধ। ভৰত মুনিৰ নাট্যশাস্ত্ৰত ৬৪ বিধ কলাৰ উল্লেখ আছে—গীত, বাদ্য, নৃত্য, নাট্য, আলেখ্য, বিশেষকচ্ছেদ্য, তণ্ডুল কুসুম বলিবিকাৰ, পুষ্পাসকণ, দমনবসনাঙ্গৰাগ, মণিভূমিকা কৰ্ম, শয্যা ৰচনা, উদক বাদ্য, উদক-ঘাত, চিত্ৰযোগ, মাল্যগঠন বিকল্প, শেখৰপিড়-যোজন, নেপথ্য যোগ, কৰ্ণপীত্ৰ-ভংগ, সুগন্ধযুক্তি, ভূষণযোজন ঐন্দ্ৰজাল, কৌচুমাৰ, হস্ত-লাঘৱ, চিত্ৰ-শাকাপুপ ভক্ষ বিকাৰ ক্ৰিয়া, পানক ৰস ৰাগাসৱ যোজন, সূচী-বায়কৰ্ম, সূত্ৰ ক্ৰীড়া বীণা-ডুমুৰক বাদ্য, প্ৰহেলিকা, পতিমালা, দুৰ্বচক যোগ, সুস্তক বাচন, নাটিকাখ্যায়িকা দৰ্শন, কাব্য সমস্যা পুৰাণ, পট্টিকা বেত্ৰবাৰ্ণবিকল্প, তৰ্ক-কৰ্ম, তক্ষণ, বাস্তুবিদ্যা, ৰৌপ ৰত্ন পৰীক্ষা, ধাতুবাদ, মণিৰাগঞ্জন, আকৰজ্ঞান, বৃক্ষায়ুৰ্বেদযোগ, মেষকুক্কুট, লাবক যদ্ধবিধি, লুকশাৰিকা প্ৰপালন, উৎসাদন, কেৰ্শমাৰ্জন কৌশল, অক্ষৰ মুষ্টিকা কঠন, ম্লেচ্ছিত কুতৰ্ক বিকল্প, দেশ ভাষা জ্ঞান, পুষ্পশকটিকা নিৰ্মিতি জ্ঞান, যন্ত্ৰ মাত্ৰিকা, ধাৰণ মাত্ৰিকা, সম্বাচ্য, মানসী কাব্যক্ৰিয়া, ক্ৰিয়া বিকল্প, ছলিতকা যোগ, অভিধানকোষচ্ছন্দো জ্ঞান, বস্ত্ৰ গোপন, দূত্য বিশেষ, আকৰ্ষ ক্ৰীড়া, বালক ক্ৰীড়ানক, বৈনায়িকী বিদ্যা, বৈজয়িকাবিদ্যা আৰু বৈতালিকী বিদ্যা ।

প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যত পোৱা উক্ত ৬৪ বিধ কলাক পৰৱৰ্তী সময়ত কাৰুকলা আৰু সুকুমাৰ কলা নামে দুটা

ভাগত ভাগ কৰা হয়। সুকুমাৰ কলাক চাৰুকলা বা ললিত কলা বুলিও কোৱা হয়। কাৰুকলাক ব্যৱহাৰিক কলা বুলিও কোৱা হয়। মানুহৰ দ্বাৰা নিৰ্মিত বিভিন্ন বয়-বস্তুৰ শৈল্পিক প্ৰকাশেই হ'ল কাৰুকলা বা কাৰুশিল্প। যেনে—হাতীৰ দাঁতৰ কাম, কাঁহ-পিতলৰ কাম আদি। কাৰুকলাই মানুহৰ দৈনন্দিন অভাৱ পূৰ কৰে। চাৰুকলা বা ললিত কলাই মানুহৰ সুকুমাৰ অনুভূতিসমূহক উজ্জীৱিত কৰি মানসিক বা নান্দনিক আনন্দ প্ৰদান কৰে। যিবিলাক কলা সৌন্দৰ্য প্ৰকাশৰ বাবে সৃষ্টি কৰা হয় তাকে সকুমাৰ কলা বোলে।

সুকুমাৰ কলা পাঁচবিধ- ১) সাহিত্য, ২) সংগীত, ৩) চিত্ৰকলা, ৪) স্থাপত্য আৰু ৫) ভাস্কৰ্য।

**সাহিত্য ঃ**

সমাজ-জীৱনৰ প্ৰকৃত ছবি যি মাধ্যমৰ জৰিয়তে লিখিতভাৱে প্ৰকাশ কৰা হয় সিয়েই সাহিত্য। সাহিত্য মূলতঃ লিখনশিল্প। লিখাৰ ধৰণ অনুযায়ী পদ্য আৰু গদ্য নামেৰে দুটা ভাগত ভাগ কৰা হয়। পদ্যত কবিতা আৰু গদ্যত গল্প, উপন্যাস, নাটক, প্ৰবন্ধ আদি অন্তৰ্ভুক্ত। সাহিত্যৰ লগত ভাষাৰ সম্পৰ্ক নিবিড়। সাহিত্য অবিহনে এটা জাতি বা ভাষা জীয়াই থাকিব নোৱাৰে। মানুহৰ আৱেগ-অনুভূতি, আশা-আকাংক্ষা আদি সাহিত্যৰ মাজেদি প্ৰকাশিত হয়। সাহিত্যক সমাজৰ দাপোণ বুলি কোৱা হয়।

**সংগীত ঃ**

সংগীত হ'ল সম+গীত। গীত-বাদ্য আৰু নৃত্যৰ সংযুক্তিয়েই সংগীত। অৰ্থাৎ সংগীত হ'ল গীত, বাদ্য আৰু নৃত্যৰ সমাহাৰ। গীত শ্ৰৱণযোগ্য কলা। স্বৰ আৰু ধ্বনিৰ সমন্বয়ত গীতৰ সৃষ্টি। এই ধ্বনি মানুহৰ কণ্ঠ নিঃসৃত নাইবা যন্ত্ৰৰ দ্বাৰা সৃষ্ট নাইবা উভয়ে হ'ব পাৰে। শব্দৰ ধ্বনিসমূহ এটা শৈলীৰে, গীতেৰে বা বাদ্যৰে পৰিৱেশন কৰাই হ'ল সংগীত।

**চিত্ৰকলা ঃ**

চিত্ৰকলাৰ পৰিসৰ যথেষ্ট ব্যাপক। 'চিত্ৰ' মানে হ'ল অংকিত প্ৰতিকৃতি। লেখনীৰে আঁকা বা লেখা মূৰ্তি, পট। ৰং-তুলিকাৰ সহায়ত কাগজ বা কেনভাছত ৰূপ দিয়া সৃজনশীল কৰ্ম। চিত্ৰকৰ্মক চাৰুকলাৰ প্ৰকৃত ৰূপ বুলি কোৱা হয়। চিত্ৰ আঁকাৰ বাবে লাগতিয়াল সঁজুলিসমূহ হ'ল - কাগজ, পেঞ্চিল, ৰবৰ, ব'ৰ্ড, তুলিকা, কাটাৰ, পানীৰ পাত্ৰ, ব'ৰ্ডপিন ইত্যাদি। পানীৰ ৰং, তেল ৰং, পেঞ্চিল, পোষ্টাৰ ৰং, এক্ৰেলিক আদি উপকৰণৰ জৰিয়তে ছবি আঁকা হয়।

**স্থাপত্য ঃ**

স্থাপত্য হ'ল নিজৰ প্ৰয়োজনত নিৰ্মাণ কৰা ঘৰ-বাৰী, অট্টালিকা, ধৰ্মীয় সৌধ, সমাধি, স্মৃতিচিহ্ন আদি। প্ৰাচীনকালৰ পৰাই সকলো দেশতে ধৰ্ম, পূজা, দেৱ-দেৱীত বিশ্বাস আদিৰ ফলত স্থাপত্য নিৰ্মাণ হৈছিল। স্থাপত্য কলা শিল, ইটাৰ লগতে থলুৱা সামগ্ৰীৰে নিৰ্মাণ কৰা হয়। পৃথিৱীৰ প্ৰায় সকলো সভ্য দেশতে মৃতকৰ স্মৃতিসৌধ নিৰ্মাণ কৰা পৰম্পৰা চলি আহিছে। উদাহৰণস্বৰূপে আহোমসকলৰ মৈদামসমূহ। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত নিৰ্মিত প্ৰায় আঢ়ৈ হাজাৰ কিলোমিটাৰ দীঘল চীনৰ প্ৰাচীৰ স্থাপত্যৰ নিদৰ্শন। নগৰ পৰিকল্পনাও স্থাপত্যৰ ভিতৰুৱা। সিন্ধু সভ্যতাৰ হৰপ্পা আৰু মহেঞ্জদাৰোৰ নগৰ পৰিকল্পনা প্ৰাচীন ভাৰতৰ স্থাপত্যৰ নিদৰ্শন।

**ভাস্কৰ্য ঃ**

স্থপতিবিদে নিৰ্মাণ কৰা শিল্পকৰ্মসমূহৰ ওপৰত খোদিত কৰা নক্সা, মূৰ্তি আদিয়েই ভাস্কৰ্য কলা। কঠিন বস্তুৰ ওপৰত সাঁচ কাটি কৰা কলাকে ভাস্কৰ্য কলা বোলে। অসমৰ স্থাপত্য-ভাস্কৰ্যৰ ইতিহাস প্ৰাচীন। আনুমানিক খ্ৰীষ্টীয় পঞ্চম-ষষ্ঠ শতিকাৰ তেজপুৰৰ দ পৰ্বতীয়া মন্দিৰ আৰু তোৰণ প্ৰাচীন স্থাপত্যৰ নিদৰ্শন। ইয়াৰ উপৰি গুৱাহাটীৰ শুক্ৰেশ্বৰ পাহাৰত থকা জনাদন আৰু শিৱ মন্দিৰ, বাইহাটা চাৰিআলিৰ মদন কামদেৱত পোৱা স্থাপত্য-ভাস্কৰ্য প্ৰাক্-আহোম যুগৰ নিদৰ্শন। গোৱালপাৰাৰ শ্ৰীসূৰ্য পাহাৰত উদ্ধাৰ হোৱা মূৰ্তি ভাস্কৰ্যসমূহ, শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ ভাস্কৰ্য প্ৰাক্-আহোম যুগৰ।



**নাগাৰা নাম ঃ**

নাগাৰা নাম লোক- পৰিৱেশ্য কলা। নাগাৰা নামক অঞ্চলবিশেষে 'নাগেৰা নাম' বুলিও কোৱা হয়। এই লোক পৰিৱেশ্য কলাটিৰ মূল বাদ্যবিধেই হ'ল নাগাৰা। এই 'নাগাৰা' ক কেন্দ্ৰ কৰিয়েই বোধ কৰোঁ নাগাৰা বা নাগেৰা নাম। নাগাৰা নাম কামৰূপ, দৰং অঞ্চলত প্ৰচলিত। নাগাৰা নামৰ দলটি ১০/১২ জনৰ পৰা ২০/২৫ জন মান নামতীৰে গঠিত। দলটিত

মূলত পাঠক এজন, নাগাৰাবাদক দুজন আৰু ৮/১০ জনৰ পৰা ২০/২২ জনমান পালি থাকে। এই পালিসকলৰ মাজত আকৌ বাঁহীবাদক, সৰুতাল, বৰতাল বা ভোৰতাল বাদক কেইজনমান থাকে। নাগাৰা নামৰ এটা দলত সাধাৰণতে ৬/৮ যোৰমান তাল থাকে। নাগাৰাই হ'ল এই অনুষ্ঠানৰ মূল বাদ্য। একোটা দলত দুটা ডাঙৰ নাগাৰা আৰু দুটা সৰু নাগাৰা থাকে। সৰু নাগাৰাক 'কুৰকুৰি' বোলে। নাগাৰা সাধাৰণতে দবা আকৃতিৰ। অৱশ্যে দবাতকৈ সৰু। এবিধ মাৰিৰে কোবাই বজোৱা বাদ্য। নাগাৰা মাটিৰে নিৰ্মিত। অৱশ্যে প্ৰয়োজনসাপেক্ষে বৰ্তমান কাঠ বা পিতলেৰেও নাগাৰা নিৰ্মাণ কৰা দেখা যায়। নাগাৰা নামৰ ডাঙৰ নাগাৰাটো সাধাৰণতে ৬০ ছেঃ মিঃ জোখৰ। নামনিৰ নাগাৰাবোৰ ডাঙৰ। উজনিৰ নাগাৰাবোৰ সৰু। ২০ বা ২২ ছেঃ মিঃ জোখৰ। এই নাগাৰাবোৰৰ খোলাটো পাতল চামৰাৰে বৰতি বান্ধি টানকৈ তলৰ পৰা বন্ধা নিয়ম । নাগাৰা বাদকজনক কামৰূপত 'নাগৰু' বুলিও কোৱা হয়। নাগৰুৱে ডাঙৰ নাগাৰা এটা সোঁহাতেৰে আৰু সৰু অৰ্থাৎ কুৰকুৰিটো বাঁওহাতেৰে বিশেষ মাৰিৰে কোবায়। অৱশ্যে দিহানাম, থিয়নাম আদি পৰিৱেশন কৰাৰ সময়তো সৰু নাগাৰা বজোৱা হয় ।

নাগাৰা নামৰ পাঠকজনেই মূল। পাঠকজন একেধাৰে গায়ক, নৰ্তক, বাদক আৰু অভিনেতা। ৰামায়ণ, মহাভাৰত, ভাগৱতপুৰাণ, ভীম চৰিত, কীৰ্ত্তন আদিৰ কাহিনী দিহা আৰু পদত কাহিনীভাগ আগবঢ়াই নিব পৰাকৈ নামবোৰ ৰচনা কৰে। নাগাৰা নামৰ দিহা পাঠকে বহা অৱস্থাতে লগাই দিয়ে যদিও সময়ত থিয় হৈ নাম পৰিৱেশন কৰে আৰু পালিসকলে আগবঢ়াই লৈ যায়। কাহিনীৰ তালে তালে তাল, নাগাৰা সংগত কৰা হয়। প্ৰতিটো নামৰ শেষত পাঠকে ভোৰতাল এক নিপুণ শৈলীৰে প্ৰদৰ্শন কৰে। প্ৰথম অৱস্থাত পাঠকজনে এযোৰ ভোৰতাল ব্যৱহাৰ কৰিছিল। বৰ্তমান সময়ত এজন পাঠকে একে সময়তে এযোৰতকৈ বেছি তাল ব্যৱহাৰ কৰাও দেখা যায়। সাধাৰণতে নাগাৰা নামৰ নামতীসকল বৃত্তকাৰ আকাৰত বহে। পাঠকজনে সোঁমাজতে কিছু আহল-বহল ঠাইত প্ৰয়োজনসাপেক্ষে বিভিন্ন চৰিত্ৰৰ ভাও প্ৰদৰ্শন কৰে। এই

নাগাৰা নামৰ পাঠকজনেই মূল। পাঠকজন একেধাৰে গায়ক, নৰ্তক, বাদক আৰু অভিনেতা। ৰামায়ণ, মহাভাৰত, ভাগৱতপুৰাণ, ভীম চৰিত, কীৰ্ত্তন আদিৰ কাহিনী দিহা আৰু পদত কাহিনীভাগ আগবঢ়াই নিব পৰাকৈ নামবোৰ ৰচনা কৰে। নাগাৰা নামৰ দিহা পাঠকে বহা অৱস্থাতে লগাই দিয়ে আৰু পালিসকলে আগবঢ়াই লৈ যায়। কাহিনীৰ তালে তালে তাল, নাগাৰা সংগত কৰা হয়। প্ৰতিটো নামৰ শেষত পাঠকে ভোৰতাল এক নিপুণ শৈলীৰে প্ৰদৰ্শন কৰে। প্ৰথম অৱস্থাত পাঠকজনে এযোৰ ভোৰতাল ব্যৱহাৰ কৰিছিল। বৰ্তমান সময়ত এজন পাঠকে একে সময়তে এযোৰতকৈ বেছি তাল ব্যৱহাৰ কৰাও দেখা যায়। সাধাৰণতে নগাৰা নামৰ নামুৰৈসকল বৃত্তকাৰ আকাৰত বহে। পাঠকজনে সোঁমাজতে কিছু আহল-বহল ঠাইত প্ৰয়োজন সাপেক্ষে বিভিন্ন চৰিত্ৰৰ ভাও প্ৰদৰ্শন কৰে।

পাঠকজনে সময়সাপেক্ষে কেতিয়াবা ৰজা, কেতিয়াবা ৰাণী, কেতিয়াবা বৃদ্ধ, কেতিয়াবা কেঁচুৱা, কেতিয়াবা ৰাক্ষস আদি ভিন্ন চৰিত্ৰত অভিনয় কৰিবলগীয়া হয়। এই অভিনয় ইমানেই নিখুঁত যে একেজন পাঠকে নাৰী-পুৰুষ, ৰজা-মহাৰজা বা অসুৰৰ মাত-কথা, হাঁহি-কান্দোন, দম্ভ-অহংকাৰৰ মাজৰে পৰিৱেশন কৰা দেখা যায়। পাঠক তথা নামতীসকলে সাধাৰণতে চুৰিয়া আৰু পাঞ্জাবী পৰিধান কৰে। ডিঙিত এখন গামোচা লয় ।

সময়ৰ লগে লগে মহিলাৰ নাগাৰা নামো দেখিবলৈ পোৱা যায়। মহিলা দলটিত ব্যৱহৃত নাগাৰা পুৰুষৰ নাগাৰাতকৈ কিছু পৰিমাণে সৰু। মহিলা নাগাৰা নামত পুৰুষে নাগাৰা বজায়। মহিলাসকলে মেখেলা-চাদৰ পৰিধান কৰে। ডিঙিত এখন ফুলাম গামোচা লয়।

কামৰূপ আৰু দৰঙৰ নাগাৰা নামৰ মাজত কিছু তাৰতম্য আছে। হাস্যৰস সৃষ্টিয়েই নাগাৰা নামৰ মূল উদ্দেশ্য যদিও বীৰ, শৃংগাৰ, কৰুণ আদি ৰসৰ সমাৱেশে অনুষ্ঠানটি উপভোগ্য কৰি তোলে। ধৰ্মীয় পদ বা কাহিনীয়েই নাগাৰা নামৰ মূল যদিও মাজে মাজে লোকগীতৰ কলি বা সুৰ নথকা নহয়। ইয়াৰ উপৰি সময়ৰ লগে লগে আধুনিক গীতৰ পেৰডিয়ে হাস্যৰস সৃষ্টিত অৰিহণা যোগাই আহিছে যদিও মূল ধৰ্মীয় পদ বা কাহিনীৰ মৰ্যাদা কিছু লাঘৱ নোহোৱা নহয়। বৰ্তমান সময়ত নাগাৰা নামৰ কেছেট বজাৰত পোৱা যায়। শেহতীয়াভাৱে নাগাৰা নাম পৰিৱেশনত যথেষ্ট বিকৃতি লক্ষ্য কৰা যায়। হাজো-সাতদলাৰ কুশল মালাকাৰ, বৰদধিৰ অচ্যুৎ মালাকাৰ, যোগেশ্বৰ মালাকাৰ, নলবাৰীৰ ৰামচৰণ ভৰালী, কৈলাস তালুকদাৰ, বৈজয়ন্তী আদি নাগাৰা নামৰ জনপ্ৰিয় পাঠক। অতি পৰিতাপৰ বিষয় যে বৰ্তমান বিশ্বায়নৰ ধামখুমীয়াত এই জনপ্ৰিয় লোক-পৰিৱেশ্য অনুষ্ঠানটি মৃত্যুৰ গৰাহত। আৰ্থিক অনাটন, উঠি অহা প্ৰজন্মৰ থলুৱা সংস্কৃতিৰ প্ৰতি অনীহা আদিৰ ফলত 'নাগাৰা নাম' অনুষ্ঠানটি হয়তো অদূৰ ভৱিষ্যতে হেৰাই যাব।

*লেখক ঃ সহযোগী অধ্যাপক, অসমীয়া বিভাগ*

# শিশুৰ সন্মুখত প্ৰত্যাহ্বান ঃ অভিভাৱকৰ চিন্তা

ড° নমিতা কলিতা

আমাক কিহে চিন্তিত কৰে বুলি ক'লে কিয় নাজানো মনটো চূড়ান্ত আৱেগিক হৈ পৰেচোন! প্ৰশ্নটো যেন ওলোটা হৈ পৰে 'বৰ্তমান সময়ত আমাক চিন্তিত কিহে নকৰে বাৰু!' আমাৰ শিশুসকলৰ সন্মুখত থকা প্ৰত্যাহ্বান দেখি এগৰাকী অভিভাৱক আৰু শিক্ষক হিচাপে যথেষ্ট চিন্তিত হৈ পৰিছোঁ।

মোৰ একান্ত ব্যক্তিগত অনুভৱত মোক সৰ্বাধিক চিন্তিত কৰা কথাটো হৈছে 'নৱপ্ৰজন্ম আৰু তেওঁলোকৰ মানসিক স্থিতি' বৰ্তমান আটাইতকৈ চিন্তনীয় বিষয়টো হৈছে নতুন প্ৰজন্মই বিচাৰে কি আৰু তাৰ পৰিপূৰক হিচাপে কোনটো পথ তেওঁলোকে ল'বলৈ সহজে আকৰ্ষিত হৈছে!

তেওঁলোকৰ অতি বেছি উচ্চকাংক্ষা আৰু তাৰ বিপৰীতে সহজলভ্য পথ, অতি সোনকালেই হতাশ হোৱা— সকলো সামৰি তাৰ পৰিণতিত অতি কষ্টৰে মাক-দেউতাকে দিয়া জীৱন এটা নিমিষতে শেষ কৰা। এই কথাখিনি লিখি থাকোঁতে মই যিসকল সঁচা অৰ্থত মানুহ হৈছে বা পঢ়া-শুনা কৰি সফল হৈছে, তেনে প্ৰজন্মখিনিৰ কথা অনা নাই; আনিছোঁ সেইসকলক যিসকলৰ উচ্চকাংক্ষা বহুত কিন্তু কম সময়ত, কম কষ্টৰে সকলো পাব বিচাৰে অথচ অপেক্ষাৰ আগতে, কষ্টৰ আগতে নাপাই বিফলতাৰ মুখ দেখে বা অতি সোনকালে হতাশ হৈ যিকোনো বিয়োগাত্মক কথা, কামলৈ ধাৱিত হয়। তেওঁলোকৰ কথা-কাম, ফলাফলে মোক অন্তত অত্যন্ত চিন্তিত কৰে আৰু মই ভাবোঁ সচেতন ব্যক্তি সকলোকে কৰে!

এনে বহুত কথাই চিন্তিত কৰে যিখনৰ তালিকা বহুত দীঘল। লিখি থাকিলে হয়তো শেষ কেতিয়া হ'ব মোৰ নিজৰে সন্দেহ! তাৰে ভিতৰত পৰিয়ালবোৰত অহা ভঙ্গুৰ অৱস্থা, ইজনে সিজনৰ লগত সংপৃক্ত নোহোৱা এই কথাবোৰেই সামাজিক ক্ষেত্ৰখনতো এক সবল ভূমিকা লোৱাত ক'ৰবাত নহয় ক'ৰবাত পিছ পৰি ৰৈছে।

সদায় ভাবোঁ আমি আমাৰ সন্তানসকলক, নৱ প্ৰজন্মক শাৰীৰিক-মানসিকভাৱে সুস্থ কৰি আগুৱাই নিব পাৰিলেহে আওপকীয়াকৈ সমাজৰ স্থিতি সবলীকৰণ কৰাত সহায়ক হ'ব।

মদ, ভাং আদিকে কৰি যিবোৰ বেয়া বস্তু কিছু সংখ্যক মানুহে গ্ৰহণ কৰি নিজৰ পৰিয়ালৰ সকলো সদস্যৰে জীৱনলৈ বিপৰ্যয় আনি দিয়াতে ক্ষান্ত নাথাকি নিজৰ লগতে সমাজলৈ এক প্ৰত্যাহ্বান আনি দিছে। আমি কেনেকৈ ইয়াৰ পৰা সেইসকল কুমলীয়া, অফুৰন্ত প্ৰতিভা থকা কোমল মনৰ আমাৰ ভৱিষ্যৎ স্ৰষ্টা হ'ব পৰা সকলক বচাব পাৰোঁ সেইটোও এক চিন্তনীয় বিষয়, যিয়ে মোক অন্ততঃ বহুদিন- বহুনিশা চিন্তাত নিমজ্জিত কৰিব পৰাকৈ! আমাৰ ভৱিষ্যৎ কোন দিশে?

তৃতীয়তে, আমাৰ বৈবাহিক জীৱনৰ অচলাৱস্থা, যিটোৱে আমাৰ কণ কণ শিশুসকলৰ মাজত থকা ভৱিষ্যৎ সুমানৱ হোৱাৰ সকলো অৱকাশ সন্দিহান কৰি তুলিছে। এটা পৰিয়ালত যদি স্বামী-স্ত্ৰী আৰু ঘৰৰ আটাইবোৰ সদস্যৰে এক পাৰস্পৰিক বুজাবুজি নাথাকে, সদ্ভাৱ নাথাকে, অনুপ্ৰেৰণা নাথাকে। তেন্তে সমাজে কি পাব তেনে পৰিয়ালৰ সদস্যৰ পৰা, তেনে প্ৰজন্মৰ পৰা!

চতুৰ্থ কথাটো হ'ল, যিটো হয়তো মোৰ একান্ত দৃষ্টিভঙ্গী হ'ব পাৰে! সমাজত ক'ৰবাত নহয় ক'ৰবাত সৎ, সততা থকা, স্বচ্ছ, নিকা মানুহৰ সংখ্যা যেন কমি আহিছে সেই বোধটোৱে খুবেই চিন্তিত কৰে! কোনো কাম আজিকালি কোনো অফিচ-কাছাৰীত কোনো ভাল পদ্ধতিত নহয়, তৃণমূল পৰ্যায় বাদে দিওঁ; সকলোৰে ক্ষেত্ৰত কিয় স্বচ্ছতাৰে কামবোৰ কৰা নহয় বা হৈ নুঠে। তেনে কথাবোৰে হয়তো সময়ত কেতিয়াবা হ'লেও সেই সৎ, স্বচ্ছ নোহোৱা ব্যক্তিকো বিপৰ্যয়ৰ সময়ত অলপ সময়ৰ বাবে হ'লেও অনুভৱত আমনি কৰে বুলি মোৰ দৃঢ় বিশ্বাস।

এনে বহুত কথা সামৰি বহুতো কথাই মনত পীড়া কৰে, ৰাজনীতি বুলিলে তাত যেন অনীতিয়ে থাকিব লাগিব! নৈতিকতা যেন বন্ধ কোঠাত সামৰি থৈহে ৰাজনীতিৰ ক্ষেত্ৰখনত অৱতীৰ্ণ হ'ব পাৰি। চাকৰি ল'ব পাৰি বক্ৰপথেৰেহে তেনে বহু কথাৰে সঁচা অৰ্থত এক দীঘলীয়া পৰিক্ৰমাৰ মাজেৰে সংশোধনৰ প্ৰয়োজন আছে আৰু তেতিয়াহে হয়তো এদিন আমাৰ মাজত থকা বা হোৱা মানসিক বিপৰ্যয়বোৰৰ অৱসান ঘটি আমাৰ চিন্তা কিছু পৰিমাণে হ'লেও লাঘৱ হ'ব বুলি এটি ইতিবাচক চিন্তাৰ নিজক মিছা সান্ত্বনা দিব পাৰোঁ। সেই মিছা সান্ত্বনাবোৰেই আকৌ এক অন্য পীড়ালৈ মোক লৈ যায় অহৰহ! তথাপিও ভৱিষ্যৎ শিশুসকলক লৈ মই আশাবাদী!

*লেখিকা ঃ সহযোগী অধ্যাপিকা, দৰ্শন বিভাগ*



# আমি কিয় শুনিব লাগে?

**ড° শিখা ভাগৱতী**

আমি কিয় শুনিব লাগে? শুনা বিষয়টোনো ইমান প্ৰয়োজনীয়নে? শ্ৰৱণকলাৰ আমাৰ জীৱনত প্ৰয়োজনীয়তাৰ বিষয়ে আমি কেতিয়াবা ভাবি চাইছোঁনে? ভাবি চোৱাৰ অৱকাশেই বা ক'ত? দৰাচলতে এটা শিশুৰ মাত ফুটাৰ আৰম্ভণি হয় প্ৰায় ১৫ মাহমান বয়সৰ পৰাই। ১ বছৰ ৩/৪ মাহ মান বয়সৰ পৰা এটা বা দুটা শব্দ উচ্চাৰণ কৰিব পৰা হয়। ১৮ মাহ ৩টা শব্দ ক'ব পৰা হয় আৰু প্ৰায় ২ বছৰ বয়সত বহুতো শব্দ ক'ব পৰা হয়। আমি বাৰু কেতিয়াবা ভাবি চাইছোঁনে এটা শিশুৰ এই অমিয়া মাতৰ অন্তৰালতো 'শ্ৰৱণকলা' বিশেষভাৱে জড়িত হৈ আছে। কিয়নো বহুতো বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত (বিশেষকৈ 'কথা কোৱা'ৰ) ডাক্তৰসকলে শ্ৰৱণ শক্তিৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰা দেখা যায়। কিয়নো এটা শিশুৱে পৰিস্থিতিৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰিবৰ বাবে প্ৰথমতেই মস্তিষ্কৰ লগতে শ্ৰৱণকলাৰ প্ৰয়োজন হয়। পৰিৱেশৰ বিভিন্ন উৎসৰ প্ৰতি সমৰ্থন, সহযোগিতা প্ৰকাশ কৰিবৰ বাবে বাহ্যিক উদ্দীপকৰ প্ৰতি সঁহাৰি জনাব লাগিব। এইক্ষেত্ৰত আমি দেখা পাওঁ যে শিশুৱে প্ৰতিক্ৰিয়া হিচাপে হাঁহা, কন্দা আদি প্ৰথমাৱস্থাত কৰে।

আমাৰ জীৱনত শ্ৰৱণৰ গুৰুত্ব ইমানেই বেছি যে শিশুৱে প্ৰথম অৱস্থাত মাকে যিদৰে শিকাই তেনেকৈয়ে কয়। সেয়েহে আমাৰ জীৱনত মাতৃভাষাৰ বিশেষ প্ৰয়োজনীয়তা আছে। মাতৃভাষাত শিক্ষা দিয়াৰ মূলতঃ কাৰণ হৈছে শিশুৱে যি শুনে তাকে অনুকৰণ কৰে, ক'বলৈ শিকে।

কোনো এটা বিষয় শিকাৰ ক্ষেত্ৰত শ্ৰৱণে ৫০% অধিকাৰ কৰি আহিছে। শুনাৰ পিছতহে আমাৰ মস্তিষ্কৰ বাকীবোৰ কাৰ্য চালন হয়। শিক্ষাৰ যি আনুষ্ঠানিক প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াতো শ্ৰৱণেই প্ৰধান স্থান দখল কৰি আহিছে।

শিক্ষাৰ ইতিহাস খুঁচৰি চালে দেখা পোৱা যায় যে পুৰণি ভাৰতৰ বৈদিক, বৌদ্ধযুগৰ শিক্ষা ব্যৱস্থাত মূলতঃ মৌখিক শিক্ষাদান পদ্ধতিৰে ব্যৱহাৰ হৈছিল। বৈদিক যুগত গুৰুকুল অনুষ্ঠান আৰু বৌদ্ধ শিক্ষা ব্যৱস্থাত বৌদ্ধ মঠ বা বিহাৰত শিক্ষা দিয়া হৈছিল। যদি আমি ভাৰতৰ বাহিৰত গৈ শিক্ষা ব্যৱস্থাৰ আনুষ্ঠানিকতাৰ বুৰঞ্জী অধ্যয়ন কৰোঁ, তেনেহ'লে দেখা পাম যে গ্ৰীচত পোনপ্ৰথমে 'স্কুল' ব্যৱস্থাৰ প্ৰৱৰ্তন হয়। গ্ৰীচত পোনপ্ৰথমে সমাজৰ অভিজ্ঞ ব্যক্তি এজনক আজৰি সময়ত গছৰ তলত বিভিন্নজন একগোট হৈ এটা বিষয়ত বক্তৃতা দিব দিছিল। বাকী লোকসকলে মন দি শুনিছিল আৰু তেনেকৈয়ে শ্ৰৱণৰ জৰিয়তে তেওঁলোকে অভিজ্ঞতা আহৰণ কৰিছিল। জ্ঞান আহৰণৰ বিভিন্ন প্ৰক্ৰিয়াৰ মাজত শ্ৰৱণ কলাই একমাত্ৰ আহিলাৰূপে পৰিগণিত হৈছিল।

আমাৰ ভাৰতৰ শিক্ষাৰ ইতিহাসো বহু যুগৰ পুৰণি। এটা শিক্ষা ব্যৱস্থা কেতিয়াও এদিনতে গঢ় লৈ উঠা নাই। বহু উত্থান-পতনৰ পিছত আমি আহি আজিৰ এই অৱস্থাত উপনীত হৈছোঁহি। বৈদিক আৰু বৌদ্ধ যুগত যি শিক্ষা ব্যৱস্থাৰ প্ৰচলন আছিল তাত লিখিত ব্যৱস্থাৰ প্ৰচলন নাছিল। সেই সময়ত গুৰুবাক্য বিনা

বচনে পালন কৰিব লাগিছিল। শিক্ষা ব্যৱস্থা মূলতঃ দুটা বিন্দুত কেন্দ্ৰ কৰিয়েই আগবাঢ়িছিল। শিক্ষক আৰু শিক্ষাৰ্থী অৰ্থাৎ গুৰু আৰু শিষ্য। গুৰুৱে কৈছিল শিষ্যই শুনিছিল। দ্বিপাক্ষিক এই শিক্ষা পদ্ধতিৰ বহু যুগলৈকে প্ৰচলন আছিল। এই শিক্ষা পদ্ধতিক বিভিন্ন নামকৰণেৰে নামাংকিত কৰা হৈছিল—শিক্ষককেন্দ্ৰিক শিক্ষা, দ্বিপাক্ষিক শিক্ষা ইত্যাদি। এই শিক্ষা ব্যৱস্থা প্ৰধানতঃ তিনি ধৰণৰ পদ্ধিতিৰ জৰিয়তে শিক্ষাদান কৰা হৈছিল—

১) শ্ৰৱণ (শুনা)

২) মনন (মনত ৰখা) / চিন্তন (চিন্তা কৰা)

৩) নিধিধ্যাসন (ধ্যান কৰা)

যিহেতু লিখিত কোনো ব্যৱস্থা নাছিল, গতিকে গুৰুৰ শিক্ষণৰ বিষয়সমূহ শ্ৰৱণৰ জৰিয়তে মনত থাপিত কৰি ধ্যানৰ জৰিয়তে আত্মাত স্থাপন কৰি কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰিছিল।

এই শ্ৰৱণ কলাৰ উত্তম উদাহৰণ আমি মহাভাৰত, ৰামায়ণত দেখিবলৈ পাওঁ। মহাভাৰতৰ কুৰুক্ষেত্ৰ যুদ্ধত দ্ৰোণাচাৰ্যৰ শিষ্য ক্ৰমে অৰ্জুনকে আদি কৰি কৌৰৱ আৰু পাণ্ডৱসকলে যি স্মৰণ কলাৰ প্ৰদৰ্শন কৰিছিল সেই বিষয়ে আমি সকলো অৱগত। এই স্মৰণ কলাৰ অন্তৰালত শ্ৰৱণ কলাৰ উৎকৃষ্ট উদাহৰণ নিহিত হৈ আছে। বেদৰ শ্লোকসমূহ শিষ্যসকলে এনেধৰণে শ্ৰৱণ কৰিছিল যে ইয়ে একধৰণৰ শিক্ষণৰ ৰূপ লৈছিল। সংস্কৃত শ্লোকৰ পৰা আদি কৰি গাৰ্হস্থ্য জীৱনৰ বিভিন্ন পাঠ শিষ্যসকলে শ্ৰৱণ কলাৰ জৰিয়তে মনন তথা নিধিধ্যাসন কৰি জীৱন যুদ্ধত আগবাঢ়িছিল।

সময় সলনি হ'ল, যুগৰ সলনি। শিক্ষাই মৌলিক অৱস্থাৰ পৰা আহি আজি ডিজিটেল মাধ্যমত ভৰি থ'লেহি। কিন্তু শিক্ষণৰ ক্ষেত্ৰত শ্ৰৱণ কলাৰ যি আধিপত্য তাৰ হেৰফেৰ হোৱা দেখা নগ'ল।

কুৰি শতিকাৰ শিক্ষাৰ ক্ষেত্ৰখনত সন্মুখীন হোৱা আটাইতকৈ কঠিন প্ৰশ্নটোৱেই হ'ল, ডিজিটেল মাধ্যমে শিক্ষা-ব্যৱস্থাত শিক্ষকৰ স্থান পৰিৱৰ্তন কৰিব নেকি? ক'ভিডৰ সময়ৰ ঠিক আগৰ কেইবাবছৰ শিক্ষক সমাজ এই কঠিন প্ৰশ্নৰ বাৰুকৈয়ে সন্মুখীন হৈছে। কিয়নো শিক্ষকে কোৱা কথাসমূহ আমি আঙুলিৰ এটা টিপাতেই ডিজিটেল মাধ্যমত হাজাৰ হাজাৰ টোকা পঢ়িবলৈ পাওঁ। প্ৰশ্ন হৈছিল এই বিজ্ঞানে কেনেবাকৈ শ্ৰৱণকলাৰ মৃত্যু ঘটাব নেকি? কিন্তু ক'ভিডৰ বিভিন্ন বেয়া প্ৰভাৱৰ মাজতো এই কঠিন প্ৰশ্নৰ এটা সহজ সমাধান বাহিৰ হ'ল। সেইটো হ'ল শিক্ষকৰ শিক্ষা কেতিয়াও শেষ নহয়। কোনো সমাজে কেতিয়াও শিক্ষকৰ শিক্ষাদান ব্যৱস্থাক এঘৰীয়া কৰি আগবাঢ়িব নোৱাৰিব। ইয়াৰ মূলতঃ কাৰণ হৈছে শিক্ষকৰ যি অভিজ্ঞতা, সেইসমূহে শিষ্যসকলক জনাকৈয়ে হওক বা নজনাকৈয়ে হওক জীৱনযুদ্ধত অৱতীৰ্ণ হোৱাত বিশেষভাৱে সহায় কৰে। শিক্ষা-ব্যৱস্থাৰ বাহিৰেও যদি আমি আন আন বিষয়সমূহ চাওঁ, সেইসমূহতো শ্ৰৱণকলাৰ গুৰুত্ব, অৰ্থাৎ আমি কিয় শুনিব লাগে সেই স্থিতি স্পষ্ট ৰূপত দেখিবলৈ পাওঁ।

দেখা আৰু শুনা এই দুয়োটা প্ৰক্ৰিয়াই আমাৰ জীৱনত সমানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হ'ল সামাজিক মাধ্যম। এই সামাজিক মাধ্যমত বিশেষকৈ টেলিভিছনৰ পৰ্দাৰ বহু সময়ত সময়সাপেক্ষে বিভিন্ন ধৰণৰ আলোচনাচক্ৰ হোৱা দেখিবলৈ পোৱা যায়। মূলতঃ এই আলোচনাসমূহৰ মূল লক্ষ্য বা উদ্দেশ্য হৈছে নিৰ্দিষ্ট সমস্যাৰ ওপৰত, বিশিষ্ট ব্যক্তিসকলৰ বক্তব্য, আলোচনাৰ মাজেৰে সমস্যা সমাধানৰ সূত্ৰ উলিয়াবলৈ চেষ্টা কৰা, লগতে গণতান্ত্ৰিক দেশত চৰকাৰক নিৰ্দিষ্ট সিদ্ধান্ত গ্ৰহণ কৰাত দিক্‌দৰ্শন কৰা অৰ্থাৎ জনমত গঠনত সহায়ক হোৱা।

বৰ্তমানৰ বিশিষ্ট সাংবাদিক নিতুমণি শইকীয়া, ৰাজদীপ সৰদেশাই, প্ৰণয় ৰয়, বৰষা দত্ত আদি লোকসকলে যেতিয়া সমাজৰ কোনো এটা জ্বলন্ত সমস্যাৰ ওপৰত আলোচনাচক্ৰ অনুষ্ঠিত কৰে, সেই আলোনাচক্ৰ সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ ৰয়। কিয়নো আমাৰ দৰে শ শ সাধাৰণ জনতাই তেওঁলোকৰ মত, বাদানুবাদৰ জৰিয়তে আত্ম-সমালোচনা, সমালোচনা কৰি সংঘটিত ঘটনাৰ ওপৰত মত প্ৰতিষ্ঠা কৰোঁহক। কিন্তু বৰ্তমানৰ পৰিস্থিতিত আমি টেলিভিছনৰ পৰ্দাত আন এক পৰ্যায়হে দেখিবলৈ পাওঁ। বেছিভাগ আলোচনাতেই মতান্তৰ ইমান বেছিকৈ হোৱা দেখিবলৈ পোৱা যায় যে কোনো এজনে আনজনৰ বক্তব্য শুনিবলৈ চেষ্টা নকৰে। কেৱল নিজৰ মত প্ৰতিষ্ঠা কৰাতহে গুৰুত্ব আৰোপ কৰা দেখিবলৈ পোৱা যায়। কোনে কি কৈছে কাৰো যেন শুনিবলৈ মন নাই। আচলতে জ্ঞানৰ প্ৰক্ৰিয়াটোত শ্ৰৱণে এক বিশেষ ভূমিকা পালন কৰা দেখা যায়। এনেকুৱা অগণতান্ত্ৰিক পৰিৱেশত কেতিয়াও সুস্থ জনমত গঠন নহয়। সকলোৱে যদি শ্ৰৱণকলাৰ উপযুক্ত প্ৰয়োগ কৰি ধৈৰ্যসহকাৰে আনৰ যুক্তি শুনিলে হয়, হয়তো বহুতো সমস্যাৰ সমাধানৰ পথ সুগম হ'লহেঁতেন। কিন্তু আচৰিত ধৰণে এই কলাৰ অৱক্ষয় হোৱা দেখিবলৈ পোৱা গৈছে।

আমাৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ এটা প্ৰসংগ এইখিনিতে উত্থাপন কৰিব বিচাৰিছোঁ। বৰ্তমানৰ ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰশান্ত কিশোৰৰ নাম বিশেষভাৱে লেখত ল'বলগীয়া। ভাৰতীয় জনতা দলৰ কৌশল, ৰীতি নিৰ্ধাৰণ বিষয়ক এটি সাক্ষাৎকাৰত তেওঁক সোধা হৈছিল যে নৰেন্দ্ৰ মোদীৰ কি গুণৰ বাবে তেওঁ আকৰ্ষিত হয়। তেতিয়া তেওঁ একে

আযাৰতে কৈছিল যে মোদী ডাঙৰীয়াই যিকোনো কথা খুউব মনোযোগেৰে শুনে। মনোযোগেৰে শুনিলে যিকোনো কামৰ আধা অৰ্থাৎ ৫০% সমাধান হয় বুলি কোৱা হয়। মনোযোগ আৰু শ্ৰৱণ এটা আনটোৰ পৰিপূৰক। প্ৰথম কথা আমি শুনা কথাটোত মনোযোগ দিলে সমাধানৰ বহুতো পথ ওলাই, লগতে সৃজনশীলতাও বৃদ্ধি হয়। সৃজনাত্মক গুণৰ বৃদ্ধি কৰিবৰ বাবে ব্যক্তিৰ এই গুণসমূহৰ বিকাশ ঘটোৱাটো অত্যন্ত জৰুৰী।

জাতিৰ পিতা মহাত্মা গান্ধীয়েও সাধাৰণ লোকৰ সমস্যাসমূহ খুব মনোযোগেৰে শুনিছিল। গান্ধীজীৰ বিভিন্ন নতুন আঁচনিসমূহ শ্ৰৱণ, চিন্তন আৰু ধ্যানেৰেই প্ৰতিফলন। ভাৰতৰ আন আন বিশিষ্ট ব্যক্তি ৰবীন্দ্ৰনাথ ঠাকুৰ, কৃষ্ণমূৰ্তি আদি লোকসকলে শ্ৰৱণকলাৰ সৰ্বোত্তম ব্যৱহাৰৰ বাবে সকলো ছাত্ৰকে আহ্বান কৰিছিল।

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলে অলপ সময় মনোযোগেৰে শুনাৰ পিছতেই অমনোযোগী হোৱা দেখা যায়। যোগাযোগৰ ক্ষেত্ৰখনত শ্ৰৱণকলাই বিশেষ স্থান দখল কৰি আছে। মনৰ ভাব প্ৰকাশ কৰাৰ ক্ষেত্ৰত শ্ৰৱণ আৰু চিন্তন সমানেই ভূমিকা গ্ৰহণ কৰে।

কিন্তু বাৰ্তা গ্ৰহণ (hearing) আৰু শ্ৰৱণ/শুনাৰ মাজত এক পাৰ্থক্য আছে। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলৰ আৱয়বিক উপস্থিতি থাকিব পাৰে। শিক্ষকে কি কৈছে তেওঁলোকে শুনিব পাৰে, কিন্তু তাক মনত ৰখা অৰ্থাৎ শ্ৰৱণ কৰাটোহে অতিশয় গুৰুত্বপূৰ্ণ। কিয়নো শ্ৰৱণৰ জৰিয়তে বক্তাৰ মনৰ, চিন্তাৰ সকলো তথ্য তেওঁ শ্ৰোতা হিচাপে হৃদয়ংগম কৰিব পৰাটোহে এই শ্ৰৱণকলাৰ বৈশিষ্ট্য। শ্ৰৱণৰ বাবে ছাত্ৰ-ছাত্ৰীসকল মৌন হৈ থাকিব লাগিব। মৌনতা আৰু শ্ৰৱণ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। মৌন হৈ থকাটোৱে অৱদমিত হৈ থকা নুবুজায়। মৌনতাই বক্তাক তেওঁৰ বক্তৃতাৰ বাবে উৎসাহ যোগায়। ছাত্ৰ অৱস্থাত এইবিধ কলাৰ সদ্ব্যৱহাৰে নিপুণ আৰু কৌশলী ব্যক্তিৰ জন্ম দিব পাৰে। শ্ৰৱণৰ বাবে ছাত্ৰসকল বিনয়ী হ'ব লাগিব। সংস্কৃতত এষাৰ কথা আছে—

বিদ্যা দদাতি বিনয়ম্
বিনয়াৎ যাতি পাত্ৰতাম্
পাত্ৰত্বাৎ ধনমাপ্নোতি
ধনাৎ ধৰ্ম ততঃ সুখম্।

অৰ্থাৎ বিদ্যাই আমাক বিনয়ী কৰে। বিনয়ী হ'লে যোগ্যতা অৰ্জন কৰে। যোগ্যতাৰ দ্বাৰা ধন লাভ হয়। ধনৰ জৰিয়তে ধৰ্ম হয় আৰু মানুহে সুখ লাভ কৰে। এজন মানুহৰ শিক্ষা লাভ কৰাৰ উদ্দেশ্য হৈছে সুখ আৰু শান্তি অৰ্জন কৰা। আজিৰ ছাত্ৰ-ছাত্ৰীসকলে সেয়েহে সুখে-শান্তিৰে জীৱন নিৰ্বাহ কৰিবলৈ কি কৰিব, কেনেকৈ কৰিব তাক শ্ৰৱণ, কীৰ্তন, চিন্তন কৰি নিৰ্ধাৰণ কৰিব লাগে।

শ্ৰৱণ আৰু কীৰ্তনৰ এক উৎকৃষ্ট উদাহৰণ আমাৰ বৰ্তমান অসমৰ সমাজত দেখা পোৱা ভাগৱত পাঠ। বৰ্তমান অসমৰ গাঁৱে-ভূঞে মাঘ-ফাগুন মাহত ভাগৱত পাঠৰ সৰৱ আৰু নীৰৱ পঠন হোৱা দেখিবলৈ পোৱা যায়। এই ভাগৱত পাঠৰ অন্তৰালৰ কাহিনী বাৰুকৈয়ে শ্ৰৱণকলাৰ লগত জড়িত। পৰীক্ষিত ৰজা আছিল মহাপ্ৰতাপী ৰজা। তেওঁ এবাৰ চিকাৰ কৰিবলৈ গৈ সমীক ঋষিৰ আশ্ৰমত সোমায়। পৰীক্ষিত ৰজাই পানী বিচাৰি নাপায় তপস্যাত থকা ঋষিগৰাকীক এডাল মৰা সাপ পিন্ধাই থৈ আহিছিল। তেওঁৰ পুত্ৰ শৃংগী মুনিয়ে যেতিয়া দেখা পায়, পৰীক্ষিত ৰজাক অভিশাপ দিয়ে যে এক সপ্তাহৰ ভিতৰত তেওঁক তক্ষক নাগে দংশন কৰিব। তেতিয়া পৰীক্ষিত ৰজাক মৃত্যুভয়ৰ পৰা পৰিত্ৰাণ কৰিবলৈ শুকমুনিয়ে এক সপ্তাহ ভাগৱত পাঠ কৰি শুনাইছিল। পৰীক্ষিত ৰজাৰ এই ভাগৱত পাঠ শ্ৰৱণৰ ফলত মৃত্যুভয় নাইকিয়া হৈছিল। তেতিয়াৰ পৰাই ভাগৱত পাঠৰ শ্ৰৱণ আৰু কীৰ্তন চলি আহিছে। শ্ৰৱণৰ জৰিয়তে যদি আমি মৃত্যুভয়ৰ পৰা উদ্ধাৰ পাব পাৰোঁ, তেনেহ'লে এই কলাৰ গুৰুত্ব অতিকৈ গুৰুত্বপূৰ্ণ।

চিকিৎসা বিজ্ঞানতো আজিকালি শ্ৰৱণকলাৰ গুৰুত্ব দিনক দিনে বাঢ়ি অহা পৰিলক্ষিত হোৱা দেখিবলৈ পোৱা গৈছে। বৰ্তমান সংগীত থেৰাপীৰ জৰিয়তে বহু ৰোগীয়ে ৰোগৰ উপশম পাবলৈ সক্ষম হৈছে। শ্ৰৱণৰ জৰিয়তে হৃদয়ংগম কৰি সংগীত, বাদ্যৰ জৰিয়তে চিকিৎসা কৰাটো বিজ্ঞানৰ আন এক সফল যাত্ৰা বুলি ব্যাখ্যা কৰিব পাৰি।

বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ ষ্ট্ৰেচ, ডিপ্ৰেছন আদিৰ পৰা পৰিত্ৰাণ পাবলৈ বিভিন্ন বিশিষ্ট বক্তাৰ বক্তৃতা শুনিবলৈ পোৱা যায়। বৰ্তমান সামাজিক মাধ্যমত Motivational Speechৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যা সমাধান কৰাত বিশেষ সহায়ক হয়। সুধা মূৰ্তিৰ বক্তৃতা শুনি আমাৰ নৱ প্ৰজন্ম বিশেষভাৱে উজ্জীৱিত হোৱা দেখা গৈছে। নাৰী অৰ্থাৎ মহিলা সবলীকৰণত তেওঁৰ বক্তৃতাই মুখ্য ভূমিকা পালন কৰা দেখা গৈছে। বৰ্তমানৰ ডিজিটেল যুগত YouTube, Blog আদিৰ পৰাও সকাৰাত্মক চিন্তাৰে আজিৰ প্ৰজন্ম বিভিন্ন ধৰণে উপকৃত হোৱা দেখা গৈছে। এই সকলোবোৰ মূলতঃ শ্ৰৱণকলাৰ উৎকৃষ্ট উদাহৰণ। শ্ৰৱণৰ জৰিয়তে চিন্তন আৰু ধ্যানৰ উৎকৰ্ষ সাধন কৰি ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰিব পৰা যায়।

*লেখিকা ঃ সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ*

# সংস্কৃত-সুভাষিতস্য সুধাৰসপানম্

**তপন ৰাজবংশী**

**কোনবিলাকে মানুহৰ কষ্ট বুজি নাপায়—**

ৰাজা বেশ্যা যমো হ্যগ্নিস্তস্কৰো

বালযাচকৌ।

পৰদুঃখং ন জানন্তি অষ্টমো

গ্ৰামকণ্টকঃ।। ১।।

অৰ্থাৎ ৰজা, বেশ্যা, যমৰাজ, অগ্নি, চোৰ, শিশু, ভিক্ষাৰী আৰু অষ্টম গাঁৱৰ (পথৰ) কাঁইট— এইবিলাকে মানুহৰ কষ্ট নুবুজে।

**ঘৰ এখন কেতিয়া স্বৰ্গতুল্য হয়—**

যদি ৰামা যদি চ ৰমা

যদি তোয়ালে স বিনয়গুণোপেতঃ

যদি তনয়ে তনয়োৎপত্তিঃ

সুখমিন্দ্ৰে কিমাধিক্যমঞ্জ।। ২।।

অৰ্থাৎ যদি যদি ঘৰখনত সতী-সাধ্বী আৰু মধুৰ ভাষিণী তিৰোতা থাকে, আৰু ধন-সম্পত্তিও (প্ৰচুৰ পৰিমাণ) থাকে, যদি পুত্ৰও বিনম্ৰতা আদি গুণেৰে যুক্ত, আৰু পুত্ৰৰ পুত্ৰও (অৰ্থাৎ নাতি) ঘৰত থাকে, সেইখন ঘৰৰ দৰে সুখৰ ঘৰ ইন্দ্ৰলোকতো নাই। (অৰ্থাৎ ঘৰখনেই স্বৰ্গস্বৰূপ)।

**কোনবিলাক অলংকাৰে মানুহৰ শোভা বৰ্ধন কৰে—**

দানেন পাৰ্ণিন তু কঙ্কনেন

স্নানেন শুদ্ধিৰ্ন তু চন্দনেন।

মানেন তৃপ্তিৰ্ন তু ভোজনেন

জ্ঞানেন মুক্তিৰ্ন তু মুণ্ডনেন।। ৩।।

অৰ্থাৎ দানৰ দ্বাৰাহে হাতৰ শোভা বৃদ্ধি হয়, খাৰু পিন্ধিলে নহয়, শৰীৰ স্নান কৰিলেহে পবিত্ৰ হয় চন্দন ঘহিলে নহয়, আদৰ - সন্মানেহে মানসিক সন্তুষ্টি আনে ভোজন কৰিলে নহয়। জ্ঞানৰ দ্বাৰাহে মুক্তি প্ৰাপ্ত হয়, গহনা-কাপোৰ পিন্ধিলে নহয়।

**কাৰ বিষ ক'ত থাকে—**

তক্ষকস্য বিষং দন্তে মক্ষিকায়াস্তু মস্তকে।

বৃশ্চিকস্য বিষং পুচ্ছে সৰ্বাঙ্গে দুৰ্জনে বিষম্।।৪।।

অৰ্থাৎ সাপৰ বিষ থাকে দাঁতত, মাখিৰ বিষ মূৰত, বৃশ্চিকৰ বিষ নেজত কিন্তু দুৰ্জনৰ বিষ শৰীৰৰ সকলো অঙ্গতে।।

**কি বস্তু ক'ত থাকিলে মূল্যহীন—**

পুস্তকেষু চ যা বিদ্যা পৰহস্তেষু যদ্ধনম্।

উত্পন্নেষু চ কাৰ্য্যেষু ন সা বিদ্যা ন তদ্ধনম্।। ৫।।

অৰ্থাৎ যি বিদ্যা কিতাপতে আছে কণ্ঠস্থ হোৱা নাই আৰু যি ধন পৰৰ হাতলৈ গৈছে, কামৰ সময়ত সেই বিদ্যা তথা সেই ধন কোনো কামত নাহে। নিষ্ফল হয়।

**মানুহৰ কথা-বতৰা কেনে হোৱা উচিত—**

প্ৰিয়বাক্যপ্ৰদানেন সৰ্বে তুষ্যন্তি জন্তৱঃ।

তস্মাত্তদেৱ বক্তব্যং বচনে কা দৰিদ্ৰতা।।৬।।

অৰ্থাৎ প্ৰিয় বচনৰ দ্বাৰা সকলো প্ৰাণী সন্তুষ্ট হয়। সেই কাৰণে সদায় মধুৰ কথা ক'ব লাগে। কাৰণ প্ৰিয় বচন কোৱাত অভাৱ কিহৰ। অৰ্থাৎ সদায় মধুৰ বচনেৰে সকলোকে সন্তুষ্ট কৰিব লাগে।

**কোনবিলাক ভগৱত সেৱা—**

যস্য চিত্তং দ্ৰবীভুতং কৃপয়া সৰ্বজন্তুষু।

তস্য জ্ঞানেন মোক্ষেণ কিং জটাভস্মলেপনৈঃ।।৭।।

অৰ্থাৎ যাৰ হৃদয় সকলো প্ৰাণীৰ প্ৰতি দয়া কৰিবলৈ গলি থাকে অৰ্থাৎ সকলো প্ৰাণীৰ প্ৰতি কৃপা কৰাত উত্সুক সেইজনে জ্ঞান, মোক্ষপ্ৰাপ্তি তথা জঁটা ধাৰণ আৰু শৰীৰত ভস্ম লেপি সন্ন্যাসী হোৱাৰ প্ৰয়োজন কি অৰ্থাৎ প্ৰয়োজন নাই, কাৰণ জনসেৱাই ভগৱত সেৱা।

**আমি কি চিন্তা কৰিব লাগে—**

ত্যজ দুৰ্জনসংসৰ্গং ভজ সাধুসমাগমম্ম্

কুৰু পুণ্যমহোৰাত্ৰং স্মৰ নিত্যমনিত্যতাম্।।৮।।

অৰ্থাৎ দুষ্টজনৰ সংসৰ্গ ত্যাগ কৰা, সাধুজনৰ সঙ্গ লোৱা, দিনে ৰাতি ধৰ্মাচৰণ কৰা আৰু প্ৰতিদিন সংসাৰৰ অনিত্যতা সম্পৰ্কে চিন্তা কৰা আৰু লগতে নিত্য পৰমেশ্বৰক চিন্তা কৰা।

**কোনকেইটা বস্তু প্ৰাণহানিৰ কাৰক হ'ব পাৰে—**

অগ্নিৰাপঃ স্ত্ৰিয়ো মূৰ্খাঃ সৰ্পা ৰাজকুলানি চ।

নিত্যং যত্নেন সেব্যানি সদ্যঃ প্ৰাণহৰাণি ষট্।।৯।।

জুই, পানী, নাৰী, মূৰ্খলোক, সাপ আৰু ৰজাৰ মানুহ— এইবিলাক অতি সাৱধানেৰে ব্যৱহাৰ কৰিব লাগে। কাৰণ অকণমান ভুলবশতঃ এই ছয়টা প্ৰাণহানিৰ কাৰক হ'ব পাৰে।

**পৃথিৱীৰ ৰত্ন তিনিটা কি কি—**

পৃথিব্যাং ত্ৰীণি ৰত্নানি জলমন্নং সুভাষিতম্।

মূঢ়ৈঃ পাষাণখণ্ডেষু ৰত্নসংজ্ঞা বিধীয়তে।।১০।।

অৰ্থাৎ এই পৃথিৱীত মাত্ৰ তিনিটাই অমূল্য ৰত্ন— ভাত, পানী আৰু মধুৰ ভাষণ। জ্ঞানীলোকে এই কথা ভালকৈ জানে, কিন্তু মূৰ্খই সাধাৰণ শিলৰ টুকুৰাকেই ৰত্ন বুলি ভাবে।

**গুৰুক অৱহেলা কৰিলে কি হয়—**

একাক্ষৰপ্ৰদাতাৰং যো গুৰুং নাভিবিন্দতি।

শ্বানয়োনিশতং ভুক্তা চাণ্ডালেস্বভিজায়তে।।১১।।

অৰ্থাৎ যিজনে এটা আখৰৰ জ্ঞান প্ৰদান কৰোঁতাক অথবা গুৰুক মান সন্মান নকৰে, সেইজনে এশবাৰ কুকুৰৰ যোনিত জন্ম লোৱাৰ পিছত চাণ্ডালৰ ঘৰত জন্ম লয়।

**কোন কেতিয়া সন্তুষ্ট হয়—**

স্বভাবেন হি তুষ্যন্তি দেৱাঃ সত্ পুৰুষাঃ পিতা

জ্ঞাতয়স্ত্বন্নপানাভ্যাং বাক্যদানেন পণ্ডিতাঃ।।১২।।

অৰ্থাৎ দেৱতাঃ সাধু পুৰুষ আৰু পিতা এই তিনিজন স্বভাৱতেই সন্তুষ্ট থাকে, বন্ধু-বান্ধৱ খোৱা-বোৱাত আৰু পণ্ডিতবৰ্গ মাত-কথাত সন্তুষ্ট হয়।

**পণ্ডিতৰ লক্ষণ—**

মাতৃবত্ পৰদাৰেষু পৰদ্ৰব্যেষু লোষ্ঠৱত্।

আত্মবত্ সৰ্বভূতেষু যঃ পশ্যতি সঃ পণ্ডিতঃ।।১৩।।

অৰ্থাৎ যিজনে আনৰ পত্নীক মাতৃৰ দৰে, পৰধনক শিলগুটিৰ দৰে অৰ্থাৎ মূল্যহীন আৰু সকলো প্ৰাণীকে নিজৰ দৰে দেখে সেইজনেই পণ্ডিত।

**নিৰৰ্থক শৰীৰ কিয় পৰিত্যাগ কৰিব লাগে—**

হস্তৌ দানবিবৰ্জিতৌ শ্ৰুতিপুতৌ সাৰস্বতদ্ৰোহিণো,

নেত্ৰে সাধুবিলোকনেন গহিতে পাদৌ ন তীৰ্থং গতৌ।

অন্যায়াৰ্জিতবিত্ত পূৰ্ণমুদ্ৰৰং গৰেণ তুঙ্গং শিৰো

ৰে ৰে জম্বুক মুঞ্চ মুঞ্চ সহসা নীচং সুনিন্দ্যং বপুঃ।।১৪।।

অৰ্থাৎ দুয়োখন হাত দানৰহিত অৰ্থাৎ কেতিয়াও একো দান দি পোৱা নাই দুয়োখন কান বেদশাস্ত্ৰশ্ৰৱণৰ বিৰোধী অৰ্থাৎ কেতিয়াও বেদধ্বনি শুনিব নোখোজে, চকুযুৰিয়ো মহাত্মা দৰ্শনৰ পৰিপন্থী, ভৰি দুখনেও তীৰ্থভ্ৰমণ কৰাত বিৰোধী, কেৱল অন্যায় পথেৰে অৰ্জা ধনেৰে পেট পৰিপূৰ্ণ কৰি অহঙ্কাৰত শিৰ উচ্চ কৰি থকা হে শিয়ালৰূপী মনুষ্য, তই নিন্দাৰ যোগ্য এই শৰীৰটো এতিয়াই ত্যাগ কৰ।

**শুই থকা কোন কেইজনক জগাই দিব লাগে—**

বিদ্যাৰ্থী সেৱকঃ পান্থঃ ক্ষুধাৰ্তো ভয়কাৰকঃ

ভাণ্ডাৰী প্ৰতিহাৰী চ সপ্ত সুপ্তান্ প্ৰবোধয়েত্।।১৫।।

অৰ্থাৎ শুই থকা এই সাতজনক সদায় সোনকালে জগাই দিব লাগে— বিদ্যাৰ্থী, সেৱক, পথিক, ভোকাতুৰ, ভয়-ভীত, ভৰালী আৰু ৰক্ষী বা দুৱৰী।

**পুৰুষৰ কাৰণে অত্যন্ত দুখদায়ক কি হ'ব পাৰে —**

বৃদ্ধকালে মৃতা ভাৰ্য্যা বন্ধুহস্তে গতং ধনম্।

ভোজনং চ পৰাধীনং তিস্ৰঃ পুংসাং বিড়ম্বনা।।১৬।।

অৰ্থাৎ বুঢ়া অৱস্থাত ঘৈণীৰ মৃত্যু হলে, মিত্ৰ-কুটুম্বৰ হাতলৈ যোৱা ধন, আৰু আনৰ অধীনত ভোজন— এই তিনিটা পুৰুষৰ কাৰণে অত্যন্ত দুখদায়ক।

**নৰকত বাস কৰাসকলৰ শৰীৰত দেখা পোৱা চিহ্নকেইটা—**

অত্যন্তকোপঃ কটুকা চ বাণী দৰিদ্ৰতা চ স্বজনেষু বৈম্।

নীচপ্ৰসঙ্গঃ কুলহীনসেবা চিহ্নানি দেহে নৰকস্থিতানাম্।।১৭।।

অৰ্থাৎ নৰকত বাস কৰা তথা তাৰ পৰা এই জগতলৈ অহাসকলৰ শৰীৰত এইকেইটা চিহ্ন দেখিবলৈ পোৱা যায়। অত্যন্ত ক্ৰোধী স্বভাৱ, কটু ভাষণ, দৰিদ্ৰতা, ভাই-বন্ধু, মিতিৰ-কুটুমৰ প্ৰতি হিংসা-দ্বেষ, দুষ্টৰ লগত সম্পৰ্ক আৰু কুলহীনৰ সেৱা।

**অদৃশ্য ৰূপত কি কি বিৰাজমান—**

পুষ্পে গন্ধং তিলে তৈলং কাষ্ঠেগ্নিং পয়সি ঘৃতম্।

ইক্ষৌ গুড়ং তথা দেহে পশ্যাত্মানং বিবেকতঃ।।১৮।।

অৰ্থাৎ যেনেকৈ অদৃশ্য ৰূপত ফুলত গন্ধ, তিলত তেল, খৰিত অগ্নি, গাখীৰত ঘি, কুহিয়াৰত গুড় তেনেকৈ শৰীৰত অদৃশ্য ৰূপত আত্মা বিৰাজমান।

*লেখক ঃ সংস্কৃত শিক্ষক*

# প্ৰাচীন ভাৰতীয় নীতিশাস্ত্ৰকাৰসকল

**ভাগ্যশ্ৰী ভাগৱতী**

নীতিশাস্ত্ৰ, যাক নৈতিকতা (নীতি-নিয়ম) বা ৰাজনীতিৰ বিজ্ঞান বুলি কোৱা হয় আচাৰ্য চাণক্যক তাৰ জনক বুলি কোৱা হয়। আচাৰ্য চাণক্যক নীতিশাস্ত্ৰৰ লগতে অৰ্থশাস্ত্ৰৰ জনক বোলা হয়। সংস্কৃতত নীতি বুলিলে নেতৃত্ব কৰা, মাৰ্গদৰ্শন কৰা, আচৰণ, ব্যৱহাৰ আদিক বুজায়। নীতিশাস্ত্ৰৰ অৰ্থই হৈছে জ্ঞান, নৈতিকতাৰ লগতে শুদ্ধ মাৰ্গ বা পথ। নীতিশাস্ত্ৰই এখন সমাজক স্থিৰতাৰ লগতে প্ৰগতিৰ দিশে আগুৱাই নিয়ে। নীতিশাস্ত্ৰই এখন সমাজৰ লক্ষ্যক সাকাৰ কৰে যেনেদৰে ধৰ্ম, অৰ্থ, কাম, মোক্ষ। নীতিশাস্ত্ৰ প্ৰসিদ্ধ তেলেগু কবি 'বড্ডেনা' (১২২০-১২৮০) দ্বাৰা লিখিত নৈতিকতাৰ এক সংগ্ৰহ।

নীতিশাস্ত্ৰকাৰ বুলি ক'লে বিশেষকৈ কেইজনমান ব্যক্তিৰ কথা উল্লেখ কৰিব পাৰি। সেইকেইজন হ'ল— কামণ্ডক, কৌটিল্য, মনু, শুক্ৰাচাৰ্য আদি। এই সকলোৱে নীতিমূলক গ্ৰন্থ ৰচনা কৰি আমাৰ সমাজখনক আগুৱাই নিয়াত সহায় কৰিছিল।

**কামণ্ডক ঃ** কামণ্ডক আছিল কামণ্ডকীয় নীতিসাৰ গ্ৰন্থৰ প্ৰণেতা। এই গ্ৰন্থখন ৰাজ্যশাস্ত্ৰ বিষয়ক সংস্কৃত গ্ৰন্থ। বাস্তৱত এই গ্ৰন্থখনে কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ সাৰভূত সিদ্ধান্তৰ (মুখ্যভাৱে ৰাজনীতি বিদ্যা) প্ৰতিপাদন কৰে। এই গ্ৰন্থখনিৰ ভাষা অত্যন্ত সৰল। নীতিসাৰ গ্ৰন্থৰ আৰম্ভণিতে বিষ্ণুগুপ্ত চাণক্যৰ প্ৰশংসাৰ কথা পোৱা যায়। কামণ্ডকক কামণ্ডকী বা কামণ্ডকীয় বুলিও জনা যায়। কামণ্ডকীয় নীতিসাৰত মুঠতে ২০টা সৰ্গ তথা ৩৬টা প্ৰকৰণ আছে। সেই সৰ্গকেইটাৰ বিষয়বস্তু ক্ৰমে প্ৰথম সৰ্গত ৰজাৰ ইন্দ্ৰিয় নিয়ন্ত্ৰণ সম্পৰ্কীয় বিচাৰ, দ্বিতীয় সৰ্গত শাস্ত্ৰবিভাগ, বৰ্ণাশ্ৰম ব্যৱস্থা আৰু দণ্ডনীতিৰ মাহাত্ম্য, তৃতীয় সৰ্গত ৰজাৰ সদাচাৰৰ নিয়ম, চতুৰ্থ সৰ্গত ৰাজ্যৰ সাতটা অংগৰ বিবেচনা, পঞ্চমাঙ্কত ৰজা আৰু ৰাজসেৱকসমূহৰ মাজৰ পৰস্পৰ সম্বন্ধ, ষষ্ঠ সৰ্গত ৰাজ্যৰ দ্বাৰা দুষ্টসকলৰ নিয়ন্ত্ৰণৰ লগতে ধৰ্ম-অধৰ্মৰ ব্যাখ্যা, সপ্তম সৰ্গত ৰাজপুত্ৰ আৰু অন্যৰ সংকটৰ পৰা ৰক্ষা কৰা দক্ষতাৰ বৰ্ণনা। এনেধৰণে ২০টা সৰ্গত বিভিন্ন ৰাজনীতি সম্বন্ধিত নীতি-নিৰ্দেশনা পোৱা যায়।

কামণ্ডকীয় নীতিসাৰ এই গ্ৰন্থখনি কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ পৰা সাৰ সংগ্ৰহ কৰি ৰচনা কৰা হৈছে যদিও দুয়োখন গ্ৰন্থৰ মাজত কিছু পাৰ্থক্য দেখা পোৱা যায়। কৌটিল্যাই ৰজা আৰু ৰাজ্য বিস্তাৰৰ বাবে যুদ্ধ আৱশ্যকীয় বুলি কৈছে আৰু যুদ্ধকাৰ্যত নিপুণ হ'বৰ বাবে প্ৰায়ে চিকাৰাদি কৰি নিজকে প্ৰশিক্ষিত কৰি থাকিব লাগে কিন্তু ইয়াৰ বিপৰীতে কামণ্ডকীয় নীতিসাৰত ৰজাক যুদ্ধতো নালাগে, চিকাৰাদি কৰাত অনাৱশ্যক বুলি কৈছে, তেওঁ প্ৰতিটো জীৱৰে জীয়াই থকাৰ অধিকাৰ থকা আৰু প্ৰত্যেকৰে নিজস্ব অস্তিত্ব থকাৰ কথা কৈছে। য'ত কৌটিল্যাই বিজয়প্ৰাপ্তিৰ বাবে সাম, দাম, দণ্ড ভেদনীতিৰ (উপায়াঃসামোপপ্ৰদানভেদদণ্ডাঃ) ওপৰত নিৰ্ভৰ কৰিছে তাৰ বিপৰীতে কিন্তু নীতিসাৰে মন্ত্ৰণা শক্তি, কূটনীতি, প্ৰভুশক্তি, উৎসাহ শক্তিক প্ৰাধান্য দিয়ে। ইয়াৰ উপৰি কামণ্ডকে নীতিসাৰ গ্ৰন্থত উল্লেখ কৰে যে এজন বুদ্ধিমান শাসকে সদায় যুদ্ধক নিৰ্বাপিত কৰিব লাগে অৰ্থাৎ যুদ্ধৰ বিৰোধিতা কৰিব লাগে। কামণ্ডক চাণক্য অথবা কৌটিল্যৰ শিষ্য আছিল।

কামণ্ডকৰ 'নীতিসাৰ' নামক গ্ৰন্থখনৰ সময় অষ্টম শতাব্দী আৰু ই গুপ্তোত্তৰ কালত বা গুপ্তযুগত ৰচিত বুলি অনুমান কৰা হয়। এই গ্ৰন্থৰ প্ৰণেতা কামণ্ডকক কূটনীতিত কৌশল বুলি জনা যায়।

**কৌটিল্য ঃ** কৌটিল্য হ'ল অৰ্থশাস্ত্ৰৰ জনক অথবা প্ৰণেতা। কৌটিল্যক চাণক্য বুলিও জনা যায়। ইয়াৰ উপৰি তেওঁক বিষ্ণুগুপ্ত নামেৰে জনা যায়। বিদ্বানসকলৰ মতানুসৰি, কৌটিল্যৰ জন্ম হৈছিল ৪০০ খ্ৰীষ্টপূৰ্বত তক্ষশীলাৰ (বৰ্তমানৰ পাকিস্তান)

এটা ব্ৰাহ্মণ পৰিয়ালত। তেওঁ নিজৰ শিক্ষাও তক্ষশিলাতেই গ্ৰহণ কৰিছিল। কৌটিল্য মৌৰ্য সাম্ৰাজ্যৰ সংস্থাপক চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভাৰ প্ৰধান মন্ত্ৰী আছিল। 'চণক' নামৰ ব্যক্তিৰ পুত্ৰ হোৱাৰ বাবে তেওঁৰ নাম 'চাণক্য' হয়। কূটনীতি, অৰ্থনীতি, ৰাজনীতিৰ মহাবিদ্বান আৰু নিজৰ মহাজ্ঞানৰ 'কুটিল' সদ্ উপযোগ জনকল্যাণ তথা অখণ্ড ভাৰতৰ নিৰ্মাণৰ দৰে সৃজনাত্মক কাৰ্য কৰাৰ বাবে তেওঁ কৌটিল্য নামেৰে জনাজাত। নালন্দা বিশ্ববিদ্যালয়ত কৌটিল্যই শিক্ষা সমাপ্ত কৰি পুনৰ সেই বিশ্ববিদ্যালয়তেই প্ৰধান অধ্যাপকৰূপে সেৱা আগবঢ়ায়। আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ সময়ত তেওঁ আলেকজেণ্ডাৰক ৰোধিবৰ বাবে মগধৰাজ মহানন্দৰ ওচৰত সহায় বিচাৰি যোৱাত সম্ৰাট মহানন্দই তেওঁক অত্যন্ত বেয়া ব্যৱহাৰ কৰিছিল। এনেদৰে ৰাজসভাত অপমানিত হোৱাৰ পাছতেই তেওঁ সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰি সম্পূৰ্ণ নন্দ বংশ ধ্বংসৰ ইতিহাস সৃষ্টি কৰিছিল। তেওঁ নিজৰ প্ৰতিজ্ঞা অনুসৰি সম্পূৰ্ণ নন্দবংশ ধ্বংস কৰি সেই আসনত চন্দ্ৰগুপ্ত মৌৰ্যক অধিষ্ঠিত কৰায়। ইয়াৰ পৰা তেওঁৰ 'কুটিলতা' গুণৰ পৰিচয় পোৱা যায়। তেওঁৰ অৱদান ভাৰতৰ ৰাজনীতিত অনস্বীকাৰ্য। তেওঁৰ দ্বাৰা ৰচিত 'অৰ্থশাস্ত্ৰ'ও এখন ৰাজনীতি বিষয়ক গ্ৰন্থ।

**মনু ঃ** সনাতন ধৰ্মানুসৰি মনু আছিল সংসাৰৰ প্ৰথম যোগীপুৰুষ। প্ৰথমে মনুৰ নাম স্বয়ম্ভুৱ মনু আছিল যাৰ লগত প্ৰথম স্ত্ৰী আছিল শতৰূপা। মনু স্বয়ং অৰ্থাৎ মাক-দেউতাক অবিহনে উৎপন্ন হোৱা বাবে তেওঁক স্বয়ম্ভু বোলা হৈছিল। মনুক আদি (আৰম্ভ) বুলিও জনা যায়। মনুৱে মনুস্মৃতি অথবা মনুসংহিতা নামৰ গ্ৰন্থখন ৰচনা কৰে য'ত হিন্দুধৰ্ম/মানৱ জাতিৰ সূচনা পোৱা যায়। মনুস্মৃতি গ্ৰন্থখনত মুঠ ১২টা অধ্যায় আছিল য'ত ২৬৮৪ টা শ্লোক আছিল। মনুস্মৃতিৰ বিষয়বস্তুৰ ফালে লক্ষ্য কৰিলে দেখা যায় যে— এই গ্ৰন্থখনিয়ে জীৱনশৈলী, বিভিন্ন জাতি, ব্যক্তি এজনৰ সামাজিক দায়িত্বৰ লগতে কৰ্তব্য, সামাজিক সম্বন্ধ, কৰ, শান্তি অৱলম্বন, আত্মনিয়ন্ত্ৰণৰ লগতে ৰাজত্বৰ নিয়ম আদিৰ বিষয়ে শিক্ষা দিয়ে। 'মনুস্মৃতি' এখন নীতিশাস্ত্ৰ। এইখন গ্ৰন্থ বৰ্তমানো হিন্দু বিধান তথা নীতিশাস্ত্ৰৰ ক্ষেত্ৰত প্ৰয়োগ হৈছে। মনুৱে মনুস্মৃতিৰ ১২টা অধ্যায়ত বৰ্ণনা কৰা বিষয়বোৰ হ'ল ক্ৰমে প্ৰথম অধ্যায়ত ব্ৰহ্মাৰ সৃষ্টি দেৱতা, ব্ৰাহ্মণ, দিন-ৰাতি, পাপ-পুণ্য, চাৰি যুগ ইত্যাদি। দ্বিতীয় অধ্যায়ত ইচ্ছা, অভিপ্ৰায়, ধৰ্ম, নৰক, মোক্ষ ইত্যাদিৰ বিষয়ে পোৱা যায়। তৃতীয় অধ্যায়ত চাৰি বৰ্ণৰ নিয়ম, যৌন সম্পৰ্কৰ নিয়ম, স্নান ইত্যাদি। পঞ্চম অধ্যায়ৰ পৰা দ্বাদশ অধ্যায়লৈ ক্ৰমে স্বামী-স্ত্ৰীৰ কৰ্তব্য, মৃত্যুৰ কাৰণ, খাদ্য-অখাদ্য, মাংস ভক্ষণ নিষেধ, ৰজাৰ কৰ্তব্য, ন্যায়, বিভিন্ন প্ৰকাৰ-পৰিমাণৰ দণ্ড, বাণিজ্য-ব্যৱসায়, নাৰীৰ কৰ্তব্য, ছয় প্ৰকাৰৰ স্ত্ৰী বৰ্ণ, উচ্চ-নীচৰ মাজৰ অন্তৰ, যজ্ঞবিধি, পশ্চাতাপ আৰু অন্তিম (১২) অধ্যায়ত কৰ্ম, স্বৰ্গ, নৰক, শৰীৰ, পঞ্চভূত, বিভিন্ন কাৰ্যৰ পৰিণাম ইত্যাদিয়েই মনু বিৰচিত 'মনুস্মৃতি' নামক নীতিশাস্ত্ৰত উল্লেখিত হৈ আছি। মনুৰ দ্বাৰা বিৰচিত এই 'মনুস্মৃতি' নামক গ্ৰন্থখন সৎ আদৰ্শৰে পৰিপূৰ্ণ।

মহাভাৰতত মনুৰ কথা উল্লেখ পোৱা যায়। তেওঁক বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰোঁতা ব্ৰহ্মাৰ সন্তান বুলিও কয়। মনুৱে নিজৰ গ্ৰন্থৰ জৰিয়তে মানৱক সৎ পথত চলি কিদৰে জীৱন নিৰ্বাহ কৰিব লাগে সেই বিষয়ে শিক্ষা দি গৈছে।

**শুক্ৰাচাৰ্য ঃ** শুক্ৰাচাৰ্য ভৃগুঋষি তথা দিব্যাৰ পুত্ৰ আছিল। তেওঁ ভগৱান বিষ্ণুৰ ভক্ত প্ৰহ্লাদৰ ভতিজা আছিল। এওঁৰ জন্মৰ নাম আছিল 'শুক্ৰ উশনস'। পুৰাণ অনুসৰি এওঁ অসুৰসকলৰ (দৈত্য, দানৱ, ৰাক্ষস) গুৰু তথা পুৰোহিত আছিল। মৎস্য পুৰাণ অনুসৰি শুক্ৰাচাৰ্য শ্বেতবৰ্ণৰ আছিল বুলি জনা যায়। দৈত্যগুৰু শুক্ৰাচাৰ্য ভগৱান শিৱৰ অনন্য উপাসক আছিল। আৰম্ভণিতে এওঁ অংগীৰস ঋষিৰ শিষ্যত্ব গ্ৰহণ কৰিছিল যদিও যেতিয়া তেওঁ নিজৰ পুত্ৰৰ প্ৰতি পক্ষপাত দেখুৱাবলৈ ল'লে তেতিয়া শুক্ৰাচাৰ্যই ভগৱান শিৱৰ আৰাধনাত ব্ৰতী হয় আৰু তেওঁৰ পৰা মৃতসঞ্জীৱনী বিদ্যা প্ৰাপ্ত কৰে যাৰ জৰিয়তে যুদ্ধত মৃত্যু হোৱা সৈন্যকো তেওঁ পুনৰ জীৱিত কৰে। শুক্ৰাচাৰ্যই ১০০০ অধ্যায়ৰ 'বাৰ্হস্পত্য শাস্ত্ৰ' ৰচনা কৰিছিল। 'গো' আৰু 'জয়ন্তী' নামে তেওঁৰ দুগৰাকী পত্নী আছিল। অসুৰৰ আচাৰ্য হোৱাৰ বাবেই তেওঁক অসুৰাচাৰ্য/শুক্ৰাচাৰ্য বোলে। মাতা লক্ষ্মীক গুৰু শুক্ৰাচাৰ্যৰ ভনীয়েক আখ্যা দিয়া হয়। ঋষি শ্ৰৱণ তেওঁৰ ভায়েক আছিল। মনা হয় শুক্ৰাচাৰ্যৰ নাম প্ৰথমতে উশনা আছিল। আচাৰ্য শুক্ৰাচাৰ্য শুক্ৰনীতিৰ প্ৰৱৰ্তক আছিল কিন্তু তেওঁৰ পুত্ৰসকলে হিৰণ্যকশিপুৰ ওচৰত নীতিশাস্ত্ৰৰ অধ্যাপনা কৰিছিল। শুক্ৰাচাৰ্যই সঞ্জীৱনী মন্ত্ৰ শিকি 'দেৱাসুৰ সংগ্ৰাম'ত অনেক অসুৰক জীৱিত কৰি যুদ্ধত জয়লাভ কৰাইছিল।

ওপৰত উল্লেখিত কামণ্ডক, কৌটিল্য আদিকে ধৰি বাকীসকলেও এই সমুদ্ৰবসনা পৃথিৱীত ৰাজত্ব কৰি মানৱক সত্য, অহিংসা নীতিৰ পথ দেখুৱাই এক অবিস্মৰণীয় ইতিহাস ৰচি থৈ গৈছে যিয়ে ভাৰতৰ ৰাজনীতিক উচ্চ পৰ্যায়লৈ লৈ গৈছে। এই মহান ব্যক্তিসকলৰ দ্বাৰা ভাৰতৰ বাবে আগবঢ়োৱা অৱদান অনস্বীকাৰ্য।

*লেখিকা ঃ স্নাতক দ্বিতীয় যাণ্মাসিক, সংস্কৃত বিভাগ*



# শ্ৰীমদ্ভগৱদগীতাত উপলব্ধ দাৰ্শনিক তত্ত্বৰ অধ্যয়ন

দেৱাশ্ৰী শইকীয়া

দৰাচলতে শ্ৰীমদ্ভগৱদগীতাৰ মাহাত্ম্য বাক্যৰ দ্বাৰা বৰ্ণনা কৰা কাৰো দ্বাৰা সম্ভৱ নহয়। কাৰণ, এইখন এখন পৰম ৰহস্যময় পুথি। এইখনত সমস্ত বেদৰ সাৰমৰ্ম সংগ্ৰহ কৰা হৈছে। গীতাৰ সংস্কৃত ভাষা ইমান সুন্দৰ আৰু সৰল যে অকণমান চেষ্টা কৰিলেই সাধাৰণ পাঠকে বুজিব পাৰে। অথচ ইয়াৰ বিষয়বস্তু ইমান গভীৰ যে আজীৱন অধ্যয়ন কৰিলেও ইয়াৰ আদি-অন্ত পোৱা নাযাব। প্ৰতিদিনে নতুন নতুন ভাৱৰ উদয় হয়। সেয়ে ইয়াত সদায় অভিনৱত্ব থাকে আৰু একাগ্ৰচিত্তে, শ্ৰদ্ধা-ভক্তিসহকাৰে, গভীৰভাৱে মনোনিৱেশ কৰিলে ইয়াৰ প্ৰতিটো পদ যে পৰম ৰহস্যেৰে ভৰা বুজিব পাৰি। ভগৱানৰ গুণ, প্ৰভাৱ আৰু মৰ্ম এই গীতা শাস্ত্ৰত যি ধৰণে বৰ্ণনা কৰা হৈছে, অন্য গ্ৰন্থত সেই ধৰণে পোৱা কঠিন, কাৰণ প্ৰায় সকলো গ্ৰন্থতেই কিছু নহয় কিছু সাংসাৰিক বিষয়ৰ আলোচনা থাকে।

শ্ৰীমদ্ভগৱদগীতাৰ নিৰ্ধাৰিত কিছুমান দাৰ্শনিক ধাৰণা তলত আগবঢ়োৱা হ'ল—

"কৰ্মণেবাধিকাৰস্তে মা ফলেসু কদাচন।

মা কৰ্মফলহেতুৰ্ভু মা তে সংগহস্ত্ব কৰ্মণি।।"

পৃথিৱীত সময়ে সময়ে মানুহৰ জন্ম হয়। আৰু জন্মা মানুহ সময়ত মৃত্যু মুখত পৰে, এয়াই হৈছে চিৰচৰিত নিয়ম। কিন্তু জীয়াই থকা দিনকেইটা কৰ্ম বিনে মানুহৰ গতি নাই। কৰ্মবো দুটা প্ৰকাৰ— ভাল কৰ্ম আৰু বেয়া কৰ্ম। কৃতকৰ্মৰ পৰা মানুহৰ কৰ্মফল সৃষ্টি হয়। ভাল কৰ্মই ভাল ফল দিয়াৰ বিপৰীতে বেয়া কৰ্মই বেয়া ফল প্ৰদান কৰে। ভাল কৰ্ম ফলৰ বলত মানুহৰ স্বৰ্গ প্ৰাপ্তি হয় বুলি বিশ্বাস কৰা হয়। তাৰ বিপৰীতে বেয়া কৰ্মৰ ফলৰ বাবে মানুহে পুনৰবাৰ সেই ফল ভুগিবলৈ পৃথিৱীত জন্মগ্ৰহণ কৰিবলগীয়া হয়। পৃথিৱীত জন্মা মাত্ৰেই আকৌ দুখ-যন্ত্ৰণাই মানুহক ব্যতিব্যস্ত কৰে। সেইবাবে ভাল কৰ্ম ফলৰ দ্বাৰা মুক্তি লাভকে মানুহে কামনা কৰে। কিন্তু মানুহে আশা নকৰাকৈ কৰ্ম কৰি যোৱাহে উচিত। কৰ্মফলৰ আশা কৰি কৰ্মত প্ৰবৃত্ত নহ'বলৈ শ্ৰীকৃষ্ণই গীতাত মহাবাণী প্ৰচাৰ কৰিছে। পৃথিৱীত জন্মা প্ৰতিগৰাকী ব্যক্তিয়েই কৰ্ম কৰা উচিত। কৰ্ম ত্যাগ কেতিয়াও ব্যক্তিৰ বাবে ইচ্ছা হ'ব নালাগে।

অধিষ্ঠানং তথা কৰ্ত্তা কৰণঞ্চ পৃথব্বিধম্।
বিবিধাশ্চ পৃথক চেষ্টা দৈৱঞ্চবাত্ৰ পঞ্চমম্।।

কোনো এটা কৰ্ম হ'বলৈ গ'লেই কৰ্তা কৰণ বা সাধন যন্ত্ৰ অধিকৰণ বা স্থান আৰু কৰ্তাৰ নানাবিধ চেষ্টাৰ প্ৰয়োজন। বেদান্তাদি শাস্ত্ৰৰ মতে অহংকাৰেই কৰ্তা। চকু আদি ইন্দ্ৰিয়বৰ্গকৰণ। এই দেহেই অধিষ্ঠান আৰু প্ৰাণাপানাদিৰ ব্যাপাৰেই চেষ্টা বুলি গৃহীত হৈছে। এইবোৰৰ সহায়তেই কৰ্ম সম্পাদন হয়। ইয়াৰ বাহিৰেও আমাৰ প্ৰযত্নৰ প্ৰয়োগ আৰু অনুকূল একে কোনো ব্যাপাৰ আছে যাক আমি নাজানো আৰু নেদেখো তাকেই দৈৱ বোলা হয়। দৈৱম অৰ্থাৎ অদৃষ্ট। আমি সাধাৰণতঃ অদৃষ্টবাদ বা কৰ্মফল নাইবা বিধাতাৰ কপালত লিখন এটা অনিৰ্দিষ্ট ফল বুলি বুজো। কিন্তু আচলতে দৈৱ নাইবা অদৃষ্ট শ্ৰী ভগৱানকে বুজিব লাগিব। যি দৈৱ লংঘন কৰিবৰ ভৱ, বিৰিঞ্চ আদি দেৱতাসকলৰো সাধ্য নাই, কাৰণ সকলো ঈশ্বৰৰ সংকল্পৰ অধীন। ভগৱানেই অন্তৰালত থাকি চক্ষুৰাদি সমস্ত ইন্দ্ৰিয় বৃত্তিত শক্তিদান কৰিছে এই শক্তিয়েই দৈৱ। এই ঈশ্বৰৰ সংকল্পকেই কোনো কোনোৱে সৰ্বপ্ৰেৰক অন্তৰ্যামী বুলি কয়। কোনো কোনোৱে ইয়াক নিয়তিৰ প্ৰাক্তন কৰ্মফল, পূৰ্বজন্মৰ কৰ্মফল বা ধৰ্মাধৰ্মৰ সংস্কাৰ লৈ বিধাতাৰ লিখন বা অদৃষ্ট বুলি কয়। অনেকে ভাবে যে দৈৱ খণ্ডনৰ উপায় নাই যেতিয়া, পুৰুষাকাৰ অৱলম্বন কৰা বৃথা। কিন্তু সেই কথা নহয়, দৈৱ, পুৰুষাকাৰ দুয়ো ভগৱানেই। যিহেতু পুৰুষাকাৰ স্বৰূপে ভগৱানেই আমাৰ ভিতৰত আছে। এই জন্মৰ পুৰুষাকাৰ অৰ্থাৎ যত্ন-চেষ্টাই পৰজন্মত অদৃষ্টৰূপে ফলদান কৰে। এতেকে পৌৰুষ স্বৰূপেও শ্ৰীভগৱান আৰু দৈৱ স্বৰূপেও তেৱেঁই।

নৈব কিঞ্চিৎ কৰোমীতি যুক্তো মন্যেত তত্ত্ববিৎ।
পশ্যন শৃণ্বন স্পৃশন জিঘ্ৰন্নশ্নন্ গচ্ছন্ স্বপনস্বসন।।
প্ৰলপন বিসৃজন গৃহ্নন্নুষন্নিমিষন্নপি।
ইন্দ্ৰিয়াণীন্দ্ৰিয়াৰ্থেষু বৰ্তন্ত ইতি ধাৰয়ন্।।

প্ৰকৃতিয়ে কৰ্ম কৰে, আত্মা অকৰ্তা, এই তত্ত্ব যিজনে জানে। পৰমাৰ্থদৰ্শী কৰ্মযোগীসকলে দৰ্শন, শ্ৰৱণ, স্পৰ্শ, ঘ্ৰাণ, গমণ, ভোজন, নিশ্বাস, গ্ৰহণ, কথন, ত্যাগ, উন্মেষ আৰু নিমেষ ইত্যাদি কৰ্ম কৰিও মনতে ভাবে যে মই একো কৰা নাই, সকলো বিষয়ৰ কৰ্ম ইন্দ্ৰিয়ই কৰে, মই একোকে কৰা নাই। এনেকুৱা কৰ্তৃত্বাভিমানশূন্য হেতুকে ইন্দ্ৰিয়ৰ দ্বাৰাই সমস্ত কৰ্ম কৰিও তেওঁ কৰ্মত লিপ্ত নহয়।

দৰ্শন, শ্ৰৱণ, স্পৰ্শ, ঘ্ৰাণ আৰু ভোজন এইবোৰ চকু কৰ্ণাদি পঞ্চজ্ঞানেন্দ্ৰিয়ৰ কৰ্ম। গমন, গ্ৰহণ, কথন, বিসৰ্গ (মল-মূত্ৰ ত্যাগ এইবোৰ পঞ্চ কৰ্মেন্দ্ৰিয়ৰ কৰ্ম) শ্বাস, উন্মেষ, নিমেষ এইবোৰ প্ৰাণাদি ইন্দ্ৰিয় মন, বুদ্ধি আদি প্ৰকৃতিৰ পৰিণাম। ইহঁতৰ কৰ্মৰ কাৰণে আত্মা লিপ্ত হয়।

যোগস্থ কুৰু কৰ্মাণি সঙ্গং ত্যক্ত্বাধনঞ্জয়।
সিদ্ধ্যসিদ্ধ্যোঃ সমোভূত্বা সমত্বং যোগউচ্যতে।।

গীতাত কৰ্ম শব্দ সংকীৰ্ণ অৰ্থাৎ ব্যৱহৃত হোৱা নাই বাবে গীতাতেই এই কথা স্পষ্টকৈ কৈছে। তুমি যুদ্ধ কৰা জনকাদি ৰাজৰ্ষিসকলেও কৰ্ম কৰি গৈছে। ময়ো লোক ৰক্ষাৰ্থে স্বয়ং কৰ্ম কৰো। কৰ্ম নকৰাকৈ ক্ষণ কালো থকা নাযায়। অধিকন্তু কৰ্মত্যাগ কৰিলে শৰীৰ ৰক্ষাও সম্ভৱ নহয়। এই কাৰণে গীতাৰ কৰ্ম শব্দ কেৱল বেদত কৰ্মকাণ্ডৰ অন্তৰ্গত যাগ-যজ্ঞাদি ক্ৰিয়া-কাণ্ডৰ কথাই নুবুজায়। ৰাতিপুৱাৰপৰা গধূলিলৈকে যাৱতীয় কৰ্মকেই লক্ষ্য কৰি গীতাত ব্যাপকভাৱে কৰ্ম শব্দ ব্যৱহৃত হৈছে। অৱশ্যে ঠাই বিশেষত কৰ্ম শব্দই বেদৰ ক্ৰিয়াকাণ্ডক লক্ষ্য কৰিলেও প্ৰায় গীতাত কৰ্ম শব্দই ব্যাপকভাৱেই ব্যৱহৃত হৈছে। যিজন সমস্ত কৰ্ম ব্ৰহ্মত সমৰ্পণ কৰে, তেওঁক কৰ্মফলে স্পৰ্শ কৰিব নোৱাৰে। এনে কি গীতাত কাম্য কৰ্মকে অনাশ্ৰিতভাৱে কৰিবলৈ স্পষ্টকৈ কৈছে। সিদ্ধি আৰু অসিদ্ধিত সমস্ত বুদ্ধিকে যোগ বোলে। কৰ্মফলাকাংক্ষা হীন নহ'লে কৰ্ম সিদ্ধি-অসিদ্ধিক হৰ্ষ-বিষাদ শূন্য হ'ব নোৱাৰে। এই কাৰণে গীতাৰ মূল কৰ্মতত্ত্ব কৰ্মফলৰ আশা নাৰাখি কৰ্ম কৰা।

*লেখিকা ঃ স্নাতক দ্বিতীয় যাণ্মাসিক, সংস্কৃত বিভাগ*




# ঋগ্বেদিক গীত আৰু বৈদিক দেৱতাৰ লক্ষণ

**অঞ্জলি চৌহান**

বৈদিক দেৱতাসমূহ প্ৰকৃতিৰ বিভিন্ন শক্তিশালী পৰিঘটনাৰ প্ৰতিনিধি। উজ্জ্বলতা, শক্তি, প্ৰজ্ঞা, সৌন্দৰ্য, ধাৰ্মিকতা, পৱিত্ৰতা, সৰ্বজ্ঞানী, সৰ্মশক্তিমান, দয়া আদি ঐশ্বৰিক গুণেৰে সমৃদ্ধ যদিও সাধাৰণতে তেওঁলোকৰ এনে গুণ আছে, তথাপিও সকলো গুণ একে পৰিমাণে তেওঁলোকৰ মাজত পোৱা নাযায়। যেনে— উষা, জ্ঞান আৰু শক্তিতকৈ অধিক সৌন্দৰ্যৰ অধিকাৰী; বৰুণ, দেৱতাৰ নৈতিকতা বেছি, ইন্দ্ৰ যোদ্ধা দেৱতাৰ শক্তি আনতকৈ বেছি। আকৌ কামটোৰ বাবে পৰ্যাপ্ত বিশেষ জ্ঞান আৰু শক্তিৰে সমৃদ্ধ কোনো বিশেষ বিভাগৰ প্ৰতিনিধি দেৱতা। যেনে— পুৰোহিত দেৱতা অগ্নি জ্ঞানেৰে সু-সম্পদ আৰু তেওঁৰ লগত জাতবেদ অৰ্থাৎ সকলো প্ৰজন্মৰ বিষয়ে জনা উপনাম যোগ কৰা হয়। বৈদিক দেৱতাৰ কিছুমান সাধাৰণ বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল—

**দেৱতা, উজ্জ্বল স্বৰ্গীয় সত্তা ঃ** দেৱতা হৈছে উজ্জ্বল আকাশী বংশ। যিদৰে তেওঁলোকক স্বৰ্গীয় সত্তা বুলি উল্লেখ কৰা হৈছে, তেওঁলোকৰ স্থায়ী বাসস্থান আকাশত। স্পষ্টকৈ দেখা যায় যে—

দ্যাউস, বৰুণ, মিত্ৰ, সূৰ্য, সাবিত্ৰ আদি আকাশী দেৱতা আৰু ইন্দ্ৰ, মাতৰিব্ন আদি বায়ুমণ্ডলীয় দেৱতাই স্বৰ্গত বাস কৰে; কিন্তু স্থলজ দেৱতা যেনে— অগ্নি, সোম ইত্যাদি। সঁচাকৈয়ে তেওঁলোক স্থলজ অঞ্চলৰ দেৱতা, কিন্তু স্বৰ্গীয় উৎপত্তিৰ।

**<u>পাৰস্পৰিক প্ৰকৃতি</u>** ঃ বৈদিক দেৱতাসকল পাৰস্পৰিক। ইজনে সিজনৰ লগত ঘনিষ্ঠ সম্পৰ্ক বজাই ৰাখে। কিছুমান দেৱতাক ইজনে সিজনৰ পৰা জন্ম হোৱা বুলি উল্লেখ কৰা হৈছে।

নিৰুক্তত যাস্কাচাৰ্যই এইদৰে কৈছে—

ইতৰেতৰজন্মনো ভৱতি ইতৰেতৰপ্ৰকৃতয়ঃ।

**<u>বৈদিক দেৱতা পৰমাত্মাৰ সৈতে একে</u>** ঃ বৈদিক দেৱতাসমূহ হৈছে আত্মজন্মনাঃ অৰ্থাৎ এক পৰম আত্মাৰ পৰা উৎপাদিত। জীৱিত বা অজীৱিত বিভিন্ন উপাদান সঁচাকৈয়ে এটা পৰমাত্মাৰ অন্তৰ্গত। যাস্কাচাৰ্যই নিৰুক্তত কৈছে যে দেৱতাৰ অন্তৰ্গত সকলো জীৱ-অজীৱ যেনে— ৰথ, ঘোঁৰা, অস্ত্ৰ, কাঁড় আদি সকলো দেৱতাৰ সকলো পৰমাত্মাৰ সৈতে একে। পুনৰ তেওঁ উল্লেখ কৰিছে যে তথাকথিত অদেৱতা, দেৱতা, বাস্তৱত আত্মাৰ সৈতে একে হোৱাৰ বাবে দেৱতাৰ ৰূপ দখল কৰা প্ৰকৃতিৰ বিভিন্ন উপাদানত পৰম দেৱতাই নিজকে প্ৰকাশ কৰে। তেনেকৈও তেওঁৰ বৃহদ্বেতত একেই কথা কৈছে।

যিহেতু ঋগ্বেদিক তিনিখন সূক্ত— অগ্নি, উষা আৰু অক্ষৰ সংক্ষিপ্ত বৰ্ণনা তলত উল্লেখ কৰা হ'ল—

**অগ্নি** ঃ বৈদিক সংহিতাসমূহত অগ্নিদেৱৰ ৰূপৰ বৰ্ণনাও লাভ কৰা হৈছে। অগ্নিদেৱ তিনি মস্তক যুক্ত তথা সহস্ৰ অক্ষিযুক্ত বুলি বেদৰ পাতত উল্লেখিত হৈছে। মানুহৰ সৈতে অতি ওচৰ সম্পৰ্ক ৰক্ষা কৰি চলা বাবে এই অগ্নিক গৃহপতী বিশেষণেৰে অভিহিত কৰা হয়।

ঋগ্বেদ সংহিতাৰ প্ৰথম মণ্ডলৰ প্ৰথম সূক্ততে অগ্নিদেৱতাৰ স্তুতি কৰা হৈছে। এই অগ্নি সূক্তৰ ঋষি হৈছে মধুচ্ছন্দা বৈশ্বামিত্ৰ। সূক্তটো প্ৰথম মন্ত্ৰতে ঋষিয়ে অগ্নিদেৱৰ প্ৰতি স্তুতি জনাই যজ্ঞৰ পুৰোহিতৰূপে অগ্নিৰ বৰ্ণনা কৰিছে—

অগ্নিমীকে পুৰোহিতং যজ্ঞস্য দেৱমৃত্বিজম্ হীতাৰং ৰত্নধাতমম্।

যিদৰে ৰজাৰ পুৰোহিত অভিষ্ট সম্পাদন কৰে ঠিক সেইদৰে অগ্নিয়েও যজ্ঞই হোম সম্পাদন কৰে। এই অগ্নি হৈছে হোতা। উপাসকসকলক অগ্নিয়ে ধন-সম্পদ, পুত্ৰ-পিতৃ ৰূপ-ৰত্ন প্ৰদান কৰে। অগ্নিদেৱতাৰ মহাত্ম্য প্ৰকাশ কৰি ঋষিয়ে এই মন্ত্ৰটো উল্লেখ কৰিছে—

> অক্ষৰ বাবে এনেধৰণৰ অপকৰ্ম সংঘটিত হয় বাবে অক্ষৰ নিন্দা কৰা হয়। ই কেতিয়াও গ্ৰহণৰ যোগ্য হ'ব নোৱাৰে। ব্যক্তি এজনৰ সকলো ধৰণৰ উন্নয়নৰ ক্ষেত্ৰত ই হেঙাৰ ৰূপে থিয় দিয়ে। তাৰ বিপৰীতে কৃষিকৰ্মত নিজক নিয়োজিত কৰি ব্যক্তি সুখী হ'ব পাৰে। কৃষিৰ দ্বাৰা মানুহৰ খাদ্যবস্তু, বাসস্থান সকলো ধৰণৰ প্ৰয়োজন পূৰ্ণ হয় ধন-ধান্য লাভ কৰিব পাৰি।

অগ্নিহোতা কবিক্ৰতুঃ সত্যশ্চিত্ৰশ্ৰবস্তমঃ।
দেৱো দেৱে ভিৰা গমত্।।

অগ্নিদেৱতা হোতা, কবিক্ৰতু অৰ্থাৎ অতিশয় প্ৰজ্ঞাযুক্ত, সত্যস্বৰূপ, কীৰ্তিসম্পন্ন। অগ্নিদেৱতা এঙ্গাৰৰ পৰা উৎপন্ন হৈ হবিশ প্ৰদানকাৰী যজমানক সকলো ধৰণৰ সুখ প্ৰদান কৰে।

গায়ত্ৰী ছন্দত ৰচিত এই সূক্তটিৰ ঋষিয়ে উপাসকসকলৰ কল্যাণৰ অৰ্থে তথা সকলো ধৰণৰ বিনাশৰ পৰা মুক্ত কৰিবলৈ পুত্ৰ-পিতৃৰ লগত অহৰ্নিশে থকাৰ দৰে অগ্নিকো সদায় লগত থাকিবলৈ অনুৰোধ জনাইছে—

স নঃ পিতেৱ সুনৱেঽগ্নে সুপায়নী ভৱ।
সচস্বা নঃ স্বস্তয়ে।।

**উষা** ঃ ঋগ্বেদৰ তৃতীয় মণ্ডলৰ ৬১ তম সূক্তটো উষা সূক্ত নামেৰে পৰিচিত। এই উষা সূক্তৰ ঋষি বৈশ্বামিত্ৰ দেৱতা উষা। এই সূক্তৰ মাজেদি প্ৰকৃতিৰ সুন্দৰ চিত্ৰ বৰ্ণিত হৈছে। ঋগ্বেদৰ প্ৰায় ২০টা সূক্ত উষা দেৱী নামত উৎসৰ্গিত।

উষা হৈছে প্ৰাতঃকালীন সূৰ্য। এই উষা এগৰাকী সুন্দৰী নাৰীৰ ৰূপত বেদত চিত্ৰিত কৰা হৈছে। এই উষা অন্নৰ আধাৰ, ধনেৰে ধনৱতী। প্ৰাতৰণুবাকৰ সময়ত শ্ৰোতাসকলে এই উষা দেৱীৰ স্তুতি কৰে। যুৱতী বুলি এই দেৱীৰ স্তুতি কৰা হৈছে। সোণোৱালী বৰণৰ কথা ইয়াত উল্লেখিত হৈছে। দেৱী মৰণত ধৰ্মৰহিত, স্বৰ্গ, মৰ্ত, পাতাল তথা দ্যোয়োলোক অন্তৰীক্ষ লোক আৰু পৃথিৱী লোক এই তিনিলোকতে উষাই বিচৰণ কৰে। বিচৰণ কালত নিশাৰ অন্ধকাৰক উষাই যেন বস্ত্ৰৰে আৱৰি পেলায়। সূৰ্য দেৱতাই প্ৰেমিকৰ দৰে উষাক অনুসৰণ কৰে। উষাক সূৰ্যৰ পত্নী বুলিয়ো কোৱা হয়। দ্যোলোকৰ পৰা পৃথিৱী লোকলৈ এই ৰশ্মি বিস্তাৰিত হয়। উষাৰ আগমনৰ লগে লগে মৰ্তবাসীৰ মাজত নতুন উদ্যমৰ সৃষ্টি হয়। সেইবাবেই পুৰণি হ'লেও প্ৰতিদিনেই নতুন বুলি উষাৰ কথা কোৱা হয়। ঋগ্বেদিক কবিসকলে সুন্দৰ ৰঙৰ বাবে সদায় প্ৰশংসা কৰে। উষাই নিশাৰ কলা আন্ধাৰ আঁতৰ কৰে; আন্ধাৰৰ আৱৰণত থকা মূল্যবান সম্পদসমূহ পোহৰেৰে উদ্ঘটিত কৰে। ৰীতাৱৰী বুলি উষাৰ কথা কোৱা হয়। ৰীত অৰ্থাৎ প্ৰকৃতিখনত প্ৰচলিত হোৱা চিৰাস্থৰিত নিয়মক উষাই ধাৰণ কৰে। সূৰ্যৰ উপৰি আদিত্য, বৰুণ, অগ্নি,





দ্যো আদিৰ সৈতে উষাই সু-সম্পৰ্ক ৰক্ষা কৰি চলে। উষাই মানুহক সুখ, নৱউদ্যম, ধনসম্পদ আদি সকলো প্ৰয়োজনীয় বস্তু প্ৰদান কৰে বাবে উষাক বেদৰ পাতত স্তুতি কৰা হয়।

**অক্ষ ঃ** ঋগ্বেদ সংহিতাৰ দশম মণ্ডলত ৩৪ তম সূক্তটো অক্ষসূক্ত নামেৰে জনা যায়। এই সূক্তটোৰ ঋষি হৈছে ঐলুশকবশ। ইয়াত অক্ষ দেৱতাৰ স্তুতি হৈছে, কৃষি দেৱতাৰ স্তুতি হৈছে আৰু কেইটামান মন্ত্ৰত জুৱাৰী আৰু অক্ষৰ নিন্দা কৰা হৈছে। সূক্তটোৰ সপ্তম মন্ত্ৰটো জগতী ছন্দ প্ৰয়োগ হোৱা বিপৰীতে বাকী তেৰটাত ত্ৰিষ্টুপ ছন্দৰ প্ৰয়োগ হৈছে। বিভিন্ন দিশৰ পৰা কম্পন আৰু বায়ু প্ৰবাহিত হোৱা ঠাইত অক্ষ উৎপন্ন হয়। এই অক্ষই পাশাৰ ওপৰত নৃত্য কৰি জুৱাৰীক আকৃষ্ট কৰে। মুজগত উৎপন্ন হোৱা সোমৰসে যিদৰে ব্যক্তিক আনন্দ প্ৰদান কৰে পাশাও সেইদৰে জুৱাৰীক আনন্দিত কৰে। পাশা খেলৰ দৰে জুৱাৰীক আৰু অন্য একো বস্তুৱে আনন্দ প্ৰদান কৰিব নোৱাৰে। এই অন্ধ প্ৰেমৰ বাবে পতিব্ৰতা পত্নীক হত্যা কৰিবলৈকো জুৱাৰীয়ে কেতিয়াও কুণ্ঠাবোধ নকৰে। শাহুৱে হওক অথবা পত্নীয়েই হওক সকলোৰে দ্বাৰা জুৱাৰী অনাদৃত হয়। আনকি পিতৃ-মাতৃ, ভাতৃ আদিয়েও জুৱাৰীজনক অচিনাকী ব্যক্তিৰ দৰে ব্যৱহাৰ কৰে— পিতা | মাতা | ভ্ৰাতৰঃ | এনম্ | আহুঃ | ন জানীমঃ | নয়ত | বদ্ধম্ | এৱম্।।

জুৱাৰী এজনৰ বাবে অক্ষই হৈছে প্ৰধান প্ৰয়োজন। নেখেলো বুলি মন স্থিৰ কৰিলেও অক্ষই যেতিয়া পাশাখনত শব্দৰ সৃষ্টি কৰে, জুৱাৰীজনে নিজৰ সকলো ধৰণৰ প্ৰতিজ্ঞা পাহৰি পুনৰ সেই ঠাইত উপস্থিত হয়। জুৱাৰীজনৰ হিত কৰ্মৰ বাবে পত্নীকে আদি কৰি পৰিয়ালৰ সকলো মানুহে কষ্ট পাবলগীয়া হয়। ঋণৰ বোজা সহিব নোৱাৰি জুৱাৰীজনে চুৰি কৰ্মতো লিপ্ত হ'বলগীয়া হয়। অন্য লোকৰ সু-সজ্জিত ঘৰ দেখি জুৱাৰীয়ে অতিকৈ কষ্ট পাবলগীয়া হয়।

অক্ষৰ বাবে এনেধৰণৰ অপকৰ্ম সংঘটিত হয় বাবে অক্ষৰ নিন্দা কৰা হয়। ই কেতিয়াও গ্ৰহণৰ যোগ্য হ'ব নোৱাৰে। ব্যক্তি এজনৰ সকলো ধৰণৰ উন্নয়নৰ ক্ষেত্ৰত ই হেঙাৰ ৰূপে থিয় দিয়ে। তাৰ বিপৰীতে কৃষিকৰ্মত নিজক নিয়োজিত কৰি ব্যক্তি সুখী হ'ব পাৰে। কৃষিৰ দ্বাৰা মানুহৰ খাদ্যবস্তু, বাসস্থান সকলো ধৰণৰ প্ৰয়োজন পূৰ্ণ হয় ধন-ধান্য লাভ কৰিব পাৰি। সেয়েহে জুৱাৰীজনক জুৱাৰ নিচা ত্যাগ কৰি কৃষি কৰিবলৈ উপদেশ দিয়া হৈছে।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ*







# পৌৰাণিক সাহিত্য

**ডিম্পী শৰ্মা**

ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বিজ্ঞাপনীয় শাস্ত্ৰীয় গ্ৰন্থসমূহৰ ভিতৰত পুৰাণসমূহে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। পুৰাণসমূহে এহাতে বৈদিক সাহিত্যৰ উপবৃহণৰূপে দুই ইতিহাস মহাকাব্যৰে সৈতে আৰু আনহাতে পৰৱৰ্তী ভাৰতীয় সাহিত্যৰ প্ৰেৰণাৰ উৎসৰূপে এক মহত্বপূৰ্ণ মধ্যৱৰ্তী স্থান অধিকাৰ কৰি আছে। পুৰাণৰ উৎপত্তি সম্পৰ্কে বহুতো মতবাদ পোৱা যায়। যদিও পুৰাণক ব্ৰহ্মাৰ বাণী বুলি সকলোৱে মত পোষণ কৰে। মৎস পুৰাণৰ মতে, 'বিপুলায়তন' নামৰ পুৰাণখনত দুৰ্বোধ্যতাৰ বাবে স্বয়ং ভগৱানে ব্যাসৰ ৰূপ ধাৰণ কৰি কালক্ৰমত ইয়াক ওঠৰখন পুৰাণত বিভক্ত কৰে। এই পুৰাণতেই উল্লেখ কৰা আছে যে ব্ৰহ্মাই সকলো শাস্ত্ৰৰ আগতে পুৰাণক সৃষ্টি কৰিছিল। পুৰাণৰ পাছতহে আন শাস্ত্ৰসমূহ ব্ৰহ্মাৰ মুখৰ পৰা নিঃসৃত হৈছিল—

"পুৰাণং সৰ্বশাস্ত্ৰাণাম্ প্ৰথমং ব্ৰহ্মণা কৃতম্।
অনন্তৰুচ বক্ৰোভ্যোদেৰাস্তস্য বিণিৰ্গতাঃ।।

পুৰাণৰ মহত্বৰ দৃষ্টিকোণৰ পৰা নিৰীক্ষণ কৰিলে একাষাৰে ক'ব পাৰি যে পুৰাণসমূহ হ'ল ভাৰতীয় সভ্যতা-সংস্কৃতিৰ একমাত্ৰ বাহন। ই হ'ল হিন্দুধৰ্মৰ মুল আৰু পৰৱৰ্তী সাহিত্যসমূহ এই পুৰাণসমূহৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। দুষ্মন্ত-শকুন্তলাৰ উপাখ্যান, পুৰুৰবা-উৰ্বশীৰ কাহিনী আদি বিখ্যাত উপাখ্যানসমূহ মুলতঃ পুৰাণৰ পৰা সংগৃহীত।

বেদসমূহক অনুসৰণ কৰিয়েই পুৰাণসমূহ ৰচনা কৰা হয় বাবে 'পুৰাণং বেদসম্মতং'ৰূপে আখ্যায়িত কৰা হয়। 'পুৰাণং আখ্যানং' অৰ্থাৎ, পুৰাণ শব্দৰ অৰ্থ হ'ল পুৰণি আখ্যান। পুৰাণসমূহক অতি প্ৰাচীন গ্ৰন্থ বুলি ভবা হয় বাবেই বোধহয় এই সাহিত্যক পুৰাণ নামেৰে অভিহিত কৰা হয়। এই পুৰাণসমূহক ইতিহাস বুলি ক'ব বিচাৰিলেও পুৰাণ আৰু ইতিহাস এই দুটাৰ মাজত কিছু পাৰ্থক্য দেখা যায়। ইতিহাস হ'ল অতীতত ঘটি যোৱা ঘটনাসমূহৰ বৰ্ণনা। কিন্তু পুৰাণৰ বিষয়বস্তু ইতিহাসতকৈ অধিক ব্যাপক আৰু বিস্তৃত। পুৰাণ শব্দৰ বুৎপত্তিৰ প্ৰসংগত বায়ু পুৰাণত কৈছে যে— 'পুৰা অনতি'। পুনৰ নিৰুক্তত পোৱা যায় যে 'পুৰা নবং ভৱতি' অৰ্থাৎ, পুৰণি হৈও নতুন বুলি ব্যুৎপত্তি দাঙি ধৰিছে। পদ্মপুৰাণে 'পুৰা পৰম্পৰাং ৱষ্টি পুৰাণং তেন তৎ স্মৃতং' বুলি কৈ এক সুকীয়া ব্যুৎপত্তি তুলি ধৰিছে। 'পুৰা এতদ্ অভূৎ' বুলি ব্ৰহ্মাণ্ড পুৰাণেও অন্য এক ব্যুৎপত্তি আগবঢ়াইছে।

মৎস্য, বায়ু, ব্ৰহ্মাণ্ড আদি পুৰাণৰ মতে, পুৰাণৰ লক্ষণ হ'ল পাঁচটা—

সৰ্গশ্চ, প্ৰতিসৰ্গশ্চ, বংশো মন্বন্তৰাণিশ্চ

বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চলক্ষণম্।।

১) সৰ্গ বা সৃষ্টি

২) প্ৰতিসৰ্গ অৰ্থাৎ, বিস্তাৰ, লয় তথা পুণঃ সৃষ্টি।

৩) বংশ অৰ্থাৎ, দেৱতা আৰু ঋষিসকলৰ বংশাৱলী।

৪) মন্বন্তৰ অৰ্থাৎ, মনুৰ শাসন কাল।

৫) বংশানুচৰিতং অৰ্থাৎ চন্দ্ৰ আৰু সূৰ্য বংশীয় ৰজাসকলৰ বৰ্ণনা।

এইবোৰকে পুৰাণৰ বিষয়বস্তু বুলি ধৰা হয়। কিন্তু, ভাগৱত পুৰাণত পুৰাণৰ দহটা লক্ষণৰ কথা উল্লেখ কৰি কয় যে—

স্বৰ্গশ্চাথ বিসৰ্গশ্চ বৃত্তী ৰক্ষান্তৰাণি চ।

বংশো বংশানুচৰিতং সংস্থা হেতুৰূপাশ্ৰয়ঃ।।

ইয়াৰ উপৰি মৎস্য পুৰাণত ছটা লক্ষণ সম্পৰ্কত কৈছে যে— (১) ভুৱনবিস্তাৰ, (২) দান-ধৰ্ম-বিধি, (৩) শ্ৰাদ্ধকল্প, (৪) বৰ্ণাশ্ৰম বিভাগ, (৫) ইষ্টাপ্ৰোত, (৬) দেৱতা প্ৰতিষ্ঠা আদিও পুৰাণৰ অন্যতম বিষয়বস্তু।

তদুপৰি ব্যাকৰণ, জ্যোতিষ, পদাৰ্থবিজ্ঞান, শৰীৰবিদ্যা, চিকিৎসাবিদ্যা আৰু অস্ত্ৰবিদ্যা সম্পৰ্কেও পুৰাণত বহুল ব্যাখ্যা পোৱা যায়। এই পুৰাণসমূহ হ'ল সত্য আৰু আদৰ্শ ইতিহাস। কিয়নো সৃষ্টিৰ পাতনিৰ পৰা বৰ্তমানলৈকে এই ৰচনাসমূহ ক্ৰমবৰ্ধমান ৰূপত পোৱা যায়। সেয়েহে ইতিহাস ৰচনাৰ ই এক পৌৰাণিক তথা আদৰ্শৰ প্ৰতীক।

পুৰাণৰ ৰচনাশৈলীৰো এক বিশেষ বৈশিষ্ট্য আছে। বিষ্ণুপুৰাণৰ মতে, পুৰাণৰ বিষয়বস্তু চাৰিপ্ৰকাৰৰ ৰচনাৱলীৰ ওপৰত নিৰ্ভৰযোগ্য। সেই চাৰিপ্ৰকাৰ হ'ল— আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি। আখ্যান আৰু উপাখ্যানৰ লক্ষণ সম্পৰ্কত শ্ৰীধৰস্বামীয়ে বৰ্ণনা কৰি কৈছে যে আখ্যান হ'ল নিজে বৰ্ণনা কৰা আৰু শুনি দিয়া বৰ্ণনাই হ'ল উপাখ্যান।

স্বয়ং দৃষ্টাৰ্থকথনং প্ৰাহুৰাখ্যানকং বুধাঃ।

শ্ৰুতস্যাৰ্থস্য কথনমুপাখ্যানং প্ৰচক্ষতে।।

সঞ্জয়ে দেখা বা ব্যাসে বৰ্ণনা কৰা মহাভাৰতৰ যুদ্ধ হ'ল আখ্যান আৰু ভীষ্মই ৰাজনীতিৰ জ্ঞান দিবলৈ তুলি ধৰা কথাবোৰ হ'ল উপাখ্যান।

আকৌ, বেদ-বেদাঙ্গ, ইতিহাস-পুৰাণ আদিত কিছুমান প্ৰাচীন শ্লোক বা পদ্য পোৱা যায় যিবোৰৰ ৰচকৰ নাম সাধাৰণতে নিৰ্দিষ্টকৈ দিয়া দেখা নাযায়। ঋগ্বেদৰ পাততো এনেধৰণৰ দানস্তুতি, নাৰশংসী আদি বীৰগাথা দেখিবলৈ পোৱা যায়। পুৰাণ, ইতিহাস আদিত থকা এনে অজ্ঞাত ৰচকৰ ৰচনাসমূহেই হ'ল গাথা।

ঠিক সেইদৰে কল্পশুদ্ধি হ'ল শ্ৰাদ্ধকল্প। কল্প শব্দৰ তাৎপৰ্য হ'ল শৌত, গৃহ্য, ধৰ্ম, সদাচাৰ, সংস্কাৰ বিষয়ক কিছুমান কৰ্ম কিন্তু শুদ্ধিৰ অৰ্থ হ'ল মানশুদ্ধি, মনস শুদ্ধিৰ বিষয়ে বুজোৱা এক শাব্দিক তাৎপৰ্য। এই সকলো বিষয়ৰ বিষয়ে পুৰাণসমূহে বিশদ আলোচনা দাঙি ধৰে।

তদুপৰি পুৰাণসমূহক ধাৰ্মিক দৃষ্টিত বেদ বিহিত ধৰ্মৰ নতুন সহজ-সৰল ৰচনা বুলি ধৰা হয়। বেদৰ ভাষা দুৰ্বোধ্য বাবেই পুৰাণৰ ৰচনা হ'ল বুলি ধাৰণা কৰা হয়। পৌৰাণিক মহত্বৰ উপৰিও পুৰাণসমূহৰ সামাজিক মহত্বও কম বুলি ভবা নহয়। কাৰণ পুৰাণসমূহে সেই সময়ৰ সমাজ ব্যৱস্থাৰ এক স্বৰূপ দাঙি ধৰিবলৈ সক্ষম হয়।

আধ্যাত্মিক দিশৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে পুৰাণে বিশেষকৈ তিনিজন দেৱতাৰ উপাসনাৰ ওপৰতেই গুৰুত্ব প্ৰদান কৰিছে। সেই কেইজন হ'ল— ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ। বেদত যদিও বহু দেৱ-দেৱীৰ উল্লেখ আছে তথাপি ইয়াৰ অন্তৰালত একেশ্বৰবাদেই বিশ্বাস কৰা হয়। ঠিক সেইদৰে পুৰাণৰ এই তিনি দেৱতাৰ অন্তৰালতো আছে একেশ্বৰবাদৰ নিদৰ্শন। মানৱ ধৰ্মৰ সুদৃঢ় ভেটিৰ ওপৰত স্থাপন কৰা আৰু মানৱতাৰ জয়গান ৰচনা কৰাটো হ'ল পুৰাণৰ অন্যতম প্ৰধান বৈশিষ্ট্য। অজ্ঞানৰ পৰা জ্ঞানৰ পিনে, মৰণশীলতাৰ পৰা অবিনশ্বৰতাৰ পিনে, অন্ধকাৰৰ পৰা পোহাৰৰ পিনে প্ৰত্যেক মানুহৰ বৃদ্ধি যাতে হয় তাৰ বাবেই পুৰাণ সাহিত্যই প্ৰয়াস কৰে।

পুৰাণসমূহক কিমানটা ভাগত ভাগ কৰা হৈছে এই লৈ বিভিন্নজনৰ বিভিন্ন মতবাদ পোৱা যায়। কথিত মতে, পুৰাইসমূহৰ আদিতে এখন বৃহৎ সংহিতা আছিল। সময় পৰিৱৰ্তনত ইয়াৰ কলেৱৰ যথাক্ৰমত মহাপুৰাণ আৰু উপপুৰাণ ৰূপত বৃদ্ধি হয়। দেৱী ভাগৱত মতে ওঠৰখন পুৰাণ হ'ল—

মদ্বয়ং ভদ্বয়ং চৈৱ ব্ৰত্ৰয়ং বচতুষ্টয়ম্।

অনাপদ্ লিঙ্গ-কু-স্কানি পুৰাণানি পৃথক্ পৃথক্।।

মকাৰাদি দুই পুৰাণ— মৎস্য, মাৰ্কেণ্ডেয়; ভকাৰাদি দুই পুৰাণ— ভাগৱৎ আৰু ভৱিষ্যৎ; ব্ৰকাৰাদি তিনি পুৰাণ— ব্ৰহ্ম, ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মবৈৱৰ্ত্ত; ব-কাৰাদি চৰি পুৰাণ— বামণ, বিষ্ণু, বায়ু আৰু বৰাহ; অনাপদ্ লিঙ্গ-কু-স্কানি— অগ্নি, নাৰদ, পদ্ম, লিঙ্গ, গৰুড়, কুৰ্ম আৰু স্কন্দ। আকৌ, বিষ্ণু পুৰাণৰ মতে ওঠৰ পুৰাণ হ'ল— ব্ৰহ্ম, পদ্ম, বিষ্ণু, শিৱ, ভাগৱত, নাৰদ, মাৰ্কেণ্ডেয়, অগ্নি, ভৱিষ্যৎ, ব্ৰহ্মবৈৱৰ্ত্ত, লিঙ্গ, বৰাহ, স্কন্দ,

বামণ, কুৰ্ম, মৎস্য, বৰুণ আৰু ব্ৰহ্মাণ্ড।

এই পুৰাণসমূহক গুণানুসৰি তিনিটা ভাগত ভাগ কৰা হৈছে— সাত্বিক, ৰাজসিক আৰু তামসিক পুৰাণ। সাত্বিক পুৰাণসমূহ— বিষ্ণু, নাৰদীয়, ভাগৱৎ, গৰুড়, পদ্ম আৰু বৰাহ। ৰাজসিক পুৰাণসমূহ— ব্ৰহ্মা, ব্ৰহ্মাণ্ড, ব্ৰহ্মবৈৱৰ্ত্ত, মাৰ্কেণ্ডেয়, ভৱিষ্য আৰু বামণ। তামসিক পুৰাণসমূহ— মৎস, কুৰ্ম, লিঙ্গ, শিৱ, স্কন্দ আৰু অগ্নি। মহাপুৰাণৰ দৰেই অন্য এখন মহৎ পুৰাণ গৰুড় পুৰাণৰ মতে ১৮খন উপ-পুৰাণ পোৱা যায়। সেইসমূহ হ'ল— সনৎ, কুমাৰ, স্কন্দ, শিৱধৰ্ম, আচাৰ্য্য, নাৰদীয়, কপিল, বামণ, ঔশনস, ব্ৰহ্মাণ্ড, বৰুণ, কালিকা, মহেশ্বৰ, সাম্ব, গৌৰ, পৰাশৰ, মাৰীচ আৰু ভাৰ্গৱ।

পাঁচখন পুৰাণৰ চমু বিৱৰণ তলত দাঙি ধৰা হ'ল—

**১) পদ্ম পুৰাণ ঃ** এই পুৰাণখন ৫০,০০০ শ্লোকৰ ৰত্নাগাৰ পুৰাণখনক পাঁচটা গুৰুত্বপূৰ্ণ ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল— সৃষ্টি, ভূমি, স্বৰ্গ, পাতাল আৰু উত্তৰখণ্ড।

প্ৰথমং সৃষ্টিখণ্ডং হি, ভূমিখণ্ডং দ্বিতীয়কম্
তৃতীয়ং স্বৰ্গখণ্ডং পাতালঞ্চ চতুৰ্থকম্
পঞ্চমং চোত্তৰাংখণ্ডং সৰ্বতাপাপপ্ৰণাশনম্।।

সৃষ্টিখণ্ডত সমুদ্ৰ মন্থন, পৃথুৰ আখ্যান, পৌষ্কৰ বিৱৰণ, বৃত্ৰবধাখ্যান, বামাণাৱতাৰ বৰ্ণন, মাৰ্কেণ্ডেয়ৰ আখ্যান, কাৰ্তিকৰ জন্মকথা, ৰামাখ্যান, তাৰকাসুৰ বধাদিৰ বিৱৰণ আছে।

ভূমিখণ্ডত যযাতি-মাতলিৰ আধ্যাত্মিক সংবাদ, চ্যৱানচৰিতৰ লগত শৈৱ আৰু বৈষ্ণৱবাদৰ অনেক কথা পোৱা যায়। ইয়াত শৈৱ-বৈষ্ণৱৰ সাধনৰ বাবে কৰা যত্ন চকুত পৰে। শিৱ-বিষ্ণুৰ অভেদ কল্পনা কৰি পুৰাণে কৈছে—

শিৱায় বিষ্ণুৰূপায় বিষ্ণৱে শিৱৰূপিণে।
শিৱস্য হৃদয়ে বিষ্ণু ৰ্বিষ্ণোশ্চ হৃদয়ে শিৱঃ।।

স্বৰ্গখণ্ডত দেৱ গন্ধৰ্ব, অপ্সৰা, যক্ষ আদি উৰ্দ্ধলোকৰ কথাৰ লগতে শকুন্তলাৰ উপাখ্যানো কীৰ্তিত হৈছে। পাতাল খণ্ডত নাগলোকৰ বৰ্ণনা প্ৰতিপাদ্য বিষয়। উত্তৰখণ্ডত অনেক বিচিত্ৰ আখ্যানৰ লগতে বিষ্ণুভক্তিৰ প্ৰশংসাও পোৱা যায়।

এই পুৰাণত বিভিন্ন কাহিনী আৰু নানা ধৰ্মানুষ্ঠানৰ লগতে গীতাৰ মাহাত্ম্য আৰু ভাগৱতৰ মাহাত্ম্যও সন্নিৱিষ্ট আছে। তাৰোপৰি ইয়াত ব্ৰহ্মযজ্ঞ, পিতৃযজ্ঞ, ব্ৰত কৰা আদিৰ বৰ্ণনাও পোৱা যায়।

**২) শ্ৰীমদ্ভাগৱত পুৰাণ ঃ** এই পুৰাণ উত্তম ভক্তি শাস্ত্ৰৰূপে ভাৰতত জনপ্ৰিয়। ইয়াত বাৰটা স্কন্ধ আৰু মুঠ ১৮,০০০ শ্লোক আছে। বিষ্ণু পুৰাণৰ লগত ভাগৱত পুৰাণৰ বিষয়বস্তুৰ যথেষ্ট মিল আছে। মহাভাৰতক যদি শ্ৰীকৃষ্ণৰ দাৰ্শনিক আৰু ৰাজনৈতিক প্ৰতিভাৰ কাহিনী বোলা হয়; তেনেহ'লে ভাগৱতক তেওঁৰ প্ৰেমময় জীৱনৰ কবিতা বুলিব পাৰি। ভাগৱত হ'ল শ্ৰীকৃষ্ণৰ মহাজীৱনৰ ৰসভাগ্য।

ভাগৱতৰ প্ৰথম স্কন্ধত ভক্তি-প্ৰশ্ন আৰু পৰীক্ষিত বৰ্ণন পোৱা যায়। দ্বিতীয় স্কন্ধত শুকৰ শাস্ত্ৰ বৰ্ণনা, তৃতীয় স্কন্ধত বিবিধ আখ্যানোপাখ্যান যেনে— ব্ৰহ্মোৎপত্তি, সৃষ্টি, ৰুদ্ৰ, মৰীচি, পৃথিৱী, সৰস্বতী, স্বায়ম্ভুৱ উৎপত্তি, কদৰ্ম-দেৱাহুতিৰ আখ্যান পোৱা যায়; চতুৰ্থ স্কন্ধত মনুবংশ কথা; পঞ্চম স্কন্ধত প্ৰিয়ব্ৰত, অগ্নিধ্ৰ, নাভি, ঋষভদেৱ, জড়ভৰত আদিৰ উপাখ্যান; ষষ্ঠ স্কন্ধত অজামিল বিপ্ৰ, বিশ্বৰূপ-বৃত্ৰবধাখ্যান; সপ্তম স্কন্ধত প্ৰহ্লাদ চৰিত্ৰ, আশ্ৰম ব্যৱস্থা; অষ্টম স্কন্ধত মন্বান্তৰ কথা, গ্ৰাহ-গজেন্দ্ৰ কথা, সমুদ্ৰ মন্থন, বামণাৱতাৰ, বলিচলন, মৎস্যাৱতাৰ কথিত হৈছে; নৱম স্কন্ধত সোম আৰু সূৰ্যৰ বংশৰ চৰিত বৰ্ণিত হৈছে; দশম স্বন্ধত শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ সৱিশেষ পোৱা যায়। একাদশ স্বন্ধত যদুবংশ নাশ, অৱধূত চৰিত, ভক্তি, সৎ-সঙ্গতি, বৃদ্ধোপদেশ, অষ্টাদশ সিদ্ধি আদি অনেক বিচিত্ৰ কথা পোৱা যায়। শেষৰ দ্বাদশ স্কন্ধত ৰাজবংশ বৰ্ণনা, কলিদোষ, পৰীক্ষিত মোক্ষ, সৰ্পযজ্ঞ, বেদ বিভাগ, ধ্ৰুৱ, বৃত্ৰাসুৰ আদিৰ কাহিনী পোৱা যায়। যদিও ভাগৱতত নানা নীতি-উপদেশ পোৱা যায় তথাপি ইয়াৰ মুল বিষয় হ'ল সৰস অকৃত্ৰিম অন্তৰংগ কৃষ্ণভক্তি আৰু প্ৰেম।

**৩) স্কন্দ পুৰাণ ঃ** স্কন্দ অৰ্থাৎ, কাৰ্তিকৰ নামেৰে নামাঙ্কিত এই পুৰাণ বিশালতম্। ইয়াত ৮১,০০০ শ্লোক পোৱা যায়। এই পুৰাণ সংহিতা নামে ছয় ভাগত বিভক্ত। যথাক্ৰমে— ১) সনৎ কুমাৰ ২) সূত ৩) শঙ্কৰ ৪) বৈষ্ণৱ ৫) ব্ৰাহ্মী আৰু ৬) গৌৰ সংহিতা নামে জনাজাত। অন্য এক বিভাজন মতে ই সাত খণ্ডত বিভক্ত। যেনে— ১) মাহেশ্বৰখণ্ড ২) বৈষ্ণৱখণ্ড ৩) ব্ৰহ্মখণ্ড ৪) কাশীখণ্ড ৫) ৰেৱাখণ্ড ৬) তাপীখণ্ড আৰু ৭) প্ৰভাসখণ্ড। ইয়াৰে মহেশ্বৰখণ্ডত শিৱ-পাৰ্বতীৰ বিচিত্ৰ লীলা বৰ্ণিত হৈছে। বৈষ্ণৱখণ্ড প্ৰভু গজন্নাথৰ মন্দিৰ, পূজাবিধি, প্ৰতিষ্ঠা আৰু সেই বিষয়ক আখ্যান বিবৃত হৈছে। দুভাগত বিভক্ত ব্ৰহ্মখণ্ডত ক্ৰমে ধৰ্মাৰণ্যৰ স্থান মাহাত্ম্য আৰু উজ্জয়িনীস্থ মহাকালৰ পূজা-প্ৰতিষ্ঠা বিষয়ক বৰ্ণনা দিছে। কাশীখণ্ড কাশীৰ যাৱতীয় বৰ্ণনা; ৰেৱাখণ্ডত নৰ্মদাতীৰ্থৰ বিৱৰণ, শিৱলিঙ্গ মাহাত্ম্য; তাপীখণ্ডত তাপীনদীৰ উৎপত্তি আৰু সেই তীৰ্থৰ বৰ্ণনা আৰু প্ৰভাসখণ্ডত প্ৰভাসতীৰ্থৰ বিস্তৃত বিৱৰণ বৰ্ণিত হৈছে। বিভিন্ন ঠাইত ঐতিহাসিক আৰু ভৌগলিক বিৱৰণে পুৰাণখনক মহত্ব প্ৰদান কৰিছে।

**৪) অগ্নি পুৰাণ ঃ** এই পুৰাণখনক সমস্ত ভাৰতীয় বিদ্যাসমূহৰ সংক্ষিপ্ত বিশ্বকোষ বোলা হয়। অগ্নিপুৰাণত প্ৰায় চাৰে এঘাৰশ শ্লোক আছে আৰু ৩৮৩ টা অধ্যায়ত বিভক্ত। ইয়াৰ বিৱৰণ






অগ্নিদেৱে নিজ মুখেৰে মহৰ্ষি বশিষ্টৰ আগত দাঙি ধৰিছিল। ইয়াৰ প্ৰথম ভাগত ব্ৰহ্মবিদ্যাৰ সাৰ আছে। ইয়াত বিষ্ণুৰ দশ-অৱতাৰৰ বৰ্ণনা, ৰামায়ণ-মহাভাৰতৰ সংক্ষিপ্তসাৰ বৰ্ণনা পোৱা যায়। ইয়াত একাদশ ৰুদ্ৰ, সপ্তবসু আৰু দ্বাদশ আদিত্যৰ বিষয়ে পোৱা যায়। বিষ্ণু-শিৱ তথা অনেক দেৱ-দেৱীৰ প্ৰতিষ্ঠা, পূজা, স্তোত্ৰ, প্ৰতিমালক্ষণ আদি বিবৃত হৈছে। তীৰ্থ, দান আৰু ব্ৰতকথাৰ উপৰি প্ৰাসাদ তথা দেৱালয় নিৰ্মাণ পদ্ধতি, ভূগোল, জ্যোতিষ শাস্ত্ৰ, ধৰ্মশাস্ত্ৰ, ৰাজনীতি, ধনুৰ্বেদ, স্ত্ৰী-পুৰুষৰ ৰত্নাদিৰ লক্ষণ, অস্ত্ৰ-শস্ত্ৰ তথা সৈনিক শিক্ষাৰ পদ্ধতি আদিৰ বিষয়েও বৰ্ণিত আছে। এই পুৰাণৰ অন্তিম ভাগত আয়ুৰ্বেদৰ বিশিষ্ট বৰ্ণনা অনেক অধ্যায়ত পোৱা যায়। ইয়াৰ বাহিৰেও ছন্দশাস্ত্ৰ, অলংকাৰ শাস্ত্ৰ, নাট্য-নৃত্য-সাহিত্য বৰ্ণনা, ব্যাকৰণ তথা কেশ বিষয়ক বৰ্ণনা পোৱা যায়। তাৰোপৰি ব্ৰহ্মজ্ঞান, অদ্বৈত, গীতাদিৰ সাৰকথা আদি বৰ্ণিত হৈছে। সেয়েহে কোৱা হয় যে—

"অগ্নেয় হি পুৰাণেऽস্মিন্ সৰ্বাঃ বিদ্যাঃ প্ৰদৰ্শিতাঃ।"

অৰ্থাৎ, এই অগ্নিপুৰাণতে সকলো বিদ্যাৰে বৰ্ণনা পোৱা যায়।

**৫) কালিকা পুৰাণ ঃ** হিন্দু ধৰ্মদৰ্শনৰ চিৰ আৰাধ্যা দেৱ-দেৱতাসকলৰ মাজত সৌম্যৰূপিনী তথা ঘোৰৰূপিনী মহামায়াস্বৰূপা দেৱী ভগৱতীৰ স্থান অন্যতম। সংহাৰকৰ্ত্তা ৰুদ্ৰ দেৱতাৰ সমস্ত দেৱতাৰ গুণ-গৰিমা নিয়ন্ত্ৰণ তথা পৰিচালনাত সকলো প্ৰকাৰে আগভাগ লোৱা দেৱী ভগৱতীৰ লীলা-মাহাত্ম্যৰ বৰ্ণনা কৰাই হ'ল কালিকা পুৰাণৰ মূল প্ৰতিপাদ্য বিষয়। ভাৰতবৰ্ষৰ উত্তৰ-পূৱ কোণত অৱস্থিত বৃহত্তৰ কামৰূপ বা প্ৰাগ্‌জ্যোতিষপুৰ ৰাজ্যৰ বিস্তৃত পটভূমিৰ পুৰাতন ঐতিহ্যৰ লীলা-মালা আৰু যশ-খ্যাতিৰ অনেক কাহিনী এই কালিকা পুৰাণৰ অন্তৰ্গত।

মহামুনি মাৰ্কেণ্ডেয়েই বৰ্ণনা কৰা অক্ষয় বা অব্যয় সনাতন পৰমজ্যোতিৰ অধিকাৰিণী দেৱী মহামায়াৰ মাহাত্ম্য পৰিস্ফুট কৰাটোও হ'ল এই গ্ৰন্থৰ প্ৰধান উদ্দেশ্য। সতীৰ বিয়োগত ভাৰাক্ৰান্ত মন লৈ দিহিঙে-দিপাঙে ঘূৰি স্ব-কৰ্মলৈ পিঠি দিয়া মহাদেৱক ব্ৰহ্মা প্ৰমুখ্যে অন্যান্য দেৱ-দেৱীয়ে কৰা অনুনয়-বিনয়েই হ'ল কালিকা পুৰাণৰ বিষয়বস্তুৰ অন্যতম। যোগমগ্ন অৱস্থাতেই যুগ যুগ অতিক্ৰান্ত হোৱাত দেৱতাসকলৰ অনুৰোধত কামদেৱৰ দ্বাৰা মহাদেৱৰ ধ্যান ভংগ। মহাদেৱৰ কোপানলত কামদেৱ ভস্মীভূত হোৱা আৰু ৰতিদেৱীৰ কাকুতিত পুনৰ জীৱন লাভ। মহাদেৱৰ ধ্যান ভংগ আৰু পুনৰ মায়া জাগৰণ, মহামায়াৰ পাৰ্বতীৰূপে জন্ম লাভ তথা মহাদেৱৰ সৈতে পাৰ্বতীৰ বিবাহ আদিকে ধৰি অনেক পৌৰাণিক কথা এই কালিকা পুৰাণত পোৱা যায়। ইয়াৰউপৰি, বিষ্ণুৰ বৰাহৱতাৰ, নৰকাসুৰ বধ, হৰিৰ দ্বাৰা মধু-কৈতৱৰ শিৰচ্ছেদ, বশিষ্ট মুনিৰ বিৱৰণ আদি পোৱা যায়।

দেৱী পূজাৰ মাহাত্ম্য বৰ্ণনো কালিকা পুৰাণৰ অন্য এক বিশেষত্ব। প্ৰবাস, দুৰ্গম পথ, পানীত, হাঁহাঁকাৰ অৱস্থা, কাৰাগাৰ, নিৰুদ্ধ ঠাই আদিত দেৱী মহামায়াৰ মানসী পূজা কৰিলে যে সকলো বাধা নিৰ্মূল হয় এই কথাও এই পুৰাণত বৰ্ণিত। মুঠ নৱৈটা সৰ্গত এই পুৰাণখন ৰচিত হৈছে।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ*



১

# ভূপেন হাজৰিকাৰ গীতত সমাজচেতনা

লিজা কলিতা

ৰং কিনিবা কোনে অ'
ৰং কিনিবা কোনে
মোনা ভৰাই ৰং আনিছো
কিনা মোনে মোনে।

ইখন দেশৰ পৰা সিখন দেশলৈ ৰং কঢ়িয়াই ফুৰা, ৰঙেৰে উপচাই পৃথিৱী সুন্দৰ কৰা অসমৰত্ন ড° ভূপেন হাজৰিকাদেৱ আছিল অসমৰ গৌৰৱ, মানৱ প্ৰেৰণাৰ উৎস। তেওঁ আছিল একেধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, চিত্ৰকৰ, কবি, সাহিত্যিক, কথাছবি নিৰ্মাতা, পৰিচালক তথা সংগীত পৰিচালক আৰু অসামান্য প্ৰতিভাশালী ব্যক্তি। ভূপেন হাজৰিকাদেৱ আছিল এখনি মানৱ দৰদী হৃদয়ৰ গৰাকী। তেওঁৰ অনুপম গীতবোৰত সাধাৰণ মানুহৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, মৰম-চেনেহ, ক্ষোভ আদিৰ ছবি প্ৰতিফলিত হৈছিল বাবেই তেওঁক জাতি, বৰ্ণ, গোষ্ঠী নিৰ্বিশেষে অসমৰ সমূহ ৰাইজে আপোন বুলি ভাবি আঁকোৱালি লৈ প্ৰাণভৰি ভাল পাইছিল। দৰাচলতে পৃথিৱীত প্ৰত্যেক মানুহকেই সৰ্বাধিকভাৱে সহজেই আকৰ্ষণ কৰিব পৰা বিষয়টোৱেই হৈছে সংগীত। সংগীতে মানুহক বাস্তৱ জীৱনত আনন্দ প্ৰদান কৰি মনৰ অৱকাশ আৰু ক্লান্তি দূৰ কৰে। সেয়ে হয়তো পৃথিৱীৰ সকলো কোণৰ সকলো জনতাই সংগীতৰ দ্বাৰা ভূপেন হাজৰিকাদেৱক আপোন কৰি লৈছে। সাহিত্যৰ অন্যান্য উপাদানবোৰে মানুহক পোনপটীয়াকৈ আকৰ্ষণ কৰিব নোৱাৰে। কিন্তু গীতি সাহিত্যই মানুহক প্ৰাচীন অৱস্থাৰ পৰাই সহজে আকৰ্ষণ আৰু আনন্দ প্ৰদান কৰি আহিছে।

যাৰ গানে, গানৰ প্ৰাণে অসমৰ লোকজীৱনক মোহবিষ্ট কৰি ৰাখি অন্তৰাত্মাৰ যাদুকৰী কণ্ঠৰ অংকুৰণেৰে হাজাৰ-হাজাৰ শ্ৰোতা জনতাক বহু বহু যুগলৈ স্তম্ভিত কৰি ৰাখিব পাৰিছিল। যাৰ প্ৰত্যয়দীপ্ত দৰদী কণ্ঠত প্ৰাণ পাই উঠিছিল জনজীৱনৰ সুখ-দুখ, আশা-নিৰাশাৰ নিভাঁজ ছবিখন কিম্বা সমাজৰ দুৰ্বলতাবোৰ সেইজনেই হৈছে ভূপেন হাজৰিকা। তেখেতৰ প্ৰায় গীততেই এক ৰাজনৈতিক, সামাজিক চেতনাবোধ থকা দেখা যায়। তেখেতৰ কিছুসংখ্যক গীতত সাম্যবাদ আৰু একাংশ গীতত সমাজ চেতনা স্পষ্ট ৰূপত প্ৰতিফলন দেখা গৈছে। সুধাকণ্ঠৰ প্ৰায়বোৰ গীতত শোষিত-নিষ্পেষিতজনৰ কণ্ঠ, তেওঁলোকৰ জীৱনৰ কাৰুণ্য তথা বিদ্ৰোহী সত্তা বিচাৰি পোৱা যায়। যুগ যুগ ধৰি এচাম শাসকে নিম্নবৰ্গৰ লোকসকলক কৰা অন্যায়-অবিচাৰৰ বিৰুদ্ধে তেওঁ গৰজি উঠিছিল গীতৰ মাধ্যমেৰে। সংগীত যে সমাজ পৰিৱৰ্তনৰ এক অমোঘ অস্ত্ৰ, সেইকথাক তেওঁ হাড়ে-হিমজুৰে বিশ্বাস কৰিছিল। সেয়েহে ২০০৪ চনত লোকসভা নিৰ্বাচনত সাংসদ প্ৰাৰ্থীৰূপে কৈছিল— "শব্দ আৰু সুৰেই মোৰ জীৱন। শব্দ নিৰানন্দ আৰু মহানন্দে মই সত্যক কঁহিয়ালো জীৱনবোধেৰে। সেই সত্যকে সাৰথি কৰি অসমৰ লক্ষজনৰ পোৱা-নোপোৱাৰ বেদনা, পূৰ্বোত্তৰৰ বুভুক্ষ জনতাৰ হাঁহি-কান্দোনৰ প্ৰতিধ্বনিৰে দিল্লীৰ মছনদ কঁপোৱাৰ লক্ষ্য লৈ এইবাৰ আহিছোঁ আপোনাসবৰ কাষলৈ।" ভৱিষ্যৎ সমাজৰ অৱনতিৰ উমান পাই হাজৰিকাদেৱে সেই সময়তে তেখেতৰ গীতসমূহৰ মাজেদি জনতাক সচেতন কৰি তুলিছিল। হাজৰিকাদেৱৰ



গীতৰ মাজেৰে সমাজ জীৱনৰ জৰ্জৰিত ৰূপ সুন্দৰভাৱে প্ৰকাশ ঘটিছে। ৰাইজক নেতৃত্ব দিবলৈ ওলোৱা ৰজাসকলে তেওঁলোক তথা সমাজৰ কথা নাভাবি দেশখনকে বেচিবলৈ ওলাইছে। গোটেই পৃথিৱীজুৰি চলা এই অৰাজকতাৰ এখন সাৰ্থক ছবি তেওঁ অংকন কৰিছে— "এইটি বা কোন ওলাল" শীৰ্ষক গীতটিৰ মাজেদি। এতিয়া নেগুৰকটা শিয়ালবোৰৰ ৰাজত্বৰ কাল। তথাপি ৰাইজে এই কথাবোৰ বুজি উঠা নাই। কিন্তু ৰাজনৈতিক, সামাজিক ব্যৱস্থাসমূহ ক্ৰমান্বয়ে কোনফালে যাব আৰু কেনেদৰে ভ্ৰষ্টাচাৰীসকলৰ হাতত ক্ষমতাৰ বাঘজৰী পৰিব সেই কথা হাজৰিকাদেৱে তাহানিতে অনুমান কৰিছিল। সমাজ জীৱনলৈ অহা এই নেতিবাচক পৰিৱৰ্তনৰ ছবিখন তেতিয়াৰ পৰা এতিয়ালৈকে একেদৰেই আছে, বৰং হাজৰিকাই কৈ যোৱা কথাবোৰ আজি আৰু বেছি প্ৰাসংগিক হৈ পৰিছে—

এইটি বা কোন ওলালে
সিংহ কেনি লুকালে
নেগুৰ কটা শৃগাল আজি
ৰাজ সভালৈ যায়।

বৰ্তমান সমাজত প্ৰতিফলিত সকলোবোৰ দিশ বা কথাকেই হাজৰিকাদেৱে তেখেতৰ ৰচনাৰ মাজেৰে ব্যক্ত কৰিছে। তেখেতৰ গীতত সমাজ চেতনাৰ ৰূপ প্ৰতিফলন ঘটিছে। তেওঁ গীতৰ মাজেৰে আশা ব্যক্ত কৰিছে যে এচমকা বিজুলীৰ পোহৰে সমাজক উজ্বলাই তুলিব আৰু সৰু সৰু মানুহেও এই সৰু ঠেক সমাজখনক এৰি এখন বহল-উদাৰ সমাজলৈ খোজ পেলাব। তেওঁ জানে যে আমাৰ ঠেক সমাজখনৰ এই এলাণ্ডুকলীয়া সৰু সৰু বিচাৰবোৰত এদিন সকলোৱে লাজ পাব। সমাজ জীৱনলৈ আহিবলগীয়া অনাগত দিনৰ এই পৰিৱৰ্তনৰ ছবিখন হাজৰিকাদেৱে অতি সাৰ্থকভাৱে অংকন কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতত ভৱিষ্য-চেতনা আলচ কৰিবলৈ লৈ এই কথা কোৱা হৈছিল যে চেতনাৰ জন্ম হয় সংঘাত আৰু সংগ্ৰামৰ পৰা। জীৱনৰ এক সংগ্ৰাম নাথাকিলে চেতনাৰো কোনো প্ৰয়োজন নাথাকে। আনহাতে পৃথিৱীখনক সুন্দৰ কৰিবলৈ এক নিৰন্তৰ সংগ্ৰামৰ প্ৰয়োজন। সেইবাবেই হাজৰিকাদেৱে লিখিছে— "সংগ্ৰাম আন এটি নাম জীৱনৰে।" তেওঁ এই কথাও সোঁৱৰাই দিবলৈ পাহৰা নাই যে পৰিশেষত জনতাৰ জয় অনিবাৰ্য। কাৰণ ইতিহাসে সেই কথা সদায়ে সকিয়াই আছে।

এতিয়া ৰাজ্যৰ পৰিৱেশ ৰাইজে দেখিছে। তেওঁতো তেতিয়াই কৈছিল— "ৰাইজ আজি ভাৱৰীয়া, দেশেই নাটঘৰ/কোনে কি ভাও ল'বা আহা সময় যে তাকৰ"। আখৰাৰ পোছাক নালাগে আমাক, ভোকাতুৰৰ পেটত গামোচা বান্ধি উন্মাদ হৈ নাটকৰ বাবে ওলাই আহিবলৈ তেওঁ আহ্বান জনাইছিল।

তেওঁ ৰত্ন নহয়, মহাৰত্ন আছিল। এটা জাতিৰ প্ৰাণৰ স্পন্দন। গীতৰ মাজেৰে পৰিৱৰ্তনকামী চিন্তা-চেতনাৰ ঢৌ প্ৰবাহিত কৰিব পৰা এক শিহৰণ। তেওঁ আছিল গীতৰ মাধ্যমেৰে অসমীয়া জাতিক সকিয়াই থৈ যাব পৰা মহান দাৰ্শনিক। ভৱিষ্যতক তেওঁ দেখিছিল। সেয়েহে, সজাগ জনতাক ওলাই আহিবলৈ আহ্বান জনাইছিল— "আহ আহ ওলাই আহ সজাগ জনতা/আহ আহ ওলাই আহ পোহৰ আনোতা/ৰামৰে দেশতে থকা ৰাৱণ বধোতে/যায় যদি যায় জীৱনটো যাওঁক/সন্মুখৰে সেনাপতি থমকি জিৰালে/কিনো হ'ব সেনানীয়ে ভাবিলে গুণিলে/ক'লা কাকতি ফৰিং নাশেগৈ আহ..."

চিনেমা, ৰাজনীতি, সংগীত, সাহিত্য সকলোতে আছিল তেওঁৰ দখল। তেওঁক বহুতো সন্মানেৰে সন্মানিত কৰা হৈছিল। সন্মান তেওঁৰ বাবে ডাঙৰ নাছিল। অসমৰ ৰাইজৰ বাবে তেওঁ আছিল হিয়াৰ আমঠু।

সামাজিক সমস্যাক লৈ তেওঁ আছিল সচেতন। জনসংখ্যা বৃদ্ধিৰ বাবে যে এদিন আমাৰ বাবে এক ভয়ানক সমস্যা হ'ব, সেই উপলব্ধিৰে তেওঁ গাইছিল—

"কাজিৰঙা কাজিৰঙা / কাজিৰঙা ভয়াবহ নহয় / নহয় অভয়াৰণ্য / ইয়াতকৈও ভয়াবহ জানা / পৃথিবীৰ জন অৰণ্য।"

বৰ্তমান ভাৰতবৰ্ষৰ এক জ্বলন্ত সমস্যা হ'ল— বৰ্ধিত জনসংখ্যা। জনসংখ্যা বৃদ্ধিৰ হাৰে নিম্ন মধ্যবিত্তসকলৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। তেওঁ সেই সন্দৰ্ভত ৰচনা কৰিছিল—

"ঘনে ঘনে কত শিশুক
জন্ম দিবা তুমি? তুমি জন্ম দিবা
স্বাৰ্থবিহীন মৰতলে আনি..."

এনেধৰণৰ আন এটি গীত হ'ল—

"জ্ঞানীজনে কয় সিংহ এটাই ভাল"।

চৌদিশে বজাৰ অৰ্থনীতিৰ আগ্ৰাসিক প্ৰভাৱ বাঢ়ি অহাৰ লগে লগে মানুহৰ জীৱনৰ পৰা কেতবোৰ শাশ্বত অনুভৱ নোহোৱা হৈ গৈছে। এষাৰ মৰমৰ মাত, অলপ আতিথ্য এই সকলোবোৰ জনজীৱনৰ পৰা প্ৰায় নোহোৱা হৈছে। সমাজ গঢ়িবলৈ সুস্থ পৰিকল্পনা লাগিব। "জীৱন সিন্ধু বহু বিন্দুৰে হয়" গীতটিৰ আগকথাত ভূপেন হাজৰিকাই নিজেই লিখি থৈ গৈছে— "আজিৰ সমাজ গঢ়োঁতে অগভীৰ পৰিকল্পনা আৰু অলস চিন্তাই কোনো কাম নিদিয়ে। জীৱন সিন্ধু বহু বিন্দুৰে হয়। কিন্তু সেই বিন্দু কৰ্মৰে পূৰ্ণ হ'ব লাগিব।" এই গীতটিত তেওঁ সমাজৰ প্ৰতি থকা তেওঁৰ বিশ্বাসৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছে আৰু ঔপনিবেশবাদী শোষণৰ বিপৰীতে সাহসৰ মন্ত্ৰৰে ওলাই আহিবৰ বাবে আহ্বান জনাইছে—

"জীৱন সিন্ধু বহু বিন্দুৰে হয়
যদি কৰ্মেৰে হয় বিন্দু পূৰ্ণ।
অলস চিন্তা অগভীৰ আঁচনিয়ে
জয়ৰ বাসনা কৰে চূৰ্ণ।।
...... ...... ...... ......
সমাজক এৰি কোনো পদ নহয়
সমাজবাদ আজিৰ লক্ষ্য
জীৱন বোধহীন ব্যক্তিৰ বাবে
পৰিধি মাথোঁ হয় নিজ কক্ষ
স্বাৰ্থপৰ যান্ত্ৰিক দৃষ্টিয়ে
শাসনক কৰে সংকীৰ্ণ।।"

নতুন পুৰুষসকলৰ বাবে তেওঁ ভৱিষ্যত সংগ্ৰামৰ পথ নিৰ্দিষ্ট কৰি থৈ গৈছে। তেওঁৰ প্ৰায়বোৰ গীততেই আছে তৰুণ-তৰুণীসকলৰ প্ৰতি গভীৰ বিশ্বাস। তেওঁলোকক লৈয়ে তেওঁৰ ভৱিষ্যতৰ সপোন—

"তুমি নতুন পুৰুষ, তুমি নতুন নাৰী
অনাগত দিনৰ, জাগ্ৰত প্ৰহৰী

"অগ্নিযুগৰ ফিৰিঙতি মই" অন্যতম জনপ্ৰিয় গীত। নতুন অসম বা নতুন ভাৰত গঢ়িবলৈ ড° হাজৰিকাই এই গীতটো ৰচনা কৰিছিল। তেওঁ নিজে নিজক অগ্নিযুগৰ ফিৰিঙতি বুলি কৈছিল। নতুন দেশ এখন গঢ়িবলৈ সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ঘূৰাই আনিবলৈ অংগীকাৰ কৰিছিল। তেওঁ সাজিব খুজিছিল নৰ কংকালৰ অস্ত্ৰ। নৰ কংকালৰ অস্ত্ৰ সাজি তেওঁ শোষণকাৰীক বধিব খুজিছিল। এই গীতটোত তেওঁ স্পষ্টকৈ কৈছিল— ধৰ্ম ব্যৱসায়ীৰ ঠাই নাথাকিব তেওঁ গঢ়িব খোজা নতুন দেশত। নাথাকিব জাতিৰ অহংকাৰ। অস্পৃশ্যতাৰ মহাদানৱক আপোন হাতেৰে নাশিব খুজিছিল অসমীয়া মানুহৰ হিয়াৰ আমঠু ভূপেন হাজৰিকাই। বৰ্তমান সমাজৰ চেতনা তেওঁৰ গীতত তেতিয়াই ঠাই পাইছিল। কথাবোৰ গীতবিলাকত গীত হৈ থাকি যায়। তেওঁৰ গীতৰ গূঢ়াৰ্থ নাজানো, নুবুজো, জানিবলৈ চেষ্টা নকৰোঁ, বুজাৰ চেষ্টা নকৰোঁ। 'প্ৰতিধ্বনি শুনো' সেই গীতটোত ভূপেন হাজৰিকাই এনে কিছুমান কথা কৈ গ'ল, যিবিলাক কথাৰ প্ৰাসংগিকতা আজি অতি মূৰ্তমান। তেওঁ গাঁৱৰ পাহাৰৰ সিপাৰৰ প্ৰতিধ্বনি শুনিছিল কাৰোবাৰ নিশাৰ চিঞৰৰ। তেওঁ কৈছিল জাগি উঠা মানুহৰ হেজাৰ চিঞৰৰ কথা। তেওঁ কৈছিল, এই চিঞৰত পাহাৰ ভাঙি পৰাৰ কথা আৰু মানৱতাৰ সাগৰৰ কোলাহলৰ কথা। ১৯৬৯ চনত সীমান্ত গান্ধীৰূপে খ্যাত খাঁ আব্দুল গফুৰ খাঁৰ এক ভাষণৰ দ্বাৰা অনুপ্ৰাণিত হৈ কৃষক, শ্ৰমিক, বনুৱা, সংখ্যালঘু লোকৰ নিৰ্বাক কণ্ঠক সশব্দে প্ৰকাশ কৰি ৰচনা কৰিছিল— "শীতৰে সেমেকা ৰাতি" গীতটো। ঠিক সেইদৰে 'হে দোলা হে দোলা' গীতটোত হাজৰিকাদেৱে দোলাক সমকালীন সমাজৰ পুঁজিপতি শাসক, সুবিধাবাদী লোকৰ শোষণৰ প্ৰতীক হিচাপে উপস্থাপন কৰিছে। সুধাকণ্ঠৰ গীতবিলাক বিচিত্ৰ শব্দৰ নিটোল গাঁথনি, মনোমোহা সুৰ, এক সামাজিক বাৰ্তাৰ লগতে তেওঁৰ দিগন্ত কঁপোৱা বলিষ্ঠ কণ্ঠৰ মাজেদি প্ৰকাশ ঘটাৰ বাবেই আজি এই গীতবিলাকে সীমাৰ পৰিধি ভাঙি সসীমৰ পৰা অসীমলৈ যাত্ৰা কৰিছে। ১৯৯৩ চনত নাজিৰাৰ এখন বিহু মঞ্চত নিজেই কৈছিল— "আপোনালোকে মোৰ গীতবিলাক কেৱল গীত হিচাপে ল'লেহে মই সুখী হ'ম। আশাকৰোঁ আজিৰ সমাজ তথা প্ৰজন্মই এই দিশত গুৰুত্ব দিব।"

*লেখিকা ঃ স্নাতক চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ*

২

# ভূপেন হাজৰিকাৰ গীতত সমাজচেতনা

**ৰুম্মানা শ্বামচি**



**আৰম্ভণি ঃ**

অসম তথা ভাৰতৰ এগৰাকী গায়ক, সুৰকাৰ, গীতিকাৰ আৰু সংগীত পৰিচালক আছিল ভুপেন হাজৰিকা। তদুপৰি তেখেত আছিল এগৰাকী চিত্ৰকৰ, লেখক, বিশ্ববিদ্যালয়ৰ শিক্ষক, চলচ্চিত্ৰ পৰিচালক আৰু আলোচনী সম্পাদক।

**জন্ম ঃ**

১৯২৬ চনৰ ৮ ছেপ্তেম্বৰ তাৰিখে শদিয়াত ড° ভুপেন হাজৰিকাৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম নীলকান্ত হাজৰিকা আৰু মাতৃৰ নাম শান্তিপ্ৰিয়া হাজৰিকা। পত্নীৰ নাম আছিল প্ৰিয়ম্বদা পেটেল। তেখেতৰ পুত্ৰৰ নাম তেজ হাজৰিকা। তেখেতৰ মৃত্যু হৈছিল ২০১১ চনৰ ৫ নৱেম্বৰ তাৰিখে।

**ড° ভুপেন হাজৰিকাৰ গীতত সমাজচেতনা ঃ**

ভুপেন হাজৰিকাৰ গীতৰ বিষয়বস্তু বৰ্ণাঢ্য। তেওঁৰ গীতত অতীত মূৰ্ত হৈছে—জাতিভেদৰ প্ৰাচীৰ ভঙা গীত তেওঁ ৰচনা কৰিছে। সমাজৰ দুষ্কৃতি বিনাশিবলৈ তেওঁ বিদ্ৰোহৰ গীত গাইছে। অনিবাপত্তাত ভোগা হাজাৰজনৰ কণ্ঠ হৈ তেওঁৰ গীতত প্ৰতিবাদী কণ্ঠ নিনাদিত হৈছে। সামাজিক নানা সমস্যাক তেওঁৰ গীতৰ বিষয়বস্তু হিচাপে ঠাই দিছে। জাতীয় প্ৰেম, মানৱ প্ৰেম, প্ৰেম গীত, নিজৰ প্ৰাণৰ কথা আৰু সাময়িক প্ৰসঙ্গৰ গীত, শিশু গীত ইত্যাদি বিভিন্ন বিষয়ৰ গীত তেওঁ ৰচিছে। সৰ্বোপৰি তেওঁৰ গীতবোৰ বিচাৰ কৰিলে দেখা যায়— মূলতঃ গীতবোৰৰ অন্তৰ্নিহিত ভাব হ'ল সমাজচেতনা। সমাজৰ এজন সচেতন ব্যক্তি হিচাপে তেওঁ সমাজৰ প্ৰতিটো দিশৰ প্ৰতি সচেতন। মানুহৰ সমষ্টিয়েই সমাজ। সমাজক বাদ দি ব্যক্তি অসম্পূৰ্ণ। সমাজৰ প্ৰতিজন মানুহৰে সমাজৰ প্ৰতি দায়বদ্ধতা আছে। হাজৰিকা সমাজৰ প্ৰতিজন মানুহৰে সুখ-দুখৰ সমভাগী হৈছে। সম্পদত হাজাৰজনৰ উন্নতি আৰু মঙ্গল কামনা কৰিছে। তেওঁৰ গীতত সমাজৰ প্ৰতি থকা দায়বদ্ধতা কেনেদৰে প্ৰকাশ পাইছে সেয়া বিশ্লেষণ কৰাই এই আলোচনাৰ মূল উদ্দেশ্য।

একান্ত নিজস্ব শৈলীৰে ভুপেন হাজৰিকাই গীত ৰচনা কৰিছে। তেওঁৰ গীতৰ বিষয়বস্তু যিমান গুৰুত্বপূৰ্ণ সিমানেই গুৰুত্বপূৰ্ণ তেওঁৰ গীতৰ সুৰ আৰু প্ৰকাশভঙ্গী। তেওঁৰ গীতৰ বৈচিত্ৰ্য আৰু বৈশিষ্ট্য এটি মাত্ৰ দিশহে আলোচনাৰ বাবে লোৱা হৈছে। দিশটো হ'ল ভুপেন হাজৰিকাৰ গীতত সমাজচেতনা।

'সমাজচেতনা' শব্দটো যুগ্ম শব্দ। 'সমাজ' আৰু 'চেতনা' শব্দ দুটাৰ নিশ্চয়কৈ সুকীয়া অৰ্থ আছে। 'সমাজ' শব্দটোৰ বিষয়ে সমাজতত্ত্ববিদসকলে নিজস্ব মন্তব্য আগবঢ়াইছে। সেইসকলৰ ভিতৰত মেক আইভাৰ আৰু পেজৰ মতে— 'Society is a system of usages and procedures, authority and mutual aid of many groupings and divisions of controls of human.'

অৰ্থাৎ সমাজ হৈছে কিছুমান অভ্যাস আৰু ক্ৰিয়াবিধি, কৰ্তৃত্ব আৰু পাৰস্পৰিক সহযোগিতা আৰু বিভাজন, ব্যক্তিৰ আচৰণ আৰু স্বাধীনতা নিয়ন্ত্ৰণ কৰা এটা সামাজিক পদ্ধতি।

'চেতনা' শব্দৰ অৰ্থ হ'ল—

১) জ্ঞান, বোধ, জীৱিত বস্তুৰ আত্ম অনুভূতি।

২) সাৰ পাই থকা অৱস্থা।

৩) জীৱন ধাঃ পা-সাৰ পা, জ্ঞান পা।

আমি সকলোৱে জানো যে মানুহৰ মাজত সংঘটিত হোৱা পাৰস্পৰিক মানুহৰ যোগসূত্ৰ আৰু ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সহায়ত সামাজিক সম্পৰ্কবোৰ গঢ় লৈ উঠে। এনে মানৱীয় যোগসূত্ৰ, পাৰস্পৰিক সম্পৰ্ক, পাৰস্পৰিক ক্ৰিয়া-কলাপৰ অধীন হৈ জীৱন নিৰ্বাহ কৰা প্ৰণালীৰ সহায়েৰে লোকৰীতি, লোকাচাৰ, সামাজিক আদৰ্শ, ভাব, অনুভূতি আৰু জীৱনবোধৰ বিকাশ ঘটে। তেজৰ সম্পৰ্ক থকা অথবা মানৱীয় বান্ধোনেৰে বান্ধ খাই সদৃশ লোকসকলে একগোট হৈ সন্মিলিত জীৱন-যাপন কৰিবলৈ লোৱা প্ৰক্ৰিয়াৰ মাজেৰে সমাজৰ সৃষ্টি হয়। আকৌ সামাজিক বান্ধোনৰ ক্ষেত্ৰত পুৰুষ-মহিলা, ডেকা-বুঢ়া, ল'ৰা-ছোৱালী, ধনী-দুখীয়া, উচ্চ-নীচ, সুখী-অসুখী আদি নানা বৈসাদৃশ্য থকা উপাদান আৰু পৰিৱেশ-পৰিস্থিতিৰ মাজত ঘনিষ্ঠ যোগসূত্ৰ স্থাপিত হৈয়ো সমাজ গঢ় লৈ উঠিব পাৰে।

ড° ভূপেন হাজৰিকাই অসাধাৰণ প্ৰতিভাৰে গীত, সাহিত্য আৰু কথাছবি সৃষ্টি কৰি অসমীয়া সমাজত সমাজ চেতনাৰ চিনাকি দিছে। সমাজ-সচেতন গীতিকাৰ হিচাপে হাজৰিকাৰ গীতবোৰত সমাজ-চেতনা কেনেদৰে পৰিস্ফুট হৈছে সেই দিশটো বিচাৰ কৰিবলৈ তেওঁৰ অতীত মূৰ্ত হোৱা গীতকেইটা আলোচনাৰ প্ৰাৰম্ভতে লোৱা হ'ল, যাতে তাত সমাজ-সচেতনতাৰ ভাব কেনেকৈ প্ৰতিফলিত হৈছে বিচাৰ কৰাত সহায় হয়।

ড° ভূপেন হাজৰিকাই ১৯৭২ চনত লিখা 'জুই লৈ নেখেলিবি' শীৰ্ষক গীতটোত ভাষা আন্দোলনৰ সময়ছোৱাত বিভেদকামী জনতাক মন্ত্ৰেৰে দীক্ষিত কৰিবলৈ অতীত বুৰঞ্জীৰ কেইখিলামান পাত মেলি দেখুৱাইছে। অসমক মাতৃ বুলি স্বীকাৰ নকৰা, অসমীয়া ভাষাক আপোন বুলি গ্ৰহণ কৰিবলৈ নিবিচৰা এমুঠিমান মানুহৰ দুৰভিসন্ধিৰ বিষয়ে জনতাক জাগ্ৰত কৰিবলৈ ইতিহাসৰ এছোৱা এছোৱা গীতেৰে সংক্ষিপ্তভাৱে ইঙ্গিত দি ব্যক্ত কৰিছে এনেকৈ—

শঙ্কৰ মাধৱৰ মহা মহা সৃষ্টিৰে
উজ্জ্বল লুইতৰে পাৰ
কতজনে শলাগিলে অসমীয়া লিখনী
পদ্ম গোহাঞি বৰুৱাৰ।
বড়ো, ৰাভা, মিচিঙৰ ৰূপে ৰসে ভৰপূৰ
জীয়া জীয়া আমাৰ ভাষাৰ।
লিখাবোৰ কিয় বাৰু পঢ়ি পঢ়ি
চোৱা নাই পামেগাম বিষ্ণুৰাভাৰ।
আনন্দচন্দ্ৰ ৰজনীকান্ত আৰু
অম্বিকাগিৰীৰ ভাষাৰ
একে ফুলনিতে জানো ফুল
ফুলা নাছিল মফিজ হাজৰিকাৰ?
আজান ফকিৰ আৰু লক্ষ্মীনাথৰ
একে ধ্যান একেটি আশাৰ।
মোজম্মিল অনিলো হ'ল একে শৰতৰে
দুটি ফুল, একেটি ভাষাৰ।
উপাধ্যায়, ত্ৰিপাঠী, আফাজ, তমিজ
আৰু কৰ্মকাৰ চাহবাগিছাৰ
অসমীক আঁকোৱালি পাতিছে মনৰ কথা
ভাষা নৱ অসমীয়াৰ।

১৯৭২ চনত হোৱা ভাষা আন্দোলনৰ সময়ছোৱাত উপলব্ধি গীতটিত মূৰ্ত হৈছে। অসমীয়া ভাষা-কৃষ্টি, সমাজক ভালপোৱা গীতিকাৰ হাজৰিকাই মনে-প্ৰাণে কামনা কৰিছিল— অসমত বসবাস কৰা অনা অসমীয়া লোকসকলে অসমকে মাতৃভূমি বুলি গ্ৰহণ কৰি অসমীয়া ভাষা-কৃষ্টিক আদৰি লওক। একেদৰে তেওঁ কামনা কৰিছিল অসমীয়া লোকে অমানৱীয় বা হিংসাত্মক কাৰ্যত লিপ্ত নহওক। অসমীয়া ভাষা-কৃষ্টি আৰু অসমীয়া সমাজক সকলো পিনৰ পৰা চহকী কৰিবলৈ বিশেষ পৰিকল্পনা কৰিব লাগিব বুলি তেওঁ বিশ্বাস কৰে। ঐতিহ্যৰ ভাব প্ৰবল হোৱা গীতটোক প্ৰকাৰন্তৰে সমাজৰ কঠিন পৰিস্থিতি ব্যক্তিক কেনেকৈ সজাগ কৰিব পৰা যায় তাৰ সুন্দৰ উদাহৰণ বুলিব পাৰি। সমাজ-সচেতন গীতিকাৰে উদাত্ত কণ্ঠেৰে জনগণক ঐক্যবদ্ধ হ'বলৈ গীতটিৰ উৎসাহিত কৰিছে।

১৯৪৮ চনত হাজৰিকাই গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ 'অকণমাণিৰ মেল'ৰ আৰম্ভণি গীত হিচাপে গাবলৈ লিখা 'চেনেহৰ অকণি গীত' শীৰ্ষক গীতটোৰ ভাব বা বিষয়বস্তু মন কৰিবলগীয়া। গীতটিত অকণিহঁতক সমাজ-সচেতন কৰাৰ প্ৰয়াস আছে। অবিচাৰ আৰু শোষণকাৰী বিৰুদ্ধে প্ৰয়োজন হ'লে ৰুদ্ৰমূৰ্তি ধৰিবলৈ তেওঁ গীতৰ ভাষাৰে নৱ প্ৰজন্মক প্ৰোৎসাহিত কৰিছে—

অ' মোৰ স্নেহৰ অকণি অকণি বীৰ!
পুৱাৰ সূৰুযৰ নতুন সৃষ্টি তুমি
উজ্বলাই তোলা ধৰণীৰ
তুমি ৰুদ্ৰ মূৰ্তি ধৰি
নাশিব লাগিব
অবিচাৰ শোষণকাৰীৰ
অ' মোৰ স্নেহৰ অকণি অকণি বীৰ!

নজৰুল ইছলামৰ দৰে ভূপেন হাজৰিকাৰ বিদ্ৰোহী প্ৰাণে

বিশ্বাস কৰে সমাজক সচেতন কৰিবলৈ বিদ্রোহৰ বাণী বজ্র কণ্ঠেৰে নিনাদিত হ'ব লাগিব। শোষণকাৰী বিৰুদ্ধে, দৰিদ্ৰ শ্ৰমিকে ভোগীবলগীয়া হোৱা নিৰ্যাতনৰ বিৰুদ্ধে যুঁজিবলৈ সমাজক সচেতন কৰাৰ ক্ষেত্ৰত গীততকৈ উত্তম-মাধ্যম নাই। সমাজ-সচেতন গীতিকাৰ হাজৰিকাই নতুন অসম গঢ়িবলৈ নিজকে 'অগ্নিযুগৰ ফিৰিঙতি' বুলি কৈছে। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীয়ে সমাজ-সংস্কাৰ কৰিবলৈ 'গঢ়া কবি মোক ঝাডুদাৰ' হিচাপে তেওঁক গঢ়ি তুলিবলৈ ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল আৰু ড°



ভূপেন হাজৰিকাই নিজকে অগ্নিযুগৰ ফিৰিঙতিত পৰিণত কৰিছে, সমাজত সাম্যৰ সৰগ ৰচিবলৈ। ১৯৩৯ চনত লিখা 'অগ্নিযুগৰ ফিৰিঙতি' শীৰ্ষক গীতৰ অংশবিশেষ তুলি দিয়া হ'ল—

অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম।
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম
নতুন অসম গঢ়িম
নৰকংকালৰ অস্ত্ৰ সাজি
শোষণকাৰীক বধিম।
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম।

১৯৬৫ চনত ৰচনা কৰা 'বিস্তীৰ্ণ পাৰৰে' শীৰ্ষক গীতটোত হাজৰিকাই পিতৃ সদৃশ লুইতক অভিযোগ কৰিছে নিঃশব্দে নীৰৱে, নিৰ্বিকাৰ হৈ বৈ থকাৰ বাবে। নিৰ্বিবাদে চলি থকা নৈতিকতাৰ স্খলন, মানবতাৰ জ্ঞানহীনতা, নিৰক্ষৰতা, খাদ্যাভাৱ, নেতৃত্ব বিহীনতা, ব্যক্তিকেন্দ্ৰিকতা ইত্যাদিয়ে সমাজক পঙ্গু কৰি পেলাইছে। ভীষ্মৰূপী অজস্ৰ বীৰ বীৰত্ব পাহৰি নিঃপালি দিয়াৰ পৰা সাৰ পাই উঠিবলৈ হ'লে অন্য এক শক্তিৰ প্ৰয়োজন হ'ব বুলি হাজৰিকাই অনুভৱ কৰিছে। সেইবাবে তেওঁ বুঢ়া লুইতক ব্যক্তিকেন্দ্ৰিক সমাজখন ধ্বংস কৰি নতুন সমাজ এখন গঢ়ি তুলিবলৈ সহায় কৰিবৰ বাবে কাতৰভাৱে অনুৰোধ কৰিছে—

ব্যক্তি যদি ব্যক্তিকেন্দ্ৰিক
সমষ্টি যদি ব্যক্তিত্বৰহিত
তেনে শিথিল সমাজক নাভাঙা কিয়?
তুমিয়ে যদি ব্ৰহ্মাৰে পুত্ৰ
সেই পিতৃত্ব তেনে নামমাত্ৰ
নহ'লে প্ৰেৰণা নিদিয়া কিয়?
উন্মত্ত ধৰাৰে
কুৰুক্ষেত্ৰৰে
শৰশয্যাকে
আলিঙ্গন কৰা
ভীষ্মৰূপী
অজস্ৰ বীৰক
জগাই নোতোলা কিয়?

হাজৰিকাই উক্ত গীতটো ৰচনা কৰাৰ সন্দৰ্ভত তেওঁ মনৰ ভাব এনেদৰে ব্যক্ত কৰিছে—

"... মোৰ সমাজৰ সৈতে মোৰ আনন্দ-দুখ সকলো ভগাই লোৱাত মোৰ দৃঢ়বিশ্বাস আছে। ৰাজনৈতিক জীৱনত নেতা ব্যক্তিকেন্দ্ৰিক হ'লেই সমাজ জীৱনৰ যন্ত্ৰত ভাৰসাম্য নোহোৱা হোৱা দেখিছো। সমষ্টি যদি ব্যক্তিহীনতা দেখো, তেতিয়াও ভাবো এনে সমাজেৰে মই কি কৰিম?"

শান্তিকামী ভূপেন হাজৰিকাই ৰণ নিবিচাৰে। তেওঁ বিশ্বাস কৰে সময়ৰ আহ্বানক উপেক্ষা কৰাৰ সামৰ্থ ব্যক্তিৰ নাই। সময়ৰ অগ্ৰগতিৰ লগে লগে সমাজ জীৱনলৈ পৰিবৰ্তন অহাটো অৱশ্যম্ভাৱী। তথাপি জাতীয় সাংস্কৃতিক মূল্যবোধ আৰু পৰম্পৰাক সম্পূৰ্ণৰূপে বিসৰ্জন দিলে জাতিৰ জাতীয় সত্তা বৰ্তি নাথাকিব। আধুনিকতাক গ্ৰহণ কৰাৰ নামত মূল্যবোধ পৰিহাৰ কৰা জাতি বা সমাজৰ অস্তিত্ব সময়ৰ বুকুত নিঃশেষ হৈ যাব। ভূপেন হাজৰিকা এই বিষয়ে সজাগ। সমাজ-সচেতন গীতিকাৰজনে সময় থাকোতেই এই দিশটোৰ প্ৰতি জনতাক সজাগ কৰি দিবলৈ পাহৰা

নাই—

বোলো ৰণ হ'বলৈ খাম কি?
ৰণ হ'লে গাম কি
মৰিম দেশৰহে লোক।
শান্তিৰে নিজৰাত নিজৰি নগ'লে
আমি হ'ম বৰশীৰ টোপ
অতিকৈনো চেনেহৰ ব'হাগৰনো বিহুটিৰ
সুৰটিয়ে পাবগৈ লোপ।।

সমাজক আগবঢ়াই লৈ যাবলৈ সমাজ সংগঠকৰ চিন্তা হ'ব লাগিব গভীৰ আৰু পৰিকল্পনা হ'ব লাগিব সুদূৰপ্ৰসাৰী। অলস চিন্তা আৰু অগভীৰ আঁচনিয়ে সমাজক শুদ্ধ পথেৰে আগবাঢ়ি যোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। নানা জাতি-উপজাতিৰে গঢ় লৈ উঠা অসমত বিভেদকামী শক্তিয়ে প্ৰায়ে গৃহ কন্দল লগাই, সাম্প্ৰদায়িক সংঘৰ্ষত লিপ্ত কৰায়। ইতিহাসে ইয়াৰ সাক্ষী দিয়ে। গীতিকাৰ হাজৰিকাই ভেদাভেদ পৰিহাৰ কৰি সহনশীলতা, উদাৰতা আৰু ক্ষমাৰে অতীতৰ বৈষম্য আৰু তিক্ততাবোৰ পাহৰি নতুন সমাজ এখন গঢ়াত মনোনিৰেশ কৰিবলৈ অসমবাসীক আহ্বান জনাইছে—

অসমবাসী এমুঠি মানুহ
তাতে যদি নানান প্ৰভেদ
সামূহিক মংগল হয় মৰিমূৰ
উমি উমি থাকে যদি
ক্ৰোধ আৰু জেদ
সকলোৰে কৰা শান্তিৰ আলচ
ৰিক্ত মনক কৰা পূৰ্ণ।

অসমবাসীৰ উন্নতিত প্ৰতিবন্ধক হৈ থিয় দিয়া স্বাৰ্থপৰ দুৰাভিসন্ধিকাৰীক তেওঁ মনে-প্ৰাণে ঘিণ কৰে। আজীৱন দিহিঙে-দিপাঙে জীৱন টোকাৰী বাই ঘূৰি ফুৰা যাযাবৰ গীতিকাৰে দেখা পাইছে— জীৱন গলি যোৱা। মৃত্যুৰ কৰালগ্ৰাসত কোন কেতিয়া ক'ত পৰে কোনে জানে। অস্থায়ী এই জীৱন, তথাপি মানুহে মানৱ জীৱনৰ মহত্ব নুবুজি নিজৰ মাজতে খোৱা-কামোৰা কৰি অপূৰ্ব জীৱনটো বিনষ্ট কৰে। সময় থাকোতে জীৱনৰ এই নিৰ্মম সত্যক উপলব্ধি কৰিবলৈ সমাজ-সচেতন কবিৰ আকুল আকুতি ১৯৯৫ চনত ৰচনা কৰা 'দিহিঙে-দিপাঙে আজীৱন ঘূৰিলো' শীৰ্ষক গীতত হৃদয়স্পৰ্শী ৰূপত ফুটি উঠিছে এনেকৈ—

দিহিঙে-দিপাঙে আজীৱন ঘূৰিলো
আজীৱন ঘূৰিলো
জীৱনৰ টোকাৰী বাই।
শতিকা শেষত
থমকি চাওঁ যে
মৰণৰ তোৰণ নাই।
জীৱন গলিল
মৰণ গলিল
কোন যে কাহানি যায়?
দেহতত্ত্বৰো তত্ত্ব লুকাল
মানুহে মানুহক খায়।
নতুন শতিকা আহিলেই দেখো
আৰুতো অধিক পৰ নাই
অনীতিৰ সাগৰত দেশখন বুৰিছে
ধৰিবৰ তৃণ কুটা নাই
মোৰ অসমী
মানুহে মানুহক খায়
মৰণৰ তোৰণ নাই।

'মানুহে মানুহক খায়' অৰ্থাৎ সঁচা-সঁচিকৈ মানুহক খাদ্য হিচাপে দাঁতেৰে চোবাই খোৱাৰ প্ৰয়োজন নাই। লুণ্ঠন, শোষণ, প্ৰবঞ্চনা আদিৰে মানুহক জীৱন্ত অৱস্থাতো মৃত কৰিব পৰা যায়। একবিংশ শতিকাৰ দুৰাৰডলিত ভৰি থোৱা প্ৰতিজন সমাজভুক্ত ব্যক্তিৰ বাবে অমোঘ সত্য মানুহ হোৱা। এই কথাকে সমাজ-চেতনাৰে স্পষ্ট ভাষাৰে গীতিকাৰ হাজৰিকাই গীতৰ কথাৰে ঘোষণা কৰিছে।

**সামৰণি ঃ**

ড° ভূপেন হাজৰিকাৰ গীতবোৰৰ বিষয়বস্তু বিভিন্ন হ'ব পাৰে, প্ৰকাশভঙ্গী, আনকি সুৰো। কিন্তু গীতবোৰ ৰচনাৰ উদ্দেশ্য মানুহৰ সৰ্বতো প্ৰকাৰৰ মঙ্গল কামনা কৰা। গীতবোৰৰ প্ৰতিপাদ্য বিষয় হ'ল— মানৱিকতা, মূল লক্ষ্য সমাজ অন্তৰ্ভুক্ত ব্যক্তি হিচাপে প্ৰতিজন ব্যক্তিক সমাজৰ প্ৰতিটো দিশৰ প্ৰতি দায়বদ্ধতাৰ পাঠ পঢ়ুৱা। তেওঁৰ মতে— সমাজ সকলোৰে ওপৰত। সমাজ হ'ল একেলগে বাস কৰা এজাক মানুহ, প্ৰয়োজন সাপেক্ষে ভাষা, ধৰ্ম, বৰ্ণ, উচ্চ-নীচ, ধনী-দুখীয়া সকলোৰে একগোট হৈ দেশৰ, সমাজৰ বাবে চিন্তা কৰা এজাক মানুহ। মানুহৰ কাৰণে সৃষ্টি হোৱা সমাজৰ এজন সচেতন মানুহ হিচাপে চকু মুদা কুলি হৈ থকাৰ সলনি সমাজখনত ঘটি থকা ৰজাৰ অন্যায়, আইনৰ অন্যায়, সুবিধাভোগী দুষ্ট চক্ৰৰ অন্যায়, ভ্ৰষ্টাচাৰ, লুণ্ঠন, ব্যভিচাৰ, নিবনুৱা সমস্যা ইত্যাদিৰ বিষয়ে সৰব হ'বলৈ, সক্ৰিয়ভাৱে প্ৰতিবাদ কৰা ইতিবাচক সমাধানৰ বাবে উঠি পৰি লাগিবলৈ প্ৰেৰণা দিয়াৰ উদ্দেশ্যে হাজৰিকাই গীত ৰচনা কৰিছিল। তেওঁৰ গীতত অন্তৰ্নিহিত হৈ আছে সমাজচেতনাৰ বীজ। কিয়নো সমাজক সন্মান কৰা, ভাল পোৱা, মঙ্গল কামনা কৰা গীতিকাৰ ড° ভূপেন হাজৰিকা স্বয়ং সমাজসচেতন ব্যক্তি।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, দৰ্শন বিভাগ*

৩



# ভূপেন হাজৰিকাৰ গীতত সমাজচেতনা

**শ্যামলিমা বৰ্মন**

"তুমি নতুন পুৰুষ, তুমি নতুন নাৰী
অনাগত দিনৰ জাগ্ৰত প্ৰহৰী
কেঁচা জীৱন সোঁতক সিঞ্চন কৰি
সজাবা সমাজ নিজ হাতেৰে গঢ়ি।।"

— *ড° ভূপেন হাজৰিকা*

ড° ভূপেন হাজৰিকা অসম তথা ভাৰতৰ এগৰাকী গায়ক, সুৰকাৰ, গীতিকাৰ আৰু সংগীত পৰিচালক আছিল। তদুপৰি তেখেত আছিল এগৰাকী চিত্ৰকৰ, লেখক, বিশ্ববিদ্যালয়ৰ শিক্ষক, চলচ্চিত্ৰকাৰ আৰু আলোচনী সম্পাদক। কিছু সময়ৰ বাবে তেখেত সংসদীয় ৰাজনীতিতো যোগদান কৰিছিল। এইজনা বহুমুখী শিল্পীৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰ তাৰিখে শদিয়াত। সুধাকণ্ঠ নামেৰে পৰিচিত ভূপেন হাজৰিকাই অসম, পশ্চিম বংগ তথা ভাৰতৰ অন্য প্ৰদেশৰ বাহিৰেও চুবুৰীয়া দেশ বাংলাদেশৰো এগৰাকী জনপ্ৰিয় শিল্পীৰূপে খ্যাতি লাভ কৰিছিল। ড° ভূপেন হাজৰিকাক এগৰাকী বিশ্ব-নাগৰিক আৰু মানৱতাবাদী শিল্পী বুলি গণ্য কৰা হয়। অসমীয়া, বাংলা, হিন্দী, ইংৰাজী আদি বিভিন্ন ভাষাত তেখেতে সংগীত ৰচনা কৰিছিল আৰু কণ্ঠ দান কৰিছিল। তেখেতৰ গীতত সমসাময়িক সমাজ, সংস্কৃতি, ৰাজনীতি, দুৰ্নীতি আদি স্পষ্টভাৱে প্ৰতিফলিত হোৱা দেখা যায়। তেখেতৰ কৰ্মৰাজিয়ে অসমৰ কলা-সংস্কৃতি জগতৰ উন্নয়ন সাধনৰ উপৰিও অসম তথা ভাৰতক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰাতো অৱদান আগবঢ়াই আহিছে। হাজৰিকাই সংগীত, সাহিত্য, পৰিৱেশ্য কলা, চলচ্চিত্ৰ আদিৰ বিভিন্ন অধ্যয়ন চক্ৰ তথা সাংস্কৃতিক উৎসৱত ভাগ লৈ বেলজিয়াম, জাপান, আমেৰিকা আদি ভ্ৰমণ কৰিছিল। সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত ড° হাজৰিকা অসমকে ধৰি দেশ-বিদেশতো বহুলভাৱে সমাদৃত আৰু সন্মানিত হৈছে। অসমৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম ৰত্ন, ভাৰতৰ সাংস্কৃতিক জগতৰ উল্লেখনীয় সংগীত নাটক একাডেমি বঁটাৰ উপৰিও তেখেতে ১৯৯২ চনত ভাৰতৰ চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান 'দাদা চাহেব ফাল্কে বঁটা' লাভ কৰিছিল। ড° হাজৰিকাই ১৯৯৩ চনত অনুষ্ঠিত 'অসম সাহিত্য সভা'ৰ শিৱসাগৰ অধিৱেশনৰ সভাপতিত্ব কৰিছিল। সংগীত নাটক একাডেমিৰ চেয়াৰমেন পদ লাভ কৰোঁতা হাজৰিকাদেৱেই প্ৰথমগৰাকী অসমীয়া ব্যক্তি।

**ড° ভূপেন হাজৰিকাৰ গীতত সমাজ চেতনা ঃ**

"অগ্নিযুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম...
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম।"

ভূপেন হাজৰিকাৰ ৰচনা 'অগ্নিযুগৰ ফিৰিঙতি মই' অন্যতম জনপ্ৰিয় গীত। তেওঁ নিজেই নিজক অগ্নিযুগৰ ফিৰিঙতি বুলি কৈছিল। নতুন দেশ এখন গঢ়িবলৈ সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ঘূৰাই আনিবলৈ অংগীকাৰ কৰিছিল। এই গীতটোত তেওঁ স্পষ্টকৈ

কৈছিল— ধৰ্ম ব্যৱসায়ীৰ ঠাই নাথকিব তেওঁ গঢ়িব খোজা নতুন দেশত। নাথাকিব জাতিৰ অহংকাৰ। অস্পৃশ্যতাৰ মহাদানৱক আপোন হাতেৰে নাশিব খুজিছিল অসমীয়া মানুহৰ হিয়াৰ আমঠু ভূপেন হাজৰিকাই। হিন্দু-মুছলমান, জাতি-জনজাতিৰ ভেদাভেদৰ প্ৰাচীৰ ভাঙি সাম্যবাদৰ সৰগ ৰচিব খুজিছিল ড° ভূপেন হাজৰিকাই।

১৯৬৩ চনত ভূপেন হাজৰিকাই 'মণিৰাম দেৱান' চিনেমাৰ বাবে আন এক কালজয়ী গীতত তেওঁ জনসাধাৰণৰ হৃদয়ত জ্বলি থকা অগ্নি শক্তিক এক সাৱলীল বৰ্ণনা আগবঢ়াইছে। তেওঁ কৈছে মুক্তিপিয়াসী সুপ্ত মানুহৰ বক্ষ তীখা হৈ গলে। তেওঁ অস্ত্ৰ সাজিব খোজে জনতাতন্ত্ৰৰে, যি অস্ত্ৰই শোষণজৰ্জৰ মানুহৰ আৰ্তনাদৰ অন্ত পেলাব।

১৯৬৩ চনত ভূপেন হাজৰিকাই ৰচনা কৰা মানৱতাবাদী দৰ্শনৰ অন্যতম জনপ্ৰিয় গীত— 'দোলা হে দোলা'। বৰ বৰ মানুহৰ দোলাভাৰীসকলৰ ওপৰত যুগে যুগে জাপি দিয়া, মেটমৰা বোজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ উদ্‌গণি দিছে। দোলাভাৰী অৰ্থাৎ সাধাৰণ লোকসকলেই শোষক-শাসক বৰ মানুহসকলক সুৰক্ষা দি আহিছে। শোষণ-নিষ্পেষণৰ বিৰুদ্ধে ৰচনা কৰা এই গীতবোৰ গীত হৈ ৰৈ যায়। কথাবোৰ আমি বহুতে বুজি নাপাওঁ। মানুহৰ অন্তৰত বিদ্ৰোহ হৈ মানুহক জাগ্ৰত নকৰে। কাৰণ আমি ভূপেন হাজৰিকাক গায়ক বুলিহে জানো। তেওঁৰ গীতৰ গুঢ়াৰ্থ নাজানো, নুবুজো, জানিবলৈ চেষ্টা নকৰো। ১৯৫৩ চনতে ভাৰতৰ পৰা চীন দেশলৈ এটা সাংস্কৃতিক দল গৈছিল সাংস্কৃতিক বিনিময় তথা সু-সম্পৰ্ক গঢ়িবলৈ। চীন দেশত গাবলৈ ভূপেন হাজৰিকাই যিটো গীত ৰচনা কৰি নিছিল সেই গীতৰ প্ৰাসংগিকতা আজিও প্ৰভূত। আজিও সেই গীত আমাৰ মাজত বা আমাৰ বাবে বহুত অৰ্থ কঢ়িয়াই আনে।



'প্ৰতিধ্বনি শুনো' সেই গীতটোত ভূপেন হাজৰিকাই এনে কিছুমানৰ কথা কৈ গ'ল, যিবিলাক কথাৰ প্ৰাসংগিকতা আজি অতি মূৰ্তমান। তেওঁৰ গাঁৱৰ পাহাৰৰ সিপাৰৰ প্ৰতিধ্বনি শুনিছিল কাৰোবাৰ নিশাৰ চিঞৰৰ। তেওঁ কাণ পাতি শুনিছিল সেই চিঞৰৰ প্ৰতিধ্বনি। বুজিবৰ চেষ্টা কৰিছিল, কিন্তু বুজি পোৱা নাছিল। তেওঁ কৈছিল— জাগি উঠা মানুহৰ হেজাৰ চিঞৰৰ কথা। তেওঁ কৈছিল, এই চিঞৰত পাহাৰ ভাঙি পৰাৰ কথা আৰু মানৱতাৰ সাগৰৰ কোলাহলৰ কথা ভূপেন হাজৰিকাক ভাল পোৱা অসমৰ অসমীয়া মানুহে এতিয়াও কিন্তু ভূপেন হাজৰিকাৰ মনৰ এই প্ৰতিধ্বনি শুনা আদৰ্শৰ কথা বুজি নুঠিল।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকা অসমীয়া সমাজ তথা কলা জগতলৈ যি বৰঙণি আগবঢ়াই থৈ গ'ল সেয়া কেইটামান শব্দৰে বৰ্ণনা কৰিব পৰা পৰিসৰৰ নহয়। তেওঁৰ প্ৰায় গীতসমূহ মানৱতাবাদী। জনতাক আহ্বান জনাইছিল জাগি উঠিবলৈ—

"মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে
অকণি সহানুভূতিৰে ভাবিব কোনেনো কোৱা
সমনীয়া..."

হাজৰিকাদেৱৰ এই গীতটি নুশুনা অসমীয়া মানুহ হয়তো নোলাব। বৰ্তমান প্ৰায় আত্মকেন্দ্ৰিকতাৰ দিশে গতি কৰা সমাজখনৰ বাবে তেতিয়াই ভূপেন হাজৰিকাই ৰচনা কৰা এই গীতটিয়ে বাৰ্তা বহন কৰি আহিছে। সমাজপ্ৰিয় জীৱ হিচাপে মানুহ এজন আনজনৰ সহায় হোৱাটো অৱশ্যেই দৰকাৰী। কিন্তু বৰ্তমান সময়ত দেখা গৈছে যে, কাৰোৰে যে সময় নাই। অতি সাধাৰণ কথাতে মানুহে আজিকালি হিংসাৰ আশ্ৰয় লয়, মানুহক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে। দুৰ্বল শ্ৰেণীৰ ওপৰতো ভিন্ন সময়ত একাংশৰ শোষণ চলি অহা দেখা গৈছে। এই গীতৰ সহায়ত ড° হাজৰিকাই মানৱ সমাজত তথা অসমীয়া জাতিক আহ্বান জনাইছিল মানুহমুখী হ'বলৈ।

"আহ আহ ওলাই আহ
সজাগ জনতা..."

এই গীতটি ভূপেন হাজৰিকাৰ সমাজ সচেতনতা সৃষ্টিকাৰী গীতৰ ভিতৰত অন্যতম হিচাপে গণ্য কৰিব পাৰি। ৰামৰ দেশত থকা ৰাৱণ আৰু ক'লা-কাকতি ফৰিঙৰ সৈতে সমাজ তথা জাতিৰ ক্ষতিসাধনকাৰীসকলক তুলনা কৰি সেইসমূহ নিঃশেষ কৰাৰ



বাবে ৰাইজক ওলাই আহিবলৈ তেওঁ এই গীতৰ জৰিয়তে কৈ গৈছে। লগতে সন্মুখৰ সেনাপতি থমকি জিৰালেও সেনানীসকলক থমকি নৰৈ আগুৱাই যোৱাৰ মন্ত্ৰণা তেওঁ দিছে।

"মহাবাহু ব্ৰহ্মপুত্ৰ

মহামিলনৰ তীৰ্থ..." গীতৰ জৰিয়তে বৰ লুইত বা ব্ৰহ্মপুত্ৰৰ বৰ্ণন সুধাকণ্ঠ ভূপেন হাজৰিকাৰ দৰে হয়তো আন কোনেও আজিলৈকে দিব পৰা নাই। লুইতখনক তেওঁ সাহসৰ আকাৰ, সমন্বয়ৰ প্ৰতীক হিচাপে উপস্থাপন কৰা দেখা যায়। এই গীতত তেওঁ ভিন্ন স্থানৰ পৰা আহি অসম মুলুকত থিতাপি লোৱা মানুহবোৰৰ মাজত গঢ়ি উঠা একতা তথা ভাতৃত্ববোধ সুন্দৰভাৱে বৰ্ণনা কৰিছে। আনৰ লগত জীণ যাবলৈ হ'লে কিছু দিবলৈ কিছু ল'বলৈও যে শিকিব লাগে সেই কথাও তেওঁ উল্লেখ কৰিছে। বৰ্তমান জাতি-ধৰ্ম আদি বিষয়বোৰে পৃথক কৰিব খোজা অসমীয়া সমাজখনক একতাৰে বান্ধি ৰখাৰ মন্ত্ৰণা এই গীতৰ জৰিয়তে তেওঁ দি গৈছে।

"আমি অসমীয়া নহওঁ দুখীয়া..."

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টি 'আমি অসমীয়া নহওঁ দুখীয়া' গীতটিৰ আলমত সুধাকণ্ঠই ৰচনা কৰা এই গীতটিয়ে অসমীয়া জাতিক যুগযুগান্তৰলৈ অনুপ্ৰাণিত কৰি ৰাখিব। দুখীয়া নহওঁ বুলি গপত গঙ্গাটোপ হৈ থাকিলে যে এদিন ভৰিৰ তলৰ মাটিকণো হেৰুৱাব লগা হ'ব সেই কথা উপলব্ধি কৰিয়ে হয়তো এইদৰে জাতিটোক সাৱধান কৰি গৈছে ড° ভূপেন হাজৰিকাই। অসমীয়া জাতিয়ে যাতে নিজৰ প্ৰাপ্য, নিজৰ অধিকাৰৰ বাবে পৰমুখাপেক্ষী হ'বলগীয়া নহয় সেইবাবে জীৱিত কালতে তেওঁ জাতিটোক সকীয়াই দিছে।

"বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে"

পূৰ্বতেই আমি উল্লেখ কৰিছো যে, সুধাকণ্ঠই গীতৰ মাজেৰে লুইতক অসমীয়াৰ বুকুত চিৰধাৱমান কৰি গৈছে। এই গীতটিৰ দ্বাৰা বিশৃংখলতাই দেখা দিয়া তথা অনীতি-দুৰ্নীতি আদিয়ে খোপনি পোতা সমাজখনক ধুই নিকা কৰিবলৈ যেন বৰ লুইতক তেওঁ আহ্বান জনাইছে। সকলো দেখিও নীৰৱে বৈ থকাৰ বাবে লুইতক নিৰ্লজ্জ বুলি অভিহিত কৰি তেওঁ যেন তুলনা কৰিছে সমাজৰ অবক্ষয় দেখিও নিমাতে থকা লোকসকলৰ সৈতে।

এনে আৰু বহুগীত আছে, যাৰ দ্বাৰা সমাজক শুদ্ধভাৱে পৰিচালনা কৰিবলৈ, জাতিটো সজাগ কৰিবলৈ চেষ্টা কৰিছিল সুধাকণ্ঠই। অসমীয়া জাতি, অসমীয়া ভাষা, অসমীয়া সংস্কৃতি যাতে সদায় অক্ষুণ্ণ থাকে তাৰ বাবে প্ৰতিজন অসমীয়াকে আগুৱাই আহি এই ধাৰাত নিজকে নিয়োজিত কৰাৰ আহ্বান জনাই গৈছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই।

ভূপেন হাজৰিকাদেৱৰ প্ৰায় গান জনতাৰ আহ্বান বিচৰাৰ গান। সমাজ গঢ়াৰ গান। তেওঁৰ গীতত আমি সমাজৰ উন্নতি সাধনৰ বিষয়ে শুনো।

*লেখিকা ঃ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*



১

# গোলকীয় উষ্ণতা আৰু উত্তৰ-পূব ভাৰত

ৰীমা বিশ্বাস

**পৰিচয় ঃ**

প্ৰযুক্তিগত বিকাশৰ ক্ষেত্ৰত যোৱা কেইটামান দশক স্মৰণীয় হৈ আছে। মানুহে প্ৰণালী আৰু যন্ত্ৰ বিকশিত কৰিছে যিয়ে আমাৰ জীৱন সহজ কৰি তোলে। বিশেষকৈ ষোল্ল শতিকাৰ আৰম্ভণিৰ পৰা ১৮ শতিকাৰ শেষলৈকে আধুনিক সময়ছোৱাত, যাক সাধাৰণতে 'বৈজ্ঞানিক বিপ্লৱ' বা 'জ্ঞান' বুলিও কোৱা হয়, আধুনিক প্ৰযুক্তিয়ে ইতিহাসৰ সকলোবোৰৰ তুলনাত ইমান কম সময়সীমাত বিকাশত আগবাঢ়ি গৈছিল। অৱশ্যে, সমাজৰ বিকাশৰ সৈতে, পৃথিৱীৰ পৰিৱেশৰ মানদণ্ডৰ এক গুৰুতৰ ক্ষতি হৈছে। গ্ৰহটোৰ অৱস্থাৰ বাবে আটাইতকৈ ডাঙৰ ভাবুকি হৈছে জলবায়ু পৰিৱৰ্তন। অপৰ্যাপ্ত গৱেষণা আৰু প্ৰাকৃতিক সম্পদৰ বেপৰোৱা অপব্যৱহাৰ হৈছে গ্ৰহটোৰ অৱনতি হোৱা অৱস্থাৰ কেইটামান মূল কাৰণ।

গোলকীয় উষ্ণতা ধাৰণা আৰু ইয়াৰ কাৰণ আৰু প্ৰভাৱবোৰ বুজিবলৈ, আমি গ্ৰহটোৰ উষ্ণতা প্ৰভাৱিত কৰা বহুতো কাৰক আৰু পৃথিৱীৰ ভৱিষ্যতৰ বাবে ইয়াৰ অৰ্থ কি সেয়া গভীৰভাৱে চোৱা প্ৰয়োজন। ইয়াত গোলকীয় উষ্ণতা বৃদ্ধি আৰু অন্যান্য গুৰুত্বপূৰ্ণ সম্পৰ্কিত বিষয়বোৰৰ ওপৰত এক উদ্দেশ্যমূলক দৃষ্টি দিয়া হৈছে।

> আমাৰ অসমৰ জলবায়ু সেমেকা বুলি পূৰ্বতে যি গৌৰৱ আছিল, আজি আমি সেই গৌৰৱৰ পৰা বঞ্চিত হৈছো। গছ-গছনি কাটি-ছিঙি ধ্বংস কৰাৰ ফলত ৰৌদ্ৰতাপে জীয়াতু ভোগাইছে। সেউজ গৃহ গেছৰ বৃদ্ধিয়ে আমাৰ জনজীৱনত আঁচোৰ মাৰিছে। ইয়াৰ পৰা উদ্ধাৰ হ'বলৈ আমাৰ যথেষ্ট কৰণীয় আছে।

**গোলকীয় উষ্ণতা বৃদ্ধি কি ঃ**

গোলকীয় উষ্ণতা বৃদ্ধিক প্ৰায়ে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ বুলি গণ্য কৰা হয়। গোলকীয় উষ্ণতা হৈছে পৃথিৱীৰ পৰিৱেশৰ উষ্ণতা দ্ৰুতগতিত বৃদ্ধি হোৱা— যাৰ ফলত বহুতো জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। গোলকীয় উষ্ণতা হৈছে আমাৰ পৰিৱেশৰ ওপৰত এক বিপদজনক প্ৰভাৱ যিটো আমি আজিকালি সন্মুখীন হৈ আছো। দ্ৰুত ঔদ্যোগীকৰণ, জনসংখ্যা বৃদ্ধি আৰু প্ৰদূষণৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি হৈছে। গোলকীয় উষ্ণতা মানে হৈছে যোৱা শতিকাত পৃথিৱীৰ পৃষ্ঠৰ গড় উষ্ণতা বৃদ্ধি। গোলকীয় উষ্ণতা বিপদজনক হোৱাৰ এটা

কাৰণ হ'ল ই গ্ৰহটোৰ সামগ্ৰিক পৰিস্থিতি বিজ্ঞানত ব্যাঘাত জন্মায়। ইয়াৰ ফলত বানপানী, দুৰ্ভিক্ষ, ঘূৰ্ণীবতাহ আৰু অন্যান্য সমস্যা হয়। এই উষ্ণতাৰ বহুতো কাৰণ আৰু ফলাফল আছে আৰু পৃথিৱীত জীৱনৰ অস্তিত্বৰ বাবে বিপদ।

বিশ্বব্যাপী ঘটি থকা বহুতো প্ৰাকৃতিক পৰিঘটনাৰ সৈতে গ্লোবেল ৱামিঙৰ লক্ষণ ইতিমধ্যে দৃশ্যমান হৈছে, যি প্ৰতিটো জীৱিত প্ৰজাতিক প্ৰভাৱিত কৰিছে। ইয়াত কিছুমান তথ্য দিয়া হৈছে যি বিগত কেইবছৰমানত গোলকীয় উষ্ণতাৰ বাস্তৱতাৰ বিষয়ে অধিক সঠিক তথ্য দিয়াত সহায় কৰিব পাৰে ঃ

১) গড় হিচাপত, ১৭০০ দশকৰ শেষৰ ফালে ঔদ্যোগিক বিপ্লৱৰ আৰম্ভণিৰ তুলনাত বিশ্বৰ তাপমাত্ৰা প্ৰায় ১.৫° ছেণ্টিগ্ৰেডতকৈ অধিক। হয়তো এইটো বেছি নহ'ব পাৰে, কিন্তু সেয়া এক গড় অনুমান। এই সংখ্যাটো কেৱল বাঢ়ি আছে। পৃথিৱীৰ বহুতো অংশই উষ্ণতাৰ অধিক গুৰুতৰ পৰিৱৰ্তনৰ সন্মুখীন হয় যি গ্ৰহটোৰ সামগ্ৰিক স্বাস্থ্যক প্ৰভাৱিত কৰে।

২) ১৯৫০ চনত, বিশ্বৰ কাৰ্বণ-ডাই-অক্সাইডৰ নিৰ্গমন আছিল ৬ বিলিয়ন টন যি ১৯৯০ চনলৈকে আয়তনত চাৰিগুণ বৃদ্ধি পাইছিল। মাত্ৰ ৪০ বছৰ পিছত ২২ বিলিয়ন টনলৈ। কেৱল সেয়াই নহয়, আজি নিয়ন্ত্ৰণহীন কাৰ্বণ-ডাই-অক্সাইড নিৰ্গমন ৩৫ বিলিয়ন টনত উপনীত হৈছে।

গোলকীয় উষ্ণতা বৃদ্ধিৰ আটাইতকৈ স্পষ্ট কাৰণবোৰ হৈছে ঔদ্যোগীকৰণ, নগৰায়ন, বনধ্বংস আৰু অত্যাধুনিক মানৱ কাৰ্যকলাপ। এই মানৱ কাৰ্যকলাপৰ ফলত কাৰ্বণ-ডাই-অক্সাইড, নাইট্ৰাছ অক্সাইড, মিথেন আৰু অন্যান্যকে ধৰি সেউজগৃহ গেছৰ নিৰ্গমন বৃদ্ধি পাইছে।

**গোলকীয় উষ্ণতাৰ কাৰণসমূহ ঃ**

গোলকীয় উষ্ণতাৰ মুখ্য কাৰণ হৈছে বায়ুমণ্ডলত কাৰ্বণ-ডাই-অক্সাইড, মিথেন, নাইট্ৰাছ অক্সাইড আদিৰ দৰে সেউজগৃহ গেছ মুকলি কৰা। কাৰ্বণ-ডাই-অক্সাইডৰ মুখ্য উৎস হৈছে শক্তি প্ৰকল্প। এই শক্তি প্ৰকল্পবোৰ বিদ্যুৎ উৎপাদনৰ উদ্দেশ্যে জীৱাশ্ম ইন্ধন জ্বলোৱাৰ পৰা উৎপন্ন হোৱা বৃহৎ পৰিমাণৰ কাৰ্বণ-ডাই-অক্সাইড নিৰ্গত কৰে। বায়ুমণ্ডলত নিৰ্গত প্ৰায় বিংশ শতাংশ কাৰ্বণ-ডাই-অক্সাইড বাহনৰ ইন্ধনত গেছ'লিন জ্বলোৱাৰ পৰা আহে। বাণিজ্যিক আৰু আৱাসিক দুয়োধৰণৰ অট্টালিকাবোৰে গাড়ী আৰু ট্ৰাকৰ তুলনাত গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰদূষণৰ এক ডাঙৰ উৎসক প্ৰতিনিধিত্ব কৰে। এই গাঁথনিবোৰ নিৰ্মাণ কৰিবলৈ যথেষ্ট ইন্ধন জ্বলোৱাৰ প্ৰয়োজন হয় যিয়ে বায়ুমণ্ডলত বৃহৎ পৰিমাণৰ কাৰ্বণ-ডাই-অক্সাইড নিৰ্গত কৰে।

গোলকীয় উষ্ণতাৰ আন এটা কাৰণ হ'ল বনধ্বংস যি বাসস্থান আৰু ঔদ্যোগীকৰণৰ উদ্দেশ্যে বনাঞ্চল কটা আৰু জ্বলাই দিয়াৰ ফলত হয়।

**গোলকীয় উষ্ণতাৰ প্ৰভাৱ ঃ**

গোলকীয় উষ্ণতাৰ প্ৰভাৱে পৃথিৱীৰ গড় উষ্ণতা বৃদ্ধি কৰিছে। পৃথিৱীৰ উষ্ণতা বৃদ্ধিৰ ফলত পৰিস্থিতি বিজ্ঞানৰ অন্যান্য পৰিৱৰ্তন হ'ব পাৰে, যাৰ ভিতৰত আছে সাগৰৰ স্তৰ বৃদ্ধি আৰু বৰষুণৰ পৰিমাণ আৰু আৰ্হি সলনি কৰা। এই পৰিৱৰ্তনবোৰে বানপানী, দুৰ্ভিক্ষ, তাপ তৰংগ, টৰ্ণেডো আৰু টুইষ্টাৰৰ দৰে গুৰুতৰ জলবায়ু পৰিৱৰ্তনৰ ঘটনা আৰু ঘনত্ব বৃদ্ধি কৰিব পাৰে।

গোলকীয় উষ্ণতাৰ ফলত পৰিৱেশ তন্ত্ৰ আৰু জীৱ-জন্তুৰ আচৰণত অপৰিৱৰ্তনীয় পৰিৱৰ্তন ঘটিব বুলি আশা কৰা হৈছে।

**উত্তৰ-পূব ভাৰতত ইয়াৰ প্ৰভাৱ ঃ**

আমাৰ অসম একালত চিৰসেউজ ভূমি হিচাপে পৰিগণিত হৈছিল যদিও সময়ৰ আঁচোৰে এপদ-এপদকৈ সেউজ সম্পদসমূহ কাঢ়ি নিছে। উদ্যোগবিহীন ৰাজ্য অসম গোলকীয় উষ্ণতাৰ মানচিত্ৰত প্ৰৱেশ হোৱাটো চিন্তাৰ কাৰণ। উদ্যোগ থকা ঠাইত উষ্ণতা বৃদ্ধি হোৱাটো স্বাভাৱিক। কিন্তু আমাৰ অসমত ইয়াৰ মূলতেই হ'ল বনধ্বংস। ফলত প্ৰকৃতি আৰু জীৱ-জন্তুৰ সংঘাত অনিবাৰ্য।

আমাৰ অসমৰ জলবায়ু সেমেকা বুলি পূৰ্বতে যি গৌৰৱ আছিল, আজি আমি সেই গৌৰৱৰ পৰা বঞ্চিত হৈছো। গছ-গছনি কাটি-ছিঙি ধ্বংস কৰাৰ ফলত ৰৌদ্ৰতাপে জীয়াতু ভোগাইছে। সেউজ গৃহ গেছৰ বৃদ্ধিয়ে আমাৰ জনজীৱনত আঁচোৰ মাৰিছে। ইয়াৰ পৰা উদ্ধাৰ হ'বলৈ আমাৰ যথেষ্ট কৰণীয় আছে।

**গোলকীয় উষ্ণতাৰ সমাধান ঃ**

ব্যক্তিৰ ওপৰত দোষাৰোপ কৰিব নোৱাৰি, অৱশ্যে ইয়াক ব্যক্তিগত স্তৰৰ পৰা আৰম্ভ কৰি অৱনতি হোৱাৰ পৰা মোকাবিলা আৰু বজাই ৰাখিব পাৰি। অৱশ্যে, উদ্যোগ আৰু বহুজাতিক গোটবোৰৰ কাৰ্বণ নিৰ্গমনৰ স্তৰ এজন সাধাৰণ নাগৰিকৰ তুলনাত অধিক। তথাপিও, সক্ৰিয়তা আৰু সামূহিক প্ৰচেষ্টা হৈছে গোলকীয় উষ্ণতাৰ অৱনতি হোৱা অৱস্থা নিয়ন্ত্ৰণ কৰাৰ একমাত্ৰ সম্ভৱ উপায়। ইয়াৰ উপৰিও ৰাজ্য বা চৰকাৰী পৰ্যায়ত, বিশ্বৰ নেতাসকলে সাধাৰণতে পৰিৱেশৰ আৰু কোনো ক্ষতি নহ'ব বুলি নিশ্চিত কৰিবলৈ দৃঢ় পৰিকল্পনা আৰু পদক্ষেপ কাৰ্যসূচী সৃষ্টি কৰিব লাগিব।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*



২

# গোলকীয় উষ্ণতা আৰু উত্তৰ-পূব ভাৰত

**ৰিয়া ৰয়**

**পৰিচয় ঃ**

প্ৰযুক্তিগত বিকাশৰ ক্ষেত্ৰত যোৱা কেইটামান দশক স্মৰণীয় হৈ আছে। মানুহে প্ৰণালী আৰু যন্ত্ৰ বিকশিত কৰিছে যিয়ে আমাৰ জীৱন সহজ কৰি তোলে। বিশেষকৈ ষোল্ল শতিকাৰ আৰম্ভণিৰ পৰা ১৮ শতিকাৰ শেষলৈকে আধুনিক সময়ছোৱাত, যাক সাধাৰণতে 'বৈজ্ঞানিক বিপ্লৱ' বা 'জ্ঞান' বুলিও কোৱা হয়, আধুনিক প্ৰযুক্তিয়ে ইতিহাসৰ সকলোবোৰৰ তুলনাত ইমান কম সময়সীমাত বিকাশত আগবাঢ়ি গৈছিল। অৱশ্যে, সমাজৰ বিকাশৰ সৈতে, পৃথিৱীৰ পৰিৱেশৰ মানদণ্ডৰ এক গুৰুতৰ ক্ষতি হৈছে। গ্ৰহটোৰ অৱস্থাৰ বাবে আটাইতকৈ ডাঙৰ ভাবুকি হৈছে জলবায়ু পৰিৱৰ্তন। অপৰ্যাপ্ত গৱেষণা আৰু প্ৰাকৃতিক সম্পদৰ বেপৰোৱা অপব্যৱহাৰ হৈছে গ্ৰহটোৰ অৱনতি হোৱা অৱস্থাৰ কেইটামান মূল কাৰণ। গোলকীয় উষ্ণতা ধাৰণা আৰু ইয়াৰ কাৰণ আৰু প্ৰভাৱবোৰ বুজিবলৈ, আমি গ্ৰহটোৰ উষ্ণতা প্ৰভাৱিত কৰা বহুতো কাৰক আৰু পৃথিৱীৰ ভৱিষ্যতৰ বাবে ইয়াৰ অৰ্থ কি সেয়া গভীৰভাৱে চোৱা প্ৰয়োজন। ইয়াত গোলকীয় উষ্ণতা বৃদ্ধি আৰু অন্যান্য গুৰুত্বপূৰ্ণ সম্পৰ্কিত বিষয়বোৰৰ ওপৰত এক উদ্দেশ্যমূলক দৃষ্টি দিয়া হৈছে।

গোলকীয় উষ্ণতা বৃদ্ধি কি ঃ

গোলকীয় উষ্ণতা বৃদ্ধিক প্ৰায়ে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ বুলি গণ্য কৰা হয়। গোলকীয় উষ্ণতা হৈছে পৃথিৱীৰ পৰিৱেশৰ উষ্ণতা দ্ৰুতগতিত বৃদ্ধি হোৱা। যাৰ ফলত বহুতো জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। গোলকীয় উষ্ণতা হৈছে আমাৰ পৰিৱেশৰ ওপৰত এক বিপদজনক প্ৰভাৱ যিটো আমি আজিকালি সন্মুখীন হৈ আছো। দ্ৰুত ঔদ্যোগীকৰণ, জনসংখ্যা বৃদ্ধি আৰু প্ৰদূষণৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি হৈছে। গোলকীয় উষ্ণতা মানে হৈছে যোৱা শতিকাত পৃথিৱীৰ পৃষ্ঠৰ গড় উষ্ণতা বৃদ্ধি। গোলকীয় উষ্ণতা বিপদজনক হোৱাৰ এটা কাৰণ হ'ল ই গ্ৰহটোৰ সামগ্ৰিক পৰিস্থিতি বিজ্ঞানত ব্যাঘাত জন্মায়। ইয়াৰ ফলত বানপানী, দুৰ্ভিক্ষ, ঘূৰ্ণীবতাহ আৰু অন্যান্য সমস্যা হয়। এই উষ্ণতাৰ বহুতো কাৰণ আৰু ফলাফল আছে আৰু পৃথিৱীত জীৱনৰ অস্তিত্বৰ বাবে বিপদ।

**উত্তৰ-পূব ভাৰত ঃ**

উত্তৰ-পূব ভাৰত বুলিলে ভাৰতৰ একেবাৰে পূব দিশত থকা সাতভনী ৰাজ্যসমূহ, ছিক্কিম আৰু উত্তৰ বংগৰ কিছু অংশক



(দাৰ্জিলিং, জলপাইগুৰি আৰু কোচবিহাৰ জিলা) বুজোৱা হয়। গোষ্ঠীগতভাৱে এই অংশ ভাৰতৰ আন ঠাইতকৈ পৃথক। পূব এছিয়া আৰু দক্ষিণ-পূব এছিয়াৰ লগত ইয়াৰ জাতিগত আৰু সাংস্কৃতিক দিশত মিল আছে আৰু সংস্কৃতকৰণৰ পৰা আঁতৰত থকা কুকি বা অন্যান্য কিছুমান জনগোষ্ঠীও দেখিবলৈ পোৱা যায়। ভাষাতাত্ত্বিক দিশৰ পৰা এই অঞ্চলত তিব্বতীয়-বাৰ্মীয় ভাষাৰ প্ৰভাৱ দেখা যায়। এই আঠখন ৰাজ্যক অধিকাৰিকভাৱে এটা সুকীয়া শ্ৰেণীৰ স্বীকৃতি দিয়া হৈছে। উত্তৰ-পূব পৰিষদ ১৯৭১ চনত উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থিক আৰু সামাজিক উন্নয়নৰ বাবে গঠন কৰা হয়; North Eastern Development Finance Corporation Ltd. (NEDFi) গঠন কৰা হয় ১৯৯৫ চনত উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থিক আৰু সামাজিক উন্নয়নৰ বাবে।

উত্তৰ-পূব ৰাজ্যসমূহৰ ভিতৰত ছিক্কিমে ১৯৪৭ চনত ভাৰতৰ অধীনস্থ ৰাজ্য আৰু ১৯৭৫ চনৰ পূৰ্ণাঙ্গ ৰাজ্যৰ স্বীকৃতি পায়। ২১-৪০ কিঃমিঃ গড় প্ৰস্থতাৰ পশ্চিমবংগৰ শিলিগুৰি ক'ৰিডৰে উত্তৰ-পূৰ্বাঞ্চলৰ ভাৰতৰ আন ঠাইৰ লগত সংযোগ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলক ২০০০ তকৈও অধিক কিঃমিঃ দৈৰ্ঘৰ সীমাই আন দেশ যেনে— নেপাল, চীন, ভুটান, ম্যানমাৰ আৰু বাংলাদেশৰ পৰা পৃথক কৰিছে।

**গোলকীয় উষ্ণতাৰ মুখ্য কাৰণসমূহ ঃ**

গোলকীয় উষ্ণতাৰ মুখ্য কাৰণ হৈছে বায়ুমণ্ডলৰ কাৰ্বণ-ডাই-অক্সাইড, মিথেন, নাইট্ৰাছ অক্সাইড আদিৰ দৰে সেউজ গৃহ গেছ মুকলি কৰা। কাৰ্বণ-ডাই-অক্সাইডৰ মুখ্য উৎস হৈছে শক্তি প্ৰকল্প। এই শক্তি প্ৰকল্পবোৰ বিদ্যুৎ উৎপাদনৰ উদ্দেশ্যে জীৱাশ্ম ইন্ধন জ্বলোৱাৰ পৰা উৎপন্ন হোৱা বৃহৎ পৰিমাণৰ কাৰ্বণ-ডাই-অক্সাইড নিৰ্গত কৰে।

বায়ুমণ্ডলত নিৰ্গত প্ৰায় বিশ শতাংশ কাৰ্বণ-ডাই-অক্সাইড বাহনৰ ইঞ্জিনত গেছ'লিন জ্বলোৱাৰ পৰা আহে। এই গাঁথনিবোৰ

নিৰ্মাণ কৰিবলৈ যথেষ্ট ইন্ধন জ্বলোৱাৰ প্ৰয়োজন হয় যিয়ে বায়ুমণ্ডলত বৃহৎ পৰিমাণৰ কাৰ্বণ-ডাই-অক্সাইড নিৰ্গত কৰে। বায়ুমণ্ডলত তাপ আবদ্ধ কৰাৰ ক্ষেত্ৰত মিথেন কাৰ্বণ-ডাই-অক্সাইডৰ তুলনাত ২০ গুণতকৈ অধিক প্ৰভাৱিত হয়। মিথেন চাউলৰ পেডী, গৰুৰ পেট ফুলা, বেক্টেৰিয়া আৰু জীৱাশ্ম ইন্ধন নিৰ্মাণৰ দৰে সম্পদৰ পৰা প্ৰাপ্ত কৰা হয়। নাইট্ৰাছ অক্সাইডৰ মুখ্য উৎসবোৰৰ ভিতৰত আৰু নাইলন আৰু নাইট্ৰিক এছিড উৎপাদন, অনুঘটক ৰূপান্তৰকাৰী থাক গাড়ী আৰু কৃষিত সাৰৰ ব্যৱহাৰ আৰু জৈৱিক পদাৰ্থ জ্বলোৱা।

**গোলকীয় উষ্ণতাৰ প্ৰভাৱ ঃ**

সমগ্ৰ বিশ্বৰ বিজ্ঞানীসকলে গোলকীয় উষ্ণতাৰ কু-প্ৰভাৱৰ বিষয়ে ভৱিষ্যত বাণী কৰি আছিল আৰু যোৱা কেইটামান দশকত সংঘটিত কিছুমান ঘটনাক গোলকীয় উষ্ণতাৰ সতৰ্কবাণী হিচাপে সংযোগ কৰিছে। গোলকীয় উষ্ণতাৰ প্ৰভাৱে পৃথিৱীৰ গড় উষ্ণতা বৃদ্ধি কৰিছে।



গোলকীয় উষ্ণতা হৈছে এক প্ৰকৃত সমস্যা যাক বহুতে তেওঁলোকৰ ৰাজনৈতিক লাভালাভৰ বাবে প্ৰৱঞ্চনা হিচাপে প্ৰমাণ কৰিব বিচাৰে। অৱশ্যে, বিশ্বৰ সচেতন নাগৰিক হিচাপে, আমি নিশ্চিত কৰিব লাগিব যে কেৱল সত্যটো সংবাদ মাধ্যমত উপস্থাপন কৰা হয়। পৰিৱেশৰ বিভিন্ন অংশ, উদ্ভিদ আৰু প্ৰাণী দুয়োটাই গোলকীয় উষ্ণতাৰ ফলত হোৱা ক্ষতিৰ দ্বাৰা প্ৰত্যক্ষভাৱে বিৰূপভাৱে প্ৰভাৱিত হয়। বন্যপ্ৰাণী বিপদত পৰাটো অৱশেষত মানৱতাৰ জীয়াই থকাৰ বাবে এক গুৰুতৰ ভাবুকি যিহেতু আমি ইয়াক আৰু ইয়াৰ ভৱিষ্যৎ জানো। এই দশকত গোলকীয় উষ্ণতাৰ প্ৰভাৱ ব্যাপকভাৱে দেখা যায়। হিমবাহৰ পশ্চাদপসৰণ আৰু আৰ্কটিক সংকোচন হৈছে দুটা সাধাৰণ পৰিঘটনা। হিমবাহবোৰ দ্ৰুতগতিত গলি আছে।

**গোলকীয় উষ্ণতাৰ সমাধান ঃ**

ব্যক্তিৰ ওপৰত দোষাৰোপ কৰিব নোৱাৰি, অৱশ্যে ইয়াক ব্যক্তিগত স্তৰৰ পৰা আৰম্ভ কৰি অৱনতি হোৱাৰ পৰা মোকাবিলা আৰু বজাই ৰাখিব পাৰি। অৱশ্যে, উদ্যোগ আৰু বহুজাতিক গোটবোৰৰ কাৰ্বণ নিৰ্গমনৰ স্তৰ এজন সাধাৰণ নাগৰিকৰ তুলনাত অধিক। তথাপিও, সক্ৰিয়তা আৰু সামুহিক প্ৰচেষ্টা হৈছে গোলকীয় উষ্ণতাৰ অৱনতি হোৱা অৱস্থা নিয়ন্ত্ৰণ কৰাৰ একমাত্ৰ সম্ভৱ উপায়। ইয়াৰ উপৰিও ৰাজ্য বা চৰকাৰী পৰ্যায়ত, বিশ্বৰ নেতাসকলে সাধাৰণতে পৰিৱেশৰ আৰু কোনো ক্ষতি নহ'ব বুলি নিশ্চিত কৰিবলৈ দৃঢ় পৰিকল্পনা আৰু পদক্ষেপ কাৰ্যসূচী সৃষ্টি কৰিব লাগিব।

যদিও আমি গোলকীয় উষ্ণতাৰ হাৰ হ্ৰাস কৰাত প্ৰায় পলম কৰিছো, সঠিক সমাধান বিচাৰি উলিওৱাটো অতি গুৰুত্বপূৰ্ণ। ব্যক্তিৰ পৰা চৰকাৰ লৈকে, সকলোৱে গোলকীয় উষ্ণতাৰ সমাধানৰ ওপৰত কাম কৰিব লাগিব। প্ৰদূষণ, জনসংখ্যা আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰত নিয়ন্ত্ৰণ কৰা হৈছে বিবেচনা কৰিব লগা কিছুমান কাৰক। বৈদ্যুতিক আৰু হাইব্ৰিড গাড়ীলৈ সলনি কৰাটো কাৰ্বণ-ডাই-অক্সাইড নমাই অনাৰ সৰ্বশ্ৰেষ্ঠ উপায়।

বনধ্বংস হৈছে বিবেচনা কৰাৰ আন এটা বস্তু যি গোলকীয় উষ্ণতা নিয়ন্ত্ৰণত সহায় কৰিব। পৰিৱেশ সেইজীয়া কৰি তুলিবলৈ অধিক গছ ৰোপণক উৎসাহিত কৰিব লাগে। উদ্ভিদ আৰু প্ৰজাতিক প্ৰভাৱিত কৰা সেউজ অঞ্চলত উদ্যোগ নিৰ্মাণ নিষিদ্ধ কৰিব লাগে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত অৰিহণা যোগোৱা এনে এক খণ্ডবোৰৰ ওপৰত বৃহৎ জৰিমণা আৰোপ কৰা উচিত।

**উপসংহাৰ ঃ**

শেষত আমি সকলোৱে এই সত্যটো উপলব্ধি কৰিব লাগিব যে আমাৰ পৃথিৱীখন ভাল নহয়। ইয়াৰ চিকিৎসাৰ প্ৰয়োজন আৰু আমি ইয়াক আৰোগ্য কৰাত সহায় কৰিব পাৰো। বৰ্তমান প্ৰজন্মই ভৱিষ্যৎ প্ৰজন্মৰ দুখ-কষ্ট প্ৰতিহত কৰিবলৈ গোলকীয় উষ্ণতা বৃদ্ধি বন্ধ কৰাৰ দায়িত্ব ল'ব লাগিব। সেয়েহে, প্ৰতিটো সৰু পদক্ষেপ, যিমানেই সৰু নহওক কিয় যথেষ্ট গুৰুত্ব বহন কৰে আৰু গোলকীয় উষ্ণতা বৃদ্ধি বন্ধ কৰাত যথেষ্ট গুৰুত্বপূৰ্ণ।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*



৩

# গোলকীয় উষ্ণতা আৰু উত্তৰ-পূব ভাৰত

**হিমাদ্ৰী বৰা**

**আৰম্ভণি ঃ**

গোলকীয় উষ্ণতা ধাৰণা আৰু ইয়াৰ কাৰণ আৰু প্ৰভাববোৰ বুজিবলৈ আমি গ্ৰহটোৰ উষ্ণতা প্ৰভাৱিত কৰা বহুতো কাৰক আৰু পৃথিৱীৰ ভৱিষ্যতৰ বাবে ইয়াৰ অৰ্থ কি সেয়া গভীৰভাৱে জনাৰ প্ৰয়োজন। গোলকীয় উষ্ণতা বৃদ্ধিক প্ৰায়ে জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱ বুলি গণ্য কৰা হয়। গোলকীয় উষ্ণতা হৈছে পৃথিৱীৰ পৰিৱেশৰ উষ্ণতা দ্ৰুতগতিত বৃদ্ধি হোৱা। ফলত বহুত জীৱৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। গোলকীয় উষ্ণতা হৈছে আমাৰ পৰিৱেশৰ ওপৰত এক বিপদজনক প্ৰভাৱ যিটো আমি আজিকালি সন্মুখীন হৈ আছো। দ্ৰুত ঔদ্যোগীকৰণ, জনসংখ্যা বৃদ্ধি আৰু প্ৰদূষণৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি হৈছে। গোলকীয় উষ্ণতা মানে হৈছে যোৱা শতিকাত পৃথিৱীৰ পৃষ্ঠৰ গড় উষ্ণতা বৃদ্ধি।

**গোলকীয় উষ্ণতাৰ কাৰণসমূহ ঃ**

গোলকীয় উষ্ণতা বৃদ্ধিৰ আটাইতকৈ স্পষ্ট কাৰণবোৰ হৈছে ঔদ্যোগীকৰণ, নগৰায়ন, বনধ্বংস আৰু অত্যাধুনিক মানৱ কাৰ্যকলাপ। কাৰ্বণ-ডাই-অক্সাইডৰ মুখ্য উৎস হৈছে শক্তি প্ৰকল্প। এই শক্তি প্ৰকল্পবোৰে বিদ্যুৎ উৎপাদনৰ উদ্দেশ্যে জীৱাশ্ম ইন্ধন জ্বলোৱাৰ পৰা উৎপন্ন হোৱা বৃহৎ পৰিমাণৰ কাৰ্বণ-ডাই-অক্সাইড নিৰ্গত কৰে। বাণিজ্যিক আৰু আবাসিক দুয়োধৰণৰ অট্টালিকাবোৰে গাড়ী আৰু ট্ৰাকৰ তুলনাত গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰদূষণৰ এক ডাঙৰ উৎসক প্ৰতিনিধিত্ব কৰে। গোলকীয় উষ্ণতাৰ আন এটা কাৰণ হ'ল বনধ্বংস, যি বাসস্থান আৰু ঔদ্যোগীকৰণৰ উদ্দেশ্যে বনাঞ্চল কটা আৰু জ্বলাই দিয়াৰ ফলত হয়।

**গোলকীয় উষ্ণতাৰ প্ৰভাৱ ঃ**

পৃথিৱীৰ উষ্ণতা বৃদ্ধিৰ ফলত পৰিস্থিতি বিজ্ঞানৰ অন্যান্য পৰিৱৰ্তন হ'ব পাৰে, যাৰ ভিতৰত আছে সাগৰৰ স্তৰ বৃদ্ধি আৰু বৰষুণৰ পৰিমাণ আৰু আৰ্হি সলনি কৰা। এই পৰিৱৰ্তনবোৰে বানপানী, দুৰ্ভিক্ষ, তাপ তৰংগৰ দৰে গুৰুতৰ জলবায়ু ঘটনাৰ ঘটনা আৰু ঘনত্ব বৃদ্ধি কৰিব পাৰে। অন্যান্য পৰিণামবোৰত উচ্চ বা নিম্ন কৃষিজাত উৎপাদন, হিমবাহ গলি যোৱা, গ্ৰীষ্মকালৰ প্ৰবাহ কম হোৱা, গণ বিলুপ্তি আৰু ৰোগ ভেক্টৰৰ পৰিসৰ বৃদ্ধি অন্তৰ্ভুক্ত থাকিব পাৰে। গোলকীয় উষ্ণতাৰ প্ৰভাৱ



হিচাপে বহুতো প্ৰজাতিৰ চৰাই আৰু প্ৰাণী ইতিমধ্যে বিলুপ্ত হৈ গৈছে। গোলকীয় উষ্ণতাৰ প্ৰভাৱ হিচাপে শেহতীয়াকৈ বিভিন্ন নতুন ৰোগ উদ্ভৱ হৈছে। চৰাই হৈছে এক প্ৰজাতি যি জলবায়ুৰ পৰিৱৰ্তনৰ দ্বাৰা প্ৰভাৱিত হ'ব। গোলকীয় উষ্ণতাৰ ফলত চৰাইবোৰে উত্তৰ গোলাৰ্ধৰ উত্তৰ অঞ্চলত অধিক স্থায়ী ঘৰ বিচাৰি পায়।

**সামৰণি ঃ**

শেষত আমি সকলোৱে এই সত্যটো উপলব্ধি কৰিব লাগিব যে আমাৰ পৃথিৱীখন ভাল নহয়। ইয়াৰ চিকিৎসাৰ প্ৰয়োজন আৰু আমি ইয়াক আৰোগ্য কৰাত সহায় কৰিব পাৰো। বৰ্তমান প্ৰজন্মই ভৱিষ্যৎ প্ৰজন্মৰ দুখ-কষ্ট প্ৰতিহত কৰিবলৈ গোলকীয় উষ্ণতা বৃদ্ধি বন্ধ কৰাৰ দায়িত্ব ল'ব লাগিব। সেয়েহে, প্ৰতিটো সৰু পদক্ষেপ, যিমানেই সৰু নহওক কিয় যথেষ্ট গুৰুত্ব বহন কৰে আৰু উত্তৰ-পূব ভাৰতৰ গোলকীয় উষ্ণতা বৃদ্ধি বন্ধ কৰাত যথেষ্ট গুৰুত্বপূৰ্ণ।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ*

# বৈদ্যুতিন বাণিজ্য (ই-কমাৰ্চ)

**দীপামণি কলিতা**

ই-কমাৰ্চ বা বৈদ্যুতিন বাণিজ্য হ'ল ইণ্টাৰনেটৰ জৰিয়তে ক্ৰয় বা বিক্ৰয়ৰ এক ব্যৱস্থা। এই ব্যৱস্থাত ক্ৰেতা আৰু বিক্ৰেতাৰ বাবে বিভিন্ন ধৰণৰ ডাটা, প্ৰণালী আৰু সঁজুলিৰ অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ লগতে ম'বাইল শ্বপিং আৰু অনলাইন এনক্ৰিপশ্বনো আছে। বৈদ্যুতিন বাণিজ্যৰ উপস্থিতি থকা সৰহ সংখ্যক ব্যৱসায়ে অনলাইন বিপণন, লজিষ্টিক আৰু বিক্ৰী কাৰ্য পৰিচালনা কৰিবলৈ ই-কমাৰ্চ প্লেটফৰ্ম ব্যৱহাৰ কৰে।

বৈদ্যুতিন বাণিজ্যৰ লাভালাভ—

১) বৈদ্যুতিন বাণিজ্যই বিক্ৰেতা আৰু উপভোক্তাৰ মাজৰ ব্যৱধান দূৰ কৰে আৰু ফলত অধিক বিনিয়োগ অবিহনেই গোলকীয় বজাৰত প্ৰসাৰ বৃদ্ধি কৰিবলৈ সক্ষম হয়।

২) গ্ৰাহকসকলে অধিক বিকল্প লাভ কৰে।

৩) এই বাণিজ্য ২৪×৭ ঘণ্টাই চলি থাকে।

*লেখিকা ঃ স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*




# অসমীয়া অনলাইন অভিধান

**পৰিণীতা শইকীয়া**

'অভিধান' হৈছে কোনো এটা ভাষাৰ শব্দৰ একত্ৰ সংগ্ৰহ। অভিধানত শব্দ সম্পৰ্কীয় বিভিন্ন তথ্য পোৱা যায়। শব্দ সম্পৰ্কীয় পুথি হোৱাৰ উপৰি অভিধান হৈছে একোটা ভাষাৰ শব্দ ভাণ্ডাৰৰ অভিলেখ।

বৰ্তমান সময়ত পৃথিৱীৰ বিভিন্ন প্ৰান্তত বাস কৰা অসমীয়াভাষী বা আন ভাষা-ভাষীৰ ব্যক্তিসকলৰ বাবে শকত আকাৰৰ অভিধান এখন কঢ়িয়াই লৈ ফুৰা সহজ কথা নহয়। আনহাতে নিজ মাতৃভূমিৰ পৰা বহু হাজাৰ মাইল দূৰত থকা বহুতো বিভিন্ন ভাষা- ভাষীৰ ব্যক্তিয়ে ব্যস্ততাৰ মাজে মাজে প্ৰায়ে তেওঁলোকে বিভিন্ন সাহিত্য চৰ্চা কৰাও দেখা যায়। কিন্তু সেইসকল ব্যক্তিয়ে প্ৰয়োজনৰ তাড়নাত এটা শব্দ বিচাৰি হাবাথুৰি খাব লগা হয়। এনে এক তাড়নাতেই জন্ম বিভিন্ন অনলাইন অভিধানৰ। উদ্দেশ্য, বিশ্বৰ যিকোনো প্ৰান্ততে থাকি কেইছেকেণ্ডমানৰ ভিতৰতে শব্দৰ অৰ্থ তাৰ সমাৰ্থক বা বিপৰীত শব্দৰ সন্ধান কৰা। এই উদ্দেশ্য আগত ৰাখিয়েই অসমীয়া ভাষাতো অনলাইন অভিধানৰ জন্ম হয়। কেইখনমান অসমীয়া অনলাইন অভিধানৰ নাম হৈছে— শব্দ ডট অৰ্গ (ইংৰাজী ঃ xobdo.org), চন্দ্ৰকান্ত অভিধান (ইংৰাজী ঃ Chandrakanta Abhidhan)।

'শব্দ ডট অৰ্গ' হৈছে একমাত্ৰ ইংৰাজী-অসমীয়া অনলাইন অভিধান। এই অভিধানখন ২০০৬ চনৰ ১০ মাৰ্চত মুকলি কৰা হয়। অভিধানখনৰ মূল প্ৰকল্পটো আৰম্ভ কৰিছিল অনুধাৱিত থকা জ্যেষ্ঠ পেট্ৰ'লিয়াম অভিযন্তা বিক্ৰম এম. বৰুৱাই। পাছলৈ বিভিন্ন ঠাইৰ ব্যক্তিয়ে এই প্ৰকল্পত অংশগ্ৰহণ কৰে আৰু স্বেচ্ছামূলকভাৱে কাম কৰি আছে।

শব্দ অভিধানখনৰ উদ্দেশ্য আৰু লক্ষ্য অতি সুস্পষ্ট। শব্দৰ লক্ষ্য হ'ল সেইসকল অসমীয়া ব্যক্তিৰ ওচৰলৈ অসমীয়া ভাষাক লৈ যোৱা, যিয়ে মাতৃভূমিৰ পৰা আঁতৰত থাকিও নিজৰ ভাষা-সাহিত্যৰ প্ৰতি শ্ৰদ্ধাশীল হৈ থাকে। এনে কাৰণতে শব্দই কোনো নতুন শব্দ, পৰিভাষা সৃষ্টি নকৰি ভাষাটোৰ বৰ্তমান ৰূপত থকা প্ৰতিবিম্ব দাঙি ধৰিব বিচাৰে। বৰ্তমান অসমীয়া ভাষাত ব্যৱহৃত অভিধানসমূহৰ মাজত শব্দৰ অৰ্থ আৰু বানানৰ ক্ষেত্ৰত বিভিন্ন পাৰ্থক্য দেখা পোৱাৰ কাৰণে, 'শব্দ'ই প্ৰতিখন অভিধানৰ পৰা শব্দবোৰ গ্ৰহণ কৰোঁতে একে অৰ্থবাচক ভিন্ন বানানৰ শব্দবোৰক বিকল্প বানান হিচাপে অন্তৰ্ভুক্ত কৰে। যাতে ব্যৱহাৰকৰ্তাই শুদ্ধ যেন লগা বানানটো গ্ৰহণ কৰিব পাৰে। 'শব্দ'ৰ মাজতো এখন আদৰ্শ অভিধানত থাকিব লগা প্ৰায়বোৰ দিশেই দেখা পোৱা যায়। 'শব্দ'ই অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰ সহায়ত এখন লিখিত অভিধানত থকা সকলো দিশ ধৰি ৰাখিছে। 'শব্দ' অভিধানখনত অতিৰিক্তভাৱে ৪৪৮টা ফকৰা যোজনা আৰু বিশ্বকোষৰ দৰে খ্যাতনামা ব্যক্তি, স্থান, পুথি, চলচ্চিত্ৰ, জীৱ-জন্তু আদিৰ বিষয়েও সবিশেষ তথ্য অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। সম্প্ৰতি অভিধানখন অসমীয়া আৰু ইংৰাজী দুয়োটা মাধ্যমতে প্ৰকাশ কৰা হৈছে।

চন্দ্ৰকান্ত অভিধান হৈছে এখন দ্বি-ভাষিক অভিধান। ১৯৫১ চনত প্ৰকাশ হয়। অভিধানখনত ৩৬,৮১৬টা শব্দ আছে। ১৯৩৩ চনত প্ৰথমে অসম সাহিত্য সভাই ইয়াৰ সংকলন আৰু প্ৰকাশ কৰিছিল। ১৯৮৭ চনত মহেশ্বৰ নেওগ আৰু উপেন্দ্ৰনাথ গোস্বামীৰ সম্পাদনাত গুৱাহাটী বিশ্ববিদ্যালয়ে ইয়াৰ তৃতীয় সংস্কৰণ প্ৰকাশ কৰে। ২০০৯ চনৰ পৰা অভিধানখনিৰ অনলাইন সংস্কৰণ প্ৰকাশ কৰা হয়।

এনেদৰে অসমীয়া ভাষা-সাহিত্যত অনলাইন অভিধানে গুৰুত্ব লাভ কৰি আহিছে।

*লেখিকা ঃ স্নাতকোত্তৰ চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ*

# ডিজিটেল মাধ্যম আৰু অসমীয়া ভাষা

**সাগৰিকা পাল**

প্ৰায় দুই দশকৰ আগতেই ইন্টাৰনেটে বিপ্লৱে বিভিন্ন প্ৰান্তত সূচনা কৰা নতুন সম্ভাৱনাই শেহতীয়াকৈ হ'লেও অসমৰ প্ৰচাৰ মাধ্যমৰো পৰিভাষা সলনি কৰিছে। দুৰন্ত আৰু পৰিবৰ্ধিত সম্প্ৰসাৰণ ক্ষমতাৰে অনলাইন, ছ'চিয়েল মিডিয়া আদিয়ে লেখক আৰু পঢ়ুৱৈৰ মাজৰ পৰস্পৰ সংযোগ অধিক দৃঢ় কৰি তোলে। আগতে ছপা প্ৰকাশনে অযোগ্য বুলি ভবা বহু কিতাপেই অনলাইন স্থান লৈছে আৰু পুৰণি পাণ্ডুলিপিৰ পুনৰোজ্জীৱন হৈ মূল সুঁতিলৈ ওলাই আহিছে। সংযোগৰ দ্ৰুতগতিয়ে প্ৰকাশনলৈয়ো গতি আনি দিছে। একেৰাহে যোৱা কিছুবছৰ দেশ ভিত্তিক পঢ়ুৱৈ জৰীপ অনুসৰি ছপা বাতৰিকাকত বা আলোচনীৰ ঠাইত অনলাইন মাধ্যমত উপলব্ধ তথ্য, বাতৰি বা সাহিত্যই বিশেষকৈ যুৱ সমাজক আকৰ্ষিত কৰা দেখা যায়।

আজিৰ দ্ৰুতগামী জীৱনধাৰাত মানুহে লিখা-পঢ়াৰ অভ্যাস প্ৰায় হেৰুৱাই পেলাইছে। তেনেস্থলত ইন্টাৰনেট আৰু বিশেষকৈ ছ'চিয়েল মিডিয়া জনপ্ৰিয় হৈ পৰাৰ লগে লগে সাহিত্য সৃষ্টি তথা প্ৰকাশৰ এখন নতুন মঞ্চৰ সৃষ্টি হৈছে। দেশ-বিদেশত থকা অসমীয়াসকলক ধৰি বহুতেই ছ'চিয়েল মিডিয়াৰ জৰিয়তে অসমীয়াত সাহিত্য চৰ্চা কৰিবলৈ আৰম্ভ কৰিছে। যোৱা সময়ছোৱাত প্ৰভাৱশালী আৰু উদ্যোগী যুৱ প্ৰজন্মই অসমীয়া ভাষা-সাহিত্যৰ ডিজিটেলকৰণলৈ বিশেষ বৰঙণি যোগাইছে। এতিয়া 'শব্দ'ৰ দৰে অনলাইন অসমীয়া অভিধান, অসমীয়া লিপিৰে ইন্টাৰনেটত সমল আহৰণ আৰু আনকি কী-বোৰ্ড আৰু স্ক্ৰীপেৰে অসমীয়া সাহিত্য চৰ্চা কৰিব পাৰি। লেখাবোৰ ইউনিক'ডলৈ ৰূপান্তৰিত কৰি ই-আলোচনীৰ আৰ্কাইডত সংৰক্ষিত কৰিব পাৰি।

পৰিৱৰ্তন সদায় ঐতিহাসিকভাৱে ইতিবাচক। ক্ৰমাগতভাৱে মানুহে এই নব্য মাধ্যমৰ উপকৰণসমূহক অপৰিহাৰ্য বুলি গণ্য কৰিবলৈ আৰম্ভ কৰিছে। অসমীয়া মাধ্যমৰ দুৰাৱস্থা বুলি হতাশাত ভোগাৰ বিপৰীতে নব্য মাধ্যমত বহুজনে নতুনকৈ অসমীয়া ভাষাত অসমীয়া লিপি ব্যৱহাৰ কৰি লিখিবলৈ আৰম্ভ কৰিছে। সহজলভ্য নব্য ভাৰতৰ পৰস্পৰ সংযুক্ত ক্ষেত্ৰখনত, দৈনন্দিন জীৱনৰ ব্যস্ততাই সাহিত্য চৰ্চাৰ ক্ষেত্ৰত পৰম্পৰাগত কাগজ-কলমে কৰা চৰ্চাই আনি দিয়া অজুহাতৰ অৱকাশ নাই।

প্ৰথমতে, আমি ভাষাটোৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ওপৰত মূলতঃ গুৰুত্ব দিব লাগিব। তাৰ বাবে আমি অধিক পৰিমাণে ভাষাটো ব্যৱহাৰ কৰিব লাগিব। পৰাপক্ষত সামাজিক মাধ্যমত পোষ্ট, কমেণ্ট আদি কৰোঁতে অসমীয়া লিপি ব্যৱহাৰ কৰিব লাগিব।

দ্বিতীয়তে, অসমীয়া লিখা অভ্যাস কৰিব লাগিব। বহু ক্ষেত্ৰত দেখা যায় যে অনেকেই লেখা এটা অসমীয়া ভাষাত লিখে যদিও ৰোমান লিপিহে ব্যৱহাৰ কৰে।

তৃতীয়তে, কেৱল নিজে অসমীয়া লিখিলেই নহ'ব, আনকো লিখিবলৈ আগ্ৰহী কৰিব লাগিব। তাৰ বাবে অসমীয়া লিখিব পৰা বিভিন্ন এপ, ছফ্টৱেৰ ইত্যাদিৰ বিষয়ে তথ্য সংগ্ৰহ কৰি সেইবোৰৰ বিষয়ে সামাজিক মাধ্যমবোৰৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজৰ মাজত সজাগতা সৃষ্টি আৰু বৃদ্ধি কৰিব পাৰি।

চতুৰ্থতে, মন কৰিবলগীয়া কথাটো হ'ল ভাষাটোৰ শুদ্ধ ৰূপত প্ৰয়োগ হৈছে নে নাই তাৰ প্ৰতি নজৰ দিয়া। ভাষাটোৰ কেৱল নিজস্ব লিপিৰে জিলিকি উঠিলেই নহ'ব, যদিহে ভাষাটো প্ৰয়োগ কৰোঁতে ভুল-ত্ৰুটি বৈ যায় আৰু সেইবোৰ অপৰিৱৰ্তিত হৈ ৰয় তেন্তে ভাষাটোৰ গৰিমা আৰু স্বকীয়তা ম্লান হোৱাৰ সম্ভাৱনা থাকে।

ইতিমধ্যেই আমি দেখিবলৈ পাইছোঁ যে ফেচবুকৰ মজিয়াত 'অসমীয়াত কথা-বতৰা', 'অনুভূতিৰ মধুৰ স্মৃতি', 'স্বপ্নবিভোৰ পখীৰ আলয়', 'অংকুৰ'কৈ আদি কৰি কেতবোৰ গোট খোলা হৈছে য'ত অসমীয়া ভাষাৰ বাদে আন ভাষাৰ প্ৰয়োগ নিষেধ। আনকি তেওঁলোকে নিজাববীয়া প্ৰচেষ্টাৰে ই-মেগাজিনৰ কামো আৰম্ভ কৰিছে যাৰ বাবে ভাষাটোৰ লগতে সাহিত্য ক্ষেত্ৰখনো উন্নত হৈছে। তদুপৰি 'খোজ', 'জাগৰণ', 'প্ৰকাশন', 'অংকুৰ' বিপনীৰ দৰে প্ৰতিষ্ঠানসমূহে ফেচবুক, হোৱাটচএপৰ জৰিয়তে তেওঁলোকে বহুতো ন-পুৰণি আপুৰুগীয়া অসমীয়া গ্ৰন্থ পাঠকৰ হাতত তুলি দিবলৈ সক্ষম হৈছে।

*লেখিকা ঃ স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*



# অসমীয়া ৱিকিপিডিয়া

**গীতা ৰাজখোৱা**

'ৱিকিপিডিয়া' হ'ল ইণ্টাৰনেটত উপলব্ধ এখন মুক্ত বিশ্বকোষ। মুক্ত বুলি ইয়াক দুটা কাৰণত ক'ব পাৰি। যেনে আপুনি সম্পূৰ্ণ বিনামূল্যে ইয়াৰ পৰা তথ্য আহৰণ কৰিব পাৰে আৰু আপোনাৰ ইচ্ছা অনুসৰি ইয়াত তথ্যৰ যোগান ধৰিব পাৰে। ৱিকিপিডিয়া বিশ্বৰ প্ৰায় ২৮২টা ভাষাত উপলব্ধ আৰু আমাৰ অসমীয়াও ইয়াৰ ভিতৰত এটা। ২০০২ চনৰ জুন মাহত আৰম্ভ হোৱা অসমীয়া ৱিকিপিডিয়াৰ মুঠ প্ৰবন্ধ সংখ্যা এতিয়া ১২৫০টা আৰু কেইজনমান সক্ৰিয় সদস্যৰ বৰঙণিৰে ইয়াৰ সংখ্যা দৈনিক বৃদ্ধি হৈ আছে। তথ্যৰ আদান-প্ৰদানেই ৱিকিপিডিয়াৰ মূল কথা। অসমৰ বিষয়ে, বৃহত্তৰ অসমীয়া কৃষ্টি-সংস্কৃতিৰ বিষয়ে বিশ্ববাসীক জনোৱাৰ বাবে এই অসমীয়া ৱিকিপিডিয়া অধিক উপযোগী মাধ্যম হিচাপে গণ্য কৰিব পাৰি। ৱিকিপিডিয়াত প্ৰায়বোৰ লিখনিয়ে একাধিক লিখকৰ সহযোগিতামূলক সংকলন অৰ্থাৎ আপুনি কোনো এটা প্ৰবন্ধ লিখাৰ পাছত তাক আন যিকোনো সম্পাদকে অধিক উন্নত কৰিবলৈ নতুনকৈ তথ্য সংযোগ কৰিব পাৰে। ৱিকিপিডিয়াৰ ৱেব ঠিকনা হৈছে— www.as.wikisource.org।

অসমীয়া ৱিকিপিডিয়া ২০০২ চনৰ ২ জুনত মুকলি হোৱাৰ পৰা বৰ্তমান সময়লৈ বহুখিনি উন্নত হ'লেও, এই ৱিকিপিডিয়াত অসমীয়া মানুহৰ সক্ৰিয় সহযোগিতাৰ অভাৱ দেখা যায়। ৰাইজৰ দ্বাৰা ৰাইজৰ বাবে সংকলিত এই ৱিকিপিডিয়াত অসমীয়া মানুহৰ সক্ৰিয় সহযোগিতাইহে এই অসমীয়া ৱিকিপিডিয়াক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিব।





# ই-বুক আৰু ইয়াৰ ব্যৱহাৰৰ সুবিধা

**নন্দিনী শৰ্মা**

ই-বুক হ'ল 'ইলেকট্ৰনিক বুক'ৰ সংক্ষিপ্ত ৰূপ। ইয়াৰ অসমীয়া পৰিভাষা হ'ব পাৰে 'বৈদ্যুতিন গ্ৰন্থ'। এই বৈদ্যুতিন গ্ৰন্থ বিভিন্ন ধৰণৰ ই-ৰিডাৰৰ জৰিয়তে পঢ়িব পাৰি। যেনে— এমাজনৰ কিণ্ডল (Kindle) এনে এক জনপ্ৰিয় বৈদ্যুতিন আহিলা। ইয়াৰ উপৰি বিভিন্ন ধৰণৰ বৈদ্যুতিন আহিলা, যেনে— স্মাৰ্টফোন, টেবলেট, ডেস্কটপ, লেপটপৰ দ্বাৰা এই বৈদ্যুতিন গ্ৰন্থসমূহ পঢ়িব পাৰি।

বৈদ্যুতিন গ্ৰন্থৰ সুবিধা—

১) বৈদ্যুতিন গ্ৰন্থ ডাউনল'ড কৰি তাৎক্ষণিকভাৱে পাব পাৰি।

২) ইয়াক ৰাখিবলৈ অন্য কোনো বিশেষ ঠাইৰ প্ৰয়োজন নহয়।

৩) ইয়াক সৰবৰাহ কৰিবলৈকো সুবিধা।

৪) যিকোনো তথ্য অতি সহজতে বিচাৰি উলিয়াব পাৰি।

৫) ছপা গ্ৰন্থ এখনৰ বাবে যি ধৰণৰ খৰচ বা বিতৰণৰ প্ৰয়োজন হয় বৈদ্যুতিন গ্ৰন্থত নহয়।

বৈদ্যুতিন গ্ৰন্থ বিভিন্ন ফৰমেটত পোৱা যায়। যেনে— PDF, EPUB, PDB, BBeB, TXT, HTML, AZW, ODF, MOBI, PRC, FictionBook, Comic book archive ইত্যাদি।

উল্লেখযোগ্য যে বৰ্তমান সময়ত অসমীয়াতো যথেষ্ট সংখ্যক বৈদ্যুতিন গ্ৰন্থ PDF ফৰমেটত পোৱা যায়। archive, orgbooksত অসংখ্য অসমীয়া ভাষাৰ গ্ৰন্থ পোৱা যায়। ছাত্ৰ-ছাত্ৰী বা আগ্ৰহী পঢ়ুৱৈয়ে বিনামূলীয়াকৈ এইবোৰ ডাউনল'ড কৰি অসমীয়া সাহিত্যৰ সোৱাদ ল'ব পাৰে।

*লেখিকা ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*



# সামাজিক মাধ্যম

**ছালমা হেপ্তুল্লাহ আহমেদ**

সামাজিক মাধ্যম হৈছে ইণ্টাৰনেটৰ মাজেদি উপলব্ধ এক যোগাযোগ ব্যৱস্থা। ইয়াৰ দ্বাৰা বিশ্বৰ বিভিন্ন ঠাইত থকা মানুহৰ লগত যোগাযোগ কৰিব পাৰি। বৰ্তমান যুগ হৈছে তথ্যৰ যুগ। তথ্যৰ অবিহনে সভ্যতা আগুৱাই যাব নোৱাৰে। গণসংযোগৰ অন্তৰ্লীন বিষয় হিচাপে বৰ্তমান সমাজত সামাজিক মাধ্যমৰ প্ৰভাৱ ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে। মানুহক বিভিন্ন তথ্য, বিভিন্ন বিষয় সম্বলিত বাৰ্তা জানিবলৈ আৰু বুজিবলৈ সহায় কৰাৰ লগতে সামগ্ৰিক তথ্যত মানৱ সভ্যতাৰ আগুৱাই নিয়াত সামাজিক মাধ্যমৰ অৱদান অনস্বীকাৰ্য।

কেইটামান জনপ্ৰিয় সামাজিক মাধ্যম হ'ল— Facebook, YouTube, Whatsapp, Facebook Messenger, Instragram, Twitter ইত্যাদি।

সামাজিক মাধ্যমসমূহৰ বৰ্তমান সময়ত সমাজৰ সকলো শ্ৰেণীৰ মানুহকে প্ৰবলভাৱে প্ৰভাৱিত কৰিছে। তথ্য প্ৰযুক্তিৰ অভূতপূৰ্ব বিকাশৰ ফলত সামাজিক মাধ্যমসমূহে পৃথিৱীখনক এখন গোলকীয় গাঁৱত পৰিণত কৰিছে। স্বীকাৰ কৰিব লাগিব যে বৰ্তমান সময়ৰ সোঁতত খোজত খোজ মিলাই যাবলৈ হ'লে আধুনিক বিশ্বৰ মানুহে সামাজিক মাধ্যমৰ সহায় ল'ব লাগে। সকলো দিশৰ পৰা চাবলৈ গ'লে সামাজিক মাধ্যমে সমাজত তিনিটা দিশৰ প্ৰভাৱ বিস্তাৰ কৰিছে। যেনে— (১) তথ্য সৰবৰাহ কৰা, (২) শিক্ষিত কৰা, (৩) মনোৰঞ্জন দিয়া।

সামাজিক মাধ্যমৰ ইতিবাচক দিশবোৰ আছিল এনেধৰণৰ—

(১) সামাজিক মাধ্যমে সমাজৰ শ্ৰীবৃদ্ধি আৰু উত্তৰণত সহায় কৰে আৰু সামাজিক বান্ধোন দৃঢ় কৰে।

(২) যুৱ সমাজৰ ওপৰত সামাজিক মাধ্যমে বিভিন্ন সৃজনীশীল কামতো উৎসাহ-উদ্দীপনা যোগায়।

(৩) জনসচেতনতা বৃদ্ধিত সামাজিক মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(৪) অতি সোনকালে সামাজিক মাধ্যমৰ জৰিয়তে খবৰ-বাতৰি পাব পাৰোঁ।

(৫) সামাজিক মাধ্যমৰ জৰিয়তে বাহিৰৰ জগতৰ লগত যোগাযোগ কৰি তৎকালে বিভিন্ন আকাংক্ষিত তথ্য আহৰণ কৰিব পাৰোঁ।

*লেখিকা ঃ স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*




# যন্ত্ৰ অনুবাদ

**মাৰিয়ম নেছা**

যন্ত্ৰ অনুবাদ বা Machine Translation হৈছে কম্পিউটাৰৰ দ্বাৰা অনুবাদ। এই যন্ত্ৰ অনুবাদ মানুহৰ দ্বাৰা কৰা অনুবাদতকৈ দ্ৰুত আৰু অধিক কাৰ্যকৰী। কিন্তু মানৱ অনুবাদত অনুবাদকে শব্দৰ সঠিক নিৰ্বাচন, জতুৱা ঠাঁচ, সুৰ, শ্লেষ, হাস্যৰস ইত্যাদিৰ সূক্ষ্মতা অনুভৱ কৰে। তাৰোপৰি সাংস্কৃতিক আৰু ভাষিক বিচ্যুতিৰ প্ৰতি অনুবাদক সচেতন হয় আৰু সেই অনুসৰি অনুবাদ কাৰ্য সম্পন্ন কৰে। কিন্তু যান্ত্ৰিক অনুবাদৰ এটা প্ৰধান সমস্যা হ'ল— অনুবাদ কেৱল এটা যান্ত্ৰিক কাৰ্যকলাপ নহয়। বৰং ইয়াৰ বাবে প্ৰয়োজন হয় প্ৰাসংগিক জ্ঞান, সাধাৰণ যুক্তি আৰু ডমেইনৰ ভাষা-কৌশল।

গুগল, মাইক্ৰছফ্‌ট, এমাজন, ফেচবুক আদিত ইতিমধ্যে যন্ত্ৰ অনুবাদৰ কেইবাটাও পদ্ধতি ব্যৱহাৰ কৰা হৈছে। গুগল ট্ৰেঞ্চলেটক বিভিন্ন ধৰণে ব্যৱহাৰ কৰিব পাৰি। যেনে— ৱেব, ম'বাইল এপৰ জৰিয়তে। ২০১৭ চনৰে পৰা গুগল বাংলা, গুজৰাটী, মাৰাঠী আদি ভাৰতীয় ভাষাত যন্ত্ৰ অনুবাদক সমৰ্থন কৰি আহিছে। শেহতীয়াকৈ অসমীয়া ভাষাও সংযোজিত হৈছে। আনহাতে মাইক্ৰছফ্‌ট ট্ৰেঞ্চলেটৰতো অন্যান্য ভাৰতীয় ভাষাৰ লগতে অসমীয়া ভাষাতো যন্ত্ৰ অনুবাদৰ সুবিধা উপলব্ধ হৈছে।

আশা কৰা হৈছে, যন্ত্ৰ অনুবাদো এদিন মানুহৰ দ্বাৰা কৰা অনুবাদৰ সমতুল্য হৈ উঠিব আৰু সৰু সৰু ভাষাসমূহৰো যন্ত্ৰ অনুবাদৰ সহায়েৰে বিশ্ব সাহিত্যৰ স্বাদ আৰু জ্ঞান-বিজ্ঞানেৰে আলোকিত কৰিব পাৰিব।

*লেখিকা ঃ স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ*



# দেশতকৈ মোমাই ডাঙৰ নহয়

গীতিমণি গোহাঁই

লাচিত বৰফুকন আছিল আহোমৰ এজন সেনাপতি। ১৬৭১ চনত তেখেতে অসমীয়া সেনাৰ দ্বাৰা বিশাল মোগল সৈন্য বাহিনীক পৰাজিত কৰি অসমৰপৰা আঁতৰাই পঠিয়াইছিল। শৰাইঘাটৰ যুদ্ধত লাচিতে দেখুওৱা বিক্রমৰ ফলস্বৰূপে অসমৰ বুৰঞ্জীত তেখেতৰ নাম জিলিকি আছে। অসমৰ বীৰসমূহৰ ভিতৰত আটাইতকৈ পৰাক্রমী বীৰজনেই নিশ্চয় মহাবীৰ লাচিত বৰফুকন। যি সময়ত অসম দেশ আৰু অসমীয়া জাতিৰ ভৱিষ্যত বিদেশী বঙালৰ হাতলৈ যোৱাৰ উপক্রম হৈছিল, ঠিক সেইসময়তেই অসম দেশ ৰক্ষাৰ ভাৰ লাচিত বৰফুকনে শিৰ পাতি গ্রহণ কৰিছিল।

মহাবীৰ লাচিত বৰফুকনৰ জন্ম ২৪ নবেম্বৰ, ১৬২২ খ্রীষ্টাব্দত আহোম ৰাজধানী গড়গাঁৱৰ ওচৰে-পাজৰে হৈছিল বুলি জনা যায়। তেওঁৰ পিতৃ আছিল ম'-ছাই চেং কালুক। তেওঁৰ পিতৃক আহোম ৰাজ্যৰ প্রথমজন বৰবৰুৱা তথা পাইক প্রথাৰ প্রৱর্তক মোমাই তামুলী বৰবৰুৱা নামেৰে জনা যায়। লাচিত বৰফুকন আছিল মোমাই তামুলী বৰবৰুৱাৰ সপ্তম পুত্র (চতুর্থজন জীৱিত সন্তান) তথা কণিষ্ঠ পুত্র। লাচিত বৰফুকন আছিল লুখুৰাখন ফৈদৰ লান-ফিমা বংশৰ লোক। তেখেতৰ ভাতৃৰ নাম মবাও-লাও আৰু লাপেটি-লাও, ভগ্নীৰ নাম লাইছেং। জন্মসূত্রে তেওঁৰ নাম লা-চিত।

**শিক্ষা জীৱন ঃ** পিতৃ মোমাই তামুলী বৰবৰুৱাই লাচিত বৰফুকনক শিক্ষা প্ৰদান কৰিবলৈ উপযুক্ত শিক্ষক নিয়োগ কৰিছিল। লাচিত বৰফুকনে তেতিয়াই আহোম শাস্ত্ৰ, হিন্দু ধৰ্মনীতি, অৰ্থশাস্ত্ৰ আদিৰ বিষয়ে জ্ঞান লাভ কৰিছিল। দেশৰ বুৰঞ্জী আৰু শাসনকাৰ্য সম্পৰ্কীয় জ্ঞানো তেওঁ লাভ কৰিছিল। ইয়াৰ সমান্তৰালকৈ তেওঁ বিভিন্ন অস্ত্ৰচালনাৰ লগতে অন্যান্য সামৰিক শিক্ষাও গ্ৰহণ কৰিছিল আৰু সকলো ক্ষেত্ৰতে ক্ৰমান্বয়ে পাৰ্গত হৈ উঠিছিল। বৰবৰুৱাৰ পুত্ৰ হিচাপে স্বৰ্গদেউৰ বৰচৰালৈও লাচিতৰ সঘন আহ-যাহ আছিল। ইয়াৰ ফলত ৰাজসভাৰ আদব-কায়দাসমূহো তেওঁ অতি সোনকালেই শিকিছিল। লাচিত বৰফুকন সৰুৰে পৰা অতি নিৰ্ভীক, সৎ আৰু স্পষ্টবাদী আছিল। তেওঁৰ পিতৃ আহোম ৰজাৰ বৰবৰুৱা পদবীত থকা বাবে তেওঁ সৰুৰে পৰাই তেওঁৰ পিতৃৰ কাম-কাজ তথা বিভিন্ন ডা-ডাঙৰীয়াসকলৰ সৈতে হোৱা আলোচনাবোৰ প্ৰত্যক্ষ কৰাৰ সুবিধা লাভ কৰিছিল আৰু এইবোৰৰ পৰা তেওঁ বহুতো জ্ঞান তথা অভিজ্ঞতা আহৰণ কৰিছিল।

পিতৃ মোমাই তামুলী বৰবৰুৱা আহোম ৰাজ্যৰ প্ৰথমজন বৰবৰুৱা তথা পাইক প্ৰথাৰ প্ৰৱৰ্তক হিচাপে লাচিত বৰফুকনে আহোম ৰাজসভাত গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হোৱা নাছিল। ইয়াৰ পৰিবৰ্তে নিজৰ অধ্যাৱসায়, সাহস তথা কষ্টৰ ফলতহে আহোম ৰাজ্যৰ বৰফুকন তথা প্ৰধান সেনাপতিৰ পদত অধিষ্ঠিত হৈছিল লাচিত বৰফুকন। গুৰুত্বপূৰ্ণ কথা যে পোন প্ৰথমেই আহোম ৰাজ্যৰ সেনাপতিৰ পদত অধিষ্ঠিত হোৱাৰ বিপৰীতে লাচিত বৰফুকনে সেইসময়ৰ ৰাজমন্ত্ৰী ডাঙৰীয়াৰ 'হাঁচতিধৰা তামুলী'ৰ পদত নিযুক্ত হৈছিল। ব্যক্তিগত সহায়কৰ পৰ্যায়ৰ এই পদটোত অধিষ্ঠিত হৈ প্ৰথমবাৰৰ বাবে আহোম ৰাজ্যৰ ৰাজনীতিত প্ৰৱেশ কৰিছিল লাচিত বৰফুকনে।

ইয়াৰ পৰৱৰ্তী সময়ত লাচিত বৰফুকন নিযুক্ত পাইছিল ঘোঁৰাবৰুৱাৰ পদত। ঘোঁৰাবৰুৱাৰ পদত কাৰ্যনিৰ্বাহ কৰি থাকোতে লাচিত বৰফুকনে ঘোঁৰাসমূহ সঠিকভাৱে তত্বাৱধান কৰাই নহয় বহুকেইটা দুৰ্দান্ত ঘোঁৰা বশ কৰি নিজৰ প্ৰতিভা আৰু সাহসিকতাৰ পৰিচয় দাঙি ধৰিছিল। ঘোঁৰাবৰুৱাৰ পদত সুকলমে দায়িত্ব সম্পন্ন কৰাৰ বাবে পৰৱৰ্তী সময়ত আহোম ৰজাই লাচিত বৰফুকনক দুলীয়া বৰুৱা পদবীত নিযুক্তি দিছিল। ইয়াৰ পৰৱৰ্তী সময়ত লাচিত বৰফুকনে নিযুক্তি লাভ কৰিছিল শিমলুগুৰিয়া খেলৰ প্ৰধান বিষয়া শিমলুগুৰিয়া ফুকনৰ পদবীত। শিমলুগুৰিয়া ফুকন হিচাপে দায়িত্ব সম্পন্ন কৰা লাচিত বৰফুকনে পৰৱৰ্তী সময়ত নিযুক্তি লাভ কৰিছিল দোলাকাষৰীয়া বৰুৱা হিচাপে। দোলাকাষৰীয়া বৰুৱা হিচাপে নিযুক্তি লাভ কৰা লাচিত বৰফুকনৰ কাম আছিল ৰজা দোলাত যাওঁতে ৰজাৰ পালি-পহৰীয়া (চাওদাং) সকলক নিয়ন্ত্ৰণ কৰা।

**কৰ্ম জীৱনী ঃ** গুৰুত্বপূৰ্ণ কথা যে স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্ব কালত ১৬৬২ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ঔৰংজেৱৰ সেনাবাহিনীয়ে মীৰজুমলাৰ নেতৃত্বত অসম আক্ৰমণ কৰি আহোম ৰাজ্যক কৰতলীয়া ৰাজ্য হিচাপে অন্তৰ্ভুক্ত কৰিছিল। জয়ধ্বজ সিংহই সেই সময়ত অসমৰ স্বাধীনতা ঘূৰাই আনিবলৈ অহোপুৰুষাৰ্থ কৰিছিল যদিও সফল হ'ব পৰা নাছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ মৃত্যুৰ পাছত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই অতীতৰ গৌৰৱ উদ্ধাৰ কৰিবৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। আৰু এইবাৰে এজন যোগ্য সেনাপতিৰ সন্ধান কৰি লাচিত বৰফুকনক সেনাপতি দায়িত্ব অৰ্পণ কৰিছিল।

লাচিত বৰফুকনে সেনাপতি দায়িত্ব লৈয়েই দেশৰ সৈন্যসকলক সংগঠিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত ১৬৬৭ খ্ৰীষ্টাব্দত লাচিত বৰফুকনে নেতৃত্ব লৈ গুৱাহাটী উদ্ধাৰৰ প্ৰচেষ্টা চলায় মোগলসকলক আক্ৰমণ কৰে। গুৰুত্বপূৰ্ণ কথা যে এই আক্ৰমণত ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুয়োপাৰেই আহোম সৈন্যই বিজয়ধ্বজা উৰুৱাই আৰু আহোম সৈন্যই ইটাখুলি আৰু গুৱাহাটী দুৰ্গ অধিকাৰ কৰে ১৬৬৭ খ্ৰীষ্টাব্দৰ ২ নৱেম্বৰৰ দিনা মাজনিশা। গুৰুত্বপূৰ্ণ কথা যে এই আক্ৰমণত বহুসংখ্যক মোগল সৈন্যই প্ৰাণ আহুতি দিয়ে অন্যহাতে মিৰজুমলাই ১৬৬২ খ্ৰীষ্টাব্দত বন্দী কৰি নিয়া ভালেমান অসমীয়া সৈন্যক লাচিত বৰফুকনে উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

১৬৬৭ চনত আহোম-মোগলৰ যুদ্ধ আৰম্ভ হৈছিল। এই যুদ্ধত লাচিতে তেওঁৰ বীৰত্বৰ পৰিচয় দি মোগল সৈন্যক মানাহ নদী পাৰ কৰি খেদি পঠিয়াইছিল। অসমীয়া সৈন্যৰ হাতত হোৱা মোগলৰ এই পৰাজয়ৰ কথা সহ্য কৰিব নোৱাৰি এইবাৰ মোগল সম্ৰাট ঔৰংজেৱে সেনাপতি ৰামসিংহক ১৬৬৮ চনৰ ৬ জানুৱাৰীত অসম আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰিছিল। মোগলৰ বিশাল সৈন্যবাহিনী দেখিও লাচিত বৰফুকনে অলপো বিচলিত নহৈ শত্ৰুৰ সৈতে পৰাক্ৰমেৰে যুঁজ দিবলৈ অসমীয়া সৈন্যসকলক আহবান জনাইছিল আৰু সকলোকে নিজৰ কৰ্তব্যত অৱহেলা নকৰাৰ বাবে সকীয়নি দিছিল। মোগলে তেতিয়া কামৰূপ জিলাৰ দলিবাৰীৰ ওচৰৰ আলাবৈ পৰ্বতৰ দাঁতিত বাহৰ পাতি আছিল। এই আলাবৈ ক্ষেত্ৰতেই ১৬৬৯ চনত আহোম আৰু মোগলৰ মাজত এখন তয়া-ময়া ৰণ হয়।

এই যুদ্ধৰ নাম আলাবৈ যুদ্ধ। আলাবৈ যুঁজত একেদিনাই প্ৰায় ১০,০০০ আহোম সেনাই প্ৰাণ দিব লগা হয়। আলাবৈৰ যুদ্ধৰ পৰাজয়ে লাচিতৰ মনলৈ হতাশা আনে। কিন্তু মহামন্ত্ৰী আতন বুঢ়াগোহাঁইৰ বুজনিত তেওঁ পুনৰ দৃঢ় হ'ল।

লাচিতে উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ ওচৰত শত্ৰু সৈন্যক ভেটা দিবলৈ এটা গড় নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল আৰু তাৰ চোৰা-চিতাৰ কাম তেওঁৰ এজন মোমায়েকক প্ৰদান কৰিছিল।



কিন্তু গড় নিৰ্মাণৰ কাম পিছ পৰি থকাত গড় নিৰ্মাণস্থলীতে তেওঁ মোমায়েকক শিৰচ্ছেদ কৰি 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি কৈ নিজ দেশভক্তিৰ পৰিচয় দিছিল। তেওঁৰ এই উগ্ৰমূৰ্তি দেখি সকলো বৰ শংকিত হৈছিল আৰু দুগুণ শক্তিৰে কাম কৰি ৰাতিৰ ভিতৰতে গড়ৰ কাম সম্পূৰ্ণ কৰি মোগল সৈন্যক ভেটা দিছিল।

তেনে সময়তে কিছুদিন পিছত আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ মৃত্যু হ'ল। ৰামসিংহইও লাচিতৰ লগত যুদ্ধ সন্ধিৰ প্ৰস্তাৱ আগবঢ়াই। আনফালে লাচিত নৰীয়াত পৰিল। এনে পৰিস্থিতিত পৰৱৰ্তী স্বৰ্গদেউ উদয়াদিত্য সিংহই আতন বুঢ়াগোহাঁইৰ পৰামৰ্শ লৈ মোগলক চিৰদিনৰ বাবে খেদি পঠিয়াবলৈ থিৰাং কৰিলে। স্বৰ্গদেউৰ আদেশ মানি লাচিতে নৰীয়া দেহাৰেই নৌ-যুদ্ধৰ বাবে সাজু হ'ল। নদীৰ মাজত আহোম-মোগল বাহিনীৰ মাজত ভীষণ যুদ্ধ চলিল। অসমীয়া সেনাৰ বীৰত্বত বহুত মোগল সৈন্য মৃত্যু মুখত পৰিল আৰু লাচিতৰ নেতৃত্বত আহোম সেনাই মোগলক মানাহ নদীলৈকে খেদি পঠিয়ালে। এইখনেই হ'ল ইতিহাস প্ৰসিদ্ধ বিখ্যাত শৰাইঘাটৰ যুদ্ধ।

লাচিত বৰফুকনৰ নেতৃত্ব বহন কৰা এই শৰাইঘাট যুদ্ধ হ'ল অসমৰ ইতিহাসৰ সোণালী আখৰেৰে জিলিকা যুগান্তকাৰী ঘটনা। মহা পৰাক্ৰমী মোগল শক্তিক পৰাভূত কৰা লাচিত বৰফুকন নেতৃত্বই অসমবাসীৰ শৌৰ্য-বীৰ্য তথা সন্মান বিশেষভাৱে বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে। নৰীয়া শৰীৰে বুদ্ধিমত্তাৰ উদাহৰণ দাঙি ধৰি লাচিত বৰফুকনে যিদৰে মোগল সৈন্যৰ সৈতে সন্মুখ সমৰত লিপ্ত হ'ল সেয়া অতি প্ৰশংসনীয়। গুৰুত্বপূৰ্ণ কথা যে ৰণনীতিগত ক্ষেত্ৰত ব্যাপক ইন্ধন যোগাই লাচিত বৰফুকনে প্ৰথমবাৰৰ বাবে গেৰিলা যুদ্ধ পদ্ধতিৰ প্ৰৱৰ্তন কৰিছিল।

লাচিত বৰফুকনৰ বীৰত্বৰ সম্পৰ্কত প্ৰতিদ্বন্দ্বী মোগল সেনাপতি ৰামসিংহই প্ৰশংসাৰ সুৰত কৈছিল— "বৰফুকন এজন ডাঙৰ যোদ্ধা, চক্ৰাকৃতি বেহু আৰু আগবাঢ়ি ধৰিবলৈ ক'তো ছিদ্ৰ নাই"। ৰামসিংহই আহোমৰ ৰজা-প্ৰজাৰ লগতে সেনাবাহিনীকো প্ৰশংসা কৰি কৈছিল— "ধন্য আহোম ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা। এক আদমীয়ে সকলো সেনা চলাইতে পাৰে।"

নিজৰ বীৰত্ব আৰু সাহস প্ৰদৰ্শন কৰি শৰাইঘাট যুদ্ধত জয়লাভ কৰা লাচিত বৰফুকনৰ মৃত্যু হয় শৰাইঘাট যুদ্ধৰ কিছুদিনৰ পিছতেই। ১৬৭২ খ্ৰীষ্টাব্দত মৃত্যুক সাবটি লোৱা বীৰজনক যোৰহাটৰ হোলোঙাপাৰত মৈদাম দিয়া হয়। অসম তথা অসমীয়াৰ বাবে এটা চিৰসেউজ সত্তা হ'ল লাচিত বৰফুকন। লাচিত বৰফুকনৰ দৰে এজন বীৰৰ ইতিহাসেৰে সমৃদ্ধ অসমীয়া জাতি। অসমীয়াৰ আবেগ, বিবেক সকলো অধিকাৰ কৰি আছে। লাচিত বৰফুকনৰ বীৰত্ব হ'ল সমগ্ৰ জাতিৰ বাবে আদৰ্শ তথা অনুপ্ৰেৰণাৰ উৎস। লাচিত বৰফুকনৰ দৃঢ়, নিঃস্বাৰ্থ, দূৰদৰ্শী ব্যক্তিত্ব নেতৃত্বই অসমীয়া সমাজত সূচনা কৰিছিল যুগান্তকাৰী পৰিৱৰ্তন। অসমীয়া উত্তৰ প্ৰজন্মৰ বাবে লাচিত বৰফুকন হৈ ৰ'ব সদায় অপৰাজেয় ব্যক্তিত্ব, সাহস আৰু সংগ্ৰামৰ প্ৰতীক।

*লেখিকা ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*

# ভয় জয় কৰক

**ৰ'জী দেৱী**

কিছুমান মানুহ বৰ ভয়াতুৰ। ভয় এনে এক বস্তু যি আমাক আমাৰ সফলতাত বাধা দিব। আমি জীৱনত আগুৱাই যোৱাত হেঙাৰ হৈ থিয় দিয়ে। অৱশ্যে একেবাৰে অতিৰিক্ত সাহসো বেয়া। ভয়ত ভক্তি থাকে বুলি অসমীয়াত এষাৰ কথা আছে। মানুহ এক ধৰণৰ অপৰাধবোধৰ দ্বাৰা শংকিত হৈ থাকে। তাৰ ফলত তেওঁলোক মানসিক অসুস্থতাৰ চিকাৰ হয়।

যেতিয়া মানুহে অপৰাধবোধ ভাবত মগ্ন হয় তেতিয়া কোনোবাই নিজকে শাস্তি দিয়ে। প্ৰকৃতিৰ প্ৰদত্ত 'আত্মৰক্ষাৰ শক্তি'য়ে বিদায় মাগে। এনে সময়তে মানুহবোৰে আত্মহননৰ দৰে পথ বাছি ল'ব লগা হয়।

ভগবান স্বয়ং ক্ষমাৰ আগাৰ, সেয়ে আমি ভয়ক দূৰ কৰিবলৈ শিকিব লাগিব।

আমেৰিকাৰ লেখক নেপোলিয়ন হিলে কৈছিল— মানুহ মূলতঃ সাত ধৰণৰ ভয়ৰ স্বভাৱৰ চিকাৰ হয়।

১) দৰিদ্ৰৰ ভয়

২) সমালোচনা ভয়

৩) স্বাস্থ্যৰ ভয়

৪) মৰমৰ পৰা বঞ্চিত হোৱাৰ ভয়

৫) বাৰ্ধক্যৰ ভয়

৬) পৰাধীনতাৰ ভয়

৭) শেষত মৃত্যুৰ ভয়

এতিয়া কথা হ'ল এই ভয়ৰ পৰা ৰক্ষা পোৱাৰ উপায় কি? ইয়াৰ পৰা ৰেহাই পাবলৈ দৰকাৰ হ'ব আত্মবিশ্বাস।

যদি ভয় বস্তুটো সংক্ৰামক হয় তেতিয়া মানুহৰ মাজৰ সম্পৰ্ক বিনষ্ট হয়। ভয়ে আমাক সুস্থ চিন্তা আৰু মুক্তিৰ ক্ষমতাক নষ্ট কৰি দিয়ে। আমি আতংকিত হৈ পৰিলে কাম কৰা ক্ষমতাও পক্ষাঘাত হৈ পৰে। আমাৰ শৰীৰত যেতিয়া বিষ হয় একো বেমাৰ নাথাকিলেও ভয়ৰ প্ৰকোপত সি বৃদ্ধি পায়। আৰু যদি মনৰ বল থাকে বা ডাক্তৰে সকলো ঠিকেই আছে বুলি কয় তাতেই আধা আধি বেমাৰ ভাল হৈ যায়। মাত্ৰ দৰৱকেইটা খালেই হ'ল। ভয়ৰ পৰা পলাই ফুৰিব চেষ্টা কৰিব নালাগে। পৰিস্থিতিৰ লগত মুখামুখি হ'বলৈ চেষ্টা কৰিব লাগে।

ভয়ক ভয় নকৰি জয় কৰি নিজক এজন সফল মানুহ হিচাপে গঢ়িবলৈ হ'লে আমি তলৰ কথাকেইটালৈ মন দিব লাগিব।

১) আমাৰ মনত অপৰাধবোধক ভাব প্ৰৱেশ কৰিব দিব নালাগে। ইয়ে ভয়ক নিমন্ত্ৰণ দিয়ে।

২) ভয়ে আত্মৰক্ষাৰ শক্তিক দুৰ্বল কৰে। গতিকে কোনো ধৰণৰ ভয়ক প্ৰশ্ৰয় দিব নালাগে। হাৰা-জিকা পিছৰ কথা আগুৱাই যাব লাগে।

৩) নিজৰ কিবা ভুলৰ বাবে নিজকে আজীৱন শাস্তি দি থকাৰ যুক্তি নাই। নিজক ক্ষমা কৰিব পাৰিব লাগে।

৪) অতিৰিক্ত উৎসাহত নিজকে পাহৰিব নালাগে। উৎসাহৰ বিনে কোনো উদ্দেশ্য পূৰ্ণ হ'ব নোৱাৰে, কিন্তু সেই উৎসাহ সংযত কৰিব নোৱাৰিলে তাৰ দ্বাৰা সঠিক কাম কৰাটো সম্ভৱ নহয়।

৫) আত্মনিয়ন্ত্ৰণ কৰিবলৈ শিকিব লাগে। আত্মনিয়ন্ত্ৰণ কৰিব পাৰিলে ভয়ক জয় কৰিব পাৰি। নিজৰ কাৰ্যক্ৰম সঠিক আৰু ইতিবাচক বাটেৰে আগুৱাই গ'লে দুঃচিন্তাগ্ৰস্ত হোৱাৰ কোনো অৱকাশ নাথাকে।

৬) ভয়ে কোনো কাম সফল হোৱাত বাধা দিয়ে। জীৱনত সফলতাৰ বাবে বিশ্বাস ৰাখিব লাগে।

৭) কাল্পনিক ভয়ৰ পৰাও সতৰ্ক থাকিব লাগিব।

৮) ভিতৰত বহুত প্ৰতিভা আছে। সেয়া চিন্তা কৰি নিজৰ গুণবোৰ আৱিষ্কাৰ কৰিব লাগিব। ইয়ে ভয়ৰ বিৰুদ্ধে যুঁজ দিয়াত সহায় কৰে।

৯) ভয়ে সুস্থ চিন্তা কৰা ক্ষমতাক ব্যাহত কৰে। ফলত ভয়াতুৰ লোক মানসিক অসুস্থতাত ভোগে। সেয়ে ভয়ক প্ৰশ্ৰয় দিব নালাগে। ভয়ক জয় কৰিব লাগে।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, ভূগোল বিভাগ*




# ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬

**প্ৰণালী ৰাজখোৱা**

কোঠাৰী আয়োগৰ (১৯৬৪-১৯৬৬) প্ৰতিবেদন আৰু পৰামৰ্শৰ ভিত্তিত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বত গঠিত চৰকাৰখনে ১৯৬৮ চনত শিক্ষা সম্পৰ্কীয় প্ৰথমখন ৰাষ্ট্ৰীয় নীতি ঘোষণা কৰে, য'ত "আমূল পুনৰ্গঠন"ৰ আহ্বান জনোৱা হয় আৰু ইয়াৰ বাবে সমান শৈক্ষিক সুযোগৰ প্ৰস্তাৱ দিয়া হয় ৰাষ্ট্ৰীয় সংহতি আৰু অধিক সাংস্কৃতিক আৰু অৰ্থনৈতিক উন্নয়ন লাভ কৰা হয়।

এই নীতিত ভাৰতৰ সংবিধানত নিৰ্ধাৰিত ১৪ বছৰ বয়সলৈকে সকলো শিশুৰ বাবে বাধ্যতামূলক শিক্ষা আৰু শিক্ষকৰ 'বিশেষ প্ৰশিক্ষণ আৰু অৰ্হতা পূৰণ'ৰ আহ্বান জনোৱা হৈছিল। এই নীতি অনুসৰি মাধ্যমিক শিক্ষাত কাৰ্যকৰী হ'বলগীয়া 'তিনি ভাষাৰ সূত্ৰ'ৰ ৰূপৰেখা দাঙি ধৰি আঞ্চলিক ভাষা শিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ আহ্বান জনোৱা হৈছিল। ইংৰাজী ভাষাৰ নিৰ্দেশনা, বিদ্যালয়খনৰ ভিত্তিত ৰাজ্যখনৰ চৰকাৰী ভাষা আৰু হিন্দী ভাষাৰ নিৰ্দেশনা।

বুদ্ধিজীৱী আৰু জনসাধাৰণৰ মাজত থকা ব্যৱধান হ্ৰাস কৰিবলৈ ভাষা শিক্ষাক অপৰিহাৰ্য বুলি গণ্য কৰা হৈছিল। যদিও হিন্দীক জাতীয় ভাষা হিচাপে গ্ৰহণ কৰাৰ সিদ্ধান্ত বিতৰ্কিত বুলি প্ৰমাণিত হৈছিল; নীতি অনুসৰি সকলো ভাৰতীয়ৰ বাবে এক উমৈহতীয়া ভাষাৰ প্ৰচাৰৰ বাবে হিন্দী ভাষাৰ ব্যৱহাৰ আৰু শিক্ষণক একেদৰে উৎসাহিত কৰিবলৈ আহ্বান জনোৱা হৈছিল।

এই নীতিয়ে ভাৰতৰ সংস্কৃতি আৰু ঐতিহ্যৰ অপৰিহাৰ্য অংগ হিচাপে বিবেচিত প্ৰাচীন সংস্কৃত ভাষাৰ পাঠদানকো উৎসাহিত কৰিছিল। ১৯৬৪ চনৰ NEPয়ে শিক্ষাৰ ব্যয় ৰাষ্ট্ৰীয় আয়ৰ ৬ শতাংশলৈ বৃদ্ধি কৰিবলৈ আহ্বান জনায়। ২০১৩ চনৰ হিচাপত NEP 1968 ৰাষ্ট্ৰীয় ৱেবচাইটত স্থান স্থানান্তৰিত হৈছে।

*লেখিকা ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ*



# নতুন শিক্ষানীতি ২০২০ আৰু আমাৰ উচ্চশিক্ষা

**ৰাজশ্ৰী শইকীয়া**

সুদীৰ্ঘ চৌত্ৰিশ বছৰৰ পাছত ভাৰতবৰ্ষত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ গ্ৰহণ কৰা হৈছে। পৰিৱৰ্তিত সময়ৰ সৈতে ৰজিতা খুৱাই আগবাঢ়ি যাবৰ বাবে নতুনকৈ পৰিৱৰ্তন কৰিবলৈ যোৱা ৰাষ্ট্ৰীয় শিক্ষানীতি স্বৰূপাৰ্থতেই এক আশাব্যঞ্জক খবৰ। ভাৰতবৰ্ষক বিশ্বৰ সৰ্বশ্ৰেষ্ঠ জ্ঞান শক্তিলৈ ৰূপান্তৰ কৰিবলৈ মনস্থ কৰা উক্ত শিক্ষা নীতিয়ে সমগ্ৰ ব্যৱস্থাৰ লগতে উচ্চ শিক্ষালৈও অমূল্য অৱদান অনাত জোৰ দিছে।

নিৰপেক্ষভাৱে সকলোৰে গুণগত উচ্চ শিক্ষাৰ সুবিধা লাভৰ ওপৰত গুৰুত্ব আৰোপ কৰা নতুন শিক্ষানীতিয়ে ব্যক্তিৰ সামগ্ৰিক বিকাশত জোৰ দিছে। চিন্তাশীল, সৃষ্টিশীল ব্যক্তি গঢ়াৰ সপোন দেখা উক্ত শিক্ষানীতিয়ে প্ৰতিজন শিক্ষাৰ্থীক সময়ৰ সৈতে ফেৰ মাৰিব পৰাকৈ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে। সেয়ে ব্যক্তিৰ সামগ্ৰিক বিকাশ (Holistic Development) নতুন শিক্ষানীতিৰ এক ইঙ্গিত লক্ষ্য। ব্যক্তিৰ লগতে আঞ্চলিক সমতাৰ ওপৰতো গুৰুত্ব দিয়া নতুন শিক্ষানীতিয়ে অনগ্ৰসৰ অঞ্চলসমূহত অধিক সংখ্যক উচ্চ শিক্ষানুষ্ঠান স্থাপন কৰাৰ পোষকতা কৰিছে। এইক্ষেত্ৰত চৰকাৰী ব্যৱস্থাৰ লগে লগে ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ অংশীদায়িত্বৰে উচ্চ শিক্ষানুষ্ঠান স্থাপন কৰাত জোৰ দিয়া হৈছে। আন শিক্ষানুষ্ঠানসমূহে অনুকৰণ কৰিব পৰাকৈ আদৰ্শ ৰাজহুৱা বিশ্ববিদ্যালয় স্থাপন কৰাৰ সংকল্প গ্ৰহণ কৰিছে।

আমাৰ দৰে এখন বিশাল দেশত কেৱল পৰম্পৰাগত ব্যৱস্থাৰে উচ্চশিক্ষা প্ৰয়াসী সকলোৰে চাহিদা যে পূৰণ কৰিব পৰা নাযায় তাক উপলব্ধি কৰি আমাৰ নতুন শিক্ষানীতিয়ে দূৰ আৰু মুক্ত শিক্ষাত অধিক গুৰুত্ব প্ৰদান কৰিছে। এনে ব্যৱস্থাই উচ্চ শিক্ষা প্ৰয়াসীৰ চাহিদা পূৰণৰ লগতে সামূহিক নামভৰ্তি অনুপাত বৃদ্ধি কৰাৰো আশা কৰা হৈছে। আধুনিক উচ্চ শিক্ষানুষ্ঠানসমূহক বহু শাখা (Multidisciplinary)যুক্ত শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলাত জোৰ দিয়া নতুন শিক্ষানীতিয়ে শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি ওপৰতো গুৰুত্ব প্ৰদান কৰিছে। এনে অনুষ্ঠানসমূহত সকলো সুবিধাৰে সৰ্বোত্তম শিকন পৰিৱেশ গঢ়াৰ লগতে গুণগত উৎকৰ্ষ সাধনৰ চৰ্চা কৰিব লাগে। এনে পদক্ষেপে আমাৰ উচ্চ শিক্ষানুষ্ঠাসমূহক বিশ্বৰ আন আগশাৰীৰ অনুষ্ঠানৰ সৈতে ফেৰ মাৰিব পৰা কৰি তুলিব বুলি আশা কৰা হৈছে যাতে বিশ্বৰ ভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীয়ে ইয়াত শিক্ষা লাভৰ আকৰ্ষণ অনুভৱ কৰে।

এনেদৰে কেতবোৰ সময়োপযোগী গুৰুত্বপূৰ্ণ দিশৰ বিবেচনাৰে উচ্চশিক্ষালৈ আমূল পৰিৱৰ্তনৰ পট ৰচনা কৰা নতুন শিক্ষানীতিৰ সফল ৰূপায়ন অতি গুৰুত্বপূৰ্ণ, তেতিয়াহে ই ইঙ্গিত লক্ষ্য আহৰণ কৰিব পাৰিব।

*লেখিকা : স্নাতক ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ*

# উদ্ভিদকেন্দ্রিক নৈতিক মতবাদ

**লক্ষ্যশ্ৰী শইকীয়া**

জগতখন কেৱল মানুহক লৈ গঠিত নহয়। মানুহ, জীৱজগত আৰু উদ্ভিদজগত এইবোৰ একেই প্ৰকৃতিৰ পৰিৱেশৰ অংগ। গতিকে প্ৰশ্ন হয়— যেতিয়া আমি পাহাৰী নৈত কোনো বান্ধ নিৰ্মাণ কৰাৰ কথা চিন্তা কৰিম নে উদ্ভিদ তথা সাৰ্বিক পৰিৱেশ ব্যৱস্থাৰ (eco-system) ওপৰত গুৰুত্ব দিম? আমি কি এইটো ভাবিম যে মানুহৰ দৰে উদ্ভিদৰো নৈতিক মৰ্যাদা আছে সিহঁতৰো জীয়াই থকাৰ অধিকাৰ আছে? এই প্ৰশ্নবোৰ অত্যন্ত জটিল। ইয়াৰ উত্তৰত এইটো কোৱা হয় যে, জগতখন মানুহৰ লগতে অন্যান্য প্ৰাণী আৰু উদ্ভিদক লৈ গঠিত। ই বহু জীৱ-জন্তু, উদ্ভিদ, নদ-নদী, পাহাৰ-পৰ্বত ইত্যাদিৰ সমাহাৰ। সেয়ে পিটাৰ কিৰ্চমেনে যথাৰ্থই মন্তব্য কৰিছে যে মানুহৰ যিদৰে এই পৃথিৱীত জীয়াই থকাৰ অধিকাৰ আছে, সেইদৰে অন্যান্য প্ৰাণী আৰু উদ্ভিদৰ ক্ষেত্ৰতো প্ৰযোজ্য। গতিকে মানুহ তথা সমগ্ৰ জীৱ প্ৰজাতিৰ ধ্বংসৰ কথা মনত ৰাখি জটিল পৰিৱেশ ব্যৱস্থাক সংৰক্ষণ কৰা বুদ্ধিবৃত্তিসম্পন্ন জীৱ হিচাপে মানুহৰ একান্তই কৰ্তব্য।

*লেখিকা ঃ স্নাতক ষষ্ঠ যাণ্মাসিক, দৰ্শন বিভাগ*





# ভূমি নীতিবিদ্যা

**ৰাজশ্ৰী শইকীয়া**

নীহাৰিকাৰ দেহত লাহে লাহে বয়সৰ চাপ। ছালবোৰে ৰঙীণতা হেৰুৱাই উদাস হৈ পৰিছে। চশমাযোৰৰ আশ্ৰয় অবিহনে তাই যেন অকলশৰীয়া। পঁয়ত্ৰিছৰ দেওনা পাৰ কৰিছে নীহাৰিকাই। তথাপি মনটো সজীৱ কৰি ৰাখিছে বিশ-পঁচিছ বছৰীয়া গাভৰুৰ দৰে। আজিও তাইৰ কপালত জিলিকি আছে সৰুকৈ ৰঙা ফোঁটটো। কাপোৰ সাজো পিন্ধে পৰিপাটিকৈ আৰু সুগন্ধিৰে আমোলমোলাই ৰাখিছিল তাইৰ শৰীৰটো।

...তুমি চাগৈ আজি আকৌ আহিবা নহয়নে? সেইবাবেইতো মোৰ মনটোৱে আগৰ দৰে বলিয়ালিখন কৰিছে। তুমি যিদিনা আহিম বুলি কোৱা মোৰ মনটোক বুজাব নোৱাৰা হৈ যাওঁ! তুমিতো জানাই! ... তুমি আহিয়েই কোৱা, মোৰ চঞ্চল নীহাজনী আগতকৈ আৰু ধুনীয়া হৈ পৰিছে ... আৰু মই যে খিলখিলাই হাঁহি উঠো। মই হাঁহিৰ ৰাগিত কেতিয়া তোমাৰ দুবাহুত সোমাওঁ গমেই নাপাওঁ ... আৰু মোৰ ওঁঠত এটি উমাল পৰশ। ... আৰু যে তাইৰ মাতত আমি দুয়ো সজাই লওঁ কৰ্ম জীৱনটিক!

... মা, মা তুমিতো কৈছিলা দেউতা আহিব বুলি। এতিয়ালৈকে কিয় অহা নাই? ব'লানা আমি চাকি-ধূপ জ্বলাওঁগৈ। আইতা আৰু ককাকো লৈ যাওঁ আমাৰ লগত প্ৰাৰ্থনা কৰিবলৈ মা? তেতিয়াহে দেউতা সোনকালে আহিব!!

পাহিজনীয়ে মাকক হাতত ধৰি টানি লৈ যায় আইতাক ককাকৰ ওচৰলৈ। নীহাৰিকা, পাহি আৰু আইতাকে হেঁপাহেৰে চাকি-ধূপ জ্বলাই অমিতলৈ বাট চায়।

... মা দেউতা এতিয়া আহি যাব ন... আইতা, আমি ফুৰিব যাম দেই দেউতা আহিলে। ককা তুমিও যাব লাগিব।

... মা যামনে ফুৰিবলৈ?

.... উম পাহি!

অমিতে এটা প্ৰাইভেট কোম্পানীত কৰে। তিনি মাহৰ অন্তত পোৱা ছুটীৰ দিনকেইটাত ঘৰলৈ আহে। যিকেইটা দিনৰ কাৰণে নীহাৰিকাই অতি আগ্ৰহেৰে বাট চাই থাকে। কাৰণ ঘৰখনত সদস্য বুলিবলৈ অমিত, নীহাৰিকা, পাহি আৰু অমিতৰ বয়সিয়াল মাক আৰু দেউতাক। অমিতৰ অনুপস্থিতিত ঘৰখনৰ পৰিবেশ তেনেই সেমেকা। ল'ৰামতীয়া অমিতে গোটেই ঘৰখনেই আনন্দময় কৰি ৰাখে। নীহাৰিকাৰ সকলো কামতে সহায় কৰি দিয়ে। মাক-দেউতাকৰ যতন লোৱা, পাহিৰ লগত খেলা.... আৰু নীহাৰিকা... নীহাৰিকাৰ লগত যেন কিমান ঠেহ-অভিমান। সেয়েহে নীহাৰিকাই অভিমানবোৰ সাঁচি ৰাখে অমিত অহালৈ ...।

হেল্ল' নীহা, আজি মই গৈ আছোঁ ।

.... সঁচাকৈ কৈছা ? পাহি ... পাহি দেউতা আহি আছে। অ শুনা না সোনকালে আহিবা দেই। আজি অলপ ফুৰিবলৈ যাম কিন্তু তুমি আহি পালে। মই তুমি ভাল পোৱা ৰঙা ৰঙৰ কাপোৰযোৰ পিন্ধি যাম।

... হ'ব নীহা ... যাম দিয়া। এতিয়া মই ৰাখোঁ।

অমিত অহা বুলি গম পাই নীহাৰিকাৰ গাত তৎ নাই। আজি যেন তাই থুপাই থোৱা গোটেই অভিমানবোৰ সিঁচি দিব অমিতৰ ওপৰত। পাহিজনীয়েও দেউতাক আহিব বুলি জানি কি কি খেলিব, ক'ত ফুৰিবলৈ যাব... ককাক-আইতাকহঁতক বহুৱাই পাঠ পঢ়াইছে। ... অমিত আহি পোৱাত পাহিৰ অঁকৰামি আৰম্ভ হ'ল। তাইক বাইকত অলপ ফুৰাই আনিব লাগে। নীহাৰিকাই বাধা দিলে। কাৰণ সিহঁত আবেলি ফুৰিবলৈ যাবই। কিন্তু নীহাৰিকাৰ কথা নামানি অমিতে পাহিক অলপ ফুৰাই আনো বুলি বাইকত তুলি ল'লে... আৰু যোৱাৰ সময়ত নীহাৰিকাহঁতক ওলাই থাকিবলৈ ক'লে।

.... কাপোৰ সাজ ধুনীয়াকৈ পিন্ধি, কপালত ৰঙা ফোঁটটো লৈ নীহাৰিকাই আইনাত ৰাৰে বাৰে চাই... অমিত নীহাজনী হৈছেনে নাই...। সময় পাৰ হৈছে, অমিত আৰু পাহি অহাই নাই। নীহাৰিকাৰ মনটো উগুল-থুগুল আৰু উৎকণ্ঠাৰে বেৰি ধৰিছে। তাই ঘৰটোৰ ভিতৰতে পায়চাৰি কৰিবলৈ ধৰিলে। উশাহবোৰে ঘনাই উঠা-নমা কৰিবলৈ ধৰিলে... যেন তাইৰ বুকুত কোনোবাই ঢেঁকীৰে ধান বানিছে। ফোনটো বজাৰ শব্দত তাই উচপ খাই উঠে। তাই লাহে লাহে ফোনটোৰ ফালে আগবাঢ়িল। তাই ওচৰ পোৱালৈ ফোনটো কাটি গ'ল। আকৌ ফোনটো বাজিবলৈ ধৰিলে। অমিতে ফোন কৰিব পাৰে বুলি জানিও নীহাৰিকাই ফোনটো ধৰিবলৈ সাহস কৰিব পৰা নাই। ঢেঁকীটোৱে কিয় ইমান জোৰেৰে কোবাইছে? ভাবি থাকোঁতে পুনৰ ফোনটো কটা গ'ল। আকৌ বজাত নীহাৰিকাই থাপ মাৰি ফোনটো ৰিচিভ কৰিলে... লগে লগে মানুহজনী জঠৰ হৈ পৰিল... তাইৰ মূৰত যেন সৰগখন ভাগি পৰিলে। দুধাৰি চকুলোৰে তাই কেৱল দৌৰিলে দলংখনৰ ওচৰলৈ। ... গৈ দেখে দলংখনৰ মূৰত বাইকখন জৰাজীৰ্ণ হৈ পৰি আছে... ওচৰতে তেজেৰে ৰাঙলী অমিত আৰু কাষতে পাহিৰ কান্দোনৰ চিঞৰ।

... নীহা... নীহা তুমি আজিকালি কাপোৰ সাজো ভালকৈ পিন্ধিব নোৱৰা হ'লা। আৰু তুমি কপালত ৰঙা ফোঁটটো কিয় সৰুকৈ লৈছা ... জানাই মই বেয়া পাওঁ! তুমি ৰঙা ফোঁটটোৰে কিমান যে ধুনীয়া দেখা। মোৰ চঞ্চলা, মৰমলগা নীহাজনী।

... মা... মা তুমি কি ভাবি আছা। ব'লা না দেউতা আহিব এতিয়া ... আমি প্ৰাৰ্থনা কৰিলোঁ নহয়।

*লেখিকা ঃ অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ*

সময় পাৰ হৈছে, অমিত আৰু পাহি অহাই নাই। নীহাৰিকাৰ মনটো উগুল-থুগুল আৰু উৎকণ্ঠাৰে বেৰি ধৰিছে। তাই ঘৰটোৰ ভিতৰতে পাইচাৰি কৰিবলৈ ধৰিলে। উশাহবোৰে ঘনাই উঠা-নমা কৰিবলৈ ধৰিলে... যেন তাইৰ বুকুত কোনোবাই ঢেঁকীৰে ধান বানিছে। ফোনটো বজাৰ শব্দত তাই উচপ খাই উঠে। তাই লাহে লাহে ফোনটোৰ ফালে আগবাঢ়িল। তাই ওচৰ পোৱালৈ ফোনটো কাটি গ'ল। আকৌ ফোনটো বাজিব ধৰিলে। অমিতে ফোন কৰিব পাৰে বুলি জানিও নীহাৰিকাই ফোনটো ধৰিবলৈ সাহস কৰিব পৰা নাই। ঢেঁকীটোৱে কিয় ইমান জোৰেৰে কোবাইছে? ভাবি থাকোঁতে পুনৰ ফোনটো কটা গ'ল।



# উপলব্ধি

গীতা ৰাজখোৱা

আজি স্কুল নাযাব নেকি অ' মইনা— বলোৰামে কথাষাৰ কৈ কৈ ভাত ৰন্ধাত লাগিল। দেউতাকৰ কথাৰ পোনপটীয়া উত্তৰ দি লীনাই ক'লে— আজি নাযাওঁ দিয়া দেউতা, মন যোৱা নাই স্কুললৈ যাব। ভাতৰ যোগাৰ কৰি থকা বলোৰামে প্ৰায় খঙেৰে কৈ উঠিল— স্কুললৈ যোৱাৰ সময়ত সদায় কিবা নহয় কিবা এটা অজুহাত দেখুৱাবলৈ এৰ, নহ'লে কোনোবা দিনা ফলা-খৰিৰ মাৰ খাবলৈ সাজু হ'বি। মাৰে ঢুকোৱাৰ দিন ধৰি আজিলৈকে তোক মই অকণো কষ্ট নোপোৱাকৈ ডাঙৰ কৰিছোঁ। ঘৰৰ কামৰ ভাৰ পৰিবলৈ কোনোদিনাই দিয়া নাই। বলোৰামৰ গালি অব্যাহত থাকোঁতেই পিছফালৰ দুৱাৰমুখত ৰবীন অৰ্থাৎ বলোৰ ভায়েকৰ ল'ৰা উপস্থিত হ'ল। ৰবীনৰ হাতত এখন সুন্দৰ কাঁহৰ কাঁহী, তাত কেইবাবিধো সুস্বাদু ব্যঞ্জন, কাঁহীখনত চকু পৰোঁতেই লীনাৰ মুখত পানী গোট খালেহি। ৰবীনে তাইক দেখাৰ লগে লগে কৈ উঠিল— এয়া তোৰ কাৰণে খুৰীয়েৰে দি পঠাইছে, সোনকালে খাই ল', স্কুললৈ যোৱাৰ সময়েই হ'লহি, মই যাওঁ। যাবলৈ ধৰি ৰবীনে লীনাক আঁতৰৰ পৰাই চিঞৰি ক'লে— ঐ যাবৰ সময়ত মোক মাত দিবি, একেলগে যাম। লীনাৰ স্কুললৈ যাবৰ

মন নাথাকিলেও গাত স্কুলৰ কাপোৰ লগাই দেউতাক বলোৰামক মাত নলগোৱাকৈয়ে স্কুললৈ গ'ল। বলোৰামে দুচকুৰে বৈ অহা চকুপানী হাতেৰে মোহাৰি লীনাই খোৱা কাঁহীখন ধুই ভিতৰ সোমাল। অলপ সময়ৰ পাছত বলোৰামে প্ৰায় পুৰণি চাইকেলখন লৈ শিলগুটি দিয়া ৰাস্তাৰে লীনাক স্কুলৰ পৰা আনিবলৈ ওলাল। চাইকেলখন স্কুলঘৰৰ বাটত ৰখাৰ অলপ পাছতেই ৰবীনে বৰদেউতা বুলি চিঞৰি চিঞৰি দৌৰি আহি চাইকেলত উঠিল। লীনাই মুখ ওন্দোলাই দেউতাকৰ চাইকেলত নুঠিল আৰু খোজকাঢ়িয়েই ঘৰৰ দিশত আগবাঢ়িল। বলোৰামে লীনাৰ খং, অভিমান গুচাবৰ

দেউতাক বলোৰামৰ অনুপস্থিতিত লীনা বৰ অকলশৰীয়া হৈ পৰিল। খেলা-ধূলা কৰি সময় পাৰ কৰা লীনাই খেলা-ধূলাৰ পৰা সম্পূৰ্ণ আঁতৰি আহিল। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ মাজত জঁপিয়াই ফুৰি ভাল পোৱা ছোৱালীজনী এতিয়া এটা অন্ধকাৰ কমত সোমাই কেৱল পঢ়া টেবুলত বহি পঢ়িবলৈ ধৰিলে।

বাবেই ঘৰত তাই ভালপোৱা খাহীৰ মঙহৰ আঞ্জা ৰান্ধি ৰাখিছিল। ঘৰত উপস্থিত হৈ লীনাই একো নোখোৱাকৈয়ে খেলা-ধূলাত ব্যস্ত হ'ল। বলোৰামে লীনাক বহুবাৰ খাবলৈ মাতিছিল যদিও তাই লৰচৰ নহ'ল। দিনে দিনে বাঢ়ি অহা লীনাৰ অভিমান আৰু পঢ়া-শুনাৰ প্ৰতি থকা অন্যমনস্কতা বলোৱে বহুদিনৰ পৰাই লক্ষ্য কৰি আছিল, খঙৰ ভমকত বলোৱে হাতত এচাৰি তুলি ল'লে আৰু লীনাক বৰকৈ মাৰিবলৈ ধৰিলে। ঠিক সেই সময়তে সকলোৱে বলোৰামক হাতত ধৰি টানি নিলে, কেইগৰাকীমান মহিলাই কোৱা এযাৰি কথা বলোৰামৰ হৃদয় কঁপাই তুলিলে— মাক নোহোৱা ছোৱালীজনীক এনেকৈ মাৰেনে কোনোবাই! কথাষাৰ শুনাৰ লগে লগে নিজৰ ওপৰত খন্তেকতে ঘৃণাৰ ভাব উপজি উঠিল বলোৰ। লীনাক দুয়োহাতেৰে বুকুৰ মাজলৈ টানি হুকহুকাই কিছু সময় বলোৰামে কান্দি থাকিল। দেউতাকৰ মাৰত লীনাই প্ৰায় দুই সপ্তাহমান জ্বৰত পৰি থাকিল। নিজৰ কৰ্মত লাজ আৰু দুখিত হৈ বলোৰামে খোবা-বোবা এৰি এদিন মৃত্যুক সাবটি ল'লে। দেউতাক বলোৰামৰ অনুপস্থিতিত লীনা বৰ অকলশৰীয়া হৈ পৰিল। খেলা-ধূলা কৰি সময় পাৰ কৰা লীনাই খেলা-ধূলাৰ পৰা সম্পূৰ্ণ আঁতৰি আহিল। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ মাজত জঁপিয়াই ফুৰি ভাল পোৱা ছোৱালীজনী এতিয়া এটা অন্ধকাৰ কমত সোমাই কেৱল পঢ়া টেবুলত বহি পঢ়িবলৈ ধৰিলে। জীৱনত এটা লক্ষ্য লৈ আগবাঢ়িব কোৱা দেউতাকৰ কথা সদায় তাই মনত ৰাখিলে আৰু এদিন মেট্ৰিক পৰীক্ষাত সকলো বিষয়তে লেটাৰসহ সুখ্যাতিৰে পাছ কৰি দেউতাকৰ সপোন পূৰণ কৰিলে। দেউতাক ঢুকোৱাৰ দিন ধৰি লীনাৰ লগত ছাঁটোৰ দৰে লাগি থকা ল'ৰাটোৱেই ৰবীন। ৰবীনে আৰু তাৰ ঘৰখনেই লীনাৰ সকলো প্ৰয়োজনীয়তা পূৰণ কৰি আহিছে। মেট্ৰিকৰ ৰিজাল্ট শুনি ৰবীনে দৌৰি আহি লীনাৰ ওচৰ পাই কিন্তু লীনাৰ মুখখনি দেখি ৰবীনৰ দুচকুৰে চকুলো বাগৰি আহে। দেউতাকৰ ফটোখনলৈ চাই লীনাই কান্দি আছে। ৰবীনে পিছফালৰ পৰা মাত লগোৱাৰ লগে লগে তাই চকুলো মচি পিছফালে ঘূৰি চাই ৰবীনক দেখি এটা শেতা হাঁহি মাৰে। ৰবীনে বৰ উৎসাহেৰে লীনাৰ চকুলৈ চোৱাৰ সাহস গোটাব নোৱাৰি তলমুৰাকৈ ক'লে— তোক আজি কি লাগিব ক ভণ্টি। তোক যি লাগে আজি মই তাকে আনি দিম। লীনাই খোকাথুকি মাতেৰে ৰবীনক ক'লে— দেউতাক মোৰ ওচৰলৈ আনি দিব পাৰিবি দাদা। মোৰ বৰ মনত পৰিছে অ'। অলপ সময় দুয়ো মৌন হৈ থাকিল আৰু দুয়োৰে চকু চকুপানীৰে উপচি পৰিল।



*লেখিকা ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*



# অনুভৱ

**ৰ'জী দেৱী**

অ' মেডাম, ইয়াত মনে মনে বহি কি পঢ়ি আছা? মই তোমাক ইমান বিচাৰি ফুৰিছোঁ। তাইৰ হাতৰ স্কুলবেগটো পিঠিলৈ পেলাই ল'লে। সবিতাই নম্ৰভাৱে উত্তৰ দিলে— পৰীক্ষা পালেহি যে সেই কাৰণে। দেউতাই কৈছে, ভাল পাৰ্চেণ্টেজ নাহিলে বোলে বৰ বেয়া পাব। পুনৰ ৰুলীয়ে হাঁহি হাঁহি ক'লে— কেণ্টিনলৈ গ'লে পঢ়া লোকচান হ'ব বুলি ভাবা যদি নালাগে যাব বাৰু।

ধেৎ কি যে কোৱা। ব'লা বাৰু। এনেতে পিছফালৰ পৰা ৰাজ আহি মাত লগালে। কি হে তোমালোকৰ কথা শেষ নহ'ব নেকি? মই ৰৈ আছোঁ তোমালোক আহিবা বুলি। তিনিও একেলগে কেণ্টিনৰ ফালে আগবাঢ়িল।

সবিতা মাক-দেউতাকৰ একমাত্ৰ ছোৱালী। দেউতাকৰ একান্ত ইচ্ছা তাই ভালদৰে

"ঢোলৰ কোব য'লৈ নাযায় ওঁঠৰ কোব তালৈকে যায়।" কম সময়ৰ ভিতৰত খবৰ গৈ সবিতাৰ মাক-দেউতাকৰ কাণত পৰিল। এইবাৰ সবিতাই আৰু বেছি আঘাত পালে। তাইৰ সপোনবোৰ যেন ক'ৰবাত হেৰাই যাবৰ উপক্ৰম হ'ল। পিছদিনা এটা ফোন কল পাই মনটো পাতল লাগিল। ফোনটো আছিল ৰাজৰ। নাই, তাই আত্মহত্যাৰ দৰে বেয়া কাম নকৰে।

পঢ়িব। চাকৰি কৰিব। সেয়ে তায়ো তাইৰ কোনো ধৰণৰ অনুভৱক প্ৰশ্ৰয় নিদিয়ে। মাত্ৰ দেউতাকৰ সপোন পূৰণৰ বাবে আপ্ৰাণ চেষ্টা। মাত্ৰ দুখোজমান গৈছে এখন দামী বাইকত দুটা ল'ৰা সন্মুখৰে ভুটুংকৈ পাৰ হৈ গ'ল। পুনৰ ফিৰি আহি তিনিওৰে মাজত ৰ'লহি। সবিতাৰ ফালে চাই অদ্ভুত ধৰণৰ হাঁহি এটা মাৰিলে। সবিতাৰ মুঠেই ভাল লগা নাছিল। সেয়ে কোনো উত্তৰ নিদিয়াকৈ তিনিও আগবাঢ়িল। ল'ৰাটো সেই কলেজৰে ছাত্ৰ আছিল। মদ, ভাং, জুৱা এইবোৰতে লিপ্ত থাকে সি। আজি যদি এজনী গাৰ্লফ্ৰেণ্ড দুদিনৰ পাছত আন এজনী। সবিতাই তাৰ এই চৰিত্ৰৰ কথা নাজানে যদিও কিবা ল'ৰাটো তাইৰ ভাল নালাগে। কেনেকৈ যে সি চাই থাকে। কেতিয়াবা ভাবে ৰাজক সকলো ক'ব। কিন্তু কিয় ক'ব?

এজন ধনী ব্যৱসায়ীৰ দ্বিতীয় সন্তান বিকি। দেউতাকে অলপ শাসন কৰে যদিও মাকৰ বৰ আদৰৰ বিকি। এদিন বৌৰেকে বিকিৰ চৰিত্ৰৰ কথা দেউতাকৰ আগত কওঁতে বিকি পিছফালৰ পৰা আহি সকলো শুনা পালে। বাপেক আৰু বৌৰেকক নানা কটু কথা শুনালে। অলপ মদ খাই আছিল বাবে দেউতাকে একো বুজাব নোৱাৰিলে। মাত্ৰ মাকক কাঢ়া সুৰত কৈ থ'লে যে ল'ৰাটো যাতে ভাল পথলৈ আনিব পাৰি।

পিছদিনা দেউতাকে অফিচলৈ যাবলৈ ওলাই সবিতাক মাত দিলে। আই সবিতা তুমি আজি মোৰ লগতে কলেজলৈ যোৱা যদি যাব পাৰা। মই তোমালোকৰ কলেজৰ সন্মুখেৰে যাম। সবিতাও দেউতাকৰ লগত যাবলৈ সাজু হ'ল। এটা প্ৰাইভেট অফিচত চাকৰি কৰে সবিতাৰ দেউতাকে। বাটত নানা ধৰণৰ হাঁহি-স্ফূৰ্তিৰে দুয়ো গৈ আছে। এনেতে দেউতাকে সুধিলে— আই কলেজত তুমি কোনো ধৰণৰ অসুবিধাবোধ নকৰাতো? সকলোৰে লগত মিলিজুলি থাকিবা। দুষ্ট ল'ৰাবোৰৰ পৰা দূৰত থাকিবা। বহুত উপদেশেৰে মাত্ৰ তেওঁ কৈ গ'ল। সবিতায়ো দেউতাকক যিমান পাৰে বুজাই দিলে যে তাই এতিয়া সৰু ছোৱালী হৈ থকা নাই। তাই নিজকে সুৰক্ষা দিব জানে। আৰু কোনোবাই আমনি দিলে তাই নিশ্চয়কৈ দেউতাকক ক'ব।

গৈ থাকোঁতে বাটত গেট পৰি থকা বাবে দুয়ো বহুত সময় ৰ'ব লগা হ'ল। কিন্তু কি আচৰিত কাষতে চিগাৰেট হুপি হুপি বিকিয়ে মাত লগালে। কি হে সবিতা? বুঢ়া দেউতাৰাক কষ্ট দিয়াতকৈ মোৰ কথাত সন্মত হ'লে প্ৰতিদিনে বাইকেৰে অহা-যোৱা কৰিব পাৰিবা। চিধা ঘৰৰ পৰা আনি কলেজত থ'ম আৰু কলেজৰ পৰা ঘৰত। ভয় নকৰিবা কোনো ক্লাব বা হলত লৈ নাযাওঁ। সবিতাই কোনো ধৰণৰ মাত নিদিলে। দেউতাকে সুধিছিল যে ল'ৰাটো চিনি পায়নে নাপায়। তাই কি উত্তৰ দিব ভাবি নাপালে। এনেদৰে কলেজৰ সন্মুখ পালে আৰু দেউতাকে কোনো মাত নিদিয়াকৈ গুচি গ'ল।

ৰুলী আৰু ৰাজে দেউতাকৰ এনে আচৰণ দেখি আচৰিত হ'ল আৰু সবিতাক তাৰ কাৰণ সুধিলে। সবিতাই সকলো বিৱৰি ক'লে। ৰাজৰ বহুত খং উঠিল। কিয় বিকিয়ে সবিতাক মনোকষ্ট দিব? ৰুলী আৰু সবিতাৰ কথাত যেনিবা সি শাম কাটিলে কিন্তু ই কি? ক্লাছলৈ সোমাই গৈ সবিতাই এক আচৰিত মুহূৰ্তৰ লগত মুখামুখি হ'ল। বিকিয়ে ক্লাছৰুমত বেলুন-ফুলেৰে সজাই নিজেও হাতত এপাহ ফুল লৈ সবিতালৈ আগ্ৰহেৰে ৰৈ আছে। এখোজ-দুখোজকৈ বিকি আগবাঢ়ি আহিল আৰু ক'লে— এই বিকিয়ে যি বস্তু পচন্দ কৰে, তাক হাচিল কৰিহে শান্ত হয়। হয় তুমি মোৰ প্ৰস্তাৱ গ্ৰহণ কৰা নহ'লে...। আনখন হাতত থকা পিষ্টলটো দাঙি দিলে।

সবিতাই কি ভাবনাত জানো চিঞৰি দিলে ৰাজ...ৰাজ। হুলস্থুল শুনি ভূগোলৰ ছাৰে হাতত বেত লৈ ক্লাছৰুমত সোমাল। পৰিস্থিতি দেখি সবিতাকে ইয়াৰ বাবে জগৰীয়া কৰে। লগতে ৰাজৰ বিষয়ে সকলোকে সোধ-পোছ কৰে। সবিতাৰ সঁচাকৈ বৰ দুখ লাগিল। জগৰ লগালে কোনে আৰু জগৰীয়া হ'ল কোন। ভাবি ভাবি তাই অস্থিৰ হৈ পৰিল। অসমীয়াত এষাৰ কথা আছে— "ঢোলৰ কোব য'লৈ নাযায় ওঁঠৰ কোব তালৈকে যায়।" কম সময়ৰ ভিতৰত খবৰ গৈ সবিতাৰ মাক-দেউতাকৰ কাণত পৰিল। এইবাৰ সবিতাই আৰু বেছি আঘাত পালে। তাইৰ সপোনবোৰ যেন ক'ৰবাত হেৰাই যাবৰ উপক্ৰম হ'ল। পিছদিনা এটা ফোন কল পাই মনটো পাতল লাগিল। ফোনটো আছিল ৰাজৰ। নাই, তাই আত্মহত্যাৰ দৰে বেয়া কাম নকৰে। কিন্তু তাইৰ হতাশ অন্তৰে কিয় প্ৰাণ পাই উঠিল সেইটো অনুভৱ কৰিব নোৱাৰিলে।

*লেখিকা ঃ স্নাতক চতুৰ্থ যাণ্মাসিক, ভূগোল বিভাগ*

গৈ থাকোঁতে বাটত গেইট পৰি থকা বাবে দুয়ো বহুত সময় ৰ'ব লগা হ'ল। কিন্তু কি আচৰিত কাষতে চিগাৰেট হুপি হুপি বিকিয়ে মাত লগালে। কি হে সবিতা? বুঢ়া দেউতাৰাক কষ্ট দিয়াতকৈ মোৰ কথাত সন্মত হ'লে প্ৰতিদিনে বাইকেৰে অহা-যোৱা কৰিব পাৰিবা। চিধা ঘৰৰ পৰা আনি কলেজত থ'ম আৰু কলেজৰ পৰা ঘৰত। ভয় নকৰিবা কোনো ক্লাব বা হলত লৈ নাযাওঁ।



# সঁজাৰ চৰাই

জুৰিস্মিতা বৰা

অনুপমা, পাহাৰী, ৰম্যাণী আৰু ভাগৰী চাৰিওজনীয়ে চাকৰিও পালে।

চাকৰিৰ প্ৰায় চাৰে ৩ বছৰ মানৰ পাছত সিহঁতে অনুভৱ কৰিছে সিহঁতৰ অন্য একো কাম হোৱা নাই কেৱল আমনিহে লাগিছে। অফিচ, ঘৰ, মহানগৰীৰ জঞ্জালময় জীৱনযাত্ৰা, অনবৰত গাড়ীৰ শব্দ থুলস্থুলীয়া পৰিৱেশ এফালে কাজিয়া, আনফালে ভোকত মানুহ, জীৱ-জন্তুৱে খাব নাপাই কক্‌বকাই থকা দৃশ্য, গাড়ীৰ খুন্দাত জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মৃত্যু আদি। কাৰো বাবে কাৰোৰে সময় নাই যে এখন্তেক বৈ কি হৈছে, বা কি হ'ল চাওঁ, নাই কাৰো সময় নাই সকলো ব্যস্ত। ধোৱা আৰু ধূলি গেলা-পচা গোন্ধ, গৰম অনুভৱ কৰিবলৈ নিদি হায়ৰাণ কৰি দিয়া সময়বোৰ এইবোৰে সিহঁতক বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। এইটো কি জীৱন? ৰাতিপুৱাৰ পৰা ৰাতিলৈ ব্যস্ততাই কাবু কৰি ৰখা, এইটো কি জীৱন?

মিছাও নহয়। প্ৰকৃততে চাৰিওজনী ছোৱালী সঁজাত বন্দী হৈ ছটফটাই আছে। সিহঁতক জীৱন লাগে। প্ৰকৃততে প্ৰাণ লাগে, সিহঁতক প্ৰকৃতিৰ নিৰ্ভেজাল বতাহ লাগে।

বিয়াৰ বয়স ইতিমধ্যে অহি কাষ চাপিছে চাৰিওজনীৰ। গোটেইকেইজনীৰ বাপেক-মাকৰ বুকুৰ ধপধপনি বাঢ়িছে। ভাল ল'ৰা চাই ছোৱালীক কেনেকৈ ঘৰখনৰ পৰা উলিয়াই দিব পাৰে।

অনুপম, পাহাৰী, ৰম্যাণী, ভাগৰী চাৰিওজনী একেলগে ডাঙৰ হৈছে। একেলগে পঢ়া-শুনা, খেলা-ধূলা কৰিছে, পৰীক্ষাতো সমানেই ভাল নম্বৰ পায় আৰু বহু কষ্টৰ অন্তত সমানেই ৪ জনীয়ে চাকৰিও পাইছে। একেখন ঠাইতে একেলগে থাকি ৰান্ধি-বাঢ়ি ঘৰতে ভাত খাই কৰিব পৰা সুবিধাজনক চাকৰি। গতিকে সৰুতেই আৰম্ভ হোৱা বন্দুত্ব ইমানদিনে নিৰ্ভেজালভাৱে চলি আছে। অফিচ ছুটীৰ পিছত চিনাকি চাহৰ দোকানত চাৰিজনীৰে আড্ডা বহুত দিনৰ অভ্যাস। এদিন পাহাৰীয়ে ক'লে— 'উস্ নোৱাৰোঁ আৰু! কিবা এটা কৰহঁত। এনেকৈ আৰু কিমান দিন মহানগৰীত থাকিম।' ৰম্যাণীৰে মাত দিলে ৰ'চোন ৰ'! কৰোঁ বুলি জানো কিবা কৰিব পাৰি। অলপ ধৈৰ্য ধৰ।

নাই নাই ধৈৰ্যৰ সীমা পাৰ হৈ গৈছে। ৰম্যাণী, তই কিবা এটা ভাব অ' সোনকালে। নাই, আজি ৰম্যাণীৰ মূৰতো একো বুদ্ধিয়েই খেলা কৰা নাই। তাই মূৰ জোকাৰিলে নাঃ নহ'ব পাহাৰী, মই একো চিন্তাই কৰিব পৰা নাই। তোমালোকে ভাবাচোন কিবা এটা। পিছদিনা অফিচৰ পৰাই পাহাৰীয়ে ৰম্যাণীক ফোন কৰি সন্ধিয়া যিমান পাৰি সিমান সোনকালে ৰামু কাকাৰ চাহৰ দোকানত আহিবলৈ ক'লে। তাই কিবা এটা বুদ্ধি বিচাৰি পাই কথাটো আলোচনা কৰিবৰ বাবে গোটেইকেইজনীক গোট খাব ক'লে।

সন্ধিয়া আটাইকেইজনীৰ হাতত চাহৰ কাপ। পাহাৰীয়ে চাহ কাপৰ শোহা মাৰি মাৰি কথাটি ক'লে। ব'ল আমি অফিচৰ পৰা কেইদিনমান ছুটী লৈ ফুৰিবলৈ যাওঁ। আগৰ দৰে দিল্লী, মুম্বাই বা অন্য মহানগৰ চাবলৈ নাযাওঁ। তেনেতে অনুপমাই মাত লগালে, তেন্তে ক'ত যাবা? ৰম্যাণী আৰু পাহাৰীয়ে একেলগে ক'লে আমি প্ৰকৃতিৰ মাজলৈ যাম।

ভাগৰীয়ে ক'লে, কাজিৰঙা, মানহ নাইবা পবিতৰালৈ যোৱা যাওক, পাহাৰীয়ে মূৰ জোকাৰিলে। প্ৰকৃতি বুলিলে তোমালোকে কি কাজিৰঙা, মানহক বাদ দি একো ভাবিবই নোৱৰা নেকি? তেন্তে ক'লৈ যাম আমি? ৰ'বা ময়ে ঠিক কৰিম। তোমালোকৰ দ্বাৰা নহ'ব আৰু।

'মই তোমালোকক লৈ যাম।'

ডিচেম্বৰত জাৰ পৰিব। জাৰৰো এটা মিঠা আমেজ আছে। মহানগৰীত ভালকৈ অনুভৱেই কৰিব নোৱাৰি। গতিকে ডিচেম্বৰত যাম। সকলো ৰেডি থাকিবা।

গোটেইকেইজনীয়ে মাত লগালে আঃ কি মজা লাগিব। পাহাৰীয়ে তাইৰ ধুনীয়া হাঁহিটো মাৰি ক'লে 'বুজিছা জীৱন দুবাৰ নাহে।' আমি একদম ৫ দিন ছুটী ল'ম, ২ দিন অহা-যোৱা আৰু বাকী ৩ দিন আমি তাত থাকিম। ঘূৰিম, ফুৰিম, খাম, স্ফূৰ্তি কৰিম, মনত থকাকৈ স্ফূৰ্তি কৰিম।

ভাৰ্গৱীয়ে ক'লে অঃ গাড়ী? যোৱাটো কেনেকৈ হ'ব আমাৰ। পাহাৰীয়ে ক'লে ইমান চিন্তা নকৰিবা। মই সেয়াও বন্দবস্ত কৰিলোঁ। মই ঘৰৰ পৰা গাড়ীখন লৈ আহিম আমাৰ। মই চলাম আৰু ৰম্যাণী আছেই। দুয়োজনী মিলি চলাই যাম আৰু তহঁতে বহি যাবি ধুনীয়াকৈ। ৪ জনী আৰামতে যাব পাৰিম দে। এনেতে ভগৰীয়ে ক'লে আমিচোন আৰু এটা কাম কৰিব পাৰো। কি কি? আমি আটাইকেইজনীয়ে নিজৰ ভালপোৱা কামবোৰো তাত গৈ প্ৰকৃতিৰ মাজত বিলীন হৈ কৰিব পাৰোঁ। আমি চৰেই নিজৰ সামগ্ৰীবোৰ লৈ যাম দে। পাহাৰীয়ে ক'লে অহ পাৰি পাৰি, ভাল আইডিয়া দিলি দেই। সিহঁতৰ মাজত তুমি, তই, আপুনি সকলো সম্বন্ধ চলে। সিহঁতে ভাল পায়, এনেকৈ ইজনীয়ে সিজনীক মাতি। ঐ অনুপমা, তোৰ হ'লনে নাই ইমান সময় লাগেনে? ব'ল ব'ল আহিলোঁ দে ইমান চিঞৰ -বাখৰ কেলৈ কৰিছ? ব'ল এতিয়া। সঁজাৰ পৰা এই মুহূৰ্তত মুক্ত হোৱা চৰাইৰ দৰে সিহঁত যেন মুকলি আকাশৰ তলত অনাই-বনাই হেঁপাহ পলুৱাই ফুৰিব। ঠাইখন পাওঁতে সিহঁতৰ প্ৰায় সন্ধিয়াই হ'লহি। ঠাইখনত এটা সৰু পৰিদৰ্শকৰ বঙলা আছে। তাতেই সিহঁত থাকিল। বঙলাটোৰ নিচেই ওচৰেদি এখন নৈ বৈ গৈছে। ঠাইখনৰ আগফাল-পিছফাল বিস্তীৰ্ণ পাহাৰ, চেগুণ, শাল গছেৰে ভৰ্তি। সন্ধিয়া ঠাইখন জোনাক পৰি পোহৰ হৈ আছে।

গাড়ীৰ পৰা নামি আটাইকেইজনী জঁপিয়াই জঁপিয়াই আহিছে। প্ৰাণভৰা হাঁহিৰে পাহাৰীয়ে সুধিলে বান্ধৱীহঁত কেনে লাগিছে? অনুপমা লিখা-মেলা কৰা ছোৱালী কবিতা লিখি ভাল পায়। পাহাৰীয়ে আকৌ গান গাই ভাল পায়, ৰম্যাণীৰ আগ্ৰহ নাচ-গানত আৰু ভাগৰীয়ে ছবি আঁকি ভাল পায়।

বঙলাটোত এটা কোঠাত দুটাকৈ থাকিব পাৰে সেয়ে সিহঁতে দুটা ৰুম ল'লে। প্ৰথমটোত পাহাৰী আৰু অনুপমা। দ্বিতীয়টোত ভাৰ্গৱী আৰু ৰম্যাণী। আচল কথাটো আকৌ এইটোহে যে ইটো কোঠাৰ পৰা সিটো কোঠালৈ যাবলৈ ভিতৰি ভিতৰি এখন দুৱাৰ আছে। কোঠা দুটাৰ বাথৰুম আকৌ এটাই আঃ কি সুন্দৰ! আটাইকেইজনীয়ে চিঞৰ-বাখৰ লগালে।

সন্ধিয়া ৭ মান বজাত সিহঁত আকৌ সাজি-কাচি বিস্তীৰ্ণ বননিৰ শাল, চেগুনৰ তলে তলে খেলা কৰা মায়াবী জোনাকৰ পোহৰত বঙলাটোৰ আশে-পাশে অকণমান ফুৰোঁগৈ বুলি ওলাই গ'ল। পৰুৱাই পোৱা মানুহৰ দৰে শাল চেগুনৰ অৰণ্যত সিহঁত ঘূৰি ফুৰিবলৈ ধৰিলে।

জোনাকৰ এটা অপূৰ্ব সুবাস। খৰিকাইজাঁই ফুলৰ দৰে সুবাস। কবিতা লিখা ভাৰ্গৱীয়ে প্ৰথমেই এটা সুবাস পালে। পাহাৰীৰ মুখত গানৰ গুণগুণনি। এনেদৰে সিহঁতে বঙলাটোলৈ আহি ৰাতিৰ ভাতসাঁজ তৃপ্তিৰে খাই বিছনাত বাগৰ দিলে। বিছনাত পৰাৰ লগে লগেই সকলো টোপনি।

ৰাতিপুৱা চৰাইৰ মাততেই সাৰ পালে ভাৰ্গৱী আৰু পাহাৰী। সাৰ পাই বাকী দুইজনীকে জগালে, এই ৰম্যাণী, অনুপমা উঠ উঠ। চোৱাচোন চোৱা খিৰিকীলৈ চোৱা। চিঞৰ-বাখৰ লগালে খিৰিকীত পকা বেলৰ দৰে ডাঙৰকৈ সূৰ্যটো ওলাইছে। বিৰল দৃশ্য। ৰাতিপুৱা সিহঁতে আজৰি-পাজৰি হৈ ব্ৰেকফাষ্ট কৰি ওলাই গ'ল। এনেতে পাহাৰীয়ে ক'লে আজি সকলোকে বেষ্ট ধুনীয়া লাগিছে অ'। অনুপমাই ক'লে পিছে আজি দিনটো কি কৰিবা কোৱা। পাহাৰীয়ে ক'লে মই শুনিছোঁ ওচৰৰ চাওতালী গাঁৱত এখন হাট বহে। ভাৰ্গৱতীয়ে ক'লে হাট মানে বজাৰ নহয় জানো? অ অ হয় বাইদেউ আপুনি জানিছে দেই পাহাৰীয়ে ক'লে। অনুপমা, ৰম্যাণী, পাহাৰী আৰু ভাৰ্গৱী গৈ হাটত উপস্থিত হ'লগৈ। মানুহৰ কথা-বতৰা, খোজ-কাটলৰ শব্দৰে ঠাইখন মুখৰিত হৈ আছে। বনৰীয়া আলু-কচু, শাক-পাচলি, ৰংচঙীয়া মনোহাৰী বস্তু, কাপোৰ, চাহ মিঠাই, হাড়িয়া মহুক, বাঁহ বেতৰ সামগ্ৰী হাটত নাই কি? চাৰিওজনীয়ে চাহ মিঠাইৰ জুতিও ল'লে। এনেদৰে চাৰিজনীয়ে দিনটো ঘূৰি পকি পাৰ কৰি ৰুমলৈ আহি আড্ডাকে মাৰিলে।

পিছদিনা ৰাতিপুৱা গোটেইজনী আকৌ ওলাই গ'ল। পাহাৰী আজি আমি দিনটো ঘূৰিম, ফুৰিম খাম, কথা পাতিম, স্ফুৰ্তি কৰিম। এনেদৰে গৈ গৈ এখন নৈ পালেগৈ। পাহাৰৰ পৰা নৈখন নাচনী ছোৱালীৰ দৰে একা বেঁকা হৈ বৈ আহিছে। নৈৰ পাৰত বিস্তীৰ্ণ শিলনি, বগা চক্‌চকীয়া শিল, ৰ'দৰ পোহৰত বালিচন্দাৰ দৰে জিলিকিছে। কাষৰ গড়াত অচিনাকি বনৰীয়া ফুল। কি যে দৃশ্য উফ্ ৰাম ৰম্যাণীয়ে ক'লে। আমি ইয়াত থাকিয়ে দিওঁ নেকি ন বান্ধৱীহঁত। ভাৰ্গৱীয়ে তপৰাই উত্তৰ দিয়ে— হয় দে মোৰ যে যাবৰে মন যোৱা নাই অ'। পাহাৰীয়ে ক'লে ঐ ম'বাইল ওলা ফটো উঠোঁ স্মৃতি হৈ ৰ'ব। এইফালে ছোৱালী মানুহ ফটো নুঠিলে জানো হ'ব নে কি কোৱা তোমালোকে। অনুপমাই ক'লে কথাটো নোহোৱা নহয় বাৰু হা-হা-হা। তোৰতো আৰু খাওঁতে, বহোঁতে, শোতে খালী ফটো। এতিয়া ইমান ধুনীয়া ঠাইত ফটো নুঠিলে হ'বনে আৰু নে কি কোৱা তোমালোকে? হয় হয়। দে মাৰ ছেলফিকে মাৰ চবেই উঠিম। তাৰ পিছত এজনী এজনী উঠিম দেই। এইবোৰ কৰি থাঁকোতেই বেলি ডুবিবৰে হ'ল। ব'লা আমি উভতি যাওঁ। অনুপমাই ক'লে ৰ'বা আৰু অলপ ৰ'বা ছানছেটত ফটো উঠি যাওঁ ভাল হ'ব, হোৱাট্‌চএপত ডিপি লগাব পাৰিম।

আকৌ ভাৰ্গৱীয়ে ক'লে ৰ'ৱাচোন কথা এটা ভাবিছোঁ মেয়ো। তোমালোকে বা কি কোৱা? কি কি কোৱা আকৌ। মানে মই ভাবিছোঁ আমি কাইলৈ আকৌ ইয়ালৈ আহিম দিয়া। মোৰ ইয়াৰ দৃশ্যবোৰ দেখি ছবি আঁকিব খুউব মন গৈছে। আটাইকেইজনীয়ে ক'লে অহ পাৰি দে। পাহাৰীয়ে ক'লে মইটো এনিটাইম গানেই গাম, তহঁতে কি ক'ৰ কৰিবি, অনুপমাই ক'লে ভালে হ'ব দিয়া মই কবিতাকে লিখিম। আজিয়েই মনৰ কবিতাই উগুল-থুগুল কৰি আছে আৰু ৰম্যাণী তুমি? মইনো কি কৰিম নাচি ভাল পাওঁ, পাহাৰীয়ে গান গাব মই নাচিকে থাকিম আৰু এইবুলি চবেই হাঁহি হাঁহি ৰুমলৈ উভতিলে।

পিছদিনা পুৱা ৯ মান বজাতেই আকৌ সেইখিনি ঠাই পালেগৈ আৰু সকলোৱে নিজৰ নিজৰ কামত ব্যস্ত। আবেলি হ'ল, যাবৰে হ'ল পাহাৰী আৰু অনুপমাই ক'লে। ৪ মান বজাত আবেলি সিহঁত বঙলাৰ ৰুম পালেহি। আহি আটাইকেইজনীয়ে ফ্ৰেচ হৈ এনেয়ে বহি কথা পাতি থাঁকোতেই বঙলাটোৰ চকীদাৰজন আহি দুৱাৰত টক্ টক্‌াই আছিল। পাহাৰী যোৱাত চকীদাৰজনে ক'লে ভণ্টিহঁত আহিলা ? অনুপমাই ক'লে হয় আহিলোঁ দাদা। তেতিয়া তেওঁ ক'লে আজি ৰাতি ৮ মান বজাৰ পৰা অনুষ্ঠান এটা আছে। চাৰিওজনী যাবা দেই। পাহাৰীয়ে ক'লে হয় নেকি দাদা? হ'ব দিয়ক যাম আমি। পাহাৰীয়ে পিছত সিহঁতক ক'লে ঐঐ আমি অনুষ্ঠানটোত আমাৰ আপোন সাজ এযোৰ এযোৰ পিন্ধি যাওঁ নে কি ক, ৰম্যাণীয়ে ক'লে অকে অকে, ভাল লাগিল। গোটেইকেইজনী চাদৰ মেখেলা এযোৰ এযোৰ পিন্ধি ওলাই গ'ল। ল'ৰাবোৰে, অন্য মানুহবোৰে সিহঁতক অচিনাকী দেখি ঘূৰি ঘূৰি চাইছে। পাহাৰীয়ে ক'লে ঐ চাচোন ল'ৰাবোৰে আমাক কেনেকৈ চাইছে, ৰম্যাণীয়ে ক'লৈ— 'চাবই আকৌ ইমান ধুনীয়া আমি' বুলি কৈ হাঁহি দিলে। নৃত্য-গানেৰে অনুষ্ঠানটি শেষ পৰ্যায় পালেগৈ। সিহঁতো ৰুমলৈ আহিল।

এইকেইটা দিন কেনেকৈ পাৰ হ'ল গমকে নাপালোঁ অনুপমাই ক'লে। উলটি যোৱাৰ সময় পালেহি। পিছদিনা ১১ বজাত সিহঁতে নিজৰ ঠাইলৈ বুলি ৰাওনা হ'ল। এইবাৰ আকৌ গাড়ীখন ৰম্যাণীয়ে চলাইছে। মনত অলপ বেজাৰ লাগিছিল যদিও সিহঁতে সুমধুৰ স্মৃতিবোৰ লৈ প্ৰাণখোলা হাঁহি মুখত লৈ সজাইলৈ উভতিল।

*লেখিকা ঃ স্নাতক ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ*



# সন্ধ্যা

ৰীমা বিশ্বাস

স্থান- ৰাজুৰ চাহ দোকান। ৰাজু আৰু এজন গ্ৰাহকৰ মাজত কথোপকথন।

— সেইযে মানুহজন দেখিছে, বৰ ভাগ্যবান বুজিছে। তেওঁৰ পত্নীৰ কথা তেওঁ মোক প্ৰায়ে কয়। দুয়োৰে মাজত বৰ মিলাপ্ৰীতি, মৰম-চেনেহ। দুয়ো ভাল পায় বিয়া হৈছিল। তেওঁৰ কথাবিলাক শুনিলেই মনটো ভাল লাগি যায়।

— সঁচায়ে বৰ ভাগ্যবান। পাছে তুমিনো তেওঁৰ বিষয়ে ইমান কেনেকৈ জানিলা?

— দুমাহ হ'ল তেওঁ মোৰ দোকানলৈ আহি থাকা। আগতে বৰ চিগাৰেট খাইছিল। মোৰ দোকানত প্ৰায় আধাঘণ্টা বহিছিল। আহি মাথো চাহ আৰু লগত চিগাৰেট খাইছিল। দেখি মই আচৰিত হৈছিলোঁ, কিন্তু মইনো কি ক'ম, বেপাৰী মানুহ। কিন্তু বহুদিন তেনেদৰেই দেখাত এদিন তেওঁক ক'লো দাদা ইমান চিগাৰেট কিয় খায় বুলি। তেওঁ মাথো মোৰ ফালে চালে আৰু একো নকৈ গুছি গ'ল। তেওঁ পিছদিনা আকৌ আহি মোৰ পৰা চাহ কিনিলে। কিন্তু আচৰিত কথা চিগাৰেট নিকিনিলে। সেইদিনা তেওঁ নিজৰ পত্নীৰ কথা মোৰ আগত ক'লে। বহু কথাই কৈছিল সেইদিনা। পাছদিনাও তেওঁ আকৌ আহি তেনেদৰেই মাথো চাহ খুজিলে। মই আচৰিত হৈ তেওঁক সেইদিনা সুধিলো চিগাৰেট এৰিলে নেকি বুলি। তেওঁ ক'লে এই চিগাৰেটৰ কাৰণে পত্নীৰ গালি বহুদিনৰ পৰাই খাই আছিল, বিয়াৰ আগৰ পৰাই। সেয়ে বাদ দিছো চিগাৰেট সেৱন। তেনেদৰেই তেওঁলোকৰ কথাবিলাক কয় মোৰ আগত। মোৰো ভাল লাগে তেওঁৰ কথাবিলাক শুনি, কেতিয়াবা অৱশ্যে বিৰক্তি লাগে, কিন্তু মই তেওঁক বাধা নিদিওঁ। মাথো শুনি যাওঁ তেওঁৰ কথা। আজিৰ দিনতো এনে প্ৰেম সম্ভৱ, ভাবিয়ে ভাল লাগে। আজি তেওঁৰ পত্নীৰ জন্মদিন। সেয়ে দামী শাৰী এখন লৈ গৈছে উপহাৰ দিবলৈ। মোক দেখুৱাইছিল। সেয়ে আন দিনাতকৈ সোনকালেই গ'ল আজি।

— .........., এইবিলাক মানুহেইতো পৃথিৱীখন এতিয়াও ধুনীয়া কৰি ৰাখিছে। হ'ব দিয়া চাহ একাপ বনোৱা।

তেনেতে বহুপৰ তেওঁলোকৰ কথা শুনি থকা কাষৰে ধোবীৰ দোকানখনৰ ল'ৰাটোৱে মাত লগালে—

— এইবিলাক আপোনাক কৈছে নেকি মানুহজনে? কিন্তু মই জনাত তেওঁৰ পত্নীৰ তিনিমাহ আগতেই এক্সিডেণ্ট এটাত মৃত্যু হৈছিল। আগতে প্ৰায়ে তেওঁৰ পত্নীয়ে আমাৰ দোকানত কাপোৰ দিবলৈ আহিছিল। মই তেওঁৰ ঘৰত কাপোৰ দিবলৈ প্ৰায়ে গৈছিলোঁ।

বেলিটো লাহে লাহে পশ্চিম আকাশত ডুবিবলৈ ধৰিছিল, সন্ধ্যা নামি আহিছিল আৰু ৰাজু... তাৰ চকু তেতিয়া সেই মানুহজন যোৱা পথটোৰ পিনে...

লেখিকা ঃ *স্নাতক চতুৰ্থ যাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*

# জীৱনৰ প্ৰেৰণা

ডিম্পী শৰ্মা

স্কুলৰ পৰা আহিয়ে অতি দুখ মনেৰে কুঁহিয়ে কোঠাৰ ভিতৰলৈ সোমাই গৈ বিচনাখনত শুই পৰিল। স্কুলত অনুষ্ঠিত হোৱা বাৰ্ষিক খেল-ধেমালিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰিব নোৱাৰাৰ বাবে আজি তাইৰ মনটো বৰ বেয়া। সেয়েহে, তাই স্কুলৰ পৰা আহিয়ে বিচনাত উঠিলেগৈ।

কুঁহি, ৰাণু আৰু প্ৰশান্তৰ একমাত্ৰ ছোৱালী। তাইৰ বয়স প্ৰায় ১১-১২ বছৰমান হ'ব। মাক-দেউতাকৰ, বিশেষকৈ মাকৰ তাই বৰ মৰমৰ। সেয়েহে এনেদৰে বেজাৰ মনে বিচনাত পৰি থকা দেখি ৰাণুৱে কুঁহিক সুধিলে, কি হৈছে মাজনী? কোৱাচোন মোক। এনেদৰে থাকিব নাপায় নহয়। তেতিয়া কুঁহিয়ে মাকৰ বুকুত সোমাই কান্দি কান্দি সকলো কথা ক'লে। কথাবোৰ শুনি ৰাণুৱে কুঁহিক মৰমেৰে ক'লে— পুৰস্কাৰ পোৱাটো ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল তুমি কাম এটা কৰিবলৈ কৰা প্ৰচেষ্টাটোহে। গতিকে, দুখ নকৰিবা সদায় চেষ্টা কৰি গৈ থাকা এদিন সফল হ'বাই হ'বা। মাকৰ বুজনিত কুঁহিয়ে কন্দা-কটা কৰিবলৈ এৰিলে আৰু নিজৰ কামবোৰ একান্তমনে কৰিবলৈ ল'লে।

কেইদিনমানৰ পাছত ৰাণুৱে কুঁহিক ওচৰৰে এখন আৰ্টস্কুলত নাম লগাই দিলে। ৰাণুৱে সদায় কুঁহিক নতুন নতুন ছবি আঁকিবলৈ আৰু বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ প্ৰেৰণা যোগায়। তাইৰ সকলো কামতেই সহায় আৰু উৎসাহ প্ৰদান কৰে। সময়ত সজ উপদেশ দি উচিত পথ দেখুৱাই দিয়ে। মুঠতে কুঁহিৰ প্ৰতিটো কাম আৰু কথাতেই ৰাণুৱে সদায় উদ্‌গণি যোগায়।

এনেদৰেই বহুদিন অতিবাহিত হোৱাৰ পিছত লাহে লাহে কুঁহিৰ কামবোৰৰ প্ৰতি আগ্ৰহ কমি আহিল। কোনো কামেই যেন তাই মনোযোগেৰে নকৰে। পঢ়া-শুনাৰ প্ৰতি তাইৰ অৱহেলা উপজিছিল, যেন কৰিব লাগে কাৰণেহে কৰে। আনহে নালাগে তাইৰ আটাইতকৈ ভাল লগা কাম ছবি অঁকাটোও তাই বাদ দিলে আৰু আৰ্টস্কুললৈ যাবলৈও বাদ দিলে। কুঁহিৰ এনে ব্যৱহাৰ দেখি ৰাণুৱে বৰ দুখ পাইছিল। বহুত চেষ্টা কৰিও, বহুত বুজনি দিয়াৰ পিছতো তাই নিজৰ কথাতেই অটল হৈ থাকিল। সেয়েহে ৰাণুৱেও কুঁহিক একেবাৰেই নোকোৱা হ'ল। কোনো কথাতেই জোৰ নিদিয়া হ'ল। এতিয়া ৰাণুৱে কুঁহিৰ কথাত কেৱল হা-না হে কৈ যায়।

কিন্তু, মাকৰ এই নিৰৱতা কুঁহিৰ বাবে যেন এক কঠোৰ শাস্তিত পৰিণত হ'ল। যি মাকে তাইৰ প্ৰতিটো কথাতেই সাহস যোগাইছিল, প্ৰতিটো কামতেই উৎসাহ প্ৰদান কৰিছিল। কেতিয়াবা মৰমেৰে বুজনি দি আৰু কেতিয়াবা খঙেৰে তাইক শুদ্ধ পথৰ সন্ধান দিছিল; সেই মাকৰ এই নিস্তব্ধ ব্যৱহাৰে তাইৰ মনটো বাৰুকৈয়ে প্ৰভাৱ পেলালে। বয়সৰ অস্থিৰতাৰ বাবে যদিও প্ৰথমে তাই মাকৰ কথাবোৰ বুজিব পৰা নাছিল, তথাপিও তাইৰ কৰ্মৰ বাবে যে মাকে মনত বহুত দুখ পাইছিল সেই কথা তাই মৰ্মে মৰ্মে উপলব্ধি কৰিলে। তাই নিশ্চয় কৰিলে যে সেই সকলো কৰিব যিবোৰ তাই কৰাটো মাকে বিচাৰে। এইদৰে নিশ্চয় কৰি তাই মনোযোগেৰে পঢ়া-শুনা কৰিব ধৰিলে আৰু পুনৰ সুন্দৰকৈ ছবি আঁকিবলৈ আৰম্ভ কৰিলে।

কুঁহিৰ এই সিদ্ধান্তত যেন ৰাণুৰ অন্তৰখন আনন্দেৰে ভৰি পৰিল। এতিয়া ৰাণুৱে পুনৰ আগৰ দৰেই কুঁহিক তাইৰ কামত আগবাঢ়ি যাবলৈ সহায় আৰু উৎসাহ যোগবলৈ ধৰিলে। মাকৰ পৰা আগৰ দৰেই সহযোগিতা লাভ কৰি কুঁহিৰ মনটোও মুকলি হৈ পৰিল। যেন এটি গধুৰ বোজাহে মনৰ পৰা আঁতৰি গ'ল। এতিয়া তাই আগতকৈও দুগুণ উৎসাহেৰে নিজৰ কামবোৰ কৰিবলৈ ল'লে আৰু আচৰিতভাৱে প্ৰতিটো কামতেই সফলতাও লাভ কৰিবলৈ ধৰিলে।

এতিয়া কুঁহিয়ে লাহে লাহে বুজি উঠিলে যে মাকৰ এই সহযোগিতাই তাইৰ সফলতাৰ প্ৰকৃত শক্তি। তাইৰ জীৱনৰ প্ৰেৰণা। যিয়ে তাইক নিজৰ লক্ষ্যৰ প্ৰতি আগুৱাই যোৱাত সাহস যোগায়।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ*



# কষ্টৰ ফল মিঠা

**হিমাদ্ৰী বৰা**

স্নেহাৰ দেউতাক এজন খেতিয়ক লোক। যেনেতেনে নিজৰ পৰিয়ালটোক পোহপাল দিছে। কেতিয়াবা আনৰ ঘৰত হাজিৰা কামো কৰিছিল মাত্ৰ নিজৰ সৰু পৰিয়ালটোৰ বাবে। ইফালে জীয়েকৰ পঢ়া-শুনাৰ আহিলাবোৰো ভালদৰে কেতিয়াবা যোগান ধৰিব নোৱাৰা হয়। তথাপিও তাইৰ ভৱিষ্যতৰ বাবে দেউতাক-মাকে কষ্ট কৰিছিল। দেউতাকে তাইৰ মুখলৈ চাই বুজাইছিল— অ' মাজনী...

মাজনী ঃ কোৱা দেউতা।

দেউতা ঃ তই ভালকৈ পঢ়া-শুনা কৰ। ভাল মানুহৰূপে নিজকে গঢ়িবলৈ চেষ্টা কৰ।

মাজনী ঃ হ'ব দেউতা মই ভালদৰে পঢ়িছো আৰু আগলৈকো পঢ়িম। তোমালোকৰ কষ্টৰ ফলটোতো ময়ে দিব লাগিব নহয়নে?

দেউতা ঃ তই বহুত বুজি পাৱ অ' মাজনী। (হুক্ হুকাই উঠিল)।

মাজনী ঃ দেউতা নাকান্দিবা মই ভাল হ'ম।

দিনবোৰ বাগৰি গৈ থাকিল স্নেহাও পঢ়াৰ প্ৰতি ধাউতি বাঢ়িল। উচ্চতৰ মাধ্যমিক শিক্ষাৰ পৰীক্ষাও ওচৰ চাপিল আৰু পৰীক্ষাসমূহ আৰম্ভ হ'ল। স্নেহাই পৰীক্ষাসমূহ ভালদৰে দিলে আৰু নিৰ্দিষ্ট দিনত তাইৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ল। তাই 'ষ্টাৰ মাৰ্ক'সহ চাৰিটা বিষয়ত লেটাৰ মাৰ্ক পালে। পঢ়াৰ লগতে স্নেহাই অসম আৰক্ষীৰ ইণ্টাৰভিউৰ বাবে নিজকে সাজু কৰালে। বহুতো কষ্ট কৰিছিল স্নেহাই। ৰাতিপুৱা আৰু বেলি অস্ত যোৱাৰ আগে আগে দৌৰাৰ আৰম্ভ কৰিলে। এটা নিৰ্দিষ্ট দিনত অসম আৰক্ষীৰ ইণ্টাৰভিউ অনুষ্ঠিত হ'ল আৰু স্নেহা অসম আৰক্ষীত সুফল লাভ কৰিলে। বহুতো কষ্টৰ ফলত ঘৰখনত সুখেৰে নদন-বদন হ'ল।

লেখিকা ঃ *স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ*

# এখন খিৰিকী

**ৰিয়া ৰয়**



নিজৰ কোঠাত খিৰিকী এখন ৰখাৰ সপোন সকলোৰে থাকে। নিৰ্দিষ্ট সময়ত পোহৰ সোমাব পৰাকৈ আৰু মন গ'লেই খিৰিকী বন্ধ কৰি দিয়া, শাওণৰ সেই বৰষুণজাক অনুভৱ কৰা, শীতৰ সেমেকা ৰাতি নীলিম আকাশৰ শুভ্ৰ ডাৱৰৰ সৈতে লুকা-ভাকু খেলা, জোনবাইটো চোৱা যেন নীলাৰ নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হ'ল। সঁচাই তাই এখন খিৰিকীৰ প্ৰেমত বন্দী হ'ল। সেই খিৰিকীৰে তাই বহু দূৰ চাই পঠিয়াই আৰু অনুভৱ কৰে এৰি অহা বহু স্মৃতি। কেতিয়াবা সেউজীয়াবোৰত বহি নিজানত ফুলা ফুলবোৰৰ লগত কথা পাতে তাই। কেতিয়াবা যেন খিৰিকীৰ কাষত বহি সকলোবিলাক পিছুৱাই যেন নিজেই আগুৱাই যোৱাৰ আনন্দত মত্ত হৈ পৰে। কিন্তু পলকৰ বাবে হ'লেও তাই থমকি ৰয়; কাৰণ তায়ো জানে যে এয়াইতো নহয় জীৱন। উশাহ ঘূৰি নহা তাইৰ কোঠাটোত গ্ৰীষ্ম আৰু শীতৰ ছেদ-ভেদ নোহোৱাকৈ খিৰিকী সদায় খোলা থাকে। কেতিয়াবা দোভাগ ৰাতি কাৰোবাৰ অদ্ভুত ক্ৰন্দনত শুনা পায় তাই কিন্তু কোনো সাৰ-সুৰ নোহোৱাকৈ আকৌ শুই পৰে। কিমান আৰু নিজক কষ্ট দিব তাই, শৈশৱ পাৰ কৰিছিল বহু কষ্টেৰে, নাড়ী ছিগা কৈশোৰ কালো পাৰ হ'ল। কেতিয়াবা আকৌ এনে লাগে বিশ্বাস আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত হোৱা তাইজনী যেন সকলোবিলাকেই হত্যা কৰি গ'ল। সকলো মুক্তপথৰ পৰা তাই বন্দী হৈ পৰিল আৰু এতিয়া তাইৰ কাৰণে যেন সেই খিৰিকীখনেই যেন সকলো দুখ-সুখৰ সমভাগী, যাৰ কোনো বিকল্প নাই।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*



# বিয়লিৰ বেদনা

**ৰিকুমণি ভট্টাচাৰ্য**

অকণমানি শোৱা কোঠাটোত গৰমত ছট্‌ফটাই ছট্‌ফটাই ৰোহিণী বৰুৱা বিচনাত বাগৰি আছে। কোঠাটোত বা-বতাহ সোমাবলৈ ঠাই নাই বুলি ক'লেও মিছা কোৱা নহ'ব। ফেনখনৰো জৰাজীৰ্ণ অৱস্থা। এসময়ত ৰোহিণী বৰুৱা আছিল শিক্ষয়িত্ৰী। অজস্ৰ শিশুক ভাল মানুহ হ'বলৈ পৰামৰ্শ দিয়া ৰোহিণী বৰুৱাই নিজৰ সন্তানকহে ভাল মানুহ কৰিব নোৱাৰিলে। মাজে মাজে তেওঁৰ দুচকু সেমেকি উঠে; সিহঁতক শিক্ষা দিয়াত তেওঁৰ কোনখিনিত ভুল হ'ল বুলি।

তেওঁৰ ল'ৰা দুজন। ডাঙৰজন ব্যৱসায়ী, সৰুজন আকৌ মাকৰ পেঞ্চনৰ টকাৰ ওপৰতে নিৰ্ভৰশীল। অকল সৰুজন বুলি ক'লে ভুল কোৱা হ'ব। ডাঙৰজনৰ ব্যৱসায়ত উন্নতি বুলিবলৈ নাই, দিনে দিনে বেয়াৰ ফালেহে গৈছে। সিও মাকৰ পেঞ্চনৰ ওপৰতে নিৰ্ভৰশীল। মাকৰ টকাৰেই ঘৰখন চলে।

সৰুজন পুতেকে হাতত চেকবহীখন লৈ কোঠাটোৰ ভিতৰলৈ সোমাই আহিল।

ঃ মা শুলাই নেকি?

ঃ নাই অ', বাগৰিহে আছোঁ। ইমান গৰম পৰিছে টোপনিয়ে নহা হৈছে।

ঃ হেৰি নহয় তোমাৰ চহী ল'বলৈ আহিছোঁ। কাইলৈ বেংকলৈ গৈ তোমাৰ পেঞ্চনৰ টকাকেইটা উঠাব লাগিব।

ঃ অহ্‌! শুনচোন এইবাৰ পাৰিলে মোলৈ ফেন এখন আনিবিচোন। বৰ গৰম পৰিছে, কোঠাটোত

থাকিব নোৱাৰি।

ঃ কি? ফেন কিনি অবাবত টকাকেইটা খৰচ কৰিব নোৱাৰোঁ দেই।

ঃ ফেনখন জানো অবাবত কিনিবলৈ কৈছোঁ? এইখনলৈ চাচোন, কিমান দিন ধৰি নচলা হৈ আছে।

ঃ ফেন নাই চলা যদি বিচনীৰে বা লোৱা। মই এতিয়া এইবোৰ কিনিব নোৱাৰোঁ। মোক যে বাইক এখনৰ প্ৰয়োজন হৈ আছে সেইবোৰলৈ কাণযাৰ নাই, ফেনহে লাগে।

এইবুলি কৈ সি কোঠাটোৰ পৰা ওলাই গ'ল। মাকে কোঠাটোৰ বেৰত ওলমি ৰোৱা দেউতাকৰ ফটোখনলৈ চাই ৰ'ল।

দিনবোৰ যাবলৈ ধৰিছে। মানুহজনীৰ দেহাও পৰি আহিছে, অনেক বেমাৰে আৱৰি ধৰিছে। পুতেকহঁতৰ সেইবোৰলৈ কাণযাৰ নাই, কেৱল মাকৰ পেঞ্চনৰ টকা বেংকৰ পৰা উলিয়াইছে আৰু উপভোগ কৰিছে।

ৰাতিপুৱাৰ পৰা মাকক বুকুৰ বিষটোৱে বৰ বেয়াকৈ ধৰিছে। ঔষধটোও শেষ হ'ল। সৰু পুতেকক কৈ কৈ অনাব পৰা নাই। ডাঙৰজনে আকৌ নোসোধেও একো, কেৱল চেকৰ চহীটোৰ সময়তহে দৌৰি আহে।

দুপৰীয়ালৈ বুকুৰ বিষটো অলপ ভালপোৱাত আগফালৰ বাৰাণ্ডাখনতে তেওঁ বহিছে। তেনেকুৱাতে ডাঙৰ ল'ৰা আৰু বোৱাৰী সাজি-কাচি ওলাই আহিছে—

ঃ তহঁত ক'ৰবালৈ যাব নেকি?

ঃ এওঁলোকৰ ঘৰৰ পৰা আহোঁগৈ, দেউতাকৰ গাটো অলপ বেয়া, তাকে খবৰ এটা লৈ আহোঁগৈ।

ঃ কি হৈছেনো বিয়েৰ?

ঃ অলপ জ্বৰ।

ঃ অহ্। (মনতে কিবা এটা ভাবে তেওঁ)

ঃ আমি আহোঁ।

ঃ শুনচোন ডাঙৰ পোনা, মোৰ বুকুৰ বিষৰ ঔষধটো শেষ হ'ল। পাৰিলে লৈ আহিবিচোন। সৰুক ইমানকৈ কৈ আছো, তাৰ বোলে সময় মিলা নাই।

ঃ আপুনিও যে মা... আমি ক'ৰবালৈ ওলালেই আপোনাৰ কিবা নহয় কিবা থাকেই। একো নহয় দিয়ক এদিন নাখালে। আৰু এওঁৰ টকা-পইচালৈ অলপ চাব, জানেইচোন এনেই দিন বেয়া চলিছে আমাৰ।—বোৱাৰীয়েকে ক'লে।

ঃ কালি ডাঙৰ পোনাই দেখোন মোৰ একাউন্টৰ পৰা টকা উলিয়াইছিল। সেইবাবেহে কৈছিলোঁ।

ঃ অ', আপুনি আজিকালি সেয়াও হিচাপ ৰাখে। নাপায় মা, আনে ল'ৰা-ছোৱালীক দিয়েহে, আৰু আপুনি...

ঃ হয় দে মা। এওঁ ঠিকেই কৈছে। নাপায় দেই।— পুতেকেও ঘৈণীয়েকৰ কথাত যোগ দিয়ে।

ঃ ব'লা ব'লা, ইয়াত এনেকৈ থাকিলে আমাৰ ঘৰ গৈ পোৱা দেৰিয়েই হ'বগৈ।— শাহুৱেকলৈ কেৰাহিকৈ চাই বোৱাৰীয়েকে ক'লে— আপোনালৈ ভাত বনাই থৈছোঁ। ...শান্তিত ক'লৈকো যাব নোৱাৰি মানে এইবোৰৰ পৰা... — কথাষাৰ বোৱাৰীয়েকে সৰুকৈ কৈছিল যদিও তেওঁ স্পষ্টকৈ শুনিছে

এইবুলি কৈ দুয়ো গ'লগৈ। সিহঁত যোৱাৰ ফালে মাকে চাই ৰ'ল। ইমান যে কথা কৈ গ'ল বোৱাৰীয়েকে, তেওঁক প্ৰতিটো কথাই আঘাত কৰিছে। থৰক্-বৰক্ খোজেৰে তেওঁ পাকঘৰৰ ফালে আগবাঢ়িল। তালৈ আহি ঢাকনিবোৰ দাঙি চাই দেখে কেৱল ভাতকেইটাহে আছে। লগত খাবলৈও একো নাই। আনদিনা হোৱা হয় তেওঁ নিমখ অলপ লৈয়ে খালে হয়, পিছে আজি তেওঁৰ ভোক নাই। পুতেক-বোৱাৰীয়েকৰ কথাৰেই পেট ভৰিল। তেওঁ নিজৰ কোঠালৈ গ'ল। বুকুৰ বিষটোৱে আকৌ ধৰিছে। বিছনাখনত মূৰটো পেলাই বেৰত ওলমি ৰোৱা তেওঁৰ স্বামীৰ হাঁহি থকা ফটোখনলৈ চাই চকুলো বোৱাই কৈ গ'ল...

"আপুনি আজিও হাঁহি আছে ন! আজি জানে ডাঙৰ পোনাহঁত বোৱাৰীৰ দেউতাকৰ খবৰ ল'বলৈ গৈছে। জ্বৰ হেনো বিয়েৰ। পিছে সিহঁতৰ মাকজনীৰ খবৰ ল'বলৈহে সময় নাই। মই ঔষধ নাখালেও হ'ব। মইতো ল'ৰা-ছোৱালীক টকা-পইচা একো নিদিলোৱে, কেৱল হিচাপহে ৰাখিবলৈ শিকিলোঁ।... বোৱাৰীয়ে ঠিকেই কৈছে বুজিছে, মই ঔষধ নাখালেও হ'ব, তেতিয়াহে আপোনাৰ কাষলৈ সোনকালে যাব পাৰিম! মুক্তি লাগে অ' মোক, সিহঁতৰ বোজা হৈ নাথাকোঁ আৰু। ভগৱানে হাত-ভৰি দিছে যেতিয়া মোৰ অবিহনেও খাব পাৰিব দিয়ক সিহঁতে। এনেয়ে মই কেৱল চেকত চহীটো দিবলৈহে আছোঁ। তাৰ বাদেনো মোৰ কাম কি!! সিহঁত ভালে থাকক...সি...হঁত...ভা....লে...."

তেওঁৰ মাতটো লাহে লাহে সৰু হৈ আহিল, উশাহবোৰো দীঘল হৈ আহিল, ভাঁজ খাই থকা হাতখন এসময়ত অলস হৈ পৰি ৰ'ল।

তেওঁ আজি শুইছে, গভীৰ নিদ্ৰাত। তেওঁ আজি মুক্তি পালে, এতিয়া মাহৰ মূৰত পেঞ্চনৰ টকাকেইটা হাতত নপৰিলেহে যদি সিহঁতে উপলব্ধি কৰিব পাৰে জীয়াই থাকোঁতে মাকক কৰা অবহেলা আৰু নিজে অবাবত কৰা উপভোগৰ কথা।

*লেখিকা ঃ স্নাতক ষষ্ঠ যাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ*



# হত্যাকাৰী

**কমলিকা বৰা**

দেওবাৰ কলেজ নাই। ঘৰৰ কামখিনি শেষ কৰি মায়া বিছনাখনতে পৰি কিবা-কিবি ভাবি আছিল। সৰুকালতে মাতৃহাৰা হোৱা ছোৱালীজনীয়ে বেছি সময় আমন-জিমনকৈয়ে থাকে। অনবৰতে মুখখনত এটি শোকৰ ছাঁ আৰু দুচকুত প্ৰতিশোধৰ ভাব। কিয়নো ১৭ বছৰ আগতে ঘটি যোৱা তাইৰ মাতৃহত্যা ঘটনাটো তাইৰ জল্‌জল্-পট্‌পট্‌কৈ মনৰ মাজত আছে আৰু নিজানত অকলশৰে থাকিলেই তাইৰ চকুৰ আগত মাকৰ কাটি টুকুৰা-টুকুৰ কৰা মৃতদেহটো ভাঁহি থাকে। সাত বছৰতেই মাকক হেৰুৱাই তাই কিমান দুখ-কষ্টৰে আগুৱাই গৈছে। আশা মাথোঁ এটাই! মাতৃহত্যাৰ প্ৰতিশোধ ল'ব। কিন্তু কেনেকৈ সেয়াও তাই নাজানে। কেৱল অপেক্ষা কৰি গৈছে উপযুক্ত সময়লৈ।

অলপ সময় বিছনাত বাগৰি মাকৰ কথাবোৰ মনত পেলাই থাকোতেই তাইৰ ম'বাইলটো বাজি উঠিল। তাইৰ বয়ফ্ৰেণ্ড ৰাহুলৰ ফোন। ৰিছিভ কৰি ক'লে—

ঃ অ' কোৱা।

ঃ তুমি কাইলৈ কলেজলৈ যোৱাৰ আগত মোক এবাৰ লগ কৰিবাচোন।

ঃ অ'কে চিয়'ৰ, কিবা দৰকাৰী কথা আছিল নেকি বাৰু?

ঃ উম্, তেনেকুৱাই। পাৰিলে অলপ সোনকালে আহিবা।

ঃ ঠিক আছে।

তাৰ পিছত অলপ সময় ইটো-সিটো কথা পাতি ফোনটো থ'লে।

পিছদিনা ৰাতিপুৱা সোনকালে উঠি কলেজলৈ যাবলৈ সাজু হ'ল। আনদিনাৰ দৰে গা-পা ধুই গোসাঁইঘৰৰ পৰা আহি মাকৰ ফটোখনত এটা প্ৰণাম জনাই ল'লে। তাৰ পাছত ছুৰীখন লগত লৈ ওলাই গ'ল। মায়াই সদায় নিজৰ লগত অনবৰতে এখন ছুৰী ৰাখিছিল এইকাৰণেই যে সাত বছৰ বয়সতেই তাই মাকৰ যি ঘটনা ঘটিছিল, সেয়া যাতে পুনৰ নহয়।

এনেদৰে ওলাই গৈ এঠাইত ৰাহুলক লগ পালে আৰু সি ক'লে— "ডাঙৰ কথা আছে, গতিকে ইয়াত নহয়, আন এঠাইলৈ গৈ আমি কথা পাতোঁ ব'লা।" তায়ো তাকেই সন্মতি দি তাৰ লগত গ'ল। অলপ গৈ ৰাহুলে তাইক এটা পাঁচমহলীয়া ঘৰৰ পিছফালে থকা অন্ধকাৰ আৰু মকৰাজালে আৱৰি থকা কোঠালৈ এটালৈ লৈ গ'ল। কোঠালিটো তাইৰ কিবা মৰিশালি যেন লাগিছিল। ভীষণ অস্বস্তি অনুভৱ কৰি তাই ৰাহুলক ক'লে—

ঃ কি ঠাইলৈ লৈ আহিছা মোক কথা পাতিবৰ কাৰণে? মোৰ হ'লে অলপো ভাল লগা নাই, সোনকালে ব'লা ইয়াৰ পৰা।

ঃ আৰে ৰ'বা। তোমাক ঘূৰি যাবৰ বাবে ইয়ালৈ অনা নাই নহয়। Wait... আৰু কোনোবা আহি আছে।

ঃ কি কৰিবা তুমি? আৰু কোন আহি আছে?

নিৰ্জন পৰিৱেশটো একেবাৰে ভয়ংকৰ আছিল যদিও মায়াই ভয় কৰা নাই, কিয়নো তাই বহুত সাহসী। সৰুতে মাতৃহাৰা হৈ তাই নিজেই সাহসী হ'বলৈ শিকিলে।

এনেতে নিৰ্জনতাৰ মাজত কাৰোবাৰ খোজৰ শব্দ পাই তাই ঘূৰি চালে। দুৱাৰখনৰ সন্মুখত চিনাকি চিনাকি লগা চাৰিজন মানুহ। মানুহকেইজনৰ মুখকেইখন ভালদৰে নিৰীক্ষণ কৰি কিবা মনত চেষ্টা কৰাত তাই চকুত ১৭ বছৰ আগৰ সকলো দৃশ্য ভাহি উঠিল। মনত পৰিল তাইৰ যে সেইকেইজন আন কোনো নহয়, তাইৰ মাকৰ নিৰ্মম হত্যাকাৰী। লগে লগে তাইৰ মনত প্ৰতিশোধৰ জুইকুৰা দপ্‌দপাই জ্বলি উঠিল। মনত ভাহি আহিল সেই সন্ধিয়াটিৰ কথা। কেনেদৰে তাইৰ চকুৰ আগতেই মাকক মাৰি পেলাইছিল। দেউতাকক বেমাৰৰ পৰা বচাবৰ বাবে সাতবছৰীয়া মায়াৰ সৈতে টকা লৈ আহি থাকোঁতে কেইজনমান দয়া-মৰমহীন অতি নিকৃষ্ট মানুহৰ হাতত হত্যাৰ বলি হৈছিল তাইৰ মাক। মৃত্যুৰ আগমুহূৰ্তলৈকে মাকে চিঞৰি চিঞৰি তাইক কৈ গৈছিল— "মাজনী তই ইয়াৰ প্ৰতিশোধ ল'বই লাগিব আৰু এনে হত্যাকাৰীবোৰক দমন কৰিব লাগিব।" এই কথাষাৰ আজিও মায়াৰ কাণত বাজি আছে। ইমান দিনে লুকাই ফুৰা সেই হত্যাকাৰী আজি তাইৰ চকুৰ সন্মুখত।

তাই ভয় খোৱাৰ দৰে চিঞৰি দিলে...

ঃ কোন তহঁত?

ৰাহুলে হাঁহি এটা মাৰি ক'লে—

ঃ তোৰ মায়েৰৰ হত্যাকাৰী। আৰু আজি ইয়াতে তোকো খটম কৰি তোৰ হত্যাকাৰী হ'ম।

এনেদৰে কৈ সি তাইৰ ফালে আগুৱাই আহিল। মায়াৰ মন গৈছিল তেতিয়াই যেন সিহঁতক মাৰি পেলাব। তাই লাহেকৈ ছুৰীখন উলিয়াই ক'লে—

ঃ আৰু এখোজো আগবাঢ়ি নাহিবি। মোৰ লগত প্ৰেমৰ অভিনয় কৰি ভাল কৰিলি, তোৰ এই দানৱৰূপী মুখাখন বেছিদিন নাথাকিল।

ঃ Hands up...

লগে লগে এছ আই দেৱজিত বৰাৰ সৈতে চাৰিজন কনিষ্টবল সোমাই আহিল আৰু আটাইকেইজন হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিলে।

আচলতে মায়াই যোৱা সাত বছৰ আগতেই গম পাইছিল ভদ্ৰ, সৰল মুখাখনিৰ আঁৰত থকা ৰাহুলৰ প্ৰকৃত স্বৰূপ আৰু সেয়ে তাই ৰাহুলৰ লগত প্ৰেমৰ অভিনয় কৰি তাৰ বিষয়ে প্ৰায় সকলো তথ্য জানিব পাৰিছিল, আনকি তাইৰ মাকক হত্যা কৰা খলনায়কজন বুলিও। কিন্তু সকলো জানিও তাই মনে মনে আছিল আৰু তাৰ দৰে তায়ো প্ৰেমৰ অভিনয় কৰি গৈছিল একমাত্ৰ উপযুক্ত সময়ৰ অপেক্ষাত। সেয়ে সেইদিনা যেতিয়া তাইক ৰাহুলে ডাঙৰ কথা আছে বুলি লগ কৰিব কৈছিল তাই সকলো কথা খুৰাকৰ লগত আলোচনা কৰি পুলিচৰ সহায় বিচাৰিছিল।

পিছদিনা তাইৰ কথামতে যথা সময়ত পুলিচ আহি সিহঁতক অনুসৰণ কৰিছিল আৰু মনে মনে সেই অন্ধকাৰ কমটোৰ কাষত ৰৈ সকলো চাই আছিল।

এনেদৰে উপযুক্ত প্ৰমাণ সহকাৰে তাইৰ মাকৰ হত্যাকাৰী পুলিচৰ হাতত পৰিল আৰু তাইৰ সমগ্ৰ পৰিকল্পনা সফল হ'ল। শেষত এছ আই দেৱজিত বৰাই মায়াৰ এই কাণ্ডত শলাগ লৈ ক'লে—

ঃ Thank you so much মায়া। তুমি বহুত সাহসী। আজি ১৭ বছৰ ধৰি পুলিচ প্ৰশাসনে কৰিব নোৱৰা কাম এটা তুমি কৰিলা, আমি তোমাৰ ওচৰত চিৰকৃতজ্ঞ।

ঃ ছাৰ, এয়া মোৰ মাৰ ওচৰত প্ৰতিজ্ঞা আছিল যে মাৰ হত্যাকাৰী যে এদিন হ'লেও শাস্তি পাবই আৰু আজি মই মোৰ প্ৰতিজ্ঞা পূৰণত সফল হ'লোঁ। আজি তেওঁ য'তেই আছে তাৰ পৰাই নিশ্চয় শান্তি পাব। আপুনি ইমানখিনি সহায় কৰাৰ বাবে বহুত ধন্যবাদ ছাৰ। হয়তো আপোনালোকৰ অবিহনে এয়া সম্ভৱ নহ'লহেঁতেন।

*লেখিকা ঃ স্নাতক দ্বিতীয় ষাণ্মাসিক*



# উৎকণ্ঠাৰ সিপাৰে

**কাবেৰী বৰা**

“আজি বুজিচ মই সোণমইনাৰ ঘৰলৈ যাম। তই যাবি নেকি?” “নাই মা মই নাযাওঁ দে, তয়ে যা।” মা আজি বহুত সুখী, কোনে বা পাই আজি মাক। কালিৰ পৰাই মাৰ বৰ আনন্দ, আজি ২৭ বছৰৰ পাছত ভনীয়েকক লগ কৰিব যাব, আগ্ৰহীটো হ'বই দিয়কচোন। চাওঁতে চাওঁতে দেখোন দহটাই বাজিবৰ হ'ল, মা কিন্তু যোৱা নাই। কি হ'ল ইমান সময়লৈ যোৱা নাই যে তই? ৰহ্ অ' মই মাহীয়েৰালৈ পিঠা কেইটামান বনাই আছোঁ, ইমান দিনৰ মূৰত যাম কিবা এটাটো লৈ যাব লাগিব। এহ্ হ'ব দে সোনকালে কৰ অলপ, নহ'লে গাড়ী নাপাবিগৈ। অলপ দেৰিকৈ মা গ'ল। ভাবি আছিলো মাই চাগে মাহীৰ ঘৰত বহুত স্ফূৰ্তি কৰিব। আহিলেই সুধিম তাত আজি কি কি হ'ল? মাহীহঁতৰ ঘৰত কোন কোন আছে, ক'ত বা থাকে মাহীহঁত ইত্যাদি ইত্যাদি।

গৰুৰ কাৰণে জাগ দি থকাৰ সময়তে মা ওলালহি। বিচনীখন থৈ মাৰ ওচৰ পালোহি। মাৰ মুখখনলৈ চালো কিবা যেন নীল আকাশত এচপৰা মেঘহে আবৰি আছে। সুধিম বুলি ভাবিও সুধিব পৰা নাই, জানোচা পানী বৈ আহে। যা তই হাত-ভৰিকেইটা ধুই ল, মই তোৰ কাৰণে চাহ বনাই আনোগৈ। মাই চকীখন টানি বাহিৰতে বহিছে। মই তালৈকে চাহকাপ লৈ গ'লো। মাই কিবা এটা ক'ম বুলি ভাবিও ক'ব পৰা নাই। বহুত সময়ৰ পাছত ময়ে সুধিলো মাহীহঁতৰ ভালনে বুলি। উত্তৰ কিন্তু নাহিল। পিছত আকৌ এবাৰ সোধাত ক'লে— মাহী নাই। দুটা শব্দ কওঁতে মাৰ মাতটো কঁপিৰ উঠিল আৰু আগলৈ ক'ব পৰা নাই। নিজকে সান্ত্বনা দি চকুদুটা চাদৰৰ আঁচলখনে মচি মায়ে কৈ গ'ল— “বুজিচ সোণমইনাক মই চাবই নাপালোঁ। মানুহ এজনক সুধি তাইৰ ঘৰ ওলালোগৈ। বাহিৰতে তাইৰ গিৰিয়েকে বাঁহেৰে কিবা সাজি আছিল। ময়ো তাৰ ওচৰতে বহিলোগৈ। অলপ পিছতে ভিতৰলৈ মোক মানুহ এগৰাকীয়ে মাতি লৈ গৈছিল। ময়ো তেওঁৰ পিছে পিছে গৈ আলহী বহা কোঠাটোতে বহিলোগৈ। অলপ সময় বহাৰ পাছত মানুহগৰাকীয়ে মোলৈ চাহ একাপ আনিলে। তেতিয়ালৈ সোণমইনাক দেখাই নাই মই, পিঠাৰ টোপোলাটোও দিব আছিল তাইক। কথাষাৰ ভাবি থাকোতেই বেৰত আঁৰি থোৱা ফটোখনলৈ চকু গ'ল। ফটোখন দেখোন আমাৰ সোণমইনাৰ, কিন্তু তাত মালাডাল আছে যে কিয়? এবাৰ জোৰকৈ মাতিবলৈ মন গ'ল তাইক। সেইখিনি সময়তে মোক চাহকাপ দিয়া মানুহগৰাকী পৰ্দাখন দাঙি সোমাই আহিল। মোক ফটোখনলৈ চাই থকা দেখি ক'লে— আপোনাৰ কোনোবা হয় নেকি? মই ক'লো মোৰ সোণমইনা বুলি। মানুহগৰাকীয়ে ক'লে তেখেত ১৫ বছৰ আগতেই ঢুকাল নহয়, কিবা বেমাৰ হৈছিল বোলে। মই তেখেতৰ দ্বিতীয় পত্নী। কথাষাৰ শুনাৰ মোৰ ধৈৰ্য নোহোৱা হৈ গ'ল। মই নিজকে কিবা ভোৰভোৰাই ক'বলৈ ল'লো— “মই কিয় আগতে নাহিলো, সোণমইনাক চাবলৈ বহুত মন আছিল, তাই মোৰ বহুত মৰমৰ আছিল। আজি ২৭ বছৰে তাইৰ মুখেৰে মই 'বাইদেউ' মাত এবাৰো নুশুনিলোঁ।”

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বি. বিভাগ*

# পিতৃত্ব আৰু কৃতিত্ব

লিজা কলিতা

"যা বোপাই ভালকৈ পঢ়িবি। তই পঢ়ি-শুনি ডাঙৰ মানুহ হৈ আহিলেই বন্ধকী মাটিকেইডৰা খুলি ল'ম। পথাৰ কেইডৰা তোৰ ককাদেউতাৰৰ বৰ মৰমৰ আছিল, আজি তোৰ কাৰণেই তেওঁৰ পথাৰকেইডৰাক বন্ধকত দিব লগা হৈছে। বাগান দুকঠাও চাৰি বছৰৰ কাৰণে লীজত দিছো। তই আমাৰ কথা চিন্তা নকৰিবি।"

চহৰত পঢ়িবলৈ ওলোৱা পুতেক নিৰ্মলক দেউতাক মুহিধনে পঢ়াৰ খৰছ বহন কৰিবলৈকে ঘৰৰ ভেটিটোৰ বাহিৰে মাটি-বাৰী সকলো বন্ধকত দিছে। আশা এটাই, পুতেকে চাকৰি কৰি বন্ধকবোৰ খুলি অভাৱবোৰ দূৰ কৰিব। মুহিধনৰ সি একমাত্ৰ ল'ৰা। গতিকে তাৰ ওপৰত অভাৱী জীৱনৰ সমস্ত আশা পুহি তাক চহৰত পঢ়িবলৈ পঠাইছে।

"ছ ল' তই ভালপোৱা নাৰিকলৰ লাড়ুকেইটামান দি পঠাইছো, খাবি। তই যাবিগৈ বুলি ৰাতিয়েই বনাই থৈছিলো। মাজে মাজে খুৰাদেউহঁতৰ ফোনলৈকে খবৰ এটা দি থাকিবি, দেউতাৰাই কাম কৰিবলৈ গ'লে অন্ততঃ খবৰ পাই থাকিব।"

মাক ৰমলাই পুতেক যাবলৈ ওলোৱাত পদুলিৰ মুখতে চকুপানী টুকি টুকি কথাকেইটা কৈছে।

"হ'ব আহিছো। মা, দেউতা যাওঁ।"

মাক-দেউতাকৰ চৰণ চুই নিৰ্মল যাবলৈ ওলাল। পদুলিমুখৰ পৰা মাকে নিৰ্মল চকুৰ আঁৰ নোহোৱালৈকে চাই থাকিল।

চহৰলৈ পঢ়িবলৈ যোৱাৰ পিছত মাহেকে-পষেকে নিৰ্মলে খুৰাদেউতাকৰ ঘৰলৈ ফোনযোগে খবৰ দি থাকে।

লাহে লাহে সময় বাগৰিল। নিৰ্মলে খবৰ পঠিয়াবলৈ এৰিলে। মুহিধনে কামলৈ আহি সদায় সোধে—

"হেৰৌ লক্ষ্মী, আমাৰ ই বিবা খবৰ পঠিয়াইছিল নেকি অ'?"

"নাই অ' মুহি, ল'ৰাৰ একো খবৰ পোৱা নাই।"

লক্ষ্মীকান্তৰ উত্তৰত নিৰাশ হৈয়ো মুহিধনে এক অদম্য হেঁপাহত নিজকে নিজেই কয়, "তাকেই, তাৰ পঢ়াৰ হেঁচা বাঢ়িছে চাগে।"

এনেকৈয়ে সময়বোৰ পাৰ হৈ চাৰিটা বছৰ শেষ হোৱাৰ উপক্ৰম হৈছে। বছৰৰ পাছত বছৰ জুৰি বন্ধকত থোৱা মাটিকেইডৰা চকুৰ আগত এনেদৰে দেখি মুহিধনৰ বুকুখনে কান্দি উঠে। তথাপিও সান্ত্বনা লয়, "সি আহিলেই সকলো ঠিক হৈ যাব।"

ইপিনে নিৰ্মলৰ পঢ়া এৰি চাকৰি এটাও হ'ল। এদিন মুহিধনে লক্ষ্মীকান্তৰ ঘৰত হাজিৰা কৰি থাকোতে নিৰ্মলৰ ফোন আহিল, "ক বোপা, ইমান দিন তোৰ খবৰ এটাও নাই যে?"

"অ' অলপ ব্যস্ত আছিলো, কাইলৈ ঘৰলৈ যাম।"

"ঐ পুতুকণ যাচোন বৌক কগৈ কাইলৈ হেনো নিৰ্মল দা আহিব।"

পুতেক ঘৰলৈ আহিব বুলি জানি আনন্দত থাকিব নোৱাৰি মুহিধনে ওচৰতে খেলি থকা পুতুকণক ৰমলাক খবৰটো দিবলৈ ক'লে।

"আহ আহ! সোনকালেই ঘৰলৈ আহ, বহুত কাম আছে।"

"এইবাৰ অকলে নাযাওঁ দেউতা, মোৰ লগত আৰু কোনোবাও যাব।"

"কোন?"

"মই বিয়া পাতিলো।"

"বিয়া পাতিলি! কেতিয়া?" তৎক্ষণাত মুহিধনৰ মুখখন এন্ধাৰ হৈ পৰিল।

"ছমাহৰ আগত। কামবোৰ ইমান লৰালৰিকৈ হ'ল যে তহঁতক জনাবলৈ সময়ে নাপালোঁ।"

"হ'ব ধ, বুজিলো। যা হওক বাকীখিনি ঘৰত পাতিম সোনকালে আহিবি।"

নিৰ্মলৰ বিয়াৰ খবৰ পাই চাৰি বছৰৰ মূৰত পুতেক ঘৰলৈ অহা আনন্দৰ ঢৌ তৎক্ষণাৎ নাইকিয়া হ'ল। তথাপিও মাটিকেইডৰা ঘূৰাই পোৱাৰ আশাত মুহিধনে দুখবোৰ এৰাই চলিছে। ৰমলাই প্ৰথমে দুখ পাইছিল যদিও ঘৰখনলৈ বোৱাৰী আহিছে বুলি জানি গাত তত্ নাইকিয়া হ'ল।

পাছদিনা ন-বোৱাৰীৰ সৈতে নিৰ্মল আহি ঘৰ পালেহি। প্ৰথমবাৰলৈ লগ পোৱা শহুৰ-শাহুৰেকক উপেক্ষা কৰি বোৱাৰীয়েকে হাতত দামী ফোন লৈ বহি আছে।

"আইজনী! পানী দিছোঁ, আহা খাই লোৱাহি।"

ভিতৰৰ পৰা ৰমলাই কাঁহৰ বাতি দুটাত দুবাতি চাহ উলিয়াই আনিছে।

"মই চাহ নাখাওঁ।"

বোৱাৰীয়েকৰ পোনপটীয়া উত্তৰত তবধ মানি ৰমলা খন্তেকৰ বাবে ৰৈ গ'ল।

"মা তাইৰ চাহ খোৱাৰ অভ্যাস নাই, জোৰ নকৰিবি।"

"দেউতা ইয়াত চহী দুটা কৰি দেচোন।"

নিৰ্মলে বেগৰ পৰা কাগজ কেইখনমান উলিয়াই দিয়াত মুহিধনৰ মুখখন পোহৰ হৈ আহিল।

"দে দে, তই মানে আহোঁতে একেবাৰে বন্ধকৰ কাগজকেইখন লৈ আহিছ।" মুহিধনে সাউৎকৈ চহী দুটা মাৰি দিলে।

"নহয় দেউতা, এয়া মাটিৰ কাগজ নহয়। এই ঘৰটো বেচাৰ কথাহে ভাবিছো। এইবোৰ বেচি চহৰত ফ্লেট এটা কিনিম আমি থাকিবলৈ।"

মুহিধন আৰু ৰমলাৰ পোহৰ পোহৰ মুখবোৰ নিমিষতে আন্ধাৰ হৈ গ'ল। মুহিধন গৰজি উঠিল।

"কি? তই কি বলকিছ এইবোৰ? ঘৰটো বেচি যাম ক'লৈ? তোক চহৰত পঢ়ালো আমাৰ কষ্টবোৰ লাঘৱ হ'ব বুলি আৰু এই সকলোবোৰ পাহৰি গ'লি? বিয়াৰ দৰে জীৱনৰ ইমান ডাঙৰ সিদ্ধান্ত এটা অকলে ল'লি, তই এবাৰো আমাক জনাব নোৱাৰিলিনে? আৰু এতিয়া কৰিছ এইখন! নোৱাৰ, যিখন মুখে এই সিদ্ধান্ত লৈ আহিছ সেই মুখেৰেই ঘূৰি যা, আমাক তোৰ এটকাও নালাগে।

মুহিধন বাহিৰলৈ ওলাই গ'ল। কিছু সময় কিবা ভাবি থাকি ৰমলাই গিৰিয়েকৰ ওচৰলৈ গৈ ক'লে— "হেৰি, কথাটো পিছে বেয়াও নহয়। কিমাননো আৰু এই ভগা পঁজাটোত সোমাই থাকো। জীয়াই থাকিমনো আৰু কেইটাদিন, থকা দিনকেইটা অন্ততঃ চহৰত থাকিবলৈ পাম ল'ৰা-বোৱাৰীৰ লগত।

তেনেতে নিৰ্মল ভিতৰৰ পৰা ওলাই আহি ক'লে, "চহৰত আমিহে থাকিম।"

"আমি মানে? দেউতাৰা আৰু মই?" ৰমলা হতভম্ব হ'ল।

ঃ "ওচৰতে বৃদ্ধশ্ৰম এখন খুলিছে তহঁতি তাতেই থাকিব পাৰিবি।" নিৰ্মলে নিৰ্লজ্জভাৱে কৈ গ'ল।

"কি? তোৰ অকণো বেয়া লগা নাইনে? ইমান কষ্ট কৰি তোক আমাক এতিয়া বৃদ্ধাশ্ৰমত থ'বলৈহে ডাঙৰ কৰিছিলো।

পুতেকৰ কথাই দুয়োটাৰে চকুলো বোৱাই আনিলে। হঠাতে উকিল, মণ্ডল, ঠিকাদাৰৰ সৈতে এদল মানুহ সোমাই আহিল। পাছে পাছে দুখন জেচিবি।

"কি কৰে? কোন হয় আপোনালোক? মুহিধনে একো টলকিব পৰা নাই।"

উকিল আৰু মণ্ডলে মাটি টুকুৰাৰ নিলামৰ সন্দৰ্ভত সকলো কথা মুহিধনক বিৱৰি ক'লে। মাটি টুকুৰাত এটা ফেক্টৰি খোলা হ'ব। চৰকাৰী বিষয়াৰ কথা শুনি মুহিধন আৰু ৰমলাৰ চকু কপালত উঠিল। মুহিধনে চিঞৰি ক'লে, "আপোনালোকে এনেদৰে ঘৰ-দুৱাৰ ভাঙিবলৈ আহিবলৈ কাৰ সাহ পালে? এই মাটিৰ গৰাকী মই, কাক সুধি আপোনালোক ইয়ালৈ আহিছে, ভালে ভালে ঘূৰি যাওঁক।"

"চাওক আমাৰ ওচৰত সম্পূৰ্ণ নথি-পত্ৰ ও প্ৰমাণ আছে। এয়া চাওক আপুনি নিজ ইচ্ছাই মাটি টুকুৰা আমাক দিছে গতিকে আমাক আমাৰ কাম কৰিবলৈ দিয়ক।"

উকিলজনে হাতত লৈ থকা কাগজখনত মুহিধনৰ চহীৰ সৈতে সকলো প্ৰমাণ দেখুৱাই দিলে। চহীটো দেখি মুহিধনৰ আৰু বুজিবলৈ বাকী নাথাকিল। অসহায় হৈ মুহিধনে পুতেকৰ ফালে চাই চাই মাটিত ঢলি পৰিল।

লাহে লাহে জেচিবি দুখনে ঘৰ ভঙা কাম আৰম্ভ কৰিলে। ৰমলাই চৰকাৰী বিষয়াকেইজনৰ হাতে-ভৰিয়ে ধৰিছে।

"নাভাঙিব, নাভাঙিব। আমি ক'ত যাম? ক'ত থাকিম? মাটি-বাৰী সকলো শেষ, শেষত এই ভেটিটোৱেই আছেগৈ। বোপা, তই কিয় এনেকুৱা কৰিলি? হেৰি কিবা এটা নকৰে কিয়?

অসহায় হৈ পৰি থকা মুহিধনৰ ওচৰত ৰমলাই হিয়া ভুকুৱাই কান্দিছে।

এপদ-দুপদকৈ বস্তু গোটাই অতি সযতনে বনোৱা ঘৰটো মুহিধন আৰু ৰমলাৰ চকুৰ আগত খহি পৰিছে। নিষ্ঠুৰ সময়ৰ গৰাকীৰ হাতত জীয়া ছবিবোৰ চকুৰ আগতে ঢলি পৰিছে।

লাহে লাহে সন্ধিয়া হৈছিল। হাতত এটা টোপোলাৰ সৈতে মুহিধনে খোজ ল'লে, পাছে পাছে কান্দোনত ভাগি পৰা ৰমলা। যোৱাৰ সময়ত মুহিধনে নিৰ্মলক ক'লে— "সময়ে তোৰ হতুৱাই ছল কৰিলে আমাক। ভুল তোৰ নহয়, ভুল আমাৰ, যি নিজে জ্বলি তোক পোহৰ দিছিলো। তই পঢ়া-শুনা কৰা ডাঙৰ ল'ৰা, তোৰ আগত আমি জিকিব নোৱাৰিম আৰু নোৱাৰো বাবেই আমি ওলাই আহিছো। নাজানো ক'ত যাম? ক'ত থাকিম? চহৰৰ অট্টালিকাৰ ভিতৰত থাকি তোৰ পৰিয়ালক আমি আমনি নকৰোঁ দে। চৰায়ে খুটি খাব পৰা হ'লে বাহটোলৈ আকৌ মনত নেপেলায়। তয়ো নিজৰ ভৰিত থিয় দিলি, আমাক কেলৈ লাগে এতিয়া? আশাকৰো তোৰ ভৱিষ্যতে তোক আমাৰ দৰে নকৰক।"

মুহিধন আৰু ৰমলাই চকুৰ পানীৰে বাট নেদেখা হৈ ওলাই আহিল লক্ষ্যহীন বাটেৰে। আহোঁতে পাছৰ পৰা নিৰ্মলে মাতিলে কিন্তু তেওঁলোক আৰু উভতি নাহিল। নিৰ্মলৰ কাণ্ড দেখি গাঁৱৰ মানুহে তাক ভৰ্ৎসনা কৰি গুছি গ'ল।

*লেখিকা ঃ স্নাতক চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ*

# কৰোনাৰ পৰিস্থিতি

**ছাদিকুন নেহাৰ**

**কৰোনা ঃ** কৰোনা হৈছে চীন দেশৰ য়ুহান চহৰৰ পৰা অহা এবিধ বেমাৰ। হঠাৎ উদ্ভৱ হোৱা এই বেমাৰে গোটেই পৃথিৱী আগুৰি ধৰিছে। হয়তো আমাৰ ককা-আইতাহঁতেও শুনা নাছিলে এদিন পৃথিৱীয়ে এনেকুৱা ৰূপ ধাৰণ কৰিব। অতি দুখ লগা কথা এই বেমাৰে কাকো এৰি যোৱা নাই। ধনী-দুখীয়া, হিন্দু-মুছলমান কাকো কোনেও চাবলৈ নাই আৰু কাৰো কান্দোন শুনিবলৈ নাই। মাথো মৃত্যু, মৃত্যু আৰু মৃত্যু।

**লক ডাউন ঃ** যেতিয়া পৃথিৱীৰ নানা দেশত কৰোনাৰ পৰা ৰক্ষা পাবলৈ দেশত লক ডাওন (Lock down) ঘোষণা কৰিলে। তেতিয়াই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ভাৰতবাসীক হাতযোৰ কৰি কাতৰ মিনতি কৰি ঘোষণা কৰিলে যে মোৰ অতি মৰমৰ ভাৰতবাসী লোকসকল আপোনালোক ঘৰত থাকক আৰু সামাজিক দূৰত্ব বজাই ৰাখক কাৰণে এই মহামাৰীৰ প্ৰতিষেধক ঔষধ এতিয়ালৈকে কোনো ডাঙৰ ডাঙৰ ৰাষ্ট্ৰত ওলোৱা নাই। গতিকে যিমান পাৰে ঘৰৰ ভিতৰত থাকক। কিন্তু আমাৰ সমাজত এই বাক্য উলংঘন কৰি চলাৰ বাবে আমি আমাৰ ভাৰতৰ নানান ঠাইত বেছিকৈ মহামাৰিয়ে দেখা দিছে আৰু বহুতৰ মৃত্যু হৈছে।

**সামাজিক দূৰত্ব ঃ** দেশত কোৱা হৈছিল সামাজিক দূৰত্ব বজাই ৰখা, মুখত মাস্ক পিন্ধা, সঘনাই হাত চাবোনেৰে ধুৱা, য'তে ত'তে থু-খেকাৰ পেলাই বা আৱৰ্জনা পেলাই পৰিৱেশ বিনষ্ট নকৰিবলৈ। আমাক যিহেতু কোৱা হৈছিল যদি আমি এই নিয়মসমূহ মানি চলো তেনেহ'লে আমি আমাৰ দেশৰ পৰা কৰোনা মহামাৰিক নোহোৱা কৰিব পাৰিম।

গতিকে অসমবাসী ৰাইজলৈ মই অনুৰোধ জনাও যে যিসকল দৰিদ্ৰ লোকক চৰকাৰে সহায় কৰিছে তেওঁলোকে পাবলগীয়া সুবিধাখিনি দুষ্ট লোকসকলে আত্মসাৎ নকৰে যেন। দৰিদ্ৰ লোকসকলৰ মুখৰ ভাত কাঢ়ি নি নিজে ধনী হ'ব নিবিচাৰিব কাৰণ অন্যায় পথে চলিলে বিপদ বা বেমাৰে আপোনাৰ পৰিয়ালকো আগুৰিব পাৰে।

**বৰ্তমান সময় ঃ** বৰ্তমান সময়ত আমি কৰোনাৰ পৰা হাত সাৰিছো যদিও আমি সম্পূৰ্ণ হাত সৰা নাই। দেশলৈ আকৌ কেতিয়া কৰোনাৰ পৰিস্থিতি ঘূৰি আহে আমি কোনেও নাজানো। গতিকে আমি সকলোৱে সজাগ হৈ থকাটো অতি প্ৰয়োজন। আমি এনেও জলবায়ুত থকা ধূলি-বালি, কল-কাৰখানাৰ ধোঁৱা আৰু বেমাৰ-আজাৰৰ পৰা ৰক্ষা পাবৰ কাৰণে মাস্ক পৰিধান কৰাটো অতি প্ৰয়োজন। কাৰণ আমি সজাগ হ'লেহে আমাৰ উঠি অহা প্ৰজন্মবোৰে সাৱধানতা অৱলম্বন কৰিব।

গতিকে শেষত মই ক'ব বিচাৰোঁ যে মানৱ সেৱা ধৰ্মই পৃথিৱীৰ শ্ৰেষ্ঠ ধৰ্ম।

*লেখিকা ঃ স্নাতক দ্বিতীয় ষাণ্মাসিক*



# নীলা খামৰ চিঠি

গীতিমণি গোহাঁই



সাগৰে মূৰত এটা প্ৰচণ্ড বিষ অনুভৱ কৰিলে। সি লাহে লাহে চকু মেলি চাৰিওফালে চালে। তাৰ চকুৰ আগত ভাহি উঠিল খন্তেক আগৰ কিছু দৃশ্য। সি অৰুণাচলৰ পৰা ডিব্ৰুগড়লৈ বুলি আহি থকা বাছখনে নিয়ন্ত্ৰণ হেৰুৱাই এটা প্ৰকাণ্ড শিলত খুন্দা মাৰিছিল। সি সেইখিনিলৈকে মনত পেলাব পাৰিছে কিন্তু তাৰ পিছৰ কথাবোৰ তাৰ একেবাৰে মনত পৰা নাই। ক্ষন্তেক আগলৈকে সকলো ঠিকেই আছিল। বাছখনত বহুত বেছি যাত্ৰী নাছিল, সকলোৱে হাঁহি-ধেমালিৰে কথা-বতৰা পাতি আহি আছিল। কিন্তু হঠাৎ প্ৰচণ্ড বেগেৰে অহা গাড়ী এখনক বাট এৰি দিবলৈ গৈ সিহঁতৰ বাছখন দুৰ্ঘটনাত পতিত হ'ল। সি ইমান পৰে একো চিন্তাই কৰিব নোৱাৰা হৈ গৈছিল। তাৰ যেতিয়া সম্বিৎ ঘূৰি আহিল সি লগে লগে তাৰ ফোনটো বিচাৰিলে। বিচাৰি বিচাৰি অন্য এজন যাত্ৰীৰ ভৰিৰ মাজত তাৰ ফোনটো উদ্ধাৰ কৰিলে। দুৰ্ঘটনাতো সংঘটিত হোৱাৰ কিছু আগতে সাগৰে ফোনটো হাতত লৈ আছিল সেইবাবেই চাগে উফৰি দূৰত পৰিলগৈ। ফোনটো হাতত পোৱাৰ পিছত সহায়ৰ বাবে ১০৮ক কণ্টেক কৰিলে। বাছখনৰ বাকী যাত্ৰীসকলৰ খবৰ ল'বলৈ গৈ সি ভাগি পৰিল বাছখনত তাৰ বাহিৰে কোনোৱেই জীৱিত ৰূপত নাই। ইমান এটা ডাঙৰ দুৰ্ঘটনাৰ পৰা সি কেনেকৈ বাছি গ'ল সেয়া ভগৱানে

জানে। সাগৰে বাছখনৰ ভগা খিৰিকী এখনৰ ফাঁকেৰে যেনেতেনে বাহিৰলৈ ওলাবলৈ যত্ন কৰিলে। অশেষ চেষ্টা কৰিও সি বাছখনৰ পৰা ওলাব পৰা নাই। তাৰ চাৰিওফালে তেজেৰে লুতুৰি-পুতুৰি যাত্ৰীসকলৰ মৃতদেহ। সি নিজকে চম্ভালিব নোৱাৰা হৈ আহিল কিন্তু উপায় নাই। সহায় আহি নোপোৱালৈকে সি নিৰুপায়। তাৰ ভৰিৰ কাষতে পৰি থকা এটা নীলা খামৰ ওপৰত তাৰ চকু পৰিল। ধুনীয়া আখৰেৰে এটি ঠিকনা... তাৰ আগ্ৰহ বাঢ়ি গ'ল সি তাৰ তেজেৰে ৰঙা হৈ থকা হাতখনেৰে চিঠিখন খুলি চালে।

মৰমৰ জুৰণি,

মৰম ল'বা। কেনে আছা তুমি? কুশলে আছা নে? জুৰণি, মৰমবোৰ যদি ৰৌদ্ৰস্নাত কাঞ্চনজংঘাৰ সৈতে খেলি থকা শুকুলা মেঘৰ ছাঁ হ'লহেঁতেন, কিমান সময় যে ৰ' লাগি চাই থাকিলোহেঁতেন তোমাক, মোৰ মৰমৰ শুভ্ৰতাক...!

....কাৰ্বি পাহাৰৰ এটা ৰৌদ্ৰজ্জ্বল দুপৰীয়া। মনত আছেনে তোমাৰ? হাতত বাল্টি আৰু চাবোন লৈ মই নিজৰাত গা ধুবলৈ গৈছিলোঁ। যাওঁতে বাটত তোমাক দেখা পাই চকুত চকু পৰিছিল। এক মুহূৰ্তৰ বাবে তোমাক ভাল লাগি গৈছিল মোৰ। বিমুগ্ধ দৃষ্টিৰে পলক নেপেলোৱাকৈ চাই আছিলো তোমাক। দিনবোৰ লাহে লাহে বাগৰিবলৈ ধৰিছিল। এদিন আমাৰ চিনাকি হৈছিল। তোমালোকৰ ঘৰলৈ মোক মাতিছিলা। এদিন আবেলি পাহাৰৰ সেউজীয়াৰ মাজত ৰৈ ভাললগাৰ পৰা ক্ৰমশঃ ভালপোৱালৈ ৰূপান্তৰিত হোৱা বুকুৰ মাজৰ অনাবিল গুলপীয়া উচাহখিনি তোমাক মই বাকী দিছিলোঁ—

ঃ জুৰণি, মই কিজানি তোমাক ভাল পাই পেলাইছোঁ। তুমি এদিন মোৰ স'তে আমাৰ ঘৰলৈ যাবানে? তুমি আহিব বিচৰা নাছিলা। মই আব্দাৰৰ সুৰত কৈছিলোঁ।

ঃ নিয়মবোৰ জানো আমি নতুন প্ৰজন্মই সলনি কৰিব নালাগিব? বিয়াৰ আগতে প্ৰতিজনী ছোৱালীয়েই এবাৰ গৈ ল'ৰাৰ ঘৰ চাই আহিব লাগে।

এদিন তুমি মোৰ স'তে আমাৰ ডিব্ৰুগড়ৰ ঘৰলৈ ফুৰিবলৈ আহিছিলা। নিৰ্মালি গাঁৱৰ নিৰ্মল বতাহে দেহ-মন নচুৱাইছিলনে তোমাৰ? ডিব্ৰুগড়ৰ ৰাধা-কৃষ্ণ মন্দিৰ, তিনিচুকীয়াৰ নন্দন-কানন, শিৱসাগৰৰ শিৱদ'ল প্ৰাংগণ, নিম নগৰী যোৰহাটৰ ঢেঁকীয়াখোৱা বৰনামঘৰ অথবা গোলাঘাটৰ নেঘেৰিটিঙৰ গছ-লতাবোৰে লাহে লাহে আমাক দুয়োকে চিনি পোৱা হৈছিল। আমাৰ মায়ে যে কৈছিল—

ঃ এইজনীক আৰু ঘৰলৈ ঘূৰি যাব দিব নালাগে। ইয়াতে ৰাখি থ' বিজু...।

এদিন মাংগলিক ৰীতি-নীতিৰে সকলোৰে আশীৰ্বাদ আৰু শুভেচ্ছাৰ বৰষুণত আমাৰ বিয়া হৈছিল। বিদেশী সাহিত্যত ছিমন দ্যা বভোৱাই তেওঁৰ প্ৰিয়তমক কোৱা কথাৰ উদ্ধৃতিৰে বিয়াৰ পিছত তুমি মোকো কৈছিলা— "তুমি ভবাৰ দৰেই মই বিচক্ষণ হ'ম। তোমাৰ পৰিচৰ্যা কৰিম। নিজহাতে তোমাৰ কাপোৰ ধুম, ভাল লগা বস্তু ৰান্ধি খুৱাম। কিন্তু কেতিয়াবা খং উঠিলে মই মুখ ওফোন্দাই বহি থাকিম, তোমাৰ চুলিত হাত নোবোলাও আৰু মোৰ সকলো শুহি নিয়া স্ফুলিংগ হেন তোমাৰ অধৰ যুগলেৰে মোৰ শৰীৰ চুব নিদিওঁ...!"

ঃ জুৰণি, অৰুণাচলৰ বুকুলৈও শৰৎ নামিব এতিয়া। মাজে মাজে ৰিমজিম্ বৰষুণ আৰু মেঘালী অভিমানত গুলমি পৰো পৰো আকাশ। নৈসৰ্গৰ দলিচা সদৃশ এই আপাৰ চিয়াঙৰ গ্ৰাম্য সৰলতাৰ মাজত মই যেন ডাৱৰ হৈ মুঠি মুঠিকৈ বৰফৰ গুড়ি ছটিয়াই যাম পাইন গছৰ ঘন অৰণ্যানিৰ বুকুত! ইয়াত তোমালৈ মোৰ সদায় মনত পৰে। কৰ্তব্যৰ তাগিদাত যাওঁ বুলিলেই তোমাৰ ওচৰলৈ যাব নোৱাৰোঁ। ছুটীৰ শেষত ঘৰৰ পৰা আহিবৰ সময়ত তুমি কোৱা কথাবোৰে প্ৰতিনিয়ত মোক কাণে কাণে সোঁৱৰাই দিয়ে।

ঃ জ্বলা বেছিকৈ নাখাবা, চিয়াঙত ভালদৰে থাকিবা, পাহাৰীয়া নৈত গা ধুবলৈ নাযাবা, গৈ পোৱাৰ লগে লগে চিঠি লিখিবা...।

ঃ জুৰণি, শৰৎ সমাগত। ভাল খবৰবোৰৰ সমান্তৰালকৈ এটি নতুন শৰৎ আহি বাটচ'ৰা পাইছেহি। আমাৰ দিনবোৰ হওক আশাৰ, ৰঙীন স্বপ্নৰ, আজীৱন জীপাল ভালপোৱাৰ। আহা, আমি দুয়ো হাতে হাতে ধৰি আগবাঢ়ি যাওঁ আমাৰ অনাগত দুটি আলহী সপোন শুভজিৎ অথবা ধৃতিস্মাৰ কাষলৈ...।

আজিলৈ বিশেষ নিলিখোঁ। ভালদৰে থাকিবা। নিজৰ যত্ন ল'বা। বহুত মৰমেৰে...

প্ৰান্তত তোমাৰ

'বিজু'

দূৰৈত ১০৮ৰ চাইৰেনৰ শব্দ শুনি তাৰ চকুত দুধাৰি চকুলো বৈ আহিল।

*লেখিকা ঃ স্নাতক ষষ্ঠযাণ্মাসিক, অসমীয়া বিভাগ*



# কবিতা

# মা তোৰ ছোৱালী ডাঙৰ হৈছে

## দীপা বৰা

মই এতিয়া ডাঙৰ হ'লোঁ
তই পিন্ধা চাদৰ-মেখেলা মই পিন্ধিব পৰা হ'লোঁ,
এতিয়া তই পিন্ধা কাপোৰযোৰ ময়ো পিন্ধো।
মই পিন্ধা ফ্ৰক চোলাটো ভণ্টিয়েও পিন্ধে
দিনত প্ৰায় ভণ্টিয়েই পিন্ধি যায়
চোলাৰ অংক মিলাব গৈ,
মোলৈ ৰাতিহে মিলেগৈ।
তথাপিও দুয়োজনীৰ একেটাই চোলা পিন্ধো
কিয়নো...
আমি যে চহকী নহয়!
মই এতিয়া ডাঙৰ হ'লোঁ...
বয়সটো বৈ নাথাকে কাৰোবে বাবে
মই এতিয়া সাপ্তাহিক বজাৰলৈও যাব পৰা হ'লোঁ
ঘৰৰ অভাৱবোৰ চম্ভালিব পৰা হৈছোঁ।
দেউতাই কৰা বজাৰৰ হাতখন ময়ো চাব পৰাই হৈছোঁ
ঘৰখনৰ লখিমীক সন্ধিয়া হাঁহি থকা মুখখন
চাবলৈ মই এইবোৰ কাম কৰি ভাল পোৱা হৈছোঁ।
তথাপিও মই ভাগৰি পৰা নাই
আৰু কেতিয়াও নাভাগৰোঁ।
সঁচাকৈ মা, মই ডাঙৰ হৈছোঁ
আজিকালি মানুহবোৰেও কয়,
আমুকৰ জীয়েক ডাঙৰ হৈছে হেনো
মুঠতে মই ডাঙৰ হৈছোঁ।
মই এতিয়া ঘোপমৰা আন্ধাৰত অকলে থাকিব পৰা হ'লোঁ
অকলেই যাব পৰা হ'লো যান্ত্ৰিকতাৰ হাবিলৈ,
ঘৰৰ কামবোৰ দেউতালৈ থৈ নিদি নিজেই কৰিব পৰা হৈছোঁ।
মই ডাঙৰ হৈছোঁ
কিন্তু, কেতিয়া অজান কিছুমান ভুল হৈ যায়
আৰু তেতিয়াই অনুভৱ হয়
মই এতিয়া ডাঙৰ হ'লোঁ কিন্তু!
তথাপিও এতিয়া মই সৰু হৈ আছোঁ মাৰ মনত
সৰু হৈ আছো দেউতাৰ মনত...।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক, ইতিহাস বিভাগ*

# শ্বহীদ

## শুভাঙ্খী কাশ্যপ

শ্বহীদ প্ৰথমে তোমালৈ মোৰ শত-সহস্ৰ প্ৰণাম,
তেজ লগা ৰঙা চোলা তুমি আমাৰ বাবেই পিন্ধিছিলা।
তোমালোকৰ বাবে নিষ্ঠুৰ হৈ পৰিছে সময়ৰ সোঁত,
সোঁতৰ দিশে দিশেই কত শ্বহীদ হ'ল আই অসমীৰ ৰক্ষণাদুত।
তোমালোক দেশৰ বাবে আমাৰ বাবে আজি মৰিও অমৰ,
শ্বহীদ আজি সাৰ্থক তোমাৰ এই মানৱী জীৱন।
এই দেশৰ বাবেই ত্যাগ কৰিলা ক্ষুদ্ৰ স্বাৰ্থ,
কেতিয়াবা শুনা পাওঁ তোমাৰ মাতৃ,
পত্নীৰ উদং হৃদয়ৰ কৰুণ বিননি।
আকৌ তোমাৰ বাবেই শুনা পাওঁ পুত্ৰৰ হিয়াভগা উচুপনি,
শ্বহীদ আজি তুমি শত ধন্য, যাছিলোঁ তোমালৈ অশ্ৰু-অঞ্জলি।
তোমাৰ সমাধিয়ে আজি পোহৰাই তুলিছে তোমাৰ দেশমাতৃক,
হেৰা অসমীয়া, তোমাৰ শ্বহীদ মূল্যক সদায় জীয়াই ৰখিম।
কেতিয়াও পলাই নাযাও নিজ কৰ্তব্যৰ পৰা,
শ্বহীদ আকৌ তোমালৈ মোৰ শত সহস্ৰ প্ৰণাম।

*লেখিকা ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ*

# আই

## নিকিতা মজিন্দাৰ

সময়ৰ অগ্ৰগতিত দুচকু মেলিয়ে
প্ৰতিটো পুৰাই নমস্য মোৰ আই
সেউজ সুন্দৰ আলোকৰ যাত্ৰা
মোৰ সোণোৱালী জীৱন...
অনন্য এক অপৰূপা মোৰ আই
গুৰু ব্ৰহ্মা গুৰু বিষ্ণু
গুৰুদেৱ মহেশ্বৰ
গুৰু শাশ্বত পৰমব্ৰহ্মা
তস্মৈ শ্ৰীগুৰৱে নমঃ
আই তোমাক কোটি কোটি বাৰ নমস্কাৰ
যুগে যুগে তুমি অমৰ জ্যোতি
ইতিহাসেও কৰে তোমাৰ অঙ্গীকাৰ।
সময়ৰ বলুকাৰাশিত আইৰ
মৌ-মিঠা মাতবোৰ
সুন্দৰৰ সফল যাত্ৰা
জীৱন গঢ়াৰ অন্যন্য ৰূপ
মোৰ আইৰ দুচকুৰ এক স্বপ্ন
একমাত্ৰ মই...
ধন্য আই, ধন্য জননী
ধন্য মোৰ চিৰ সুন্দৰ আই।

*লেখিকা ঃ স্নাতক চতুৰ্থ ষাণ্মাসিক*

# প্ৰতিধ্বনি

## ফাৰমিনা আফৰিন ইছলাম

প্ৰতিধ্বনি...
তুমি যে আমাৰ নয়নৰ মণি
তুমিয়ে প্ৰাণ
তুমিয়ে মান
তোমাতেই কৰো শত শত স্নান।
তুমিয়ে আমাৰ মনৰ দাপোণ
বুকুৰ কুটুম
অতিকৈ আপোন
তোমাৰ আহ্বানতে
আবেগ ঢালি
শব্দ চয়নৰ লুকা-ভাকু খেলোঁ
কৰ্ষণ কৰোঁ মনৰ সাৰুৱা পথাৰ।
প্ৰতিধ্বনি...
তুমি প্ৰস্ফুটিত হোৱা
পলে পলে, ক্ষণে ক্ষণে...
তুমি জীপাল হোৱা, বটবৃক্ষ হোৱা
তোমাৰ ছাঁতেই
উদ্ভাসিত হওক
সৃষ্টিৰ অপৰূপ সাগৰ...

*লেখিকা ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ*

# অৰ্থ জীৱনৰ

## মুনমী বৰা

পাখি লগা কাঁড়ৰ দৰে
জীৱনৰ প্ৰতিক্ষণে
সময় গৈছে উৰি
পলে পলে...
অবিৰাম অনন্ত।
শৈশৱ আৰু যৌৱনৰ
জটিল সন্ধিক্ষণত
অলেখ পথৰ আলি-মুলিৰে
দিক্‌ভ্ৰান্ত পক্ষী মই।
তথাপি বুলিছো বাট
সপোনৰ পম খেদি
খুপি খুপি ভৱিষ্যতৰ...
দুচকুত আশাৰ ফেঁহুজালিৰে
জীৱনৰ প্ৰকৃত অৰ্থ বিচাৰি।

*লেখিকা ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক,*
*শিক্ষা বিভাগ*

# আই

**কৰবী দেৱী**
অসমীয়া বিভাগ, স্নাতক দ্বিতীয় ষাণ্মাসিক

ওপজি এদিন বিশ্ব বুকুত
দুদিনৰ বাতৰি কয়
দুদিনৰ পাছত বিশাল বিশ্বত
স্মৃতি মাথোন হৈ ৰয়
সৌ সিদিনা মনত আছে দেখা
মাতৃৰ স্তন খোৱা
মৰমী আইৰ চুমাৰ পৰশ
কোলাত সাবতি লোৱা
আই মোৰ মৰমী অতিকৈ চেনেহী
নেদেখি নোৱাৰে মোক
ধেমালি ভাৱেৰে যদি থেহ পাতোঁ
বৰকৈ কৰে শোক
আই তোৰ ধুনীয়া মুখখনি
বাৰে বাৰে জুমি চাওঁ
অতীত স্মৃতিৰ মধুৰ পৰশ তোৰ
ম্লান হাঁহিত পাওঁ
আই তোৰ পৰশ
মন আকাশত
ধ্ৰুৱতৰা হৈ ৰয়
ক্লান্ত হিয়া অধীৰ যদিও
মলয় সমীৰ বয়
স্মৃতি মাথো হৈ ৰয়।

**Dr. Neetu Kumari Gupta**

# A Condolence Visit

My fingers doubtfully nervous touched the bell
to break the deafening silence.
It's a year now you dwell in heavenly abode,
presuming the family torn into the sea of sorrow.

What I discover is a mass of bizarre symptoms
where he breathes in harmonious leisure-
visiting clubs, venturing exotic destinations,
life is seamlessly contented.

I wonder how homicidal you were-
to defer all statics of myriad friendship,
for weaving kerchiefs and captivated gentilesse.
Were you not so foolish to dive
deep into the hierarchy of feudal relations,
with slightest reservations for the other.

Nucleus I am, where all happiness ceases without
Was it not a fantasy befooled to courtesy?

You - the bourgeoise wife attested so chillingly
the tale of your happily-ever-after,
and the norms of fair exploitation,
never lived the ME in you.

May you now accept your tale of obdurate pride
build on a negative topoi of mercenary dependence.
Only to claim the prison ordained
that never coincided the counsel of liberty and freedom.

# Parched Service

There exists some peaceful province
reigned by authority, dictated by insanely logics
favours to those who extends their wilful smiles,
curses to those who disagree and challenge frolics.

The Muses shower praise in keen iambics
to puff him in his shortcomings.
He chooses his command on tranquil subordinates
with promises to outgrow and promote.

Nourished talents of different suits
resolved to echo his pride.
I am the monarch of this office
playing flute to my tune.

In silent ruptures of the fume
the fabric of goodwill breeds in syrup sweet.
Amidst this service in an airy cage,
the law of slavery is a choice voluntary.

In hope of wielding papers and files
and to warrant petty titles, lies our claim to glory.
Few vaulting voices of revolt
are mirrored to an image in troubled waters.

If someone rejects, the gazes strike with contempt,
attempts to deck such gestures springe in all hearts
to trap this bard in the same locks
of Submission.

Writer : Assistant Professor, Department of English

# ফাগুনৰ কবিতা

১

ধূলিয়ৰি বাটেদি ফাগুন আহিল
ফাগুনৰ ৰঙবোৰে মোৰ হৃদয়ত
ফাকু খেলি গ'ল।
এই বাটেৰে ফাগুন অহাৰ কথা
নাজানো কোন বাটেৰে ফাগুন আহে
সৰাপাতৰ উচুপনিত যদি ফাগুন আহে
তেনেহ'লে কিয় মোৰ হৃদয়ত
পলাশৰ ৰঙা লগা নাই
উকা-উৰুঙা মনটোক কিয়
ফাগুনৰ ৰঙাবোৰে সৰাপাতৰ উচুপনিয়ে
জগাই তোলা নাই
ফাগুন কোন বাটেৰে আহে?

**গীতিমণি গোহাঁই**
*স্নাতক ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ*

২

ফাগুনে আনে মনত এক নতুন পৰিকল্পনা,
ফাগুনৰ সেই পছোৱা বতাহ জাকে
মোৰ দেহ-মন পেলায় জুৰ
ফাগুনৰ সেই বতাহতেই যেন
তুমি আৰু মই বিলীন হওঁ
ফাগুনী বতাহে সৰোৱা
সেই গছৰ শুকান
পাতবোৰৰ তলত
আমি দুয়ো বহি
পাতিছিলো মনৰ বহু কথা।
ফাগুনেই দি গ'ল
আমাৰ সেই মধুৰ প্ৰেমৰ ৰাগিনী
আকৌ যেন নতুন আশাৰে
নতুন বাতৰি লৈ তুমি
উভতি আহা ফাগুন
আমি তোমালৈ বাট চাম সদায়।

**হিমাদ্ৰী বৰা**
*স্নাতক চতুৰ্থ যাণ্মাসিক, সংস্কৃত বিভাগ*

৩

ফাগুন তুমি মোৰ প্ৰিয়
তোমাৰ প্ৰকৃতিক লৈ দেখা কোলাহল
মোৰ বৰ প্ৰিয়।
ফাগুনৰ সেই ৰঙীন ৰঙৰ
পুৱাটো মোৰ বৰ প্ৰিয়।
হয়তো মোৰ সেই স্বপ্নময় জগতৰ
তুমি বাস্তৱ হেঁপাহ।
তুমিয়েই মোৰ জীৱনৰ সেই হাঁহি যিটো
মোৰ বাবে এক অফুৰন্ত আৱেগ।
সেই যে ৰাতিপুৱা ৰঙা বেলিটিৰে
পলাশৰ ৰঙীন পাহিবোৰ
মদাৰ ফুলৰ ৰঙৰ সৈতে, সেই যে
প্ৰকৃতিৰ হাঁহিবোৰ
মোৰ প্ৰিয়।
ফাগুনৰ এই প্ৰকৃতিক লৈ দেখা
কোলাহলক দেখি হয়তো মোৰ
এই স্বপ্নময় জগতৰ প্ৰতি থকা আৱেগ
জাগি উঠে।
ফাগুনে দিয়া এই ৰঙীন হেঁপাহবোৰক
মই হয়তো মোৰ হৃদয়ত সদায়
ঢাকি ৰাখিব বিচাৰো।
ফাগুনে দি যোৱা এই হেঁপাহবোৰ
আৱেগবোৰ মই মোৰ হৃদয়তে
ৰাখিব বিচাৰোঁ।
ফাগুনৰ এই বলিয়া বতাহজাকে
দি যোৱা আনন্দবোৰ সাঁচকৈয়ে
মোৰ হৃদয়ত ৰাখিব বিচাৰোঁ।
সপোন সপোন যেন লগা
এই প্ৰকৃতিৰ সৌন্দৰ্যতাই মোক
সময়ে সময়ে ম্লান কৰি পেলাই।
সদায় থাকক সেই সৌন্দৰ্য, ৰঙীন
কোলাহল সদায় থাকক সেই
বতাহজাক যি অফুৰন্ত প্ৰকৃতিপ্ৰেমীৰ আৱেগ।
ভাগি নপৰক সেই হেঁপাহ,

ফাগুনৰ ৰঙীন খেলা।
কেতিয়াও ম্লান নপৰক আনন্দ
কেতিয়াও ভাগৰি নপৰক প্ৰকৃতি।

**লক্ষ্যশ্ৰী শইকীয়া**
*স্নাতক চতুৰ্থ ষাণ্মাসিক, দৰ্শন বিভাগ*

৪
বলিয়া এচাটি বতাহে
সানিলে মনত সপোনৰ ৰং
কিয় বা এনে হয়?
মোৰ সেই আউলী-বাউলী চুলিত
সজাই ফুলৰ বৰণ
ফাগুন মই ভালপাওঁ
ফাগুন বৰ চঞ্চল
ঠিক মোৰ মনটোৰ দৰেই
আবিৰ মায়াৰে
সানিলা তুমি
তোমাৰেই বাসনাত
নিলেহি চুমি
তোমাৰ সেই বিৰক্তিৰে
কাঢ়ি নিলা মনৰ সীমনা
নাজানো কিমান দূৰ
তোমাৰ বাটৰ বিশৃংখলা।
শেষ বুলি ক'লেই
জানোচা শেষ নহয়
তোমাৰ মায়াৰ সেই
আবৰা শিখৰত
বলিয়া হৈ যায় সকলো
তুমি অহাৰ বাতৰি পায়
হয়তো নিজকে বন্ধতো কষ্টত ৰাখিছো
তোমাৰ কাষত স্থান নাপায়।
মনৰ মাজত একোবত
চঞ্চলতাৰে আবৰিব খুজিছো
শব্দৰ নামত তোমাকেই শেষ
জীৱনত আনিব বিচাৰিছো।
ফাগুন হৈ নাহিবা তুমি
বলিয়া বতাহে মন খাই
আহিবা অন্য বতৰ হৈ
য'ত মই তোমাকেই থাকো ধিয়াই।

**নেহা বৰা**
*স্নাতক দ্বিতীয় ষাণ্মাসিক, হিন্দী বিভাগ*

৫
ফাগুনৰ সেই ভাল লগা বতাহজাক
উফ্, কি যে শুৱনি
শিমলু গছজোপা, মন চুই যায়।
অশান্ত মনক শান্ত কৰি তোলে।
ফাগুনৰ সেই ঠাণ্ডা-গৰম অনুভৱ
হোৱা বতাহজাক
আৰু কিন্-কিনিয়া বৰষুণজাক
কি যে মোহনীয়া।
ফাগুন মাহত ফুলা সেই অতিকৈ
ধুনীয়া শিমলু গছজোপা
গোটেই পৰিৱেশটো মনোমোহা কৰা
উফ্, কি যে ভাল লগা এই ফাগুন।
ফাগুনৰ শেষলৈ সৰি পৰা শুকান
পাতবোৰে নতুনকৈ পাতমেলাৰ
আশাৰে পুনৰ বছৰটো সোঁৱৰাই
ফাগুনে আকৌ নতুন আশাৰে
মানুহক আগুৱায়।

**সুকন্যা বৰা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক, ভূগোল বিভাগ*

৬
ফাগুন অহাৰ বাটত সৌৰা কোন
কাষেৰে পাৰ হৈ গ'লে,
চকু জাগে নিশাৰ টোপনি ভঙা ৰমনীৰ বাবেইতো
এই উতলা ফাগুন।
তেজৰঙা ফাগুন
জেঠৰ ভৰ দুপৰতো আহিবা তুমি
তেজৰঙী ফাগুন হৈ...।

**লিজা কলিতা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*

৭

ৰাতি পুৱাইছে নে গধূলি হৈছে
ফাগুনৰ পছোৱা বতাহ সকলোতে বৈছে।
সৌৱা চোৱা বতাহত উৰি অহা
শিমলু তুলাজাকে
প্ৰেমৰ সুৱাস আনিছে।
ফাগুন নামিছে।
শুনিছোচোন,
ফাগুনে প্ৰেমৰ বতৰা আনে
শিমলু ফুলৰ গোন্ধত এক
প্ৰেমৰ সুন্দৰ সুৱাস বয়।
সৌৱা চোৱা এহাল কপৌৰ প্ৰেম
দুয়ো দুয়োকে খাদ্য খোৱাইছে
বাহ! কি ভাল লাগিছে
কাৰণ ফাগুন নামিছে।

**কৰবী দেৱী**
*স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ*

৮

তুমি অহালৈ বাট চাই
মনটোত আনন্দৰ মৌ বৰষাই
বহিচেহি মোৰ হৃদয়ৰ কোণত
শিমলু ফুল আহি মোক দিলেহি বাতৰি
কঁপাই তুলিলে মোৰ হৃদয়ৰ দুৱৰি
উৰি যাব খোজা চুলিকোচা সামৰি
ওলাই আহিলো মই তোমাক বিচাৰি
তোমাৰ দুচকুত চকু পৰোতেই
গুছি গ'লা তুমি বহুদূৰলৈ
অভিমানী মনৰ বাতৰি ল'বলৈ
কেতিয়া আহিবা আকৌ মোৰ কাষৰলৈ।

**গীতা ৰাজখোৱা**
*স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*

৯

ৰঙহীন নহওঁ মই,
ভাল লাগে মোৰ ৰঙৰ পোহৰ।
তুমিও নহ'বা বন্ধু ৰঙহীন
ভোগ বিলাসৰ কথা বাদ দিয়া বন্ধু,
জীৱন নাটৰ কথা ভাবা এবাৰ।
ফাগুনৰ ৰঙেৰে পোহৰাও
আহা আমাৰ জীৱন।
সকলোৰে আহা মিলিজুলি,
ৰঙেৰে খেলো ফাকুৱা-হলি।
জীৱন নামৰ যুদ্ধত আহা বন্ধু,
দুদিনীয়া সুখৰ অনুভৱ কৰো
মিলিজুলি।
সৰা পাতৰ এই ফাগুনত
আহা আমি আৰম্ভ কৰো
নতুন কাহিনী ফাগুনৰ ৰং,
আনন্দ সকলোকে বিলাই বন্ধু,
আহা আমি ৰচো এক নতুন
ধৰ্ম নিৰপেক্ষ ভাৰতৰ কাহিনী।
দুদিনীয়া জীৱন বন্ধু,
এয়াই জীৱন
আহা আমি ফাগুনৰ
ৰঙেৰে ৰঙীন কৰো,
সকলোৰে জীৱন।

**নেহা দাস**
*স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিঃ বিভাগ*

১০

ফাগুন ফাগুন ফাগুন
আহিছে ফাগুনৰ মাহ,
চৌদিশে বলিছে পছোৱা বতাহ।
বিবিধ ফুলৰ সুৱাসেৰে
দশোদিশ পৰিছে আমোলমোলাই।
ফাগুনে আনিছে বতৰা
পলাশ ফুলাৰ।
পলাশৰ ৰঙে দিয়ে
বিবিধ ৰঙেৰে ৰাঙলী কৰা
ফাকুৱা অহাৰ বতৰা।

**ডিম্পী শৰ্মা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ*

১১

ফাগুনে আহি ক'লে
মনৰে কথাবোৰ
মই আছো কাষত তোমাৰ
সোণালী ৰ'দৰ দৰে।
হাঁহি তোমাৰ সেন্দুৰীয়া গোলাপৰ
পাহিৰ দৰে।
কাষলে মোৰ আহা না
মোৰ মৰমৰ সকলোকে দিয়া না।
শেৱালি তুমি সন্ধিয়া মোৰ চোতালত
তোমাৰ মৰম যাচা না
প্ৰিয়সখী হৈ ৰ'লা
তুমি মোৰ জীৱনৰ।
তোমাৰ মৰমত বৈ গৈ তোমাৰ গীত গাই
অৰ্ধাঙ্গিনী হৈ ৰৈ আছো।
ফাগুন তোমাৰ বাট চাই।

**জেউতি ডেকা**
*স্নাতক ষষ্ঠ যাণ্মাসিক, ইতিহাস বিভাগ*

১২

ফাগুনৰ সেই বতৰ
মানৱৰ হৃদয়ত ফুটি উঠা ফাগুনৰ মুগ্ধতা।
শিমলু, পলাশৰ সেই ফুলৰ সুবাস
বতাহেও বিলাই ফুৰে যেন
ফাগুনৰ বতৰা।
ধূলিময় বতৰতো
শিমলুৰ ৰক্তবৰ্ণ যেন
মানৱৰ মনত আনি দিয়ে
নতুন দিনৰ, নতুন সপোন
আনি দিয়ে জীৱনত নতুন সূৰ্য
ফাগুনৰ সেই আদিম সুবাস
ক'তনো পোৱা যাব আজিৰ যান্ত্ৰিকতাত।
যান্ত্ৰিকতাই যেন পাহৰাই পেলাইছে
ফাগুনৰ সেই ৰং।
ফাগুনৰ মাজত নিহিত হৈ থকা
সেই প্ৰেমময় ৰঙৰ স্পৰ্শ।

**সংগীতা ৰয়**
*স্নাতক চতুৰ্থ যাণ্মাসিক, সংস্কৃত বিভাগ*

১৩

ফাগুনৰ পছোৱা বতাহজাক যে মোৰ বৰ প্ৰিয়
আবেলি পথাৰলৈ ওলাই গ'লে,
গাত লগা সেই চেঁচা বতাহজাকে
মোক সোঁৱৰাই দিয়ে বহু স্মৃতি।
আমি ল'ৰালি কালত চিলা উৰোৱা
বতাহৰ কোবে কোবে দৌৰি যোৱা,
ফাকুৱাৰ দিনটোত ফাকু খেলি
আহি নদীত একেলগে গা ধোৱা
বাঃহ কিযে সোণালী দিন আছিল।
সেই ল'ৰালি কালটো, সঁচাকৈ সুমধুৰ
আজিৰ এই ফাগুনৰ পছোৱা
বতাহজাকে লৈ গ'ল মোক মোৰ অতীতলৈ
সঁচাকৈ অন্য মাহবোৰতকৈ
ফাগুন অতুলনীয়।
ফাগুন মাহটি আহিলে প্ৰতি বছৰে
অনুভৱ কৰো হৃদয়ৰ নিভাঁজ কোণত
মই মোৰ অতীতৰ স্মৃতি
সঁচাকৈ ফাকুৰ ৰঙৰ দৰে ৰঙীন স্মৃতিৰ বন্ধন
এই ফাগুন অতুলনীয়।

**টিনা মেধি**
*স্নাতক চতুৰ্থ যাণ্মাসিক*

## Fagun

Fagun O' Fagun!
You came unannounced
to us,
Spreading the essence
of life among us,
You came bringing
the fragrance of mother
earth to us all.
Beauty of nature like
Palash and Shimalu
keeps blooming among
us all.
You came unannounced
to us,
Fagun O' Fagun!

**Hunmili Beypi**
*B.A. 4th Sem, Dept. of Pol. Science*

## Spring Season

I loved the Spring season
Flowers were blooming
and the birds were flying up the sky
birds were chirping.
I loved the Spring season
Spring season was not too hot
and too cold
this is a perfect season for us.
I loved the spring season.
Beauty in nature.

**Serdihun Beypi**
*B.A. 4th Sem, Dept. of Pol. Science*

## Spring Season

Spring! Spring!! So beautiful the season.
As flowers we blooming everywhere
This season changes
the beauty of earth
Spring!
You filled with colours greenary
and colourful.
We heard the chirping
of birds and animals.
Spring! Spring!! So beautiful the season.

**Purnima Beypi**
*B.A. 4th Sem, Dept. of Geography*

## অনূদিত কবিতা

### আমার দেশ

**মূল ঃ অসমিয়া**
**কবি ঃ হীরেন ভট্টাচার্য**
**অনুবাদিকা ঃ ড° জয়ন্তী সাহা**

আমার প্রাণেরও প্রাণের, আমার গানেরও গানের, আমার দেশ।
আমার প্রত্যেকটি কাজে, আমার প্রত্যেকটি চিন্তা এই দেশের বুকে রচনা করে
শস্য-সোনালি ভবিষ্যতের স্বপ্ন। আমার জীবনের আশে আশে
আমার যৌবনের কোষে কোষে সেই স্বপ্নের কল্লোল।

দেশে-দেশে দেশ আছে। এরকম অনেক দেশের আনাচে-বানাচে
আমি ঘুরেছি। অনেক বন্ধুর সঙ্গে হাতে হাত ধরে ভ্রমণ করেছি।
কখনও সাগর পারে, কখনও খেজুর গাছের নীচে, নতুবা
পাহাড়ের পাদদেশে একটু বিশ্রাম করেছি। বন্ধুর সঙ্গে প্রাণ খুলে প্রাণের
কথা বলেছি। তারপর আবার আরম্ভ করেছি নতুন যাত্রা।

এরকম বহু যাত্রার শেষ আমার দেশ। যার বুকের উষ্ণতা আমাকে দিয়েছে
ভালোবাসার আনন্দ, যৌবনের প্রাচুর্য। জীবনের নতুন অর্থ।
এই দেশের প্রত্যেকটি সকাল আমার কাছে লুকিয়ে আনে ঐশ্বর্যের বিপুল সম্ভার
প্রত্যেকটি সন্ধ্যা বয়ে আনে স্নিগ্ধ ফুলের সুবাস। প্রত্যেকটি ঋতু
আমাকে দিয়ে যায় জীবনের আশীর্বাদ।

এই দেশের জন্য আমি বেঁচে আছি। এই দেশের জন্য আমি
বেঁচে থাকতে মরণ পণ করেছি। যোদ্ধা, শ্রমিক, কৃষক
এই সকলের মধ্যে আমি আছি— আমার দেশের জন্য। অনৈক্যের মধ্যে ঐক্য হয়ে, বিরোধের মধ্যে
সংহতির সম্ভাবনা হয়ে আমি আছি।
জীবনে-মরণে, শয়নে-স্বপনে এই দেশের আহ্বান আমি শুনেছি।
শত্রু-মিত্র সবাইকে আমি চিনেছি। তাদের অন্তর আমি বিশ্বাসের
সঙ্গে জিতেছি। শান্তির বিহঙ্গকে গণ্ডুষ ভরে আমি দিয়েছি— ভাঁড়ারের
এক মুঠো ধান, প্রাণের একটি গান।

আরতো আমার কিছুই নেই।
আমার দেশ আমার কল্লোলিত স্বপ্নের উত্তাল তরঙ্গ
আমাকে নিয়ে যায় গভীর থেকে গভীরতর, আদর্শের কঠিন
পর্বত-মূলে...

*অনুবাদিকা ঃ সহযোগী অধ্যাপিকা বাংলা বিভাগ*

# মা

**মূল ঃ বাংলা**
**কবি ঃ শুভ দাশগুপ্ত**
**অনুবাদক ঃ ৰঞ্জয় সাহা**

কেতিয়া কোন মুহূৰ্তত
ল্যামিনেচনত বন্দী হৈ ছবি হৈ গ'লা।
আখল এৰি। বিছনা এৰি পানীকলৰ দাঁতি এৰি
কোন মুহূৰ্তত ছবিত ফচি গ'লা।
তোমাৰ গোসাঁই ঘৰৰ আসন
লখিমীৰ পট, পিতলৰ দীপাধাৰ
ভগবানৰ প্ৰসাদৰ থালি গিলাচ
তোমাৰ পাণৰ টেমা, জৰ্দাৰ পেকেট
তোমাৰ হাৰ্টৰ দৰৱ, মূৰ কামৰণিৰ হোমিও বটল
সকলো পেলাই থৈ
কেতিয়া কোন মুহূৰ্তত তুমি
ল্যামিনেচনত বন্দী হৈ গ'লা!
কেঁচাকলৰ পকৰা, কেঁচা কঁঠালৰ আঞ্জা, পিঠাপুলি
নেমুৰ আচাৰ। আমলখিৰ মুখশুদ্ধি
এইসকল মণিৰত্ন হেৰাই গ'ল।
অফিচ কৰি প্ৰতি সন্ধিয়াত আৰু
সুধিব লগা নহয়— দেহা ভাল আছেনে মা।
দৰৱ আনোতে পাহৰি গৈ আৰু
লাজ পাব লগাও নোহোৱা হ'লো।
কেতিয়া কোন মুহূৰ্তত দৰৱ-চৰবৰ বহু
ওপৰত উঠি গ'লা!
তুমি হাতত ধৰি চিলথত অ, আ লিখাইছিলা।
আজি কবিতাৰ পিছত কবিতা লিখোঁ।
তুমি দেউতা, খুৰা, মামা এইবোৰ কৈ কথা শিকাইছিলা।
তুমি কোন মুহূৰ্তত ছবি হৈ গ'লা মা!
ছবিতো তুমি হাঁহিছা
যেনেকৈ হাঁহিছিলা সদায়।
মোকে এৰি আছা, মই জানো
তোমাৰ ভীষণ মন বেয়া লাগিছে মা।
মোৰো!

*অনুবাদক ঃ সহকাৰী অধ্যাপক, বাংলা বিভাগ*



# বিবিধ

- অণুগল্প
- লিমাৰিক
- কৌতুক
- ৰম্য ৰচনা
- নাটক
- নীলা খামৰ চিঠি
- প্ৰতিবেদন



# কণাৰ লাখুটি

ড° বিশ্বজিৎ দাস

যদিও লাখুটি, আচলতে লাখুটি নহয়, সাৰথিহে। এটা বিৰাট শূন্যতাৰ মাজেৰে বাট বুলি বুলি লক্ষ্যস্থানত উপনীত কৰোৱা লাখুটি। সময়ত হৈ পৰে অদম্য বিশ্বাস, সময়ত হৈ পৰে অনমনীয় দৃঢ়তা।

অথচ লাখুটিৰ নাই প্ৰাণ, নাই অহংকাৰ। প্ৰয়োজন নাথাকিলে নিৰ্জীব হৈ মাটিয়ে বালিয়ে পৰি থাকে, কিন্তু কাষতে থাকে। হাততে পোৱাকৈ বা খেপিয়ালে পোৱাকৈ থাকে।

খোজ দিবলৈ ওলালেই জীপাল হৈ উঠে। সোঁফালে-বাঁওফালে চাই চাই যেন গৈ থাকে এখোজ-দুখোজকৈ, এক বিশ্বাস হৈ, সাহস হৈ।

সৃষ্টি হয় এটা সম্পৰ্কৰ। হাতৰ স্পৰ্শত উমাল আৰু জীপাল হৈ উঠে লাখুটি।

লাখুটি যায় আগে আগে..., সন্তৰ্পণে...।

সম্পৰ্কৰ জৰিয়তে আবেগৰ সৃষ্টি হয়। বুকুত গজি উঠে এখন হৃদয়, নাম দিয়ে— কলিজা।

সৃষ্টি হয় এক বুজাব নোৱৰা অনুভৱৰ। বাঢ়ি আহে স্পৰ্শৰ কামনা, অভিমান আৰু কত যে কি!!

অথচ,

দৃষ্টি লাভ কৰাৰ পাছত প্ৰথম উপেক্ষিত হয় সাৰথি লাখুটিডালৰ। এলাগী গৈ পৰি ৰয় ক'ৰবাত। আবেগ, অভিমান, কামনা ধূলিস্যাৎ হৈ যায়...। লাখুটি আৰু সাৰথি হৈ নাথাকে...

*লেখক ঃ সহযোগী অধ্যাপক, অসমীয়া বিভাগ*

## জোনে কোৱা জোনাকৰ সাধু

**লিজা কলিতা**

ৰাতি চোতালতে বহি জোনটোলৈ চাই থাকোতে ত্ৰিশ বছৰীয়া অনুৰণে মাকলৈ বৰকৈ মনত পেলালে। কিয়নো বিচনাত শুই শুই খেৰি ঘৰৰ মুধচেৰে জোনটোলৈ আঙুলি পোনাই সৰুতে মাকে কৈছিল, "ৰণ, দেখিছানে কিমান যে ধুনীয়া জোনে কোৱা জোনাকৰ সাধু। গতিকে তমসাই আবৰিলে মন; জোনাকত তিতিবা প্ৰতিক্ষণ।"

মাক ঢুকোৱাৰ দহ বছৰ পাছতো কথাষাৰি আৰু স্মৃতিবোৰে অনুৰণক এতিয়াও আমনি কৰি থাকে।

লেখিকা ঃ *স্নাতক চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ*

## প্ৰতিশ্ৰুতি

**দীপা বৰা**

ঃ হেই তই কান্দিছ কিয়? এৰি যাম বুলি ভয় কৰিছ? আমি এৰা-এৰি নহওঁ নহয়। আমাৰ প্ৰতিশ্ৰুতি নাই জানো, "আমাৰ বন্ধুত্ব কেতিয়াও শেষ হ'বলৈ নিদিওঁ" বুলি।

ঃ উঠ! নাকান্দিবি আৰু। আমি সদায় আজিৰ দৰেই থাকিম। আমাৰ বহুত সপোন আছে নহয়...। সেইবোৰ পূৰ কৰিব লাগিব।

— এৰা প্ৰতিশ্ৰুতি আছিল, সঁচা। কিন্তু প্ৰতিশ্ৰুতি সদায় প্ৰতিশ্ৰুতিয়েই হৈ থাকিল। বাগিছাত বহি অথনিৰে পৰা দীপ্তিয়ে তাকেই ভাবি থাকিল।

লেখিকা ঃ *স্নাতক চতুৰ্থ যাণ্মাসিক, ইতিহাস বিভাগ*

## বংশধৰ

**হিমাদ্ৰী বৰা**

পুত্ৰ-বোৱাৰীৰ অত্যাচাৰ সহিব নোৱাৰি বিনন্দী বুঢ়ীয়ে জীয়েক জয়াৰ ঘৰত থাকিবলৈ লয়। মৰমৰ জীয়েক জয়াইও মাকক ওচৰত পাই যথেষ্ট সুখী হয়। পূৰ্বতে মাকৰ আচল ধৰি থকা জয়াই মৰমীয়াল স্বামীৰ লগতে মাকৰ আশীৰ্বাদত জয়াই পুনৰ মাক হ'বলৈ নিজকে মানসিকভাৱে সাজু কৰিলে।

এটা নিৰ্দিষ্ট দিনত জয়াই এজনী পৰীৰ নিচিনা ধুনীয়া কন্যা সন্তান জন্ম দিলে। কন্যা সন্তান জন্ম পোৱাৰ বাবে জীয়েক-জোঁৱায়েকৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল। কিন্তু মাক বিনন্দীৰহে অকণো আনন্দ নালাগিল। কাৰণ জীয়েক জয়াৰ বংশ ৰক্ষা কৰিবলৈ পুত্ৰ সন্তান জন্ম নহ'ল।

লেখিকা ঃ *স্নাতক চতুৰ্থ যাণ্মাসিক, সংস্কৃত বিভাগ*

## দেউতাৰ মজবুত কান্ধখন

**ৰিয়া পাল**

এইবাৰৰ দশহাৰাৰ ঘটনা। ৰাৱণ দহন চাবলৈ আমাৰ পৰিয়ালটো দশহাৰাৰ ফিল্ডলৈ গৈছিলো, য'ত বিশাল ৰাৱণৰ মূৰ্তিটো চাবলৈ এলেকাটোৰ মানুহবোৰ একগোট হৈছিল। কণ কণ ল'ৰা-ছোৱালীবোৰে সিহঁতৰ দেউতাকৰ কান্ধত উঠি আতচবাজী দেখি আনন্দিত হৈছিল। ল'ৰালিৰ দিনবোৰলৈ মনত পৰি মোৰো মনটো ভাল লাগি গৈছিল। কিন্তু, ঠিক তেতিয়াই নাজানো ক'ৰ পৰা পৰিয়াল এটা আহি আমাৰ সন্মুখত থিয় হ'ল। মাকজনীৰ লগত সৰু সৰু তিনিটা ল'ৰা। মানুহজনীৰ গাত সাধাৰণ শাৰী এখন। দুখীয়া পৰিয়াল যেনেই লাগিল। কোলাত এবছৰমান কেঁচুৱা এটি। দেউতাকৰ হাতত ধৰি থকা ল'ৰাটোৱে কান্দি আছিল, সি আতচবাজী চাব বিচাৰিছিল। দেউতাকে তাক কান্ধত তুলি ল'লে। মোৰ আচৰিত লাগিল, এজন চুটি-চাপৰ মানুহে, যিজনে নিজে মানুহৰ ভিৰত একো এটা দেখা নাই, তেওঁ আকৌ সন্তানক কান্ধত তুলি আকাশখন দেখুৱাই আছে, তেওঁ সেই পোহৰবোৰ দেখুৱালে যাক নিজে চাবলৈ অসমৰ্থ।

সঁচাকৈয়ে দেউতাক এনেকুৱা হয়েই, একেবাৰে মজবুত কান্ধৰ।

লেখিকা ঃ *স্নাতক ষষ্ঠ যাণ্মাসিক, সংস্কৃত বিভাগ*

## সপোন

**ভাগ্যলক্ষী বৰা**

মাজনী ভাত খোৱাহি। (মাকে ৮ বছৰীয়া সোণপাহীক মাতিছে)। তায়ো তৎক্ষণাত মজিয়া পালেহি। ভাত খাই থাকোতেই তাই মাকক ক'লে, "এতিয়া অলপ খেলিবলৈ যাম দেই মা।" মাকে উত্তৰত হ'ব বুলি ক'লে। খোৱা শেষ কৰি যাবলৈ লওঁতেই তাইৰ কাণত বাজি উঠিল কিছুমান শব্দ, তাই চক্ খাই সাৰ পায় গ'ল।

এটি ধুনীয়া সপোন ক্ষন্তেকতে ভাঙি গ'ল। আচলতে সেই শব্দবোৰ আছিল তাই কাম কৰা মানুহ ঘৰৰ মালিকণীয়ে তাইক পৰা গালি শব্দহে। তাই খিৰিকীখনেৰে চাই দেখিলে ৰাতি পুৱালে। সকলোৰে পৰা বঞ্চিত ঘাট-মাউৰা অকণমানি সোণপাহীৰ মনটোৱে দুখৰ হুমুনিয়াহ এটা এৰি নিজৰ দৈনন্দিন কামবোৰ কৰিবলৈ উঠি আহিল।

লেখিকা ঃ *স্নাতক ষষ্ঠ যাণ্মাসিক, ৰাজনীতি বিঃ বিভাগ*

# উপহাৰ

**জিম্পী বৰা**

মাধৱে দিনটো লোকৰ ঘৰত হাজিৰা কৰি কোনোমতে ঘৰখন চলায় আছে। তাতে তেওঁ এটি সপোন পুহি ৰাখিছে, তেওঁৰ একমাত্ৰ সন্তান মৃণালক পঢ়াই-শুনাই ডাঙৰ মানুহ কৰিব বিচাৰে। সেইবাবে তেওঁ তেজক পানী কৰি তাক শিক্ষিত কৰি তুলিলে। কিন্তু সি ডাঙৰ হৈ দেউতাকে তাক ইমানবোৰ দিয়াৰ প্ৰতিদান হিচাপে বৃদ্ধাশ্ৰম উপহাৰ দিলে।

লেখিকা ঃ *স্নাতক চতুৰ্থ যাণ্মাসিক, ইংৰাজী বিভাগ*

# যৌতুক

**নিশিতা কাশ্যপ**

মালতীয়ে তেওঁৰ একমাত্ৰ বোৱাৰীয়েকৰ ঘৰৰ পৰা কুটা এগছো আনিবলৈ নিদিলে। কিন্তু জীয়েক বৈষ্ণৱীৰ বিবাহৰ বাবে দৰাঘৰৰ পৰা অহা যৌতুকৰ দাবীয়ে মালতীক হতাশ কৰিলে। তেওঁ সিদ্ধান্ত ল'লে— কোনো কাৰণতে যৌতুক নামৰ এই অভিশাপটোক তেওঁৰ ঘৰত প্ৰৱেশ কৰিব নিদিয়ে। দৰকাৰ হ'লে জীয়েক গোটেই জীৱন অবিবাহিত হৈ থাকিব

লেখিকা ঃ *স্নাতক চতুৰ্থ যাণ্মাসিক, হিন্দী বিভাগ*

## লিমাৰিক -১

(১)
সৰাপাতৰ উচুপনিত টোপনি ভাগে
ৰাতিপুৱা সাৰি-পুচি পেলাই দিব লাগে
গছৰ ডালত পৰি কুলিয়ে মাতে
মো নতুন ঘৰটো সৌ তাতে
দুষ্ট নকৰাকৈও গালি মইহে খাব লাগে।

(২)
হাতত নাই তাৰ এটকাও ধন
ইফালে তাৰ বিয়া পাতিবৰ মন
কইনা পাবি ক'ত
ইফালে মাহো চ'ত
খেতি কৰিবলৈও নাই মন।

(৩)
কুলি-কেতেকীৰ বিননি
ছিৰিয়েল দিছে ৰাগিনী
টিভি হে চাম
নাই একো কাম
পথাৰ ভৰা দাৱনী।

(৪)
জহনীত যোৱা হাৰামজাদা এইবোৰ গালি
বাপেৰক জোকাই লৈ মজাটো পালি
জোকাবলৈ কি দৰকাৰ
জানইচোন নামেই চৰকাৰ
এতিয়া কিয় পলাইছ বোকা ফালি।

(৫)
বিহুৰ বতৰত ঢোল-পেঁপা বাজে
নাচনীবোৰ আহে লাজে লাজে
গৰু ছালৰ ঢোল
নকৰিবি ভুল
বৰষুণ আহিব যেন পূবলৈ মেঘে গাজে।

**গীতিমণি গোহাঁই**
*স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*

## লিমাৰিক -২

(১)
লিমাৰিক লিমাৰিক আপদীয়া পদ্য,
ছন্দ মিলাই লিখিবা নহয় ই গদ্য,
নোৱাৰিলে দুখ নাই
চেষ্টাৰ অসাধ্য নাই
তথাপিতো নোৱাৰিলে শিকা গীত-বাদ্য।

(২)
ৰাতিপুৱা শুই উঠি ফলি-পুথি ল'বা
একান্ত মনেৰে নেওতাখনি পঢ়িবা
অংকত হ'বা পকা
পাৰ্গত সন্মান পাবা
সদায় শিক্ষাগুৰুৰ আদৰৰ হ'বা।

(৩)
ভুল কৰি কাশীধাম নামি দেখে নৈনী
হাওৰাত থাকি গ'ল সৰুজনী ঘৈণী
মচি উঠি জ্বৰ ঘাম
ল'লে তেওঁ ৰাম নাম
মুটিয়াই সুধিলেহি লাগে নেকি খৈনী।

(৪)
ক'ৰোণাৰ বাবে দেশ হৈ আছে লক্ ডাউন
বজাৰ-পাতি শেষ হ'ল যাব লাগে টাউন
নগ'লে নভৰে যে পেট
পুলিচে দিব নেকি ভেট
ভাবি ভাবি সাজু হ'লোঁ পিন্ধিলৈ গাউন।

(৫)
বাপুকণে পাছ কৰিলে পৰীক্ষাত আজি
দেউতাকে হাঁহ এটা আনিলে খাবলে' ভাজি
হ'লেই যেনিবা দুবাৰ ফেইল
তাক যে লাগে চাইকেল
তৃতীয়বাৰ পাছ কৰাত দেউতাক হ'ল ৰাজী।

(৬)
কালিলৈ নথ'বা আজিৰ কাম আজিয়েই কৰা
দেউতাকৰ কথা নুশুনা সিহে একোৰ চৰা
খোৱাৰ কাম আজি কৰা
পঢ়াবোৰ হ'লে পিছলে' থোৱা
কালিলে' পঢ়িম বুলি ৰাতি গণে আকাশৰ তৰা।

(৭)
খাই খাই সদায় কাণপুৰীয়া আলু
ভাতপুৰীয়া কনক হৈ গ'ল বৰ চালু
কি চাবা ভেম
লৈ ফুৰে মেম
কিবা এষাৰ ক'লেই খঙে চুৰে তালু।

(৮)
লেৰেলা সাদৰ দেখাই সোধে খাবানেকি লাডু
মই জানো কাইলৈ খুজিব এপাত খাডু
এয়ে ঘৰৰ লখিমী
যেন এজনী যখিনী
নেলাগে বুলি ক'লেই লৈ আহিব হাতত ঝাৰু।

(৯)
অসম আই জননী দিনে ৰাতি ফালে টেঁটু
দুই তিনি দিন চিঞৰি নেতা হোৱাৰ হেতু
ল'ৰা ছোৱালী বিদেশত
আপোন ৰাইজ বন্ধকত
অসমীয়াৰ তেজ শুহা এইমখা বাহু নে কেতু?

**কৰবী ভূঞা**
*স্নাতক চতুৰ্থ যাণ্মাসিক, সংস্কৃত বিভাগ*

মমতাৰ আঁচলেৰে চকুলো মচিম বুলি কাকুতি কৰি
সকলো লজ্জা সামৰি পঞ্চপুত্ৰৰ মোহত পৰি কৰ্ণৰ ধৰিলে ভৰি
জন্মতে নিদিলে চিনাকি
বিয়লি বেলা দিলে চিনাকি।
অত দিনে জ্যেষ্ঠ পুত্ৰলৈ মনত পৰি এবাৰো নাখালে পিছল কুন্তীৰ ভৰি।

**লিজা কলিতা**
*স্নাতক চতুৰ্থ যাণ্মাসিক, অসমীয়া বিভাগ*

## লিমাৰিক -৩

আমাৰ এজনী ভণ্টী আছে
তাইৰ নাম জুণ্টি দিছে
তাই বৰ দুষ্ট
দিয়ে সকলোকে কষ্ট
অকণমান লাই পালেই মূৰত উঠি নাচে।

**ডিম্পী শৰ্মা**
*স্নাতক চতুৰ্থ যাণ্মাসিক, সংস্কৃত বিভাগ*

## লিমাৰিক -৪

দুদিন নহওঁতেই সীমাই আহি ভাগ কৰিলে যৌথ পৰিয়াল
দাংকাটি তিৰোতা পোৱা এই ঘৰখনৰ কিযে কপাল
মুখখন লাওপাত-কচুপাত
মুখেৰে ওলাই বেয়া মাত
অতপালি সহিব নোৱাৰি গিৰীয়েকে চৰত ফালিলে গাল।

**ভাগ্যলক্ষ্মী বৰা**
*স্নাতক ষষ্ঠ যাণ্মাসিক, ৰাজনীতি বিঃ বিভাগ*

## লিমাৰিক -৫

(১)
পবিত্ৰ বৃত্তিৰে সমাজত তেওঁ হ'ল সাংবাদিক
ঘৰত বহি বাতৰি সাজে সাংঘাতিক সাংঘাতিক
চৰকাৰৰ উন্নয়ন
মন্ত্ৰীৰ পকেটৰ ধন
চৰকাৰী প্ৰশস্তিত ৰাইজৰ হেৰাই দিক্‌-বিদিক।

(২)
সন্ত যেন আমাৰ মন্ত্ৰী মহাশয়ে কৰে সমাজ সেৱা
ৰাইজে দেখাই নাপায় দালালেৰে অগা-দেৱা
হাতত নাই ধন-বিত
কিযে তেওঁ নিমাখিত
পত্নীৰ একাউণ্টতহে টকাৰ ভৰত থাকিবও নোৱাৰে হাৰা

(৩)
পবিত্ৰ বৃত্তিৰে সমাজত তেওঁ হ'ল সাংবাদিক
ঘৰত বহি বাতৰি সাজে সাংঘাতিক সাংঘাতিক
চৰকাৰৰ উন্নয়ন
মন্ত্ৰীৰ পকেটৰ ধন
চৰকাৰী প্ৰশস্তিত ৰাইজৰ হেৰাই দিক্‌-বিদিক্।

**ৰ'জী দেৱী**
*স্নাতক চতুৰ্থ যাণ্মাসিক, ভূগোল বিভাগ*

# কৌতুক-১

সংগ্ৰাহক ঃ **কৰবী ভূঞা**
*সংস্কৃত বিভাগ*

১) শিক্ষক ঃ তোমাৰ আজি স্কুললৈ আহোতে কিয় দেৰি হ'ল হা?

সুপন্দি ঃ ছাৰ, মা আৰু দেউতাই দুয়োজনে কাজিয়া কৰি আছিল।

শিক্ষক ঃ তাতে তোমাৰ দেৰি হ'ব লগা কাৰণ কি?

সুপন্দি ঃ ছাৰ, মোৰ স্কুলৰ এপাত জোতা মায়ে হাতত লৈ আছিল আৰু এপাত জোতা দেউতাই লৈ আছিল।

২) শিক্ষক ঃ শীতকালত চৰাইবোৰে দক্ষিণ দিশলৈ কিয় উৰি যায়?

ছাত্ৰ ঃ কাৰণ খোজকাঢ়ি যোৱাতকৈ উৰি যাবলৈ সহজ হয়।

৩) শিক্ষক ঃ কচোন নগেন ভাৰতত আৱিষ্কাৰ হোৱা আটাইতকৈ পুৰণি যন্ত্ৰটোৰ নাম কি?

নগেন ঃ ছাৰ ভাৰতত আৱিষ্কাৰ হোৱা আটাইতকৈ পুৰণি যন্ত্ৰটোৰ নাম হ'ল 'ষড়যন্ত্ৰ'। ই মহাভাৰতৰ যুদ্ধতকৈ পুৰণি আৰু কোনো মেৰামতি নকৰাকৈ আজি পৰ্যন্ত সক্ৰিয় হৈ আছে ছাৰ।

৪) শিক্ষয়িত্ৰী ঃ তোমাক মই বহুত দিনৰে পৰা চাই আছো। তুমি ইমান পলমকৈ স্কুললৈ আহা কিয়?

ছাত্ৰ ঃ মোৰ বাবে ইমান চিন্তা নকৰিব না বাইদেউ, লগৰবোৰে এনেয়ে সন্দেহ কৰিব।

৫) শিক্ষক ঃ গছৰ পৰা ফল তলত কিয় পৰে?

ছাত্ৰ ঃ ছাৰ, ওপৰত খোৱা মানুহ নাই যে।

৬) শিক্ষক ঃ পাপু, যদি আন্তৰিক হৃদয়েৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা হয় তেতিয়া নিশ্চয় সফল হয়।

পাপু ঃ বাদ দিয়ক হে ছাৰ, যদি তেনেকুৱা হোৱা হ'লে আপুনি আজি মোৰ ছাৰ নহয়, মোৰ শহুৰ হ'লহেঁতেন।

৭) অভয় ঃ ককা আপুনি শুই থাকিলেও চশমা কিয় পিন্ধে?

ককা ঃ যাতে মই সপোনবোৰ স্পষ্টকৈ দেখোঁ।

৮) গ্ৰাহক ঃ দাদা বহী আছে নেকি?

দোকানী ঃ অ' বহি আছো।

গ্ৰাহক ঃ নহয় বহী আছে নেকি?

দোকানী ঃ অ' ৰে বহি আছো কি হ'ল তোৰ?

গ্ৰাহক ঃ বহী মানে কপি (Copy) আছে নেকি?

দোকানী ঃ ক'তনো কঁপি আছোঁ ভালকেই বহি আছো।

গ্ৰাহক ঃ নহয় মানে আপোনাৰ দোকানত বহী আছেনে বাৰু?

দোকানী ঃ নহ'লে কি তোৰ বাপেৰৰ দোকানত বহি আছো নেকি হা?

# কৌতুক -২

সংগ্ৰাহক ঃ **গীতিমণি গোহাঁই**
*স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ*

১) দেউতাক ঃ (পুতেকৰ পৰীক্ষাৰ আগদিনা দেউতাকে সুধিলে) কাইলৈ পৰীক্ষা নহয়, সকলোবোৰ ৰেডী নে?

পুত্ৰ ঃ (হাঁহি মাৰি) হয় দেউতা কলম, পেঞ্চিল, বেগ, জোতা, কাপোৰ চব ৰেডী হৈ আছে মাত্ৰ পঢ়াটো বাকী আছে।

২) মাক ঃ (জীয়েকে পলাই বিয়া পতাৰ পিছত) মাজনী তুমি ভাবি চাইছানে? জীৱনত বহুত কিবা-কিবি কৰিব পাৰিলাহেঁতেন বিয়া পাতি নিজৰ জীৱনটো কিয় ধ্বংস কৰিলা?

জীয়েক ঃ (দুখ মনেৰে) তুমি ঠিকেই কৈছা জীৱনত বহুত পথ আছিল কিন্তু কি কৰিবা মই পথাৰেদি পোনাই দিলো।

৩) ১ম বন্ধু ঃ হেৰা বন্ধু তোমাৰ দেখিছো একেবাৰে ধৈৰ্য বোলা বস্তুটো নাই।

২য় বন্ধু ঃ এৰা বন্ধু মোৰ ধৈৰ্যৰ কথানো কি ক'ম মৰ্টনৰ বাকলি গুছাব নোৱাৰিলে পলিথিনে-চলিথিনে খাই দিয়া ধৰণৰ মানুহ মই।

৪) শিক্ষক ঃ বাহুল কচোন শগুণৰ ইংৰাজী কি?
ৰাহুল ঃ নাজানো ছাৰ।
শিক্ষক ঃ কোনেও নোবাৰিলি নহয় নে? সেই শেষৰ ফালে কোনে ক'বি?
বিমল ঃ (সেমেনা-সেমেনি কৈ) ভালছাৰ।
শিক্ষক ঃ সেয়া দেখোন পাৰিলি।

# কৌতুক- ৩


সংগ্ৰাহক ঃ **হিমাদ্ৰী বৰা**

*স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ*


১) পৰীক্ষাত ফেল কৰিলে বিয়া পতায় দিম।
এই কথাষাৰ ছোৱালীক নকৈ ল'ৰাক ক'লে ৯৯% ল'ৰাই ফেল কৰিলেহেঁতেন।
২) দেউতা ঃ তোৰ ৰিজাল্ট ইমান বেয়া কিয়?
মই ঃ ভাল মানুহৰ লগত সদায় বেয়াই হয়।
৩) অন্ধ ঃ চা আকাশত ইমান চৰাই উৰি আছে।
লেঙেৰা ঃ চাল্লা, বাপেৰৰ মূৰটো দেখিছ... এক লাঠ মাৰিম।
ভিক্ষাৰী ঃ মাৰ চাল্লা ইয়াক, যিমান টকা লাগে মই দিম।
পগলা ঃ ইহঁতে মানুহ পগলা কৰি দিব দে... হাঁ...হাঁ...হাঁ...।
৪) শিক্ষক ঃ লিঙ্গ পৰিৱৰ্তন কৰা।
ছাত্ৰ ঃ লাখ টকা দিলেও নকৰো।
৫) দেউতাক ঃ এজনী গাই গৰুৱে দিনে ৪ লিটাৰ গাখীৰ দিলে সপ্তাহত কিমান লিটাৰ গাখীৰ দিব?
জীয়েক ঃ দেউতা ২৪ লিটাৰ।
দেউতাক ঃ কেনেকৈ ২৪ লিটাৰ হ'ব?
জীয়েক ঃ ৰবিবাৰে যে বন্ধৰ দিন দেউতা।

# কৌতুক-৪


সংগ্ৰাহক ঃ **ৰিয়া পাল**

*স্নাতক ষষ্ঠ ষাণ্মাসিক, সংস্কৃত বিভাগ*


১) হঠাৎ মাথাই মাথাই খুন্দা খালে—
অন্য দেশত ঃ I am sorry.
আমাৰ অসমত ঃ মাথাটো আৰু এবাৰ খুঁজাই দিওঁ, নহ'লে শিং গজিব।
২) অমিত ঃ ককা আপুনি শুই থাকিলেও চশমা কিয় পিন্ধে?
ককা ঃ যাতে মই সপোনবোৰ স্পষ্টকৈ দেখো।
৩) ল'ৰা এজনে মোনা এখন চুৰ কৰোঁতে ধৰা পৰিল।
পুলিচ ঃ এনেদৰে বস্তু চুৰ কৰি তুমি নিজৰ জীৱনটো কিয় ধ্বংস কৰি আছা? তুমি কোনো ভাল কাম নকৰা কিয়?
ল'ৰা ঃ কি কৰিম? আমাৰ স্কুল ছুটি হোৱা সময়লৈকে আটাইবোৰ বেংক প্ৰায় বন্ধ হৈ পৰে।
৪) ৰাতি ভাত খোৱাৰ লগে লগে শুব নাপায়।
সেই কাৰণে অলপ সময় ফেচবুক আৰু হোৱাটচ্ এপ চলাব লাগে যাতে খোৱাখিনি হজম হয়।

# কৌতুক -৫


সংগ্ৰাহক ঃ **ভাগ্যলক্ষী বৰা**

*স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*


১) ৰোগী ঃ ছাৰ আপুনি প্ৰেচক্ৰিপচনৰ একেবাৰে ওপৰত লিখা দৰবটো ক'তো বিচাৰি পোৱা নাই।
ডাক্তৰ ঃ হয় নেকি? বাৰু চাওঁ কাগজখন দিয়াচোন।
ৰোগী ঃ হয় ছাৰ, এইখন চাওঁক।
ডাক্তৰ ঃ অ' এইটো দৰৱ লিখা নাছিলোঁ নহয়, কলমটোৱে ধৰে নে নধৰে চেক্ কৰি চাইছিলো।



রম্য ৰচনা

# লটি-ঘটি

## হিমাদ্ৰী বৰা

নগাঁও টাউনত থকা আমাৰ নতুন মাটিখিনিৰ কাষত তেজপুৰৰ নিৰ্মল বৰা নামৰ কোনোবা এজনে নতুনকৈ মাটি কিনি ঘৰ সাজি আছে। খুড়াকে চোৰা-চিতা কৰে। সদায় সীমাৰ বাবে কাজিয়া কৰে। জেওৰা ঠেলে। ভাইটিয়ে অধীৰ হৈ এদিন মোক ফোন কৰিলে আৰু ক'লে যে তয়ে কিবা এটা কৰ। কিবা এটা কৰিব দিয়াৰ বাবে মই নিৰ্মল বৰাৰ ফোন নাম্বাৰটো লৈ কিবা এটা ভালৰ কাৰণে হওক বুলি এদিন ফোন লগালো। তেওঁক ফোনটো লগাই মই ভদ্ৰভাৱেৰে কথাবোৰ ক'লো কিন্তু তেওঁ কেটেৰা-জেঙেৰা মাৰি খঙহে কৰিলে। বহুত অভদ্ৰ ব্যৱহাৰ নজনা মানুহ এইটো। আমাৰ কথাবোৰৰ মাজত বিতৰ্কৰহে সৃষ্টি হ'ল। মই তেতিয়া খঙতে ক'লো— "তেজপুৰৰ পৰা আহি ইয়াত উস্তাদ আৰু অভদ্ৰামী কৰিব আহিছে। ডিঙি, হাত, ভৰি কাটি তোৰ মাটিতেই পুতি থ'ম। চিনি পোৱা নাই তই।" তেতিয়া বৰাই ক'লে— "থ থ তই মোৰ চুলি এডালো ছিঙিব নোৱাৰ।" কথাষাৰ তেনেকৈ কোৱাত মোৰ আৰু খং উঠিল। সিহঁতেই ভুল কৰিব আৰু সিয়েই কথা শুনায়। এইবোৰ কথা এনেকৈ এৰি দিলে নহ'ব বুলি ভাবি শকত-আৱত আৰু মাৰপিট কৰা লগৰ কেইটাক লৈ তেজপুৰ ওলালো। লগৰকেইটাৰ বহুত খং মোক তেনেকৈ কোৱা দেখি। ভাল বৰলৰ বাঁহটোক জোকাই লৈছ তই বুলি কৈ বাটত এটায়ে বৰাৰ চুলি ছিঙিবলৈ বা খুৰাবলৈ ক্ষুৰ এখন কিনিলে। এসময়ত গৈ বৰাৰ ঘৰ পালোগৈ। দৰ্জাখন ঢকিয়াই দিলো লগে লগে মাইকী এজনী ভিতৰৰ পৰা ওলাই আহিল। তেতিয়া ময়ে ক'লো বৰাক অলপ লগ কৰিবলৈ আহিছিলো পামনে তেওঁক? মহিলাগৰাকীয়ে এবাৰ আমালৈ চাই ভিতৰত থকা বৰাক চিঞৰিলে— হেৰা, তোমাক লগ কৰিবলৈ কোনোবা আহিছে। লগৰকেইটা তেতিয়াই সাজু হ'লেই বৰাক মাৰিবলৈ। ময়ো দাঁত কৰচি উঠিলো। চাল্লা তোৰ চুলি ছিঙিহে এৰিম নহ'লে মোৰ নামো প্ৰতাপ নহয়। আজি গম পাবি মোক ৰ মই কি বস্তু। ঠিক সেই সময়তে হাফপেণ্ট আৰু গেঞ্জী পিন্ধা এজন মানুহ ওলাই আহি থিয় দিলেহি। আমি আটাইকেইটা ৰ' লাগি চাই ৰ'লো। কিন্তু এয়া কি দেখিলো হে ভগৱান। ইচোন... ইচোন এটা তপা। মহাতপা! মোৰ মূৰটো তাতেই ঘূৰাই গ'ল। আৰু বৰাই ক'লে— তই মোৰ চুলি এডালো ছিঙিব নোৱাৰ। কাৰণ মোৰ মূৰত এডালো চুলি নাই হে...হে। পইচাকেইটাও গ'ল তোৰ।

লেখিকা ঃ *স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ*

# লাজ পালে

## ৰ'জী দেৱী

শিশুসকল হ'ল ভৱিষ্যতৰ নাগৰিক। শিশুসকলে সকলো কথা ঘৰখন তথা পিতৃ-মাতৃক অনুকৰণ কৰে। তেওঁলোকে বয়োজ্যেষ্ঠসকলৰ পৰা সকলো অনুকৰণ কৰিবলৈ চেষ্টা কৰে। আজি মই কেইটামান শিশুৱে অনুকৰণ কৰা কাৰ্যকে দাঙি ধৰিলো। সেইকেইটা হাস্য নে মধুৰ আপোনালোকে জানিব পাৰিব।

এখন ঘৰত এদিন শাহু আৰু বোৱাৰীৰ মাজত বহুত কাজিয়া লাগি আছিল। ক'ৰবাৰ পৰা ঘৰৰ মানুহজন আহি খঙতে তহঁতৰ পৰা শান্তি নহ'ল বুলি মাক আৰু ঘৈণীয়েকক গালি পাৰিব ধৰিলে। খঙতে ঘৰৰ কিবাকিবি বস্তু ভাঙিলে। সেইখন ঘৰত এটি চাৰি বছৰীয়া ল'ৰা আছিল। দেউতাকৰ কাণ্ড দেখি সিও লগে লগে ঘৰৰ কিবাকিবি বস্তু বাহিৰলৈ দলিয়াব ধৰিলে আৰু দেউতাকৰ দৰে ক'বলৈ ধৰিলে— তহঁতৰ পৰা শান্তি নহ'ল। লগে লগে ঘৰখনৰ কাজিয়াও বন্ধ হ'ল আৰু দেউতাকে বৰ লাজ পালে।

আন এখন ঘৰৰ কথা। ঘৰখনত মাক, ল'ৰা, বোৱাৰী আৰু এটা সৰু ল'ৰা আছিল। সিহঁতৰ এটা বৰ ধুনীয়া ঘৰ আছিল। কিন্তু মাকক এটা সৰু পঁজাঘৰত ৰাখিছিল আৰু খোৱা-বোৱাতো বহুত কষ্ট দিছিল। এদিন ল'ৰাটোৱে ক'বলৈ ধৰিলে, দেউতা আৰু অলপ ৰ'বা মই এটি ঘৰ সাজি আছো। দেউতাকে ক'লে আমাৰ দেখোন ধুনীয়া ঘৰ এটা আছে আৰু কিয় ঘৰ লাগে। তেতিয়া ল'ৰাটোৱে তপৰাই ক'লে যে— তোমালোকে যেতিয়া বুঢ়া হ'বা তেতিয়া আইতাৰ দৰে তোমালোককো সেই ঘৰটোত থ'ম। তেতিয়া মানুহজনে মাকক কৰা ব্যৱহাৰৰ বাবে বৰ লাজ পালে।

লেখিকা ঃ *স্নাতক চতুৰ্থ ষাণ্মাসিক, ভূগোল বিভাগ*

# পিপাসু বনভোজ দল

গীতিমণি গোহাঁই

এইবাৰ বনভোজ খাবলৈ যাব লাগিব বুলি জগু তপাই তাৰ গেলামালৰ দোকানৰ আড্ডাত তাৰ লগৰকেইটাক জনাই দিলে। আৰু বনভোজ খাবলৈ যোৱাসকলৰ বাবে এখনি নিয়মাৱলী প্ৰস্তুত কৰাৰ দায়িত্ব দিলে তাৰ দোকানৰ ছেলচমেন ভীমক। পিছদিনা ভীমে জগুক দিয়া নিয়মাৱলী খন—

**'পিপাসু বনভোজ দল', ২০২৩**

সমিতিৰ সিদ্ধান্তমৰ্মে নতুন সদস্য ভৰ্তিৰ বাবে প্ৰ-পত্ৰ বিতৰণ কৰি থকা হৈছে। ইচ্ছুক ব্যক্তিয়ে তলত উল্লেখিত নিয়মাৱলীসমূহ অধ্যয়ন কৰি সম্পাদকৰ পৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ আহ্বান জনোৱা হৈছে।

**সদস্যপদ প্ৰাপ্তিৰ যোগ্যতা**

১) সুললিত কণ্ঠৰ অধিকাৰী হ'ব লাগিব। (স্নানাগাৰৰ সংগীত বিশাৰদ হব লাগিব)

২) চিএঞৰ বা সুন্থৰি উচ্চ স্বৰত পৰিৱেশন কৰিব পাৰিব লাগিব।

৩) পিকনিকলৈ লৈ যোৱা বাহন বোকাত সোমাই পৰিলে আধা কিলোমিটাৰ পৰ্যন্ত ঠেলি আনিব পৰা শাৰীৰিক আৰু মানসিক শক্তিৰ অধিকাৰী হ'ব লাগিব।

৪) অত্যাধিক সোমৰস পান কৰি নিদ্ৰামগ্ন সতীৰ্থক কান্ধত তুলি আনিব পৰা শক্তিৰ অধিকাৰী হ'ব লাগিব।

৫) আঠ পেগ পৰ্যন্ত সোমৰস পান কৰি খাদ্য প্ৰস্তুত কৰা প্ৰমাণ-পত্ৰ লগত আনিব লাগিব।

৬) আঠ পেগ পৰ্যন্ত সোমৰস পান কৰি হজম কৰিব নোৱাৰিলে সদস্য পদ বাতিল কৰা হ'ব।

৭) সোমৰস পান কৰি শ্বেতধূম্ৰদণ্ডত ওলোটাকৈ অগ্নি সংযোগ কৰাৰ অপৰাধত বিলনিয়াৰ ভাৰ পৰিব পাৰে।

৮) half এটা একেবহাতে ছিঙিব পাৰিলে 'পিপাসু' উপাধিৰে বিভূষিত কৰা হ'ব।

৯) প্ৰিপেড/পষ্টপেড নাম্বাৰৰ লগত সঘনাই সংযোগ কৰি থকা ভিজিলেঞ্চ টিমৰ চকুত ধৰা পৰিলে মোবাইল জব্দ কৰা হ'ব লগতে জৰিমনা বিহা হ'ব।

১০) এক বস্ত্ৰৰ পৰিধান কৰি নদী বা জান-জুৰিত নিৰ্লজ্জ-নিসংকোচভাৱে স্নান কৰাৰ অভিজ্ঞতাৰ অধিকাৰী হ'ব লাগিব।

সভাপতি / সম্পাদক

**পিপাসু বনভোজ দল**

অস্থায়ী কাৰ্যালয় ঃ সম্পাদকৰ বাসগৃহ

গৈ নোপোৱা গাঁও, ৰজনাখাত

*লেখিকা ঃ স্নাতক ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ*

নাটক

# ৰিজাল্ট

গীতিমণি গোহাঁই

চৰিত্ৰসমূহ ঃ

১) বিমল (এজন খেতিয়ক)

২) সেউতী (বিমলৰ ঘৈণীয়েক)

৩) ৰজনী (বিমলৰ পুত্ৰ)

৪) বিমান হাজৰিকা (প্ৰধান শিক্ষক)

৫) অশোক (ৰজনীৰ বন্ধু)

৬) ৰেণুকা (ৰজনীৰ ভনীয়েক)

## প্ৰথম দৃশ্য

(এখন সৰু ঘৰ। পাকঘৰত বস্তা এখন পাৰি বহি ৰজনীয়ে পঢ়ি আছে। মাকে ভাত ৰান্ধি আছে। দেউতাক পথাৰৰ পৰা আহি ৰজনীৰ কাষতে বহিল আৰু ৰজনীৰ মূৰত হাত থৈ ক'লে—)

**বিমল ঃ** ৰজনী তোৰ ওপৰতে মোৰ সকলো ভৰসা ভালদৰে পঢ়া-শুনা কৰি ডাঙৰ মানুহ হ'ব লাগিব।

**ৰজনী ঃ** জানো দেউতা। আপুনি মোক পঢ়া-শুনাই ডাঙৰ মানুহ কৰিবলৈকে দিনক ৰাতি, ৰাতিক দিন কৰি কাম কৰিছে।

**সেউতী ঃ** হ'ব হ'ব তহঁতৰ অকল এইবোৰেই কথা কপালত চাকৰি-বাকৰি থাকিলে এনেও হ'ব। ভাত বাঢ়িম এতিয়া আপুনিও হাত-মুখ ধুই আহক। (বিমললৈ চাই ক'লে)

**ৰজনী ঃ** মা, ভনীক দেখা নাই যে তাই ক'লৈ গ'ল?

**সেউতী ঃ** তাইক দোকানলৈ পঠিয়াইছো। আহিব ৰহ কিয়নো লাগে থাকিলেচোন কাজিয়াই কৰি থাক। (মাকে ধেমালিৰ সুৰত ক'লে)

**ৰজনী ঃ** হ'ব হ'ব মই এনেই হে সুধিছো।

(ৰেণুকাই হাতত এটা মোনা লৈ গান গাই গাই সোমাই আহিল)

**ৰেণুকা ঃ** মা লোৱা তোমাৰ বজাৰ। (মাকৰ হাতত মোনাটো দিলে)

**ৰজনী ঃ** ৰেণু তই মোৰ জ্যামিতিটো লৈছিলি নেকি? কালিৰ পৰা পোৱা নাই মোক আজি স্কুলত লাগিব তই যদি দেখিছিলি মোক দিবি।

**ৰেণুকা ঃ** দাদা মোৰ হাতত আছে মই কালি স্কুললৈ লৈ গৈছিলো। জ্যামিতি এটাহে পাপাই মোক কেতিয়া জানো আনি দিয়ে। কৈছিলো, পইচা নাই বুলি কৈছে। (তাই দুখ মনেৰে ক'লে)

**ৰজনী ঃ** হ'ব দে মই মেট্ৰিক পৰীক্ষা দিয়াৰ পিছতেই তোক দি দিম একেবাৰে হ'ব নে?

**ৰেণুকা ঃ** সঁচা নে?

**ৰজনী ঃ** অ'তো মিছা কথা মই নকওঁ দেই আঁকবীজনী যা এতিয়া স্কুল যাব লাগিব নহয়। (ৰজনীয়ে ভনীয়েকৰ বেণীডালত টানি দিলে)

**ৰেণুকা ঃ** (অভিমান কৰি) মা দেখিছানে দাদাই মোৰ চুলিত ধৰিছে।

**সেউতী ঃ** তহঁত দুইটা যা দেই এইখিনিৰ পৰা। লাগি নাথাকিলে নহয়নে দেউতাক মাত আৰু দুইটা স্কুললৈ ওলাগৈ যা। মই ভাত বাঢ়ি দিছো খাই লহি গোটেইকেইটাই। (সেউতী ভাত বঢ়াত লাগিল)

## দ্বিতীয় দৃশ্য

(ৰজনী আৰু ৰেণুকা দুইটা স্কুললৈ বুলি ওলাই যায়। হাতত তামোলৰ বঁটাটো লৈ সেউতী চোতালত বহে। বিমল আহি সেউতীৰ কাষতে বহে।)

**বিমল ঃ** হেৰা, এইবাৰ খেতিও বৰ ভাল নহয় বুজিছা। (চিন্তিত মনে)

**সেউতী ঃ** এৰা কিনো কৰিব কওক ভগৱানে নিদিলে উপায়তো নাই। ইমান অভাৱ-অনাটনৰ মাজত কেনেবাকৈ যদি

মাজনীও গাভৰু হয় কিযে কৰিম ভাবিলেই ভয় লাগে।

**বিমল ঃ** এৰা তায়ো ডাঙৰেই হ'ল। ৰজনীৰ পৰীক্ষালৈও বেছি দিন নাই। তাক ক'বলৈও বেয়া লাগে কেনেকৈ পঢ়াই-শুনাই চাকৰি-বাকৰি এটা গোটাই দিব পাৰো, ৰাতিও সেইবোৰকে ভাবি থাকো।

**সেউতী ঃ** হ'ব দিয়ক ভগবানে চকু মেলি চাব এদিন।

## তৃতীয় দৃশ্য

(স্কুলৰ দৃশ্য। ৰজনী আৰু তাৰ অন্তৰংগ বন্ধু অশোক একেলগে বহি পৰীক্ষাৰ কথা আলোচনা কৰি আছিল। তেনেতে প্ৰধান শিক্ষক বিমান হাজৰিকা আহি সিঁহতৰ কাষতে বহিলহি।)

**বিমান ঃ** অশোক, ৰজনী পঢ়া-শুনা কৰি আছানে? পৰীক্ষালৈ কিন্তু বেছি দিন নাই।

**অশোক ঃ** হয় ছাৰ ভালদৰে পঢ়িছো।

**ৰজনী ঃ** ময়ো পঢ়িছো ছাৰ কিন্তু...

**বিমান ঃ** কিন্তু কি? কিবা অসুবিধা হৈছে যদি মোক মুকলিকৈ ক'ব পাৰা।

**ৰজনী ঃ** ছাৰ আমাৰ ঘৰৰ অৱস্থাৰ কথাটো জানেই। (তাৰ চকুলো ভৰি আহিল)

**বিমান ঃ** আৰে আৰে ইমান ডাঙৰ ল'ৰাই কান্দিলে বেয়া দেখি। কোৱা কি হৈছে?

**ৰজনী ঃ** মোৰ কেইখনমান কিতাপ কিনিবলৈ আছে বৰ দৰকাৰী, কিন্তু ঘৰত টকাৰ অভাৱ। দেউতাক ক'বলৈকে বেয়া লাগি আছে।

**বিমান ঃ** সেইটোনো কথা হ'লনে? কি কি লাগে মোক জনাবা মই আনি দিম। ভাল ৰিজাল্ট কৰিব লাগিব নহয়। এতিয়া তোমালোক বহা মই অলপ অফিচৰ পৰা আহোঁ। (অশোক আৰু ৰজনীৰ মুৰত হাত ফুৰাই বিমান হাজৰিকা গহীন গহীন খোজেৰে পাৰ হৈ গ'ল।)

**অশোক ঃ** ৰজনী তোৰ পইচা-পাতি অভাৱ হ'লে মোকোতো ক'ব পাৰ। মই দেউতাক কৈ তোক দিব পাৰিম নহয়। মোৰ দেউতাই তোক এনেও বহুত ভাল পায়।

**ৰজনী ঃ** জানো অ' কিন্তু মোৰ ক'বলৈ লাজ লাগে। আজি ছাৰক কেনেকৈ জানো কৈ দিলো।

(স্কুলৰ ঘণ্টা বজাৰ শব্দ হয়। অশোক আৰু ৰজনীয়ে ক্লাছৰুমলৈ দৌৰ দিয়ে।)

## চতুৰ্থ দৃশ্য

(ৰজনীৰ আজিৰ পৰা মেট্ৰিক পৰীক্ষা আৰম্ভ হ'ব। ৰাতিপুৱাৰে পৰা মাক সেউতীৰ হাতত কাম উঠা নাই। বিমলৰ মনতো মৃদুকৈ ভয় এটা, ৰজনীয়ে বাৰে বাৰে ঘড়ীটোলৈ চাই আছে।)

**ৰজনী ঃ** মা, ভাত দিয়ক ৮.৩০ বজাত স্কুল পাবঁগৈ লাগিব নহয়। (উৎকণ্ঠাৰে ক'লে)

**সেউতী ঃ** দিছো ৰ বাবা। পৰীক্ষা ভালকৈ দিবি দেই বোপাই। বাপেৰৰ তোৰ ওপৰতেই চব ভৰসা। (ভাত বাঢ়ি বাঢ়ি চকুলো টুকি টুকি)

**ৰজনী ঃ** মই চব বুজো অ'।

**বিমল ঃ** হ'বচোন তুমি এতিয়া তাক মিছা-মিছি টেনচন দিব নালাগে, ভাত দিয়া। (অলপ খঙেৰে)

(ভাত-পানী খাই ৰজনী পৰীক্ষালৈ যাবলৈ সাজু)

**ৰজনী ঃ** দেউতা, মা আশীৰ্বাদ কৰিব। (মাক-দেউতাকক সেৱা জনালে)

## পঞ্চম দৃশ্য

(আজি পৰীক্ষাৰ ৰিজাল্ট দিব ৰাতিপুৱাৰে পৰা ৰজনী আৰু অশোকৰ চিন্তাত পেটলৈ ভাত যোৱা নাই। ১০ বজাত ৰিজাল্ট দিয়াৰ কথা। দুয়োটা ৯ বজাতে গৈ স্কুলত উপস্থিত)

**ৰজনী ঃ** অ'ই অশোক মোৰ কিন্তু বহুত ভয় লাগিছে।

**অশোক ঃ** একো নহয় দে... যি হয় হ'ব।

(নিৰ্দিষ্ট সময়ত ৰিজাল্ট ওলাল। প্ৰধান শিক্ষকে হাতত ৰিজাল্টৰ কাগজ কেইখন লৈ উৎসাহত অলপ খৰকৈয়ে খোজ দিলে)

**বিমান ঃ** ৰজনী... ৰজনী।

**ৰজনী ঃ** (দৌৰি গৈ) কওঁক ছাৰ মই পাছ কৰিছোনে? (তাৰ মাতটো খোকা-থুকিকৈ ওলাল)

**বিমান ঃ** তুমি ষ্টেণ্ড কৰিছা, পজিছন অসমৰ ভিতৰতে দ্বিতীয়। মই খুব সুখী।

**ৰজনী ঃ** ছাৰ এয়া সপোন নে দিঠক আৰু অশোকৰ ৰিজাল্ট কেনে?

**বিমান ঃ** সি আটাইকেইটা বিষয়তে লেটাৰ পাইছে। দুই নম্বৰৰ বাবে পজিছন নাপালে।

**অশোক ঃ** ছাৰ সঁচানে? মোৰ ইমান ভাল ৰিজাল্ট হ'ব বুলি মই আশা কৰা নাছিলো।

**বিমান ঃ** আচ্ছা এতিয়া দুয়োটা ঘৰলৈ যোৱা। মই তোমালোকৰ ঘৰলৈ এপাক মাৰিম অলপ দেৰিকৈ। এতিয়া মোৰ বহুত কাম আছে।

(দুয়োটাকে মৰম কৰিলে, আনন্দতে তেওঁৰ চকুপানী

নিগৰি আহিল।)

## ষষ্ঠ দৃশ্য

(পদুলিত বিমলে ইচাট-বিচাট কৰি আছে। চোতালত ৰেণুকা আৰু সেউতী পদূলিলৈ চাই চাই)

**বিমল ঃ** সৌটো আহিছে... অ'ই বেগাই আহ। (দূৰৈত ৰজনীক দেখি ৰিঙিয়াই মাতিলে)
(ৰজনীয়েও চিঞৰিয়েই উত্তৰ দিলে)

**ৰজনী ঃ** দেউতা, দেউতা মই অসমৰ ভিতৰতে দ্বিতীয় স্থান পাইছো।

**বিমল ঃ** কি? সঁচাকৈ নে?

**ৰজনী ঃ** মই মিছা কথা নকওঁ।

**বিমল ঃ** মই জানিছিলো। তই এদিন মোৰ নাম কৰিবি। (আনন্দত কান্দি উঠিল)

**ৰজনী ঃ** দেউতা নাকান্দিব। মই সকলো বুজি পাওঁ। মোক প্ৰাইভেট স্কুলত পঢ়াবলৈ যে আপুনি দুবিঘা খেতিমাটিও বন্ধকত দিছে মই জানো। (সি দেউতাকক সাৱটি ধৰিলে)

(সেউতী আৰু ৰেণুকাও নিৰৱে সিহঁতৰ কাষত থিয় হৈ ৰ'ল।)

ঃ সমাপ্ত ঃ

লেখিকা ঃ *স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*

# নীলা খামৰ চিঠি-১

তোমালৈ প্ৰিয়,

একলম লিখিম বুলি বৈ বৈ আৰম্ভণিতে শব্দ বিচাৰি হেমকোষত অনাই-বনাই ফুৰা আঙুলিৰ খেপিয়নিতেই জানো কিবা বিশেষ নাথাকে যেন ভালপোৱাৰ এক পুৰণি গোন্ধ...! কেনে আছা পূৰ্ণিমাৰ জোন? অপৈণত শব্দৰে ভৰা এইখন চিঠিত জানো বিচাৰি পাবা প্ৰেমৰ সুবাস? দোমোজা আৰু হতাশাৰ কোমল চাদৰত মই শুই পৰিছো এটি প্ৰশ্নবোধক চিন হৈ তোমাৰ অজ্ঞাতে।

মৰম, সন্মুখেৰে ঘনাই খোজ নিদিবা, প্ৰতিদিনেই চিকুণাও তোমাৰ খোজেৰে ৰঙীণ হোৱা মোৰ আধাভগা হিয়া।

তুমি বাৰু জোনৰ বাবে কিমান উদ্বাউল? নিশা নৈৰ পাৰত বহি ঝিৰঝিৰ শব্দ শুনি শান্তি পোৱানে? জোনাকী ৰাতি আকাশলৈ চাই নৈৰ পাৰত বহি বৰ ভাল লাগে, তুমি জানো জানা! কিন্তু কিনো হ'ল, তোমাতেই বিলীন হৈ পৰিল মোৰ সমস্ত সুখ, শান্তি, কল্পনা, ৰুচি-অভিৰুচি আৰু এক্সট্ৰিম ফেন্টাচি। তোমাৰ কল্পনাত বিভোৰ হৈ থাকিলেও যেন এচাটি বতাহে অভিমান কৰি কোবাই যায়, চৰায়ে ঠেহ পাতে, মোৰ অনুমতি অবিহনেই ডাৱৰে চকুলো টুকে। এতিয়া যে মোৰ পৃথিবীত তোমাৰ আগমনে সলাইছে সমস্ত বাতাবৰণ। কি ফাগুন, কি শৰৎ... তোমালৈ ভালপোৱা প্ৰতি ঋতুতেই বাঢ়ে। আচলতে কি জানা, ভালপোৱা নে ভাললগা তাৰ বিষয়ে মোৰ ধাৰণা শূন্য। কিন্তু তোমাৰ কাষত অন্য নাৰীক দেখি ভাঙিব খোজে তোমালৈ সংযোগী মোৰ হৃদয়ৰ ৰামধেনু। ইয়াকেই কয় চাগে ভালপোৱা। সন্দেহ আৰু ভয়ৰ আৱৰ্তত কোনো ৰাজকুমাৰীৰ সান্নিধ্যত তোমাক দেখিলেই মোৰ সৰুকৈ বিষ এটি জাগে। আৰু এই বিষটো মোৰ প্ৰেম, কিন্তু আঁতৰি থাকিলেও জানো তুমি দলিয়াই দিবা মনৰ পৰা...! মোৰ এয়াই অনুৰোধ তোমালৈ প্ৰিয়। প্ৰতিনিশা মোৰ প্লেলিষ্টত গজি উঠে বিষাদৰ বীজ, বুকুত ভৰি উঠে ফাগুনৰ সৰাপাত, হাতত দুলি থাকে অনিশ্চয়তাৰ তুলাচনী। কোন হ'ব মোৰ দৰে, তোমাৰ বাবে... যেন চিঞৰি দিম দিগন্তলৈ গৈ কোনো এটি সূৰ্যাস্তত। ব্যৰ্থতাৰ ভয়েই খুলি খায় প্ৰতিবাৰে, কিন্তু মোৰ ভালপোৱাই জানো নিউটনৰ তৃতীয় সূত্ৰ মানিব! ভালপোৱাৰ বিনিময়ত ভালপোৱা নিদিলেও হ'ব। কিন্তু গতি জড়তাৰ দৰেই তুমি ৰ'বলৈ দিলেও মোৰ ভালপোৱাই স্পিড বেকাৰ পাহৰিব। কিমান অপৰিপক্ক শব্দৰ চিঠি লিখি ফালিছো সেয়া 'ইউজ মি' লিখা আটাইবোৰ ডাষ্টবিনে জানে, উপলব্ধিৰ বাবে কিমানটা নিশা উজাগৰে কটাইছো কেৱল মোৰ শেতেলীয়ে বুজে। উশাহত জানো কোনোবাই প্ৰেম লৈ ফুৰে প্ৰিয়? তুমি হাঁহিলেই জানো কাৰোবাৰ আকাশত বিজুলী চমকে?

"তোমাৰ চকুৰ হাজাৰ প্লাৱন, কোনেনো দিলেহি সানি কিমান শুনাবা দুখৰ বাঁহীটি, কিমান বুকুত বেদনা..."। ৰূপমদাৰ সুমধুৰ গীতত তোমাক বিচাৰি পাওঁ..., তুমি কান্দিলে কোনোবাই ডাৱৰ মাতি আনেনে? মাতিলেই যদি জোনাক নামি আহে, তুমিওটো মোৰ আকাশৰেই জোন... ওচৰত আহিবলৈ কিহৰ সংকোচ? তুমি দূৰে দূৰে বৈ মায়া হৈ থাকা, ওচৰত পালেই ছায়া হৈ আঁতৰা... এয়া বিষাদৰ আগজাননী বুলি জানিও ভালপোৱা মোৰ অপ্ৰতিৰোধ্য হৈ ৰয় প্ৰতিপল। প্ৰেমৰ সংজ্ঞা দিবলৈ মইতো কাহানিও কবি নাছিলো, তথাপিও অহা-যোৱা বাটত বাৰে বাৰে ঘূৰি চাওঁ, তোমাৰ সুখ ক'ত নাজানিলেও তোমাৰ দুখত দুখী হওঁ, তোমাৰ কোলা বুলিলেই শেতেলীৰ গাৰুত মূৰ থৈ ভাগৰত জিৰণি লওঁ।

মোৰ মনৰ কথা খুলি কৈ তোমাৰ নামত সাঁচি থোৱা ফেন্টাচিবোৰ জানো ধ্বংস কৰিব পাৰিম প্ৰিয়? ফুল তুমি মৰমৰ, তুমি ফুলি থাকা... হয়তো মোৰ হৃদয়ত চিৰদিন, নতুবা যি কল্পনাৰো অতীত। তথাপি এইখনেই হ'ব শেষ চিঠি, ডাকোৱালে তোমাৰ ঠিকনা পালে হয়তো ডাষ্টবিনত পৰিবলগীয়া নহয়। ভুল নুবুজিবা, ভালপাওঁ তোমাক। বিধ্বংসী হৃদয়ৰ অনুভৱেৰে লিখা এই শব্দৰ সমাহাৰ তোমাৰ বাবে প্ৰেম নিবেদন নে আবেদন মই অজ্ঞাত।

প্ৰিয়ৰ চহৰত বসন্ত আগমনৰ কামনাৰে...। প্ৰতি ব'হাগত কুলি হৈ আঁৰে আঁৰে চাই ৰ'ম তোমাৰ জোনাক গলোৱা হাঁহি। কুঁহিপাতত হিয়াৰ তেজেৰে লিখি থ'ম...।

"ইয়াতকৈ আৰু কি হ'ব পাৰে
তীব্ৰ ৰাগী
যি প্ৰেমত মই ব'ৰাগী?"

ইতি—

তোমাৰ প্ৰেমৰ ৰাগত অনুৰাগী

**লিজা কলিতা**, *স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*

# নীলা খামৰ চিঠি-২

মৰমৰ অৰু...

হৃদয়ৰ পৰা হৃদয়লৈ এসাগৰ মৰম।

"মোৰ জীৱনৰ শুকান বলুকাত তুমি আহি সিঁচি দিলা প্ৰেমৰ কঠিয়া।"

"এতিয়া নিচাৰ প্ৰয়োজন নাই, প্ৰেমেই নিচা...।"

আশাকৰোঁ কুশলে আছা। তোমাক লগ পোৱা আজি সম্পূৰ্ণ পাঁচবছৰ হ'ল। তোমাৰ মনত আছে নিশ্চয় মই যে গৱেষণাৰ বাবে তোমালোকৰ গাঁৱলৈ গৈছিলো তুমি আৰু তোমাৰ বান্ধৱীসকলে নদীৰ ঘাটৰ পৰা কাযত কলহ লৈ পানী আনিবলৈ গৈছিলা। মই চুৰকৈ ফটো এখন তুলিছিলো কিন্তু ধৰা পৰি গৈছিলো, তুমি যে ফেটী সাপজনীৰ দৰে ফেট তুলি আহিছিলা সঁচা কৈছোঁ মই কিন্তু বৰ ভয় খাইছিলোঁ। তিতি-বুৰি খঙত ৰঙা পৰা মুখখনৰে সৈতে পকা বিলাহীৰ দৰে লাগিছিল তোমাক। তুমি বাৰু জোখতকৈ অলপ বেছি ধুনীয়া নাছিলা নে? মানে এতিয়াও ধুনীয়া তুমি। লাহে লাহে তোমাৰ লগত মোৰ ঘনিষ্ঠতা বাঢ়িল; মই তোমাৰ বাবে আপুনিৰ পৰা তুমি হ'লো। কি যে জীৱনৰ গতি নহয়নে? মই তোমালোকৰ ঘৰলৈ গ'লে তুমি যে পঢ়া টেবুলৰ পৰা মোলৈ চাই থাকা মই যে বৰ ভয় খাইছিলোঁ জানা তোমাৰ দেউতাৰা যিহে খঙাল মানুহ, তাতে গাঁওবুঢ়া। তোমাৰ মাৰাৰ কিন্তু মোক জোঁৱাই কৰিবলৈ মন, নহ'লেনো মই ভালপাওঁ বুলি জানি মোৰ পছন্দৰ লাড়ু-পিঠা বনাই দি পঠিয়াইনে? তোমাক ফোন কৰি অসুবিধা দিবলৈ মন যোৱা নাই শেষ চেমিষ্টাৰৰ পৰীক্ষাটো ভালকৈ দি ঘৰলৈ আহিবা ময়ো যাম কেৱল তোমাৰ বাবে। এইবাৰ লগ পালে তুমি কিন্তু মোৰ কাষতে থাকিব লাগিব, বহুদিন হ'ল তোমাৰ কোলাত মূৰ থৈ প্ৰেমৰ কবিতা শুনা নাই। বহুদিন হ'ল তোমাক সন্মুখত বহাই গিটাৰত আঙুলি বুলোৱা নাই, প্ৰাণ ঢালি গোৱা নাই তোমাৰ প্ৰিয় গান...।

বাঁহী তোক বৰ ভাল পাওঁ দেহি... মই নাজানো মোৰ প্ৰেমৰ গভীৰতা কিমান? মই নাজানো এই প্ৰেমৰ পৰিধি কিমান? মই মাত্ৰ এটা কথাই জানো তুমি মোৰ মাথোঁ মোৰ। মোৰ হৃদয়ৰ প্ৰতিটো স্পন্দনত তুমি আছা। মোৰ প্ৰতিটো উশাহত তুমি আছা। তোমাতেই বিলীন হ'বলৈ বিচাৰোঁ মই। তোমাৰ ডালিম গুটিয়া দাঁতত জিলিকা তোমাৰ ওঁঠৰ হাঁহিৰ কাৰণ হ'ব বিচাৰোঁ মই। তোমাৰ চকুৰ কাজল হ'ব বিচাৰোঁ মই। তোমাৰ খোপাত কপৌ হৈ ফুলিব বিচাৰোঁ মই...। কোৱা নীলাঞ্জনা কিমান প্ৰতিশ্ৰুতি দিলে মই তোমাৰ হ'ব পাৰিম? তুমি চাগে চিঠিখন পঢ়ি খুব হাঁহিবা হয়তো আচৰিত হ'বা। তুমিতো জানাই মই ৰোমাণ্টিক নহয় তথাপিও তোমাৰ প্ৰেমত পৰি তথাকথিত কবি হৈ পৰিছোঁ চাগে। প্ৰেমৰ ৰহন সানি লৈছো হৃদয়ত কম্পাছ লৈ আঁকিছো প্ৰেমৰ চিম্বল সঁচাই মই তোমাৰ প্ৰেমত... তুমি চাগে এইবোৰ ধেমালি বুলিয়েই ভাবিবা কিন্তু সঁচা... নীলা চিয়াহীৰ মাজত বিচাৰি চালে দেখিবা ৰঙা নদীখন... বৈ আছে তোমাৰ বুকুৰ মাজেদি... তোমাৰ পৰীক্ষাৰ শেষ হোৱালৈ তোমাৰ হাতত পৰিবগৈ নিশ্চয় মোৰ বুকুৰ বেথা... তুমি নুবুজিবা এই হৃদয় নামৰ মেচিনটো বৰ ভয়াতুৰ। দিনৰ দিনটো জ্যামিতি, কম্পাছ, পেঞ্চিল, মেচিন এইবোৰৰ মাজতেই সোমাই থাকো। সন্মুখত এজাক প্ৰাণ চঞ্চলা ডেকা-গাভৰু। পাৰ হৈ যায় সময়বোৰ। তুমি যে কোৱা তোমাক পাহৰি যাম বুলি; এটা কথা জানা— বহুত ধুনীয়া ছোৱালী আছে কিন্তু তুমি সকলোতকৈ সুকীয়া। তোমাৰ গালৰ ডিম্পল দুটা যে, উফ্! তাতে আকৌ ওঁঠৰ তলত জিলিকি থকা ক'লা তিলটো। তোমাতেই যেন মোৰ সকলো। কিন্তু এটা কথা কওঁ, ৰাতিবোৰ বৰ দীঘলীয়া হৈ পৰে, হাতে-ভৰিয়ে ধৰিও নিদ্ৰাদেৱীক সন্তুষ্ট কৰিব নোৱাৰোঁ জানা। তোমাৰ লিহিৰি আঙুলিৰ মাজতহে মোৰ চুলিবোৰ শান্ত হৈ উঠে...। তুমি বিচাৰিলেই জোন-বেলি-তৰা আনি দিব নোৱাৰোঁ কিন্তু পাহাৰ বগাই কপৌফুল নিশ্চয় আনি গুজি দিম তোমাৰ ঘিলা খোপাত। জোনাক নিশা একেলগে বহি জোনাকীৰ পিছত দৌৰিম তোমাৰ লগত। নদীৰ পাৰত বিৰিণাৰ আঁৰত লুকা-ভাকু খেলিম তোমাৰ লগত। ফাগুনৰ পছোৱা জাকে ধূলিয়ৰি বাটেদি মোৰ হৃদয়ৰ মৰম নাহৰৰ দেশলৈ বুলি...।

ইতি—

তোমাৰ... সাগৰ

**জিম্পী বৰা**

# নীলা খামৰ চিঠি-৩

মৰমৰ জিণ্টু,

মৰম ল'বা। আশাকৰোঁ তুমি কুশলে আছা। বেয়া নাপাবা চিঠিখন নিলিখি থাকিব নোৱাৰিলো। হাতত কলম তুলি লৈও মাজে মাজে থমকি ৰওঁ। হ'লেও লিখিলো তোমালৈ বুলি। নাজানো ডাকোৱালে বুকুৰ মৰম সিক্ত চিঠিখন পোৱাইগৈ নে নোপোৱাই। মোৰ জীৱনৰ পৃষ্ঠাবোৰত মচিব নোৱৰাকৈ, পাহৰিব নোৱৰাকৈ ৰৈ গ'ত তোমাৰ নাম। সকলো সময়তে তোমাৰ সেই মৰমলগা আলসুৱা মুখখনলৈয়ে মনত পৰি থাকে। তুমি ক'ত আছা, কি কৰি আছা, কেনেকৈ আছা মই একো গম নোপোৱা হৈছো। মাথোঁ ভগৱানকে প্ৰাৰ্থনা কৰি থাকো যেন তুমি মোৰেই হৈ ৰোৱা। আৰু সদায় কুশলে থাকা মই বিচৰা ধৰণে। মই সেই আগৰ তোমাৰ কলিজাজনীয়েই হৈ আছো। বহুত মনত পৰি আছে তোমালৈ। মনত আছেনে সেই কলেজীয়া দিনটোলৈ তুমি মোৰ বাবে যে অপেক্ষা কৰি আছিলা একেলগে আহিবলৈ। হয়তো মোক অন্যজনে চাই বুলি। কিমান যে স্মৰণীয় দিন আছিল। সদায় ফোন কৰি খবৰ লৈছিলা ভালকৈ আছানে? কিবা খাইছানে? ভালকৈ পঢ়িছানে? মোৰ বাবে যাতে তোমাৰ পঢ়া-শুনাও বেয়া নহয়। এইবোৰ কথায়ে আজি মোক বহুত আৱেগিক কৰি তুলিছে জান। ক'ত গ'ল সেই মাত? ক'ত গ'ল সেই শাসন, সেই মৰমবোৰ? তোমাৰ মনত আছেনে সেই দিনটো যিটো দিনত আমাৰ ভালপোৱাৰ কথাবোৰ ঘৰত গম পাই গালি-শপণি, মাৰ-কিল খাইছিলো? কিমান সহ্য কৰিলো সেইবোৰ। তথাপিও তুমি আৰু মই ভাল পায়েই আছিলো। নাজানো অজানিতে ক'ৰ পৰা ধুমুহা এজাক আহিল যে আমাৰ ভালপোৱাৰ মাজত তুমি তৃতীয়জন আনিলা। মই ইমানেই ভুল কৰিছিলোনে যে তুমি এই আমাৰ মধুৰ ভালপোৱাকো সন্দেহজনক কৰি তুলিলা। তুমি মোক অলপো বুজিব চেষ্টা নকৰিলানে যে মই ক'ত কি ভুল কৰিলো। হঠাৎ বৰদৈচিলাৰ দৰে ধুমুহা এজাক বুকুত সিঁচি আঁতৰি গ'লা। বাৰু গ'লা যেতিয়াতো ধৰি ৰখাৰ উপায় নাই। যোৱা বস্তু যাবলৈ দিয়াটো ভাল। বিধাতাৰ লিখন কোনেও নাজানে সঁচাকৈয়ে। একো নাই এয়া মোৰ কপালৰ লিখন। মোৰ খৰাং হৃদয়খন যে তুমি কোনোকালেও শুকাব নোৱাৰাকৈ বোৱাই থৈ গ'লা তাৰ বাবে আন্তৰিক ধন্যবাদ। তুমি সুখী হোৱা জান মোৰ মৰম, আশীৰ্বাদ সদায় থাকিব। তুমি যদি সদায় মোৰ হৈ থাকিলা হয় মই বহুত সুখী হ'লো হয়, কিন্তু এতিয়াতো তুমি মোৰ পৰা বহুত দূৰত। জিণ্টু তুমি মাথোঁ সুখী হোৱা জীৱনত ইয়াতকৈ আৰু বেছি প্ৰত্যাশা নকৰো। আজিলৈ সামৰিছো। কেতিয়াবা আকৌ লিখিম আমাৰ আধৰুৱা প্ৰেমৰ কথা।

ইতি—

তোমাৰ অচিনা শুভাকাংক্ষী

নিবেদিতা

**হিমাদ্ৰী বৰা**, *স্নাতক চতুৰ্থ যাণ্মাসিক, সংস্কৃত বিভাগ*

# নীলা খামৰ চিঠি -৪

মৰম,

এতিয়া জানা, উকা কাগজতেই আৱদ্ধ অতীতৰ স্মৃতি। এতিয়া সকলো ধূলিময় যদিও তুমি তুমি লগা সুৱাসবোৰ যেন এতিয়াও সুবাসী হৈ আছে মোৰ আশে-পাশে। সেই যে বকুলজোপাৰ তলৰ প্ৰথম সাক্ষাত আছিল তোমাৰ নয়নত, নজনা অনুভৱৰ প্ৰথম মিলন মনত পৰেনে তোমাৰ মৰম, মনত পেলাবলৈ পাহৰাৰ দৰকাৰ, কিন্তু মই জানো তোমাৰ সুবাসীক সদায় তোমাৰ আশে-পাশেই থাকিবলৈ দিবা। বকুলতলখন তোমাৰ বাবে এতিয়াও খালী হৈ আছে, সেই সৰা বকুল ফুল বুটলিবলৈ তোমাৰ লগত তোমাৰ সুবাসী ৰৈ আছে। তুমি আহিবা

আহিবা বুলি সদায় যাওঁ বকুলজোপাৰ তললৈ। এতিয়া যেন তুমিবিহীন বকুলজোপাই সাৰথি হৈছে মোৰ। নিৰুপায় মই, তুমি বেয়া নাপাবা মৰম। এতিয়াও বিষ্কে মনত জানা আমাৰ আধৰুৱা মৰহা বকুলৰ সুবাসে কাৰণ এতিয়া যে তুমি মোৰ বকুলজোপা আৰু মই তোমাৰ বকুল ফুলজনী নহয়! তথাপিও আজিও তোমাৰ অপেক্ষাতে তোমাৰ সুবাসী। কেতিয়াবা যদি লগ পাওঁ আকৌ দুয়ো মিলি সৰা বকুল বুটলিম। তুমি আৰু মই আমি হৈ বিলাম বকুলতলত সুবাস। তুমিতো জানা ন মৰম, তোমাৰ সুবাসীয়ে তোমাতেই সুবাস বিলাই মৰম।

ইতি —

তোমাৰ অপেক্ষাত

তোমাৰ সুবাসীজনী

**জ্যোতিকা দেৱী**, *স্নাতক চতুৰ্থ ষাণ্মাসিক, ভূগোল বিভাগ*

# নীলা খামৰ চিঠি-৫

মৰমৰ

অভিমানী ল'ৰাজন,

কেনে আছা বাৰু? নিশ্চয় ভাল তোমাৰ। মোৰ ভালেই। অন্য দিনাৰ দৰে আজি চিঠি লিখাৰ কোনো বিশেষ কাৰণ নাই। নাজানো কিয় মোৰ আজি তোমাক প্ৰথম দেখা পোৱাৰ সেই বিশেষ দিনটোলৈ বৰকৈ মনত পৰিছে। তোমাক যে সেইদিনা বজাৰত ক'লা চাৰ্টত দেখিছিলো তোমাৰ সেই মিচিকীয়া হাঁহিটোৰ সৈতে নাজানো কিয় তোমাক দেখিয়েই কিবা এটা ভাল লাগিছিল। যেতিয়াই তোমাক দেখো তেতিয়াই এনেকুৱা লাগিছিল তোমাৰ চকুৰেও মোলৈ চাই যেন কিবা ক'ব বিচাৰে। ভাল লাগে যেতিয়া তুমিও একেৰাহে মোলৈ চাই থাকা যদিও নোচোৱা ভাও জুৰা। তোমাৰ নামটো জানিবলৈ কিমান যে ফেচবুক আৰু ইনষ্টাগ্ৰাম খুচৰিলো গমেই নাপালো। কিন্তু ভগবানৰো কিযে লীলা সেইদিনাহে গম পালো আমি দুয়ো একেই Departmentৰে; কিমান যে ভাল লাগিছিল সেইদিনা। ময়ো অলপো দেৰি নকৰাকৈ তোমালৈ বন্ধুত্বৰ প্ৰস্তাৱ আগবঢ়ালো আৰু সেই বন্ধুত্বই কেনেকৈ প্ৰেমত পৰিণত হ'ল গমেই নাপালো। ৩ ছেপ্টেম্বৰ মনত আছে নিশ্চয় তোমাৰ মনৰ কথা মোক জনাইছিলা আৰু উত্তৰ বিচাৰিছিলা। ময়ো দেৰি নকৰাকৈ তোমাক মই মোৰ উত্তৰ দিছিলো। কাৰণ ময়ো তোমাৰ প্ৰথম চাৱনিতেই প্ৰেমত পৰিছিলো। আজিলৈ চিঠি ইয়াতেই সামৰিলো। ভালে থাকিবা।

ইতি —

তোমাৰ মৰমৰ

নিশিতা

**নিশিতা কাশ্যপ**, *স্নাতক চতুৰ্থ ষাণ্মাসিক, হিন্দী বিভাগ*

# নীলা খামৰ চিঠি-৬

মৰমৰ অনুৰণ,

অব্যক্ত ভাষাৰে বুকুত থকা হেঁপাহবোৰেৰে হিয়াৰ একোণৰ পৰা যাচিলো এসাগৰ মৰম তোমালৈ। ভালে আছা নিশ্চয়? তোমাৰ ভাল হোৱাটোকেই মোৰ কাম্য। তুমিহীনতাত তোমাৰ অবিহনে শূন্যতাক আঁকোৱালী লোৱাৰ সত্বেও, মৰমবোৰ একেদৰেই বৈ আছে অহৰহ। ভালে থাকা তুমি। সময়বোৰ একেদৰেই বৈ আছে আৰু সময়বোৰৰ লগে লগেই মানুহবোৰো সলনি হয়। এই যে সলনি হোৱা সময়বোৰ, সেই সময়বোৰে জীৱনৰ গতিপথেই সলনি কৰি পেলায়। মাথো দুচকুত বৈ যায় অতীত, বৰ্তমান আৰু এবুকু স্মৃতি। কথাবোৰ আজিও ক'ৰবাত বৈ আছে। কেতিয়াবা বৰ অকলশৰীয়া অনুভৱ কৰো জানা অনুৰণ? হয়তো ভুল মোৰেই আছিল তোমাক বুজি পোৱাত তথাপিও তোমাক বুজাব বিচাৰো কিমান ভাল পাওঁ তোমাক। তুমি অবিহনে যেন সকলো হেৰুৱাই পেলাইছো নিজৰ মাজত দুখ-সুখ বুলি একো নাই, কি কৰিম কোৱা? ভাল পাওঁ তোমাক কিন্তু তাৰ প্ৰতিদানত তুমি যেন পৃথক মোৰ পৰা। সেই আবেলিৰ ফুটপাথৰ চাহৰ আড্ডাৰ মাজত কোৱা কথাৰ আমেজ হয়তো তুমি পাহৰা নাই। মোৰ চকুত চাই তুমি কৈ গৈছিলা মই পৰা আমি

হোৱাৰ কথা আৰু সেই কথা মই ক্ৰমে শুনি গৈছিলো। কথাবোৰ কেতিয়াবা কল্পনা যেন লাগে। সঁচাই সময়ে সকলো সলনি কৰিব পাৰে কোনো বস্তুৰেই স্থায়ী নহয়। তুমিহীনতাত মোৰ এটা বসন্ত পাৰ হৈ গ'ল। অনুৰণ, কেনেকৈ নুসুধিবা, সেয়া কেৱল মই জানো। কিছুমান প্ৰশ্ন আজিও প্ৰশ্ন হৈয়েই আছে মই বাৰু ক'ৰবাত ভুল কৰিছিলো নেকি? হয়তো ক'ৰবাত ভুল আছিল মোৰ। কি কৰিম কোৱা? ভালপোৱাবোৰতো তুমিয়ে আছিলা অনুৰণ। কেতিয়াবা তোমাক সুধিব মন যায় জানা মানুহ কেনেকৈ ইমান সলনি হ'ব পাৰে। সুখীনে মোৰ অবিহনে? হয়তো সুখী। সুখী হোৱা তুমি। মই নাজানো তুমি কি বিচৰা তথাপিও ভগৱানক প্ৰাৰ্থনা কৰিম। অনুৰণ মোৰ প্ৰতিটো প্ৰাৰ্থনাত তুমি হোৱা। কাৰোবাক ভালে ৰাখিব পৰাকৈ সাহসী কৰক তোমাক। তুমি সুখী হোৱা তোমাৰ সুখতেই মোৰ সুখ।

ইতি—

তোমাৰ নীলা চৰাই

**সংগীতা বৰা**, সংস্কৃত বিভাগ

# নীলা খামৰ চিঠি-৭

বিশ্ববিদ্যালয়ৰ অভিমানী ল'ৰাজন,

চকুলৈ চাই কথা নোকোৱা ল'ৰাজনৰ খবৰ চাগে ভাল? আজি তোমাৰ গান শুনিহে কলমটো তুলিছো। বেছ ভাল গোৱাটোন তুমি। পিছে কেতিয়াও চকুলৈ চাই কথা নোকোৱা ল'ৰাটোৰ মাজত যে এনে এটা প্ৰতিভাও লুকাই আছে জানি ভাল লাগিল। অহ, চিঠি লিখাৰ বেলেগ কাৰণ নাই দিয়া। এই প্ৰেম যেন লগা বতৰত ভালপোৱা, ভাল লগাজনে অগা-দেৱা কৰেচোন। অকল মোৰেই নেকি? প্ৰথম দেখাৰ পৰাই কিবা ভাল লাগি গৈছিল তোমাক। ইমান সহজ হৈ থাকা তুমি। বাৰু বুজিছো দিয়া, তুমি চাগে এনেকৈয়ে থাকি ভালপোৱা। কিন্তু অলপ কথাৰ লগতে হাঁহিও থাকিবাচোন। মাত দিলেহে মাত দিয়াচোন, উম বুজিছো— ছিনিয়ৰ তুমি কিন্তু দাদা বুলিব নোৱাৰোচোন কাৰণ তোমাৰ চকুত চকু থৈ প্ৰেমত পৰিব মোৰো মন যায়। তোমাৰ বাৰু মন নাযায় নে? তুমি আঙুলিত পিন্ধি থকা ৰক্তপ্ৰবালৰ দৰেই ৰঙা তেজালে গোলাপ পাহ নীলা খামত ভৰাই দিছো, বিন্ধিব চাবা ভালকৈ দেই। তোমাৰ উত্তৰৰ অপেক্ষা কৰি বিশ্ববিদ্যালয়ৰ অভিমানী ল'ৰাজন।

ইতি—

নালাগে দিয়া জানিব

**ভাগ্যলক্ষ্মী বৰা**, *স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*



# ছাত্ৰী একতা সভাৰ সভাপতিৰ প্ৰতিবেদন

এখন মহাবিদ্যালয়ৰ পাঠ্যক্ৰমৰ বাহিৰে ছাত্ৰীসকলৰ অন্তৰ্নিহিত প্ৰতিভা থাকে। সকলোৰে প্ৰতিভা বেলেগ বেলেগ। কিছুমানে যদি নৃত্য কৰি ভাল পায়, আন কিছুমানে আকৌ কলমেৰে লেখা-মেলা কৰি ভাল পায়। আৰু এই লেখা-মেলাসমূহ বিকাশ কৰা অন্য এক পথেই হৈছে মহাবিদ্যালয়ৰ আলোচনী এখন।

মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীখনৰ গুৰুত্ব অপৰিসীম। ভিন্ন ধৰণৰ লেখা-মেলাই এজন ব্যক্তিক চাৰিওফালৰ পৰা সমৃদ্ধ কৰি তোলাৰ লগতে ব্যক্তিজনক তন-মন, চিন্তা-বুদ্ধি এক অন্য গতিলৈ উন্নতি সাধিব পাৰে।

নগাঁও ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী আছে, সেই আলোচনীয়ে ছাত্ৰীসকলৰ বহু সময় ধৰি সহায় কৰি আহিছে।

প্ৰত্যেক বছৰৰ দৰে এই বছৰৰো কলেজৰ আলোচনীখনে প্ৰকাশৰ মুখ দেখাৰ সৌভাগ্য ঘটিছে আৰু আগন্তুক দিনলৈ যাতে বাৰ্ষিক আলোচনীখন প্ৰকাশ পাই থাকে। আজি মই এই প্ৰতিবেদনখনত মই মোৰ কিছু কথাকে সাঙুৰি প্ৰতিবেদনখন আৰম্ভ কৰিলোঁ।

সেই পাহাৰী ঠাইখনত মই কোনো সম্ভ্ৰান্ত ঘৰত সোণৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰা নাছিলোঁ। মোৰ জন্ম এজন খেতিয়কৰ ঘৰতে হৈছিল যদিও মই মোৰ বাবাক খেতিয়কৰূপে বহু কম পৰিমাণে দেখিছিলোঁ। কিয়নো মোৰ বাবা অকল খেতিয়কেই নাছিল, তেওঁ ভিন্ন ধৰণৰ চিত্ৰ অংকনৰ পৰা গান, নাচ, নাটক, ভাওনা তথা কাঠমিস্ত্ৰী, পকামিস্ত্ৰী আদি সকলো ধৰণৰ কামতেই পাৰ্গত আছিল। তেওঁ পঢ়া-শুনাতো বহুত ভাল আছিল কিন্তু বাবাৰ সময়ত আৰ্থিক অৱস্থা ভাল নোহোৱাত পঢ়া-শুনা সম্পূৰ্ণ কৰিব নোৱাৰিলে। চাকৰিটোৰ বাহিৰে তেওঁৰ সকলোবোৰেই গুণ আছিল। তেওঁ মোৰ বাবে 'কলাগুৰু'। গাঁৱত জ্ঞানৰ পোহৰ কম আছিল যদিও মোৰ বাবাই শিক্ষা কি ভালদৰে উপলব্ধি কৰিব পাৰিছিল বাবে মোকো ভালদৰে শিক্ষাৰ জ্যোতি বিলাইছিল। মেট্ৰিক পৰীক্ষা তথা উচ্চতৰ মাধ্যমিক পৰীক্ষা মই দ্বিতীয় স্থান (৫৫%) পাই উত্তীৰ্ণ হৈছিলোঁ। উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল দিয়াৰ পাছত ঘৰত সিদ্ধান্ত লৈছিল যে মোক গাঁৱৰ পৰা বাহিৰত পঢ়াবলৈ পঠিয়াব। কিন্তু ময়ো সৰুকৈ মনতে আশা পুহি ৰাখিছিলো যে মই নগাঁৱত অৱস্থিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়খনত পঢ়িম বুলি। নাই মোৰ ঘৰত বেলেগ সিদ্ধান্ত যে মই নগাঁও ছোৱালী কলেজতহে পঢ়িব লাগিব।

ঘৰৰ সিদ্ধান্তই শেষ সিদ্ধান্ত। মই উপায়হীন হৈ কলেজত নামভৰ্তি কৰিব আহিলো আৰু আহিয়েই কলেজখনৰ প্ৰেমত পৰিছিলো। কলেজৰ পৰিৱেশৰ প্ৰতি মই ইমানেই মোহিত হৈছিলো যেন অন্য কলেজৰ নাম মনতে নাহিল। আৰু এয়াই আছিল মোৰ যাত্ৰা কাৰ্বি পাহাৰৰ পৰা কলংপৰীয়া লৈ বুলি।

পাঠদানৰ প্ৰথম দিনটো হয়তো সকলোৰে বিশেষ তথা স্মৃতিদায়ক, মোৰ ক্ষেত্ৰতো ঠিক একেই আছিল। প্ৰথম দিনৰ পাঠদান শেষ কৰি ওলাই আহোঁতে এক ব্যতিক্ৰমী ইউনিফৰ্ম পৰিধান কৰা ছাত্ৰীকেইজনীমান দেখা পাই প্ৰথমাৱস্থাত ভাবিছিলো কোনবা হয়! পাছত গম পালো যে সেয়া হেনো UNION BODY। স্কুলীয়া জীৱনত সাংস্কৃতিক সম্পাদিকা হওতে এনেকুৱা ইউনিফৰ্ম নথকাত অলপ ব্যতিক্ৰমী লাগিল। মোৰো ব্যতিক্ৰমী ইউনিফৰ্মযোৰৰ প্ৰতি চকুত লগাত মনতে পাঙিছিলোঁ এদিন মই পৰিধান কৰিম। পঢ়াৰ বাহিৰে মোৰ নাটক, নাচ, গানৰ প্ৰতি ৰাপটো অলপ বেছি আছিল। ভাবিছিলো ময়ো সাংস্কৃতিক সম্পাদিকা পদত উঠিম। কিন্তু দুৰ্ভাগ্যবশত সেই সময়ত Electionৰ সলনি Selection হৈছিল যিটো মই গম নোপোৱাত মই নিজকে সাংস্কৃতিক সম্পাদিকাৰূপে প্ৰাৰ্থীত্ব

আগবঢ়াব নোৱাৰিলো।

তথাপি স্নাতক মহলাৰ শেষৰ বছৰটিত সেই সপোন পূৰণ হ'ল। নিজকে সাংস্কৃতিক সম্পাদিকাৰূপে নহয় সভাপতিৰূপে নিযুক্ত হ'লো। নিযুক্ত হোৱাৰ পাছত কলেজৰ ছাত্ৰীসকলক দিয়া কথা-প্ৰতিশ্ৰুতিবোৰ পূৰণ কৰাৰ প্ৰচেষ্টাৰে আমি আমাৰ সকলো সদস্যাসকলৰ লগত আলোচনা কৰি আমি চাৰিজনী ছোৱালী নগাঁও সদৰ সমষ্টিৰ বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাদেৱৰ ওচৰলৈ গৈ আমাৰ সমস্যাৰ কথা অৱগত কৰোৱাই আমি আমাৰ প্ৰতিশ্ৰুতিবোৰ সম্পূৰ্ণ কৰিছিলোঁ। কথামতে প্ৰতিশ্ৰুতিবোৰ ৰখিলোঁ। ভিন্ন দায়িত্বৰ মাজেৰে আমি আকৌ এটা ডাঙৰ ধুমুহাৰ লগত সন্মুখীন হৈছিলোঁ। ধুমুহাজাকৰ নাম আছিল NAAC (National Assessment and Accreditation Council)। ছাৰহঁতে বুজাই দিয়াত মই খুলমূলভাৱে গম লৈছিলোঁ যে স্কুল পৰ্যায়ত যেনেধৰণে গুণোৎসৱ হয় ঠিক তেনেদৰেই কলেজ পৰ্যায়ত NAAC। সেই বুলিয়ে ছাৰহঁতৰ দিহা-পৰামৰ্শৰে এক নতুন অভিজ্ঞতা বুটলিবলৈ বুলি দিন-ৰাতি একাকাৰ কৰি NAACৰ সেই দুটা দিন বহু কুশলে পাৰ কৰি এক ভাল ফলাফল লভিবলৈ সক্ষম হৈছিলো। এয়াই আছিল মোৰ যাত্ৰা কাৰ্বি পাহাৰৰ ছোৱালীজনীৰ নগাঁও ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ (২০২২-২৩) সভাপতিৰূপে নাম জিলিকাই ৰখাৰ।

জয়তু নগাঁও ছোৱালী কলেজ।

**ৰীমা মেছ**
সভাপতি, ছাত্ৰী একতা সভা
২০২২-২৩ বৰ্ষ



# উপ-সভাপতিৰ প্ৰতিবেদন

জয় জয়তে নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ মহোদয়, চিৰপূজ্য শিক্ষাগুৰু সমন্বিতে কৰ্মচাৰীবৃন্দ, ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকল আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীকে উপ-সভাপতিৰ তৰফৰ পৰা শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষত উপ-সভাপতি পদত অধিষ্ঠিত কৰাৰ বাবে মোৰ শুভাকাংক্ষী সমূহ ছাত্ৰ-ছাত্ৰীকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। অৱশ্যে উক্ত দায়িত্বত কিমান যোগ্যতা আৰু সততাৰে দায়িত্ব পালন কৰিলো তাৰ বিচাৰৰ দায়িত্ব আপোনালোকৰ। ইয়াতে এটা কথা উল্লেখনীয় যে ছাত্ৰী একতা সভাৰ উপ-সভাপতিৰ কোনো নিৰ্দিষ্ট কাৰ্য নাথাকে। তথাপি মহাবিদ্যালয়ৰ বাবে ছাত্ৰী একতা সভাৰ দ্বাৰা অনুষ্ঠিত অনুষ্ঠানসমূহ সুকলমে চলাই নিয়াত সহায়ৰ ত্ৰুটি কৰা নাছিলো। আমাৰ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে যিসকল শিক্ষাগুৰু আৰু ছাত্ৰী-বান্ধৱীয়ে সহায়ৰ হাত আগবঢ়ালে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত নগাঁও ছোৱালী কলেজৰ উজ্জ্বল ভৱিষ্যতৰ লগতে শৈক্ষিক আৰু মহাবিদ্যালয়ৰ উন্নয়নৰ মাত্ৰা আগবাঢ়ি যাওক তাকে কামনা কৰি মই মোৰ এবছৰীয়া কাৰ্যকালত বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ এই উপ-সভাপতিৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।

**তৃষামণি লিগিৰা**
উপ-সভাপতি, ছাত্ৰী একতা সভা
২০২২-২৩ বৰ্ষ



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

৬০ৰ দশকতে কেইগৰাকীমান জ্ঞানৰ সাধক তথা বিদ্যোৎসাহী ব্যক্তিয়ে চিন্তা কৰিছিল মধ্য অসমৰ প্ৰাণকেন্দ্ৰস্বৰূপ নগাঁৱত নাৰীৰ বাবে এক আছুতীয়াকৈ উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়ি তোলাৰ কথা। তেওঁলোকৰ এই মহৎ চিন্তাই বাস্তৱ ৰূপ পাইছিল ১৯৬২ চনৰ ১২ ছেপ্টেম্বৰত আৰু নগাঁৱৰ মাজমজীয়াত জন্ম হৈছিল নাৰীশিক্ষাৰ ধ্বজাবাহক 'নগাঁও ছোৱালী মহাবিদ্যালয়'ৰ। যিসকল ব্যক্তিৰ মহান ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত নগাঁও ছোৱালী কলেজ প্ৰতিষ্ঠা হ'ল সেই প্ৰত্যেকগৰাকী উদ্যোগী ব্যক্তিক মই এই প্ৰতিবেদনৰ আৰম্ভণিতেই শ্ৰদ্ধা জনাইছোঁ আৰু প্ৰয়াতসকলক সোঁৱৰিছোঁ। লগতে, ২০২২-২৩ বৰ্ষৰ বাবে নগাঁও ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদক পদৰ গুৰু দায়িত্বৰ যোগ্য বুলি ভাবি মোক নিৰ্বাচিত কৰা কলেজখনৰ প্ৰত্যেকগৰাকী ছাত্ৰীৰ লগতে প্ৰত্যেক মুহূৰ্ততে আমাক মাৰ্গদৰ্শন কৰোঁতা প্ৰতিজন শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এখন নতুন জগত, এটা নতুন জীৱনক আঁকোৱালি লৈ আন দহজনৰ দৰেই এগৰাকী সাধাৰণ ছাত্ৰী হিচাপেই এদিন এই মহাবিদ্যালয়খনিত ভৰি থৈছিলোঁ। মহাবিদ্যালয়খনত নামভৰ্তি কৰাৰ সময়ত এই মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাক নেতৃত্ব দিয়াৰ কথা মোৰ বাবে সপোনৰো অগোচৰ আছিল। পৰিৱৰ্তিত পৰিস্থিতিত ছাত্ৰীসকলৰ শিক্ষা আহৰণৰ সৈতে সামগ্ৰিকভাৱে আমাৰ সমাজ-সংস্কৃতিৰ ভৱিষ্যতৰ আশা-ভৰসা আৰু প্ৰয়োজনীয়তা এই মহাবিদ্যালয়খনৰ সৈতে জড়িত হৈ আছে, নাৰীৰ উচ্চশিক্ষাৰ অনুষ্ঠান হিচাপে বিগত ছয় দশকজুৰি জ্ঞানৰ পোহৰ বিলাই অহা এই মহাবিদ্যালয়খনিত ছাত্ৰীসকলৰ 'সাধাৰণ সম্পাদিকা' হিচাপে দায়িত্ব পালন কৰাটো মোৰ বাবে আছিল এক অত্যন্ত কঠিন প্ৰত্যাহ্বান। সেই প্ৰত্যাহ্বানক আন্তৰিকতাৰে গ্ৰহণ কৰি আমি লাভ কৰা কাৰ্যকালৰ সময়চোৱাত মহাবিদ্যালয়খনৰ ছাত্ৰীসকলৰ অভাৱ-অভিযোগসমূহ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সহযোগত সমাধান কৰাৰে পৰা মহাবিদ্যালয়খনত ছাত্ৰীসকলৰ শিক্ষাৰ লগতে সামগ্ৰিক বৌদ্ধিক-সাংস্কৃতিক বিকাশৰ অনুকূল বাতাবৰণ উন্নতৰ কৰালৈকে ছাত্ৰী একতা সভাৰ প্ৰত্যেকগৰাকী সদস্যাই একাগ্ৰতাৰে প্ৰচেষ্টা চলাইছিলোঁ। আমাৰেই সৌভাগ্য যে মাত্ৰ এবছৰীয়া এই কাৰ্যকালৰ সময়তে মহাবিদ্যালয়খনৰ প্ৰতি আমি বিভিন্ন দিশত, বিভিন্ন ক্ষেত্ৰত আমাৰ সেৱা আগবঢ়াবলৈ সুযোগ লাভ কৰিলোঁ।

আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পাছতেই প্ৰথম অনুষ্ঠান হিচাপে 'সৰস্বতী পূজা' আয়োজন কৰিবলৈ আমি সুযোগ লাভ কৰোঁ আৰু সকলোৰে সহযোগত এই অনুষ্ঠান সফলতাৰে অনুষ্ঠিত কৰিবলৈ আমি সক্ষম হওঁ। নগাঁও ছোৱালী কলেজৰ হীৰক জয়ন্তী বৰ্ষটিও আমাৰ কাৰ্যকালৰ সময়চোৱাতে সামৰণি হয়। মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যাৰ সহযোগিতা আৰু প্ৰচেষ্টাত আমি এই সামৰণি মহোৎসৱক সফলতাৰে আয়োজন কৰিবলৈ সক্ষম হওঁ। এই সমাৰোহৰ লগতেই সংগতি ৰাখি ২০২২-২৩ বৰ্ষৰ যুৱ মহোৎসৱো বৰ্ণাঢ্য কাৰ্যসূচীৰে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়খনৰ ন-পুৰণি বহু ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে এই সমাৰোহত অংশগ্ৰহণ কৰি সৌষ্ঠৱ বৃদ্ধি কৰাত অৰিহণা যোগায়।

এই অনুষ্ঠানটি সুন্দৰভাৱে সম্পন্ন হৈ যোৱাৰ কেইমাহমানৰ পিছতেই মহাবিদ্যালয়খনৰ NAAC-ৰ মূল্যায়নৰ দিন আহি পৰিল। এয়া আমাৰেই সৌভাগ্য আছিল যে NAAC-ৰ Peer

Team-ৰ সন্মুখত আমি আমাৰ মহাবিদ্যালয়খনৰ ছাত্ৰীসকলক নেতৃত্ব দিবলৈ সুযোগ লাভ কৰিলোঁ। NAAC-ৰ মূল্যায়ন আমাৰ মহাবিদ্যালয়খনৰ পৰিয়ালৰ সমূহ সদস্যাৰ বাবেই আছিল এক কঠিন প্ৰত্যাহ্বান। NAAC-ৰ পৰা এক উচ্চ তথা সন্মানীয় মূল্যায়ন লাভ কৰাই আছিল আমাৰ সকলোৰে একমাত্ৰ লক্ষ্য। মহাবিদ্যালয়খনৰ তদানীন্তন অধ্যক্ষ মাননীয় ড° বলীন কুমাৰ ভূএঞা মহোদয়ৰ সবল তথা সুদৃঢ় নেতৃত্বত মহাবিদ্যালয়খনৰ IQAC-ৰ সদস্যসকল, শিক্ষকসকল, সমূহ কৰ্মচাৰী, ছাত্ৰী একতা সভাৰ সদস্যসকল, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰীসকলকে ধৰি সকলোৰে সন্মিলিত প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰমৰ ফলতেই ১০-০৪-২০২৩ আৰু ১১-০৪-২০২৩ তাৰিখে হৈ যোৱা NAAC peer team-ৰ মূল্যায়নত আমাৰ মহাবিদ্যালয়ে সফলতাৰে A-Grade লাভ কৰিবলৈ সক্ষম হয়। এই সফলতা আনিবলৈ কেইবা সপ্তাহজোৰা মহাবিদ্যালয়খনৰ প্ৰতিজন সদস্যই দিন-ৰাতি একাকাৰ কৰি কষ্ট স্বীকাৰ কৰিছিল। ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়খনক এনে এক কঠিন প্ৰত্যাহবানযুক্ত আয়োজনত প্ৰতিনিধিত্ব কৰি নিজৰ কৰ্তব্যসমূহ পালন কৰিবলৈ পোৱাটো জীৱনৰ বাবে এক অনন্য অভিজ্ঞতা হিচাপে মোৰ স্মৃতিত সজীৱ হৈ ৰ'ব।

আমাৰ কাৰ্যকালতেই আমাৰ সকলোৰে শ্ৰদ্ধাৰ অধ্যক্ষ ড° বলীন কুমাৰ ভূএঞা মহোদয়ৰ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণৰ সময় আহি পৰে। মহাবিদ্যালয়খনৰ প্ৰত্যেকগৰাকী ছাত্ৰী তথা প্ৰত্যেকগৰাকী সদস্যাৰ সহযোগত আমি তেখেতৰ বাবে বিদায় সভাৰ আয়োজন কৰাৰ সুযোগ লাভ কৰোঁ। অধ্যক্ষ হিচাপে তেখেতৰ কৰ্মজীৱনৰ অন্তিমখন ছাত্ৰী একতা সভাৰ সদস্য হিচাপে আমি তেখেতৰ নিচেই কাষত থাকি আমাৰ দায়িত্ব তথা কৰ্তব্যসমূহ পালন কৰাৰ সুযোগ লাভ কৰিলোঁ। বিগত এটা বছৰে তেখেতৰ বলিষ্ঠ তথা অভিজ্ঞতাসম্পন্ন মাৰ্গদৰ্শনৰ বাবেই আমাৰ ছাত্ৰী একতা সভাই মহাবিদ্যালয়খনৰ প্ৰতি আমাৰ দ্বায়িত্ব তথা কৰ্তব্যসমূহ নিয়াৰিকৈ সম্পন্ন কৰাত সফল হ'লোঁ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

শ্ৰদ্ধাৰ ড° বলীন কুমাৰ ভূএঞা মহোদয়ৰ বিদায়ৰ পিছতেই আমাৰেই মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰদ্ধাৰ ড° কুলেন চন্দ্ৰ দাস মহোদয় আমাৰ নৱনিৰ্বাচিত অধ্যক্ষ হিচাপে নিযুক্ত হয়। আমাৰ কাৰ্যকালৰ শেষৰ ফালে তেখেতৰ নেতৃত্ব তথা দিহা-পৰামৰ্শতেই ছাত্ৰী একতা সভাই আধৰুৱা হৈ ৰোৱা দায়িত্বখিনিও সফলতাৰে সম্পন্ন কৰিবলৈ সক্ষম হয়। ছাত্ৰী একতা সভাৰ প্ৰত্যেক সতীৰ্থ ছাত্ৰী তথা শিক্ষাগুৰুসকলৰ সহযোগত মহাবিদ্যালয়ত আমি কেইবাটাও অনুষ্ঠান সফলতাৰে আয়োজন কৰিবলৈ সক্ষম হওঁ। তাৰে ভিতৰত— নৱাগত ছাত্ৰীৰ চিনাকি পৰ্ব, নৱাগত আদৰণি সভা, এইমাহৰ অতিথি অনুষ্ঠান, ভাৰত চৰকাৰৰ 'হৰ ঘৰ তিৰংগা' অভিযানত মহাবিদ্যালয়ৰ অংশগ্ৰহণ, সংস্কৃত দিৱস, বাটৰ নাট, ৰাভা দিৱস, ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম দিৱস, বিশ্ব গঁড় দিৱস, Vibrant Saturday প্ৰতিযোগিতা, শ্ৰীমন্ত শংকৰদেৱৰ তিথি, আন্তঃমহাবিদ্যালয় ভাৰোত্তোলন প্ৰতিযোগিতা, নগাঁও ছোৱালী কলেজৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠান ইত্যাদি অন্যতম। লগতে, এই বছৰতেই আমাৰ মহাবিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱতো সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। ছাত্ৰীসকলৰ সৈতে এই সফলতাৰ সমভাগী হ'বলৈ পোৱাটোও আমাৰ সৌভাগ্য আছিল।

কাৰ্যকালৰ শেষৰ ফালে উপলব্ধি কৰিলোঁ, মাত্ৰ এবছৰৰ কাৰ্যকালত ছাত্ৰী একতা সভাক প্ৰতিনিধিত্ব কৰি সকলোবোৰ কৰণীয় সম্পন্ন কৰাটো সম্ভৱপৰ নহয়। তথাপি আমি সন্মিলিতভাৱে একাগ্ৰতা তথা নিষ্ঠাৰে চেষ্টা কৰিলোঁ আমাক নিৰ্বাচিত কৰি পঠিওৱা ছাত্ৰীসকলৰ বিশ্বাসক অটুট ৰাখিবলৈ। আমি কিমান কি কৰিব পাৰিলোঁ অথবা নোৱাৰিলোঁ, সেয়া হয়তো সময়েহে ক'ব পাৰিব। আমি মাথোঁ আমাৰ দ্বায়িত্ব আৰু কৰ্তব্যসমূহ নিষ্ঠাৰে পালন কৰিবলৈ সদায় চেষ্টা কৰি আহিছোঁ। আমি চেষ্টা কৰি আহিছোঁ, প্ৰতিটো কাম ভালদৰে কৰিবলৈ, নিৰ্বাচনৰ সময়ত আমি দিয়া প্ৰতিশ্ৰুতিবোৰ ৰাখিবলৈ।

এইখিনিতেই উল্লেখযোগ্য যে ২০২২ চনৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনৰ সময়ত মই ব্যক্তিগতভাৱে ছাত্ৰীসকলক দিয়া প্ৰতিশ্ৰুতিবোৰৰ ভিতৰত অন্যতম আছিল, ছাত্ৰীসকলৰ বাবে বিশুদ্ধ তথা সুলভ খোৱা পানীৰ সমস্যাৰ সমাধান কৰা আৰু ছাত্ৰীসকলক সন্মুখৰ পৰা নেতৃত্ব দি আন্তঃমহাবিদ্যালয় সমাৰোহত ভাল ফলাফল আজুৰি অনা। সৌভাগ্যক্ৰমে এই দুয়োটা প্ৰতিশ্ৰুতিয়েই ৰক্ষা কৰিবলৈ মই সফল হ'লোঁ। তাৰ উপৰিও এই সময়চোৰাত আৰু বহুখিনি কৰ্তব্যই পালন কৰাৰ সুযোগ পালোঁ। এই সময়চোৰাতেই বহু দেখিলোঁ, বহু শিকিলোঁ। এই সময়চোৰাৰ আটাইতকৈ ডাঙৰ উপলব্ধিটোৱেই হ'ল যে শিক্ষা তথা জ্ঞানৰ পৰিধি কেৱল কিতাপৰ আখৰবোৰৰ মাজতেই সীমাবদ্ধ নহয়। 'Great experiences come with great responsibilities.' যদি মহাবিদ্যালয়খনৰ সাধাৰণ সম্পাদক হিচাপে কাম কৰাৰ সুযোগ লাভ নকৰিলোঁ হয়, হয়তো জীৱনত শিকিবলৈ বহুখিনি কথাই বৈ গ'ল হয়। আশাকৰোঁ, এই অভিজ্ঞতাবোৰৰ কেতিয়াবা

মোৰ ব্যক্তিগত অথবা কৰ্মজীৱনৰ কোনোবাখিনিত হয়তো সহায়ক হ'ব। আৰু ইয়াৰ বাবে মহাবিদ্যালয়খনৰসমূহ ছাত্ৰী, কৰ্তৃপক্ষ আৰু সমূহ শিক্ষাগুৰুৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

আমাৰ ছাত্ৰী একতা সভাৰ প্ৰত্যেকগৰাকী সদস্যাৰ ত্যাগ, কষ্ট আৰু একাগ্ৰতাৰ অবিহনে হয়তো আমি সফলতা অৰ্জন কৰাত বিফল হ'লোঁহেঁতেন। এই ছাত্ৰী একতা সভাৰ প্ৰত্যেক সফলতাৰ কৃতিত্ব এই সভাৰ প্ৰত্যেকগৰাকী সদস্যালৈ সদায়েই যাব। আমাৰ কৰণীয়খিনি যদি আমি সফলতাৰে সম্পন্ন কৰিব পাৰিলোঁ, এয়া কেৱল প্ৰত্যেকৰে সন্মিলিত প্ৰচেষ্টাৰ বাবেই সম্ভৱপৰ হৈ উঠিল।

সাধাৰণ সম্পাদিকা হিচাপে দায়িত্ব পালন কৰি এটা কথা উপলব্ধি কৰিলোঁ, আমাৰ মহাবিদ্যালয়খনে প্ৰতিষ্ঠাকালৰে পৰা আজিকোপতি সময়ৰ লগত ফেৰ মাৰি ইতিমধ্যে বহুদূৰ আগুৱাই আহিছে, আৰু বহুদূৰ যাবলৈ এতিয়াও বাকী আছে। শেষত, নগাঁও ছোৱালী কলেজৰ উত্তৰণ কামনা কৰি আমাৰ এই এবছৰীয়া কাৰ্যকালত আমাক সহযোগিতা আগবঢ়াই আমাৰ পৰিকল্পনাবোৰ সফলভাৱে কাৰ্যকৰী হোৱাত সহায় কৰা প্ৰত্যেকজনলৈ মোৰ শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই সময়চোৱাত আমাৰ অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, ছাত্ৰী একতা সভাৰ সহকৰ্মী/সহসদস্যাসকল আৰু মহাবিদ্যালয়ৰ প্ৰত্যেকগৰাকী ছাত্ৰীৰ ওচৰত কৰযোৰে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতেই সামৰিছোঁ।

জয়তু নগাঁও ছোৱালী কলেজ

জয়তু ছাত্ৰী একতা সভা

**পৰিস্মিতা শৰ্মা**

সাধাৰণ সম্পাদিকা, ছাত্ৰী একতা সভা

২০২২-২৩ বৰ্ষ



# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

২০২১ বৰ্ষৰ ২১ অক্টোবৰ তাৰিখে মই প্ৰথম খোজ দিছিলো নগাঁও ছোৱালী মহাবিদ্যালয়ত। তাৰ পৰাই মোৰ এক নতুন যাত্ৰা আৰম্ভ হৈছিল শৈক্ষিক জীৱনত। মহাবিদ্যালয়খনে সময়ে সময়ে শিকাই গ'ল ছাত্ৰী জীৱনৰ শিক্ষাৰ এক প্ৰবল আৰু বিৰাট শক্তিৰ কথা। শিক্ষাৰ্থীসকল হ'ল কল্পনাপ্ৰৱল মন, অসীম উচ্ছাস আৰু উদ্যমেৰে ভৰপুৰ শক্তিৰ অফুৰন্ত ভাণ্ডাৰ। ছাত্ৰ শক্তি হ'ল সমাজৰ সদা-জাগ্ৰত প্ৰহৰী। স্বাধীনতা, শক্তি, গতিৰ কল্যাণময় আদৰ্শৰ জিলমিলনিয়ে শিক্ষাৰ্থীসকলৰ দৃষ্টিপটত জীৱন্তকৈ দাঙি ধৰে একোটা সৰ্বাংগ সুন্দৰ, সুখ আৰু সমৃদ্ধিৰে ভৰা মধুৰ জীৱন আৰু একোখন সমৃদ্ধিশালী সমাজ।

মহাবিদ্যালয়খনে শিকাই এই যে— জীৱনৰ শিকিবলগীয়া সমস্ত কামৰ বাবে উপযুক্ত সময় হৈছে ছাত্ৰ জীৱন। ছাত্ৰ জীৱনেই হ'ল শৃংখলাবদ্ধ, নিয়মানুৱৰ্তিতা আৰু কৰ্তব্যপৰায়ণতা অনুশীলনৰ উপযুক্ত সময়। এক ভাষাত ক'বলৈ গ'লে— মহাবিদ্যালয়খনৰ এই কোমল মানৱ মাটিডৰাত শৃংখলাবদ্ধ আৰু নিয়মানুৱৰ্তিতাৰ শইচ ছটিয়াব পাৰিলে পিছলৈ তাতেই অমৃত ফল ধৰিব। শৃংখলা আৰু নিয়মানুৱৰ্তিতা সকলো দেশৰ ছাত্ৰ সমাজে অনুশীলন কৰিবলগীয়া বিষয়। লগতে এই দৃষ্টিভংগী হাতত লৈ শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি কৰিব লাগে। শিক্ষাবিদসকলৰ মতে, "শিক্ষাই সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে।" গতিকে জীৱনৰ উদ্দেশ্য হ'ব লাগে শিক্ষা। ছাত্ৰসকলেই হ'ল দেশৰ ভৱিষ্যৎ, আশা-ভৰষা। সেয়ে ছাত্ৰসকলে ছাত্ৰ অৱস্থাত যিমান দূৰ সম্ভৱ অৰ্থকাৰী আৰু কাৰ্যকাৰী জ্ঞান লাভ কৰি দেশসেৱাত ব্ৰতী হ'ব লাগে।

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা, ৰঙে-ৰসে উপচি পৰা, মধুৰ স্বপ্নালিৰ আৱেশেৰে ভৰপুৰ বৈচিত্ৰ্যময় সময়ছোৱাই হৈছে কলেজীয় জীৱন। কলেজীয়া জীৱন আনন্দোচ্ছল, মাধুৰ্যপূৰ্ণ আশা-আকাংক্ষাৰে সোণালী ৰঙেৰে ৰঙীন, ৰামধেনুৰ বিচিত্ৰতাৰে বৰ্ণালীময়। গতিময়, অনুভূতিময় আৰু হৃয় সুন্দৰ ভৱিষ্যত জীৱনৰ মহান আদৰ্শৰ উদ্দীপনা আৰু অনুপ্ৰেৰণাৰে সমুজ্জ্বল।

যিকোনো এটা সংস্কৃতিৰ প্ৰগতি মহিলাসকলৰ সৱলীকৰণ অবিহনে আধৰুৱা হৈ ৰয়। নগাঁও ছোৱালী মহাবিদ্যালয় হ'ল এনেকুৱা এখন নাৰী শক্তি উন্নয়নৰ প্ৰতিষ্ঠান য'ত নিহিত হৈ আছে ছাত্ৰীশক্তি। ছাত্ৰ জীৱনৰ জাগৰণ দেশৰ শুভ লক্ষণ, জাতিৰ সঞ্জীৱনী শক্তি। আমাৰ এই মহাবিদ্যালয়খন হ'ল ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ এক দাপোণস্বৰূপ। যি দাপোণত প্ৰত্যেক লেখক-লেখিকাৰ সৃষ্টি প্ৰতিভাসমূহ স্পষ্টকৈ প্ৰকাশ পায়।

এনেদৰেই শিক্ষা জীৱনৰ মূল ভেটিস্বৰূপ মোৰ এই মহাবিদ্যালয়খনেই হ'ল মোৰ দাপোণ। য'ত মই শিক্ষাৰ লগতে মানৱ জীৱনৰ মূলমন্ত্ৰ শিকিব পাৰিছিলোঁ। লগতে মহাবিদ্যালয়খনৰ শিক্ষাগুৰুসকলেই প্ৰত্যেক সময়ৰ যি উদ্‌গণি তাত আমি প্ৰৱল সাহস লৈ কাম কৰি যাবলৈ শক্তি পাওঁ। এনেবোৰ শিক্ষাৰ মাজতে এটা সময় আহি পৰিল যিটো হ'ল মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচন। য'ত মই প্ৰৱল সাহস আৰু উদ্যমেৰে নিৰ্বাচনত উঠিছিলো। মোৰ মূলমন্ত্ৰ এই যে— একতা সভাৰ জৰিয়তে মহাবিদ্যালয়খনে দিয়া শিক্ষাৰ বিপৰীতে মই মহাবিদ্যালয়খনৰ কাৰণে কাম কৰি যোৱা।

২০২২ চনৰ ২৯ ছেপ্টেম্বৰ তাৰিখে নগাঁও ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ছাত্ৰী একতা সভাৰ সহকাৰী সাধাৰণ

সম্পাদিকা হিচাপে মই জয়যুক্ত হৈছিলোঁ। ১৮ নৱেম্বৰ তাৰিখে একতা সভাৰ শপত গ্ৰহণ অনুষ্ঠানত মই এটা সংকল্প লৈছিলোঁ যে— মহাবিদ্যালয়খনৰ উন্নতি আৰু শিক্ষা দিশত উদ্‌গণিৰ কাৰণে মোৰ এই সম্পাদিকা পদৰ বৰ্ষটোত ভালদৰে কাম কৰি যাম। এই ঐক্যবদ্ধত মহাবিদ্যালখনে দিয়া পৰামৰ্শমতে কাম-কাজ কৰি আহিছিলোঁ। মই সঁচাকৈয়ে সুখী অনুভৱ কৰোঁ যে 'কলেজ সপ্তাহ'ত মহাবিদ্যালয়খনৰ কাৰণে 'ছাত্ৰী জিৰণি কোঠা'ৰ বিভিন্ন কাৰ্যাৱলী তথা বিভিন্ন অনুষ্ঠানৰ পৰিচালিকা হিচাপে কাম কৰাৰ সুযোগ পাইছিলোঁ। য'ত মই নিজকে গৌৰৱ অনুভৱ কৰোঁ মোৰ এই মহাবিদ্যালয়খনৰ হৈ। মোৰ কৰ্মৰাজিৰ সততাত 'কলেজ সপ্তাহ'ত অনুষ্ঠিত হোৱা অনুষ্ঠানত পোন প্ৰথমবাৰৰ কাৰণে 'Best Secretary Award' পাবলৈ সক্ষম হৈছিলোঁ। তাৰে পিছৰ সময়ছোৱাত NAAC-ৰ পৰ্যবেক্ষণৰ সময়ত কলেজৰ হকে আমি যি কষ্ট কৰিছিলো তাৰ বাবে কলেজখনক NAAC-ৰ তৰফৰ পৰা 'A'-Grade লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। লাহে লাহে মহাবিদ্যালয়খনৰ শিক্ষা আৰু উন্নতিৰ হকে মই আৰু একতা সভাৰ সকলোৱে নিষ্ঠাৰে কাম কৰি আহিছিলোঁ। কলেজৰ প্ৰত্যেকটো অনুষ্ঠানত সকলো ছাত্ৰীক একতা কৰি আগবঢ়াই নিছিলোঁ। এনেদৰে মহাবিদ্যালয়খনত সময়ে সময়ে অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানৰ লগতে যি যি কাৰ্যসূচী হাতত লোৱা যায় নিষ্ঠাৰে পালন কৰি আহিছিলোঁ।

২০২৩ চনত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আনসকলোৰে লগত মই আমাৰ এই মহাবিদ্যালয়ৰ পৰা সাংস্কৃতিক অনুষ্ঠানত ভাগ লৈছিলোঁ। য'ত মই এই যুৱ মহোৎসৱত প্ৰথমবাৰৰ কাৰণে নাটক পৰিৱেশন কৰিছিলোঁ। আৰু দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত হোৱা এই মহোৎসৱত 'mime act' এক নতুন অভিজ্ঞতা পাবলৈ সক্ষম হৈছিলোঁ এই মোৰ মহাবিদ্যালয়খনৰ জৰিয়তে। সঁচাকৈ এক বুজাব নোৱাৰা অনুভৱ। মোৰ এই সহকাৰী সাধাৰণ সম্পাদিকা পদটোৰ বৰ্ষ শেষ নোহোৱা আগতে যিখিনি পাৰোঁ মহাবিদ্যালয়খনৰ হৈ কাম কৰি যাম। ছাত্ৰী একতা সভাৰ সদস্যা হিচাপে মহাবিদ্যালয়খনৰ হৈ যিমানখিনি কৰিলোঁ সিমানখিনি কৰিবলৈ থাকি গ'ল। এই মহাবিদ্যালয়খনিৰ ধাৰা চিৰ প্ৰৱাহিত হওক। ভালে থাকক সকলো, ভাল হওক সকলোৰে। এই সময় আমাৰ আছিল, মনত পৰিব আকৌ দিনবোৰলৈ।

**দীপা বৰা**

সহকাৰী সাধাৰণ সম্পাদিকা, ছাত্ৰী একতা সভা

২০২২-২৩ বৰ্ষ



# ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন

জিলিকা লুইতৰ বৰঘৰ কলঙৰ বাকৰিত দেবদাৰু সাক্ষী ঐতিহ্যমণ্ডিত নাৰী শিক্ষাৰ জ্ঞান প্ৰহেলিকাৰ বৰভেটি নগাঁও ছোৱালী কলেজৰ মই এগৰাকী ছাত্ৰী।

মোৰ গুৰু বিষয় হৈছে ৰাজনীতি বিজ্ঞান। সৰুৰে পৰা খেল জগতখনত মোৰ ৰুচি আছিল। এই কলেজখনত অহাৰ পিছতে মই খেল জগতৰ লগত জড়িত হৈ পৰিছিলো, তাৰ পিছতে ৰাষ্ট্ৰীয় পৰ্যায়ত খেলিবলৈ সোণালী সুযোগ পাইছিলো আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত খেলিবলৈ মোক নগাঁও ছোৱালী কলেজে আৰ্থিকভাৱে সাহাৰ্য প্ৰদান কৰিছিল। আমাৰ কলেজখনত বিভিন্ন ধৰণৰ সা-সুবিধা আছে কিন্তু খেলৰ ক্ষেত্ৰত পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধা নাছিল। সেয়েহে মই অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছিলো যাতে আমাৰ কলেজখন ক্ৰীড়াৰ ক্ষেত্ৰত কোনো ধৰণৰ পিছ পৰি নাথাকে।

সেই সময়তে ২০২২-২০২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনৰ প্ৰচাৰ আৰম্ভ হৈছিল। যিহেতু মই ক্ৰীড়াজগতৰ লগত জড়িত সেয়েহে মই নিজকে ক্ৰীড়া সম্পাদিকা হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। সকলোৰে সহায়-সহযোগিতাত মই এই পদত সৰ্বোচ্চ ভোটৰ সংখ্যাৰে জয়ী হ'লো। এই সুযোগতে সকলোকে আকৌ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মই মোৰ পদবীত থকা সময়ছোৱাত আমাৰ প্ৰাক্তন অধ্যক্ষ মহোদয় ড° বলীন কুমাৰ ভূঞা ছাৰে 'বাস্কেট বলৰ কৰ্ট' নিৰ্মাণ কৰাৰ লগতে বৰ্তমান অধ্যক্ষ মহোদয় ড° কুলেন চন্দ্ৰ দাস ছাৰ, ড° অমিত কুমাৰ ৰায়চৌধুৰী ছাৰৰ সহযোগিতাত আমাৰ কলেজত ছোৱালীসকলৰ শৰীৰ চৰ্চাৰ বাবে 'জিম চেণ্টাৰ' বনোৱা হয়। যাৰ বাবে ছাৰসকলক মই ধন্যবাদ জনাইছোঁ।

আমাৰ কলেজত জিম চেণ্টাৰ হোৱাৰ পিছতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত 'Inter college powerlifting and weightlifting tournament' প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এই প্ৰতিযোগিতাখন পুৰণিগুদাম ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। য'ত নগাঁও ছোৱালী কলেজে প্ৰথম স্থান লাভ কৰিছিল (৭, ৮, ৯ ফেব্ৰুৱাৰীত)।

তাৰ পিছতে আৰম্ভ হৈছিল নগাঁও ছোৱালী কলেজৰ 'সপ্তাহ সমাৰোহ'ত ক্ৰীড়া বিভাগত মই ১৬টা বিষয়ত প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। সেইসমূহ হ'ল— মাৰ্চ পাচ, ১০০ মিটাৰ দৌৰ, ৪০০ মিটাৰ দৌৰ, ৰিলে ৰেছ, জেৱলিন থ্ৰ', কেৰম, ডিচকাচ থ্ৰ', দবা খেল, পাঞ্জা, টাইকোৱানড', বেডমিণ্টন, টেবল টেনিছ, ভলীবল, বাস্কেট বল, ৰছী টনা, কাবাডী। সকলোবোৰ প্ৰতিযোগিতাতেই যথেষ্ট সংখ্যক ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

নগাঁও ছোৱালী কলেজৰ যুৱ মহোৎসৱত ক্ৰীড়া বিভাগত পুৰস্কৃত হোৱা ছাত্ৰীসকলৰ নাম তলত উল্লেখ কৰা হ'ল

১) <u>**March Pass** প্ৰতিযোগিতা</u>

প্ৰথম স্থান ঃ NCC বিভাগ

দ্বিতীয় স্থান ঃ ৰাজনীতি বিজ্ঞান বিভাগ

তৃতীয় স্থান ঃ ভূগোল বিভাগ

**Best Commander :**

প্ৰিয়ংকা বসুমতাৰী

হাবিবা চুলতানা

২) <u>টেবুল টেনিছ</u>

প্ৰথম স্থান ঃ বিন্দিয়া বসুমতাৰী

দ্বিতীয় স্থান ঃ প্ৰিয়ংকা বসুমতাৰী

তৃতীয় স্থান ঃ তাৰিস্কা লস্কৰ

৩) **কেৰম প্ৰতিযোগিতা (একক)**

প্ৰথম স্থান ঃ তৰালী খাকলাৰী

দ্বিতীয় স্থান ঃ প্ৰিয়ংকা বসুমতাৰী

তৃতীয় স্থান ঃ দুলুমণি ভৰালী

৪) **পাঞ্জা প্ৰতিযোগিতা**

প্ৰথম স্থান ঃ দীপামণি বসুমতাৰী

দ্বিতীয় স্থান ঃ প্ৰস্তুতি বৰা

তৃতীয় স্থান ঃ কস্মিতা শৰ্মা

৫) **বেডমিন্টন প্ৰতিযোগিতা**

প্ৰথম স্থান ঃ হাবিবা চুলতানা

দ্বিতীয় স্থান ঃ নেহা বসুমতাৰী

তৃতীয় স্থান ঃ ৰৌচানা বেগম

৬) **জেভলিন থ্ৰ'**

প্ৰথম স্থান ঃ বৈযন্তী খাকলাৰী

দ্বিতীয় স্থান ঃ প্ৰিয়ংকা বসুমতাৰী

তৃতীয় স্থান ঃ সুস্মিতা বড়ো

৭) **ডিচকাচ থ্ৰ'**

প্ৰথম স্থান ঃ নয়নীকা আচিয়াৰী

দ্বিতীয় স্থান ঃ কণিকা শইকীয়া

তৃতীয় স্থান ঃ দুলুমণি ভৰালী

৮) **১০০ মিটাৰ দৌৰ**

প্ৰথম স্থান ঃ কাৰেৰী বৰা

দ্বিতীয় স্থান ঃ টিনা মেধি

তৃতীয় স্থান ঃ প্ৰিয়া শইকীয়া

৯) **২০০ মিটাৰ দৌৰ**

প্ৰথম স্থান ঃ কাৰেৰী বৰা

দ্বিতীয় স্থান ঃ টিনা মেধি

তৃতীয় স্থান ঃ প্ৰিয়া শইকীয়া

১০) **ৰছী টনা**

প্ৰথম স্থান ঃ শিক্ষা বিভাগ

দ্বিতীয় স্থান ঃ ভূগোল বিভাগ

১১) **ৰিলে ৰেচ**

প্ৰথম স্থান ঃ কাৰেৰী বৰা
ৰৌচানা বেগম
প্ৰিয়ংকা বসুমতাৰী
ৰেংজীৰ ৰংহাৰপী

দ্বিতীয় স্থান ঃ নেহা মেচ
ভূমিষ্ঠা শইকীয়া
চাদিকা পুৰী
ৰশ্মিৰেখা কৈৰী

তৃতীয় স্থান ঃ হিমাদ্ৰী বৰা
টিনা মেধি
মণিষা বৰদলৈ
লক্ষ্মী ৰংপী

১২) **দবা খেল**

প্ৰথম স্থান ঃ তাৰিস্কা লস্কৰ

দ্বিতীয় স্থান ঃ প্ৰিয়ংকা বসুমতাৰী

তৃতীয় স্থান ঃ দুলুমণি ভৰালী

১৩) **কাবাডী**

প্ৰথম স্থান ঃ ৰাজনীতি বিজ্ঞান বিভাগ

দ্বিতীয় স্থান ঃ শিক্ষা বিভাগ

১৪) **বাস্কেট বল**

প্ৰথম স্থান ঃ ৰাজনীতি বিজ্ঞান বিভাগ

দ্বিতীয় স্থান ঃ উদ্ভিদ বিজ্ঞান বিভাগ

১৫) **ভলীবল**

প্ৰথম স্থান ঃ ৰাজনীতি বিজ্ঞান বিভাগ

দ্বিতীয় স্থান ঃ NCC বিভাগ

১৬) **টাইকোৱানড'**

**৫০ কিলোগ্ৰাম তলৰ**

প্ৰথম স্থান ঃ সোণমিলি বেইপী

দ্বিতীয় স্থান ঃ প্ৰিয়া দাস

তৃতীয় স্থান ঃ চিন্ময় কোচ

**৭০ কিলোগ্ৰাম তলৰ**

প্ৰথম স্থান ঃ বিন্দিয়া বসুমতাৰী

দ্বিতীয় স্থান ঃ মধুস্মিতা শৰ্মা

**৭৫ কিলোগ্ৰাম ওপৰ**

প্ৰথম স্থান ঃ দীপামণি বসুমতাৰী

দ্বিতীয় স্থান ঃ ইশা চন্দা

তৃতীয় স্থান ঃ পৰিস্মিতা হাজৰিকা

২০২২-২৩ বৰ্ষৰ 'যুৱ মহোৎসৱ'ত ক্ৰীড়া বিভাগত শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ প্ৰিয়ংকা বসুমতাৰীয়ে পাবলৈ সক্ষম হৈছিল।

প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে পৰিদৰ্শন কৰা 'NAAC' (National Assessment and Accreditation Council)ৰ দল এইবাৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ লগত ২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাই সন্মুখীন হ'বলগীয় হৈছিল। শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা

আৰম্ভ কৰি সকলো ছাত্ৰীসকলৰ লগতে কলেজৰ সকলো কৰ্মচাৰীয়ে 'NAAC'ৰ দলটোক আদৰিবৰ বাবে সাজু হৈ আছিল।

'NAAC' আগমনৰ সময়ছোৱাত সাংস্কৃতিক সন্ধিয়াত অংশগ্ৰহণ কৰিছিলো। মই একাংকিকা নাট 'কনকলতা'ত ব্ৰিটিছৰ বিৰুদ্ধে আন্দোলনকাৰীৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ। লগতে জনজাতীয় লোক-নৃত্যত মই তিৱা জনজাতীয় নৃত্য প্ৰদৰ্শন কৰিছিলোঁ।

'NAAC'ৰ দলৰ সন্মুখত নাট আৰু লোকনৃত্য কৰাটোৱেই হৈছে মোৰ জীৱনত কৰা প্ৰথম অভিজ্ঞতা। 'NAAC'ৰ দলটোৱে আমাৰ কলেজখনৰ পৰ্যবেক্ষণ কৰাৰ পাছত কলেজৰ সকলো লোকৰ সহায়-সহযোগত আমি 'A-Grade' পাবলৈ সক্ষম হ'লোঁ।

২০২৩ বৰ্ষৰ ২৪ ছেপ্টেম্বৰত 'NSS দিৱস'ৰ উপলক্ষে নগাঁও জিলাৰ অন্তৰ্গত সমূহ মহাবিদ্যালয়ৰ মাজত হোৱা আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতা খাগৰিজান মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল, তাত মই আৰু মোৰ লগতে নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলেও প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাত আমাৰ নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলে তিনিখন প্ৰতিযোগিতাতে (ৰছী টনা, দবা খেল আৰু কেৰম) জয়ী হ'বলৈ সক্ষম হৈছিল। ড° অমিয়া পাটৰ বাইদেউৰ তত্বাৱধানত মই এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সক্ষম হৈছিলোঁ।

ইয়াৰ লগতে সেইদিনাই নগাঁও কলেজ (স্বতন্ত্ৰ)ত অনুষ্ঠিত হোৱা বেডমিণ্টন প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰীসকলে দ্বিতীয় স্থান পাবলৈ সক্ষম হয়।

২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ ক্ৰীড়া সম্পাদিকা পদৰ দায়িত্বত থকা মোৰ শেষটি অনুষ্ঠান আছিল ২৮/০৯/২০২৩ত অনুষ্ঠিত হোৱা '2nd District Weightlifting Championship' অনুষ্ঠানটো। নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ মহোদয় ড° কুলেন চন্দ্ৰ দাস ছাৰ আৰু 'Nagaon District Weightlifting Association'ৰ সভাপতি মৃদুল কুমাৰ ৰয় আৰু সাধাৰণ সম্পাদক অৰূপ বৰা ছাৰৰ তত্বাৱধানত এই অনুষ্ঠানটিত যিমানখিনি দায়িত্ব আছিল সেই দায়িত্বসমূহ পালন কৰিবলৈ সক্ষম হৈছিলোঁ আৰু মোৰ এই কামত সহায় কৰিছিল ড° অমিত কুমাৰ ৰায়চৌধুৰী ছাৰে। সেই অনুষ্ঠানটিত নগাঁও জিলাৰ বহুতো খেলুৱৈসকলে অংশগ্ৰহণ কৰাৰ লগতে আমাৰ কলেজৰ ছাত্ৰীসকলেও অংশগ্ৰহণ কৰিছিল য'ত আমাৰ ছাত্ৰীসকল জয়ী হৈছিল।

এয়াই হৈছে মোৰ ক্ৰীড়া সম্পাদিকা হিচাপে শেহতীয়া অনুষ্ঠান। মই মোৰ কলেজখনত অনুষ্ঠিত হোৱা বহুতো অনুষ্ঠান আৰু অন্যান্য খেল প্ৰতিযোগিতাসমূহৰ পৰা বহুতো নতুন নতুন অভিজ্ঞতা পাইছোঁ। এই অভিজ্ঞতাৰ পৰা মই মোৰ খেল জগতখনত আৰু এখোজ আগবাঢ়ি যাবৰ বাবে প্ৰেৰণাও পাইছোঁ।

শেষত ক্ৰীড়া সম্পাদিকা হিচাপে নিজকে প্ৰতিষ্ঠিত কৰাব পৰাটো মোৰ এবছৰীয়া কাৰ্যকালৰ সাৰ্থকতা বুলি অনুভৱ কৰোঁ। ক্ৰীড়া ক্ষেত্ৰখনত নগাঁও ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।

**বিন্দিয়া বসুমতাৰী**
ক্ৰীড়া সম্পাদিকা
২০২২-২৩ বৰ্ষ



# সংগীত সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পৰম পূজ্য মহেশচন্দ্ৰ দেৱগোস্বামীদেৱ আৰু যিসকল মহান মনীষীৰ প্ৰচেষ্টাৰ অন্তত উক্ত কলেজখনে আজিৰ এই অৱস্থা পাইছেহি, সেই সকলো বিশিষ্ট মনীষীলৈ সেৱা নিবেদিছোঁ। লগতে নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ মহোদয় ড° কুলেন চন্দ্ৰ দাসদেৱকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰী বান্ধৱীলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই ২০২২-২৩ বৰ্ষত নগাঁও ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সংগীত সম্পাদিকা হিচাপে মনোনীত হওঁ। নিজকে এগৰাকী সফল সংগীত সম্পাদিকা হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ অহৰহ চেষ্টা কৰিছিলোঁ। সংগীত সম্পাদিকাৰ গুৰু দায়িত্বভাৰ গ্ৰহণ কৰাৰ ঠিক কিছুদিনৰ পাছতেই মহাবিদ্যায়ৰ সপ্তাহ সমাৰোহ অনুষ্ঠানটি আয়োজন কৰা হৈছিল।

সংগীত সম্পাদিকা হিচাপে নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসমূহৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে সংগীতৰ এটা কৰ্মশালা অনুষ্ঠিত কৰিছিলোঁ আৰু লগতে সংগীতৰ বিভিন্ন প্ৰতিযোগিতা পাতিবলৈ আয়োজন কৰিছিলোঁ। কিন্তু নিজকে সফল ৰূপত প্ৰতিষ্ঠিত কৰিব পাৰিম নে নোৱাৰিম সন্দেহ উপজিছিল যদিও সেই সময়ত মোক মোৰ তত্বাৱধায়ক জোনালী মুদৈ বাইদেউ আৰু আশিস শইকীয়া ছাৰে যথেষ্ট সহায় কৰিছিল। সকলোৰে দিয়া সাহস আৰু প্ৰেৰণাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ।

নগাঁও ছোৱালী কলেজৰ 'সপ্তাহ সমাৰোহ'ত সংগীত বিভাগৰ ১২ টা বিষয়ত প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। সেইসমূহ হ'ল— বৰগীত, লোকগীত, বনগীত, জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত, পাৰ্বতিপ্ৰসাদ গীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত হাজৰিকা গীত, সুগম সংগীত, সমৱেত সংগীত, দিহানাম, পাশ্চাত্য সংগীত আদি।

সকলো প্ৰতিযোগিতাতেই যথেষ্ট সংখ্যক ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। সংগীত প্ৰতিযোগিতাৰ বিচাৰক হিচাপে আমন্ত্ৰণ কৰা হৈছিল আৰিফুল হক আৰু কানু কন্দলী ডাঙৰীয়াক।

ইয়াৰ লগতে ছোৱালী কলেজৰ নৱাগত আদৰণি সভা আৰু কলেজ প্ৰতিষ্ঠা দিবসকে আদি কৰি সংগীতৰ যিকোনো প্ৰতিযোগিতাতে অংশগ্ৰহণ কৰি গৈছিল ছাত্ৰীসকলে। ২০২২-২৩ বৰ্ষত নগাঁও ছোৱালী কলেজত 'ভাইব্ৰেণ্ট চেটাৰদে' নামৰ এটা অনুষ্ঠান আয়োজন কৰা হৈছে। য'ত সাহিত্য, ক্ৰীড়া, সংগীত, নৃত্য, আৰ্ট-ক্ৰাফ্টকে আদি কৰি প্ৰত্যেক দিশৰে শিক্ষা প্ৰদান কৰা হয়। এনেদৰেই নগাঁও ছোৱালী কলেজখন শিক্ষা, সংস্কৃতি, ক্ৰীড়া ইত্যাদি প্ৰত্যেকটো দিশতে উন্নতি লাভৰ কামনা কৰিলোঁ।

নগাঁও ছোৱালী কলেজৰ ২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সংগীত সম্পাদিকা হিচাপে মনোনীত হৈ মই এটা বিশেষ পৰিচয় পালোঁ। ইয়াৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা বহু নজনা কথা শিকিব পাৰিলোঁ আৰু এক নতুন অভিজ্ঞতাও হ'ল। সংগীত সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰি নিজকে প্ৰতিষ্ঠিত কৰিব পৰাটো মোৰ বাবে এক বছৰীয়া কাৰ্যকালত সাৰ্থকতা বুলি অনুভৱ কৰোঁ।

শেষত সাংস্কৃতিক দিশত নগাঁও ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

জয়তু নগাঁও ছোৱালী কলেজ।

**অংকুৰিমা দাস**
সংগীত সম্পাদিকা
২০২২-২৩ বৰ্ষ



# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ। নগাঁও ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ ২০২২-২৩ বৰ্ষৰ মই শ্ৰীআস্থা বৰাই সাংস্কৃতিক সম্পাদিকা হিচাপে মনোনীত আছিলোঁ। ইয়াৰ লগতে সন্মানীয় অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সাংস্কৃতিক সম্পাদিকা হিচাপে গোটেই বৰ্ষটোত মই কেইবাটাও অনুষ্ঠান অনুষ্ঠিত কৰাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলগীয়া হয়।

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল গণতন্ত্ৰ দিৱস লগতে সৰস্বতী পূজা। দ্বিতীয় কাৰ্যসূচী আছিল কলেজৰ যুৱ মহোৎসৱৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা, তৃতীয় কাৰ্যসূচী আছিল NAAC অৰ্থাৎ National Assessment and Accreditation Councilৰ আগত এক সাংস্কৃতিক অনুষ্ঠান দাঙি ধৰা। চতুৰ্থ কাৰ্যসূচী হিচাপে আছিল নৱাগত আদৰণী সভা উপলক্ষে এক সাংস্কৃতিক অনুষ্ঠান। পঞ্চম কাৰ্যসূচী ৬২তম নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আপোন কলেজখনৰ পৰা যোগদান কৰা বিহু Guiness World Recordত কলেজখনৰ একাংশ ছাত্ৰীৰ দ্বাৰা অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠান। ষষ্ঠ কাৰ্যসূচী হিচাপে প্ৰত্যেক শনিবাৰে 'Vibrent Saturday' হিচাপে এক নতুন প্ৰচেষ্টা হাতত লোৱা হৈছিল। সপ্তম কাৰ্যসূচী হিচাপে শঙ্কৰদেৱৰ তিথি অনুষ্ঠিত কৰা হৈছিল। অষ্টম কাৰ্যসূচী হিচাপে 'Vibrent Saturday'ৰ লগত সংগতি ৰাখি এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। শেষৰটো কাৰ্যসূচী হিচাপে আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় ক্ৰীড়া মহোৎসৱত অংশগ্ৰহণ কৰা। ৰঙাপাৰা কলেজত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া যুৱ মহোৎসৱত লাভ কৰা পুৰস্কাৰসমূহ এনেধৰণৰ— শ্ৰেষ্ঠ লোকনৃত্যৰ দল, দ্বিতীয় শ্ৰেষ্ঠ মূকাভিনয় দল, শ্ৰেষ্ঠ লোকগীত, শ্ৰেষ্ঠ ক'লাজ, Best Decipline Award.

আটাইকেইটা কাৰ্যসূচীয়েই মই তত্বাৱধায়ক শিক্ষাগুৰুসকলৰ লগতে অন্যান্য গুৰুসকল, জ্যেষ্ঠ বাইদেউসকল, মৰমৰ ভণ্টি আৰু বান্ধৱীসকলৰ সহযোগত কৃতকাৰ্যৰে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ। শেষত পুনৰবাৰ সকলোকে ধন্যবাদ জ্ঞাপন কৰিলোঁ। জয়তু নগাঁও ছোৱালী কলেজ।

**আস্থা বৰা**
সাংস্কৃতিক সম্পাদিকা
২০২২-২৩ বৰ্ষ



# সমাজ সেৱা সম্পাদিকাৰ প্ৰতিবেদন

কলং পাৰৰ জ্ঞানৰ পোহৰৰ কাৰেং ঐতিহ্যমণ্ডিত নগাঁও ছোৱালী কলেজক মোৰ প্ৰণাম। ২০২২ চনৰ অক্টোবৰ মাহত মই ৰাজনীতি বিজ্ঞান গুৰুবিষয় হিচাপে লৈ নগাঁও ছোৱালী কলেজত নামভৰ্তি কৰিছিলোঁ আৰু লগতে মোৰ নতুন ঠিকনা PDF Girls Hostel (পদ্মাৱতী দেৱী ফুকননী ছাত্ৰী নিবাস)। মোৰ ঘৰ কাৰ্বি আংলং জিলাৰ ৰজাপথাৰ অঞ্চলৰ এখন সৰু গাঁও জয়পুৰত। মোৰ বাবে নগাঁওখন এক নতুন ঠাই, নতুন মানুহ, নতুন লগ-বন্ধু, নতুন অভিজ্ঞতা আৰু নতুন প্ৰত্যাহ্বান। মোৰ বাবে এটাই দুখ ঘৰৰ পৰা কেতিয়াও দূৰৈলৈ নোযোৱা ছোৱালীজনী জানো অকলে হোষ্টেলত থাকিব পাৰিম? কিন্তু মনত আকৌ নতুন বোৰক আদৰিবলৈ উৎসুকতা। সচাঁই অচিনাকি নগৰৰ কলগুৰ বাকৰিৰ সেই মনোমোহা চকুৰোৱা অনুষ্ঠানখন অতি কম সময়ৰ ভিতৰতে আপোন হৈ পৰিল।

NSS...মানেনো কি? মোৰ বাবে এক নতুন শব্দ। ইয়াৰ আৰম্ভণি কৰিছিলোঁ ড" অমিয়া পাটৰ বাইদেউৰ তত্বাৱধানত। এই যে বাইদেউৰ লগত লগ হৈ বহুকেইজনী মিলি বহু ঠাইত, বহু কেইখন গাঁৱত গৈ তাৰ মানুহৰ সৈতে কথা-বতৰা পাতি মাজে মাজে গছ পুলি ৰোৱা, চাফাই অভিযান, স্বাস্থ্য পৰীক্ষা কৰা, বানপানী হোৱা ঠাইবোৰত গৈ সাহায্য দিয়া, তেওঁলোকৰ অভাৱ-অভিযোগসমূহ বুজ লোৱা ৰক্তদান, বিভিন্ন ধৰণৰ সজাগতা সভাসমূহত ভাগ লৈছিলোঁ। সেই কাৰ্বি আংলঙৰ ভিতৰ গাঁও এখনৰ ছোৱালীজনী কাহানিও এইবোৰ পোৱা নাই। বাইদেউৰ বাবেহে গম পালোঁ এইবোৰেই হৈছে সমাজসেৱা অৰ্থাৎ NSS (National service scheme) ৰ জৰিয়তে আমি ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ হিতৰ বাবে কাম কৰিব পাৰোঁ। এইবোৰৰ লগতে আবেলি মাজে মাজে হোষ্টেলৰ পৰা হাতত মগ, বাল্টি লৈ কলেজৰ ফুলবোৰত পানী দিয়া, কলেজৰ হ'বলগীয়া অনুষ্ঠানবোৰত গধূলি হোষ্টেলৰ ছোৱালীবোৰে মিলি ষ্টেজ সজোৱা, ক'ত কি ফুল আৰিব লাগে কোনখিনি ঠাইত কি কৰিব লাগে আদি কামবোৰৰো এক সুকীয়া আমেজ।

২৭ ছেপ্তেম্বৰ ২০২২ তাৰিখে হোৱা ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই ২০২২-২৩ বৰ্ষৰ সমাজ সেৱা সম্পাদিকা হিচাপে মই জয়যুক্ত হ'লোঁ। মই নিজকে সদায়ে সৌভাগ্যবান বুলি ভাবোঁ যে মই এই ঐতিহ্যমণ্ডিত নগাঁও ছোৱালী কলেজৰ এগৰাকী ছাত্ৰীৰ লগতে ছাত্ৰী একতা সভাৰ সদস্যা। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে বান্ধৱীসকল আৰু বা-ভণ্টিসকলৰ লগতো বহুত সোনকালে আপোন কৰি ল'ব পাৰিলোঁ। কলেজত প্ৰায়েই বিভিন্ন ধৰণৰ অনুষ্ঠানসমূহ অনুষ্ঠিত হৈয়ে থাকে। যাৰ জৰিয়তে আমাৰ ছাত্ৰীসকলে নিজৰ সুপ্ত প্ৰতিভাসমূহ প্ৰকাশ কৰিবলৈ এখন মঞ্চ পাই আহিছে। নবাগত আদৰণী সভা, কলেজ সপ্তাহ, কলেজ প্ৰতিষ্ঠা দিবস আদিৰ লগতে দিন, তাৰিখ অনুযায়ী বিভিন্ন অনুষ্ঠান আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ময়ো পিছে নিজৰ দায়িত্বত থকাৰ উপৰি মাজে-সময়ে প্ৰতিযোগিতাসমূহত ভাগ লওঁ। ২০২২ বৰ্ষৰ নৱগতা আদৰণী সভাত এইবাৰ থলুৱা খাদ্যৰ ৰন্ধন প্ৰতিযোগিতাখনত মই অৰ্থাৎ মোৰ দলটোৱে Masterchef শান্তা শৰ্মাৰ হাতেৰে প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হ'লোঁ। এগৰাকী সক্ৰিয় NSS Volunteer NSS State Level Mega Camp ২০২৩ ত নগাঁও ছোৱালী কলেজৰ হৈ কলেজখনক অসমৰ কলেজসমূহৰ আগত উপস্থাপন কৰাৰ সুযোগ লাভ কৰোঁ আৰু তাত সকলোৰে মৰম-স্নেহৰ লগতে প্ৰশংসা বুটলিবলৈ সক্ষম হওঁ।

২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাই এইবাৰ NAAC (National Assessment and Accreditation Council) ৰ সন্মুখীন হওঁ। শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা আৰম্ভ কৰি ছাত্ৰীসকলৰ লগতে

কলেজৰ সকলো কৰ্মচাৰীয়ে কঁকালত টঙালি বান্ধি সাজু হৈছিল NAAC ৰ Team টোক আদৰিবলৈ। ছাত্ৰীসকলৰ সাংস্কৃতিক অনুষ্ঠানৰ অংশ হিচাপে মইও একাংকিকা নাট 'কনকলতা'ৰ শ্বহীদ মুকুন্দ কাকতিৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ। শেষত NAAC ৰ Team টোৱে কলেজখনৰ সকলো দিশ পৰ্যবেক্ষণ কৰি আমাক A Grade প্ৰদান কৰে।

এইবাৰ আকৌ শোণিতপুৰ জিলাৰ ৰঙাপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা 'পূৱ মাণ্ডলিক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ' ২০২২-২৩ ত কলেজৰ হৈ অংশগ্ৰহণ কৰাৰ সুবিধা পালোঁ। যুৱ মহোৎসৱত কৰিবলগীয়া ব্যংগ নাটখনৰ এটা চৰিত্ৰ হিচাপে ময়ো প্ৰতিযোগিতাত দলীয়ভাৱে ভাগ ল'লোঁ। আমাৰ কলেজে প্ৰতিযোগিতাসমূহত বিভিন্ন স্থান দখল কৰিলে লগতে নিয়মানুৱৰ্তিতাৰ শ্ৰেষ্ঠ কলেজ হিচাপে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হ'ল আৰু গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱত ভাগ ল'বলৈ সক্ষম হ'ল।

ছাত্ৰী একতা সভাৰ দায়িত্বত থাকি ২০২৩ বৰ্ষৰ শেষৰটো অনুষ্ঠান এই যুৱমহোৎসৱ। বহুতো তিতা-মিঠা অভিজ্ঞতাৰে ছাত্ৰী একতা সভাৰ সদস্যা হিচাপে কলেজখনত কি কৰিলোঁ কি নকৰিলোঁ তাৰ হিচাপ হয়তো নাই। কিন্তু মোৰ বাবে ই সদায় স্মৃতিৰ পাতত সজীৱ হৈ থাকিব। শিক্ষক-শিক্ষয়ত্ৰীসকলৰ পৰা পোৱা জ্ঞান, মৰম-চেনেহ বন্ধুত্বই মোক বহু কথা শিকাইছে। অনুভৱ হৈছে জীৱনজোৰা উদ্দেশ্য, বৰ্তমানৰ কৰ্তব্য। মোৰ মৰমৰ কলেজখন যাতে সদায় সকলো দিশতে আগুৱাই যাওক— কলেজখন বিশ্বপটত উজলি উঠক, কলেজখনত কৰ্মৰত সকলোৰে ভাল হওক, ছাত্ৰীসকলৰ ভাল হওক, উজলি উঠক জ্ঞানৰ আকাশবন্তি আৰু পোহৰাই তোলক সমাজখন। এয়াই মোৰ নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা।

"জয়তু নগাঁও ছোৱালী কলেজ"।।

**অংকিতা বড়ো**
সমাজ সেৱা সম্পাদিকা
২০২২-২৩ বৰ্ষ



# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই ঐতিহ্যমণ্ডিত নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° বলীন কুমাৰ ভূঞা ছাৰ আৰু নৱনিযুক্ত অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাস ছাৰ আৰু উপাধ্যক্ষা মহোদয়াকে প্ৰমুখ্য কৰি পৰম পূজনীয় তথা শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী তথা মোৰ সতীৰ্থবৃন্দলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মানৱ জীৱন বৈচিত্ৰ্যৰে ভৰা। এই বৈচিত্ৰ্যময় জীৱনৰ আটাইতকৈ উল্লেখনীয় সময়ছোৱা হ'ল কলেজীয়া জীৱন, য'ত থাকে নতুনক আদৰাৰ তীব্ৰ হেঁপাহ লগত উচ্চ শিক্ষা লাভৰ মহৎ আকাংক্ষা। মোৰ কলেজীয়া জীৱন আৰম্ভ হৈছিল ০১-১০-২০২১ চনৰ পৰা। ২০২১-২২ বৰ্ষতে নগাঁও ছোৱালী কলেজে হীৰক জয়ন্তী বৰ্ষ স্পৰ্শ কৰিবলৈ সক্ষম হৈছে।

যদিও অধ্যয়ন মোৰ প্ৰধান কৰ্তব্য, তথাপি মই কেৱল অধ্যয়নতেই মোৰ সকলো সময় আৰু শক্তি খৰচ নকৰোঁ। পাঠ্যপুথি শিক্ষাৰ সমান্তৰালভাৱে অন্যান্য দিশবোৰত ব্যস্ত থাকি ভাল পাওঁ। আজি নিজকে মই সৌভাগ্যবান বুলি জ্ঞান কৰোঁ এই কাৰণেই যে, ঐতিহ্যমণ্ডিত নগাঁও ছোৱালী কলেজৰ মই এগৰাকী ছাত্ৰী হোৱাৰ লগতে ২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ আনুষ্ঠানিকভাৱে এটা বছৰ মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে দায়িত্ব গ্ৰহণৰ সুবিধা পালোঁ।

২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা হিচাপে ১৮-১১-২০২২ তাৰিখে শপত গ্ৰহণৰ দিনাৰে পৰা এই দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ বদ্ধপৰিপক্ক হোৱাৰ প্ৰতিজ্ঞা কৰিছিলোঁ। ছাত্ৰীক কোঙা কৰি পেলোৱা চেমিষ্টাৰ পদ্ধতিৰ লগত খোজ মিলাই আমি মহাবিদ্যালয়খনৰ উন্নতি, সাফল্য আৰু গৰিমা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ চেষ্টা অব্যাহত ৰাখিছিলোঁ। এবছৰীয়া কাৰ্যকালত ছাত্ৰী একতা সভাৰ বিষয়ববীয়া হিচাপে মহাবিদ্যালয়ৰ উন্নতিৰ স্বাৰ্থত কি সেৱা আগবঢ়ালোঁ বা কিমান দূৰ সফল হ'লোঁ সেয়া আপোনালোকৰ বিবেচনাৰ অধীন। তথাপিও মই ব্যক্তিগতভাৱে অনুভৱ কৰোঁ যে সততা আৰু নিষ্ঠাৰে নিজৰ দায়িত্বভাৰ গ্ৰহণ কৰি এবছৰীয়া কাৰ্যকালত নিঃস্বাৰ্থভাৱে মহাবিদ্যালয়ৰ উন্নতিৰ স্বাৰ্থত বিভাগীয় কৰ্মৰ লগতে ছাত্ৰী একতা সভাৰ প্ৰতিটো মহাবিদ্যালয়ৰ কাৰ্যতে আগভাগ লৈছিলোঁ।

মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা মুখ্য অনুষ্ঠানসমূহ আৰু কাৰ্যসমূহ ঃ

১) তৰ্ক, ৰাজহুৱা বক্তৃতা, আকস্মিক বক্তৃতাৰ তিনিদিনীয়াকৈ ২৪, ২৫ আৰু ২৭ ফেব্ৰুৱাৰীত এখন কৰ্মশালা আয়োজন কৰা হৈছিল।

২) ৩, ৪, ৫ মাৰ্চত যুৱ মহোৎসৱৰ তৰ্ক আৰু আলোচনা বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল।

৩) ২৯ ছেপ্তেম্বৰ ২০২৩ তাৰিখে স্বৰ্গীয় বিনয় চন্দ্ৰ বৰা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয়/ বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি আয়োজন কৰা হৈছিল।

৪) সুধাকণ্ঠ ড° ভূপেন হাজৰিকা জন্ম দিবসৰ লগত সংগতি ৰাখি ৮ ছেপ্তেম্বৰ তাৰিখে এখন আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল।

৫) প্ৰতি শনিবাৰে কুইজ, বাতৰি কাকত পঢ়া, তৰ্ক আদিৰ প্ৰশিক্ষণ দিয়া হৈছিল।

**বিশেষ কৃতজ্ঞতা ঃ** মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায়-সহযোগ আৰু সু-পৰামৰ্শৰে বাধিত কৰা মোৰ বিভাগীয় তত্বাৱধায়ক বিনোদ গোস্বামী ছাৰ আৰু ড° নমিতা কলিতা বাইদেউ। তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ বিভিন্ন কাম-কাজসমূহ সুচাৰুৰূপে কৰি যাবলৈ দিহা-পৰামৰ্শ আগবঢ়োৱা মোৰ শিক্ষাগুৰু ড° অমিয়া পাটৰ বাইদেউ আৰু শংকৰজ্যোতি বৰা ছাৰক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আনহাতে মোৰ কাৰ্য সম্পাদনাৰ সময়ত বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে বান্ধৱী অন্তৰীক্ষা, পুনম, চয়নিকা, সুদীপা, কৰিশ্মা— এইসকলৰ লগতে ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ অন্তৰভৰা মৰম আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

এই ব্যক্তিসকলৰ অবিহনে মই এটা ডাঙৰ শূন্য হৈ ৰ'লোঁহেঁতেন।

**সমবেদনা জ্ঞাপন ঃ** মোৰ কাৰ্যকালত বিয়োগ ঘটা শ্ৰদ্ধাৰ শিক্ষাগুৰু স্বৰ্গীয় সঞ্জিতা সিংহ বাইদেউৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

**সামৰণি ঃ** আশা কৰোঁ— অনাগত দিনত মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতিজন ছাত্ৰীয়ে দ্ৰুত সামাজিক পৰিৱৰ্তনৰ ধামখুমীয়াত নিজকে বিলীন হ'বলৈ নিদি লক্ষ্যপ্ৰাপ্তিৰ দীঘল বাটছোৱাত আগবাঢ়ি গৈ সফলতাৰ শীৰ্ষ অতিক্ৰম কৰক আৰু নগাঁও ছোৱালী কলেজৰ সোণালী ঐতিহ্য চিৰদিন চিৰযুগমীয়া হৈ থাকক।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰটিবোৰৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰি আগন্তুক বৰ্ষত উক্ত বিভাগত তথা বিশেষকৈ তৰ্কৰ বীজটি আৰু অধিক সজীৱ হৈ উঠাৰ কামনাৰে মোৰ সম্পাদিকাৰ চমু প্ৰতিবেদন সামৰিলোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।

জয়তু নগাঁও ছোৱালী কলেজৰ ছাত্ৰী একতা সভা।

**নিকিতা মজিন্দাৰ**
তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা
২০২২-২৩ বৰ্ষ



# সাহিত্য আৰু আলোচনী সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পৰমপূজ্য মহেশ চন্দ্ৰ দেৱগোস্বামীদেৱ আৰু যিসকল বৰেণ্য ব্যক্তিৰ ত্যাগ আৰু প্ৰচেষ্টাৰ পৰিণতিত জন্ম লাভ কৰিছিল ঐতিহ্যমণ্ডিত নগাঁও ছোৱালী কলেজ সেই প্ৰতিজন মহান মণিষীলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। লগতে নগাঁও ছোৱালী কলেজৰ বৰ্তমানৰ অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী সমন্বিতে সকলো কলেজ পৰিয়াললৈ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

নগাঁও ছোৱালী কলেজৰ ২০২২-২০২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদিকা হিচাপে মোৰ ওপৰত ন্যস্ত দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই 'মহাবিদ্যালয় যুৱ মহোৎসৱ' অনুষ্ঠানটি আয়োজন কৰা হৈছিল। পূৰ্ব অভিজ্ঞতা নোহোৱাৰ বাবে নিয়াৰিকৈ কামবোৰ কৰাত অসুবিধাৰ সন্মুখীন হৈছিলোঁ। আলোচনী বিভাগৰ দুয়োগৰাকী তত্ত্বাৱধায়ক অধ্যাপক শ্ৰদ্ধাৰ ড° বিপুল মালাকাৰ ছাৰ আৰু অধ্যাপিকা শ্ৰীৰশ্মি ডেকা বাইদেউৰ প্ৰেৰণা, সাহস আৰু সহায়ৰ বলত বহুখিনি প্ৰতিযোগিতাৰ আয়োজন কৰিবলৈ সক্ষম হৈছিলোঁ। এই প্ৰতিযোগিতাসমূহ আছিল এনেধৰণৰ—

১) বিভাগীয় প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা।
২) চুটিগল্প প্ৰতিযোগিতা।
৩) ৰচনা প্ৰতিযোগিতা।
৪) লিমাৰিক প্ৰতিযোগিতা।
৫) একাংকিকা নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতা।
৬) প্ৰবন্ধ প্ৰতিযোগিতা।
৭) বেটুপাত প্ৰতিযোগিতা।
৮) থিতাতে বানান, কবিতা আৰু গল্প লিখা প্ৰতিযোগিতা।
৯) আৰ্হিপাঠ প্ৰতিযোগিতা।

বিভিন্ন শিতানত আয়োজন কৰা প্ৰতিযোগিতাসমূহৰ বাবে আমাৰ কলেজৰে বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলক বিচাৰক হিচাপে নিমন্ত্ৰণ কৰা হৈছিল। কবিতা আবৃত্তিৰ বিচাৰক হিচাপে অসমীয়া বিভাগৰ প্ৰাৰ্থনা বাইদেউ, বাংলা বিভাগৰ ৰীতাৰাণী দে বাইদেউ, ইংৰাজী বিভাগৰ পিকলী বুঢ়াগোহাঁই বাইদেউক নিমন্ত্ৰণ কৰা হৈছিল।

বিভাগীয় প্ৰাচীৰ-পত্ৰিকাৰ বিচাৰক হিচাপে এডিপি কলেজৰ অধ্যাপক আৰু ধিং কলেজৰ অসমীয়া বিভাগৰ অধ্যাপকক নিমন্ত্ৰণ কৰি অনা হৈছিল। মহাবিদ্যালয় যুৱ মহোৎসৱত সাহিত্য আৰু আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাসমূহত বিচাৰক আসন শুৱনি কৰা প্ৰতিজন শিক্ষাগুৰুলৈ মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই সুযোগতে প্ৰাচীৰ পত্ৰিকাৰ বিচাৰকদ্বয়কো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০২২-২০২৩ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহত সাহিত্য আৰু আলোচনী বিভাগে আয়োজন কৰা প্ৰতিযোগিতাসমূহৰ ফলাফলসমূহ এনেধৰণৰ—

১) <u>প্ৰাচীৰ পত্ৰিকা</u> ঃ

**প্ৰথম ঃ** প্ৰতিধ্বনি (শিক্ষা বিভাগ)
Culinary Wisdom (ইংৰাজী বিভাগ)

**দ্বিতীয় ঃ** প্ৰমিতি (সংস্কৃত বিভাগ)
Cryptonomics (অৰ্থনীতি বিভাগ)

**তৃতীয় ঃ** সুগন্ধি প্ৰয়াস, অসমীয়া বিভাগ
ভৌগোলিকা (ভূগোল বিভাগ)
Biolumine Science

২) <u>থিতাতে বানান লিখা প্ৰতিযোগিতা</u> (অসমীয়া)

**প্ৰথম ঃ** কৰবী ভূঞা, সংস্কৃত বিভাগ

দ্বিতীয় ঃ পৰিণীতা শইকীয়া, অসমীয়া বিভাগ
তৃতীয় ঃ জুৰিস্মিতা বৰা, অসমীয়া বিভাগ
ময়ূৰী শৰ্মা, সংস্কৃত বিভাগ
(ইংৰাজী)
প্ৰথম ঃ হোনমিলি বে'পি, ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ঃ বিশিতা গায়ন, দৰ্শন বিভাগ
তৃতীয় ঃ অমিষা দে, অৰ্থনীতি বিভাগ

৩) থিতাতে কবিতা লিখা প্ৰতিযোগিতা
প্ৰথম ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ
দ্বিতীয় ঃ হিয়া শৰ্মা, দৰ্শন বিভাগ
তৃতীয় ঃ হোনমিলি বে'পি, ৰাজনীতি বিজ্ঞান বিভাগ
হিমাদ্ৰী বৰা, সংস্কৃত বিভাগ

৪) কবিতা আবৃত্তি প্ৰতিযোগিতা
(অসমীয়া)
প্ৰথম ঃ কৰবী দেৱী, অসমীয়া বিভাগ
হিমাশ্ৰী গগৈ, অসমীয়া বিভাগ
দ্বিতীয় ঃ ভাগ্যলক্ষ্মী বৰা, ৰাজনীতি বিজ্ঞান বিভাগ
তৃতীয় ঃ ৰিম্পী হাজৰিকা, ইতিহাস বিভাগ
(ইংৰাজী)
প্ৰথম ঃ ৰেখাশ্ৰী বৰা, পদাৰ্থ বিজ্ঞান বিভাগ
(বাংলা)
প্ৰথম ঃ সাগৰিকা পাল, অসমীয়া বিভাগ
(সংস্কৃত)
প্ৰথম ঃ ডিম্পী শৰ্মা, সংস্কৃত বিভাগ
(হিন্দী)
প্ৰথম ঃ অঞ্জলী চৌহান, সংস্কৃত বিভাগ
দ্বিতীয় ঃ প্ৰিয়া সিং, হিন্দী বিভাগ
তৃতীয় ঃ মিলি তিৱাৰী, হিন্দী বিভাগ

৫) আহ্নি পাঠ প্ৰতিযোগিতা
(অসমীয়া)
প্ৰথম ঃ জুৰিস্মিতা বৰা, অসমীয়া বিভাগ
দ্বিতীয় ঃ কৰবী ভুঞা, সংস্কৃত বিভাগ
তৃতীয় ঃ জাগৃতি বৰা, অসমীয়া বিভাগ
(ইংৰাজী)
প্ৰথম ঃ হোনমিলি বে'পি, ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ঃ ৰাখী বৰা, অসমীয়া বিভাগ
সীমা সাহা, অৰ্থনীতি বিভাগ
তৃতীয় ঃ ৰিশিতা গায়ন, দৰ্শন বিভাগ
প্ৰীতি ডেকা, অসমীয়া বিভাগ

৬) থিতাতে লিখা চুটিগল্প
বিচাৰকৰ উদ্‌গণিমূলক বঁটা ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ।

৭) বেটুপাত
উদ্‌গণিমূলক বঁটা ঃ অনন্যা বিদ্যাভাৰতী, ইতিহাস বিভাগ।

৮) প্ৰবন্ধ প্ৰতিযোগিতা
প্ৰথম ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ
দ্বিতীয় ঃ ৰ'জী দেৱী, ভূগোল বিভাগ
তৃতীয় ঃ হিমাদ্ৰী বৰা, সংস্কৃত বিভাগ

৯) নীলাখামৰ চিঠি প্ৰতিযোগিতা
প্ৰথম ঃ লিজা কলিতা, অসমীয়া বিভাগ
দ্বিতীয় ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ
তৃতীয় ঃ হিমাদ্ৰী বৰা, সংস্কৃত বিভাগ

১০) একাংকিকা নাটকৰ পাণ্ডুলিপি
উদ্‌গণিমূলক বঁটা ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ

১১) ৰম্য ৰচনা
প্ৰথম ঃ হিমাদ্ৰী বৰা, সংস্কৃত বিভাগ
দ্বিতীয় ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ

১২) কৌতুক
প্ৰথম ঃ কৰবী ভুঞা, সংস্কৃত বিভাগ
দ্বিতীয় ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ
তৃতীয় ঃ হিমাদ্ৰী বৰা, সংস্কৃত বিভাগ

১৩) লিমাৰিক
প্ৰথম ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ
দ্বিতীয় ঃ কৰবী ভুঞা, সংস্কৃত বিভাগ
তৃতীয় ঃ লিজা কলিতা, অসমীয়া বিভাগ

১৪) কাৰ্টুন
প্ৰথম ঃ ৰ'জী দেৱী, ভূগোল বিভাগ
দ্বিতীয় ঃ সংগীতা ৰয়, সংস্কৃত বিভাগ
তৃতীয় ঃ কৰবী ভুঞা, সংস্কৃত বিভাগ

১৫) অণুগল্প
প্ৰথম ঃ লিজা কলিতা, অসমীয়া বিভাগ
দ্বিতীয় ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ
তৃতীয় ঃ দীপা বৰা, ইতিহাস বিভাগ

**নগাঁও ছোৱালী কলেজৰ যুৱ মহোৎসৱৰ শ্ৰেষ্ঠা সাহিত্যিকৰ বঁটা** ঃ গীতিমণি গোহাঁই, অসমীয়া বিভাগ

শেষত নগাঁও ছোৱালী কলেজৰ ভৱিষ্যতৰ আৰু শৈক্ষিক উন্নয়নৰ কামনা কৰিলোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।

**নিমিষা বৰা**
সাহিত্য আৰু আলোচনী সম্পাদিকা
২০২২-২৩ বৰ্ষ



# ছাত্ৰী কল্যাণ নিধি সম্পাদিকাৰ প্ৰতিবেদন

২০২১ চনত এই কলেজৰ বাকৰিত ভৰি থৈ নিজৰ উচ্চ শিক্ষাৰ দিশে প্ৰথম খোজ আগবঢ়াইছিলোঁ। উন্নত মানৰ শিক্ষা আৰু প্ৰাকৃতিক পৰিৱেশৰ মাজত যেন নিজকে বিশেষ অনুভৱ কৰিছিলোঁ। ছাৰ-বাইদেউসকলৰ মৰম আৰু জ্ঞানৰ অপূৰ্ব পাঠদানেৰে আজি কলেজৰ বিদায়বেলাত ভৰি দিছোঁ।

২০২২-২০২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ কামখিনি নিস্বাৰ্থভাৱে আগবঢ়ালোঁ। আৰু বহু বাকী ৰৈ গ'ল। সেইখিনি নিজৰ কনিষ্ঠ ভণ্টিসকলৰ বাবে আগবঢ়ালোঁ। ছাত্ৰী একতা সভাৰ দায়িত্বই যেন নিজকে আৰু এখোজ দায়বদ্ধ কৰিলে। মই গৌৰৱান্বিত যে কলংপৰীয়া নগাঁও ছোৱালী কলেজৰ অংশ হ'ব পাৰিলোঁ।

এই কলংপাৰৰ মহিমা সদায় শীৰ্ষস্থান লাভ কৰক— তাকে কামনা কৰিলোঁ।

।। জয়তু নগাঁও কলেজ ।।

**কৰিশ্মা শৰ্মা**
ছাত্ৰী কল্যাণ নিধি সম্পাদিকা
২০২২-২৩ বৰ্ষ




অধ্যক্ষৰ সৈতে
অধ্যাপক-অধ্যাপিকাসকল

**প্ৰথম শাৰী** ঃ ড° মনোজ কুমাৰ চুতীয়া, ৰ'জী ডেকা, ৰঞ্জনা বৰা, শৰৎ হাজৰিকা, ড° সঞ্চিতা বৰা, ড° কুলেন চন্দ্ৰ দাস (অধ্যক্ষ), ড° মীৰা বৰুৱা (উপাধ্যক্ষ) ড° জয়ন্তী সাহা, ড° দিব্যজ্যোতি শইকীয়া, ৰঞ্জয় সাহা, ড° শিখা ভাগৱতী, ড° বিপুল মালাকাৰ।

**দ্বিতীয় শাৰী** ঃ দীপক শৰ্মা, ড° বিশ্বজিৎ দাস, মুনীন বৰা, ৰঞ্জিত বৰা, ড° নিতু কুমাৰী গুপ্তা, ড° মৃদুলা কাশ্যপ, পিংকি বুঢ়াগোহাঁই, ড° নমিতা কলিতা, শঙ্কৰজ্যোতি বৰা, ড° জোনালী মুদৈ, মৰমী গায়ন।

**তৃতীয় শাৰী** ঃ অঞ্জুমণি শৰ্মা, লীনা বৰা হাজাৰী, ড° মণিকা শইকীয়া, ৰশ্মি ডেকা, ড° মিতালী গোস্বামী, ড° নাজনীন আখতাৰ, ড° উদয় ভান ভগত, কল্যাণ বৰা।

**চতুৰ্থ শাৰী** ঃ হিমা দেৱী, ড° মানসী বৰা, প্ৰাৰ্থনা হাজৰিকা, ড° ৰাখী ভট্টাচাৰ্য্য, ড° নীতা বসুমতাৰী, ড° জিনামণি শাণ্ডিল্য, ড° নমিতা ওজা, প্ৰাৰ্থনা গগৈ, ড° বেবী বিশ্বকৰ্মা, ধীৰাঙ্কনা বৰা, দীপামণি দলে।

**পঞ্চম শাৰী** ঃ ড° ভাৰ্গৱ ডেকা, ড° সন্দীপ চৌধুৰী, ড° প্ৰজ্ঞান কুমাৰ ভাগৱতী, প্ৰাচুৰ্য বৰা, ড° বিভাস ডেকা, ড° অমিত কুমাৰ ৰায়চৌধুৰী, ড° স্মৰজিৎ ওজা, আশীস শইকীয়া, ড° নাৰায়ণ নায়ক, ড° পঙ্কজ কলিতা, দীপাঙ্কৰ মহন, ড° হেমন্ত কলিতা।

**অনুপস্থিত** ঃ ড° অমিয়া পাটৰ, ৰেছ' বেঞ্জামিন টেৰণ, মানসজ্যোতি ভূঞা, ড° নীলোৎপল কলিতা, ড° গঙ্গোত্ৰী শইকীয়া, সংঘমিত্ৰা বুঢ়াগোহাঁই।




**অধ্যক্ষৰ সৈতে কাৰ্যালয় পৰিয়াল**

প্ৰথম শাৰী ঃ দেৱজিৎ বৰদলৈ, মৃণালী শইকীয়া, ড° মীৰা বৰুৱা (উপাধ্যক্ষ), ড° কুলেন চন্দ্ৰ দাস (অধ্যক্ষ), তীৰ্থ উজীৰ, ড° কিশোৰ কুমাৰ শৰ্মা (গ্ৰন্থাগাৰিক), সোণমনি দাস, দুলুমনি বৰদলৈ

দ্বিতীয় শাৰী ঃ অখিল দাস, মাধুৰিমা দাস, মৌচুমী শইকীয়া, জুৰিজ্যোতি বৰা, পপী বৰা, হেমন্ত নাথ, সুনীল কুমাৰ হীৰা, সুমিত্ৰা ৰয়।

তৃতীয় শাৰী ঃ সুৰজ ডেকা, বগীৰাম শইকীয়া, ৰামনৰেশ ৰয়, ৰাণু বৰা, অঞ্জন ভূঞা, ৰূপসিং বে', সুনীল মণ্ডল।

চতুৰ্থ শাৰী ঃ তৰুণ দাস, মিলনজ্যোতি বৰা, প্ৰাচুৰ্য শইকীয়া, কুকিল শইকীয়া, মণিৰাম বৰা, ৰাজকুমাৰ বৰদলৈ, মৃদুল শইকীয়া

অনুপস্থিত ঃ ভদ্ৰেশ্বৰ শইকীয়া, মিতালী বৰা, প্ৰশান্ত বৰা।




## সম্পাদনা সমিতি

প্ৰথম শাৰী ঃ ড° সঞ্চিতা বৰা, ড° মনোজ কুমাৰ চুতীয়া, দীপক শৰ্মা, ড° কুলেন্দ্ৰ চন্দ্ৰ দাস (অধ্যক্ষ), ড° মীৰা বৰুৱা (উপাধ্যক্ষ), মৰমী গায়ন, ড° বিশ্বজিৎ দাস
দ্বিতীয় শাৰী ঃ ড° বিপুল মালাকাৰ (তত্ত্বাৱধায়ক), দীপা বৰা, নিমিষা বৰা (আলোচনী সম্পাদিকা), পৰিস্মিতা শৰ্মা, ৰশ্মি ডেকা (তত্ত্বাৱধায়ক)




## অধ্যক্ষৰ সৈতে পুথিভঁৰাল পৰিয়াল

বাঁওফালৰ পৰা ক্ৰমে ঃ সুমিত্ৰা ৰয়, ড° মীৰা বৰুৱা (উপাধ্যক্ষ), ড° কুলেন চন্দ্ৰ দাস (অধ্যক্ষ), ড° কিশোৰ কুমাৰ শৰ্মা (গ্ৰন্থাগাৰিক), দুলুমণি বৰদলৈ, সুৰজ ডেকা।



## অধ্যক্ষৰ সৈতে ছাত্ৰী একতা সভা

প্ৰথম শাৰী ঃ আস্থা বৰা (সাংস্কৃতিক সম্পাদিকা), দীপা বৰা (সহঃ সাধাৰণ সম্পাদিকা), পৰিস্মিতা শৰ্মা (সাধাৰণ সম্পাদিকা), ড° কুলেন চন্দ্ৰ দাস (অধ্যক্ষ), ড° মীৰা বৰুৱা (উপাধ্যক্ষ), অংকুৰীমা দাস (সংগীত সম্পাদিকা), নিমিষা বৰা (আলোচনী সম্পাদিকা)

দ্বিতীয় শাৰী ঃ কৰিশ্মা শৰ্মা (ছাত্ৰী কল্যাণনিধি সম্পাদিকা), নিকিতা মজিন্দাৰ (তৰ্ক আৰু আলোচনা সম্পাদিকা)

অনুপস্থিত ঃ ৰীমা মেছ (সভানেত্ৰী), তৃষ্ণামণি লিগিৰা (উপ সভানেত্ৰী), বিন্দিয়া বসুমতাৰী (ক্ৰীড়া সম্পাদিকা), অঙ্কিতা বড়ো (সমাজ সেৱা সম্পাদিকা), মৰ্জিনা বেগম (শ্ৰেণী প্ৰতিনিধি)।

## অৱসৰপ্ৰাপ্ত অধ্যক্ষ আৰু উপাধ্যক্ষ



অধ্যক্ষ
বলীন কুমাৰ ভূঞা



উপাধ্যক্ষ
কল্পনা ভট্টাচাৰ্য্য

## যুৱ মহোৎসৱৰ গৌৰৱ



গীতিমণি গোহাঁই
অসমীয়া বিভাগ
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



প্ৰিয়ংকা বসুমতাৰী
ৰাজনীতি বিজ্ঞান বিভাগ
শ্ৰেষ্ঠ খেলুৱৈ



প্ৰান্তিকা বৰা
ইংৰাজী বিভাগ
শ্ৰেষ্ঠ গায়িকা



বৰ্ষা বৰা
ইংৰাজী বিভাগ
শ্ৰেষ্ঠ অভিনেত্ৰী



গৰিমা কাশ্যপ
উদ্ভিদ বিজ্ঞান বিভাগ
সৌন্দৰ্য ৰাণী

# কলেজৰ গৌৰৱ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত
পৰীক্ষাত হিন্দী বিষয় (সন্মান)ত
প্ৰথম স্থানপ্ৰাপ্ত
'মেঘনাথ পাল সোঁৱৰণী প্ৰতিভা বঁটা'
আৰু
'নগাঁও ছোৱালী কলেজৰ বিশেষ বঁটা' প্ৰাপক
আৰতি দাস





উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত
সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত
'কুন্তলা হাজৰিকা সোঁৱৰণী প্ৰতিভা বঁটা'
প্ৰাপক
ভাগ্যশ্ৰী ভূঞা

বৈশালী তামুলী
প্ৰাণী বিজ্ঞান বিভাগ
'বিভা গোস্বামী প্ৰতিভা বঁটা'
প্ৰাপক





বৰ্ষা বৰা
দৰ্শন বিভাগ
'ৰেখা দাসগুপ্তা প্ৰতিভা বঁটা'
প্ৰাপক

অংকিতা শইকীয়া
ইতিহাস বিভাগ
'ৰেণু মহন্ত প্ৰতিভা বঁটা'
প্ৰাপক





গীতা ৰাজখোৱা
অসমীয়া বিভাগ
'পুলিন চন্দ্ৰ পাটৰ সোঁৱৰণী প্ৰতিভা বঁটা'
প্ৰাপক



অনুশিখা বৰা
শিক্ষা বিভাগ
'মালতী বৰা সোঁৱৰণী প্ৰতিভা বঁটা'
প্ৰাপক



কাবেৰী বৰা
ৰাজনীতি বিজ্ঞান বিভাগ
'উদ্যমী বঁটা' প্ৰাপক



গীতিমণি গোহাঁই
অসমীয়া বিভাগ
'পুলিন চন্দ্ৰ পাটৰ সোঁৱৰণী সমাজসেৱা বঁটা'
প্ৰাপক



বিয়া পাল
সংস্কৃত বিভাগ
'চিকুনী কলিতা সোঁৱৰণী প্ৰতিভা বঁটা'
প্ৰাপক



স্নেহা বৰকটকী
ভূগোল বিজ্ঞান বিভাগ
'মুক্তাৰাম গায়ন প্ৰতিভা বঁটা'
প্ৰাপক



আল্পনা দেবনাথ
অৰ্থনীতি বিভাগ
'ভানু পদ্মাৱতী প্ৰতিভা বঁটা'
প্ৰাপক

# NCCৰ কেইটামান মুহূৰ্ত





Commissioned as NCC Officer at
Pre Commission Course
OTA Gwalior








# NCCৰ কেইটামান মুহূৰ্ত


















# NSSৰ কেইটামান মুহূৰ্ত









**Special National Integration Camp at Gujarat**
















COLLEGE











# গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূব মণ্ডলৰ ৰঙাপাৰা কলেজত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱৰ কেইটামান মুহূৰ্ত













# হীৰক জয়ন্তী সমাৰোহ সামৰণী অনুষ্ঠান আৰু বাৰ্ষিক যুৱ মহোৎসৱৰ কেইটামান মুহূৰ্ত





















## হীৰক জয়ন্তী সমাৰোহ সামৰণী অনুষ্ঠান আৰু বাৰ্ষিক যুৱ মহোৎসৱৰ কেইটামান মুহূৰ্ত

















# নগাঁও ছোৱালী কলেজ আলোচনী

# চৰৈৱেতি

২০২২-২০২৩ বৰ্ষ

